গোৰা

ৰবিন্দ্রনাথ ঠাকুৰ

NABAJYOTI COLLEGE
LIBRARY, KALGACHIA
Dist - Barpeta (Assam)
Class No. 891·453
Book No. TAG
Acc No. 06062

SOUL
Nabajyoti College
Kalgachia-781319
ASS-4

Call No.....
NABAJYOTI COLLEGE
LIBRARY
KALGACHIA
Dist:- Barpeta (Assam)
Acc.No. 06062
Class No. 891·453 Book No. TAG

Accession No.....
NABAJYOTI COLLEGE
LIBRARY
KALGACHIA-781319

1. Books may be retained for a period not exceeding 10 days by the Members.
2. Books may be renewed on request at the discretion of the librarian.
3. Dog-earing the pages of a book, making or writing therein with ink or pencil, tearing or taking out its pages or otherwise damaging it will constitute an injury to a book.
4. Any such injury to a book is a serious offence; unless the borrowing points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price.

HELP TO KEEP THE BOOK FRESH & CLEAN.

গোৰা

A-3
166

ৰবীন্দ্রনাথ ঠাকুৰ

ASS-4

অনুবাদক
সুৰেন্দ্রমোহন চৌধুৰী

A-3
166

NABAJYOTI COLLEGE
LIBRARY
Kalgachia
Dist. - Barpeta (Assam)
Class No.....
Book No. TAG
Acc. No. 6062

সাহিত্য অকাদেমী
নতুন দিল্লী

GORA. Assamese translation by Surendramohan C
Rabindranath Tagore's Bengali novel. Sahitya
Delhi (1965). Price Rs. 12·00

A-221

© সাহিত্য অকাদেমী ১৯৬৪

বিশ্বভাৰতী প্ৰকাশন বিভাগৰ
সৌজন্যত এই কিতাপ প্ৰকাশিত

প্ৰধান পৰিবেশক
লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, অসম

তলৰ ঠিকানাতো পোৱা যায়
সাহিত্য অকাদেমী
ৰবীন্দ্ৰভবন, ফৰোজ শাহ্ ৰোড, নিউ দিল্ল
ৰবীন্দ্ৰ ষ্টেডিয়াম, ব্লক ৫ বি, কলিকতা-২

মুদ্ৰক : শ্ৰীগুৰু প্ৰেছ
মালিগাঁও, গুৱাহাটী

A-3
166

শাওণ মাহৰ মেঘ আঁতৰি যোৱাৰ লগে লগেই কলিকতাৰ আকাশ নিৰ্ম্মল ৰ'দেৰে উপচি পৰিছে। বাট-পথত গাড়ী-ঘোঁৰাৰ বাবে বিৰ দিও সন্ধি পাবৰ উপায় নাই।— ফেৰিৱালাবোৰে অনৱৰত চিঞৰি ফুৰিছে, অফিচ, কলেজ, কাছাৰী ঘৰলৈ যাবলৈ ওলোৱাসকলৰ ঘৰে ঘৰে মাছ আৰু শাক-পাচলিৰ পাচি লৈ লৈ পোহাৰীবোৰ আহিব ধৰিছে আৰু বান্ধনি-ঘৰৰ মুধেদি চোকা জলোৱাৰ ধোঁৱা ওলাইছে।— কিন্তু তথাপি ইমান ডাঙৰ এই কৰ্ম্মব্যস্ত কাঠচিত হৃদয়ৰ কলিকতা নগৰী—ইয়াৰো এই শ শ বাট-পথ আৰু গলিৰ ভিতৰলৈকে সোণৰৰণীয়া পোহৰে আজি যেন এক অতুলনীয় যৌৱনৰ সোঁত বোৱাই আনিছে।

এনে এটা দিনতে কাম নথকা আহৰি পৰত বিনয়ভূষণে তাৰ ঘৰৰ মহলাৰ বাৰাণ্ডাত অকলে থিয় দি আলিবাটৰ জনতাৰ সোঁতলৈ চাই আছিল। বহুদিন হ'ল কলেজৰ পঢ়াও সাং কৰিছে অথচ সংসাৰতো সোমোৱা নাই— এইটোৱেই হ'ল বিনয়ৰ বৰ্ত্তমান অৱস্থা। সি মাজে মাজে সভা-সমিতিত যাগ দিয়ে আৰু বাতৰি-কাকতত প্ৰৱন্ধপাতি লিখে—কিন্তু এইবোৰেও যেন ঘৰ গোটেই মনটো পূৰ কৰিব পৰা নাই। অন্ততঃ আজি পুৱাৰেপৰাটোনো কেনেকৈ কটাব তাকে থিৰ কৰিব নোৱাৰি তাৰ মনটো ৰৰ উ থুৰ লাগিছিল। কাষৰ ঘৰটোৰ ছাতৰ ওপৰত তিনটামান কাউৰীয়ে কিৰ কাৰণে কোৰাল কৰি আছিল আৰু এহাল ঘনচিৰিকাই তাৰে এচুকত সিহঁতৰ বাহ সজা লৈ ইটোৱে সিটোক চিঁ চিঁয়াই উৎসাহ দিছিল—সেইবোৰ অবুজ কলকলনিয়ে বিনয়ৰ মনত কিবা এটা অস্পষ্ট ভাৱৰ আৰেগ জগাই তুলিছিল।

এনেতে হলোচোলা পিন্ধা বৈৰাগী এজনে ওচৰতে দোকান এখনৰ সন্মুখত থিয় হৈ গান গাবলৈ ধৰিলে ;—

সজাৰ বুকুলৈ অচিন পখী কেনেকৈ আহে যায়
ধৰিব পাৰিলে মনৰ জৰীৰে বান্ধিম পখীক হায়।

বৈৰাগীক মাতি আনি এই অচিন পখীৰ গানটো লিখি লবলৈ বিন
ৰৰ মন গ'ল। কিন্তু শেষৰাতি অলপ জাৱ জাৱ লাগিলেও গাৰৈ নিহালি
টানি লবলৈ এলাহ লগাৰ দৰেই কিবা এটা এলাহতে বৈৰাগীক মতা নহ
আৰু গানো লিখা নহ'ল—কেৱল সেই অচিন পখীৰ সুৰটো মনৰ ভিত
গুণগুণাই বাজি থাকিবলৈ ধৰিলে।

ঠিক এনে সময়তে তাৰ ঘৰৰ সন্মুখতে এখন সৰু ধোঁৱাগাড়ীৰ ওপ
মস্ত এখন ধোঁৱাবাগী আহি পৰিলহি, আৰু একে খুন্দাই সৰু ভাৱাগাড়ীখ
চকা এটা ভাঙি থৈ সেইফালে নোচোৱাকৈয়ে বাগীখন বায়ুবেগেৰে
গ'লগৈ। ভাৱাগাড়ীখন একেবাৰে লুটিখাই নপৰি এফালে কাতি
পৰিল।

বিনয় লবালবিকৈ বাহিৰলৈ ওলাই আহি দেখিলে যে গাড়ীৰ ভিতৰ
সোতৰ-ওঠৰ বছৰীয়া ছোৱালী এজনী নামি আহিছে আৰু এজন বয়া
মানুহ নামিব খুজিছে।

বিনয়ে তেখেতক ধৰি-মেলি গাড়ীৰপৰা নমালে, আৰু তে
ন কেঁহেৰাজ ৰৰণ ধৰা দেখি সুধিলে, "আপুনি কৰবাত দুখ
নে কি?"

তেখেতে 'নাই, একো হোৱা নাই' বুলি হাঁহিব খুজিছিল, কিন্তু
হাঁহি লগে লগেই নোহোৱা হৈ গ'ল আৰু মানুহজন অজ্ঞা হোৱা
হৈ ঢলি পৰিল। বিনয়ে থাপমাৰি তেখেতক ধৰিলে আৰু মহা বি
পৰা ছোৱালীজনীক কলে, "সোৱা আমাৰ ঘৰ ৰ'লক, ভিতৰলৈ ৰ'ল
বুঢ়া মানুহজনক বিছনাত শুৱাই দি ছোৱালীজনীয়ে কোঠাটোৰ
ফালে চাওঁতে এচুকত পানী একলহ দেখিলে। ছোৱালীজনীয়ে
এগিলাচ পানী বাকি লৈ মানুহজনৰ চকুৰে-মুখে পানী
দৰলৈ ধৰিলে আৰু বিনয়ক কলে, "এজন ডাক্তৰ
নে

বিনয়ৰ ঘৰৰ ওচৰতেই ডাক্তৰৰ ঘৰ। ডাক্তৰ মাতিবলৈ বিনয়ে
লবাটো তেতিয়াই পঠিয়াই দিলে।

কোঠাটোৰ এমূৰে মেজৰ ওপৰত এখন আয়না, তেলৰ বটা
মূৰ আঁচোৱাৰ সৰঞ্জাম যতনাই থোৱা আছিল। বিনয় ছোৱা
ি লে থিয় দি সেই আয়নাখনৰ পিনে একেথৰে চাই ৰ'ল।
ফকালৰপৰা বিনয়ে সিহঁতৰ কলি তাৰ ঘৰত থাকি পঢ়া-শুনা
সংসাৰৰ লগত বিনয়ৰ যি চিনাকি, সকলো কিতাপ-পত্ৰৰ মাজে

A-3
166

ৰ একোৰেই নহয়—এনে কোনো ছোৱালীৰ লগত আ কে বিনয়ৰ
তিয়াও চিনাকি হোৱা নাই।

আয়নাৰ পিনে চাই সি দেখিলে আয়নাত প্ৰতিফলিত হোৱা মুখখন
কিমান ধুনীয়া!

মুখৰ প্ৰত্যেকডাল ৰেখা বেলেগে বেলেগে চাৰৰ জোখাই চুৰ অভিজ্ঞতা
বিনয়ৰ নাছিল। উদ্বিগ্ন হৈ মৰমত ত হালি পৰা সেই
তৰুণ মুখৰ কোমলতা আৰু উজ্জ্ব চকুত সৃষ্টিৰ নতুনকৈ প্ৰকাশ
হোৱা কিবা এটা বিস্ময় যেন হে ।

অলপ পিচতে বুঢ়াজনে লাহে লাহে চকু মেলি 'আই' বুলি মাতি এটা দীঘলকৈ
উশাহ ললে। ছোৱালীজনীয়ে তেতিয়া চলচলীয়া চকুৰে মুখখন বুঢ়াৰ মুখৰ ওচ-
ৰলৈ নমাই নি খোকাখুকি মাতেৰে সুধিলে, "দেউতা, তুমি ক'ত দুখ পাইছা?"

"মই এইয়া কলৈ আহিছোঁ" বুলি বুঢ়াজন উঠি বহিব খোজোতেই
বিনয়ে লবালবিকৈ সন্মুখলৈ আগবাঢ়ি আহি কলেহি, "আপুনি এতিয়াই
নুঠিব, অকমান জিৰাওকচোন, ডাক্তৰ আহিব ধৰিছে।"

তেতিয়া তেখেতৰ সকলো কথা মনত পৰিল আৰু কলে, "মূৰৰ
এইটি ত অলপ বিষ আছে, ৰৰ বেচি একো নহয়।"

ঠিক তেনেতে জোতাৰে মচ্ মচ্ শব্দ কৰি ডাক্তৰ আহি পালেহি।
ডাক্তৰেও কলে, "বিশেষ একো নহয়।" অলপ তপত গাখীৰৰ লগত
ব্ৰাণ্ডি মিহলাই খুৱাবলৈ কৈ ডাক্তৰ গুচি যাওঁতেই বুঢ়াজন যেন লাজ পাই
ৰৰ অপ্ৰস্তুত হোৱা যেন হ'ল। ছোৱালীজনীয়ে বাপেকৰ মনৰ অৱস্থাটো
বুজি পাই কলে, "দেউতা, তুমি ইমান অস্থিৰ হৈছা কেলেই? ডাক্তৰৰ
ভিজিট আৰু ঔষধৰ দাম ঘৰৰপৰা পঠিয়াই দিমগৈ নহয়।"

এই বুলি কৈ তাই বিনয়ৰ মুখলৈ চালে।

কি আচৰিত সেই চকুযুৰি? চকুজোৰ ডাঙৰ নে সৰু, উঁহা নে ক'লা,
এইবোৰ দেখোন মনলৈকে নাহে—প্ৰথম চাৰনিতেই এনেহে লাগে যেন
এই চকুযুৰিৰ কিবা এটা অদ্ভুত প্ৰভাৱ আছে। তাত সঙ্কোচ নাই, দ্বিধা
নাই,—যেন কিবা এটা ধীৰ-স্থিৰ শক্তিৰে পৰিপূৰ্ণ ।

বিনয়ে কবলৈ যত্ন কৰিলে, "ভিজিট নিচেই অলপ; সেই কা ণে—
সেই....আপোনালোকে—সেইয়া—মই—"

ছোৱালীজনীয়ে ৰ মুখৰফালে চাই থকাত সি আৰু কথাষাৰ শেষ
কৰিব নোৱাৰিলেগৈ। কিন্তু ভিজিটৰ টকাকেটা যে সি লবই লাগিব,
এইটো খাটাং হৈ গ'ল।

বুঢ়া মানুহজনে কলে, "চাওক, মোৰ কাৰণে কিন্তু ব্ৰাণ্ডি নেলাগে
জীয়েকে তেখেতক বাধা দি কলে, "কিয় নেলাগে দেউতা, ডা
দেখোন সেইয়া কৈ গ'ল।"

বুঢ়াজনে কলে, "ডাক্তৰবোৰে তেনেকৈ কয়েই। সেইটো সিহঁতৰ
কু-সংস্কাৰ। গাটোত যিকণ দুৰ্ব্বল লাগিছে, অকণ তপত গাখীৰ খ
ভাল হৈ যাব।"

গাখীৰ খোৱাৰ পাচত গাত বল পাই বুঢ়াই বিনয়ক কলে, "এ
আমি আহোঁ আৰু; আপোনাক মিছাতে দিগ দিলোঁ।"

ছোৱালীজনীয়ে বিনয়ৰ মুখৰ পিনে চাই কলে, "এখন গাড়ী যদি
বুঢ়াই সঙ্কুচিত হৈ লৰালৰিকৈ কলে, "আকৌ তেওঁক কিয় ক
দিছা ? আমাৰ ঘৰচোন সৌ ওচৰতে; এইকণ খোজকাঢ়িয়েই যাব পাৰি
ছোৱালীজনীয়ে কলে, "নহয় খোজকাঢ়ি যাব নোৱাৰা।"

বুঢ়াজনে আৰু একো নকলে। বিনয়ে নিজে গৈ গাড়ী
মাতি আনিলেগৈ। গাড়ীত উঠিব ধৰোঁতেই বুঢ়াই বিনয়ক সুধি
"আপোনাৰ নামটো কি জানিব পাৰোঁনে ?"

বিনয়,—মোৰ নাম বিনয়ভূষণ চট্টোপাধ্যায়।

বুঢ়াই কলে, "মোৰ নাম পৰেশচন্দ্ৰ ভট্টাচার্য্য। এই ওচৰতে ৭৮
ঘৰত থাকোঁ। কেতিয়াবা আহৰি পৰত যদি আমাৰ পিনে এবাৰ
মাৰে, বৰ বং পাম।"

ছোৱালীজনীয়ে বিনয়ৰ পিনে তাইৰ চকুযুৰি তুলি ধৰি এই অনুৰো
নীৰৰ সমৰ্থন কৰিলে। বিনয়ে সেই গাড়ীখনতে উঠি তেতিয়াই সিহঁ
ঘৰলৈ যাবলৈ বাজী আছিল, কিন্তু কথাটোনো কেনে দেখাব, তাকে বু
নোৱাৰি মনে মনে খিয় দি ৰ'ল। গাড়ীখন ঠিক এৰিবৰ সময়ত ছোৱা
জনীয়ে বিনয়ক লাহেকৈ নমস্কাৰ কৰিলে। এই নমস্কাৰৰ বাবে বি
মুঠেই সাজু হৈ থকা নাছিল; সেই কাৰণে হঠাতে তাৰ খপ্‌জপ্‌
ছোৱালীজনীৰ নমস্কাৰ সি ঘূৰাই দিব নোৱাৰিলে। এইকণ ত্ৰুটীৰ
ঘৰলৈ উভতি আহি সি বাৰে বাৰে নিজকে ধিক্কাৰ দিবলৈ ধৰিলে
এওঁলোকৰ লগত প্ৰথম দেখা হোৱাৰেপৰা বিদায় দিয়ালৈকে বিনয়ে
সকলো ব্যৱহাৰবোৰ নিজৰ মনতে এটা এটাকৈ চালি-জাৰি চাই
কৰিলে যে প্ৰথমৰেপৰা শেষলৈকে সকলো কথাতে তাৰ অসভ্যালি
ফুটি ওলাইছে। কোন সময়ত সি কি কৰা উচিত আছিল বা কি কো
উচিত আছিল—এইবোৰকে ভাবি-গুণি অনাহকতে তাৰ মনটো গধুৰ

পৰিল। ঘৰলৈ উলটি আহি দেখিলে যে ছোৱালীজনীয়ে বাপেকৰ মুখ
মচি দিয়া ৰুমালখন তাতে বিছনাৰ ওপৰত পৰি আছে—ৰুমালখন সি
লৰালৰিকৈ বুটলি ললে। তাৰ মনৰ ভিতৰত বৈৰাগীৰ গানৰ সেই সুৰটো
আকৌ বাজি উঠিল——

"সজাৰ বুকুকৈ অচিন পখী কেনেকৈ আহে যায়।"

বেলি বাঢ়ি আহিল, বাৰিষাৰ ৰ'দ চোকা হৈ উঠিল, গাড়ীৰ সোঁত
অফিচৰ মুখে ৰবলৈ ধৰিলে, কিন্তু সেইদিনা বিনয়ে কোনো কামতেই
আৰু মন বহুৱাব নোৱাৰিলে। আজিৰ দৰে এনে এক গভীৰ বেদনাসনা
অপূৰ্ব্ব আনন্দ সি এই বয়সলৈকে কেতিয়াও পোৱা নাছিল। তাৰ এই
অকণমান ঘৰটো আৰু চাৰিওফালৰ কুচ্ছিত্‌ কলিকতাখন কোনোবা মায়াপুৰী
যেন হৈ উঠিল; সেই অসম্ভৱ সম্ভৱ হোৱা ৰাজ্য, য'ত অসাধ্য সিদ্ধ হয়,
অপৰূপে ৰূপ লৈ দেখা দিয়ে—বিনয় যেন সেই কোনো নিয়ম নথকা ৰাজ্যত
ঘূৰি ফুৰিবলৈ ধৰিলে। বাৰিষাৰ এই পুৰাৰ ৰ'দালিৰ উজ্জ্বল জেউতি তাৰ
মগজুৰ ভিতৰলৈকে সোমাল, তাৰ তেজৰ লগত ৰবলৈ ধৰিলে আৰু তাৰ
হৃদয়ৰ সন্মুখত এখন জ্যোতির্ম্ময় ৱৰনিকাৰ দৰে নামি আহি দৈনন্দিন
জীৱনৰ সকলো তুচ্ছতাকে যেন একেবাৰে আঁৰ কৰি দিলেহি। নিজৰ
পৰিপূৰ্ণতাক কিবা আচৰিত উপায়েৰে প্ৰকাশ কৰি দিবলৈ তাৰ ৰৰ মন
গ'ল; কিন্তু কেনেকৈনো তাকে কৰিব পাৰি তাৰ কোনো উপায় নেপাই
বিনয়ৰ মন বেজাৰত গুজৰি-গুমৰি উঠিল। আজি যে সি এটা অতি সাধাৰণ
মানুহ বুলিয়েই নিজক চিনাকি দিলে—ঘৰটো অতি সাধাৰণ, বস্তু-বাহানিবোৰ
খানখিত নোহোৱাকৈ অ'ত ত'ত পৰি আছে, বিছনাখনো মলিয়ন, কেতিয়াবা
কেতিয়াবা সি তাৰ কোঠাত ফুলৰ থোপা সজাই থয়—কিন্তু এনে দুৰ্ভাগ্য—
আজি তাত ফুলৰ পাহি এটাও নাছিল। সকলোৱে কয় বিনয়ে বাজহুৱা
ভাত যিমান ডাঙৰ ডাঙৰ বক্তৃতা দিব পাৰে, সি কালত গৈ এজন ৰৰ
বক্তা হব পাৰিব; কিন্তু সেইদিনা দেখোন সি মুখেৰে এনে এটা
কথাতো মাতিব নোৱাৰিলে—য'ত তাৰ বুদ্ধিৰ অকণমানো চিনাকি পোৱা যায়।
বাৰে বাৰে তাৰ মনত খেলালে—যদি এনেকুৱা কৰিব পাৰিলোহেঁতেন—
যে ঠিক সেই প্ৰকাণ্ড বাগীখন আহি এওঁলোকৰ গাড়ীৰ ওপৰত পৰিব
খোজোঁতেই মই একে চোচাই বিজুলী-বেগে বাটলৈ আহি সেই উৰি যোৱা
গাড়ীখনৰ লেগামত একে থাপেই থাপ মাৰি ধৰি ৰখাই দিলেঁহয়।'
নিজৰ সেই কাল্পনিক ৰীৰত্বৰ ছবি মনত ভাঁহি উঠাৰ লগে লগেই সি
এবাৰ গৈ আচাঁত নিজৰ মুখখন নোচোৱাকৈ থাকিব নোৱাৰিলে।

A-3
166
LIBRARY

এনেতে সি দেখিলে যে এটা সাত-আঠ বছৰীয়া লৰাই বাটত থিয় তাৰ ঘৰৰ নম্বৰটো চাই আছে। বিনয়ে ওপৰৰপৰাই কলে "হয়, ঘৰ এইটোৱেই।" লৰাটোৱে যে তাৰ ঘৰৰ নম্বৰটোৱেই বিচাৰি সেইটো বিনয়ে সহজেই বুজিলে। বিনয়ে খটখটায়েদি চটী-জোৰ চট্ চট্‌কৈ তললৈ নামি গ'ল আৰু বৰ আগ্ৰহেৰে লৰাটোক নিজৰ কোঁ লৈ আহি তাৰ মুখৰ পিনে চালে।

সি কলে "বাইদেৱে মোক পঠিয়াই দিছে।"

এই বুলি কৈ বিনয়ভূষণৰ হাতত এখন চিঠি দিলে।

বিনয়ে চিঠিখন লৈ পোনতে লেফাফাৰ ওপৰলৈ চালে, মাইকী মা ধুনীয়া হাতৰ আখৰেৰে ইংৰাজীত তাৰ নাম লেখা আছে। ভি চিঠি-পত্ৰ একো নাই, মাত্ৰ কেইটামান টকা আছে।

লৰাটি গুচি যাব খোজোঁতে বিনয়ে তাক কোনোমতেই এৰি নিদি লৰাটোৰ ডিঙিত সাৱটি ধৰি বিনয়ে তাক দুমহলাৰ কোঠালৈ লৈ গ'ল।

লৰাটোৰ গাৰ বৰণ তাৰ বায়েকতকৈ ক'লা, কিন্তু মুখৰ গঢ় বহু মিলে। তাক দেখি বিনয়ৰ বৰ ভাল লাগিল আৰু তালৈ কিবা এটা মৰম উপজিল।

লৰাটো বেচ চটফটীয়া। কোঠাত সোমায়েই বেৰত আঁৰি ছবি এখনলৈ আঙুলিয়াই সি সুধিলে—"এইখন কাৰ ছবি?"

বিনয়ে কলে—"এইয়া মোৰ বন্ধু এজনৰ ছবি।"

লৰাটোৱে সুধিলে "বন্ধুৰ ছবি? আপোনাৰ বন্ধুনো কোন?"

বিনয়ে হাঁহি হাঁহি কলে, "তুমি তেওঁক চিনি নেপাবা। মোৰ গৌৰমোহন, আমি তেওঁক গোৱা বুলি মাতোঁ। আমি নিচেই সৰুৰে একেলগে পঢ়িছোঁ।"

"আপুনি এতিয়াও পঢ়ে নে কি?"

"ওঁহো, এতিয়া আৰু নপঢোঁ।"

"আপোনাৰ স-ক-লো পঢ়া শেষ হ'ল নে কি?"

এই কণমান লৰাটিৰ আগতো বিনয়ে গৰ্ব্ব কৰাৰ লোভ সামা নোৱাৰিলে। সি কলে, "ওঁ, সকলো শেষ হৈছে।"

অবাক হৈ লৰাটোৱে বিনয়ৰ ফালে চাই থাকিল। বোধকৰোঁ ভাবিলে কেতিয়াকৈ যে সিয়ো ইমানবোৰ পঢ়া শেষ কৰিব পাৰিব।

বিনয়,—তোমাৰ নাম কি?

"মোৰ নাম শ্ৰীসতীশচন্দ্ৰ মুখোপাধ্যায়।"

A-3
166

বিনয়ে আচৰিত হৈ কলে, "মুখোপাধ্যায়?"

তাৰ পিচত লাহে লাহে সকলো চিনাকি পোৱা গ'ল। পৰেশ ভট্ট ওলোকৰ বাপেক নহয়—তেখেতে এই ভাই-ভনীহালক সকৰেপৰা তুলিছে। তাৰ বায়েকৰ নাম আগেয়ে ৰাধাৰাণী আছিল—পৰেশ ভট্টৰ ৰৈণীয়েকে ই নামটো সলাই 'সুচৰিতা' ৰাখিছে।

চাওঁতে চাওঁতে লৰাটোৰ লগত বিনয়ৰ মিতিৰালি হৈ গ'ল। সতীশ তিয়া ঘৰলৈ যাবলৈ ওলাল, তেতিয়া বিনয়ে সুধিলে, "তুমি অকলে ৰ পাৰিবা জানো?"

সি গৰ্ব্বেৰে কলে, "মইতো সদায় অকলেই যাওঁ।"

বিনয়ে কলে, "ৱ'লা, মই তোমাক আগবঢ়াই থৈ আহোঁগৈ।"

সি অকলে যাব নোৱাৰিব বুলি বিনয়ে সন্দেহ কৰা দেখি লৰাটোৱে নকৈ কলে, "কিয় মইচোন অকলেই যাব পাৰোঁ।" এইবুলি কৈ কলে অহা-যোৱা কৰাৰ নানান দৃষ্টান্ত সি দিবলৈ ধৰিলে। কিন্তু কথাটো নান ফঁহিয়াই বুজাই দিয়াৰ পিচতো কিয় যে বিনয় সিহঁতৰ ঘৰৰ পদুলি খলৈকে গ'ল, সেই কথাটোহে লৰাটোৱে একো বুজি নেপালে।

সতীশে সুধিলে, "আপুনি ভিতৰলৈ নাহে জানো?"

বিনয়ে তাৰ মনৰ সকলো আগ্ৰহ দমাই ক'লে, "আন এদিনাখন াহিম বাৰু।"

ঘৰলৈ উলটি আহি তাৰ সেই নাম লেখা লেফাফাটো জেপৰপৰা উলিয়াই বিনয়ে বহু পৰ চাই থাকিল--প্ৰত্যেকটো আখৰৰ গঢ় আৰু লেখাৰোৱ তাৰ ায় মুখস্থ হৈ গ'ল—তাৰ পিচত টকা কেইটাৰে সৈতে লেফাফাটো বাকচৰ ভিতৰত আথেৰেথে থৈ দিলে। এই টকা কেইটা কেতিয়াবা কিবা ডাঙৰ পদতো যে সি খৰচ কৰিব—এনে আৰু সম্ভাৱনা নেথাকিল।

২

াৰিষাৰ সন্ধিয়া আকাশৰ এন্ধাৰবোৰ তিতি যেন গধুৰ হৈ পৰিছে। ঘে ঢাকি ধৰা আকাশৰ তলত কলিকতা চহৰখন এটি প্ৰকাণ্ড মন মাৰি কা কুকুৰে নেজডালত মূৰটো গুজি মেৰখাই পৰি থকাৰ নিচিনাকৈয়ে নিজম হ পৰি আছিল। যোৱাকালিৰ সন্ধিয়াৰেপৰাই কিন্‌কিনাই বৰষুণ দি আছে।

GAUHATI COLLEGE LIBRARY
Estd-1971
Dist. Kamrup, (Assam).
P.O. KALGACHIA

কিন্‌কিনীয়া ববষুণ জাকে গোটেই আলিবাটটো বোকাহে কবিছে। কি
হুবাই এজাক অনা হলে আলিবাটব বোকাবোব ধুই নিকা কবি পেলালেহেঁ
ঘবতো মন নবহা অথচ বাহিবলৈ ওলাই গৈয়ো শান্তি নোপোৱা এনে
ওন্দোলাই থকা বতবত দুজন বন্ধুবে এটা তিনিমহলীয়া ঘবব জেকা
ওপবত দুটা বেতব মুঢ়াত বহি আছিল।

এই দুই বন্ধুবে লবাকালতো পঢ়াশালিবপবা উভতি আহি এই ছা
লুকাভাকু খেলিছিল। পবীক্ষাব আগতে চিঞবি চিঞবি দুয়ো ই
পাঠ আওবাইছিল। জহকালি কলেজবপবা উভতি আহি দুয়ো
ছাততেই খোৱা-বোৱা কবিছিল, আৰু তাব পিচত কত দিন বাতি দু
বজালৈকে তৰ্ক কবি কটাইছিল। পুৱাব ব'দ আহি মুখত পবিলেহে
চকখাই সাব পাই দেখিছিল যে দুয়ো বাতি ছাতব ওপবত কঠতে
আছে!

কলেজব শিক্ষা সাং হোৱাব পিচতো এই ছাতব ওপবত প্ৰা
মাহে একোবাবকৈ পতা 'হিন্দু-হিতৈষী সভা'ব অধিবেশনত এই দুই
মাজত এজনে সভাপতিব আৰু আনজনে চেক্রেটাবিব পদ গ্রহণ
আহিছে।

সভাপতিব পদ গ্রহণ কবাজনব নাম আছিল গৌবমোহন। আত্মীয় বন্ধু সকলোৱে 'গোবা' বুলিয়েই মাতিছিল। দেখাই-শুনাই, স্বভ
চবিত্রেই গোবা আৰু সকলোতকৈ যেন অলপ বেলেগ ধবণব আছিল। কলেজব প্ৰফেচাবসকলে 'ৰজতগিবি' বুলি মাতিছিল। তাব গাব আছিল উজ্জ্বল বগা—হালধীয়া আভাই সেই ববণলৈ অলপো কোন আনিব পবা নাছিল। সি প্ৰায় ছফুট ওখ আৰু স্বাস্থ্যবান আছি দুই হাতব মুঠি দুটা বাঘব হাতোবাব দবে বব ডাঙব আছিল আৰু মাতবে এনেকুৱা ডাঙব আৰু গহীন আছিল যে হঠাতে শুনিলে 'কোন' বুলি খাই উঠিব লাগে। তাব মুখব গঢ়টোও অনাবশ্যকভাবে ডাঙব পূৰ্ণঠ আছিল। গাল আৰু ঠুটবিব হাড় দুৰ্গব দুৱাবব শলখাব দবে অ দৃঢ় আছিল। চকুব ওপবত চেলাউবি নাই বুলিলেই হয় আৰু ঠিক খিনিবপবাই কপালখন কাণব কাষলৈকে অলপ বহল হৈ গৈছিল। আৰু অলপ বেঁকা—। চকুজোব সৰু কিন্তু উজ্জ্বল। সেই চকুব দৃ যেন বহু দূৰব ফালে কাঁড়ব দবে লক্ষ্য পোনাই থৈছে, অথচ মুহূৰ্ত্ততে লক্ষ্য ফিবাই আনি নিচেই ওচবব বস্তুকো বিজুলীব দবে আঘাত ক

াবে। গৌবক ঠিক চকুতলগা ধুনীয়া বুলি কব নোৱাবি, কিন্তু তাৰৈ
াচোৱাকৈয়া থাকিব নোৱাবি। জাকব ভিতবত থাকিলেও তাৰৈ চকু
পবি নোৱাবে।

আৰু তাব বন্ধু বিনয় সাধাবণ বঙালী শিক্ষিত ভদ্রলোকব নিচিনাই
ম্র, অথচ উজ্জ্বল। স্বভাবব কোমলতা আৰু বুদ্ধিব প্রখবতা মিলি তাক
কলোবে মাজত বিশিষ্ট কবি তুলিছিল। কলেজত সদায় সি বেচি নম্বব
াকৈ বৃত্তি পাইছিল। গোবাই পঢ়া-শুনাত তাব লগে লগে যাব নোৱাবি-
ছিল। পঢ়া-শুনাত গোবাব সিমান মনো নাছিল। বিনয়ব দবে গোবাই
কথাবোব সোনকালে বুজিব বা মনত বাখিব নোৱাবিছিল। বিনয়েই সদায়
তাক কলেজব পবীক্ষাবোবত টানি-টুনি পাব কবাই নিছিল।

গোবাই কৈ আছিল—"শুনা বিনয়, অবিনাশে যে ব্রাহ্মবোবব নিন্দা
কবিছিল তাবপবা বুজিব পবা যায় যে সি বেচ সুস্থ আৰু স্বাভাৱিক
অবস্থাতে আছে। কিন্তু তোমাব হঠাৎ ইমান খং উঠি গ ল কিয়?

বিনয়,—কি আচবিত! এই বিষয়ে যে কিবা প্রশ্ন থাকিব পাবে মই
ভবাই নাছিলোঁ।

গোবা,—যদি সেয়ে হয় তেনেহলে তোমাব মনটোত কেবোণ লাগিছে।
এদল মানুহে সমাজব বান্ধোন ছিঙি সকলো বিষয়তে অনিয়ম কবি যাব
আৰু সমাজব মানুহে অবিচলিত ভাবেবে সিহঁতব সুবিচাব কবি যাব।
এইটো মানুহব স্বভাবেই নহয়! সমাজব মানুহে সিহঁতক ভুল বুজিবই।
সিহঁতে সবলভাবে কবা কামলৈ ইহঁতে বেঁকা দৃষ্টিহে পেলাব—সিহঁতব ভাল
ইহঁতব ওচবত বেয়া হবই আৰু এইটো হোৱা উচিতো। ইচ্ছামতে সমাজ
ভাঙি ওলাই যোৱাব যিমানবোব শাস্তি আছে তাব ভিতবত এইটোও এটা।

বিনয়,—প্রত্যেকটো স্বাভাৱিকতাকে ভাল বুলি মই নকওঁ।

গোবাই অলপ খঙেবে কলে—"মোব ভাল হোৱাব একো প্রয়োজন
াই। পৃথিৱীত দুই-চাবিজন ভাল মানুহ থাকিলেই যথেষ্ট, বাকীবোব
যন স্বাভাৱিক হয়। নহলে কামেই নচলে, প্রাণো নেবাচে। ব্রাহ্ম হৈ,
াহাদুবী কবাব চখ্ যাব আছে, অব্রাহ্মবোবে সিহঁতব প্রত্যেক কামতে দোষ
বি নিন্দা কবিবই আৰু এইখিনি দুখ সিহঁতে সহ্য কবিবই লাগিব। সিহঁতে
কু ফিন্দাই ঘুবি ফুবিব আৰু সিহঁতব বিবোধী দলে সিহঁতব সুখ্যাতি
কবি ফুবিব—জগতত এনে ঘটনা কেতিয়াও নঘটে আৰু ঘটিলেও একো
ভাল নহলহেঁতেন।

বিনয়,—মই কোনো দলব নিন্দাব কথা কোৱা নাই—ব্যক্তিগত—

গোৱা,—দলৰ নিন্দা কৰা মানে জানো নিন্দা কৰা ? সেইটো মতামত, বিচাৰ। ব্যক্তিগত নিন্দাই তা মই বিচাৰোঁ। বাকু, তুমি এজন সাধু পুৰুষ, কিন্তু তুমি নিন্দা কৰা নাছিলানে ?

বিনয়—আগতে কৰিছিলোঁ আৰু খুব বেচিকৈয়ে কৰিছিলোঁ, তাৰ বাবে মই সঁচাকৈয়ে লজ্জিত।

গোৱাই বিনয়ৰ সোঁহাতৰ মুঠিত জোৰকৈ ধৰি কলে—"নহয় নহয়, এইটো কোনোমতেই হব নোৱাৰে।"

বিনয়ে কিছু সময় মনে মনে থাকি কলে—"কিয় কিনো হ'ল ? তেনো আকৌ ভয় কিহৰ ?"

গোৱা,—"মই স্পষ্টকৈ দেখিছোঁ, তুমি নিজকে বৰ দুৰ্ব্বল পেলাইছা।"

বিনয়ে অলপ উত্তেজিত হৈ ক'লে—"তুমি কি দুৰ্ব্বলৰ কথা কৈছা জানা মই ইচ্ছা কৰিলে এতিয়াই তেওঁলোকৰ ঘৰলৈ যাব পাৰোঁ। তেওঁলোকে মোক নিমন্ত্রণ কৰিছে। কিন্তু মই যোৱা নাই।

গোৱা,—কিন্তু তুমি যে যোৱা নাই এই কথাটো তুমি কোনো মতে পাহৰিব পৰা নাই। দিনে-ৰাতিয়ে মাথো ভাবি আছা—'যোৱা নাই যোৱা নাই—মই সিহঁতৰ ঘৰলৈ যোৱা নাই'—ইয়াতকৈ যোৱাই ভাল।

বিনয়,—তেনেহলে তুমি যাবলৈকে কোৱা নে কি ?

গোৱাই নিজৰ উৰুত চাপৰ মাৰি ক'লে—"ওঁহো মই যাবলৈ নকওঁ কিন্তু মই তোমাক লিখি দিব পাৰোঁ যে যিদিনাখন তুমি যাবা, সেইদিনাখনেই একেবাৰেই যাবা। তাৰ পিচদিনাখনৰপৰাই তুমি সিহঁতৰ ঘৰত খাবলৈ আৰম্ভ কৰি দিবা আৰু ব্রাহ্ম সমাজত বহীত নাম লিখি একেবাৰে দিগ্‌বিজয়ী প্রচাৰক হৈ উঠিবা।"

বিনয়,—কিনো কোৱা—তাৰ পিচত ?

গোৱা,—আকৌ তাৰ পিচত—মৰিবলৈ আগবঢ়াই দিয়াতকৈ ডাঙৰ শাওতো আৰু নাই। ব্রাহ্মণ সন্তান হৈ তুমি গো-খাদকৰ ঘৰত গৈ মৰিবা, আচাৰ-বিচাৰ সকলো এৰিবা। কম্পাচ্ ভঙা কাণ্ডাৰীৰ দৰে তোমাৰ পশ্চিমৰ একো জ্ঞান নেথাকিব। তেতিয়া ভাবিবা যে জাহাজক বন্দৰ উত্তীৰ্ণ কৰাটোৱেই কু-সংস্কাৰ, সংকীৰ্ণতা। মাথো ভটীয়াই মেলি দিয়াটোৱেই যথাৰ্থ জাহাজ চলোৱা বুলি ভাবিবা। কিন্তু এইবোৰ কথাটো তৰ্কা-তৰ্কি কৰিবলৈ মোৰ ধৈৰ্য্য নাই। তাতকৈ তুমি তালৈ যোৱাঁ অধঃপতনৰ গহ্বৰলৈ ভৰি আগুৰাই নি আমাক ভয় খুৱাই মাৰিছা কিয় ?

বিনয়ে হাঁহি হাঁহি ক'লে—"ডাক্তৰে আশা এৰি দিলেই সকলো তে যে ৰোগী মৰে, সেইটো নহয়। মই তো বৰ্ত্তমান তেনে কোনো ণ দেখা নাই।

গোৱা,—দেখা নাই ?

বিনয়,—ওঁহো।

গোৱা,—নাড়ী যাওঁ যাওঁ হোৱা নাইনে ?

বিনয়,—ওঁহো ! নাড়ী এতিয়াও বেচ সবল।

গোৱা,—কিয় তুমি জানো ভৱা নাই যে লখিমী হাতেৰে পৰিবেশন বলে ম্লেচৰ অন্নও দেৱতাৰ ভোগ হৈ উঠিব ?

বিনয়ে বৰ সঙ্কুচিত হৈ ক'লে—"যথেষ্ট হৈছে গোৱা ! এইবোৰ এৰা ক ।"

গোৱা,—কিয়, ইয়াৰ মাজত তো লুক-ঢাকৰ কোনো কথাই নাই। মী হাত তো আৰু অসূৰ্য্যম্পশ্য নহয়। মৃতা মানুহৰ লগত যি হাতে ক্ হেণ্ড' কৰে সেই পৰিত্র কৰ-পল্লৱৰ উল্লেখেই তোমাৰ সহ্য নহ'ল—নাশংসে মৰণায় সঞ্জয়।

বিনয়,—গোৱা ! চোৱাঁ স্ত্রী জাতিক মই ভক্তি কৰোঁ। আমাৰ তো.....

গোৱা,—তুমি যিদৰে স্ত্রী জাতিলৈ ভক্তি দেখুৱাইছা তালৈ আৰু শাস্ত্র নিবা। ইয়াক তো ভক্তি নকয়—কি বুলি কয় মই যদি উচ্চাৰণ কৰোঁ হয়তো মোক মাৰিবলৈকে খেদি আহিবা।

বিনয়,—এই কথা তুমি গাৰ জোৰেৰে কৈছা।

গোৱা,—শাস্ত্রত তিৰোতা মানুহক কোৱা হয়—পূজার্হা গৃহদীপ্তয়ঃ। লোক 'পূজার্হা' কিয়নো তেওঁলোকে ঘৰলৈ দীপ্তি আনে। মতা মানু- অন্তৰ দীপ্তি কৰি তোলে বুলি খৃষ্টানী বিধানত তেওঁলোকক যেনেকুৱা ান দেখুৱা হয় তাক পূজা বুলি নকলেই ভাল হব বোধকৰোঁ।

বিনয়,—কোনো কোনো বিষয়ত বিকৃত হোৱা দেখা গলেও এটা ৰ কথাৰ ওপৰত এইদৰে মন্তব্য কৰাটো উচিত জানো ?

গোৱাই অস্থিৰ হৈ ক'লে—"বিনু ! এতিয়া তোমাৰ বিচাৰ শক্তি পাইছে। তুমি মোৰ কথাটোকে মানি লোৱাঁ। খৃষ্টানী ত স্ত্রী-জাতিৰ বিষয়ে যিবোৰ কথা কোৱা হৈছে তাৰ গুৰিৰ কথাটোৱেই ছ বাসনা। স্ত্রী জাতিক পূজা কৰাৰ স্থান বাহিৰত নহয়। সতী- ী গৃহিণীক নিজ আসনৰপৰা আঁতৰাই আনি যি স্তুতি কৰা হয় সেইটো

BAJROTI COLLEGE
Estd- 1971
Dist:- Kamrup
(Assam).
KALGACHIA

অপমান বুলিহে কব পাবি। সামান্য পোক এটাব দবে তোমাব
যি কাবণে পবেশ বাবুব ঘবব চৌপাশে ঘূবি ফুবিছে, তাক ইংবাজীত
হয়—'লাভ'। কিন্তু ইংবাজীব নকল এই 'লাভ' নামব
গোটেই পৃথিবীব ভিতবতে এটা চবম পুৰুষার্থ বুলি পূজা কবিব
এইবোব বান্দবামি যেন তুমি নকবা।"

বিনয়ে চাবুক খোৱা তজ্‌বজীয়া যোঁবাব দবে জাপ মাবি উঠি
"উঃ গোবা, থাওক আৰু যথেষ্ট হৈছে।"

গোবা,—কতনো যথেষ্ট হৈছে। একোৱেই হোৱা নাই।
আৰু তিবোতাক নিজ নিজ স্থানত সহজ-সবল স্বাভাবিক বেশেবে
শিকা নাই কাবণেই আমি এই বিষয়ে যথেষ্ট কৰিছ গোটাই পেলাইছে

বিনয়ে ক'লে—"বাকু মানি লৈছোঁ স্ত্রী-পুৰুষব সম্বন্ধব সহজ
আমি প্ৰকৃতিব তাড়নাত লঙ্ঘন কবি পেলাওঁ আৰু এই অৱস্থাটো
ভুৱা ৰূপ দিওঁ—কিন্তু এই দোষটো জানো মাথো বিদেশতেই
এই বিষয়ে ইংবাজবোবব কৰিত্ব যদি মিছা হয়, তেনেহলে আমিও
ববত কামিনী-কাঞ্চন ত্যাগ কবিব লাগে বুলি চিৰুব-বাখব কবি
সেইটোও তো মিছা। মানুহব প্ৰকৃতিয়ে যাব বাবে অতি সহজে
বিস্মৃত হৈ পবে তাবপবা মানুহক বচাবলৈ কোনোৱে বা প্ৰেমব
অংশকে কবিতাবদ্বাবা উজ্জ্বল কবি তুলি তাব বেয়া অংশটো উলঙ্ঘা
আকৌ কোনোৱে বা সেই বেয়া অংশটোকে আগশাবীত ঠাই দি
কাঞ্চন ত্যাগব বিধান দিয়ে। এই দুয়োটাই দুজন বিভিন্ন স্বভাবব
বিপবীত ধৰণব প্ৰণালী। তুমি এটাক যদি দোষ দিয়া আনটোক
বুলিব নোৱাবা।

গোবা,—নহয় বিনয়, মই তোমাক ভুলহে বুজিছিলোঁ। তোমাব
এতিয়াও তেনে একো বেয়া হোৱা নাই। এতিয়া তোমাব মগজত
সোমাল যেতিয়া তুমি নির্ভয়ে 'লাভ' কবিব পাবা। কিন্তু সময় থাকে
সাৱধান হবাঁ—তোমাক ভালপোৱা বন্ধুবোবব এয়ে অনুবোধ।

বিনয়ে অপ্ৰস্তুত হৈ ক'লে—"ধেৎ, তুমি পগলা হৈছা নে কি?
আকৌ কি 'লাভ্' কবিম'! কিন্তু এইটো কথা মই স্বীকাব কবোঁ
পবেশ বাবুহঁতক মই যিকণ সময়ব কাবণে লগ পাইছোঁ। আৰু তেওঁ
বিষয়ে মই যি শুনিছোঁ, তাবপবা তেওঁলোকব প্ৰতি মোব যথেষ্ট
হৈছে। আৰু ৰোধকবোঁ সেই কাবণেই সিহঁতব ঘবকৰা আচাব-ব্যবহ
কেনেকুৱা জানিবলৈ মোব কিছু আগ্ৰহ হৈছিল।"

A·3
166

গোবা,—বব ভাল কথা; কিন্তু এই আগ্ৰহটো অলপ দমাই চলিবা।
তব গুবি-গোষ্ঠী নুখুচবিলেই ভাল হব বোধকবোঁ। কিয়নো তেওঁ-
ক নিজেই সুনিপুণ চিকাবী। গুবি খুচবিবলৈ গৈ তুমি নিজেই যদি
ব তলত পবি যোৱা, তেতিয়া আৰু আমাব নিচিনা মানুহে শত চেষ্টা
ও তোমাব টিকনিকে দেখা নেপাম।

বিনয়,—চোৱাঁ, গোবা, তোমাব এটা বব ডাঙব দোষ আছে। তুমি
বা যে তোমাকেই মাথোন ভগবানে সৰ্ব্ব শক্তিব অধিকাবী কবি পঠিয়াইছে।
ক বাকী আমি আটাইবোব দুৰ্ব্বল প্ৰাণী।

কথাটো গোবাই যেন নতুনকৈ উপলব্ধি কবিলে। সি উৎসাহেবে
তে বিনয়ব পিঠি চপবিয়াই ক'লে—"ঠিকেই কৈছা—এইটোৱে মোব
ষ—বব ডাঙব দোষ।"

বিনয়,—ইয়াতকৈয়ো তোমাব ডাঙব দোষ এটা আছে। অন্য মানুহে
ানখিনি আঘাত সহিব পাবে সেই বিষয়ে তোমাব একেবাবে জ্ঞান নাই।
এনেতে গোবাব মাহীমাকব পুতেক শকত-আৰত মহিমে হেপাই
াপাই ওচবলৈ আহি মাতিলেহি—"গোবা।"

গোবাই লবালবিকৈ থিয় হৈ কলে—"কি কয়?"

মহিম,—চাবলৈ আহিলোঁ বাবিষাব মেঘে আজি তোমাব ছাতব ওপবতেই
াণ্ডব নৃত্য কবিছে নে কি? আজিনো ঘটনাটো কি? ইংবাজক বোধ-
বোঁ। অতপবে ভাবত সমুদ্রব প্ৰায় আধা ডোখব বাটলৈকে খেদিলা।
বশ্যে ইংবাজব বিশেষ একো ক্ষতি হোৱা নাই—কিন্তু তলব কোঠাত
ব বৌৰেবা মূবব বিষত পবি আছে। সিংহ গৰ্জ্জনত তেওঁবহে মাথোন
লপ অসুবিধা হৈছে।

এই বুলি কৈ মহিম তললৈ নামি গ'ল। গোবাই লাজ পাই থিয়
হয়ে থাকিল—লগে লগে খঙো উঠিল। খং তাব নিজব ওপবতেই উঠিছে
ন আনব ওপবতে উঠিছে ধবিব নোৱাবিলে। অলপ পিচত সি লাহে
াহে নিজে নিজেই ক'লে—"সকলো বিষয়তে প্ৰয়োজনতকৈ বেচি মই
জাব দি পেলাওঁ। এইটো যে আনব কাবণে কিমান অসহ্য, সেই কথা
ই পাহবিয়েই যাওঁ।"

বিনয়ে গোবাব ওচবলৈ আহি মবমেবে তাব হাতত ধবিলেহি।

গোৱা আৰু বিনয় তললৈ নামি যাবলৈ ওলাইছিল। এনেতে মাক ওপৰলৈ উঠি আহিল। বিনয়ে লৰালৰিকৈ তেখেতক সেৱা

গোৱাৰ মাক আনন্দময়ীক দেখিলে গোৱাৰ মাক যেন তেখেত আছিল লাহী আৰু আঁটিল। দুই এডাল চুলি পকিছে বাহিৰৰপৰা একেবাৰেই বুজিব নোৱাৰি। হঠাতে দেখিলে বয়স কৈয়ো কম যেন হে লাগে। মুখৰ গঢ়টো বৰ কোমল। নাক যেন শিলতহে কটা। মুখখনত এটি বুদ্ধিৰ জেউতি জিলিকি গাৰ বং কজলা। গোৱাৰ বঙৰ লগত একেবাৰে মিল নাই। দেখিলেই সকলোৱে চকুত পৰে যে তেখেতে সাড়ীৰ লগত চেমিজ আমি যি সময়ৰ কথা কৈছোঁ। সেই সময়ত চেমিজ বা ব্লাউজ যদিও আধুনিকাসকলৰ মাজত প্ৰচলিত আছিল, অলপ বয়সিয়াল সকলে—এইটো একেবাৰে খৃষ্টানী বুলি অগ্ৰাহ্য কৰিছিল।

আনন্দময়ীৰ গিৰিয়েক কৃষ্ণদয়ালে কমিচেৰিয়েটত কাম কৰি বিয়াৰ পিচৰপৰাই আনন্দময়ীয়ে তেখেতৰ লগতে ভাটীতে কটা আৰু সেই কাৰণেই ভালকৈ গা-ঢাকি কাপোৰ পিন্ধাটো তেখেতে লাজৰ কথা বুলি নেভাবিছিল। ঘৰ-দুৱাৰ মচা-কচা, বন্ধা-বঢ়া কাপোৰ-কানি ধোৱা ইত্যাদি ঘৰখনৰ সৰু-সুৰা আটাইবোৰ কাম ওচৰ-চুবুৰীয়াৰ খবৰ-বাতৰি লৈয়ো আনন্দময়ীৰ সময় যেন যাবই নোখোজে। গা-মূৰ অলপ অসুখ কৰিলেও তেখেতে কেতিয়াও জিৰণি লব নোখোজে। তেখেতে কয়—"অসুখে মোক একোকেই কৰিব নোৱাৰে—কাম নকৰি মোৰ জীয়াই থকাটোৱেই টান হব।"

ওপৰলৈ আহি গোৱাৰ মাকে ক'লে—"তলত গোৱাৰ মাত শুনিলোঁ মই জানো যে নিশ্চয় বিনয় আহিছে। এই কেইদিন ঘৰখন একেবাৰে নিজম হৈ আছিল। তোৰ নো কি হৈছিল বোপাই? এই কেইদিন নাই কিয়? গা-মূৰ অসুখ কৰিছিল নে কি?"

বিনয়ে কুণ্ঠিত হৈ ক'লে—"নহয় আই, একো অসুখ-বিসুখ নাই। যিহে ডাৱৰীয়া বতৰ।"

গোৱাই ক'লে—"ইঃ বতৰৰ কথা কৈছা? বৰষুণ এৰিলেই আনি বিনয়ে কব যে বৰ ব'দ, আহিব নোৱাৰি। ভগৱানক দোষ দিয়াটো

BARJOTI COLLEGE L... 1971 Dist:- Kamru... (Assam)... SEARCH

ইতকৈ সহজ। কাৰণ ভগৱান তো আৰু উত্তৰ দিবলৈ নাহে।
ল পেটৰ কথাটো গোঁসায়েহে জানে।"

বিনয়,—কি বাজে বকি আছা গোৱা?

আনন্দময়ীয়ে কলে—"সঁচাকৈয়ে বোপাই, তেনেকৈ কব নেপায়। মানুহৰ সদায় একেদৰে নেথাকে নহয়। কেতিয়াবা মনটো ভাল লাগি ক, কেতিয়াবা আকৌ বৰ বেয়া লাগে। এই বিষয়ে ঠাট্টা কৰিব নেপায়। বিনু, মোৰ কোঠালৈ বল। মই তোৰ কাৰণে বান্ধি-বাঢ়ি থৈছোঁ।"

গোৱাই জোৰেৰে মূৰ জোকাৰি কলে—"ওঁহো আই, সেইটো নহব। য়ক মই তোমাৰ কোঠাত খাবলৈ নিদিওঁ।"

আনন্দময়ী,—ইঃ কিয় নিদিবি? তোক তো মই কেতিয়াও খাবলৈ ওঁ। ইফালে তোৰ বাপেৰ আকৌ দিনে দিনে ভকত হৈ উঠিছে—বা হাতে নেখায়েই। বিনু মোৰ বৰ ভাল লৰা—তোৰ দৰে তাৰ -বিচাৰ নাই—তই হে তাক জোৰকৈ বাধা দি থাক।

গোৱা,—সেইটো অৱশ্যে সঁচা কথা। মই জোৰকৈয়ে তাক বাধা বাখিম। তোমাৰ সেই খৃষ্টান চাকৰণী লছমিয়া জনীক নেখেদালৈকে মাৰ কোঠাত মই তাক খাবলৈ নিদিওঁ।

আনন্দময়ী,—গোৱা, তোৰ মুখত এনেকুৱা কথা নুশুৱায়। সৰু কালৰে তায়েই তোক খুৱাই-ধুৱাই ডাঙৰ কৰিছে। সৌ সিদিনালৈকে তাই আচাৰ পাততে নহলে তোৰ জুতিয়েই নেলাগিছিল। এবাৰ সৰু কোতে তোৰ বৰ বেচিকৈ আই ওলাইছিল। লছমিয়াই বাতিয়ে দিনে ত পানী এবি কিমান যতন কৰি তোক বচালে, সেই কথা কেতিয়াও পাহৰিব নোৱাৰোঁ।

গোৱা,—তাৰ বাবে তাইক টকা পইচা দিয়া, মাটিবাৰী কিনি ঘৰ-দুৱাৰ দিয়া, যিহকে মন যায় তাকে কৰা—কিন্তু তাইক ঘৰত ৰাখিব নোৱাৰোঁ।

আনন্দময়ী,—গোৱা তই ভাব, টকা-পইচাবেই মানুহৰ সকলো ঋণ জিব পাৰি—তাইক মাটি-বাৰীও নেলাগে, ঘৰ-দুৱাৰ ধন-সম্পত্তিও নেলাগে তোক নেদেখাকৈ থাকিলে তাই মৰি যাব।

গোৱা,—তেনেহলে তোমাৰ যদি ইমানেই আপত্তি, তাইক বাধাঁ—কিন্তু নুৱে হ'লে তোমাৰ কোঠাত খাব নোৱাৰে। যি নিয়ম সেইটো নি চলিবই লাগিব—ইয়াৰ এডাল চুলিমানো লৰচৰ হব নোৱাৰে। আই, মি ইমান ডাঙৰ অধ্যাপকৰ বংশৰ জীয়ৰী—তুমি যে অকণো নীতি-নিয়ম নচলা—এইটো কিন্তু—

আনন্দময়ী,—শুন বোপাই,--তোৰ মাৰে আগতে সকলো নী
আচাৰ- বিচাৰ মানিয়েই চলিছিল—ইয়াৰ বাবে কত ককৰ্ষনা-বিকৰ্ষ
লগীয়া হৈছিল—তেতিয়া তই ক'ত আছিলি বোপাই ? সদায় পি
আগত লৈ পূজা কৰিবলৈ বহিছিলোঁ আৰু দেউতাৰে সদায়েই
মূৰ্ত্তি দলিয়াই পেলাইছিলহি। তেতিয়া অচিনাকি বামুণৰ হাতে
খাবলৈ মোৰ ঘিণ লাগিছিল। তেতিয়া আজি-কালিৰ দৰে
নাছিল। দেউতাৰে চাকৰি কৰি থকা অৱস্থাত প্ৰায়ে এঠাইৰপ
এঠাইলৈ বদলি হৈ ফুৰিব লাগিছিল। তেতিয়াৰ দিনত ঠাই বদলি
হলে গৰু-গাড়ী, পাল্‌কী বা উটৰ পিঠিত উঠি কমেও চাৰি পাঁচ
লাগিছিল। আৰু তেনেকুৱা অৱস্থাত সাধাৰণতে মই লঘোন
কটাইছিলোঁ। তোৰ দেউতাৰে বৰ সহজতে মোৰ বাছ-বিচাৰবোৰ
পৰা নাছিল। তেখেতে তেতিয়াৰ দিনত নানান ঠাইত মোক
ফুৰাৰ কাৰণে তেখেতৰ চাহাৰ ওপৰৰালাসকলে সদায় তেখেতৰ
কৰিছিল। আন কি ইয়াৰপৰা তেখেতৰ দৰ্ম্মহাও বাঢ়িছিল
কাৰণেই সাধাৰণতে অৱশ্যে তেখেতক কোনো এঠাইৰপৰা
বদলি নকৰিছিল। এতিয়া অৱশ্যে বুঢ়া বয়সত চাকৰি এৰি দি
ভাৰে টকা আজ্জি লৈ তেখেতে হঠাতে আকৌ মত সলাই
ধাৰ্ম্মিক হৈ পৰিছে। কিন্তু মই আকৌ তেনেকুৱা হব নোৱ
মোৰ সাতপুৰুষৰ সংস্কাৰ এটা এটাকৈ ভাঙি-ছিঙি মষিমুৰ কৰা
এতিয়া ক'লেই জানো আকৌ তাক ওলোটাই আনিব পাৰি ?

গোৱা,—তোমাৰ পূৰ্ব্ব পুৰুষৰ কথা বাৰু এৰিয়েই দিয়াচোন।
লোকে তো এতিয়া আৰু আপত্তি জনাবলৈ নাহে। অন্ততঃ আমাৰ
তুমি কিছুমান বিধি মানি চলা উচিত। শাস্ত্ৰ বাৰু নেমানিলাই, কিন্তু
বাহ্মোন তো মানিবই লাগিব।

আনন্দময়ী,—গোৱা ইমানকৈ তই মোক কি বুজাইছ ! মোৰ
ধুমুহাৰ কথা মইহে জানো ! মোৰ কাৰণেই যদি মোৰ স্বামী
পদে পদে বাধা পাবলগীয়া হয়, তেনেহলে মইনো কি সুখ, কি
পাম ? কিন্তু তই জানো জান, মই তোক বুকুত তুলি লৈয়েই
সংস্কাৰ, যত বিধি সকলোবোৰ বিসৰ্জ্জন দিছিলোঁ। কণমান শিশু
বুকুত সুমুৱাই ললেই বুজিব পাৰি যে পৃথিৰীত ওপজোতেই
জাত লগত লৈ নাহে। আৰু এই জ্ঞান হোৱাৰপৰাই মই
জানিছিলো যে মই যদি কাৰোবাক খৃষ্টান বা নীচ জাতৰ বুলি ঘিণ

নহলে ঈশ্বৰে তোক মোৰ বুকুৰপৰা কাঢ়ি লৈ যাব। বোপাই, ভগৱানে
মঙ্গলে ৰাখক—তই মোৰ বুকু জুৰাই ঘৰ পোহৰাই থাক—পৃথিৱীৰ
লা জাতিৰ মানুহৰ হাতেৰেই মই পানী খাম।

আজি আনন্দময়ীৰ কথাবোৰ শুনি বিনয়ৰ মনত হঠাতে এটি অস্পষ্ট
হে ঢৌ খেলি গ'লহি।

সি পলকতে এবাৰ আনন্দময়ীৰ আৰু এবাৰ গোৱাৰ মুখলৈ চালে।
লগে লগে মনৰপৰা সকলো সন্দেহৰ বীজ দূৰ কৰি পেলালে।

গোৱাই ক'লে—"আই, তোমাৰ যুক্তিটো ভালকৈ বুজি নেপালোঁ।
ৰ-চিন্তি শাস্ত্ৰ মানি চলা ঘৰতো দেখোন ল'ৰা জী থাকে। তেনেহলে
ৰানে তোমাৰ ওপৰতেই যে বিশেষ আইন খটুৱাৰ—এই বুদ্ধি তোমাক
নে দিলে ?

আনন্দময়ী,—যি জনে তোক দিছে—বুদ্ধিও তেৱেঁই দিছে। মই
কি কৰিম ক ! ইয়াত মোৰ একোৰেই হাত নাই। হেৰৌ পগলা—
বলিয়ালিবোৰ দেখি মই হাঁহিমেই নে কান্দিমেই ভাবিকে নেপাওঁ।
এইবোৰ কথা যাওক বাৰু। বিনয়ক তেনেহলে মোৰ কোঠাত খাবলৈ
য় ?

গোৱা,—চল পালে বিনয়ে তো এই মুহূৰ্ত্ততে লৰ মাৰিব। তাৰ পূৰা
আছে। কিন্তু আই, মই তাক যাবলৈ নিদিওঁ। দুখনমান মিঠৈ
সি যে ব্ৰাহ্মণ সন্তান, এই কথাটো তাক পাহৰাই দিব নোৱাৰি।
ত্যাগ আৰু বহু প্ৰবৃত্তি দমন কৰিহে সি জন্ম গৌৰৱ ৰাখিব পাৰিব।
, তুমি আকৌ খং নকৰিবা দেই ! এইয়া চোৱাঁ মই তোমাৰ পদ-
শিৰত তুলি লৈছোঁ।

আনন্দময়ী,—বোপাই, মই আকৌ তোৰ ওপৰত খং কৰিম নে ? এই
মই জানো যে তই সজ্ঞানে কোনো কাম কৰা নাই। মোৰ মনত
টোৱেই বেজাৰ থাকিল যে—তোক মই মানুহ কৰিলোঁ হয়, কিন্তু —
সেইবোৰ যিয়েই নহওক—তই কিন্তু যিবোৰ ধৰ্ম্ম বুলি কৈ ফুৰ, সেইবোৰ
হলে মানিব নোৱাৰোঁ। মোৰ কোঠাত—মোৰ হাতেৰে—তই নেখালেও
তো তোক পুৰা-গধূলি চকুৰ আগত দেখা পাম—মোৰ কাৰণে
ই যথেষ্ট—বুজিছ ? বিনয়, তুমি আকৌ মনটো ইমান মাৰি পেলালা
? তোমাৰ মনটো বৰ কোমল, তুমি ভাবিছা মই বৰ বেজাৰ পালোঁ।
বাৰ একোৰেই নহয় বোপাই ! মই বাৰু আৰু এদিন তোমাক নিমন্ত্ৰণ

কবি খুব ভাল বামুণৰ হতুৱাই বন্ধাই খুৱাম। মই কিন্তু লছমিয়াৰ
খাম। সেইটো হলে মই সকলোকে এতিয়াই কৈ থলোঁ।

গোৱাৰ মাক তললৈ নামি গ'লগৈ। বিনয়ে কিছু পৰ
থাকি লাহে লাহে ক'লে—"গোৱা, কথাবোৰ অলপ অসঙ্গত
নাই নে?"

গোৱা,—এক বিন্দুও অসঙ্গত হোৱা নাই। সকলো বিষয়তে
বাখি চলাটোকে মই বিচাৰোঁ। সামান্য কাৰণত এক বিন্দু মাটি
দিবলৈ আৰম্ভ কৰিলে অৱশেষত আৰু একোৱেই নেথাকে।

বিনয়,—কিন্তু এয়া যে তোমাৰ আই।

গোৱা,—মাতৃ কাক বোলে মই জানো। এই কথা তুমি মোক
বাই দিবৰ প্ৰয়োজন নাই। মোৰ আইৰ নিচিনা মাক কো
আছে বাৰু?

কিন্তু চোৱাঁ, আজি যদি মই বিধি মানিবলৈ এবি দিওঁ—এদিন
মোৰ আইকো মানিবলৈ এবি দিম। শুনা বিনয়, তোমাক মই এটা
কওঁ—হৃদয় নামৰ বস্তুটো অতি উত্তম, কিন্তু সৰ্ব্বোত্তম নহয়।

বিনয়ে অলপ সময় ইতঃস্ততঃ কৰি ক'লে—"চোৱাঁ গোৱা,
আইৰ কথাবোৰ শুনি মোৰ অলপ কেনেবা কেনেবা লাগিছে।
এটা কথা যেন আয়ে আমাক বুজাবলৈ চেষ্টা কৰিও পৰা নাই।
সেই কাৰণেই যেন তেখেতে মনত বৰ অশান্তি পাই আছে।"

গোৱাই অস্থিৰ হৈ ক'লে—"আঃ বিনয়! ইমান বেচিকৈ কল্পনাৰ
এইদৰে ধেমালি নকৰিবাঁ। এইবোৰে সময়হে নষ্ট কৰে—একো লাভ নহয়।

বিনয়,—তুমি পৃথিৱীৰ কোনো বস্তুৰ ওপৰতেই সুদৃষ্টি পেলাব নোৱাৰা।
তোমাৰ দৃষ্টিৰ অগোচৰত থাকি যোৱা প্ৰত্যেকটো কথাকেই তুমি কল্পনা
ৰঙীণ খেলা বুলি উৰুৱাই দিব খোজা। সঁচাকৈয়ে মই তোমাক বৈ
শুনা—মই বহুবাৰ লক্ষ্য কৰিছোঁ—আইৰ অন্তৰখন যেন কিবা এটা
খুলি খুলি খাইছে। কিবা এটাৰ লগত যেন খাপ খুৱাই লব পৰা
আৰু সেই কাৰণেই যেন এই ঘৰ-সংসাৰৰ মাজত থাকিও তেখেতৰ
কিবা এটা বেজাৰ আছে। গোৱা, তেখেতৰ কথাবোৰ তুমি অলপ
পাতি শুনিবাঁ।

গোৱা,—যিমান পৰা যায় সিমান কাণ পাতিয়েই মই আইৰ
শুনো। ইয়াতকৈ বেচি শুনিবলৈ যত্ন কৰিলে ভুলকৈ শুনাবহে সম্ভৱ
আছে। এতেকে মই তেনেকুৱা যত্ন নকৰোঁ, বুজিছা?

তবাদতকৈ ব্যক্তিৰ প্ৰতি বিনয়ৰ নিষ্ঠা বেচি। সেই কাৰণে মতবাদ
চাপে যিবোৰ কথা মানে সেই সকলোবোৰ কথাকেই জীৱনত প্ৰয়োগ
বিব নোৱাৰে। বিনয় বৰ বেচি ভাবপ্ৰৱণ আৰু তাৰ অন্তৰখনো
কোমল। সেই কাৰণে তৰ্কৰ খাতিৰত নিজৰ মত এক বিন্দু এৰি
দিলেও কাৰ্য্য-ক্ষেত্ৰত সি মততকৈ মানুহক হে উচ্চ আসন দিয়ে।
নয়ে গোৱাৰ মতবোৰ ভাল পাই কাৰণেই সেইবোৰ মানি চলে নে গোৱাক
ল পাই কাৰণেই মানি চলে, এই কথা বুজিব নোৱাৰি।

গোৱাৰপৰা বিদায় লৈ বাৰিষাৰ সন্ধিয়া পিছল আলিবাটৰ বোকা
নেকি ফেনেকি ঘৰমুৱা হৈ আহি থকা বিনয়ৰ মনত সেইদিনা মত
ক ব্যক্তিৰ তুলনাই এক দ্বন্দ্বৰ সৃষ্টি কৰিছিল।

আজি-কালিৰ নানা ধৰণৰ প্ৰকাশ্য আৰু গোপন আঘাতৰপৰা সমাজে
ৱৰক্ষা কৰিব খুজিলে খোৱা-বোৱা আদি সকলো বিষয়তে বিশেষভাৱে
র্ক হব লাগিব—গোৱাৰ এই মতটো বিনয়ে অতি সহজে মানি লৈছিল,
ক বিৰোধী দলৰ লগত এই মত লৈ বহুত চোকা তৰ্কও কৰিছিল।
ছিল যে শত্ৰুৱে চাৰিওফালৰপৰা আক্ৰমণ কৰা দুৰ্গৰ প্ৰত্যেকখন দুৱাৰ-
ড়িকী জপাই আন কি সামান্য সুৰুঙাও বন্ধ কৰি—সেই দুৰ্গ জীৱন দি
া কৰাটোক উদাৰতাৰ অভাৱ বুলি কোৱা নহয়।

কিন্তু আজি আনন্দময়ীৰ কোঠাত খাব খোজোঁতে গোৱাই তাক যি
া দিলে, সেই বেজাৰে তাৰ অন্তৰত বাৰে বাৰে খুন্দিয়াবলৈ ধৰিলে।
বিনয়ে বাপেকক দেখাই নাই। মাককো নিচেই কুমলীয়া বয়সতে
ৰুৱাইছে। খুৰাকহঁতো গাঁৱৰ নিজা ঘৰত থাকে। সৰুৱেপৰা
লিকতাতেই পঢ়ি-শুনি অকলশৰীয়াকৈ বিনয় ডাঙৰ হৈছে। গোৱাৰ
ত বন্ধুত্ব সূত্ৰে আনন্দময়ীক দেখাৰ দিনাৰপৰাই তেখেতক নিজৰ মাক
ভাবি আহিছে। কিমান দিন সি গোৱাহঁতৰ ঘৰলৈ গৈ কত বস্তু
াৰ লগত কঢ়া-কঢ়ি কৰি খাইছে, আনন্দময়ীয়ে তাতকৈ গোৱাক বেচি
ম কৰে—ভাল ভাল বস্তু খাবলৈ দিয়ে—ইত্যাদি কত ধৰণৰ ধেমালিয়েই
িছে! দুই এদিন বিনয় নগলেই আনন্দময়ী যে কিমান উৎকণ্ঠিত হৈ
! বিনয় আহিলেই ওচৰত বহুৱাই লৈ খুৱাবলৈ তেখেতে কিমান হেপাহ

কবে! সিহঁতৰ সভা শেষ নোহোৱালৈকে প্ৰত্যেক দিনাই তেখেতে
জা-জলপান সজাই লৈ চেনেহবে বৈ থাকে। আনন্দময়ীৰ তাৰ
এই মৰম-চেনেহৰ কথা বিনয়ে ভালদবেই জানে। সেই বিনয়েই
আনন্দময়ীক বিণ কবি তেখেতৰ কোঠাত নেখাব—এই কথা আনন্দময়ী
কেনেকৈ সহে আৰু বিনয়েই বা কেনেকৈ সহিব ?

ইয়াৰ পিচত হয়তো ভাল বামুণৰ হতুৱাই বন্ধোৱাই আয়ে
খুৱাব। তেখেতে নিজ হাতে সজাই পৰাই মোক আৰু কেতিয়াও নুখুৱাব
এই কথা আয়ে হাঁহি মুখেৰে নিজেই ক'লে ; কিন্তু ই যে বৰ অসহ্য
এইবোৰ চিন্তাই বিনয়ৰ অশান্ত মনত বাবে বাবে আঘাত হানিলে
লাহে লাহে বিনয় ঘৰ পালেহি।

শূন্য ঘৰখন এন্ধাৰ হৈ আছে। চাবিওফালে কিতাপ-পত্ৰ,
আদি সিঁচৰিত হৈ পৰি আছে। জুইশলা জ্বলাই বিনয়ে লেমটো
আনি জ্বলাই ললে। কোঠাটোৰ বস্ত্ৰ-বেহানিবোৰ বৰ আলাই-
হৈ পৰি আছে। কোনোবা কালতে পাতি থোৱা মেজৰ ওপৰৰ
কাপোৰখনত চিয়াঁহি আৰু তেলৰ বাবেকুবি চেকা। কোঠাটোত
যেন উশাহ বন্ধ হৈ যাব খোজে। মানুহৰ সঙ্গ আৰু চেনেহৰ
আজি তাৰ বুকুখনত হেঁচা মাৰি ধৰিলেহি। দেশ উদ্ধাৰ, সমাজ
আদি কামবোৰক সি কোনোমতেই আজি স্পষ্ট আৰু সত্য বুলি
নোৱাৰিলে। অস্থিৰ হৈ পৰা মনটোক শান্ত কৰিবলৈ বিনয়ে গোৱাই
সোমাবলৈ বাধা দিয়া আনন্দময়ীৰ সেই কোঠাটোৰ ছবি মনতে আঁকি
ধৰিলে।

মোজাইক কৰা উজ্জ্বল মজিয়াখন চকচকাই আছে।
থকা খাটৰ ওপৰত শুকুলা বাজহাঁহৰ পাখিৰ নিচিনা কোমল,
ধপধপীয়া বিছনা পতা আছে। বিছনাৰ কাষৰ অকণমানি টুলখনৰ
নিশ্চয় অতপৰে লেম এটা জ্বলাই থোৱা হৈছে। আয়ে সন্তৰতঃ
লেমৰ কাষত বহি বং-বিৰঙৰ সূতা লৈ এমব্ৰয়দাৰী কৰি আছে।
নিশ্চয় আইৰ কাষত মজিয়াত বহি ভঙা-ভঙা বঙালীৰে অনৰৰতে
আছে—যদিও সেই কথাৰ বেচি ভাগেই আইৰ কাণত সোমোৱা
সাধাৰণতে কিবা আঘাত পালে আয়ে বেজী সূতা লৈ এমব্ৰয়দাৰীৰ
মনটো পাতলাবলৈ যত্ন কৰে। বিনয়ৰ চকুৰ আগত আনন্দময়ীৰ
কৰ্ম্মব্যস্ত, ম্লান, স্তব্ধ, মুখৰ প্ৰতিচ্ছবি ভাঁহি উঠিল। সি মনে মনে
জনালে যেন এইখন চেনেহভৰা মুখৰ আশীষবাণীয়ে তাৰ অস্থিৰ

শান্তি আনে। এইখন মুখেই মাতৃভূমিৰ প্ৰতিমা হওক—তাৰ কৰ্ত্তব্যৰ
প্ৰেৰণা যোগাওক—তাৰ লক্ষ্য স্থিৰ ৰাখক। সি মনে মনে আনন্দময়ীৰ
উদ্দেশ্যে ভক্তিভৰা সেৱা এটা জনাই ক'লে—"আই, তোমাৰ অন্ন যে
মোৰ অমৃত নহয়, এই কথা হেজাৰখন শাস্ত্ৰই হেজাৰখন মুখেৰে ক'লেও
নই বিশ্বাস নকৰোঁ।।"

নিজম কোঠাটোৰ বেৰত আঁৰি থোৱা ঘড়ীটো টিক্ টিক্ কৰি চলি
আছিল। ঘৰখনৰ ভিতৰত আৰু সোমাই থকাটো বিনয়ৰ কাৰণে অসহ্য
হৈ পৰিল। বেৰত এটা জেঠীয়ে পোক এটা খেদি ফুৰিছিল—সেইফালে
কিছু সময় চাই থাকি ছাতি এটা লৈ বিনয় ঘৰৰপৰা ওলাই গ'ল।

কি কৰিব, কলৈ যাব, সি একো ভবাই নাছিল। খুব সম্ভৱ আনন্দ-
ময়ীৰ কাষলৈ উভতি যোৱাটোৱেই তাৰ মনৰ অভিপ্ৰায় আছিল। এনেকৈ
দোধোৰ-মোধোৰ অৱস্থাৰে কিছুদূৰ আগুৱাই যোৱাৰ পিচত তাৰ মনত পৰিল
যে আজি দেওবাৰ—কেশৱ সেন ডাঙৰীয়াই ব্ৰাহ্ম সভাত বক্তৃতা দিব। অৱশেষত
সি বক্তৃতা শুনিবলৈ যোৱাটোকে থিৰ কৰিলে। এই সিদ্ধান্তলৈ অহাৰ
লগে লগে বিনয়ে মনৰপৰা সকলো দ্বিধা আঁতৰাই দি বক্তৃতা শুনিবলৈ
খোজ ললে। যদিও কিছু পলম হৈছিল, তথাপি সি মত সলনি নকৰিলে।

যথাস্থানত উপস্থিত হৈ বিনয়ে দেখিলে যে উপাসকবোৰ বাহিৰলৈ
ওলাই আহিছে। মূৰৰ ওপৰত ছাতিটো মেলি ধৰি সি আলিৰ এটা
কাষত থিয় দিলেগৈ। অলপ পিচতে মন্দিৰৰপৰা শান্ত প্ৰসন্ন মুখেৰে
পৰেশ ভট্টাচাৰ্য্য ওলাই আহিল। তেখেতৰ লগত তেখেতৰ পৰিয়ালৰ আৰু
চাৰি-পাঁচজনমান আছিল। আলিবাটৰ গেচৰ চাকিৰ পোহৰত তাৰে মাজৰ
মাথোন এজনৰহে কুমলীয়া মুখ এখন বিনয়ৰ চকুত পৰিল। অলপ পিচত
গাড়ী গুচি যোৱাৰ শব্দ হ'ল আৰু এই শব্দটোও এন্ধাৰৰ মহাসমুদ্ৰৰ মাজত
এটি বুৰবুৰণিৰ দৰেই মিলি গ'ল। যথেষ্ট ইংৰাজী 'নভেল' পঢ়িলেও
বিনয়ৰ প্ৰাচীন ভদ্ৰ ঘৰৰ সংস্কাৰ কলৈ যাব ? এইদৰে ইমান আগ্ৰহৰে
সৈতে কোনো ভদ্ৰ মহিলাক চাবলৈ যত্ন কৰাটো—সেই ভদ্ৰমহিলাৰ কাৰণেও
অপমান আৰু নিজৰ বাবেও অতি জঘন্য—এই কথা সি কেতিয়াও নুই
কৰিব নোৱাৰে। সেই কাৰণে বিনয়ৰ মনত আনন্দৰ লগে লগে অত্যন্ত
গ্লানিও উপজিল। সি মনে মনে ভাবিলে—"মোৰ পতন হৈছে।"
গোৰাৰ লগত যদিও সি তৰ্ক কৰি আহিছে, তথাপিও কোনো সামাজিক
অধিকাৰ নোহোৱাকৈ ভদ্ৰমহিলালৈ প্ৰেমৰ দৃষ্টি নিক্ষেপ কৰাত তাক
চিৰকলীয়া সংস্কাৰে বাধা দিবলৈ ধৰিলে।

বিনয় আৰু গোৱাৰ ঘৰলৈ নগ'ল। নানান ধৰণৰ ভাবে তাৰ খেলি-মেলি লগাই দিলেহি। সি ঘৰলৈ উভতি আহিল। পিচৰছোঁ। আবেলি ঘৰৰপৰা ওলাই ঘূৰি-পকি অৱশেষত সি গোৱাহঁতৰ ঘৰ পা তেতিয়া বাৰিষাৰ দীঘলীয়া দিন শেষ হৈ সন্ধিয়ৰ এন্ধাৰ ঘন হৈ আ সেই সময়ত গোৱাই চাকি জলাই লিখিবলৈ বহিছিল।

কাগজৰপৰা মূৰ নদঙাকৈয়ে গোৱাই মাত দিলে—"কিহে বি বায়ু কোনকালে বলিছে ?"

গোৱাৰ প্ৰশ্নলৈ আওকাণ কৰি বিনয়ে ক'লে—"গোৱা তোমাৰ কথা সোধোঁ। ভাৰতবৰ্ষ তোমাৰ মনত জানো সত্য আৰু স্পষ্ট ? এই কথা কেতিয়াও নেপাহৰা—কিন্তু—কেনেকৈ বাৰু মনত ৰাখা ?

লিখিবলৈ এৰি দি গোৱাই কিছু সময় বিনয়লৈ তীক্ষ্ণ দৃষ্টিৰে কলমটো থৈ চকীত আঁউজি বহি ক'লে—"জাহাজৰ কেপ্তেইনে জাহাজ এৰি দি শয়নে সপোনে মাথোন সাগৰৰ পাৰৰ বন্দৰটোৰ ভাবি থাকে। ময়ো সেইদৰেই ভাৰতবৰ্ষৰ কথা মনত ৰাখোঁ।

বিনয়,—তোমাৰ সেই ভাৰতবৰ্ষ ক'ত ?

গোৱাই বুকুত হাত দি ক'লে—"মোৰ এইখিনিৰ কম্পাচৰ কাঁটা ঠিক যিপিনে লক্ষ্য পোনাই থৈছে, তাতেই আছে মোৰ ভাৰতবৰ্ষ। মাৰ্চদেন চাহাবৰ 'হিষ্ট্ৰী অব ইণ্ডিয়াৰ' মাজত নহয়"——

বিনয়,—তোমাৰ কাঁটাই যি ফালে লক্ষ্য পোনাই থৈছে, তাত কিবা আছে ?

গোৱাই উত্তেজিত হৈ ক'লে—"নিশ্চয় আছে। মই লক্ষ্যভ্ৰষ্ট পাৰোঁ, বুৰি মৰিবও পাৰোঁ।—কিন্তু মোৰ সেই সোণৰ বন্দৰটো থাকি মোৰ পূৰ্ণ স্বৰূপ ভাৰতবৰ্ষ—ধনত পূৰ্ণ, জ্ঞানত পূৰ্ণ, ধৰ্ম্মত পূৰ্ণ। কৈছা এনেকুৱা ভাৰতবৰ্ষ নাই—আৰু আছে মাথোন তোমাৰ চাৰিওফা এই ভুৱা ভাওনাখন—এই কলিকতা চহৰ—এই অফিচ, এই আদালত এই কিছুমান ইটা আৰু কাঠৰ বুৰবুৰণি—ছিঃ !" এই বুলি কৈ গো বিনয়ৰ মুখৰ ফালে চালে। বিনয়ে একো উত্তৰ নিদি ভা বলৈ ধৰিলে। গোৱাই ক'লে—"আমি এই যে পঢ়া-শুনা কৰিছোঁ, চাকৰী উমেদাৰি কৰি ফুৰিছোঁ আৰু দহ বজাৰপৰা পাঁচ বজালৈকে কাম কৰি ভূতৰ দৰে মূৰৰ ঘাম মাটিত পেলাই খাটি কি যে কৰিছোঁ তাৰ এটা ৰেই ঠিক নাই। এই ভুৱা ভাৰতবৰ্ষখনকেই আমি সত্য বুলি বি কৰিছোঁ। আৰু সেই কাৰণেই আজি পঁচিশ কোটি মানুহে মিছা সন্মা

বুলি, মিছা কামকে সঁচা কাম বুলি বাতিয়ে দিনে বলিয়া হৈ ঘূৰি ইয়াৰ বাহিৰেও এখন ভাৰতবৰ্ষ আছে—যি খনত সত্য পৰিপূৰ্ণ— খন ভাৰতবৰ্ষত স্থান নোপোৱালৈকে আমি কেতিয়াও সুস্থ ৰূপে জী কিব নোৱাৰোঁ। সেই কাৰণেই মই ভাবোঁ যে আন সকলো কথা দি, বিদ্যা, খিতাপৰ মোহ, উঞ্ছবৃত্তিৰ প্ৰলোভন সকলোবোৰকে লৈয়াই পেলাই সেই বন্দৰৰ ফালেই জাহাজ পোনাব লাগিব—বুৰো যদিও ম—মৰোঁ যদিও মৰিম। মোৰ সেই ভাৰতবৰ্ষৰ পূৰ্ণমূৰ্ত্তি, সত্যমূৰ্ত্তি কেতিয়াও পাহৰিব নোৱাৰোঁ।"

বিনয়,—এইবোৰ কথা তুমি উত্তেজিত হৈ কৈছা, নে সঁচাই কৈছা ?

মেঘৰ দৰে গৰজি উঠি গোৱাই ক'লে—"সঁচাই কৈছোঁ।"

বিনয়,—আৰু যিবোৰে তোমাৰ দৃষ্টিৰে চাব নোৱাৰে।

গোৱাই হাত দুখন মুঠি মাৰি ক'লে—"সিহঁতক দেখুৱাই দিব লাগিব। ক সেইটোৱেই আমাৰ কৰ্ত্তব্য। সত্যৰ ছবি ফটফটীয়াকৈ নেদেখিলে নুহে ছাঁৰ ওচৰত কিয় আত্ম-সমৰ্পণ কৰিব ? ভাৰতবৰ্ষৰ পৰিপূৰ্ণ মূৰ্ত্তিৰ ৰণ জনসাধাৰণৰ সমুখত দাঙি ধৰোঁ। দেখিবা সকলোবোৰ মানুহ লৈয়া হৈ উঠিব। তেতিয়া আৰু এইদৰে ঘৰে ঘৰে চান্দা সাধিব নেলাগে। তো দূৰৰ কথা, প্ৰাণদিবলৈকে, মানুহে হেঁচা-ঠেলা লগাব।

বিনয়,—গোৱা, হয় মোক সংসাৰত অইন দহোজনৰ দৰেই জী থাকি-ল দিয়া, নহলে মোক এই পূৰ্ণ মূৰ্ত্তি দেখুৱাই দিয়াঁ।

গোৱা,—সাধনা কৰোঁ। মনত বিশ্বাস থাকিলে কঠোৰ সাধনাৰ মাজে-ৰেই সুখ পাবা। আমাৰ আজি-কালিৰ ভুৱা দেশ-প্ৰেমিকবোৰৰ নিজৰ াৰতে আস্থা নাই, আৰু সেই কাৰণেই নিজৰ বা লোকৰ ওচৰতো জোৰকৈ কা দাবী কৰিব নোৱাৰে। সিহঁতক স্বয়ং কুবেৰে যাচি বৰ দিবলৈ াৰিলেও বোধকৰোঁ সিহঁতে লাট চাহাবৰ চাপৰাচিৰ জকমকীয়া পোছাক-ক ডাঙৰ কিবা এটা বিচাৰিবলৈ সাহ নকৰিব। সিহঁতৰ বিশ্বাসো আৰু সেইবোৰলৈ মনো নেমেলে।

বিনয়,—গোৱা, সকলোৰে প্ৰকৃতি একে নহয়। তোমাৰ নিজৰ ওপৰত ও বিশ্বাস আছে আৰু তুমি নিজেই নিজৰ আশ্ৰয়। এতেকে তুমি ইনৰ অৱস্থাটো ঠিক বুজিব নোৱাৰা। মই কওঁ, তুমি মোক যি কোনো কামত লগাই দিয়া। দিনে-ৰাতিয়ে মোক খটুৱাই নিয়া। নহলে মাৰ কাষত থকা সময়খিনিত কিবা এটা পোৱা যেন লাগিলেও আঁতৰি

গ'লেই অনুভব কবোঁ যে মই একোৱেই পোৱা নাই।

গোৱা,—তুমি কামব কথা কৈছা ? এতিয়া আমাব এক হৈছে স্বদেশব সকলোবোব বস্তুব প্রতি শ্রদ্ধা দেখুওৱা। অবিশ্য মনো যাতে এই শ্রদ্ধাই স্পর্শ কবিব পাবে, তালৈকো আমি চো চাব লাগিব। দেশব কথা ভাবিবলৈ লাজ কবি আমি নিজব দাসত্বব বিহেবে দুর্ব্বল কবি পেলাইছোঁ। এতিয়া আমি প্রত্যে নিজে দৃষ্টান্ত দেখুবাই ইয়াব প্রতিকাব কবিলেহে ভবিষ্যতে কাম সুবিধা কবিব পাবিম। এতিয়া আমি যি কামতেই হাত দিওঁ, আমি বুবঞ্জীব পাঠ্য-পুথিত থকা কিছুমান গতানুগতিক কামব অনুকবণ সেই ভুৱা কামত জানো কেতিয়াবা আমাব সকলো মন প্রাণ পাবিম ? এনেকুৱা কামে আমাক নিজকে আৰু হীন কবিহে

এনে সময়তে হাতত হোকা লৈ লাহে-ধীবে গজেন্দ্র গমন আহি কোঠাটোত সোমালহি। অফিচবপবা আহি জা-জলপান এমোকোৱা তামোল আৰু এবটা তামোল-পাণ আগত লৈ আলি বাবাণ্ডাত বহি মহিমব এইটোৱেই ধঁপাত খোৱাব সময়। আৰু কি পিচতেই এজন-দুজনকৈ ওচব-চুবুবীয়া বন্ধু-বান্ধব আহি গোট খাবহি পিচতে পৰ্টিকব সি কাষব কোঠাটোত তাচব আড্ডা বহিব।

মহিম কোঠাটোত সোমোৱা দেখি গোৱা চকীবপবা উঠি থি হোকাত দীঘলীয়াকৈ শোহা এটা মাবি গোৱালৈ চাই মহিমে "ভাবত উদ্ধাব তো খুবেই কবিছ—বৰ্ত্তমান ককায়েবকো অলপ উদ্ধা চোন।

গোৱাই মহিমব মুখলৈ ভেবা লাগি চাই থাকিল। মহিমে "আমাব অফিচলৈ নতুনকৈ অহা বব চাহাবজনব একেবাবে বনবীয়া দবে চেহেৰা—বব বদমাচ মানুহ। সি কৰ্ম্মচাৰীবোবক কয় বান্দব বাপেক মবি গ'লেও কাকো ছুটী দিব নোখোজে—সকলো মিছা কথা বুলিব। কোনো মাহতেই কোনো দেশীয় কেবাণীয়ে পূবাকৈ দবমহা পাবব নাই—জবিমনাই জবিমনাই একেবাবে ঠকা-সবকা কবি পেলায়। তাব বিৰুদ্ধে এখন বেনামী চিঠি ওলাইছিল। সি ভাবিছে এইটো কাম। অৱশ্যে কথাটো একেবাবে মিছাও নহয়। এতিয়া সেই নিজব নাম দি তাব এখন চোকা প্রতিবাদ কবি উত্তব নিলিখিলে মোক তিষ্ঠিবলৈ নিদিব। তোমালোক দুয়ো তো ইউনিভাবচিটিব দুটা বত্ন উঠি আহিছা। মোব এই চিঠিখন কিন্তু লিখি দিব লা

মাজত " Even handed justice, never failing generosity, kind rteousness" ইত্যাদি ইত্যাদি কথাবোব ভালকৈ বহলাই লিখি দিবা।"

গোৱা মনে মনে থাকিল। বিনয়ে হাঁহি ক'লে—"ককাইদেউ, অতবোব কথা একে উশাহতে কবনে ?"

মহিম,—শঠে শাঠ্যং সমাচবেৎ। বহুদিন সিহঁতব লগত কাম কবিছোঁ। আৰু একো জানিবলৈ বাকী নাই। সিহঁতে যতবোব মিছা কথা পাবে—সঁচাকৈয়ে ধন্যবাদ দিবলগীয়া। প্রয়োজন হলে সিহঁতে একোকে মানে। এজনে মিছা কথা কলেই লগব কেজনেও একেলগে শিয়ালব হোৱা ধবে। আমাব দবে এজনে ইজনব মুখা খুলি দি বাহবা লবলৈ বিচাবে। কথাটো হৈছে ধবা নপবাকৈ সিহঁতক ঠগাব পাবিলে একো নহয়।— এই বুলি কৈ মহিমে হাঃ হাঃকৈ জোবেবে হাঁহিবলৈ ধবিলে। বিনয়েও সেই হাঁহিত যোগ দিলে।

মহিমে ক'লে—"তোমালোকে সিহঁতব মুখব ওপবতে মুখা খুলি দি হঁতক অপ্রস্তুত কবিবলৈ বিচাবিছা। তোমালোকক ভগবানে এনেকুৱা ক নিদিলেনো আজি দেশব এই দশা হয় নে ? এইটো ঠিককৈ জানিবা যি চোবব গাত জোব আছে সেই চোবক যদি তুমি বাহাদুবি দেখুবাই ই দিবলৈ যোৱা—সেই চোবে তেতিয়া লাজতে মুব তলকৈ বহি নেথাকে। তাব সবঞ্জামেবে ঘুবাই তোমাক মাবিবলৈহে খেদি আহিব। হয় নে কোৱাচোন ?

বিনয়,—অৱশ্যে এইটো সঁচা কথা।

মহিম,—তাতকৈ মিছা কথাব ঘানীবপবা বিনা পইচাব যি তেল ৱা যায় সেই তেলব কিছু অংশও যদি তেওঁব ভবিত মালিচ কবোঁ তেন্তে লোৱেই বক্ষা পবে আৰু শান্তি ভঙ্গবো একো আশঙ্কা নেথাকে। কৈ ভাবি চোৱাচোন—ইয়াকে বোলে "দেশপ্রেম।" কিন্তু আমাব ভায়াব খং উঠিছেহে। হিন্দুব ল'বা হৈ সি মোক ককায়েক বুলি খুব মান । তাব সন্মুখত মোব কথাবোব ঠিক ডাঙব ককায়েকব দবে নহল। কি কবিম ভাই ; মিছা কথাব বিষয়েও তো সঁচা কথা কব লাগিব। য়, এই চিঠিখন কিন্তু মোক লিখি দিবই লাগিব। ববা—মই দুই কথা টুকি থৈছোঁ।—লৈ আহোঁগৈ। এই বুলি কৈ মহিমে হোকা টানি ওলাই গ'ল।

গোৱাই বিনয়ক ক'লে—"বিনু, তুমি ককাইদেউব কোঠালৈ গৈ বুজাই কিবা এটা কবাগৈ। মই মোব এই লেখাখন শেষ কবি লওঁ।"

৫

"হেবি শুনিছেনে ? মই আপোনব গোঁসাই ঘবত নোসোম
ভয় নকবিব। আপোনাব পূজা কবা শেষ হলে এবাব সিটো
আহিবচোন। আপোনাক দুটামান কথা সুধিবলৈ আছে।
দেউ দুজন অহা কাবণে আপুনি বব ব্যস্ত হৈ আছে বুলি বুজি
কাবণেই আপোনাক সোঁৱবাই দিবলৈ আহিলোঁ। নেপাহবিব
এবাব যেনে তেনে আহিব দেই !"

দুৱাব মুখবপবা এই বুলি কৈ আনন্দময়ী গুচি গ'ল ; ঘব-দুৱা
বলৈ আছেই এথোন।

কৃষ্ণদয়াল ডাঙবীয়াক ক'লাই বুলিব পাবি। মানুহজন বব বেচি
নহয় যদিও স্বাস্থ্যবান। মুখখনব মাজত ডাঙব ডাঙব চকুজোব
সকলোৱে চকুত পবে। বাকী প্রায় গোটেই গাল-মুখ কেঁচা-পকা
গোফেৰে ভবা। এখেতে সদায় গেৰুৱা ববণৰ পাটব পোছাক
হাতত পিতলব কমণ্ডলু এটা সদায় থাকেই—ভবিতো খবমহে
মূবব আগ পিনে একেবাৰে চুলি নাই, তপা বুলিবই পাবি।
ফালে এতিয়াও চুলি আছে। সেই চুলিখিনি তেখেতে দীঘলৈ
বছী এডালেৰে মূবব সোঁ-মাজতে মন্দিবব গম্বুজব দৰে ওখকৈ এটি
মাৰি থয়।

ভাটীত থাকোঁতে এসময়ত এখেতে মদ-মাংস খাই একেবাৰে
কবি পেলাইছিল। তেতিয়া বামুণ সন্ন্যাসী ধৰণব মানুহক অপমা
তেখেতে বব আনন্দ পাইছিল। এইবোব বব বীৰত্বব কাম বুলি ভা
এতিয়া আকৌ তেখেতে নমনা বস্তু নায়েই। আজি-কালি নতুন
দেখিলেই সন্ন্যাসীবপবা নতুন সাধনাব পন্থা শিকিবলৈ লাগি যায়।
নিগূঢ় পথ আৰু যোগব নিগূঢ় প্রণালীব কাবণে এখেতব আগ্রহ
নাই। তান্ত্রিক সাধনা অভ্যাস কবিবব উদ্দেশ্যে কৃষ্ণদয়ালে কি
উপদেশো গ্রহণ কবিছিল। ঠিক এনে সময়তে এজন বৌদ্ধ পু
খবব পাই বর্ত্তমান তেখেতব মন চঞ্চল হৈ পবিছে।

এখেতব প্রথম গৰাকী পবিবাৰে এটি মাত্র পুত্র সন্তান জন্ম
ঢুকায়। তেখেতব বয়স তেতিয়া মাত্র একুৰি তিনি বছৰ

ীয়া ল'বাটোৱেই মাকব মৰণ আনিলে বুলি ভাবি তেখেতে লবাটিক
ব ঘবত থৈ আহিলগৈ। তাব পিচত কৃষ্ণদয়ালব এই আঘাত
হোৱাত আৰু মনলৈ ভষীণ বৈবাগ্য ভাব অহাত সুদূব ভাটীলৈ
যায়। আৰু তাতেই মাথো ছমাহব ভিতবতে কাশীবাসী সার্ব্ব-
ডাঙবীয়াব পিতৃহীনা নাতিনীয়েক আনন্দময়ীক বিয়া কবায়।
টিতেই কৃষ্ণদয়ালে চাকবিত সোমায় আৰু নিজ বুদ্ধিব বলত অতি
ময়ব ভিতবতে নিজব অৱস্থাব বহুখিনি উন্নতি কবি পেলায়।
ধ্য সার্ব্বভৌম ডাঙবীয়াব মৃত্যু হোৱাত ষৈণীয়েককো নিজব লগলৈ
হে।

ষ্ণদয়াল অতিশয় কৌশলী লোক আছিল। সেই সময়তে বুবঙ্গী
চিপাহী-বিদ্রোহ আবম্ভ হয়। সুযোগ পাই, চল বুজি কৃষ্ণদয়ালে
ময়তে দুই এজন ইংবাজব উচ্চ পদস্থ লোকব প্রাণ বক্ষা কবি যশ
জমিদাবী লাভ কবে। এই বিদ্রোহব কিছু কাল পিচতে চাকবি
কৃষ্ণদয়াল কাশীলৈ গুচি আহে। গোৱা তেতিয়া পানীকেঁচুৱা।
বয়স পাঁচ বছব মান হওঁতেই কৃষ্ণদয়াল কলিকতালৈ গুচি আহে
াব পিচতেই মহিমক মোমায়েকব ঘবৰপবা নিজব ঘবলৈ লৈ আহি
ঘবত বাখি ডাঙব কবে। এতিয়া মহিমে বাপেকব ওপবৰালা
অনুগ্রহত খুব প্রতিপত্তিব সৈতেই চবকাবী চাকবি কবি আছে।
বেপৰাই গোৱাই গোটেই চুবুবীটোব তাব সমনীয়াবোৰব ওপবত
কবি ভাল পাইছিল। স্কুলতো সদায় সি লগব ল'বাবোৰক নিজব
বাখিবলৈ বিচাবিছিল। নানান উৎপাত কবি শিক্ষকসকলকো
গোবলৈ সি বব ভাল পাইছিল। অলপ বুজিব পবা বয়স হওঁতেই
বোবব ক্লাবত "স্বাধীনতা হীনতাত কোন নো থাকিব খোজে"—আৰু
কোটি মানুহব বাস" এই ধৰণৰ কবিতা আওবাই ইংবাজী ভাষাৰে
দি কণ কণ বিদ্রোহী দলব নেতা হৈ পবিছিল। লাহে লাহে
টি অহাব লগে লগে গোৱাৰ কুমলীয়া বিদ্রোহী মনো ঠন ধবি
ধবিলে। তেতিয়া প্রথমে কৃষ্ণদয়ালে গোৱাৰ এই মনো-
একেবাৰে ল'বা-ধেমালি বুলি ভাবি বিশেষ একো গুৰুত্ব দিয়া

তে চাওঁতে বাহিৰা মানুহব মাজত গোৱাৰ প্রতিপত্তি বাঢ়ি আহিল।
খনৰ কোনেও তাক লাই নিদিলে। মহিমে তেতিয়া চাকবি কবে।
াক প্রথমে নানা ধৰণব ঠাট্টা কবি দমাবলৈ যত্ন কবিছিল। কিন্তু

কোনো পধ্যেই তাক তাৰ নিজৰ মতৰপৰা লৰাব নোৱাৰিলে
ময়ীয়েও গোৰাৰ এই ইংৰাজবিদ্বেষী মনোভাৰ দেখি পেটে
খাইছিল। তেখেতেও নানা প্ৰকাৰে গোৰাৰ এই মনোভাৰ
চেষ্টা কৰিছিল। কিন্তু তেখেতেও গোৰাক টলাব নোৱাৰি
পথে বগা চাম্ৰাৰ লগত মাৰ-পিট কৰিবলৈ পালে গোৰাই
হোৱা বুলি ভাবিছিল।

গোৰাই মাজে মাজে ব্ৰাহ্ম সমাজত ডাঙৰীয়া কেশৱ সেনৰ বক্তৃ
কেশৱ সেনৰ বক্তৃতাই গোৰাৰ মনত ভালকৈয়ে সাঁচ বহুৱাই
সেই কাৰণেই সি লাহে লাহে ব্ৰাহ্ম সমাজৰ প্ৰতি কিছু আকৃষ্ট
ঠিক এনে সময়তে কৃষ্ণদয়ালে নীতি-নিয়ম, আচাৰ-বি
ধৰণে পালিবলৈ আৰম্ভ কৰে। অনৰৰত লেই-লেই ছেই-ছে
পৰাপক্ষত কাকোৱেই ওচৰলৈ আহিবলৈ নিদিয়ে। আন বি
তেখেতৰ কোঠাত সোমালেও তেখেতে বৰ অস্বস্তি পাবলৈ
তিনটা মান কোঠা লৈ তেখেতে নিজৰ সংসাৰখন সকলোৰে
আঁতৰাই আনি নিজৰ এটা সুকীয়া মহল কৰি ললে। মহলৰ
এচটা কাঠত "সাধনাশ্ৰম" বুলি লিখি আঁৰি থলে।

বাপেকৰ এই অদ্ভুত কাণ্ডৰোৰ গোৰাই কোনোমতেই সহিব
সি ক'লে—"মই এই মূৰ্খামিৰোৰ সহিব নোৱাৰোঁ। এইবোৰ
কুটা, দাঁতৰ শূল।"

এই বিষয়ে তৰ্কা-তৰ্কি কৰিয়েই গোৰাই মাজতে এবাৰ বা
সকলো সম্বন্ধ ছিণ্ডি দি ঘৰৰপৰা ওলাই যাব খুজিছিল।
বুজাই-বৰাই সেইবাৰলৈ তাক ক্ষান্ত কৰিলে।

বাপেকৰ ওচৰলৈ অহা বামুণ পণ্ডিতবোৰৰ লগত
গোৰাই ভীষণ তৰ্ক জুৰিছিল। এইয়া তো তৰ্ক নহয়—যেন
চলিছিল। সিহঁতৰ বেচি ভাগৰেই পাণ্ডিত্য নাছিল বুলিলেই
ধৰ্ম্মৰ প্ৰতি খক্ হলে পূৰাকৈয়েই আছিল। গোৰাক সিহঁ
ৰকমেই বলে নোৱাৰিছিল, আৰু সেই বাবে তাক বাঘৰ দৰে ভ
ইহঁতৰ মাজত মাথোন হৰচন্দ্ৰ বিদ্যাবাগীশ বোলা এজনৰ প্ৰ
শ্ৰদ্ধা উপজিল।

বেদান্ত চৰ্চ্চা কৰিবৰ নিমিত্তেহে কৃষ্ণদয়ালে বিদ্যাবাগী
কৰিছিল। গোৰাই প্ৰথমতে এখেতৰ লগতো টঙালি ৰা
গৈছিল। কিন্তু সি বুজি পালে যে এখেতৰ লগত যুঁজ কৰি

সঁচাকৈয়ে পণ্ডিত। মাথোন সংস্কৃত পঢ়িয়েই যে মানুহ ইমান
আৰু তীক্ষ্ণ বুদ্ধিৰ হব পাৰে, গোৰাই সপোনতো ভবা নাছিল।
গীশৰ চৰিত্ৰত ক্ষমা আৰু শান্তিৰে ভৰা এনে এটা গাম্ভীৰ্য্যপূৰ্ণ
আৰু গভীৰতা আছিল যে গোৰাই তেখেতৰ ওচৰত নিজক সংযত
ল বাধ্য হৈছিল। হৰচন্দ্ৰৰ ওচৰত গোৰাই বেদান্ত দৰ্শন পঢ়িবলৈ
। গোৰাই কোনো কামকে আধৰুৱা কৰি নেৰাখিছিল। দৰ্শন
নাৰ মাজতো সি একেবাৰে বুৰি গ'ল।

ন সময়তে এজন ইংৰাজ মিছনাৰিয়ে এখন বাতৰি-কাকতত হিন্দু
াক সমাজৰ বিৰুদ্ধে এটা প্ৰবন্ধ লিখে। সি নিজে সুবিধা পালেই
াস্ত্ৰ আৰু লোকাচাৰৰ নিন্দা কৰি বিৰোধী দলৰ মানুহক যিমান পাৰে
ছিল। কিন্তু এতিয়া বিদেশী এজনে হিন্দু সমাজক এইদৰে সমা-
কৰাটো সি সহিব নোৱাৰিলে।

তৰি-কাকতৰ যোগেদিয়েই গোৰাই যুঁজ আৰম্ভ কৰি দিলে। মিছ-
ন উল্লেখ কৰা হিন্দু সমাজৰ প্ৰত্যেকটো কেৰোণকে গোৰাই অস্বীকাৰ
। দুয়ো পক্ষৰ মাজত বাক্-বিতণ্ডা চলিল। অৱশেষত কাকতৰ
ক এই বিষয়ে আৰু চিঠি-পত্ৰ ছপাবলৈ আপত্তি কৰিলে।

াৰাৰ কিন্তু তেতিয়া জেদ্ বাঢ়ি গৈছিল। সি "হিন্দু ইজিম" নামেৰে
পুথি লিখিবলৈ আৰম্ভ কৰিলে। হিন্দু ধৰ্ম্ম আৰু সমাজ যে কোনো
ত হীন নহয়,—বহুতো পঢ়া-শুনা কৰি তাৰে প্ৰমাণ সংগ্ৰহ কৰি-
গাৰা লাগি গ'ল।

ইদৰে মিছনাৰিৰ লগত যুঁজিবলৈ গৈ গোৰাই লাহে লাহে নিজৰ
আগত নিজেই হাৰ মানিবলৈ ধৰিলে। সি ক'লে—"আমাৰ দেশ-
বিদেশীৰ বিচাৰ-সভাত দোষীৰ নিচিনাকৈ থিয় কৰাই বিদেশীৰ
দ্ধতিৰে বিচাৰ কৰিবলৈ কেতিয়াও নিদিওঁ। বিলাতৰ আদৰ্শৰ
আমাৰ আদৰ্শৰ তুলনা কৰি আমি লাজ নেপাওঁ, গৌৰৱো বোধ
। যি দেশত জন্ম গ্ৰহণ কৰিছোঁ—সেই দেশৰ নীতি-নিয়ম, শাস্ত্ৰ
সমাজৰ কাৰণে আমি কাৰো ওচৰতেই মূৰ নোদোঁৱাওঁ। আমাৰ
যি আছে তাকে সগৌৰৱে আৰু সভক্তিৰে শিৰত তুলি লৈ দেশক
নিজকো অপমানৰপৰা ৰক্ষা কৰিম।"

তিয়াৰেপৰা গোৰাই গঙ্গা-স্নান আৰু পুৱা-গধূলা সন্ধ্যা কৰিবলৈ
কৰিলে। টিকনি ৰাখি খোৱা-বোৱা বিষয়ত বাছ-বিচাৰ কৰি চলি-
বিলে। পুৱা শুই উঠি সদায় মাক-বাপেকৰ ভৰিৰ ধূলি মূৰত লৈহে

দিনটোৰ কাম আৰম্ভ কৰিবলৈ ধৰিলে। যি মহিমক সি ক
'কেড, স্নব', ইত্যাদি বুলি ঠাট্টা কৰিছিল সেই মহিমকো সি
কৰি চলিবলৈ ধৰিলে। মহিমে তাৰ এই অতি ভক্তি দেখি বিহ
কৰলৈ ধৰিলে। গোবাই কিন্তু একো উত্তৰ নিদি সকলো
মূৰকৈ শুনি থাকিল।

গোবাই নিজৰ উপদেশ আৰু আচৰণেৰে দেশৰ এচাম মানু
আলোড়ন তুলিলে। গোবাৰ উপদেশ শুনি সেই মানুহচামে আ
পোৱাদি পালে। সিহঁতে কৰলৈ ধৰিলে,—"আমি ভাল নে
নে অসভ্য, এইবোৰ বিষয় লৈ কাৰো ওচৰত উত্তৰ দিবলৈ
মাথোন আমি যে আমাৰ কাৰণেই,—এই কথা আমি সম্পূৰ্ণক
কৰিব বিচাৰোঁ।"

কিন্তু কৃষ্ণদয়ালে গোবাৰ এই নতুন পৰিবৰ্ত্তনত বিশেষ
যেন নেলাগিল। আন কি তেখেতে এদিন গোবাক মাতি ক'লে,
বোপাই, হিন্দু শাস্ত্ৰ এটা বৰ গভীৰ বস্তু। ঋষিসকলে
থৈ যোৱা ধৰ্ম্মক যেই সেই মানুহে সৰসবীয়াকৈ বুজিব নোৱাৰে
বোধেৰে নুবুজাকৈ এই বিষয়ত হাত নিদিয়াটোৱেই যুগুত। তু
ল'ৰা মানুহ, সকৰেপৰা ইংৰাজী পঢ়ি ডাঙৰ হৈছা। ব্ৰাহ্ম
প্ৰতি আকৃষ্ট হৈ তুমি উপযুক্ত কামেই কৰিছিলা। সেই কাৰণে ম
তোমাক বাধা দিয়া নাছিলোঁ, বৰং ভালেই পাইছিলোঁ। কি
তুমি যি বাটেদি গৈছা, এই পথ মোৰ বৰ ভাল যেন লগা নাই
তোমাৰ পথ নহয়।"

গোবাই ক'লে,—"আপুনি নো কি কৈছে দেউতা! মই
নহয়? হিন্দু ধৰ্ম্মৰ গুৰিৰ কথা আজি নুবুজিলেও কাইলৈ বুজি
কেতিয়াও বুজি নেপালেও এই বাটেদিয়ে তো চলিব লাগিব। হিন্দু
লগত পূৰ্ব্ব জন্মৰ সম্বন্ধ ছিণ্ডিব পৰা নাই কাৰণেই এই জন্মতো
ঘৰত উপজিছোঁ। এনেকৈয়ে জনমে জনমে যেন হিন্দু ধৰ্ম্ম
সমাজৰ মাজত জনম লৈ অৱশেষত মুক্তি পাব পাৰোঁ। কেতিয়াবা
অন্য পথলৈ চকু দিলেও আকৌ যেন দুগুণ শক্তিৰে নিজ পথলৈ
আহিব পাৰোঁ।"

কৃষ্ণদয়ালে কিন্তু মূৰ জোকাবি ক'লে—"চোৱাঁ বোপাই,
বুলিয়েই হিন্দু হব নোৱাবি। মুছলমান হোৱা সহজ—খৃষ্টানো যে
হব পাৰে, কিন্তু হিন্দু হোৱা বৰ টান কথা।"

গাবা,—সেইটো সঁচা কথা। কিন্তু মই হিন্দু ঘৰত উপজিয়েই তো
াৰ পাৰ হৈ আহিছোঁ। এতিয়া ভালকৈ সাধনা কৰিব পাৰিলে
লাহে নিশ্চয় আগুৱাই যাব পাৰিম।

কৃষ্ণদয়াল,—বোপাই তৰ্কেৰে তোমাক ভালকৈ বুজাব নোৱাৰোঁ।
কোৱা কথাবোৰো অৱশ্যে সঁচা। যাৰ যিটো কৰ্ম্মফল আৰু নিৰ্দ্দিষ্ট
সি ঘূৰি-পকি আকৌ সেই ধৰ্ম্মৰ বাটলৈকে ঘূৰি আহিব লাগিব;
কোনেও বাধা দিব নোৱাৰে। এইবোৰ সকলো ভগৱানৰ দয়াৰ
আমিনো কি কৰিব পাৰোঁ? আমি উপলক্ষহে মাথোন।
ৰ্ম্মফল আৰু ভগৱানৰ ইচ্ছা, সোহংবাদ আৰু ভক্তিতত্ত্ব—এই
বোৰকে কৃষ্ণদয়ালে একে শাৰীৰ বুলি ভাবে। এইবোৰৰ মাজতো
নো প্ৰকাৰৰ সমন্বয়ৰ প্ৰয়োজন আছে—এই কথা তেখেতে মুঠেই
নকৰে।

——:০:——

৬

বহুদিনৰ মূৰত সন্ধ্যা পূজা শেষ কৰি খাই বৈ উঠাৰ পিচত
আনন্দময়ীৰ কোঠালৈ আহিল। মজিয়াৰ ওপৰত নিজৰ কম্বলৰ
ন পাতি লৈ বৰ সাৱধানেৰে চাৰিওফালে বস্তুবোৰৰপৰা আঁতৰি
বহিল।

নন্দময়ীয়ে ক'লে—আপুনি আজি-কালি পূজা-পাতল লৈয়ে ব্যস্ত
ঘৰখনৰ কথা সমূলি নেভাবে। গোবাৰ কাণ্ডবোৰ দেখি মই
ন্তিত হৈ পৰিছোঁ আৰু ভয়ো খাইছোঁ।"

কৃষ্ণদয়াল,—কিয়, ভয় খাইছা কিয়?

নন্দময়ী,—কিয় যে ভয় খাইছোঁ মই নিজেই ভালকৈ কৰ নোৱাৰোঁ।
গোবাই আজি-কালি যি দৰে নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ পালিবলৈ
তাক দেখি মোৰ মনত সদায় এটা আশঙ্কা হয়। শেষত কিবা
ণ্ডৰ বিপদৰ মাজত সি পৰেগৈ বুলি মোৰ সদায় এটা ভয় লাগি
মই আপোনাক আগতেই তাক লগুণ দিবলৈ বাৰে বাৰে হাক দিছিলোঁ।

আপুনি তো তেতিয়া একো নেমানিলে। ডিঙিত একোচা
দিলেই কাৰো একো ক্ষতি নহয় বুলিয়েই আপুনি কৈছিল
পিচে তাক কেনেকৈ বাধা দি ৰাখিব ?

কৃষ্ণদয়াল,—ওঁ, এতিয়া সকলো দোষ মোৰ গাতেই জাপি দিয়া
কিন্তু গুৰিতে তুমিহে ভুল কৰিছিলা। তুমিতো কোনোমতেই
কাষৰপৰা আঁতৰাই নিবলৈ নিদিলা। ময়ো সেই সময়ত
আৰু জেদী আছিলোঁ। ধৰ্ম্ম-কৰ্ম্ম, একোৱেই নেমা
আজি-কালিৰ দৰে হোৱা হলেতো মই এনে কাম কেতিয়াও
হয়।

আনন্দময়ী,—আপুনি যিয়েই নকওক মই যে কিবা অধৰ্ম
এই কথা মই কিন্তু কেতিয়াও মানি লব নোৱাৰোঁ। আপোন
মনত আছে এই শিশু সন্তানটোৰ বাবে মই কি কৰা নাই,—
কৈছে তাকে কৰিছোঁ। কিমান মাদলী লৈছোঁ—কিমান
কৰিছোঁ, সেইবোৰ তো আপুনি জানেই। এদিন সপোন দেখি
মই যেন একুকি তগৰ ফুলেৰে পূজা কৰিবলৈ বহিছোঁ।
যে কুকিত ফুল নাই,—ফুলৰ দৰে কোমল বগা ধপধপীয়া এটা
আঃ কি যে দেখিছিলোঁ। কেনেকৈ কম। মোৰ চকুলো ৰবলৈ
লৰালৰিকৈ পোনাটিক বুকুত তুলি লব ধৰোঁতেই মোৰ টোপনি
তাৰ পিচত দহ দিনো পাৰ নহ'ল গোৰাক পালোঁ—সি যে মোৰ
নিৰ্ম্মালি। সি জানো আন কাৰোৰাৰ যে মই তাক মোৰ
লৈ যাবলৈ দিম ? পূৰ্ব্বজন্মত তাক মই গৰ্ভত ধাৰণ কৰি
কষ্ট পাইছিলোঁ। এই জন্মতো সেই কাৰণেই সি মোক
মাতিবলৈ আহিছে। কেনেকৈ, ক'ৰপৰা সি মোৰ কোলালৈ
ভাবি চাওকচোন। চাৰিওফালে তেতিয়া মৰা-মৰি, কটা-কটি
কোন মুহূর্ত্তত মৰিব লাগে ঠিক নাই,—সেই দুৰ্য্যোগৰ মাজত
মেম জনীয়ে যেতিয়া আমাৰ ঘৰত আশ্রয় বিচাৰিলেহি আপুনিতো
ভয়তে ৰাখিবই নুখুজিছিল, মইহে আপোনাক ফুচুলাই তাইক নি
হাৰান মাষ্টৰ সাম্প্ৰদায়িক উৎসাহৰ অত্যাচাৰত আৰু তেওঁ মনৰ নীৰসতা দেখি সুচৰিতাৰো দিনে দিনে তিতা লাগি আহিছিল তথাপিও হাৰান মাষ্টৰৰ লগতে তাইৰ বিয়াৰ বিষয়ে কোনো পক্ষ কোনো খোকোজা লগা নাছিল। ধৰ্ম্মসামাজিক দোকানত নিজৰ অতি ডাঙৰ ডাঙৰ আখৰৰে উচ্চ মল্য লিখি টিকট্ লগাই থলে আন মানুহেও সেই দুৰ্ম্মল্যতা মানি লয়। সেই কাৰণেই হাৰান মাষ্ট মহৎ সঙ্কল্পদ্বাৰা অনুপ্ৰাণিত হৈ আৰু যথোচিত পৰীক্ষা সুচৰিতাক বাছি ললে যে সকলোৱে মানি লব, এই বিষয়ে হাৰান আন কাৰো মনত কোনো সন্দেহ নাছিল। আন কি পৰেশ ভট্টে দাবী পেটে পেটে অগ্ৰাহ্য কৰা নাছিল। সকলোৱে হাৰান মাষ্ট সমাজৰ ভৱিষ্যৎ কৰ্ণধাৰ বুলি ভাবিছিল আৰু তেখেতেও সহজে মত দিছিল। হাৰান মাষ্টৰৰ দৰে মানুহৰ বাবে সুচৰিতা উপযুক্ত নহয়, এইটোহে তেখেতৰ চিন্তাৰ বিষয় আছিল। কিন্তু হাৰান মাষ্ট বিতাৰ ভাল লাগিবনে নেলাগে এই কথা তেওঁ ভাবিবলৈ পা

এই বিয়াৰ প্ৰস্তাৱৰত কোনেও সুচৰিতাৰ কথা ভবাটো নভবাৰ দৰেই সুচৰিতায়ো নিজৰ কথা ভবাই নাছিল। ব্ৰাহ্ম আন সকলোৰে দৰে তাই ধৰি লৈছিল যে যিদিনাই হাৰান মাষ্টৰে ছোৱালী জনীক গ্ৰহণ কৰিবলৈ প্ৰস্তুত হৈছেঁ' বুলি কব, সেইদিনাই এই বিবাহৰূপী মহৎ কৰ্ত্তব্যক স্বীকাৰ কৰি লব।

এইদৰেই দিন গৈছিল। এনেতে সেইদিনা গোৰাক উপলক্ষ কৰি াৰান মাষ্টৰৰ লগত সুচৰিতাৰ যি তৰ্ক-তৰ্কি লাগিল তাৰ সুৰ শুনিয়েই সুচ- তাই হাৰানক শ্ৰদ্ধাৰ চকুৰে নেচায় বুলি পৰেশ ভট্টৰ মনত সন্দেহ ল। দুয়োৰে স্বভাৱৰ মাজত মিল নোহোৱাৰ কিবা কাৰণো থাকিব াৰে বুলি তেখেতে ভাবিলে। সেই কাৰণেই ৰবদাসুন্দৰীয়ে বিয়াৰ তাগাদা ওঁতে পৰেশ ভট্টই আগৰ দৰে মত দিব নোৱাৰিলে। সেইদিনাই ৰবদা- ন্দৰীয়ে সুচৰিতাক অকলে মাতি নি ক'লে,—"তুমি তোমাৰ দেউতাৰাক বিমোৱত পেলাইছা।"

কথাষাৰ শুনিয়েই সুচৰিতা চক্‌খাই উঠিল। ভুলতো তাই পৰেশ ট্টৰ চিন্তাৰ কাৰণ হবলগীয়া হোৱাতকৈ দুখৰ কথা আৰু নাই। তাই খন ক'লাকৈ সুধিলে,—"কিয়, মইনো কি কৰিলোঁ?"

ৰবদাসুন্দৰী—কি নো জানো আই? তুমি পানু মাষ্টৰক পছন্দ নকৰা তেখেতে ভাবিছে। কিন্তু পানু মাষ্টৰৰ লগত তোমাৰ বিয়াখন একৰকম টাং বুলিয়েই ব্ৰাহ্ম সমাজৰ সকলো মানুহে জানে। এনেকুৱা অৱস্থাত মি যদি.....

সুচৰিতা,—ক'তা আই? মই তো এই বিষয়ে কাকো একো কোৱা ।

সুচৰিতা আচৰিত হোৱাৰ যথেষ্ট কাৰণ আছিল। তাই হাৰান মাষ্টৰৰ ৰহাৰত বাৰে বাৰে বিৰক্ত হৈছিল যদিও এই বিয়াখনৰ বিৰুদ্ধে একো নাছিল। এই বিয়াই তাইক সুখী কৰিব পাৰিব নে নোৱাৰে, এই া তাইৰ মনলৈ কেতিয়াও অহা নাই। কাৰণ এই বিয়াখন সুখ-দুখৰ বিচাৰ কৰিবলগীয়া নহয় বুলিয়েই তাই ধৰি লৈছিল।

চাঁতকৰে তাইৰ মনত পৰিল, সেইদিনা দেউতাকৰ আগতেই পানু মাষ্টৰৰ তি তাই স্পষ্ট বিৰক্তি দেখুৱাইছিল। এইবোৰ দেখি শুনিয়েই দেউতাক ন্তিত হৈ পৰিছে বুলি ভাবি তাইৰ বৰ বেজাৰ লাগিল। এনেকুৱা সংযমী ইয়াৰ আগেয়ে তাই কেতিয়াও হোৱা নাই আৰু ভৱিষ্যতেও নহব লি তেতিয়াই মনে মনে প্ৰতিজ্ঞা কৰিলে।

ইফালে হাৰান মাষ্টৰো সেইদিনা কিছু পৰৰ পিচত আহি ওলালহি। ওঁৰ মন বৰ অস্থিৰ হৈ পৰিছিল। ইমান দিনে সুচৰিতাই তেওঁক মনে পূজা কৰে বুলিয়েই ভাবিছিল। বৃদ্ধ পৰেশ ভট্টৰ প্ৰতি সুচৰিতাৰ ন্ধসংস্কাৰবশতঃ এটি অহৈতুক ভক্তি নথকা হলে তেওঁলৈ সুচৰিতাৰ পূজাৰ র্য্য আৰু পৰিপূর্ণ হ'লহেঁতেন। পৰেশ ভট্টৰ জীৱনৰ নানা অসম্পূর্ণতা

দেখুরাই দিয়া স্বত্বেও সুচবিতাই তেখেতক দেৱতাব দবে মানিছি
বোব দেখি হাবান মাষ্টবে পেটে পেটে হাঁহিছিল যদিও মনে
ক্ষুণ্ণও হৈছিল। তথাপি তেওঁ মনে মনে আশা কবিছিল—সমাজ
হলে এদিন এই অযথা ভক্তিক একেবাবে আঁতবাই পেলাব পাবিব
নহওক, হাবান মাষ্টবে যেতিয়ালৈকে নিজকে সুচবিতাব ভক্তিব
ভাবি আছিল, তেতিয়ালৈকে তাইব সৰু-সুবা কাম-কাজ আৰু ব
মাথোন সমালোচনা কবিছিল আৰু তাইক সদায় নানান্ উপ
গঢ়ি তুলিবলৈ যত্ন কবিছিল। বিয়াব বিষয়ে কেতিয়াও কো
খোলা-খুলিকৈ উলিওৱা নাছিল। সেইদিনা সুচবিতাব দুই এটা ক
য়েই সুচবিতায়ো তাক পবীক্ষা কবিবলৈ আবম্ভ কবিছে বুলি হঠা
পাবিলে। তেতিয়াবেপবা তেওঁব আৰু অচল-অটল গাম্ভীর্য্য লৈ
বহি থকা অসম্ভব হৈ উঠিল। ইয়াব ভিতবতে সুচবিতাব লগ
দুই এবাব দেখা হৈছে যদিও তেওঁ আগব দবে নিজব গৌৰব
প্রকাশ কবিব পবা নাই। কথা-বতবাত আৰু ব্যৱহাবত সুচবিতা
গোমোঠা হৈ থকাহে দেখা গৈছে। অনাহকতে সৰু সৰু কথা
সুচবিতাব লগত খুত্-খাত লগাই আছিল। ইয়াব পাচতো
আচবিত উদাসীনতা দেখি তেওঁ পেটে পেটে পবাজিত হবলৈ বাধ্য
আৰু এনেকৈয়ে নিজে নিজব মান খেদোৱাত ঘবলৈ আহি দুখ কবি

যিয়েই নহওক, সুচবিতাব শ্রদ্ধাহীনতাব দুই এটা লক্ষণ
হাবান মাষ্টবব পক্ষে পবীক্ষকব ওখ আসনত স্থিব হৈ আৰু বেচি
থকাটো টান হৈ পবিল। আগেয়ে তেওঁ পবেশ ভট্টব ঘবলৈ ইয়া
অহা-যোৱা নকবিছিল। সুচবিতাব প্রেমত তেওঁ বলিয়া—কোনো
সন্দেহ কবিব পাৰে বুলি ভাবি সপ্তাহত তেওঁ মাথোন এবাবহে তা
ছিল, আৰু সুচবিতা তেওঁব ছাত্রীহে, ঠিক এনে ভাবেই নিজব দ
চলিছিল। কিন্তু এই কেইদিনতে হঠাতে যেন কিবা এটা
হাবান মাষ্টবে সামান্য কিছুমান চল লৈ দিনটোব ভিতবতে কেবাবাবে
তব ঘবলৈ আহিছে আৰু তাতোকৈ সামান্য চল লৈ সুচবিতাব লগ
বাঢ়ি কথা পাতিবলো যত্ন কবিছে। পবেশ ভট্টয়ো এই সূত্রে
পবীক্ষা কবিবলৈ ধবিলে আৰু ফলত তেখেতব সন্দেহো ক্রমে
আজি হাবান মাষ্টব আহোঁতেই ববদাসুন্দবীয়ে তেওঁক আঁতবলৈ
ক'লে,—"বাৰু মাষ্টব, আপুনি আমাব সুচবিতাক বিয়া
সকলোৱে কয়। কিন্তু আপোনাব মুখবপবা তো কেতিয়াও

া নাই। সঁচাকৈয়ে ইচ্ছা আছে যদি আপুনি খোলা-খুলিকৈ নকয় কিয় ?"
হাবানেও আৰু পলম নকবিলে। তেওঁ এতিয়া সুচবিতাক
ভক্তি আৰু ব্রাহ্মসমাজব হিতব বাবে তাইব উপযুক্ততাব পবীক্ষা পিচত
চলিব। হাবানে ববদাসুন্দবীক ক'লে,—"কথাটো কোৱা
নো দৰ্কাব নাই বুলিয়েই কোৱা নাই। সুচবিতাব বয়স ওঠব বছব
ৰালৈকেহে অপেক্ষা কবিছিলোঁ।"

ববদাসুন্দবীয়ে ক'লে,—"আপুনি আকৌ সকলো কথাতে অলপ বেচি
ৰায়। মই কিন্তু ছোৱালীব চৈধ্য বছব হলেই উপযুক্ত বুলি ভাবোঁ।"
সেইদিনা চাহ খাওঁতে পবেশ ভট্টই সুচবিতাব ব্যৱহাব দেখি আচিবত
গ'ল। সুচবিতাই হাবানক এনেকুৱা আদব-সাদব বহুদিন কবা
। আন কি হাবান মাষ্টব গুচি যাবলৈ ওলাওঁতেও তাই লাৱণ্যব কিবা নতুন
চিলাই দেখুৱাব চল কবি আৰু কিছু পব বহিবলৈকো অনুবোধ কবিছিল।
পবেশ ভট্ট নিশ্চিন্ত হ'ল। তেখেতব নিজবেই ভুল হৈছিল বুলি
বিলে। আন কি পেটে পেটে তেখেতব হাঁহিও উঠিল। ভাবিলে,
ৰাবে ভিতবত হয়তো অলপ কিবা বেচি ধবণব উখনা-উখনি লাগিছিল—
তিয়া ভাল হৈছে।

সেইদিনা যাবব পবত হাবানে পবেশ ভট্টব আগত বিয়াব প্রস্তাব দিলে।
বিষয়ে তেওঁব আৰু পলম কবিবলৈ মন নাই বুলিও জনালে।
পবেশ ভট্টই আচবিত হৈ ক'লে,—"কিন্তু আপুনি দেখোন ওঠব বছব-
ক কম বয়সব ছোৱালীবোৰব বিয়া হোৱাটো অন্যায় বুলি কয়। আন কি
াজতো আপুনি এই বিষয়ে লিখিছে।"

হাবানে ক'লে,—"সুচবিতাব বিষয়ত এই কথা নেখাটে। কিয়নো
ইব মনটো যেনেকৈ পৈণত হৈ উঠিছে, সচবাচব বেচি বয়সব ছোৱালীবো
নেকুৱা দেখা নেযায়।"

পবেশ ভট্টই প্রশান্ত দৃঢ়তাবে সৈতে ক'লে,—"সি যিয়েই নহওক
ইব, বিশেষ একো ক্ষতিব আশঙ্কা নাই যেতিয়া আপোনাব মত অনুসবি
ধাৰাণীব বয়স পূব হোৱালৈকে অপেক্ষা কবাটোৱেই কর্ত্তব্য।"

হাবানে নিজব দুর্ব্বলতা প্রকাশ হৈ পবাত লাজ পাই ক'লে,
নিশ্চয় কৰ্ত্তব্য। মাথোন মোব ইচ্ছা এয়ে যে এদিন সকলোকে মাতি
শ্বৰব নাম লৈ সম্বন্ধটো পকা কবি পেলোৱা হওক।"

পবেশ ভট্টই ক'লে,—"এইটো এটা উত্তম প্রস্তাব।"

১৭

দুই তিনি ঘণ্টামান শোৱাৰ পাচত সাৰ পাই কাষতে থকা দেখি গোৱাৰ মন আনন্দত নাচি উঠিল। সপোনত এটা হেৰাই যোৱাৰ পিচত সাৰ পাই উঠি সেইটো হেৰোৱা নাই বুলি যিমান ভাল লাগে, গোৱাৰো সিমান ভাল লাগিল। বিনয়ৰ গোৱাৰ জীৱন যে কিমান শূন্য হৈ পৰে, আজি সাৰ পাই বিনয়া দেখি সেইটো সি ভালকৈ অনুভৱ কৰিব পাৰিলে। আনন্দটো হৈ গোৱাই বিনয়ক ঠেলি হেঁচি জগাই দি ক'লে,—"ধ'ন্য বাঢ়ৈৰ ল'ৰা। তাৰ অভাৱত মুহূর্ত্তৰ বাবে সংসাৰত হোৱা কাম আছে।"

গোৱাৰ সদায় এটা ধৰা-বন্ধা কাম আছিল। সি চুবুৰিৰ সাধাৰণ বোৰৰ ঘৰলৈ অহা-যোৱা কৰিছিল। সিহঁতক কিবা উপকাৰ কৰাই বা উপদেশ দিবৰ বাবে নহয়, সিহঁতৰ লগত দেখা-শুনা কৰিবলৈ গৈছিল। শিক্ষিত মানুহৰ লগত তাৰ বিশেষ অহা-যোৱা নাছিল হয়। এই সাধাৰণ মানুহবোৰে গোৱাক ববককাইদেউ বুলি আৰু গোৱাক হোকা যাচি অভ্যর্থনা কৰিছিল। একমাত্র ইহঁতৰ গ্রহণ কৰিবলৈকে গোৱাই জোৰ কৰি ধঁপাত খাবলৈ শিকিছিল।

এই দলটোৰ মাজত নন্দয়েই গোৱাৰ প্রধান ভক্ত আছিল। বাঢ়ৈৰ ল'ৰা। বয়স বাইশ। সি তাৰ বাপেকৰ দোকানতে বাকচ সাজে। ধাপাৰ পথাৰত চিকাৰ কৰা দলটোৰ ভিতৰত নন্দই বন্দুকৰ অব্যর্থ লক্ষ্য আন কাৰো নাছিল। ক্রিকেট খেলাত বল দিবলৈ সি অদ্বিতীয় আছিল।

গোৱাই তাৰ চিকাৰ আৰু ক্রিকেটৰ দলৰ ভদ্রঘৰৰ ল'ৰাবোৰক এই কামৰ আদিৰ ল'ৰাবোৰকো একেলগে খেলিবলৈ বা চিকাৰ দিছিল। এই সানমিহলি দলটোৰ মাজত নন্দয়েই সকলো বিষয়ত

বা

ক ব্যায়ামত সকলোতকৈ আগবঢ়া আছিল। কোনো কোনো ভাল মানুষৰ ল'ৰাই তাক হিংসাও কৰিছিল। কিন্তু গোৱাৰ ভয়ত সকলোৱে ক দলপতি বুলি মানিব লগা হৈছিল।

এই নন্দৰ ভৰিতে কিছুদিন আগতে বটালী এটা পৰি খুন হোৱাৰ ৰ সি খেল-পথাৰত অনুপস্থিত আছিল। এই কেইদিন বিনয়ৰ বাবে বাৰ মনটো বৰ বেয়া হৈ আছিল। সেই কাৰণেই সি নন্দৰ ঘৰলৈ পৰা নাছিল। আজি পুৱাতে সি বিনয়ক লগত লৈ বাঢ়ৈ চুবুৰিত লগৈ।

নন্দহঁতৰ দুমহলীয়া মাটিৰ ঘৰৰ দুৱাৰমুখলৈ আহিয়েই সিহঁতে ভিতৰত বাতা মানুহৰ কান্দোন শুনিলে। নন্দৰ দেউতাক বা আন কোনো মানুহ ঘৰত নাছিল। কাষতে এখন ধঁপাতৰ দোকান আছিল; তাৰে কানীজনে আহি ক'লেহি,—"নন্দ আজি পুৱাতে ঢুকাল। তাক খৰি লৈ লৈ গৈছে।"

নন্দ ঢুকাল? এনেকুৱা স্বাস্থ্য, ইমান শক্তি, ইমান তেজ, এনেকুৱা ইমান কোমল বয়স—সেই নন্দ আজি পুৱা ঢুকাল! গোৱাৰ গোটেই যেন কাঠ হৈ গ'ল। সি স্তব্ধ হৈ থিয় দি থাকিল। নন্দ এটা তখিনি খুব কম মানুহৰ চকুতহে পৰিব, কিন্তু আজি নন্দৰ গোৱাৰ অতি নিদাৰুণ ধৰণে অসঙ্গত আৰু অসম্ভৱ যেন লাগিল। াই দেখিছিল—তাৰ প্রাণ আছে। অতবোৰ মানুহ জী আছে সঁচা, কিন্তু —তাৰ দৰে তো কাৰো ইমান প্রাণ নাই?

কেনেকৈ ঢুকাল তাৰ খবৰ লোৱাত তাৰ ধনুষ্টঙ্কাৰ হৈছিল বুলি বুজা । নন্দৰ বাপেকে ডাক্তৰ আনিব খুজিছিল, কিন্তু মাকে জোৰ কৰি ককৰ ভতে ধৰা বুলি ক'লে। ওজাই যোৱা কালি ওৰেৰাতি তাক ছে, মাৰিছে আৰু মন্ত্র মাতিছে। বেমাৰ আৰম্ভ হওঁতেই, নন্দই এবাৰ লৈ খবৰ দিবলৈ অনুৰোধ কৰিছিল। কিন্তু গোৱা আহি ডাক্তৰি চিকিৎসা কৰাবলৈ জোৰ কৰিব বুলি ভয় কৰি নন্দৰ মাকে কোনো-ই গোৱাক খবৰ দিবলৈ নিদিলে।

তাৰপৰা উভতি আহোঁতে বিনয়ে ক'লে,—"কি মৰ্ধামি! আৰু তাৰ ব কি ভীষণ শাস্তি!"

গোৱাই ক'লে,—"এই মূর্ধামিক একাষে আঁতৰাই থৈ তুমি নিজে ৰ বাহিৰত আছা বুলি ভাবি সান্ত্বনা নলবা বিনয়। এই মৰ্ধামি যে

কেনেকুৱা আৰু তাৰ শাস্তি য কি ভীষণ, সেইটো স্পষ্টকৈ দেখা
মাথোন এইদৰে আক্ষেপ কৰিয়েই ঘটনাটোক একেবাৰে আঁতৰা
নুখুজিলাহেঁতেন।"

মনৰ উত্তেজনাৰ লগে লগে গোৰাৰ খোজো লাহে লাহে
ধৰিলে। বিনয়ে তাৰ কথাৰ একো উত্তৰ নিদি তাৰ
সমানে খোজ দিয়াত লাগিল।

গোৰাই কবলৈ ধৰিলে,—"গোটেই জাতিটোৱেই মিছাৰ
বিকি থৈছে। দেৱতা, অপদেৱতা, ফেঁচা, হাঁচি, বৃহস্পতিবাৰ,
কিমান বিধৰ যে ভয়, তাৰ হিচাপ নাই। পৃথিৱীত সত্যৰ লগত
কেনেকৈ ব্যৱহাৰ কৰিব লাগে, সেইটো সিহঁতে কেনেকৈ জানিব
তুমি, মই, এইবোৰে ভাবিছোঁ—আমি দুপাত বিজ্ঞান পঢ়িছোঁ বো
আৰু ইহঁতৰ দলৰ নহয়। কিন্তু এইটো কথা থিৰাংকৈ জানিবা
মানুহে চাৰিওফালৰ এই হীনতাৰ আকৰ্ষণৰপৰা পুথি পঢ়া
নিজক কেতিয়াও জীয়াই ৰাখিব নোৱাৰে। এই মানুহবোৰে
নিয়মৰ আধিপত্যক বিশ্বাস নকৰালৈকে আৰু মিছা ভয়ক
থকালৈকে আমাৰ শিক্ষিত মানুহখিনিয়েও ইয়াৰ
আঁতৰি থাকিব নোৱাৰিব।"

বিনয়ে ক'লে,—শিক্ষিত মানুহবোৰ আঁতৰি থাকিব
লাভ কি? শিক্ষিত মানুহেই বা কেইজন আছে? শিক্ষিত
উন্নত কৰিবৰ বাবে আন মানুহবোৰো উন্নত হব লাগিব, এইটো
ৰবঞ্চ আন মানুহবোৰক উন্নত কৰাটোৱেই শিক্ষিত মানুহৰ শিক্ষাৰ

গোৰাই বিনয়ৰ হাতত ধৰি ক'লে,—"ময়ো সেই কথাকে কওঁ
কিন্তু তোমালোকে ভদ্রতা আৰু শিক্ষাৰ ভেমত সাধাৰণ মানুহৰ
হৈ ভালকৈ নিশ্চিন্ত হৈ থাকিব পাৰা। এইটো মই বাৰে বাৰে
বুলিয়েই তোমালোকক মই সাৱধান কৰি দিব খুজিছোঁ।
মানুহবোৰক মুক্তি নিদিয়ালৈকে তোমালোকে নিজেও কেতিয়াও
মুক্তি পাব নোৱাৰা। নাও ফুটা হলে বৰ ডাঙৰ মাস্তুল থকা
হত ডাঁহি যাব নোৱাৰে, বুজিছা?

বিনয়ে নীৰৱে গোৰাৰ লগে লগে যাবলৈ ধৰিলে।

গোৰাই কিছু পৰ মনে মনে থাকি হঠাতে ক'লে,—"নহয়
বোৰ মই কোনোমতেই সহিব নোৱাৰোঁ। ভতৰ ওজাই আজি
থৈ গলহি। সেই মাৰ মোৰ গাতো লাগিছে, গোটেই দেশখ

ছ। মই এইবোৰ ঘটনাক বিভিন্ন সৰু সৰু ঘটনা বুলি কেতিয়াও
।"

তথাপি বিনয় মনে মনে থকা দেখি গোৰা গৰজি উঠিল,—"বিনয়,
মনে মনে কি ভাবিছা মই ভালকৈয়ে বুজিব পাৰিছোঁ। তুমি ভাবিছা
প্রতিকাৰ নাই, নাইবা প্রতিকাৰৰ সময় আহিবলৈ এতিয়াও বহুতো
আছে। তুমি ভাবিছা—ভাৰতবর্ষক হেঁচা মাৰি থকা এই ভয় আৰু
ৰোৰ হিমালয়ৰ দৰে ভাৰতবর্ষৰ এটা বোজা। এই বোজাক কোনে
মাৰি লৰাব পাৰিব? মই কিন্তু তেনেকৈ নেভাবোঁ। তেনেকৈ
জী থাকিবই নোৱাৰিলোহেঁতেন। মোৰ দেশক যিয়েই আঘাত
ক, তাৰ প্রতিকাৰ আছেই। আৰু সেই আঘাত যিমানেই ভীষণ
লাগে—তাৰ প্রতিকাৰ একমাত্র আমাৰ হাততে আছে। মোৰ এনে
বিশ্বাস আছে বুলিয়েই আজি চাৰিওফালৰ এই দুখ-দুর্গতি অপমানবোৰ
কৰিব পাৰিছোঁ।"

বিনয়ে ক'লে,—"ইমান ডাঙৰ এই গোটেই দেশজোৰা দুর্গতিৰ আগত
ক দৃঢ় কৰি ৰাখিবলৈ মোৰ সাহেই নহয়।"

গোৰাই ক'লে,—"এন্ধাৰ অতি বেচি, তাৰ তুলনাত চাকিৰ শিখা নিচেই
ইমান গভীৰ এন্ধাৰতকৈ মোৰ কিন্তু এই অকণমানি শিখাৰ ওপৰতে
আস্থা আছে। দুখ-দুর্গতি চিৰস্থায়ী হব পাৰে বুলি মই একো পথ্যেই
নকৰোঁ। বিশ্ব চৰাচৰৰ সমগ্র জ্ঞান শক্তি আৰু প্রাণ শক্তিয়ে এই
ক চাৰিওফালৰপৰা আঘাত কৰিছে। আমি যিমানেই ক্ষুদ্র নহও
সেই জ্ঞান শক্তিৰ আৰু সেই প্রাণশক্তিৰ লগত গৈ যোগ দিম গৈ।
তেতিয়া মৰিলেও এই কথা দৃঢ়কৈ মনত ৰাখি মৰিম যে এদিন আমাৰ
জয় হবগৈ। দেশৰ জড়তাক সকলোতকৈ ডাঙৰ আৰু শক্তি-
বুলি ভাবি তাৰ ওপৰতে বিছনা পাতি কেতিয়াও শুই নেথাকোঁ।
মনেৰে জগতত বদমাচক বিশ্বাস কৰা আৰু ভতক ভয় কৰা একেই
লাভৰ মূৰত বেমাৰৰ কৃত চিকিৎসা কৰিবলৈ কোনেও মনেই
। ভয় যিদৰে মিছা, ওজাও সেইদৰে মিছা। দুয়ো একগোট হৈ
মাৰি সাং কৰিছে। বিনয়, মই তোক বাৰে বাৰে কৈছোঁ, আমাৰ
মুক্ত হবই। এই কথা মুহূর্ত্তৰ বাবে সপোনতো অসম্ভৱ বুলি নেভা-
। অজ্ঞানতাই কেতিয়াও আমাৰ দেশক আৰৰি থাকিব নোৱাৰে। এই
দৃঢ়ভাৱে মনত ৰাখি আমি সদায় সাজু হৈ থাকিব লাগিব। ভাৰত-
স্বাধীনতাৰ কাৰণে ভৱিষ্যতে কোনোবা এদিন যুদ্ধ লাগিব বুলি

আশা কবি তোমালোকে ভাগ্যক ধিয়াই নিশ্চিন্ত হৈ বহি
মোব মনেবে সেই যুদ্ধ লাগিছেই, প্রতি মুহূর্ত্ততে যুঁজ চলি
এনে সময়ত তোমালোকে নিশ্চিন্ত হৈ হাত সাবটি বহি
ডাঙব কাপুৰুষতা একোৱে হব নোৱাবে।"

বিনয়ে ক'লে,—"চোৱা গোবা, তোমাব লগত আমাব
আছে। বাটে-ঘাটে আমাব দেশত যিবোব ঘটনা ঘটিছে আৰু
ঘটি আহিছে, তুমি সদায় সেইবোবলৈ নতুন দৃষ্টিবে চোৱা।
নিশাহবোব পাহবি থকাব দবে এইবোবো আমি পাহবি
বোবে আমাক আশাও নিদিয়ে হতাশো নকবে, আনন্দও
নিদিয়ে। দিনবোব অতি উকা হৈ পাব হৈ গৈছে।
থাকিও নিজক বা নিজব দেশক অনুভবকে নকবোঁ।।

হঠাৎ গোবাব মুখখন টিক্‌টিককৈ বঙা পবি উঠিল।
বোব খুপ্ খাই গ'ল। সি হাত দুখন মুঠি বান্ধি বাটেদি যোৱা
গাড়ীব পিচে পিচে সোঁ-সোঁবাই খেদি গল আৰু বজ্ৰ গৰ্জ্জনবে
বাটব মানুহক চক্ খুবাই চিঞবিবলৈ ধবিলে,—"হেই গাড়ী
বখোৱা।" ঘড়ীব ডাঙব এডাল হাব পিন্ধা ভদ্রলোক এজনে গাড়ী
তেওঁ এবাব পিচলৈ উভতি চাই তজবজীয়া ঘোবা দুটাক চাবুক
মুহূর্ত্ততে নেদেখা হৈ গ'ল।

এজন বুঢ়া মুছলমান মানুহে মূবত এপাচি ফল, শাক-পা
কটি মাখন ইত্যাদি খোৱা বস্তু লৈ তাব ইংবাজ মালিকব বাঙ্গি
গৈ আছিল। হাব পিন্ধা ভদ্রলোকজনে তাক গাড়ীব আগব
যাবলৈ চিঞবিছিল। কিন্তু সি নুশুনাত গাড়ীখন প্রায় তাব
উঠিলহি। কোনোমতে জীউটো বল, কিন্তু পাচিবে সৈতে
বস্তু আলিবাটত বাগবি পবিল। ভদ্রলোক জনেহে আকৌ
গাড়ীবপবা 'ডেম, গাহবি' বুলি গালি পাবি তাব মুখত
চাবুকেবে একোব মাবি গুচি গলগৈ। বুঢ়াব কপালত তেজ
বেচেবাই "আল্লা" বুলি হুমুনিয়াহ কাঢ়ি বেয়া নোহোৱা বস্তুবোব
পাচিটোত তুলিবলৈ ধবিলে। গোবায়ো উভতি আহি সিঁচবি
থকা বস্তুবোব বুটলি বুটলি পাচিটোত ভবাবলৈ ধবিলে।
টোৱে গোবাব ব্যবহাব দেখি কোচমোচ খাই কলে,—"আপুনি
কবিছে বোপাদেউ? এইবোব আৰু কোনো কামতে নাহিব।
ছিল যে সি কবা কামব একো মূল্য নাই। সি এইটোও

যাক সহায় কবিছে সেই মানুহজনে ববং লাজহে পাইছে। চাবলৈ
সাহায্য হিচাপে এইবোব কামব একো মূল্য নাই। এজন ভদ্রলোকে
অন্যায় অপমানব ক্ষতিপূবণ স্বৰূপে আন এজন ভদ্রলোকে সেই
মানিত মানুহজনব লগত নিজক লেটিয়াই লৈ ধৰ্ম্মব এনে অসজা ব্যবস্থা-
লৈ সমতা আনিবলৈ যত্ন কবিছে। কিন্তু এইবোব কথা বিচাব কবা
বোবব কোনো ক্ষমতা নাই। পাচিটো ভবোৱাব পিচত গোবাই
ক'লে,—"এই লোকচান তুমি আৰু পবাব নোৱাবিবা। আমাব ঘবলৈ
—পূবা দাম দি তোমাব আটাইবোব বস্তু কিনি লম। কিন্তু ককাই,
কথা তোমাক কওঁ—তুমিযে মুখেবে এটা কেঁচ্ নকবাকৈ যিখিনি সহিলা,
তাব বাবে তোমাক ক্ষমা নকবে।"

মুছলমানজনে ক'লে—"দোষীকহে আল্লাই শাস্তি দিব। মোক আকৌ
দিব?"

গোবাই ক'লে—"অন্যায় সহি থকা জনো দোষী। কিয়নো জগতত
নেহে অন্যায় হবলৈ সুবিধা দিয়ে। মোব কথা নুবুজিব পাবা,
তথাপি মনত বাখিবাঁ—ভাল মানুহ বোলোৱাটো ধৰ্ম্ম নহয়। দুষ্টক
দিয়াহে হয়। তোমালোকব মহম্মদে এই কথা বুজিছিল আৰু সেই
সেই তেখেতে দুৰ্ব্বলব দবে ধৰ্ম্ম প্রচাব কবা নাছিল।"

তাবপবা গোবাহঁতব ঘবলৈ ভালেখিনি দব কাবণে গোবাই মুছল-
টোক বিনয়ব তালৈকে লৈ গ'ল। বিনয়ব 'ডেৱেজ'ব কাষত থিয়
ক'লে, -"টকা উলিওৱাঁ।"

বিনয়ে ক'লে—"তুমিনো ইমান অস্থিব হৈছা কিয়? বহাগৈচোন
। টকা মই দিম নহয়।"

কিন্তু বিনয়ে চাবি কোচা বিচাবি নোপোৱা হ'ল। অস্থিব হৈ গোবাই
টান মাবি লেহকা 'ডেৱেজ' চাবি মবা অৱস্থাতে খুলি পেলালে।
'ডেৱেজ' খোলোতেই পৰেশ ভট্টব পবিয়ালব আটাইবোবব একেলগে
ডাঙব ফট' এখন গোবাব চকুত পবিল। এইখন বিনয়ে তাব
বন্ধু সতীশবপবা সংগ্রহ কবিছিল।

টকা উলিয়াই গোবাই সেই মুছলমানটোক বিদায় দিলে, কিন্তু ফট'
বিষয়ে কোনো কথাই নুলিয়ালে। গোবাই এই বিষয়ে একো
কাবা দেখি বিনয়েও কোনো কথা উলিয়াব নোৱাবিলে। কিন্তু এই
দুই চাবি আষাব কথা পাতিব পবা হলেহে বিনয়ে মনত শান্তি
লহেঁতেন।

গোৱাই হঠাতে ক'লে,—"যাওঁ।"

বিনয়ে ক'লে,—"বাঃ, তুমি অকলে যাবা নে কি? আগে
তাতে মোক্কো ভাত খাবলৈ কৈছে। ময়ো যাম।"

দুয়ো আলিবাটলৈ ওলাই আহিল। বাকী ডোখৰ
একেবাৰে নিমাত হৈ থাকিল। 'ডেৰেজ'ৰ ভিতৰত সেই
লগে লগেই গোৱাৰ আকৌ মনত পৰিল যে বিনয়ৰ অন্তৰ
সুঁতি যি বাটেদি গৈছে সেই বাটৰ লগত গোৱাৰ জীৱনৰ
নাই। লাহে লাহে বন্ধুত্বৰ আদিগঙ্গা শুকাই গৈ মূল সোঁতে
গতি লয় বুলি এটি আশঙ্কাই অব্যক্তভাৱে গোৱাৰ অন্তৰ
এটি অহৈতুক বোজাৰ দৰে হেঁচা মাৰি ধৰিলেহি। এতিয়াল
মাজত কোনো চিন্তা বা কামত একো প্ৰভেদ নাছিল।
আৰু সেই একতা ৰক্ষা কৰা টান হৈ পৰিল। এঠাইত
পৃথক হৈ পৰিছে।

গোৱা হঠাতে নিমাত হৈ যোৱাৰ কাৰণ বিনয়ে গম
এই নীৰৱতাৰ চকোৱাখন আগবাঢ়ি গৈ হেঁচুকি ভাঙিবলৈ
লাগিল। গোৱাৰ মনটোৱে ঠেকা খোৱা ঠাই ডোখৰত সঁচটো
মাজত কিবা ব্যৱধান থকা বুলি বিনয়ে নিজেও অনুভৱ
ঘৰ পাৱেই সিহঁতে মহিমক বাটলৈ চাই দুৱাৰ মুখত
দেখা পালে। দুই বন্ধুক দেখা পাই তেওঁ ক'লে,—"কি হে,
খবৰ কি? যোৱা কালি ওৰে ৰাতিটো দুয়ো নুশুলাই।
বাটতে ৰোধকৰোঁ। কৰবাত দুয়ো মহা আয়মেৰে টোপনি মাৰিছা
কম হোৱা নাই। যোৱাঁ। বিনয়, গা ধুই আহাগৈ যোৱাঁ।"

বিনয়ক গা ধুবলৈ পঠিয়াই মহিমে গোৱাক ক'লে,—
তোমাক সিদিনা কোৱা কথাটো অলপ ভাবি চাবাচোন।
বুলি বাদ দিলে আজি-কালিৰ এই মহঙা দিনত ভাল হিন্দু
ক'ত পাম? মাথোন হিন্দুৱানি কৰি থাকিলেও তো নহব—
কিছু জানিব লাগিব। এই লিখা-পঢ়া আৰু হিন্দুৱানি মিলি
হয়গৈ সেইটো অৱশ্যে আমাৰ হিন্দু মতে ঠিক শাস্ত্ৰীয়
কিন্তু সেইবুলি একেবাৰে দলিয়াই পেলাবলগীয়াও তো নহয়।
ছোৱালী থকা হলে অৱশ্যে মোৰ মতৰ লগত তোমাৰ মতো
নকৰিব।"

মহিমে ক'লে,—"মোৰ কথা শুনা—বিনয়ৰ আপত্তিৰ কথানো কোনে
ভাবিছে? ভয় হ'ল তোমাৰ আপত্তিলৈহে। তুমি নিজ মুখেৰে বিনয়ক
বাৰ অনুৰোধ কৰাঁ। এইটোহে মই বিচাৰিছোঁ। তাৰ পাচত কিবা
হলেও হ'ল, নহলেও নাই।

গোৱাই ক'লে,—"বাৰু।"

মহিমে পেটে পেটে ভাবিলে,—এইবাৰ মিঠৈৰ দোকানত সন্দেশ
বাৰু গোৱালৰ তাত দৈ গাখীৰৰ ফৰ্‌মাচ্‌ দিব পাৰিম আৰু।

গোৱাই এবাৰ আহৰি পৰত বিনয়ক ক'লে,—"শশীমুখীৰ লগত তোমাৰ
মিলাখনৰ বাবে ককাইদেৰে দেখোন বৰ জোৰ কৰিবলৈ আৰম্ভ কৰিছে। তুমি
পিচে কি ভাবা?"

বিনয়ে ক'লে,—"আগেয়ে তোমাৰ মতটোৱেই কোৱাচোন।"

গোৱা,—মই হলে কথাটো একো বেয়া দেখা নাই।

বিনয়,—আগতে তো তোমাৰেই মত নাছিল। আমি দুয়ো কেতিয়াও
নকৰোৱাটোৱেই তো অতদিনে এক ৰকম ঠিক হৈ আছিল।

গোৱা,—এতিয়া ঠিক হ'ল, তুমি বিয়া কৰাবা আৰু মই নকৰাওঁ।

বিনয়,—কিয়? একে যাত্ৰাৰ দুবিধ ফল কিয়?

গোৱা,—দুটা পৰিণামৰ ভয়তেই তো এইটো ব্যৱস্থা কৰা হৈছে। বিধা-
সৃষ্টিয়েই এনেকুৱা। কাৰোবাক বোজা ৰবলৈকে পঠিয়ায় আৰু
কাণোৱে আকৌ বোজা ৰবই নেলাগে। এই দুয়ো বিধৰ মানুহক একে-
সাঙুৰি চলাবলৈ হলে বোজা নোহোৱাটোৰ ওপৰত ৰাহিৰা বোজা
মই কিছুমান জাপি দি ওজন সমান কৰি লব লাগিব। তুমি বিয়া কৰাই
অলপ বোজা চপাই ললেহে আমি দুয়ো একেলগে চলিব পাৰিম।

বিনয়ে অলপ হাঁহি ক'লে,—"অ, সেই কাৰণেই হবলা বোজাটো
তিয়া মোৰ মূৰৰ ওপৰতে জাপি দিবা?"

গোৱা,—বাৰু বোজাটোৰ বিষয়ে তোমাৰ জানো কিবা আপত্তি আছে?

বিনয়—ওজন সমান কৰিবৰ বাবে হাতৰ কাষত যিহকে পোৱা যায়
সেইকে কাম চলাব পাৰি—সিপিনে সেইটো শিলেই হওক বা মাটিৰ চপৰাই
ওক।

বিয়াৰ প্ৰস্তাৱত গোৱাৰ ইমান আগ্ৰহৰ কাৰণটো বুজিবলৈ আৰু বিনয়ৰ
বাকী নেথাকিল। বিনয়ে কেনেবাকৈ পৰেশ ভট্টৰ পৰিয়ালৰ কাৰো-
বিয়া কৰাই পেলাব পাৰে বুলি গোৱাই সন্দেহ কৰিছে। এই কথা
বিনয়ে পেটে পেটে হাঁহিলে। এনে এখন বিয়াৰ কথা বা কল্পনাৰ সুদূৰ

সম্ভাৱনাও বিনয়ৰ মনলৈ মুহূর্ত্তৰ বাবেও অহা নাই। ই তো হব
সি যিয়েই নহওক এইটো ঠিক যে শশীমুখীক বিয়া কৰালে এ
আশঙ্কাবোৰ গুবিতে নির্ম্মুল হব। তেতিয়া দুয়োৰে বন্ধুত্বৰ সম্ব
আৰু সবল হব। পৰেশ ভট্টইঁতৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ
আৰু তাৰ কোনো ফালৰপৰাই একো সঙ্কোচৰ কাৰণ নেথাকি
বোৰ কথা ভাবি চাই সি শশীমুখীক বিয়া কৰাবলৈ সহজেই
দুপৰীয়া খাই-বৈ উঠি বাতি উজাগৰে থকাৰ ধাৰ মাৰোঁতেই
হ'ল। সেই দিনালৈ দুয়ো বন্ধুৰ মাজত আৰু একো
জগতৰ ওপৰত সন্ধিয়াৰ এন্ধাৰে আঁৰ-কাপোৰ তৰি দিয়াৰ
প্ৰেমিক-প্ৰেমিকাৰ মাজত মনৰ আঁৰ-কাপোৰখনো আঁতৰি
এটি সময়ত বিনয়ে ছাতৰ ওপৰত বহি পোনে পোনে আকাশলৈ
"শুনা গোৰা, এটা কথা মই তোমাক কব খুজিছোঁ। মোৰ
স্বদেশ-প্ৰেমৰ মাজত এটা ভয়ানক অসম্পূৰ্ণতা আছে। আমি
এটা দিকহে দেখোঁ।

গোৰা,—কি কোৱাচোন ?

বিনয়,—আমি ভাৰতবৰ্ষখনক মাথোন মতা মানুহৰ দেশ বুলি
তিৰোতা মানুহবোৰলৈ সমূলি চকু নিদিওঁ।

গোৰা,—তুমি ইংৰাজবোৰৰ দৰে তিৰোতা মানুহবোৰক
বাহিৰে, জলে-স্থলে, শূন্যত, আহাৰত, আমোদ-প্ৰমোদত,
সকলোতে পাৰ খুজিছা ? তাৰ ফল কি হব জানা ? মত
তিৰোতা মানুহকহে বেচিকৈ দেখা পাবা। লাভৰ মৰত
নষ্ট হব।

বিনয়—নহয়, নহয়, তুমি মোৰ কথাটোক এইদৰে
নহব। মই মাইকী মানুহক ইংৰাজৰ চকুৰে চাওঁ নে
কথা নহয়। মই কব খোজোঁ যে দেশৰ কামত আমাৰ
কিবা ৰৱঙনি যোগাব পাৰে বুলি আমি ভাবিবই নোৱাৰোঁ। তে
মই উনুকিয়াব পাৰোঁ।—তুমি তো মাইকী মানুহৰ কথা এক মুহূৰ্ত্তও
দেশখনক তুমি মাত্ৰ নাৰীহীন ৰূপত চিনি পোৱা। কিন্তু
চিনাকিটো আচল চিনাকি নহয়, বুজিছা !

গোৰা,—মই মোৰ আইক যি ঠাইত দেখিছোঁ, যিদৰে চি
ঠাইতেই আৰু সেই দৰেই দেশৰ আটাইবোৰ তিৰোতা মানুহ
আৰু চিনিছোঁ।

বিনয়—সেইটো তুমি নিজকে ফাঁকি দিবৰ বাবে সজাই কিবা এটা
মাথোন। ঘৰুৱা কাম-কাজৰ মাজত ঘৰৰ মানুহে পৰিয়ালৰ তিৰোতা
হবোৰক ঘনিষ্ঠ ভাৱে দেখিলেও যথার্থ দেখা নহয়। আমি নাৰী জাতিক
ালিব প্ৰয়োজনৰ অতিৰিক্ত হিচাপে চাবলৈ শিকিলেহে আমাৰ দেশৰ
সৌন্দৰ্য্য আৰু সম্পূৰ্ণতাক দেখা পালোহেঁতেন। দেশৰ এনে এটা
দেখিলোহেঁতেন, যাৰ বাবে নিজৰ জীৱন বলি দিয়াটোও অতি সহজ
ৰিলহেঁতেন। অন্ততঃ দেশৰ তিৰোতা মানুহবোৰ এটা অতি অদৰ্কাৰী
বুলি আমি ভুল নকৰিলোহেঁতেন। ইংৰাজৰ সমাজৰ লগত কোনো
ন বিজাবলৈ গলেই যে তুমি খঙতে টিঙিবিতুলা হৈ উঠিবা, সেইটো
া। আৰু মই বিজাবও খোজা নাই। ঠিক কিমান পৰিমাণে আৰু
কে আমাৰ তিৰোতা মানুহবোৰক উলিয়াব পাৰি, সেইটো মই কব
; কিন্তু এইটো স্বীকাৰ কৰিবই লাগিব যে আজি তিৰোতা মানুহ
আঁৰত থকাৰ বাবেই আমাৰ কাৰণে স্বদেশখন অর্দ্ধসত্য হৈ আছে—
সি আমাৰ হৃদয়ত পূর্ণ শক্তি আৰু পূর্ণ প্ৰেম জগাই তুলিব পৰা নাই।

গোৰা,—তুমি এই কথাটো হঠাতে আৱিষ্কাৰ কৰিছা নে কি ?

বিনয়,—ওঁ, আজি-কালিতেই আৰু হঠাতে আৱিষ্কাৰ কৰিছোঁ। সঁচা
গভীৰ সত্য মই অতদিনে নেজানিছিলোঁ। এতিয়া জানিব পাৰি মই
ক নিজেই ধন্য মানিছোঁ। আমি খেতিয়কক মাথো হালত আৰু
াক মাথো তাঁত-শালত দেখো বুলিয়েই সিহঁতক তল খাপৰ মানুহ বুলি
কৰোঁ। সিহঁত কেতিয়াও আমাৰ চকুতেই নপৰে। এই উচ্চ-
প্ৰভেদবোৰৰ বাবেই দেশখন দুৰ্ব্বল হৈ পৰিছে। আৰু ঠিক একেদৰে
াতা মানুহো সদায় একমাত্ৰ ৰন্ধা-বঢ়া, মচলা বটা ইত্যাদি কামৰ ভিত-
সোমাই থাকে দেখিয়েই সিহঁতকো আমি তুচ্ছ বুলি ভাবোঁ। এই
আমাৰ গোটেই দেশখনেই তুচ্ছ হৈ গৈছে।

গোৰা,—দিন আৰু বাতি, সময়ৰ এই দুটা ভাগৰ দৰে, পুৰুষ আৰু
াতাও সমাজৰ দুটা অংশ। সমাজৰ স্বাভাৱিক অৱস্থাত তিৰোতা
বাতিৰ নিচিনাকৈ লুকাই থাকে। সিহঁতৰ আটাইবোৰ কাম নিগূঢ়
নিভৃত। আমি আমাৰ কামৰ মাজত বাতিটোক হিচাপত নধৰোঁ।
হিচাপত নধৰোঁ বুলিয়েই বাতিৰ গভীৰ কামবোৰ এটিও বৈ নেথাকে।
গোপন জিবণিৰ আঁৰে আঁৰে আমাৰ ক্ষতি পূৰণ কৰি আমাক শক্তি
ত সাহায্য কৰে। সমাজৰ অস্বাভাৱিক অৱস্থাত বাতিক বলেৰে দিনৰ

দৰে কৰি পেলোৱা হয়, গেচ্ জ্বলাই কল চলোৱা হয়, ওৰে নিশা নাচ-বাগ কৰা হয়। কিন্তু তাৰপৰা ফল নো কি মাথো এয়ে হয়—নিশাৰ গোপনীয় কামবোৰ নষ্ট হৈ যায়, ক্ষতি পূৰণ নহয়, মানুহ বলিয়া হৈ উঠে। তিৰোতা মানুহৰে দৰে আমি বাহিৰৰ কৰ্ম্মক্ষেত্ৰলৈ উলিয়াই আনিলে সিহঁতৰ কৰ্ম্মশক্তি নষ্ট কৰা হয়—ফলত সমাজৰ স্বাস্থ্য আৰু শান্তি ভঙ্গ সমাজলৈ বলিয়ালি আহি পৰে। এই বলিয়ালিটোক হঠাতে ভুল হব পাৰে, কিন্তু এই শক্তি হ'ল ধ্বংসৰ শক্তি। শক্তি আছে। এটা অংশ ব্যক্ত আৰু এটা অব্যক্ত ; এটা অংশ আনটো জিবণি, এটা প্ৰয়োগ আৰু আনটো সম্বৰণ। শক্তিৰ নষ্ট কৰিলে সি ক্ষুব্ধ হৈ উঠে আৰু সেই ক্ষোভৰপৰা একো নৰ আৰু নাৰীও সেইদৰে সমাজৰ দুটা দিক্। পুৰুষ হ'ল কিন্তু ব্যক্ত বুলিয়েই যে বৰ ডাঙৰ কিবা এটা সেইটো নহয়, অব্যক্ত। এই অব্যক্ত শক্তিক ব্যক্ত কৰিবলৈ যত্ন কৰিলে মূলধন খৰচ কৰি সমাজক টানি হুৰহুৱাই দেউলীয়া কৰাৰ পথত হয়। সেইবাবেই কৈছোঁ আমি পুৰুষবোৰ যদি যজ্ঞৰ আৰু তিৰোতাবোৰে যদি ভঁৰাল আগুৰি থাকে, তিৰোতা থাকিলেও যজ্ঞ সুসম্পন্ন হবই। যিবোৰে সকলো শক্তিকে একে ঠাইতে, একে ধৰণে খৰচ কৰিব খোজে, সিহঁত বলিয়া।

বিনয়,—গোৰা, তোমাৰ কথাবোৰ মই প্ৰতিবাদ কৰিব কিন্তু মোৰ কথাৰো তো তুমি প্ৰতিবাদ নকৰিলা। আচল কথা

গোৰা,—চোৱা বিনয়, এই বিষয়ে একেটা কথাতৈ বেচি কৰি সি তৰ্কহে হৈ উঠিবগৈ। মই স্বীকাৰ কৰিছোঁ, তুমি আজি-কালি বোৰৰ বিষয়ে যিমান সচেতন হৈ পৰিছা মই অৱশ্যে ঠিক হোৱাগৈ নাই। এতেকে তুমি যিদৰে অনুভৱ কৰিছা, অনুভৱ কৰিবলৈ যত্ন কৰিলে কেতিয়াও সফল নহম। এই বিষয়ে আমাৰ মতভেদ থাকিল বুলিয়েই মানি লোৱা মাটিত পৰিবই আৰু এবাৰ মাটিত পৰিলে সুবিধামতে নেথাকে। এতিয়ালৈকে জীৱনৰ চাবি চুকৰপৰা তিৰোতা সদায় আঁতৰত বাখিছিল। আৰু ই কিবা এটা অভাৱ বুলি সপোনতো সি কেতিয়াও ভবা নাছিল। আজি বিনয়ৰ

াৰত তিৰোতা মানুহৰ এটা বিশেষ সত্তা আৰু প্ৰভাৱৰ বিষয়ে সি চতন হৈ উঠিছে। কিন্তু এই বিশেষ সত্তাৰ স্থান ক'ত ? প্ৰয়োজনেই কি ?—এইবোৰ সি এতিয়াও একোকে স্থিৰ কৰিব পৰা নাই। বাবেই বিনয়ৰ লগত তাৰ তৰ্ক কৰিবলৈ ভাল নেলাগে। বিষয়টোক অস্বীকাৰ কৰিবও নোৱাৰে, বুজি উঠিবও পৰা নাই। সেই বাবেই য়টোক সি আলোচনাৰ চাবিবেৰৰ বাহিৰত থৰ খুজিছে।

বাতি বিনয় উভতি আহোঁতে আনন্দময়ীয়ে তাক মাতি নি ক'লে,—নয়, শশীমুখীৰ লগত তোমাৰ বিয়াখন বোলে ঠিক হৈ গৈছে ?''

বিনয়ে এটা লাজকুৰীয়া হাঁহিৰে ক'লে,—''হয় আই, গোৰাই হৈছে শুভ কামৰ ঘটক।''

আনন্দময়ীয়ে ক'লে,—''শশীমুখী ছোৱালীজনী ভালেই, কিন্তু বোপাই, -ধেমালিখন নকৰিবাঁ। মই তোমাৰ মনটো জানো বিনয়, অলপ ধাৰ-মোধোৰত পৰিছা বুলিয়েই খৰ-ধৰকৈ এই কাম কৰিবলৈ ওলাইছা। য়াও ভাবি চাবৰ সময় আছে। তোমাৰ বয়স হৈছে বোপাই, ইমান এটা কাম হুৰমূৰকৈ নকৰিবাঁ।''

এই বুলি কৈ তেখেতে বিনয়ৰ গাৰে-মূৰে হাত বুলাই দিলে। বিনয়ে কাকে নকৈ লাহে লাহে গুচি গ'ল গৈ।

১৮

বিনয়ে আনন্দময়ীয়ে কোৱা কথাকে ভাবি ভাবি ঘৰ পালেহি। আজি- ক আনন্দময়ীৰ এটা কথাও বিনয়ে পেলোৱা নাই। সেইদিনা গোটেই াটো কিবা বোজা এটাই হেঁচা মাৰি ধৰি তাৰ মনটো যেন গধুৰ কৰি ।

পিচদিনা পুৱা শুই উঠি অৱশ্যে মনটো মুকলি হৈ পৰা যেন লাগিল। পেটে পেটে গোৰাৰ বন্ধুত্বক এটা বৰ ডাঙৰ মূল্য দান কৰা যেন লাগিল। লে শশীমুখীক বিয়া কৰাবলৈ মান্তি হৈ সি যেনেকৈ এটা বান্ধোন লে, তাৰ পৰিৱৰ্ত্তে আনফালে ঠিক সেইদৰেই আন এটা বান্ধোন ই দিবৰ তাৰ অধিকাৰ হ'ল। বিনয়ে সমাজ এৰি ব্ৰাহ্ম পৰিয়ালৰ ালী বিয়া কৰাবলৈ মন মেলিছে বুলিয়েই গোৰাৰ মনত এটা অন্যায়

সন্দেহ সোমাইছিল। এই মিছা সন্দেহৰ বাবে সি শশীমুখীক
টোকে চিৰকলীয়া জামিন স্বৰূপে থৈ নিজক মোকলাই ল
পিচত বিনয়ে পৰেশ ভট্টৰ ঘৰলৈ নিসঙ্কোচে আৰু ঘনাই অহা
বলৈ ধৰিলে।

সি ভালপোৱা মানুহবোৰৰ একেবাৰে আপোন হৈ প
বাবে অকণো টান কথা নাছিল। গোৰাৰ প্ৰতি থকা সন্দে
পৰা আঁতৰাই দিয়াৰ লগে লগেই চাওঁতে চাওঁতে অতি কম সময়
সি পৰেশ ভট্টৰ পৰিয়ালৰ আটাইবে কাষত একেবাৰে ঘৰৰ লো

সুচৰিতাৰ মনটো বিনয়ৰ ফালে ঢাল খোৱা বুলি ভাবি
ললিতাৰ মনত অলপ সন্দেহ আছিল আৰু সেই কেইদিন বিন
তাইৰ মনটোৱে যেন বিদ্ৰোহ কৰি উঠিছিল। কিন্তু সুচৰিতা
লগত বিশেষ একো নাই বুলি স্পষ্টকৈ বুজাৰ লগে লগে
বিদ্ৰোহো আঁতৰি গ'ল। তাইৰ মনটো বৰ ভাল লাগিল
বিনয়ক সঁচাকৈয়ে অতি ভাল মানুহ বুলি ভাবিবলৈ তাইৰ
বাধা নেথাকিল।

হাৰানো বিনয়ৰ প্ৰতি বিকল্প নহ'ল। বিনয়ৰ ভদ্ৰতা
বুলি তেওঁ আৰু বেচিকৈহে স্বীকাৰ কৰিলে; আৰু ইয়াৰ
গোৰাৰ এই ভদ্ৰতাজ্ঞান নাই—এনে এক ইঙ্গিত দিয়াৰ উদ্দেশ্য
বিনয়ে কেতিয়াও হাৰানৰ আগত কোনো তৰ্কৰ পাতি
ছিল। এনে ধৰণৰ কথা নোলোৱাটোৱেই সুচৰিতায়ো আশা
আৰু সেই বাবেই এতিয়ালৈকে চাহৰ টেবুলৰ শান্তি ভঙ্গ হোৱাৰ
কিন্তু হাৰান নেথাকিলে সুচৰিতাই নিজেই বিনয়ক তাৰ
বিষয়ে আলোচনা কৰোৱাবলৈ যত্ন কৰিছিল। গোৰা আৰু
শিক্ষিত মানুহে কেনেকৈ যে দেশৰ পুৰণি কু-সংস্কাৰবোৰ
পাৰে—এই কথা বুজিবৰ কৌতূহল তাইৰ কোনোমতেই
যদি সুচৰিতাই গোৰা আৰু বিনয়ক চিনি নেপালেহেঁতেন,
কোনোবাই এইবোৰ মত মানি চলে বুলি জানিলেহেঁতেন তেন্তে
জনক আৰু দ্বিতীয় কথা নুসুধি একেবাৰে অৱজ্ঞাৰ পাত্ৰ
হেঁতেন। কিন্তু তাই গোৰাক দেখাৰেপৰা কোনো ৰকমেই
কৰি মনৰপৰা আঁতৰাব পৰা নাছিল। সেই কাৰণে তাই
বিনয়ৰ আগত ঘূৰাই পকাই গোৰাৰ মত আৰু তাৰ জীৱনৰ
লৈছিল আৰু নানা ধৰণৰ প্ৰতিবাদ কৰি কৰি অৱশেষত

ৰাৰ কথা সকলো জানি লৈছিল। পৰেশ ভট্টয়ো সুচৰিতাই আটাইবোৰ
প্ৰদায়ৰ মতামত জনাটো তাইৰ সুশিক্ষা পোৱাৰ এটা উপায় বুলি ভাবি-
ল। সেই বাবেই তেখেতে এনে ধৰণৰ তৰ্কত কেতিয়াও ভয় খোৱা
ছিল বা বাধাও দিয়া নাছিল।

এদিন সুচৰিতাই সুধিলে,—"বাৰু, গৌৰমোহনে সঁচাকৈয়ে জাতি-
মানে নে, নাই সেইটোও এটা স্বদেশপ্ৰেম দেখুৱাৰ চল?"

বিনয়ে ক'লে,—"আপুনি জানো ছিৰীৰ খাপৰোৰ মানে? সেইবোৰো-
ভাগ ভাগ হৈ থাকে—কোনোটো ওপৰত কোনোটো তলত।"

সুচৰিতা,—তলৰপৰা ওপৰলৈ উঠিব লাগে বুলিয়েই মানো—নহলে
নিৰব কোনো দৰ্কাৰ নাছিল। সমান ঠাইত ছিৰী নেমানিলেও হয়।

বিনয়,—ঠিকেই কৈছে। আমাৰ সমাজখন হৈছে এটা ছিৰী। ইয়াৰ
উদ্দেশ্য আছিল—সেইটো হৈছে তলৰপৰা ওপৰলৈ তুলি নিয়া।
ৰ জীৱনক এটা পৰিণামলৈ লৈ যোৱা। সমাজ আৰু সংসাৰখনকেই
ণাম বুলি ভৱা হলে কোনো বিভাগ ব্যৱস্থাৰ প্ৰয়োজনেই নাছিল।
তিয়া উইৰোপীয় সমাজৰ দৰে প্ৰত্যেকেই আনতকৈ বেচিকৈ দখল কৰি-
বাবে টনা-আজোৰা, মৰা-মৰি কৰি চলিলোহেঁতেন। সংসাৰত
কাৰ্য্য হোৱা জনেই মূৰ দাঙিলেহেঁতেন আৰু অকৃতকাৰ্য্য হোৱাজনে
বাবেই বুৰ গ'লহেঁতেন। আমি সংসাৰৰ যোগেদিয়েই সংসাৰখন
হৰলৈ বিচাৰোঁ। বুলিয়েই সংসাৰৰ কৰ্ত্তব্যক প্ৰবৃত্তি আৰু প্ৰতিযোগি-
ভিত্তিত প্ৰতিষ্ঠিত কৰা নাই। সংসাৰৰ কৰ্ম্মক ধৰ্ম্ম বুলি স্থিৰ কৰিছোঁ,
কিয়নো কৰ্ম্মৰদ্বাৰা আন সফলতা নহয়, মুক্তিহে লাভ কৰিব লাগিব।
কাৰণে এফালে সংসাৰৰ কাম আৰু আনফালে সংসাৰৰ কামৰ পৰিণাম,
দুয়োটালৈকে চাই আমাৰ সমাজে বৰ্ণভেদ অৰ্থাৎ বৃত্তিভেদ স্থাপন
ছিল।

সুচৰিতা,—মই হলে আপোনাৰ কথা ভালদৰে বুজিব পৰা নাই। মোৰ
হ'ল—আপুনি কোৱামতে সমাজত প্ৰচলিত হোৱা বৰ্ণভেদৰ উদ্দেশ্য
নো সফল হোৱা দেখিছে?

বিনয়,—পৃথিৱীত সফলতাৰ চেহেৰা চকুৰে দেখা পোৱাটো বৰ টান
। গ্ৰীচৰ সফলতা আজি গ্ৰীচৰ মাজত নাই, কিন্তু সেই বাবেই
চৰ আটাইবোৰ চিন্তাধাৰাকে ভুল বা ব্যৰ্থ বুলি কব নোৱাৰোঁ। গ্ৰীচৰ
ন্তাধাৰাই এতিয়াও মানৱ সমাজৰ মাজত নানা ধৰণে সফলতা লাভ কৰিছে।
তবৰ্ষই জাতিভেদৰ যোগেদি সামাজিক সমস্যাৰ এটি ডাঙৰ উত্তৰ

দিছিল। সেই উত্তৰৰ ফলাফল এতিয়াও পৃথিৱীৰপৰা মচ
পৃথিৱীৰ সমুখত সি এতিয়াও আছে। ইউৰোপেও সামা
আন কোনো সদুত্তৰ এতিয়ালৈকে দিব পৰা নাই। তাত
ঠেলা, দৰৱা-দৰবি চলি আছে। ভাৰতবৰ্ষই দিয়া উত্তৰটো
মানৰ সমাজত সফলতাৰ বাবে অপেক্ষা কৰি আছে। আমি
ক্ষুদ্ৰ সাম্প্ৰদায়িক অন্ধতাবশতঃ উকৰাই দিলেই যে এইটো
বুলি নেভাবিব। আমি এই সৰু সৰু সম্প্ৰদায়ৰোৰ পানীৰ
সাগৰত মিহলি হৈ যামগৈ, কিন্তু ভাৰতবৰ্ষৰ সহজ প্ৰতিভা
হোৱা এই প্ৰকাণ্ড মীমাংসাটো পৃথিৱীত তাৰ কাম শেষ
স্থিৰ হৈয়েই থাকিব।

সুচৰিতাই সোধোঁ নোসোধোঁকৈ সুধিলে, "কথা এটা
কিন্তু খং নকৰিব দেই। বাকু সঁচাকৈয়ে কওকচোন, আপু
কথা গৌৰমোহনৰপৰা শুনি কোৱানে সঁচাকৈয়ে নিজে বিশ্বাস

বিনয়ে হাঁহি হাঁহি ক'লে,—"আপোনাক সঁচা কথাই
দৰে মোৰ বিশ্বাসৰ দৃঢ়তা নাই। জাতিভেদৰ আবৰ্জ্জনা
দোষবোৰ দেখিলে বহুতো সময়ত মোৰ সন্দেহ ওপজে।
আৰু শুকান পাতকে গছজোপাৰ প্ৰকৃত ৰূপ বুলি ভবাটো
লক্ষণ। ভঙা ডালক প্ৰশংসা কৰিবলৈ নকওঁ, কিন্তু গোটেই
চাওক আৰু তাৎপৰ্য্য বুজিবলৈ যত্ন কৰক।"

সুচৰিতা,—গছৰ শুকান পাতটো বাকু নধৰিলোঁৱেই, কিন্তু
চাব লাগিব। জাতিভেদৰ ফলনো আমাৰ দেশৰ বাবে কিমান
সেইটো তো ভাবি চাব লাগিব।

বিনয়,—আপুনি যিটোক জাতিভেদৰ ফল বুলি ভাবিছে
স্বাৰহে ফল মাথোন,—জাতিভেদৰ নহয়। লৰি থকা দাঁতে
দুখ পায়; সেইটো দাঁতৰ দোষ নহয়, লৰি থকা দাঁতটোৰ
নানান্ কাৰণে আমাৰ মাজত বিকাৰ আৰু দুৰ্ব্বলতা ঘটিছে বুলি
চিন্তাধাৰাক আমি সফল নকৰি বিকৃতহে কৰিছোঁ।
লেই সকলো ঠিক হৈ যাব। আমাৰ ভিতৰত প্ৰাণ আৰু স্বাস্থ্য
কামুৰিছে বুলিয়েই মুৰটো কাটি পেলাব নোৱাৰি—সুস্থ হব
হব লাগিব।

সুচৰিতা,—বাকু, তেনেহলে আপুনি ব্ৰাহ্মণ জাতিটোক নৰ

নিবলৈ কয় নে কি? বামুণৰ ভৰিৰ ধূলিয়ে মানুহক পৰিত্ৰ কৰে বুলি
পুনি সঁচাকৈয়ে বিশ্বাস কৰে জানো?

বিনয়,—পৃথিৱীৰ বহুতো সন্মান চোন আমি নিজেই সৃষ্টি কৰা। যি
ৰণেই নহওক ৰজাক যিমান দিনলৈকে মানুহৰ প্ৰয়োজন থাকে সিমান
লৈকে তেওঁক অসামান্য বুলি জহাই ফুৰা হয়। কিন্তু ৰজা তো সঁচা-
য়ে অসামান্য নহয়। অথচ নিজৰ সামান্যতাৰ বাধা ভাঙি তেওঁ অসা-
ন্য হৈ উঠিব লাগিব, নহলে তেওঁ ৰাজত্বই কৰিব নোৱাৰিব। ৰজাৰ
উপযুক্ত শাসন পাবৰ বাবে আমি তেওঁক অসামান্য কৰি গঢ়ি তোলোঁ।
াক আমাৰ এই সন্মানৰ দাবী ৰজাই ৰক্ষা কৰিব লাগিব, তেৱোঁ অসা-
ন্য হবলগীয়া হয়। মানুহৰ সকলো কথাতেই এনে ধৰণৰ
ত্ৰিমতা আছে। আন কি পিতৃ-মাতৃৰ যি আদৰ্শ আমি আটাইবোৰে
ঙি ধৰিছোঁ, তাৰপৰাইহে সমাজে মাক-বাপেকক বিশেষ ভাৱে মাক-
পেক কৰি ৰাখিছে, মাত্ৰ চেনেহৰ বান্ধোনেৰে নহয়। একানুৱৰ্ত্তী পৰি-
লত ডাঙৰ ককায়েকে সৰু ভায়েকৰ বাবে বহুতো সহিব লাগে, বহুতো
াগ কৰিব লাগে—কিন্তু কিয় লাগে? আমাৰ সমাজে ডাঙৰ ককায়েকক
বিশেষ ভাৱে এবিধ ডাঙৰ ককায়েকৰ ভাও দি থৈছে। কিন্তু আন সমাজে
সেইটো কৰা নাই। সেইদৰে ব্ৰাহ্মণকো যথাৰ্থভাৱে ব্ৰাহ্মণ কৰি গঢ়ি
লিব পাৰিলে সমাজৰ পক্ষে কম লাভ হব নে? আমি নৰদেৱতা
চাবোঁ। আমি নৰদেৱতাক বুদ্ধি বিবেচনা কৰি অন্তৰে সৈতে বিচাৰিলে
নিশ্চয় পাম। আৰু মূৰ্খৰ দৰে বিচাৰিলে যিবোৰ অপদেৱতাই সকলো
ণৰ দুৰ্ক্কৰ্ম্ম কৰে আৰু আমাৰ মূৰত ভৰিৰ ধূলি দিয়েই জীৱিকা আৰ্জ্জন
ৰে সেইবোৰৰ দল বঢ়াই পৃথিৱীৰ বোজা বঢ়োৱাহে হব।

সুচৰিতা,—আপোনাৰ এই নৰদেৱতা সঁচাকৈয়ে কৰবাত আছে জানো?

বিনয়,—গুটিৰ মাজত গছ থকাৰ দৰেই আছে। ভাৰতবৰ্ষৰ আন্তৰিক
ভিপ্ৰায় আৰু প্ৰয়োজনৰ মাজতেই সোমাই আছে। আন আন দেশে
ৱেলিংটনৰ দৰে সেনাপতি, নিউটনৰ দৰে বৈজ্ঞানিক, বৰ্থচাইল্ডৰ দৰে
কপতি বিচাৰে; কিন্তু আমাৰ দেশে ব্ৰাহ্মণক বিচাৰে। ব্ৰাহ্মণ—যিজনৰ
ভয় নাই, লোভক ঘিণ কৰে, দুখক জয় কৰে, কোনো অভাৱকে অভাৱ
লি নেভাবে, যিজন 'পৰমে ব্ৰহ্মণি যোজিত চিত্তঃ' যিজন অটল শান্ত
ক্ত, সেই ব্ৰাহ্মণ জনকে ভাৰতবৰ্ষই বিচাৰে। এনে এজন ব্ৰাহ্মণক সঁচা-
চিকৈ পালেই ভাৰতবৰ্ষ স্বাধীন হব। আমাৰ সমাজৰ প্ৰতিটো বিভাগ
আৰু প্ৰতিটো কৰ্ম্মতে সদায় এটি মুক্তিৰ সুৰ যোগাবৰ বাবেই ব্ৰাহ্মণক

লাগে—বন্ধা-বঢ়া কৰা বা টিলিঙা কোৱাৰৰ বাবে নহয়। সমা
কতাক সমাজৰ চকুৰ আগত সদায় দাঙি ধৰি থাকিবলৈকে ব্ৰাহ্মণ
এই ব্ৰাহ্মণৰ আদৰ্শক আমি যিমানে বেচিকৈ অনুভৱ কৰিম, ব্ৰাহ্মণ
ঠিক সিমানেই উচ্চ কৰিব লাগিব। সেই সন্মান ৰজাৰ
বহুতো ওপৰত। সেই সন্মান দেৱতাৰ সন্মান। ব্ৰাহ্মণ এ
প্ৰকৃত অধিকাৰী হ'লেই আমাৰ দেশক আৰু কেৱে কেতিয়াও
কৰিব নোৱাৰিব। আমি জানো ৰজাৰ আগত মূৰ দোঁৱাই
আমি জানো অত্যাচাৰীৰ শিকলি ডিঙিত মেৰিয়াই লওঁ ?
ওচৰতহে মূৰ দোৱাঁই থাকো, নিজৰ লোভৰ জালতহে মেৰ খা
নিজৰ মূৰ্খামিৰ কাৰণেহে আমি দাসৰো দাস কৃতদাস। ব্ৰাহ্মণ
কৰক আৰু ভয়ৰপৰা, লোভৰপৰা, মূৰ্খামিৰপৰা আমাক মুক্ত
আমি তেওঁলোকৰপৰা যুদ্ধ নিবিচাৰোঁ, বেহা-বেপাৰো নিবিচাৰোঁ।
লোকে আমাক কোনো কাম কৰি দিব নেলাগে। মাথোন
আমাৰ সমাজৰ মাজত মুক্তিৰ সাধনাক সত্য কৰি তোলক।

ইমান পৰ পৰেশ ভট্টই কথাবোৰ মনে মনে শুনি আছিল।
লাহেকৈ মাত দিলে,—"ভাৰতবৰ্ষক ভালদৰে চিনি পাইছোঁ। বুলি
কৰ নোৱাৰোঁ। আৰু ভাৰতবৰ্ষয়েই বা কি বিচাৰিছিল বা বিচাৰি
পাইছিল নে নাই, সেই কথাও মই ভালকৈ নেজানো। কিন্তু পাৰ
দিনৰোৰলৈ জানো আকৌ উভতি যাব পাৰি ? বৰ্ত্তমান
সেইটোৱেই আমাৰ সাধনাৰ বিষয় হোৱা উচিত। অতীতলৈ
সময় নষ্ট কৰিলে জানো কিবা কাম হব ?"

বিনয়,—ময়ো আপুনি কোৱাৰ দৰেই ভাবিছিলোঁ। আৰু
কৈছোও। কিন্তু গোৰাই কয় যে অতীতক অতীত বুলি বিদায়
জানো সেইটো অতীত হব পাৰে ? সি বৰ্ত্তমানৰ চিঞৰ-বাখৰ
কোৰ্হালৰ আঁৰত বা আমাৰ চকুৰপৰা আঁতৰি গৈছে বুলিয়েই
অতীত হব নোৱাৰে। সি ভাৰতবৰ্ষৰ হাড়ৰ মাজত মিলি আছে।
সত্যয়েই কেতিয়াও অতীত হব নোৱাৰে। আৰু সেয়েহে ভাৰতবৰ্ষ
সত্যটোৱে আমাক আজি-কালি আঘাত দিবলৈ ধৰিছে। যিদিনাই
মাজৰ এজনে হলেও ইয়াক সত্য বুলি চিনি পাব আৰু গ্ৰহণ কৰিব
সেইদিনাই আমাৰ সমুখত শক্তিৰ খনিৰ প্ৰৱেশ পথ মুকলি হৈ
অতীতৰ ভাণ্ডাৰ বৰ্ত্তমানৰ সামগ্ৰী হৈ পৰিব। ভাৰতবৰ্ষত কৃতে
সাৰ্থক পুৰুষৰ আবিৰ্ভাৱ হোৱা নাই বুলিয়েই আপুনি ভাবেনে কি

সুচৰিতাই ক'লে,—"আপুনি যি ধৰণে এইবোৰ কথা কৈছে, সাধাৰণ
নুহে কিন্তু তেনেকৈ নকয়। আৰু সেই কাৰণে আপোনালোকৰ সত্যক
াটেইখন দেশৰে মত বুলি মানি লবলৈ সন্দেহ হয়।"

বিনয়ে ক'লে—"চাওক সূৰ্য্যোদয়ৰ ঘটনাটো বৈজ্ঞানিকবোৰে এক
ণে ব্যাখ্যা কৰে আৰু সাধাৰণ মানুহে আন এক ধৰণে ব্যাখ্যা কৰে।
ইবোৰৰপৰা সূৰ্য্য উদয়ৰ লাভ বা লোকচান নহয়। কিন্তু সত্যক
লকৈ জানিব পাৰিলে আমাৰ লাভহে হব। দেশৰ যিবোৰ সত্যক আমি
াখৰ ডোখৰকৈ বেলেগে বেলেগে বিচাৰ কৰোঁ। গোৰাই সেই আটাই-
ৰ সত্যকে একেলগে একেটা ৰূপতে দেখা পায়। সঁচাকৈয়ে গোৰাৰ
নেকুৱা এটা আচৰিত ক্ষমতা আছে। গোৰাই এই দৃষ্টিৰে চাব পাৰে দেখি
পুনি জানো তাৰ দৃষ্টিভ্ৰম হৈছে বুলি ভাবিব ? আৰু ডোখৰ ডোখৰকৈ
ি-ছিণ্ডি চোৱাবোৰৰ দৃষ্টিয়েই জানো সত্য ?"

সুচৰিতাই একো উত্তৰ নিদিলে। বিনয়ে ক'লে—"সাধাৰণতে
াৰ দেশত যিবোৰ মানুহে নিষ্ঠাৱান হিন্দু বুলি গণ্য মান্যি ফুৰে মোৰ বন্ধু
লাক আপুনি সেই দলৰ বুলি মুঠেই নেভাবিব। আপুনি তাৰ দেউতাক
ৰয়ালক দেখা হলে বাপেক পুতেকৰ পাৰ্থক্যটো ভালদৰে ধৰিব
িলেহেঁতেন। কৃষ্ণদয়ালে সদায় কাপোৰ-কানি সলাই গঙ্গাজল
াই পুথি-পাঁজি আওৰাই নিজকে শুচি কৰি ৰাখিবলৈ অনবৰত ব্যস্ত
থাকে। বন্ধা-বঢ়া বিষয়ত অতি খাটি বামুণকো বিশ্বাস নকৰে।
াক তেখেতৰ ব্ৰাহ্মণত্বত দায় দোষ লাগে বুলি
ৰ নোৱাৰা কামত যৈগীয়েকৰ কোঠাৰ চৌপাশলৈকে আহিবলৈ নিদিয়ে। কেতিয়াবা
তেখেতে নিজকে পৰাচিত কৰি লয়। কেনেবাকৈ কিজানিবা কিবা
ি-নিয়ম ভঙ্গ হৈ দায়-দোষ লাগে বুলি পৃথিৱীত দিনে ৰাতিয়ে তেখেতে
সাৱধানে থাকিবলগীয়া হয়। ফিট্-ফাট্ বাবুৰে ৰ'দত নোলাই আৰু
-মাকতিৰপৰা আঁতৰি নিজৰ গাৰ ৰঙণৰ উজ্জ্বলতা চুলিৰ বাহাৰ
োৰ-কানি পৰিপাটিকৈ ৰাখিবলৈ সদায় ব্যস্ত হৈ থকাৰ দৰেই কৃষ্ণ
লেও অনবৰত ব্যস্ত হৈ থাকিব লাগে। গোৰা কিন্তু একেবাৰে
কুৱা নহয়। সি হিন্দু শাস্ত্ৰৰ নিয়মবোৰ অশ্ৰদ্ধা নকৰে। কিন্তু সি
খুট্খুটীয়াও নহয়। সি হিন্দু ধৰ্ম্মৰ মূল কথাটোলৈ উচ্চ দৃষ্টিৰে
। হিন্দু ধৰ্ম্মৰ প্ৰাণ শক্তি ছুলেই শুকাই যাব বা লৰচৰ কৰিলেই মৰি
—ইমান লেহকা বুলি সি কেতিয়াও নেভাবে।"

সুচৰিতা,—কিন্তু তেখেতে চোন বাছ-বিচাৰবোৰ খুব সাৱ
চলে যেন লাগে।

বিনয়,—তাৰ এই সতর্কতা বৰ অদ্ভুত বস্তু। তাক সুধিয়ে
'ওঁ মই এই আটাইবোৰ মানো। নহলে জাত যায়, খালে
এই আটাইবোৰ নির্ভুল সত্য। কিন্তু এইবোৰ তাৰ মাথোন
কোৱা কথা বুলি ভালকৈয়ে জানো। এনেকুৱা কথাবোৰ কি
অসঙ্গত হয় সিমানেই বেচিকৈ সি সকলোকে শুনাই শুনাই চি
সি ভাবে বর্ত্তমান হিন্দু ধর্ম্মৰ সকু সুৰা নিয়মবোৰ মানি নচ
মূৰ্খবোৰে হিন্দু ধর্ম্মৰ মূল সত্যবোৰকো অসম্মান কৰিব পা
যিবোৰে হিন্দু ধর্ম্মক অশ্রদ্ধা কৰে সিহঁতে এইবোৰ দেখিলে
হোৱা বুলি ভাবিব পাৰে। এনেবোৰ কাৰণতে গোৰাই নির্ব্বি
বোৰ বিধি মানি চলিব খোজে। আন কি মোৰ আগতো কেতি
বিষয়ে ঢিলাই দিব নোখোজে।

পৰেশ ভট্টই ক'লে—"ব্রাহ্মবোৰৰ ভিতৰতো এনে ধৰণৰ
আছে। সিহঁতে হিন্দু ধর্ম্মৰ কু-প্রথাবোৰ মানি চলিছে—
মাজত কেনেবাকৈ এনে ভুল ধাৰণা হয় বুলি সিহঁতে হিন্দু
চাপিব নোখোজে। এনেকুৱা পৃথিৱীত কেতিয়াও সহজ
নোৱাৰে। ইহঁতে হয় ভাও জোৰে, নহয় সকলো কথাতে
দেখুৱায়। সত্যক সদায় দুর্ব্বল বুলি ভাবে আৰু বুদ্ধি নাইবা
সত্যক ৰক্ষা কৰাটোৱেই কর্ত্তব্যৰ অঙ্গ বুলি ভাবে। 'মোৰ ওপ
নির্ভৰ কৰিছে, সত্যৰ ওপৰত মই নির্ভৰ কৰা নাই'—এনেকৈ
গোঁড়া বুলি কয়। সত্যৰ শক্তিত নির্ভৰশীলসকলে নিজক
ৰাখে। বাহিৰা মানুহে দুদিনমান ভালকৈ বুজিলেও সামান্য
কিন্তু আন কিবা সামান্য সঙ্কোচৰ ফলত সত্যক অস্বীকাৰ
বহুতো বেচি ক্ষতি হয়। মই ভগৱন্তৰ ওচৰত সদায়
কৰোঁ।—যাতে ব্রাহ্মৰ সভাতেই হওক বা হিন্দুৰ গোসাঁই থানতেই
যেন সত্যক সদায় নতশিৰে অতি সহজে পৰিত্রভাৱে সেৱা
কোনো বাহিৰা বাধায়েই যেন মোক বাধা দিব নোৱাৰে।"

এই বুলি পৰেশ ভট্টই অলপ পৰ নিমাত হৈ থাকি
ভগৱানৰ নাম ললে। পৰেশ ভট্টৰ লাহে লাহে কোৱা
অত পৰৰ পাচত আটাইবোৰ আলোচনাৰ মাজলৈ যেন
সুৰ বোৱাই আনিলে। সেই সুৰটি মাথোন এই কথা

নাই—সেই সুৰটো যেন পৰেশ ভট্টৰ নিজৰ জীৱনৰ এটি প্রশান্ত গভীৰতাৰ
সুৰ। সুচৰিতা আৰু ললিতাৰ মুখত এটি আনন্দ মিহলি ভক্তিৰ দীপ্তি
জিলিকি উঠিল। বিনয় নিমাত হৈ থাকিল। সকলো কথাতে গোৰাৰ
এটা গাৰ বলেৰে কোৱা স্বভাৱ আছে বুলি সিও মনে মনে জানিছিল।
সত্যৰ বাহকবোৰৰ কামে-কাজে, কথাই-বতৰাই এটি সহজ আৰু সৰল
শান্তি থকা উচিত—এইটো গোৰাৰ নাই। পৰেশ ভট্টৰ কথাবোৰ শুনি
বিনয়ে আজি এই কথাটো আৰু স্পষ্টকৈ অনুভৱ কৰিব পাৰিলে। অৱশ্যে
মান দিনে বিনয়ে গোৰাৰ ফলীয়া হৈ মনে মনে এই বুলি তর্ক কৰিছিল
যে সমাজৰ ঘাই খুটাই যেতিয়া লৰক-ফৰক হৈ আছে, সমগ্র দেশ কালতেই
যেতিয়া এটা দ্বন্দ্ব চলিছে—এনে সময়ত সত্যৰ সৈনিকবোৰে স্বাভাৱিকতা
কৰিব নোৱাৰে। তেতিয়া সাময়িক প্রয়োজনৰ বাবে কেতিয়াবা
সত্যত কেৰোণ লাগে। আজি পৰেশ ভট্টৰ কথাকেইষাৰ শুনি বিনয়ে
নিজকে নিজে সুধিলে—সাময়িক প্রয়োজনৰ খাতিৰত সত্যক ক্ষুণ্ণ কৰি
তালাটো সাধাৰণ মানুহৰ বাবেহে স্বাভাৱিক। কিন্তু তাৰ গোৰাও জানো
সাধাৰণ মানুহৰ লগৰ ?

সেইদিনা নিশা পাটীত পৰাৰ লগে লগেই ললিতা আহি তাইৰ বিছনাৰ
কাষে বহিলহি। ললিতাৰ মনত কিবা এটা কথাই গুজবি গুমবি থকা
বুলি সুচৰিতাই বুজি পালে। কথাটো যে বিনয়ৰ বিষয়েই—সেইটোও
তাই গম পাইছিল।

সেইবাৰে সুচৰিতাই নিজেই প্রথমে কথা উলিয়ালে,—"বিনয়ক মোৰ
বৰ ভাল লাগে।"

ললিতাই ক'লে,—"তেখেতে মাথোন গৌৰমোহনৰ কথা কৈ থাকে কাৰণে
তামাৰ ভাল লাগে।"

সুচৰিতাই কথাষাৰৰ ভিতৰৰ ইঙ্গিতটো বুজিও নুবুজাৰ ভাও জুৰিলে।
তাই এটা সৰল ভাৰ দেখুৱাই ক'লে,—"সেইটো সঁচা, তেখেতৰ মুখৰপৰা
গৌৰমোহনৰ কথা শুনিবলৈ মোৰ বৰ ভাল লাগে। মই যেন গৌৰমোহনক
চকুৰ আগতে দেখা পাওঁ।"

ললিতাই ক'লে,—"মোৰ কিন্তু সমূলি ভাল নেলাগে। খংহে উঠে।"

সুচৰিতাই আচৰিত হৈ সুধিলে,—"কিয় ?"

ললিতাই ক'লে,—"গোৰা, গোৰা, গোৰা, দিনে ৰাতিয়ে মাথোন গোৰা।
তেখেতৰ বন্ধু গোৰা খুব ডাঙৰ মানুহ হব পাৰে, বৰ ভাল কথা—কিন্তু
তেখেতোও তো মানুহহে।"

সুচৰিতাই হাঁহি হাঁহি ক'লে,—"সেইটো তো হয়েই,—পিচে কি হানি হ'ল ?"

ললিতা,—বন্ধুৰে তেখেতক এনেকৈ ঢাকি পেলাইছে যে এতি প্ৰকাশ কৰিব নোৱাৰা হৈছে।

ললিতাৰ চোকা চোকা কথা শুনি সুচৰিতাই একো নকৈ ধৰিলে।

ললিতাই ক'লে,—বাইদেউ, তুমি এতিয়া হাঁহিছাহে,—কিন্তু সঁচাকৈয়ে কৈছো, মোক কোনোবাই এইদৰে চেপি ধৰি ৰাখিব কিন্তু এদিনলৈয়ো সহ্য নকৰিলোঁহেঁতেন। বাকু, তোমাৰ কথাই আনে যি বুলিয়েই নেভাবক লাগে, তুমি তো মোক কেতিয়াও খোজা নাই। তোমাৰ তেনেকুৱা স্বভাৱেই নহয়। সেই কাৰণে ইমান ভাল পাওঁ। আচলতে দেউতাৰপৰাই তুমি এই শিক্ষা দেউতাই সকলোকেই নিজৰ নিজৰ ঠাই কণ এৰি দিয়ে।"

গোটেই পৰিয়ালটোৰ ভিতৰতে সুচৰিতা আৰু ললিতা পৰম ভক্ত। দেউতাকৰ নামত সিহঁতে গৰ্ব্বত ওফন্দি পৰে।

সুচৰিতাই ক'লে,—"দেউতাৰ লগত জানো আন কাৰোবাৰ কৰিব পাৰি ? কিন্তু তই যিয়েই নকৰ ভনীটি, বিনয়ে হ'লে য়াকৈ কথা কব পাৰে।"

ললিতা,—সেইবোৰ তেখেতৰ নিজৰ কথা নহয় বুলিয়েই হ য়াকৈ কব পাৰে। নিজৰ কথা কোৱা হ'লে সহজভাৱে ক'ব ভাবি ভাবি, সাজি-সাজি কোৱা যেন লাগিলহেঁতেন। বঢ়িয়া সহজ কথাহে মোৰ বেচি ভাল লাগে।

সুচৰিতা,—ধেৎ তই আৰু খং কৰিছ কিয় ? গৌৰমোহন বোৰ আজি-কালি তেখেতৰ নিজৰ কথাই হৈ গৈছে।

ললিতা,—তেনেহলে তো আৰু বেচি দুখলগা কথা। ভগৱান বুদ্ধি দিছে মাথোন পৰৰ কথা ব্যাখ্যা কৰিবলৈ আৰু মুখ দিছে পৰৰ কথা বঢ়িয়াকৈ কবৰ বাবে ? এনে বঢ়িয়া কথা শুনিবৰ দৰ্কাৰ নপৰে।

সুচৰিতা,—কিন্তু এই কথাটো তই নুবুজ কিয় যে বিনয়ে সঁচাকৈয়ে ভাল পায়। আৰু দুয়োজনৰ মনৰ সঁচাকৈয়ে মিলো

ললিতাই অধৈর্য্য হৈ ক'লে,—"ওঁহো নাই নাই,—একে নাই। গৌৰমোহনক মানি চলাটো তেখেতৰ এটা অভ্যাস

ইটো দাসত্বহে, ভালপোৱা নহয়। অথচ গৌৰমোহনৰ লগত তেখেতৰ মত মিলে বুলি তেখেতে বলেৰে ভাবিব খোজে। সেই কাৰণেই তেখেতে গৌৰমোহনৰ মতবোৰক ইমান সুন্দৰকৈ সজাই-পৰাই নিজকে বাকু লগতে আনকো ফুচুলাব খোজে। গৌৰমোহনক মানি চলাত কনেবাকৈ কিবা বাধা ওলায় বুলি তেখেতে সদায় নিজৰ মনৰ সন্দেহ বাকু বিৰোধবোৰ ঢাকি বাখিব খোজে। গৌৰমোহনক নমনাকৈ থাকি- লৈ তেখেতৰ সাহেই নাই। সঁচাকৈয়ে ভাল পালে মত নিমিলাকৈয়ো তো াল পাব পাৰি—চকু-কাণ মুদি নিজক সঁপি দিবৰ তো প্ৰয়োজন নাই। কিন্তু তেখেতৰ তো সেইটো নহয়। হয়তো তেখেতে গৌৰমোহনক াল পাই কাৰণেই মানি চলে, অথচ এই কথাটো একোতেই স্বীকাৰ কৰে। তেখেতৰ কথাৰপৰা এইটো কিন্তু সহজেই বুজিব পাৰি। বাকু ইদউ, তুমি জানো বুজা নাই ? সঁচাকৈয়ে কোৱাচোন।"

সুচৰিতাই এই কথাটো ললিতাই ভবাদি ভবা নাছিল। কিয়নো, াৰাৰ মতামতবোৰ জানিবলৈহে তাই ব্যগ্ৰ হৈ পৰিছিল, বিনয়ক সুকী- কে চাবলৈ তাইৰ আগ্ৰহেই নাছিল। এতেকে ললিতাৰ প্ৰশ্নটোৰ উত্তৰ াই পোনপটীয়াকৈ নিদি তাই ক'লে,—"তোৰ কথাকেই বাকু মানি ললোঁ এতিয়া পিচে কি কৰিব লাগিব ক।"

ললিতা,—তেখেতৰ বন্ধুৰ বান্ধোনৰপৰা মোকোলাই আনি স্বাধীন কৰি ৰব মোৰ মন যায়।

সুচৰিতা,—চেষ্টা কৰি চা বাকু।

ললিতা,—মই চেষ্টা কৰিলে একো নহব। তুমি অলপ কাণ দিলেই ।

বিনয় তাইৰ প্ৰতি অনুৰক্ত হোৱা বুলি সুচৰিতাই পেটে পেটে বুজি- ল যদিও ললিতাৰ কথাষাৰ তাই হাঁহি হাঁহি উৰুৱাই দিব খুজিলে।

ললিতাই ক'লে,—"গৌৰমোহনৰ শাসনৰ ভিতৰত থাকিও তেখেতে ইদৰে তোমাৰ ওচৰত ধৰা দিবলৈ অহা দেখিয়েই তেখেতক মোৰ ভাল গিছে। তেখেতৰ অৱস্থাৰ আন কোনোবা হোৱা হ'লে ব্ৰাহ্ম ছোৱালী- ৰক গালি-শপনি পাৰি নাটক লিখিলেহেঁতেন। কিন্তু তেখেতৰ মনটো তিয়াও নিৰ্ম্মল হৈ আছে। তোমাক ভাল পোৱা আৰু দেউতাক ভক্তি াটোৰেই তাৰ প্ৰমাণ। বিনয়ক তেখেতৰ নিজৰ ৰূপলৈ আনিবই গিব বাইদেউ ! তেখেতে একমাত্ৰ গৌৰমোহনক প্ৰচাৰ কৰি ফুৰাটো একেবাৰে অসহ্য লাগে।"

এনেতে "বাইদেউ, বাইদেউ" বুলি চিঞবি সতীশ আহি সোমালহি। বিনয়ে তাক আজি গড়ব মাঠলৈ চার্কাচ্ দেখুৱাবলৈ লৈ যাবলৈ কৈছিল। বহুতো বাতি হৈছিল যদিও সি তাব এই প্রথম চার্কাচ্ গৈছিল। গল্প কৈ কৈ শেষত সি ক'লে,—"বিনয় ককাইদেউক আজি নই ছিলোঁ, তেখেতে আমাব ঘবত সোমায়েই গুচি গ'ল গৈ। বুলি কৈ গৈছে। বাইদেউ, মই বিনয় ককাইদেউক তোমালোকৰ চার্কাচ্ দেখুৱাবলৈ লৈ যাবলৈ কৈছোঁ।"

ললিতাই সুধিলে,—"তেতিয়া তেখেতে কি ক'লে?"

সতীশে ক'লে,—"ছোৱালীবোৱে বাঘ দেখিলে ভয় কবিব বুলি ক'লে। মোব কিন্তু অকণো ভয় লগা নাই।" এই বুলি সি পুৰুষালিব গর্ব্বত বুকু ফিন্দাই বহিল।

ললিতাই ক'লে,—"ওঁ বাৰু বুজিছোঁ, তোমাব বন্ধু বিনয় সাহ সেইটোও বুজিছোঁ। নহয় বাইদেউ, আমাব লগত তেনেকৈ চার্কাচলৈ নিবই লাগিব।"

সতীশে ক'লে,—"কাইলৈ যে দিনতে চার্কাচ্ হব।"

ললিতাই ক'লে,—"ভালেই হ'ল। দিনে পোহৰেই যাম। পিচদিনা বিনয় আহি সোমাওঁতেই ললিতাই ক'লে,—"এয়া, কেনে সময়তে আহি পালেহি। ব'লক।"

বিনয়,—কলৈ যাব লাগিব?

ললিতা,—চার্কাচলৈ।

চার্কাচলৈ! এই হেন দিন দুপবত এক তন্বু মানুহব চকুৰ এই হেন গাভৰু ছোৱালীবোৱ লগত লৈ চার্কাচলৈ যাব লাগিব! অৱস্থা একেবাৰে চবগ পৰা মানুহব দৰে হ'ল।

ললিতাই ক'লে,—"অ', গৌৰমোহনে খং কবিব নহয়?"

ললিতাব এই প্রশ্নটো শুনি বিনয় চক্‌খাই উঠিল।

ললিতাই আকৌ ক'লে,—"চার্কাচলৈ ছোৱালীক লগত লৈ বিষয়ে গৌৰমোহনৰ সুকীয়া মত আছে চাগৈ, নহয় জানো?"

বিনয়ে ক'লে,—"ওঁ, নিশ্চয় আছে।"

ললিতা,—সেইটোনো কেনেকুৱা? বহলাই কওকচোন।

বাইদেউকো মাতি আনো, তেৱোঁ শুনক।

ললিতাব বিন্ধি যোৱা কথাবোব শুনি বিনয়ে হাঁহিলে। ক'লে,—"হাঁহিছে কিয় চেটাৰ্জ্জীদেউ? ছোৱালীবোৱে বাঘক ভয়

A-3
166

আপুনি কালি সতীশক কৈছিল নহয়? আপুনি পিচে কাকো ভয় নকবে কি?"

ইয়াব পিচত সেইদিনা কেউজনী ছোৱালীকে লগত লৈ বিনয় চার্কাচলৈ গৈছিল। অকল সেয়ে নহয়, তাব লগত গোৱাব সম্বন্ধব বিষয়ে ললিতাই আৰু সম্ভৱতঃ এইখন ঘবব আনবোব ছোৱালীয়েও কি চকুবে চাইছে—এই কথাষাবে তাব মনত বাবে বাবে তোলপাব লগাবলৈ ধবিলে।

পিচববাব বিনয়ব লগত দেখা হোৱাব দিনাই ললিতাই একোকে নজনা ভাও জুবি সুধিলে,—"গৌৰমোহনক সেইদিনাব চার্কাচব কথা কোৱা নাই?"

এই প্রশ্নটোৱে বিনয়ক দ'কৈ বিন্ধিলে। হঠাতে তাব কাণ মূৰ বঙা পবিল। সি ক'লে, "ওহোঁ, এতিয়াও কোৱা নাই।"

এনেতে লাৱণ্যই হাঁহি হাঁহি কোঠাত সোমাই কলেহি, "চেটাৰ্জ্জীদেউ, ইফালে আহক আক'।"

ললিতাই ক'লে,—"ক'লৈ? চার্কাচলৈ নে কি?"

লাৱণ্যই ক'লে,—"বাঃ আজি আকৌ চার্কাচলৈ কিয়? মোব ৰুমালত চাৰিওটা দাঁতিত পেঞ্চিলেৰে লতা এডাল আঁকি দিবলৈ মাতিছোঁ। চিলাই কবিম। চেটাৰ্জ্জীদেৱে যে ইমান ধুনীয়াকৈ আঁকিব পাবে!"

লাৱণ্যই বিনয়ক লৈ গুচি গ'ল গৈ।

১৯

বাতিপুৱা গোৱাই কাম কবি আছিল। বিনয়ে হঠাতে আহি আগনোহোৱাকৈ ঘপহ্ কবে কলেহি, "সিদিনা ভট্ট ডাঙবীয়াব ছোৱালী কেইজনীক লৈ মই চার্কাচ চাবলৈ গৈছিলোঁ।"

গোৱাই লিখি লিখিয়েই ক'লে,—"ওঁ, শুনিছোঁ।"

বিনয়ে অবাক হৈ সুধিলে,—"তুমি ক'বপবা শুনিলা?"

গোৱা,—অবিনাশবপবা। সিও সেইদিনাখন চার্কাচ চাবলৈ গৈছিল। গোৱাই আৰু আন একো নকৈ লিখিবলৈ ধবিলে। গোৱাই এই ঘটনাটো আগেয়ে শুনিছে, তাতে আকৌ অবিনাশবপবা—এতেকে ঘটনাব

বর্ণনা বা ব্যাখ্যাব নিশ্চয় একো অভাব হোৱা নাই। চিবকলীয়া
কাবণে গোটেই কথাটোব বাবেই বিনয়ব বব সঙ্কোচ লাগিল।
যোৱা কথাটো এইদবে সমাজত নোলোৱা হলেই সি ভাল
এনেতে যোৱা নিশা বহু বাতিলৈকে টোপনি নহাত সি
ললিতাব লগত কাজিয়া কবি আছিল—এই কথা তাব মনত
গোবাক ভয় কবে আৰু সৰু ল'বাই শিক্ষকক মানি চলাব দবে
মানি চলে বুলি ললিতাই ভাবে। ইমান অন্যায় ভাবেও যে
হক বুজিব পাবে, আচবিত! গোবা আৰু বিনয় যে একাষ
অসামান্য গুণব কাবণে গোবাক সি ভক্তি কবে হয়, কিন্তু সেইটো
মতামতে গোবা আৰু বিনয় দুয়োবো অন্যায়হে কবিছে। কিন্তু
নহয়, আৰু গোবাও নাবালকব অভিভাবক নহয়।

গোবাই একো নমতাকৈ লিখিয়ে থাকিল। ললিতাব
চোকা চোকা প্ৰশ্ন বিনয়ব বাবে বাবে মনত পবিল। বিনয়ে
সহজে মনবপবা আঁতবাব নোৱাবিলে।

চাওঁতে চাওঁতে লাহে লাহে বিনয়ব মনটো বিদ্রোহী
'চার্কাচ চাবলৈ গ'লেনো কি হয়? অবিনাশ নো কোন যে
এইবোব আলোচনা কবিবলৈ আছে? আৰু গোৱায়েই বা
অকাল-কুষ্মাণ্ডব লগত মোব গতি-বিধিব বিষয়ে আলোচনা
জানো গোবাব নজববন্দী যে কাব লগত কথা পাতিম, কব
সকলোবোব কৈফিয়ৎ তাক দিব লাগিব? বন্ধুত্বব ওপবত
ভীষণ উপদ্রব।"

নিজব ভীৰুতাক হঠাতে ইমান স্পষ্টকৈ বুজিব নোৱাবা হ
আজি গোবা আৰু অবিনাশব ওপবত ইমান খং নুঠিলহেঁতেন
আগত অলপ সময়ব বাবেও কিবা এটা কথা লুকুৱাবলৈ বাধ্য
পেটে পেটে সি গোবাকে দুষিবলৈ ধবিলে। চার্কাচলৈ যোৱা
গোবাই বিনয়ক দুই চাবিটা টান কথা কোৱা হলেও বন্ধুত্বব
নগলহেঁতেন। কিন্তু তাকে নকবি গোবাই গহীন হৈ বিচাৰ
নিমাত হৈ বিনয়ক অৱজ্ঞা কবা দেখি ললিতাব কথাব কাঁইটে
বেচিকৈহে বিন্ধিবলৈ ধবিলে।

এনেতে মহিমে হোকা হাতত লৈ কোঠাটোত সোমালহি।
টেমাবপবা এখন তামোল বিনয়ব হাতত দি ক'লে "বো
এইফালে মই আটাইবোব ঠিক্ ঠাক কবিলোঁ—আৰু এতিয়া

বাবপবা চিঠি এখন পোৱা হলেই নিশ্চিন্ত হব পাবিলোহেঁতেন।
তেখেতলৈ চিঠি লিখিছানে?"

এইদবে বিয়াব তাগাদা দিয়াত বিনয়ব আজি বব বেয়া লাগিল।
মহিমব একো দোষ নাই বুলি সি ভালকৈয়ে জানিছিল—কিয়নো
সি আগতেই কথা দিছিল। কিন্তু এনেকৈ কথা দিয়াটো তাব
কিবা পাতল পাতল যেন লাগিল। আনন্দময়ীয়ে তো তাক এক
হাকেই দিছিল। তাব নিজবো এইখন বিয়ালৈ অকণো আগ্রহ
। গোলমাল হুলস্থলব মাজতে কথাটো যে কেনেকৈ খাটাং হৈ
গোবাই বব তাগাদা দিছিল বুলিও তো কব নোৱাবি। বিনয়ে
টানি আপত্তি কবা হলেই গোবাই কেতিয়াও জোব নকবিলেহেঁতেন।
তথাপিও! এই তথাপিটোব ওপবতে ললিতাব কাঁইটে বিন্ধিবলৈ
। সেইদিনাব ঘটনাটো অৱশ্যে বিশেষ একো নহয়, কিন্তু ইয়াব
বহু দিনব প্ৰভুত্ব লুকাই আছে। বিনয়ে গোবাক সঁচাকৈয়ে ভাল
আৰু সি নিজেও অতি সবল ল'বা বুলিয়েই গোবাব আধিপত্য সহি
টো তাব অভ্যাস হৈ গৈছিল। সেই বাবেই এই প্ৰভুত্বব সম্বন্ধটোৰে
কো চেব পেলাই মূব দাঙি উঠিছে। অতদিনে বিনয়ে এইটো অনুভব
নাছিল কিন্তু আৰু তো হাত সাৱটি বহি থাকিব নোৱাবি। তেনে-
শশীমুখীক সঁচাকৈয়ে বিয়া কবাব লাগিব নে কি?

বিনয়ে ক'লে—"খুবাদেউলৈ মই এতিয়াও চিঠি লিখিব পবা নাই।"

মহিমে ক'লে—"এইটো মোবেই ভুল হৈছে। এই চিঠিখন তুমি
টো ঠিক নহব, মই লিখাই উচিত। তেখেতব পূবা নামটো কি
াচোন বোপাই?"

বিনয়ে ক'লে—"আপুনি ইমান ব্যস্ত হৈছে কিয়? আহিন-কাতি
তো বিয়াই হব নোৱাবে। তাব পিচতে আঘোণ মাহ—পিচে তেতি-
অলপ অসুবিধা আছে। আমাব পবিয়ালত বহু দিনব আগেয়ে
াণ মাহত কাবোবাব কিবা এটা দুর্ঘটনা ঘটিছিল। তেতিয়াবেপবা
াণ মাহত আমাব বংশত বিয়া আদি কোনো শুভ কাম পতা
।"

মহিমে হোকাটো এচুকত আওঁজাই থৈ ক'লে—"বিনয়, তোমালোকেও
াব মানা যদি লিখা-পঢ়া মাথো মুখস্থ কবি মবিবব বাবেই শিকিলা
ক? এনেয়ে তো এই উছন যোৱা দেশখনত শুভদিন বিচাবি পোৱাই

টান, তাতে আকৌ ঘৰে ঘৰে প্ৰাইভেট পুথি-পাঁজি যে কাজবোৰ কেনেকৈ চলিব ?"

বিনয়ে সুধিলে—"আপুনি ভাদ-আহিন মাহনো কিয় মহিমে ক'লে—"মই হবপাই মানো ? কেতিয়াও কেছা কিনো কৰিম বোপাই, এইখন দেশত ভগৰানক নেমানিলে ভাদ-আহিন বৃহস্পতি-শনি তিথি নক্ষত্ৰ নেমানিলে কোন টিকিব নোৱাৰিম। অৱশ্যে এইটোও কব লাগিব যে নেমানি হয় কিন্তু কিবা কাম-কাজ কৰিব লগীয়া হ'লে দিন-বাৰ মনটো কেনেবা কেনেবা লাগে। বতাহে যেনেকৈ এই আনে, তেনেকৈ ভয়ো মনত সুমুৱায়। এইটো আৰু কোনোপা আঁতৰাব নোৱাৰিলোঁ।"

বিনয়—আমাৰ বংশতো আঘোণ মাহৰ ভয়টো কেতিয়াও বাজী নহব। এইদৰে বিশেষকৈ খুৰীদেউ কোনো বকমে কথাটো এবাই গ'ল।

বিনয়ৰ কথাৰ সুৰ শুনিয়েই তাৰ মনত এটা দোধোৰ-ওপজা বুলি গোৰাই গম পালে। আজি কিছু দিনৰপৰা বিনয়ে আহি বাৰে লগ পোৱা নাছিল। পৰেশ ভট্টৰ ঘৰলৈ বিনয়ে আহি ঘনাই যাবলৈ ধৰিছে বুলি সি গম পাইছিল। তাৰ পিচত বিনয়ে এইদৰে বিয়াৰ প্ৰস্তাৱটো ফালৰি কাটি এৰি যাব খোজা মনতো অলপ সন্দেহ উপজিল।

কাৰবাক গিলিবলৈ ধৰিলে সাপে কোনোমতেই এৰি দৰেই গোৰায়ো নিজৰ সঙ্কল্প এৰিব নোৱাৰে বুলিলেই হয়। পৰা অলপ বাধা যেন পালে বা আন পক্ষই অলপ ঢিলাই দিলেই তাৰ জেদ্ বেচিকৈহে বাঢ়ে। দুই নাৱত দুই ভৰি জোবেৰে ধৰি বাখিবৰ বাবে গোৰা একেবাৰে দৃঢ়প্ৰতিজ্ঞ হৈ গোৰাই লিখবলৈ এৰি দি মুৰ দাঙি ক'লে "বিনয়, এবাৰ কথা দিছাই যেতিয়া তেখেতক এইদৰে অনিশ্চয়তাৰ মিছাকৈয়ে কিয় কষ্ট দিছা ?"

বিনয়ে হঠাতে অধৈর্য্য হৈ ক'লে—"মই কথা দিছোঁ বলেৰে লবালবিকৈ কথা উলিয়াই লোৱা হৈছে ?"

গোৰাই বিনয়ৰ এই অকস্মাৎ বিদ্রোহৰ লক্ষণ দেখি আৰু খঙেৰে ক'লে—"কথা কোনে উলিয়াই লৈছিল ?"

বিনয়ে ক'লে—"তুমি।"

গোৰা,—মই ! তোমাৰ লগত মই চোন এই বিষয়ে পাঁচ সাতোটাৰ কথাই কোৱা নাই। ইয়াক আকৌ জোৰকৈ কথা উলিয়াই লোৱা

চলতে বিনয়ৰ স্পষ্ট প্ৰমাণ একোকে নাছিল। গোৰাই কোৱা সঁচা। কথা দুই চাৰিটা মানহে হৈছিল আৰু তাৰ মাজত জোৰ বুলি কব পৰা বিশেষ একো তাগাদাৰ কথাই নাছিল। তথাপিও কথা সঁচা যে গোৰাই যেন বিনয়ৰপৰা তাৰ সন্মতি জোৰ-জুলুম উলিয়াই লৈছিল। প্ৰমাণ নথকা কথাৰে অভিযোগ কৰিলে মানুহৰ কিছু বেচি হয়। সেইবাবে বিনয়ে অলপ অসংযত খঙৰ সুৰত

—"জোৰকৈ উলিয়াই লবলৈ বেচি কথাৰ দৰ্কাৰ নহয়।"

গোৰাই একে কোৱেই চকীৰপৰা উঠি থিয় হৈ ক'লে—"লোৱা কথা এতিয়াই ওভোতাই লোৱা। এইটো তোমাৰপৰা ভিক্ষা কাইতি কৰি লবলগীয়া এনে এটা মহামূল্যৱান কথা নহয়।"

সাকাষৰ কোঠাটোতে মহিম আছিল। গোৰাই বজ্রস্বৰে তেওঁক মাত

—"ককাইদেউ !"

হিমে লৰধৰকৈ কোঠাটোত সোমাওঁতেই গোৰাই ক'লে—"ককাইদেউ, গোৰাৰ লগত বিনয়ৰ বিয়া হব নোৱাৰে। মোৰ মত নাই বুলি মই তেই তোমাক কোৱা নাছিলোঁনে ?"

হিম,—নিশ্চয় কৈছিলা। তোমাৰ বাহিৰে এনে কথা আৰু কোনেও নাৰাৰে। আন কোনো ভাই হোৱা হলে ভতিজা ছোৱালীৰ বিয়াৰ ওলোৱাৰেপৰাই উৎসাহহে দেখুৱালেহেঁতেন।

গোৰা,—তুমি কিয় মোৰ হতুৱাই বিনয়ক ধৰালা ?

হিম,—ভাবিছিলোঁ তেতিয়া কাম হব। অইন একো কাৰণ নাই।

গোৰাৰ মুখখন ৰঙা হৈ উঠিল। সি ক'লে—"মই এইবোৰৰ মাজত নোসোমাওঁ। বিয়া পাতি ফুৰাই মোৰ কাম নহয়। মোৰ আন আছে।"

এই বুলিয়েই গোৰা কোঠাৰপৰা ওলাই গ'ল গৈ। হতবুদ্ধি হৈ মহিমে বিষয়ে বিনয়ক কিবা সোধাৰ আগতেই সিও একেবাৰে আলিবাট গ। মহিমে চুকৰপৰা হোকাটো তুলি লৈ অকলেই বহি বহি ল ধৰিলে।

াৰ আগতেও গোৰাৰ লগত বিনয়ৰ বহুদিন বহুবাৰ দন্-হাই লাগিছে।

কিন্তু আজিব দবে হঠাতে এনেকুৰা জুই বৰষা কাজিয়া আৰ
বিনয়ে নিজব কার্য্যব বাবে প্রথমতে স্তম্ভিত হৈ পবিল।
অহাব পিচত তাব বুকুত কিহবাই শেলে হনাদি হানিবলৈ
সময়ব ভিতবতে সি গোবাক যে কিমান ডাঙব এটা আ
বোব কথা ভাবি-চিন্তি সিদিনা তাব আৰু খোৱা-বোৱা
একোৰেই নহল। বিশেষকৈ এই ঘটনাটোব বাবে গোবাক
অতি আচবিত আৰু অন্যায় বুলি সি বুজি পাৰে
তাক জুয়ে পোবাদি পুবিবলৈ ধবিলে। সি বাবে বাবে
ক'লে—"এইটো অন্যায় অন্যায় অন্যায়!"

বেলি দুইমান বজাত আনন্দময়ীয়ে খাই-বৈ উঠি চিলাই
বহিছিলহি মাখোন, এনেতে বিনয় আহি তেখেতব ওচবত বহিল
বেলাব কিছু খবব তেখেতে মহিমব মুখবপবা শুনিছিল। ভাত
গোবাব মুখখন দেখিয়েই তেখেতে এটা ধুমুহা হৈ যোৱা বুলি গ
বিনয়ে আহিয়েই ক'লে "আই মই অন্যায় কবিছোঁ
লগত বিয়াব বিষয়ে মই আজি পুৱা গোবাক কোৱা ক
মানেই নাই।"

আনন্দময়ীয়ে ক'লে—"সেইটো বাৰু হওক বিনয়—
বেজাব ঢাকি বাখিব খুজিলে এইদবেই ওলাই পবে।
হৈছে দিয়া। এইখন কাজিয়াব কথা দুদিনমান পিচত
গোবায়ো পাহবিব।"

বিনয়,—কিন্তু আই শশীমুখীক বিয়া কবোৱাত মোব
নাই—এই কথাকে তোমাক কবলৈ আহিছোঁ।

আনন্দময়ী—বোপাই, লবালবিকৈ কাজিয়াখন মিটমাট
আকৌ এখন জঞ্জাল চপাই নলবি। বিয়াখন চিবকলীয়া বন্ধ
খন দুদিনবহে।

বিনয়ে আনন্দময়ীব কোনো কথাকে নুশুনিলে। সি
এই বিষয়ে গোবাক কবলৈ যাব নোৱাবিলে। মহিমক
একো আপত্তি নাই। মাঘ মাহতে শুভ কাম সম্পন্ন হব।
অমত নহয় সেইটো ভাবো বিনয়ে নিজেই গা পাতি লবে।"
মহিমে ক'লে—"আঙঠি পিন্ধোৱা হৈ যাওক তেনে।"
বিনয়ে ক'লে—"বাৰু ভাল কথা, কিন্তু সেইটো গোবাব
কবি কবক।"

মহিমে অধৈর্য্য হৈ ক'লে "গোবাব লগত আকৌ কিয় পবামর্শ কবিব
?"

বিনয়ে ক'লে "ওঁহো সেইটো নকবিলে নহব।"

মহিমে ক'লে—"নহলে অৱশ্যে কথাই নাই—কিন্তু——"

এইবুলি মহিমে তামোল এখন মুখত ভবালে।

২০

মহিমে সেইদিনা গোবাক একোকে নকলে। পিচদিনাহে আহি
কোঠাত সোমালহি। গোবাক পুনব বাজী কবাবলৈ যথেষ্ট জোব-
কবিব লাগিব বুলি তেওঁ ভাবিছিল। কিন্তু বিনয়ে কালি
লি বিয়াখন পকা কবি থৈ যোৱাব কথা আৰু বিনয়ে গোবাব পবামর্শ
নোৱাব কথা কোৱাব লগে লগেই গোবাই ঘপবাই বাজী হৈ ক'লে,—
ভাল কথা। আঙঠি পিন্ধোটো হৈ যাওক আৰু।"

মহিমে আচবিত হৈ ক'লে,—"এতিয়া তো বব ভাল কথা ভাল কথা
। পিচত আকৌ এবাব গা-এবা নিদিয়া তো?"

গোবাই ক'লে,—"মই তো বাধা দি এবা দিয়া নাই। অনুবোধ কবি-
গা এবা দিছোঁ।"

হিম,—এতেকে তোমাক মই ইয়াকে মিনতি কবিছোঁ যে তুমি বাধাও
লাগে অনুবোধো কবিব নেলাগে। কৌবৰব নাবায়ণী সেনাও মোব
নাই আৰু পাণ্ডৰব নাবায়ণকো মোক নেলাগে। মই অকলেই যি
সেয়ে হব। ভুল কবিছিলোঁ। তোমাব সহায়ো এনেকুৰা বিপৰীত
বুলি মই আগতে নেজানিছিলোঁ। যিয়েই নহওক, বিয়াখনত বাৰু
য়ে তোমাব মত আছে নে নাই।"

গোবা—ওঁ, মত আছে।

হিম,—বাৰু, তেনেহলে মত থাকিলেই হব। সহায় কবিবব আৰু
নাই।

গোবাব খং উঠে হয় আৰু খণ্ডব ভমকত সি কবিব নোৱাবা কামো
নাই সেইটোও সঁচা কথা, কিন্তু খণ্ডব কোবত নিজব সঙ্কল্প নষ্ট
টো তাব স্বভাব নহয়। বিনয়ক যেনেকৈয়ে হওক সি বান্ধি বাখিব

খুজিছে। এতিয়া অভিমান কবাব সময় নহয়। কণি
খনব ফলতে বিয়াখন পকা হোৱা দেখি আৰু বিনয়ব বিদ্রোহেই
দৃঢ় কবা দেখি গোবাই কালিব ঘটনাটোব বাবে পেটে
পালে। বিনয়ব লগত সিহঁতব চিবন্তন স্বাভাবিক সম্বন্ধটো
সি নাম মাত্রও পলম নকবিলে। কিন্তু এইবাব সিহঁত দুয়োৰ
সবল সম্বন্ধটোত যেন অলপ কেণা লাগিল।

দূবৈবপবা বিনয়ক ধবি বখাটো টান বুলি এইবাব গোবাই
বিপদব সম্ভাবনা থকা ঠাইতে পহবা দিব লাগিব। গোবাই
ভাবিলে,—মই পবেশ ভট্টব ঘবলৈ সদায় অহা-যোৱা কবি
ঠিক সীমাব বিতবতে বাখিব পাবিম।

সেইদিনা অর্থাৎ কাজিয়া লগাব পিচদিনা আবেলি গোবা
ঘব ওলালহি। আজিয়েই গোবা অহাটো বিনয়ে একেবাবে
নাছিল। সেই কাবণে পেটে পেটে তাব বব ভাল লাগিলেও
হ'ল। তাতোঁকৈ আচবিত কথা গোবাই পবেশ ভট্টব জীয়েক
কথাকে উলিয়ালে। অথচ কথাবোবব মাজত অকণো বিদ্রূপব
এই আলোচনাব মাজেদি বিনয়ক উত্তেজিত কবি তুলিবলৈ
কবিবলগীয়া নহ'ল।

সুচবিতাব লগত আলোচনা কবা কথাবোব বিনয়ে
গোবাব আগত কবলৈ ধবিলে। সুচবিতাই যে বব আগ্রহবে
কথা নিজেই উলিয়াই লয়, আৰু যিমানেই তৰ্ক কবক-নকব
লাহে লাহে কব নোৱাবাকৈয়ে এইবোব মত মানি লব ধবি
কথা কৈ বিনয়ে গোবাক উৎসাহিত কবিবলৈ যত্ন কবিলে।

বিনয়ে কথাই কথাই ক'লে,—"নন্দব মাকে ভতব বেজ
মবাব কথা আৰু এই বিষয়ে তুমিয়ে ময়ে পতা কথাবোব
ক'লে, ঘবব চাবি বেবব মাজত সোমাই বন্ধা-বঢ়া কবা
আলি-পদুলি অতোবাই তিবোতা মানুহব কাম বুলি আপোনালোক
এফালে এইদবেই আপোনালোকে হেঁচা মাবি থৈ সিহঁতব
নিদিয়ে আৰু তাব পিচত আকৌ আন ফালে বেজ
গালি পাবে। গোটেই বিশ্বজগতখনব মাজত সিহঁতে
পবিয়ালকহে দেখা পায়। এতেকে সিহঁত সম্পূর্ণ মানুহ
নোৱাবে। আৰু সিহঁত মানুহ হব নোৱাবিলে পুৰুষব
কাম নষ্ট কবি, অসম্পূর্ণ কবি পুৰুষব বোজা বঢ়াই

আনি নিজব দুর্গতিব প্রতিশোধ লবই। নন্দব মাকক আপোনালোকে
ধবণে গঢ়ি তুলিছে আৰু এনে ভাবে শিকলি লগাই থৈছে যে আজি
আপোনালোকে সুবুদ্ধি দিবলৈ গলেও তাই বুজিব নোৱাবিব।'
এই বিষয়ে তেখেতব লগত বাক্-বিতণ্ডা লাগিছিল, কিন্তু সঁচাই কৈছোঁ
পেটে পেটে মই তেখেতব মতবোব মানি লবলৈ বাধ্য হৈছিলোঁ।
কাবণে মোব কথাব একো জোব নাছিল। তেখেতব লগত তথাপিও
কবিব পাবি কিন্তু ললিতাব লগত লাগিবলৈ মোব সাহেই নহয়।
যেতিয়াই চেলাউবি জোব দাঙি ক'লে, 'আপোনালোকে ভাবে,
কাম আপোনালোকে কবিব আৰু আপোনালোকব কাম আমি কবিম,
কেতিয়াও হব নোৱাবে। জগতব কাম হয় আমিও কবিম, নহয়
বোজা হৈ থাকিম ; বোজা হৈ থাকিলে আকৌ আপোনালোকে
পথে নাবী বিবর্জিতা। অথচ নাবীকো যদি যাবলৈ দিয়ে তেনেহলে
ই হওক বা ঘবতেই হওক নাবীক বিবর্জন কবাব দর্কাব নহয়।'
মই আৰু একোকে উত্তব নিদি মনে মনে থাকিলোঁ। ললিতাই
কথা নকয়, কিন্তু ক'লে খুব সাবধানে উত্তব দিব লাগে। তুমি
নোকোৱা গোবা, আমাব দেশব তিবোতা মানুহবোবক চীন দেশীয়
তা মানুহবোবব ভবিব দবে বান্ধোনব ভিতবত বাখিলে আমি কোনো
ত আগুৰাব নোৱাৰিম বুলি মোব দৃঢ় বিশ্বাস হৈছে।"

গোবা,—তিবোতা মানুহক শিক্ষা দিয়াটো উচিত নহয় বুলিতো মই
াও কোৱা নাই।

বিনয়,—শিশুপাঠ তৃতীয় ভাগলৈকে পঢ়ুবালেই হবলা শিক্ষা দিয়া হয়?

গোবা,—বাৰু এইবাববপবা 'বিনয়বোধ' প্রথম ভাগ আবম্ভ কবা যাব।

সেইদিনা দুই বন্ধুবে ঘূবাই পকাই পবেশ ভট্টব জীয়েক কেইজনীব কথা
থাকোতেই বাতি ভালেখিনি হ'ল গৈ।

গোবাই বাটে বাটে অকলে অকলে সেইবোব কথাকে মনে মনে পাণ্ডলি
ঘব পালেহি। ঘবলৈ আহিও টোপনি নহালৈকে পবেশ ভট্টব
কেইজনীব কথা মনবপবা আঁতবাব নোৱাবিলে। গোবাব জীৱনত
উপসর্গ আগতে কাহানিও নাছিল। মাইকী মানুহব
সি আজিলৈকে কেতিয়াও ভবা নাছিল। পৃথিবীব আন আন কথা-
লগবে এইটোও এটা কথা বুলি আজি বিনয়ে প্রমাণ কবি দিলে।
উকৰাই দিলে নহব ; হয় মানি লব লাগিব, নহয় যুদ্ধ কবিব লাগিব।
পিচদিনা বিনয়ে যেতিয়া গোবাক ক'লে, "পবেশ ভট্টব ঘবলৈ এবাৰ

যাওঁ ব'লাচোন। তুমি বহুদিন যোৱাও নাই। তেখেতে
কথা সোধে। গোৱাই একো ওজৰ নেদেখুৱাই যাবলৈ
যে যাবলৈকে ওলাল সেইটো নহয়, তাৰ মনত আগৰ নিচি
ভাৱো নাছিল। প্ৰথমতে সুচৰিতা আৰু পৰেশ ভট্টৰ জীয়ে
প্ৰতি গোৱা একেবাৰে উদাসীন আছিল। তাৰ পিচত
প্ৰতি তাৰ মনত অবজ্ঞাপূৰ্ণ বিৰোধীভাব উপজিছিল। কিন্তু
তৰ বিষয়ে জানিবলৈ তাৰ কৌতূহলহে উপজিছে। বিনয়
ইমানকৈ আকৰ্ষণ কৰিছে জানিবলৈ তাৰ বৰ আগ্ৰহ হ'ল।

দুয়ো পৰেশ ভট্টৰ ঘৰ পাওঁতে পাওঁতেই সন্ধ্যা লাগি
কোঠাত লেমৰ পোহৰত হাৰান মাষ্টৰে নিজে ইংৰাজীতে লি
এটা পৰেশ ভট্টক শুনাই আছিল। পৰেশ ভট্ট উপলক্ষ্যহে মা
সুচৰিতাক শুনোৱাই তাৰ উদ্দেশ্য আছিল। সুচৰিতাই
খনৰ একাষে চুকৰ ফালে বহি আছিল। তাই চকুত
বাৰে তালপাতৰ বিচনী খনেৰে মুখখন আঁৰ কৰি ধৰি
আছিল। তাই আনৰ অনুৰোধ পেলাব নোৱাৰা স্বভাৱৰ
মনযোগ দিবলৈ যত্ন কৰি আছিল, কিন্তু কোনোমতেই
নাছিল।

এনেতে লণ্ডৰা ল'ৰাটোৱে বিনয় আৰু গোৱা আহিছে
সুচৰিতা হঠাতে চক্ খাই উঠিল। তাই উঠি যাব খোজোতে
ক'লে,—"ৰাধা, কলৈ যোৱা? আমাৰ বিনয় আৰু গৌৰমো
সুচৰিতা অপ্ৰস্তুত হৈ আকৌ বহি থাকিল। হাৰানৰ এই
ইংৰাজী বচনা পাঠত ৰাধা পৰাত তাই ভালেই পালে।
বুলি শুনি তাই অলপ উত্তেজিত নোহোৱাও নহয়।
বহি থাকোতেই গোৱা আহি ওলোৱা দেখি তাইৰ বৰ
সঙ্কোচো লাগিল—দুয়ো আকৌ কিবা বাক্-বিতণ্ডাখন
নে আন কিবা কাৰণে কৰ নোৱাৰি।

গৌৰৰ নাম শুনিয়েই হাৰানৰ খণ্ডে মূৰৰ চুলি পালেগৈ।
নমস্কাৰ কৰা দেখি তেওঁ কোনো ৰকমে প্ৰতি-নমস্কাৰ কৰি
থাকিল। হাৰানক দেখাৰ লগে লগে গোৱাৰো যুঁজ কৰাৰ
হৈ উঠিল।

ৰৱদাসুন্দৰীয়েও তিনিওজনী জীয়েককে লগত লৈ
খাবলৈ গৈছিল। সন্ধিয়া পৰেশ ভট্টই গৈ সিহঁতক লৈ অহাৰ

যাৰৰ সময় হৈছিলেই। এনেতে গোৱা আৰু বিনয় অহা দেখি তেখেতে
অলপ ৰৱলগীয়া হ'ল। কিন্তু আৰু পলম কৰা উচিত নহৰ বুলি ভাবি
তেখেতে হাৰান আৰু সুচৰিতাক কাণে কাণে কৈ গ'ল, ',তোমালোকে
এওঁলোকৰ লগত কথা-বতৰা পাতি থাকা, মই যিমান সোনকালে পাৰোঁ
উভতি আহিম।"

চাওঁতে চাওঁতেই হাৰান মাষ্টৰ আৰু গোৱাৰ মাজত আকৌ তুমুল তৰ্ক
লাগিল। তৰ্কৰ বিষয় হ'ল—কলিকতাৰপৰা কিছু আঁতৰত কিবা এখন
জিলাৰ ৰৱচাহাৰ ব্ৰাউনলো চাহাৰৰ লগত ঢাকাত থাকোঁতে পৰেশ ভট্ট-
হঁতৰ চিনাকি হৈছিল। পৰেশ ভট্টৰ ঘৈণীয়েক জীয়েকহঁতে আনৰদৰে
অন্তঃপুতে সোমাই নেথাকি বাহিৰতো ফুৰা চকা কৰা দেখি চাহাৰ আৰু
মেমে সিহঁতক বিশেষভাৱে মৰম কৰিছিল। চাহাবে প্ৰতিবছৰে তেওঁৰ
জন্ম দিনত কৃষিপ্ৰদৰ্শনৰ মেলা এখন পাতে। এইবাৰ ৰৱদাসুন্দৰীয়ে
মেমৰ লগত দেখা কৰোঁতে ইংৰাজী কাব্য সাহিত্য ইত্যাদিত নিজৰ জীয়েক
কেইজনী ৰৱ পটু বুলি জনাইছিল গৈ। তাকে শুনি মেম চাহাবে হঠাতে
ক'লে, "এইবাৰ মেলালৈ লেফ্‌টেনেণ্ট গৱর্ণৰে ঘৈণীয়েকক লগত লৈ
আহিব। আপোনাৰ ছোৱালী কেইজনীয়ে তেখেতসকলৰ আগত এখন
সৰুসুৰা ইংৰাজী কাব্যনাট্য অভিনয় কৰিব পাৰিলে ৰৱ ভাল কথা হব।"
এই প্ৰস্তাৱটো শুনি ৰৱদাসুন্দৰী খুব উৎসাহিত হ'ল। আজি সেইবাৰেই
তেখেতে জীয়েক কেইজনীক লৈ তেখেতৰ কোনোবা এগৰাকী বান্ধৱীৰ
ঘৰলৈ আখৰা দিয়াবলৈ গৈছে। এই মেলাখনলৈকে গোৱা আহিব
পাৰিবনে নোৱাৰে বুলি হাৰানে সুধিলত গোৱাই কিছু অনাৱশ্যক খঙেৰে
সৈতে নোৱাৰোঁ বুলি ক'লে। এই কথাৰপৰাই আমাৰ দেশৰ ইংৰাজী
ভাৰতীয়ৰ সম্বন্ধ আৰু পৰস্পৰৰ সামাজিক সম্মিলনৰ বাধা, ইত্যাদি কথা লৈ
দুয়োৰে মাজত ভালকৈয়ে তৰ্ক লাগিল।

হাৰানে ক'লে,—"আমাৰেই দোষ। আমাৰ কু-সংস্কাৰ আৰু কু-
প্ৰথাবোৰ ইমান বেচি যে সিহঁতৰ লগত মিলিবলৈ আমি যোগ্যই
নহওঁ।"

গোৱাই ক'লে,—"যদি এইবোৰ কথা সঁচাই, তেনেহলে এই যোগ্যতা
থকা স্বত্বেও ইংৰাজৰ লগত মিলিবলৈ আগবাঢ়ি যোৱাটো আমাৰ পক্ষে
লাজ লগা কথা।"

হাৰানে ক'লে, "কিন্তু যোগ্য হোৱাবোৰক ইংৰাজবোৰে যথেষ্ট আদৰ
সাদৰ কৰে—যেনে এখেতসকল।"

গোৱা—এজনক সমাদৰ কৰিলে আনবোৰৰ অনাদৰ বেচিকৈ পৰে। এনেকুৱা সমাদৰক মই অপমান বুলিহে গণ্য কৰোঁ।

চাওঁতে চাওঁতে হাৰান মাষ্টৰ খণ্ডত জ্বলি-পকি উঠিল আৰু বাক্যশেলেৰে বাৰে বাৰে তেওঁক খকা-সৰকা কৰিবলৈ ধৰিলে। দুয়োৰে এইদৰে তৰ্কা-তৰ্কি লাগি থাকোঁতে সুচৰিতাই মেজৰ ফালে বহি বিচনীৰ আৰেঁৰে গোৰালৈ একে থৰে চাই আছিল। কথা-বতৰাৰোৰ তাইৰ কাণত সোমাইছিল হয়, কিন্তু মনত হৈ নাছিল। সুচৰিতাই গোৰালৈ, এইদৰে চাই থকা বুলি নিজে হলেও বৰ লাজ পালেহেঁতেন। কিন্তু তাই নিজেই একেবাৰে বাকৈয়ে আপোনপাহৰি তালৈ চাই আছিল। গোৰাই তাৰ যোৰ টেবুলৰ ওপৰত থৈ সমুখলৈ হাঁলি বহি আছিল। তাৰ কপালৰ ওপৰত লেমৰ পোহৰ পৰিছিলহি। তাৰ মুখত মাজে জ্ঞাৰ হাঁহি বিৰিঙিছিল। মাজে মাজে ঘিণতে কোঁচ খাই উঠিছিল মুখৰ প্ৰতিটো ভাঁজতে এটি আত্ম-মৰ্য্যাদাৰ গৌৰৱ জিলিকি উঠিছিল ঘিৰোৰ কথা কৈছিল সেইবোৰ যে মাথো সাময়িক বাক্-বিতণ্ডা কোৱা কথা নহয়, বহুদিন ভাবি-চিন্তি নিঃসন্দেহ হৈ হে যে সি কথা কৈছিল, তাৰ মনত যে কোনো দ্বিধা, দুৰ্ব্বলতা বা আৰ নাছিল—এইটো মাথোন তাৰ মাততে নহয়, তাৰ গোটেই শৰীৰতে ভাৰে ফুটি উঠিছিল। সুচৰিতাই অবাক হৈ তালৈ চাবলৈ ধৰিলে। নৰ অতবোৰ দিন পাৰ হৈ অহাৰ পিচত আজিয়েই প্ৰথম এজন যেন মানুহ ৰূপেহে, বিশেষ পুৰুষ ৰূপেহে সুচৰিতাৰ চকুত পৰিল। তেওঁক আৰু আন দহজনৰ লগত বিজাব নোৱাৰিলে। এই গোৰা লাগিয়েই হাৰান মাষ্টৰে নিজেই নিজকে লঘু কৰিলে। হাৰান মাষ্টৰ গঠন, মুখৰ গঢ়-পিত, তেওঁৰ চাল-চলন, আন কি তেওঁৰ কানি সাজ-পোছাকবোৰেও যেন তেওঁক বিদ্ৰূপ কৰিবলৈ অতদিনে বিনয়ৰ লগত গোৰাৰ বিষয়ে আলোচনা কৰি গোৰাক এটা বিশেষ দলৰ, এটা বিশেষ মত থকা অসামান্য মানু ভাবিছিল। গোৰাই দেশখনৰ কিবা এটা মঙ্গল উদ্দেশ্য সাধন পাৰিবও পাৰে বুলি তাই ভাবিছিল। আজি কিন্তু গোৰাৰ মুখলৈ চাওঁতে চাওঁতে সুচৰিতাই তাক সকলো দল, সকলো মত সকলো শ্যাদেপৰা সুকীয়াকৈ একমাত্ৰ মাথোন গোৰাৰ ৰূপতহে দেখা জোনটোক সমস্ত প্ৰয়োজন সকলো ব্যৱহাৰৰ অতীত বুলি জানিও

যেনেকৈ উত্তাৰল হৈ উঠে ঠিক তেনেকৈ আজি সুচৰিতাৰ অন্তৰে সকলো পাহৰি, সকলো বুদ্ধি সংস্কাৰ আন কি গোটেই জীৱনটোকে অতিক্ৰম কৰি যেন চাৰিওফালে উদ্ভাসিত হৈ উঠিল। মানুহ নো কি, মানুহৰ আত্মা নো কি, সুচৰিতাই আজি প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে। এই অপূৰ্ব্ব অনুভূতিয়ে তাইক নিজৰ অস্তিত্বকে পাহৰাই পেলোৱালে।

হাৰান মাষ্টৰে সুচৰিতাৰ এই মুগ্ধতা মন কৰি আছিল। সেই বাবে বাৰে বাৰে তেওঁৰ তৰ্কৰ যুক্তিবোৰে আঁত হেৰুৱাইছিল। অৱশেষত তেওঁ এবাৰ একেবাৰে অধৈর্য্য হৈ চকীৰপৰা উঠি সুচৰিতাৰ কাষলৈ গৈ অতি আপোনৰ দৰে ক'লে,—"সুচৰিতা, এবাৰ সৌটো কোঠালৈ ব'লাচোন, তোমাৰ লগত এটা কথা আছে।"

সুচৰিতা চকখাই উঠিল। তাইক যেন কোনোবাই চৰ এটাহে মাৰিলে। অৱশ্যে হাৰান মাষ্টৰে তাইক এনেকৈ মাতিব পৰা ঘনিষ্ঠতা যে নাই সেইটো নহয়। আন সময়ত হোৱা হ'লে তাই একো নেভাবিলেও হয়। আজি গোৰা আৰু বিনয়ৰ সমুখত তাই বৰ অপমান পোৱা যেন লাগিল। বিশেষকৈ গোৰাই তাইৰ মুখলৈ এনে এক ধৰণে চালে যে তাৰ বাবে তাই হাৰানক কোনো বকমে ক্ষমা কৰিব নোৱাৰিলে। প্ৰথমতে তাই একোকে শুনাৰ ভাও জুৰি মনে মনে বহি থাকিল। হাৰান মাষ্টৰে তেতিয়া অলপ বিৰক্তি দেখুৱাই আকৌ ক'লে, "শুনিছা নে নাই সুচৰিতা? মোৰ এটা কথা আছে, এবাৰ সৌটো কোঠালৈ ব'লা।"

সুচৰিতাই তেওঁৰ মুখলৈ নোচোৱাকৈয়ে ক'লে,—"আপুনি অলপ ৰওক —দেইতা আহক, তেতিয়া আপোনাৰ কি কৰলগীয়া আছে কব।"

বিনয়ে উঠি ক'লে,—"আমিয়েই নহলে যাওঁ দিয়ক।"

সুচৰিতাই লৰালৰিকৈ ক'লে,—"নহয়, চেটাৰ্জ্জীদেউ, আপোনালোক নোৱাৰে। দেউতাই আপোনালোকক বহিবলৈ কৈ গৈছে; তেখেত এতিয়া আহি পাবহি।" তাইৰ মাতত এটা ব্যাকুল অনুৰোধৰ সুৰ ফুটি ওলাল। হৰিণীক যেন ব্যাধৰ আগত এৰি দিয়াৰ প্ৰস্তাৱ হে কৰা হৈছিল।

"মই কিন্তু থাকিব নোৱাৰোঁ, ময়েই তেনেহলে যাওঁ।" এই বুলি হাৰান মাষ্টৰ ভোঁ ভোৱাই গুচি গ'ল গৈ। খঙৰ ভমকতে আলিবাটলৈ ওলাই আহিয়েই তেওঁ অনুতাপ কৰিবলৈ ধৰিলে। কিন্তু তেতিয়া আৰু উভতি যাবলৈকো উপায় নাছিল।

হাৰান গুচি যোৱাৰ পিচত সুচৰিতাই লাজতে ৰঙা-চঙা পৰি তললৈ মুখ কৈ বহি থাকিল। তাই নো কি কবিব, কি কথা কব—একোকেই

ভাবি নেপালে। এই সুযোগতে গোবায়ো তাইৰ মুখলৈ ভালে
সুবিধা পালে। গোবাই শিক্ষিত ছোৱালীবোৰক অতি উদ্ধত
বুলিয়েই ভাবিছিল। কিন্তু সুচবিতাৰ মুখত এইবোৰৰ নে
নাইচোন! তাইৰ মুখত এটা বুদ্ধিৰ দীপ্তিহে জিলিকি আছে
আৰু লাজেৰে ৰাঙলী হৈ সেই দীপ্তি ইমান শুৱনি আ কোমল
মুখৰ গঢ়টোও ইমান নিখুঁতভাৱে ধুনীয়া! চেলাউৰি জুৰি
কপালখন শৰতৰ আকাশৰ দৰেই নিৰ্ম্মল আৰু নিমজ। ওঁঠ যুৰি
কিন্তু নোকোৱা কথাৰ মাধুৰীখিনি যেন ওঁঠ যুৰিৰ মাজত কো
এটি হৈ হে ফুলি আছে। আধুনিকা জীয়ৰী ছোৱালীৰ সাজ-
গোবাই আগতে কেতিয়াও চকু দিয়া নাছিল। নোচোৱাকৈয়ে
সি ঘিণ কৰিছিল। আজি কিন্তু সুচবিতাই পিন্ধা সাড়ীৰ নতু
তাৰ ভালেই লাগিল। সুচবিতাই এখন হাত মেজৰ ওপৰত
ব্লাউজে ঢাকি নোথোৱা হাতৰ ওলাই থকা অংশকণ আজি গো
এখনি কোমল অন্তৰৰ এষাৰ কল্যাণময় বাণীৰ দৰেই লাগিল।
পোহৰেৰে উজলাই যোৱা সেই শান্ত সন্ধিয়াত সুচবিতাৰ লগত
পোহৰখিনি, বেৰত আঁৰি থোৱা ছবিবোৰ, কোঠাটোত পৰিপাটি
থোৱা বস্তুবোৰ আজি এটি বিশেষ ৰূপেৰে তাৰ চকুত ধৰা দিলে
খন যে এখন ঘৰ, সেইখন যে লখিমী হাতৰ পৰশ আৰু যত্ন
চেনেহ আৰু সৌন্দৰ্য্যৰ আকৰ, তলৰ দেৱাল আৰু বাটাৰ
ঘৰ এটা মাথো নহয়, এই কথা আজি এক নিমিষতে গোবা
আগত ভাঁহি উঠিল। গোবাই আজি তাৰ চৌপাশৰ আকাশখনত
সত্তা অনুভৱ কৰিলে। চাৰিওফালৰপৰা এটি আনন্দৰ জোৱাৰ
তাৰ অন্তৰত থৌকি-বাথৌ লগালেহি। কিবা এটা নিবিড়তাই
আৰৰি ধৰিলেহি। সি জীৱনত আজিলৈকে কেতিয়াও এনে
অনুভূতি অনুভৱ কৰা নাছিল। চাওঁতে চাওঁতে সুচবিতাৰ
বাগৰি পৰা চুলিডালৰপৰা তাইৰ ভৰিৰ কাষত পৰি থকা
পাৰিটোলৈকে সকলোবোৰেই গোবাৰ মানত অতি সত্য আৰু
বিশেষ যেন লাগিল।

কিছু পৰ কোনেও একো কথা-বতৰা নোকোৱাত আটাইখি
অপ্রস্তুত হৈ পৰিল। বিনয়ে তেতিয়া সুচবিতালৈ চাই ক'লে,
আমাৰ এই বিষয়ে কথা ওলাইছিল"—এই বুলি সি এটা কথা উলি
সি ক'লে, "আপোনাক তো কৈছোঁৱেই—মোৰ এনে দিনো গৈ

ভাবিছিলোঁ যে আমাৰ দেশৰ হকে, সমাজৰ হকে কিবা কৰিবৰ একো
দৰকাৰেই নাই। ভাবিছিলোঁ আমি সদায় নাবালক হৈ থাকিম আৰু
ইংৰাজবোৰ আমাৰ সদায় অভিভাৰক হৈ থাকিব। য'ত যিটো বস্তু যিদৰে
আছে ঠিক সেইদৰে সদায় থাকিব। ইংৰাজৰ প্ৰবল শক্তি আৰু সমাজৰ
জড়তাৰ বিৰুদ্ধে যুজিবলৈ আমাৰ শক্তি নাই। আমাৰ দেশৰ মধ্যবিত্ত
মানুহবোৰে নিজ নিজ চাকৰিৰ উন্নতিৰ বাহিৰে আন একো কথাকে
ভাবিব নোৱাৰে। চহকী মানুহে চৰকাৰৰপৰা কিবা উপাধি পালেই
জীৱন সাৰ্থক হোৱা বুলি ভাবে। আমাৰ জীৱনৰ যাত্ৰাপথ অতি ঠেক
আৰু সীমাবদ্ধ। সুদূৰ উদ্দেশ্যৰ কথা আমাৰ মগজতে নোসোমায়, আৰু
তাৰ বাবে কিবা যা-যোগাৰ কৰাটোও আমি অনাৱশ্যক বুলি ভাবোঁ।
এসময়ত ময়ো গোবাৰ দেউতাকক ধৰি মেলি এটা চাকৰিতে সোমাম বুলি
ভাবিছিলোঁ। ঠিক সেই সময়তে গোবাই মোক "তুমি চৰকাৰৰ চাকৰি
কোনোমতে কৰিব নোৱাৰা' বুলি ক'লে।"

এই কথাষাৰ শুনি সুচবিতা অবাক হোৱা দেখি গোবাই ক'লে,—
"চৰকাৰৰ ওপৰত খঙতে মই এনে কথা কৈছিলোঁ বুলি আপুনি নেভাবিব।
চৰকাৰৰ চাকৰি কৰা মানুহবোৰে চৰকাৰৰ শক্তিকে নিজৰ শক্তি বুলি গৰ্ব্ব
কৰে আৰু দেশৰ আন মানুহবোৰৰপৰা আঁতৰত থাকি সিহঁতে এটা
সুকীয়া দলৰ সৃষ্টি কৰে। দিন যোৱাৰ লগে লগে আমাৰ এই মনো-
ভাবটো বাঢ়িছেহে। মোৰ লগা ভগা মানুহ এজন তাহানিৰ হাকিম
আছিল। এতিয়া তেখেতে কাম এৰি দিছে। জিলাৰ ৰৰচাহাবে
তেখেতেক এবাৰ সুধিছিল,—'ডাঙৰীয়া, তোমাৰ বিচাৰত ইমান বেচি
মানুহ খালাচ হয় কিয় ?' তেখেতে উত্তৰ দিছিল, 'চাহাব, তাৰ এটা কাৰণ
আছে। তুমি জেলত দিয়া মানুহবোৰ তোমাৰ মনত কুকুৰ মেকুৰীৰ লেখীয়া
কিন্তু সিহঁত যে মোৰ ভাই ককাইৰ লগৰ।' তেতিয়াৰ দিনতো ইমান ডাঙৰ
কথা কৰ পৰা হাকিম আছিল আৰু ইমান ডাঙৰ কথা শুনিব পৰা
ৰৰচাহাবৰো অভাৱ নাছিল। কিন্তু দিন যোৱাৰ লগে লগে চাকৰি বিচাৰি
টলৌ টলৌকৈ ঘূৰি ফুৰাটো অঙ্গৰ ভূষণ হৈ পৰিছে আৰু আজি-কালি হাকিম-
মোৰৰ মানত তো দেশৰ আন মানুহবোৰ লাহে লাহে কুকুৰ-মেকুৰীৰ লগৰে
হৈ পৰিছে। এইদৰে চাকৰিৰ উন্নতিৰ লগে লগে সিহঁতৰ অধঃপতন যে
হৈছে—এই কথা অনুভৱ কৰিব পৰা শক্তিও আন কি সিহঁতৰ নাইকিয়া হৈ
গৈছে। পৰৰ কান্ধত ভেঁজা দি আমাৰ আপোন মানুহবোৰক তুচ্ছ চকুৰে চাই
সিহঁতৰ প্ৰতি অবিচাৰ কৰিলে আমাৰ কেতিয়াও মঙ্গল হব নোৱাৰে।"

এই বুলি গোৱাই মেজৰ ওপৰত জোৰেৰে ভুকু এটা মাৰিলে। ওপৰত থকা লেমটো জোকাৰ খাই উঠিল। বিনয়ে ক'লে,—এই মেজখন চৰকাৰৰ নহয় আৰু লেমটোও এখেতসকলৰহে।

শুনি গোৱাই জোৰেৰে হাঁহি দিলে। তাৰ হাঁহিৰ শব্দ গোটেই বন্-জনাই গ'ল। ঠাট্টা কৰা শুনি গোৱাই সৰু লৰাৰ দৰে হাঁহি পেলোৱা দেখি সুচৰিতা আচৰিত হল। লগে লগে তাৰো হাঁহিৰ পাৰে বুলি তাই তেতিয়ালৈকে নেজানিছিল।

গোৱাই সেইদিনা বহুতো কথা ক'লে। সুচৰিতাই মনে মনে আছিল যদিও তাইৰ মুখত ফুটি ওলোৱা নিৰ্ব্বাক সন্মতিয়ে গোৱাক মাত্ৰাই উৎসাহিত কৰি তুলিছিল। অৱশেষত গোৱাই সুচৰিতাক বিশেষকৈ উদ্দেশ্য কৰি ক'লে,—"চাওক, সদায় এটা কথা মনত ইংৰাজ শক্তিশালী হৈ উঠা দেখি আমিও ইংৰাজ নহলে শক্তিশালী হব নোৱাৰিম—এনেকুৱা ভুল সংস্কাৰ লৈ থাকিলে নকল কৰোঁতে কৰোঁতে শেষত দুয়োপক্ষৰেপৰা আমি খেদা খাব এইটো কথা ধুৰুপকৈ জানিব যে ভাৰতবৰ্ষো এটি বিশেষ প্ৰকৃতি শক্তি বিশেষ সত্য আছে। এইবোৰৰ পৰিপূৰ্ণ বিকাশৰদ্বাৰা সাৰ্থক হব, ভাৰতে মুক্তি পাব। ইংৰাজ জাতিৰ বুৰঞ্জীৰপৰা টোকে শিকিব পৰা নাই যদি সকলো ভুলকেহে শিকিলোঁ। মই এইটোৰেই অনুৰোধ কৰিছোঁ যে আপুনি ভাৰতবৰ্ষৰ ভিতৰলৈ আহক, ভাৰতৰ আটাইবোৰ ভাল-বেয়াৰ মাজত আহি থিয় হৈ আঁতৰাই দিয়ক। এই ভাৰতবৰ্ষখনলৈ চাওক, বুজক, এইখনৰ ভাবক, এইখনৰ লগত মিলি যাওক। এই ভাৰতখনৰ বিৰুদ্ধে সৰুৰেপৰা হাড়ে হিমজুৰে খৃষ্টানি সংস্কাৰেৰে দীক্ষিত হৈ আপুনি এই ভাৰতবৰ্ষখনৰ একোকেই বুজিব নোৱাৰিব। এইখনক আঘাতহে কৰিব পাৰিব, তাৰ বাহিৰে আন একো কামকে কৰিব নোৱাৰিব।"

গোৱাই 'মোৰ অনুৰোধ' বুলি কৈছিল হয়, কিন্তু সেইটো নাছিল যেন আদেশহে আছিল। তাৰ কথাৰ দৃঢ়তাই আনৰ অপেক্ষাকে নকৰিছিল। সুচৰিতাই তলমুকৈ আটাইবোৰ কথাকে গোৱাই বিশেষভাৱে তাইকে লক্ষ্য কৰি ইমান আগ্ৰহেৰে সৈতে কোৱা শুনি তাইৰ মনত এটা আলোড়নৰ সৃষ্টি হ'ল। সেইটো

আলোড়ন এই কথা পিচে ভাবিবলৈ তেতিয়া তাইৰ সময়কে নাছিল। ভাৰতবৰ্ষৰ এটা বৃহৎ প্ৰাচীন সত্তা আছে বুলি সুচৰিতাই কেতিয়াও এক মুহূৰ্ত্তৰ কাৰণেও ভবা নাছিল। এই সত্তাই দূৰ অতীত আৰু সুদূৰ ভৱিষ্যৎক আৱিষ্কাৰ কৰি মানুহৰ বিৰাট ভাগ্য-জালৰ বিশেষ বৰণৰ সূতা এডাল বিশেষভাৱে নিভৃতে গাঁঠি গৈছে। সেই সূতা যে কিমান বিচিত্ৰ কিমান ক্ষুদ্ৰ আৰু কিমান সুদূৰ সাৰ্থকতাৰ লগত তাৰ সম্বন্ধ—গোৱাৰ প্ৰবল কণ্ঠৰ মাত শুনিহে সুচৰিতাই আজি সেই কথা হঠাতে একৰকম উপলব্ধি কৰিলে। প্ৰত্যেক ভাৰতবাসীৰ জীৱন যে ইমান ডাঙৰ সত্তাৰদ্বাৰা বেষ্টিত আ অধিকৃত, এই কথা সচেতনভাৱে অনুভৱ কৰিব নোৱাৰিলে আমি যে কিমান ক্ষুদ্ৰ আৰু চৌপাশৰ বিষয়ে যে কিমান অন্ধ হৈ কাম কৰোঁ— এই কথা এক নিমিষতে সুচৰিতাৰ আগত প্ৰকাশ হৈ পৰিল। সেই হঠাৎ পোৱা আনন্দৰ আৱেগত সুচৰিতাই তাইৰ সকলো সঙ্কোচ কাতি কৰি নায়ক ক'লে, "মই দেশৰ কথা এতিয়াও ইমান ডাঙৰ কৰি এনেকৈ আৰু ইমান সত্য ভাৱে চিন্তা কৰা নাই। কিন্তু এটা কথা সোঁ— ৰ্ম্মৰ লগত দেশৰ যোগ কি? ধৰ্ম্ম জানো দেশৰ অতীত নহয়?"

সুচৰিতাই মৃদুস্বৰেৰে সোধা প্ৰশ্নটো গোৱাৰ কাণত বৰ মিঠা যেন লাগিল। সুচৰিতাৰ বহল চকুহালিৰ মাজত এই প্ৰশ্নটো আৰু বেচি নীয়া হৈ পৰিল। গোৱাই ক'লে,—"দেশৰ যি অতীত দেশতকৈয়ো যি হুতো ডাঙৰ সিয়েই দেশৰ মাজেদি প্ৰকাশ পায়। ভগৱানে এইদৰেই তো ন ন ৰূপেৰে অনন্ত স্বৰূপক প্ৰকাশ কৰিছে। যিবোৰে সত্যক থোন এটা বুলি ভাবি মাথোন ধৰ্ম্মকে সত্য, ধৰ্ম্মৰ একেটা মাথোন ৰূপকে ত্য বুলি ভাবে, সিহঁতে সত্যক মাথোন এটা সত্য বুলিয়েই মানে—সত্য ুলি বিশ্বাস কৰিব নোখোজে। এক অন্তহীনে বহুতো ন্তহীনৰ মাজত বিৰাজমান। জগতত এনেকুৱা লীলাকেই তো সদায় খিছোঁ। সেয়েহে বিচিত্ৰ ধৰ্ম্ম মতবদ্বাৰা ভগৱানে এক ধৰ্ম্মৰাজ্যকেই োৱাইছে। ভাৰতবৰ্ষৰ মুকলি খিড়িকীদিয়েই আপুনি সূর্য্য দেখা পাব লি মই আপোনাক ন দি কৈছোঁ। তাৰ বাবে সাগৰৰ পাৰলৈ গৈ খৃষ্টান র্জাৰ খিড়িকীৰ মুখত বহাৰ একো প্ৰয়োজন নাই।"

সুচৰিতাই ক'লে,—"ভাৰতবৰ্ষৰ ধৰ্ম্মতন্ত্ৰই এটি বিশেষ বাটেদি ঈশ্বৰৰ লৈ যায় বুলি আপুনি কব খোজে। কিন্তু বিশেষত্বটো নো কেনেকুৱা?

গোৱাই ক'লে,—"সেইটো হৈছে, যি ব্ৰহ্ম নিৰ্ব্বিশেষ সেই ব্ৰহ্ম বিশেষৰ তেই ব্যক্ত। কিন্তু সেই ব্ৰহ্মৰ বিশেষৰ শেষ নাই। জল, স্থল, বায়ু,

অগ্নি প্রাণ বুদ্ধি, প্রেম আটাইবোৰেই তেওঁৰ বিশেষ। গণি-পতি
অন্ত কৰিব নোৱাৰি। আজিৰ বিজ্ঞানে সেইজনক জানিবৰ
ঘমাই মৰিছে। যি জন নিৰাকাৰ তেওঁৰ আকাৰৰ শেষ নাই।
স্থূল-সূক্ষ্মৰ অনন্ত প্ৰৱাহ সেইজনৰেই। যি জন অনন্ত বিশে
নিৰ্বিশেষ, যি জন অনন্ত-স্বৰূপ তেৱেঁই অৰূপ। আন আন
ৰানক কম-বেচি পৰিমাণে এটি সীমাৰ মাজত বান্ধি ৰাখিব
ভাৰতবৰ্ষয়ো বিশেষ ৰূপেৰে পাৰলৈ খোজে হয়, কিন্তু সেই বিশে
ভাৰতবৰ্ষই একমাত্ৰ আৰু চূড়ান্ত বুলি অনন্ত গুণেৰে অতিক্ৰ
ুলি ভাৰতবৰ্ষৰ কোনো ভক্তই কেতিয়াও নুই নকৰে।"

সুচৰিতাই সুধিলে,—"জ্ঞানীয়ে নকৰে, কিন্তু অজ্ঞানীয়ে ?"

গোৰাই ক'লে,—"সকলো দেশৰ সকলো সত্যকে অজ্ঞানীয়ে
কৰে বুলি চোন মই আগতেই কৈছোঁ।"

সুচৰিতাই ক'লে,—"কিন্তু আমাৰ দেশত এই ৰোগে জা
দ'লৈকে শিপোৱা নাই ?"

গোৰাই ক'লে,—"সেইটো হব পাৰে। তাৰ কাৰণ হ'ল,
ধৰ্ম্মৰ স্থূল আৰু সূক্ষ্ম অন্তৰ আৰু বাহিৰ শৰীৰ আৰু আত্মা—এই
অঙ্গকে পৰিপূৰ্ণভাৱে স্বীকাৰ কৰিব খুজিছে বুলিয়েই সূক্ষ্মক
নোৱাৰাবোৰে স্থূলটোকে গ্ৰহণ কৰে আৰু অজ্ঞানতাৰ বাবে
নানান ধৰণে বিকৃত কৰি পেলায়। কিন্তু যি জনে ৰূপত অৰূপ
সূক্ষ্মাত, ধ্যানত—প্ৰত্যক্ষত সত্য ৰূপে বিৰাজ কৰিছে, সেই জনক
দেহে-মনে কৰ্ম্মেৰে একান্তভাৱে উপলব্ধি কৰিবলৈ যি আচৰিত
বৃহৎ চেষ্টা কৰিছে তাক আমি মূৰ্খৰ দৰে অশ্ৰদ্ধা কৰি ইউৰোপ
শতাব্দীৰ নাস্তিকতা-আস্তিকতা মিহলি এটা ঠেক নীৰস অদ্ভু
একমাত্ৰ ধৰ্ম্ম বুলি গ্ৰহণ কৰাটো কেতিয়াও উচিত নহয়।
সৰুৱেপৰা মানি অহা সংস্কাৰৰ কাৰণে মোৰ কথা কেতিয়াও
বুজিব নোৱাৰিব। হয়তো ভাবিব এই মানুহটোৰ ইংৰাজী
একোৱেই লাভ নহল। কিন্তু আপোনাৰ যদি কেতিয়াবা ভাৰতৰ
প্ৰকৃতি আৰু সত্য সাধনাৰ প্ৰতি শ্ৰদ্ধা ওপজে ভাৰতবৰ্ষই নিজে
হেজাৰ হেজাৰ বাধা-বিঘিনিৰ মাজেদিও প্ৰকাশ কৰিছে, সেই প্ৰকা
অন্তঃস্থলত আপুনি যদি কেতিয়াবা প্ৰৱেশ কৰিব পাৰে তেনেহলে
কিনো আৰু কম, আপোনাৰ ভাৰতীয় স্বভাৱক আপোনাৰ শক্তি
আকৌ ঘুৰাই পাই মুক্তি লাভ কৰিব পাৰিব।"

সুচৰিতা বহু বেলি মনে মনে বহি থকা দেখি গোৰাই আকৌ ক'লে,—
আপুনি মোক আকৌ মহা ভকত বুলি নেভাবিব। হিন্দু ধৰ্ম্মৰ বিষয়ে
কতবোৰে, বিশেষকৈ পাৰতগজা ভকতবোৰে যিদৰে কথা কয়, মোৰ
ধাৰোৱ আপুনি ঠিক সেইদৰে নলব। ভাৰতবৰ্ষৰ নানা ধৰণৰ প্ৰকাশ
মা আৰু বিচিত্ৰ চেষ্টাৰ মাজত মই এটা গভীৰ আৰু বৃহৎ ঐক্য দেখা
ইছোঁ, সেই ঐক্যৰ আনন্দতে মই বলিয়া হৈ পৰিোঁ। এই আনন্দতে
ারল হৈ ভাৰতবৰ্ষৰ মূৰ্খবোৰৰ দলৰ লগত একেলগে ধূলি-মাটিত বহিব-
কো মোৰ অকণো সঙ্কোচ নেলাগে। ভাৰতবৰ্ষৰ এই বাণী কোনোৱে
বুজে, কোনোৱে নুবুজে। বাৰু, সেইটো যিয়েই নহওক লাগে—মই
মোৰ ভাৰতবৰ্ষৰ সকলোৰে লগত একে। সিহঁত সকলোৱেই
আপোন। সিহঁত আটাইবে মাজত প্ৰতি মুহূৰ্ত্ততে চিৰন্তন ভাৰতবৰ্ষৰ
ুৰ আবির্ভাৱ হৈ আছে। এই বিষয়ে মোৰ মনত বিন্দু মাত্ৰ সন্দেহ নাই।"

গোৰাৰ গহীন মাতৰ কথাবোৰে কোঠাৰ দেৱাল, মেজ আৰু আন
টাইবোৰ বস্তু-বেহানিত ঠেকা খাই জন্‌জনাই উঠিল।

এই কথাবোৰ সুচৰিতাই একেবাৰে নিহৰ-নিপানীকৈ বুজি পাবলগীয়া
নহয়—কিন্তু অনুভূতিৰ প্ৰথম অস্পষ্ট সোঁতৰ গতি অতি কোবাল।
কটো যে মাথোন চাৰি বেৰৰ মাজত বা এটি দলৰ মাজত সীমাবদ্ধ
—এইটো অনুভৱ কৰি সুচৰিতাৰ কিবা এটা বেজাৰ লগা যেন লাগিল।
এনেতে খট্‌খটীত লাৱণ্যহঁতৰ হাঁহিৰ বোল আৰু ভৰিৰ খচ্ খচ্ শব্দ
গ'ল। ৰবদাসুন্দৰী আৰু জীয়েকহঁতক লৈ পৰেশ ভট্ট উভতি আহিছে।
ায়েদি উঠি আহোঁতে সুধীৰে কোনোবা এজনীক কিবা কৈ জোকাইছিল;
ৰাৰেই এই হাঁহিৰ খলকনি।

লাৱণ্য, ললিতা আৰু সতীশে কোঠাটোত সোমায়েই গোৰাক দেখি
সংযত হৈ থিয় দি থাকিল। অলপ পিচতে লাৱণ্য কোঠাটোৰপৰা
গ'ল। সতীশে বিনয়ৰ কাষলৈ গৈ তাৰ লগত ফুচফুচাই মেল আৰম্ভ
দিলে। ললিতাই চকী এখন টানি সুচৰিতাৰ পিচফালে একেবাৰে
ই প্ৰায় নেদেখা হৈ বহিল।

পৰেশ ভট্টই আহি ক'লেহি,—"আমাৰ উভতি আহোঁতে ৰৰ পলম
গ'ল। পানু মাষ্টৰ গ'ল গৈ নে কি ?"

সুচৰিতাই একো উত্তৰ নিদিলে। বিনয়ে ক'লে,—"হয়, তেখেত
ৰৰ নোৱাৰিলে।"

গোৱাই খিয় হৈ ক'লে,—"আজিলৈ আমি উঠোঁ। আ
এই বুলি পৰেশ ভট্টক অলপ হালি নমস্কাৰ কৰিলে।
পৰেশ ভট্টই ক'লে,—"আজি আৰু তোমালোকৰ
পাতিবৰ সময়কে নেপালোঁ। বোপাই, মাজে মাজে সময়
আহি থাকিবা।"

গোৱা আৰু বিনয় ঠিক যাবলৈ ওলাওঁতেই ৰৱদাসুন্দৰী
দুয়োৰে তেখেতক নমস্কাৰ কৰিলে। তেখেতে সুধিলে,—
যাবলৈ ওলালেই নে কি ?"

গোৱাই উত্তৰ দিলে,—"হয়।"

ৰৱদাসুন্দৰীয়ে বিনয়ক ক'লে,—"চেটাৰ্জ্জী বোপা, আ
নোৱাৰে। আপুনি ইয়াতে খাই-বৈ যাব লাগিব। আপোনাৰ
কামৰ কথাও আছে।"

সতীশে জপিয়াই উঠি বিনয়ৰ হাতত ধৰি ক'লে,—"
কৈছা আই, বিনয় ককাইদেউক আজি যাবলৈ নিদিবা। তেখেতে
আমাৰ ইয়াতে থাকিব লাগিব।"

বিনয়ে খতমত খাই একো উত্তৰ দিব নাই পৰা দেখি
গোৱাক ক'লে,—"চেটাৰ্জ্জী বোপাক আপুনি আপোনাৰ লগত
নে কি ? তেখেতক এতিয়া জানো আপোনাৰ কিবা দৰকাৰ
গোৱাই ক'লে,—"ওহোঁ একো দৰকাৰ নাই। বিনয়, তুমি
মই যাওঁ।"

এই বুলি গোৱা বেগাই গুচি গ'ল গৈ।

ৰৱদাসুন্দৰীয়ে বিনয় থকা নথকাৰ বিষয়ে গোৱাৰ মত
বিনয়ে এবাৰ ললিতাৰ ফালে নোচোৱাকৈ থাকিব নোৱাৰিলে
অলপ মুখ টিপি হাঁহি ঘূৰি বহিল।

ললিতাৰ এই সৰু-সুৰা হাঁহি-বিদ্ৰূপবোৰৰ লগত বিনয়ে
কৰিব নোৱাৰে, অথচ এইবোৰে তাক কাঁইটে বিন্ধাদি
কোঠালৈ আহি বহোঁতেই ললিতাই ক'লে,—"চেটাৰ্জ্জীদেউ,
পলোৱা হলেই ভাল কাম কৰিলেহেঁতেন।"

বিনয়ে সুধিলে,—"কিয় ?"

ললিতা—আয়ে আপোনাক বিপদত পেলাবলৈ পাণ্ডিছে।
মেলাত কৰিবলগীয়া অভিনয়ৰ বাবে এজন মানুহ কম হৈছে।
আয়ে আপোনাকে দিবলৈ ঠিক কৰিছে।

বিনয়ে আচবিত হৈ ক'লে,—"অ' সৰ্ব্বনাশ দেখোন। এইবোৰ তো
একো নেজানো।"

ললিতাই হাঁহি হাঁহি কলে.—"এই কথা মই আগতেই আইক কৈছোঁ।
পোনাৰ বন্ধুৰে আপোনাক কেতিয়াও এই অভিনয়ত যোগ দিবলৈ
দিয়ে।"

বিনয়ে খোঁচ খাই ক'লে,—"বন্ধুৰ কথা থৈ দিয়ক। মই সাত জন্মতো
তিয়াও থিয়েটাৰ কৰি পোৱা নাই। মইনো কেনেকৈ পাৰিম ?"

ললিতাই ক'লে,—"আমি হব পায় জন্ম-জন্মান্তৰ ধৰি থিয়েটাৰকে
ই আছোঁ।"

এনেতে ৰৱদাসুন্দৰী আহি বহিলহি। ললিতাই ক'লে,—"আই,
পুনি চেটাৰ্জ্জীদেউক থিয়েটাৰ কৰিবলৈ মিছাতে ৰখালে। আগেয়ে
খেতৰ বন্ধুক বাজী কৰাব পাৰিলেহে।"

বিনয়ে কাতৰ মাতেৰে ক'লে,—"বন্ধুৰ বাজী হোৱা নোহোৱালৈ তো
হোৱা নাই। জধে-মধে অভিনয় কৰিলেই তো নহব। মোৰ যে
টো গুণেই নাই।"

ৰৱদাসুন্দৰীয়ে ক'লে,—"আপুনি বাৰু সেইবোৰ ভাবিব নেলাগে।
আপোনাক শিকাই-বুজাই ঠিক কৰি লম। অকণ অকণ ছোৱালীবোৰে
বিনয়ৰ এইবাৰ আৰু সাৰিবৰ কোনো আশাই নেথাকিল।

২১

গোৱাই তাৰ স্বাভাৰিক খৰতকীয়া খোজ এৰি অন্যমনস্ক হৈ লাহে
হে ঘৰমুৱা হৈ যাবলৈ ধৰিলে। সি ঘৰলৈ পোন বাটেদি নগৈ বহুতো
-পকি গঙ্গাৰ পাৰৰ আলিটোৰেদি যাবলৈ ধৰিলে। তেতিয়াও বণিক
তাৰ লাভলোলুপ কুশ্ৰীতাৰ প্ৰতীক স্বৰূপ কলিকতাৰ গঙ্গাৰ পাৰত
লাইন আৰু পানীত দলং সজা হোৱা নাই। তেতিয়াৰ জাৰকালি
য়া আজিৰ দৰে চহৰৰ দুষিত নিশ্বাসে গোটেই আকাশ আবৰি নেপেলাই-
। তেতিয়াৰ দিনত নদীয়ে বহু দূৰৰ হিমালয়ৰ নিৰ্জ্জন গিৰিশৃঙ্গৰ
ধূলিৰে ধুঁৰলি-কুঁৰলী কলিকতাৰ ব্যস্ততাৰ মাজলৈ শান্তিৰ বাৰ্ত্তা বোৱাই
িছিল।

প্রকৃতিয়ে আজিলৈকে কেতিয়াও গোৱাৰ মন আকর্ষণ কৰি
পোৱা নাছিল। গোৱাৰ সদায় নিজৰ ভাবৰ চোৰেই নিজৰ মনলৈ
যি জল স্থল আকাশৰ তাৰ নিজৰ প্রচেষ্টাৰ লগত প্রত্যক্ষ
সম্বন্ধ নাই—সেইবোৰক সি কেতিয়াও লক্ষ্যই কৰা নাই।

কিন্তু আজি নদীৰ ওপৰৰ সৌ আকাশখনে আপোন নক্ষত্র
অভিষিক্ত এন্ধাৰেৰে গোৱাৰ হৃদয়ক বাৰে বাৰে নিমাতে ছুই গ'ল।
নদী শান্ত। গঙ্গাৰ পাৰৰ ঘাটত কিছুমান নাৱত চাকি
কিছুমান এন্ধাৰ, নিজান। সিপাৰৰ ডাঠ গছ-গছনি ডৰাৰ মাজত
ঘন হৈ পৰিছে। ঠিক তাৰ ওপৰতে বৃহস্পতি গ্রহই এন্ধাৰ
দৰে তিমিৰভেদী অপলক নয়নেৰে স্থিৰ হৈ আছে।

আজিৰ এই বিৰাট নিজান প্রকৃতিয়ে গোৱাৰ শৰীৰ আৰু
অভিভূত কৰি পেলালে। গোৱাৰ কলিজাৰ লগত সমানে
আকাশৰ বিৰাট এন্ধাৰবোৰো কঁপিবলৈ ধৰিলে। অতদিন
ধৈর্য্য ধৰি স্থিৰ হৈ আছিল—আজি কিন্তু গোৱাৰ অন্তৰৰ
মুকলি পাই মুহূর্ত্ততে সেই অসতর্ক দুর্গটো প্রকৃতিয়ে আপোন
ইমানদিন গোৱা নিজৰ বিদ্যা-বুদ্ধি চিন্তা আৰু মর্ম্ম লৈ
আছিল—আজি পিচে কি হ'ল! আজি কৰবাত সি প্রকৃতি
কৰিলে আৰু সেই মুহূর্ত্ততে এই গভীৰ ক'লা গঙ্গাৰ বুকু,
গঙ্গাৰ পাৰ আৰু এই উদাৰ ক'লা আকাশে তাক বৰণ কৰি
প্রকৃতিৰ ওচৰত কেনেবাকৈ গোৱা ধৰা পৰি গ'ল।

বাটৰ কাষৰ কোম্পানীৰ অফিচৰ বাগিচাৰ কোনোবা
অচিনাকি ফুলৰ মৃদু নির্ম্মল গোন্ধে গোৱাৰ ব্যাকুল হৃদয়ক
হাত বুলাই দিবলৈ ধৰিলে। নদীয়ে তাক লোকালয়ৰ অশান্ত
পৰা কোনোবা এক উর্দ্দেশ্যহীন সুদূৰৰ পিনে আঙুলিয়াই
তাত নির্জ্জন নৈৰ পাৰত গছবোৰে শাখা মেলি কি যেন ফুল
কেনে কোমল ছাঁ পেলাইছে! তাত নির্ম্মল নীল আকাশৰ
যেন কাৰ চকুৰ উন্মীলিত দৃষ্টি আৰু নিশাবোৰ যেন কাৰ
লাজুকি ছাঁ। চাৰিও পিনৰপৰা মাধুর্য্যৰ এক আৱর্ত্ত আহি
এনে এটা অতলস্পর্শ অনাদি শক্তিৰ আকর্ষণে টানি লৈ গ'ল
এটা শক্তি এই জগতত আছে বুলি তো গোৱাই কেতিয়াও
এই শক্তিয়ে একে সময়তে বেদনা আৰু আনন্দত গোৱাৰ
ইমূৰৰপৰা সিমূৰলৈ ডুবাই পেলালে। আজি এই হেমন্ত

ত, নগৰৰ অব্যক্ত কোলাহল আৰু নক্ষত্রৰ ক্ষীণ পোহৰত গোৱা বিশ্ব-
পিনী কোনোবা অবগুণ্ঠিতা মায়াবিনীৰ সমুখত আপোন পাহৰি থিয়
ল। এই মহাৰাণীৰ ওচৰত গোৱাই ইমান দিনে মূৰ দোঁওৱা নাই
য়েই হৰ পায় আজি অকস্মাতে তেওঁৰ শাসনৰ ইন্দ্রজালে নিজৰ সহস্র-
সূত্রেদি গোৱাক জল স্থল আকাশৰ লগত চাৰিও ফালৰপৰা বান্ধি
লে। গোৱাই নিজে নিজকে পাহৰি নদীৰ জনশূন্য ঘাটৰ এটা
টীত বহি পৰিল। বাৰে বাৰে সি নিজকে প্রশ্ন কৰিবলৈ ধৰিলে—তাৰ
লত এইয়া কিহৰ আৰির্ভাৱ আৰু ইয়াৰ প্রয়োজনেই বা কি? যি
পৰদ্বাৰা সি ইমান দিনে তাৰ নিজৰ জীৱনক সম্পূর্ণভাৱে বিধিৰদ্ধ
মনে মনে সজাই লৈছিল, তাৰ ভিতৰত ইয়াৰ ঠাই ক'ত? এইয়া
সেই সঙ্কল্পিত জীৱনাদর্শৰ বিৰুদ্ধবাদী? যুঁজ কৰি জানো ইয়াক
ষ্ট কৰিব লাগিব? এই বুলি ভাবি যি মুহূর্ত্তেই গোৱাই দৃঢ়ভাৱে মুঠি
লে ঠিক তেতিয়াই বুদ্ধিত উজ্জ্বল আৰু নম্রতাত কোমল দুটি স্নিগ্ধ
ৰ প্রশ্নকৌতুক দৃষ্টি তাৰ মনৰ ভিতৰত জ্বলি উঠিল—কোনোবা অনিন্দ্য
হাত এখনিৰ আঙুলি কেইটাই স্পর্শ সৌভাগ্যৰ অনাস্বাদিত অমৃত
ধ্যানৰ সমুখত তুলি ধৰিলে। গোৱাৰ গোটেই শৰীৰত আনন্দৰ
নী খেলি গল। অকলে অকলে অন্ধকাৰৰ ভিতৰত এই গভীৰ অনু-
য়ে তাৰ সকলো প্রশ্ন, সকলো দ্বিধাকে একেবাৰে অন্ত কৰি পেলালে।
এই নতুন অনুভূতিক সি সকলো দেহ-মন দি উপভোগ কৰিবলৈ
লে—ইয়াক এৰি উঠি যাবলৈ তাৰ সত নগল।

বহু ৰাতি গোৱা ঘৰলৈ উভতি অহাত আনন্দময়ীয়ে সুধিলে,—"বহুত
কৰিলি দেখোন বোপাই? তোৰ ভাত-পানী একেবাৰে চেঁচা
।"

গোৱাই কলে,—"জানো আই, আজি জানো মোৰ কি মন গ'ল,
নেলি গঙ্গাৰ ঘাটতে বহি আছিলোঁ।"

আনন্দময়ীয়ে সুধিলে,—বিনয়ো তোৰ লগত আছিল নে কি?"

গোৱাই ক'লে,—"ওঁহো, মই অকলেই আছিলোঁ।"

আনন্দময়ীয়ে পেটে পেটে অলপ আচৰিত হ'ল। আজিৰ দৰে বিনা
জনত গোৱাই অত নিশালৈকে গঙ্গাৰ ঘাটত বহি বহি ভাবি থকাৰ
না ঘটনা আগতে কেতিয়াও ঘটা নাছিল। গোৱাই ভাতখাই থাকোঁতেও
নময়ীয়ে তাৰ মুখত আজি এটা বেলেগ ধৰণৰ উতলা ভাবৰ ঢোৰে
খা যেন মন কৰিছিল।

কিছু বেলিৰ পিচত আনন্দময়ীয়ে লাহেকৈ সুধিলে,—"তুমি পাই বিনয়ৰ তালৈ গৈছিলি ?"

গোৰাই কলে,—"ওঁহো, আজি আমি দুয়ো ভট ডাঙৰীয়ালৈ গৈছিলোঁ।"

কথাষাৰ শুনি আনন্দময়ীয়ে কিছু পৰ মনে মনে ভাবিলে। অলপ পিচত তেখেতে আকৌ সুধিলে, "তেখেতসকলৰ সকলো তোৰ চিনা-জনা হ'লনে নাই ?"

গোৰাই ক'লে,—"ওঁ হৈছে।"

আনন্দময়ী—সিহঁতৰ ঘৰৰ মাইকী মানুহবোৰে সকলোৱে ওলোৱা-সোমোৱা কৰে নহয় নে ?

গোৰা,—ওঁ, সিহঁতৰ তেনেকুৱা একো সংস্কাৰ নাই।

আনদিনা সাধাৰণতে গোৰাই এনে ধৰণৰ উত্তৰবোৰ অলপ হৈয়ে দিয়ে। আজি কিন্তু তেনে কোনো লক্ষণ নেদেখি পুনৰ মনে মনে গুণা-গাঁথা কৰিবলৈ ধৰিলে।

পিচদিনা পুৱা শুই উঠি আনদিনাৰ দৰে গোৰাই মুখো নুধুলে আৰু দিনটোৰ কামৰ বাবে সাজুও নহল। সি মনমনস্ক হৈ তাৰ শোৱনি-কোঠাৰ পুৱ ফালৰ দুৱাৰখন মেলি দি হৈ বাহিৰলৈ চাই থাকিল। সিহঁতৰ ঘৰৰ সমুখৰ সৰু আলিটো ডাঙৰ আলিত মিলিছেগৈ। সেই ডাঙৰ আলিটোৰ পুৱফালে আছে। সেই স্কুলখনৰ কাষত থকা মাটি ডোখৰত এজোপা জামুক গছৰ মূৰত এচপৰা পাতল শুকুলা কুঁৱলী ভাঁহি আছিল। চপৰাৰ আঁৱৰপৰা পুৱাৰ প্ৰথম বাঙলী সূৰুযৰ হেঙুলীয়া আভা বিবিঙি ওলাইছিল। গোৰাই বহু পৰ নিথৰ হৈ সেইফালে থাকোঁতেই পাতল কুঁৱলী চপৰা আকাশৰ নীলিম বুকুত উজ্জ্বল বৰণবোৰে চমকা চমকে গছৰ ডাল-পাতৰ মাজেদি সঙ্গীনৰ দৰে তীক্ষ্ণ হৈ ওলাই আছিল। চাওঁতে চাওঁতে পথ মানুহ-দুনুহ হুলস্থূল-গোলমালেৰে ভৰি পৰিল।

এনেতে হঠাতে আলিকেঁকুৰিটোত অবিনাশে আৰু কেইজন লগত লৈ তাৰ ঘৰৰ ফাললৈ আহি থকা দেখা পাই গোৰাই তাৰ এই আৰেশৰ জালখন টান মাৰি ছিঙি পেলালে। সি মনটোক চকু পকাই ক'লে—ওঁহো, এইবোৰ একো নহয় কোনোমতেই হ'ব নোৱাৰে। এই বুলি সি বেগাবেগিকৈ

ওলাই গ'ল। গোৰাৰ দলবল আহি পালেহিয়েই, অথচ সি এতিয়ালৈকে হৈ থকা নাই, এনে ঘটনা আজিকোপতি এদিনলৈকো ঘটা নাছিল। সামান্য দোষৰ বাবেই গোৰাই পেটে পেটে নিজকে বাৰুকৈয়ে গৰিহণা দিলে। পৰেশ ভট্টৰ ঘৰলৈ আগলৈ আৰু নেযাওঁ বুলি আৰু বিনয়ৰ ঘৰলৈ কিছুদিন দেখা নকৰি এইবোৰপৰা আঁতৰত থাকিবলৈ যত্ন কৰিব সি মনে মনে প্ৰতিজ্ঞা কৰিলে।

সেইদিনা তললৈ নামি আহি গোৰাই অবিনাশহঁতৰ লগত বহু পৰ মৰ্ম কৰি অৱশেষত এইটোকে ঠিক কৰিলে যে গোৰাই তাৰ দলৰ দুজনমানৰ সৈতে কিছুদিনৰ বাবে গ্ৰেণ্ড ট্ৰাঙ্কৰোডেদি খোজকাঢ়ি কৰিবলৈ যাব। লগত টকা-সিকা একোকে নিনিয়ে। বাটে বাটে মুহৰ ঘৰে ঘৰে আলহী হৈ হৈ যাব।

এনেকুৱা এটা সঙ্কল্পৰ কথা ভবাৰ লগে লগে গোৰা যেন কিছু চিকৈয়ে উৎসাহিত হৈ উঠিল। সকলো বান্ধোন ছিঙি এইদৰে মুকলি-হৈ ওলাই যোৱাৰ আনন্দত সি উত্ৰাৱল হৈ পৰিল। ভিতৰি ভিতৰি জালে তাৰ অন্তৰখন সাঙুৰি ধৰিছিল, এই ভ্ৰমণৰ কথা ওলোৱাৰ লগে সেই জালখন তাৰ ছিঙি যোৱা যেন লাগিল। এই ভাবৰ আবেগ-মাথোন মায়া, মাথোন মোহ, কৰ্ম্মহে সত্য—এই কথা সি বাৰে বাৰে নিজেই কবলৈ ধৰিলে। আৰু এই কথাৰ প্ৰতিধ্বনিয়ে আহি বাৰে তাৰ মনত ঠেকা খালেহি। তাৰ পিচত সি যাত্ৰাৰ আয়োজন একেলৰে কোঠাটোৰপৰা ওলাই আহিল। তেতিয়া কৃষ্ণদয়ালে স্নান কৰি হাতত এলোটা গঙ্গা জল লৈ নামাৱলীখন গাত পেলাই মনে মনে জপ কৰি কৰি তেখেতৰ কোঠাৰ ফালৰ আহি আছিল॥ আহি একেবাৰে তেখেতৰ গাৰ ওপৰতে পৰিলহি। সি লাজ পাই লৰালৰিকৈ তেখেতৰ ভৰিত হাত দি সেৱা কৰিলে। তেখেতে 'হৰ, হৰ" ছুই আজি তেখেতৰ গঙ্গা-স্নান তেনেই মাটি কৰিলে। কৃষ্ণদয়ালে মাথোন অকল গোৰাৰ সংস্পৰ্শবপৰাহে বিশেষভাৱে আঁতৰি ফুৰিছিল, কথা গোৰাই মনেই কৰা নাছিল। শুচিবায়ুগ্ৰস্ত বুলিয়েই তেখেতে তেখেতে ম্লেচ্ছ বুলি দূৰতে বিদূৰ কৰিছিল। মহিম হ'ল কামৰ মানুহ। মহিমৰ লগত তেখেতৰ দেখা-সাক্ষাতেই নঘটিছিল। গোটেই

পৰিয়ালটোৰ ভিতৰত একমাত্ৰ মহিমৰ জীয়েক শশীমুখীকে ওচৰত বহুৱাই লৈ সংস্কৃতৰ স্তোত্ৰ আওঁৰাবলৈ শিকাইছিল পাতল, নীতি-নিয়ম আদিও শিকাইছিল।

গোৰাই ভৰি দুখন ছোৱা মাত্ৰকে কৃষ্ণদয়াল সেইদৰে গুচি যোৱা দেখি গোৰাৰ হঠাৎ জ্ঞান আহিল। বাপেক পলোৱা মনত পৰি সি পেটে পেটে হাঁহিলে। এই দৰেই বাপেকৰ সম্বন্ধ এক প্ৰকাৰ ছিণ্ডি যোৱাৰ দৰেই হৈছিল গৈ। মাক সি যিমানেই নিন্দা কৰক নেলাগে, সেই নীতি-নিয়ম মাককেই সি তাৰ জীৱনৰ সকলোখিনি ভক্তি উচৰ্গা কৰি পূজা খাই-বৈ উঠি গোৰাই কেই সাজমান কাপোৰৰে এটি বিদেশী পৰ্য্যটকবোৰৰ দৰে পিঠিত ওলোমাই বান্ধি লৈ মাকৰ ক'লে,—"আই, মই কিছুদিনৰ কাৰণে যাবলৈ ওলালোঁ।"

আনন্দময়ীয়ে সুধিলে,—"কলৈ যাৰ বোপাই?"

গোৰাই ক'লে,—"সেইটো মই এতিয়াও সঠিককৈ ক'ব নোৱাৰোঁ।"

আনন্দময়ীয়ে সুধিলে,—"কিবা কাম আছে নে কি?"

গোৰাই ক'লে,—"ঠিক কাম বুলিবলৈ তেনেকৈ একো নাই এই যাবলৈ ওলোৱাটোৱেই এটা কাম।"

আনন্দময়ীয়ে একো উত্তৰ নিদিয়া দেখি গোৰাই ক'লে, তোমাৰ ভৰিত ধৰিছোঁ, মোক বাধা নকৰিবা। তুমিচোন মোক চিনি পোৱা। মই সন্ন্যাসী হৈ নেযাওঁ। সেইটো ভয় আইক এৰি মই ক'তো বেচিদিন থাকিব নোৱাৰোঁ।"

মাকৰ প্ৰতি থকা তাৰ ভাল পোৱাৰ কথা গোৰাই আজিলৈকে এইদৰে ফুটাই কোৱা নাছিল। সেইবাৰে সি কথাষাৰ কৈয়েই ৰৱ আনন্দময়ীৰ ৰৱ ভাল লাগিল। তেখেতে তাৰ লাজখিনি লৰালৰিকৈ ক'লে,—"বিনয়ো লগত যাব নে কি?"

গোৰাই অলপ সঙ্কোচেৰে ক'লে,—"ওঁহো, বিনয় নেযাব আইৰ আকৌ চিন্তা লাগিলেই—বিনয় নেথাকিলে তেখেতৰ পথে আগুৰি ৰাখিব কোনে আকৌ? যদি বিনয়ক তুমি মোৰ ৰক্ষক তেন্তে এইটো তোমাৰ এটা কুসংস্কাৰ। এইবাৰ নিৰাপদে ঘৰ পাৰিলেহে তোমাৰ এই ভয়টো আঁতৰিব।"

আনন্দময়ীয়ে সুধিলে—"পিচে মাজে-সময়ে তহঁতৰ ৰা-কা নহয়?"

গোৰাই ক'লে—"খবৰ-বাতৰি নেপাৰা বুলিয়েই ধৰি থৰা। তেতিয়া হলে কেনেবাকৈ পালে বৰ ভাল লাগিব। ভয় খাবলগীয়া কথা একো নাই। তোমাৰ গোৰাক কোনেও নিনিয়ে। আই, তুমি মোক যিমান মূল্যৱান বুলি ভাবা আনে হলে সিমান বুলি নেভাবে। অৱশ্যে মোৰ এই টোপোলাটোলৈ কোনোবাই চকু দিলে টোপোলাটোকে দান কৰি দিম। এইটো ৰক্ষা কৰিবলৈ গৈ প্ৰাণ দান যে নকৰোঁ, সেইটো ঠিক।"

গোৰাই আনন্দময়ীৰ ভৰিৰ ধূলা মূৰত লৈ সেৱা এটি কৰিলে। তেখেতেও তাৰ মূৰত হাত ফুৰাই আশীৰ্ব্বাদ কৰিলে। তাক অকণো বাধা নিদিলে। নিজে মনত দুখ পাব বুলি নাইবা আনৰ অনিষ্ট হব পাৰে বুলি আনন্দময়ীয়ে কেতিয়াও কাকো একো কামতে বাধা নিদিছিল। নিজৰ জীৱনতো তেখেতে বহুতো বাধা-বিঘিনি পাৰ হবলগীয়া হৈছে। বাহিৰৰ পৃথিৱীখন তেখেতৰ অচিনাকি নহয়। তেখেতৰ মনত নাম মাত্ৰও ভয় নাছিল। গোৰা কিবা বিপদত পৰিব পাৰে বুলি তেখেতে ভয় কৰা নাছিল। কিন্তু যোৱা কালিৰেপৰা গোৰাৰ মনত কিবা এটা বিপ্লৱ ঘটা বুলি তেখেতে অনুমান কৰিছিল। আজি আকৌ হঠাতে কোনো কাৰণ নোহোৱাকৈয়ে গোৰাই ভ্ৰমণ কৰিবলৈ ওলোৱা দেখি তেখেতৰ চিন্তা দুগুণে বাঢ়িল।

গোৰাই টোপোলা-টুপলি লৈ ওলাই আহি আলিবাটত ভৰি দিওঁতেই বিনয়ে এজোৰ ডাঠ তেজৰৱণীয়া বচোৱা গোলাপ সযতনেৰে হাতত লৈ ওলাল হি।

গোৰাই ক'লে,—"বিনয়, তোমাৰ দৰ্শনত যাত্ৰা শুভ হব নে অশুভ হব, এইবাৰ তাৰ প্ৰমাণ হব।"

বিনয়ে সুধিলে,—"ক'ৰবালৈ যোৱা নে কি?"

গোৰাই ক'লে,—"ওঁ।"

বিনয়ে সুধিলে,—"কলৈ?"

গোৰাই ক'লে,—"প্ৰতিধ্বনিয়ে উত্তৰ দিলে 'কলৈ?'"

বিনয়,—প্ৰতিধ্বনিতকৈ আৰু ভাল উত্তৰ নাই নে কি?

গোৰা,—ওঁহো নাই। তুমি আইৰ কাষলৈ যোৱাঁ। সকলো শুনিবা। এই বুলি সি বেগাই গুচি গ'ল গৈ।

বিনয়ে ভিতৰলৈ সোমাই আহি আনন্দময়ীক সেৱা কৰি তেখেতৰ ভৰিৰ ওচৰত গোলাপ ফুল দুটা থলে।

আনন্দময়ীয়ে ফুল দুটা তুলি লৈ সুধিলে, "এয়া ক'ৰপৰা আনিলি বিনয়?"

বিনয়ে পোনপটীয়াকৈ উত্তৰ নিদি ক'লে, "ভাল বস্তু পালেই আইৰ পূজাত উচৰ্গা কৰি লবলৈ মন যায়।"

তাৰ পিচত আনন্দময়ীৰ বিছনাত বহি বিনয়ে ক'লে, "দেখোন তুমি বৰ অন্যমনস্ক হৈ আছা?"

আনন্দময়ীয়ে ক'লে,—"কিয়? মোক নো কি অন্যমনস্ক দেখিলা?"

বিনয়ে ক'লে,—"আজি দেখোন তুমি মোক মোৰ ভাগৰ দিবলৈকে পাহৰি গৈছা।"

আনন্দময়ীয়ে লাজ পাই বিনয়ক তামোল আনি দিলেহি।

তাৰ পিচত গোটেই দুপৰীয়াটো দুয়ো কথা-বতৰা পাতি গোৱাৰ নিৰুদ্দেশ ভ্ৰমণৰ বিষয়ে বিনয়ে একো সঠিক খবৰ দিব নোৱাৰিলে।

আনন্দময়ীয়ে কথাই কথাই সুধিলে,—"কালি হব পাই গোৱা পৰেশ ভট্টহঁতৰ ঘৰলৈ লৈ গৈছিলা?"

বিনয়ে যোৱা কালিৰ গোটেইবোৰ কথা বহলাই ক'লে। প্ৰত্যেকটো কথা মনযোগেৰে শুনিলে।

যাবৰ পৰত বিনয়ে ক'লে, "আই, পূজা তো শেষ হ'ল তোমাৰ চৰণৰ নিৰ্ম্মালি ফুল দুটি শিৰত লৈ যাব পাৰোঁনে?"

আনন্দময়ীয়ে হাঁহি হাঁহি গোলাপফুল দুটা বিনয়ৰ হাতত এই গোলাপ ফুল দুটা একমাত্ৰ সৌন্দৰ্য্যৰ বাবেই যে ইমান আদৰ নাই, এই কথা তেখেতে বুজিলে। উদ্ভিদ্‌তত্ত্বয়ো ঢুকি নোপোৱা গভীৰ তত্ত্ব ইয়াৰ মাজত নিশ্চয় লুকাই আছে।

আবেলি বিনয় গুচি যোৱাৰ পিচত নানান ধৰণৰ ভাবে মনত জুমুৰি দি ধৰিলেহি। গোৱা যেন কেতিয়াও অসুখী নহয় বিনয়ৰ লগত যেন তাৰ কোনো কাৰণতে বিচ্ছেদ নঘটে—এই বুলি বাৰে বাৰে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

গোলাপ ফুলৰ অকণমান ইতিহাস আছে।

যোৱা ৰাতি গোৱাই তো পৰেশ ভট্টহঁতৰ ঘৰৰপৰা গুচিয়েই আহিল— বিনয়ে হলে ইমান সহজে গুচি আহিব নোৱাৰিলে। বৰচাহাবৰ ঘৰত বলগীয়া অভিনয়ত যোগ দিয়া নিদিয়া লৈ সি যথেষ্ট কষ্ট খাবলগীয়া হছিল।

এই অভিনয়খনলৈ ললিতাৰ বৰ বেচি একো উৎসাহ নাছিল; কবলৈ ’লে তাই এইবোৰ ভালেই নেপাইছিল। কিন্তু বিনয়ক কোনো ৰকমে এই অভিনয়খনত্ নমাবলৈ তাইৰ মনত এটা জেদ্ উপজিল।

গোৱাৰ মতবিৰুদ্ধ কামবোৰ বিনয়ৰ হতুৱাই যেনে তেনে কৰোৱাই ৰ পাৰিলেহে যেন তাই শান্তি পাব। বিনয়ে গোৱাক মানি চলাটো ললিতাই যে কিয় সহিব নোৱাৰিছিল, সেইটো তাই নিজেই বুজি নেপাইছিল। মনে তেনে আটাইবোৰ বান্ধোন ছিঙি বিনয়ক স্বাধীন কৰি দিব পাৰিলেই মন তাই ডাঙৰ বিপদ এটাৰপৰা সাৰি যায়।

ললিতাই মূৰ জোকাৰি সুধিলে,—"কিয় চেটাৰ্জ্জীদেউ, অভিনয় কৰাটো দোষৰ কথা নে কি?"

বিনয়ে ক'লে,—"অভিনয় কৰাটো দোষৰ কথা নহব পাৰে, কিন্তু ৰচাহাবৰ ঘৰলৈ অভিনয় কৰিবলৈ যোৱাটোহে মোৰ ভাল লগা নাই।"

ললিতা,—আপুনি নিজৰ মনৰ কথা কৈছে, নে আন কাৰোবাৰ মনৰ কথা কৈছে?

বিনয়,—আন কাৰোবাৰ মনৰ কথা কবলৈ মোক ভা�ৰ দিয়া হোৱা নাই—আনৰ মনৰ কথা কোৱাও সহজ কথা নহয়। আপুনি ক'লে হয়তো বিশ্বাসেই নকৰিব—মই কিন্তু সদায় নিজৰ মনৰ কথাই কওঁ,—কেতিয়াবা নিজৰ ভাষাত, কেতিয়াবা আনৰ ভাষাত।

ললিতাই একো উত্তৰ নিদি এবাৰ মিচিকিয়াই হাঁহিলে মাথোন। অলপ পৰ পিচত তাই ক'লে,—"আপোনাৰ বন্ধু গৌৰমোহনে বোধ কৰোঁ। ৰচাহাবৰ নিমন্ত্ৰণ অগ্ৰাহ্য কৰাটোক বৰ কিবা এটা ডাঙৰ বীৰত্বৰ কাম বুলি ভাবে। আৰু ইয়াকে কৰিব পাৰিলেই ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰাৰ দৰে হয় বুলি তেখেতে নিশ্চয় ভাবে।"

বিনয়ৰ বৰ খং উঠিল। সি উত্তেজিত হৈ ক'লে,—"মোৰ ব
বুলি নেভাবিব পাৰে—কিন্তু মই হলে ভাবোঁ। যুদ্ধ নহয়নো কি
মানুহে আমালৈ কেৰাহিকৈয়ে নেচায়, আমালৈ কেঞা আঙুলি
আমি কৃতাৰ্থ হৈ যাওঁ বুলি ভাবে, সেইবোৰ মানুহৰ এই উপেক্ষা
আমিও উপেক্ষাৰে যুঁজ নকবিলে আমি আমাৰ আত্ম-সন্মান ৰাখিম
ললিতা নিজে অভিমানী স্বভাৱৰ ছোৱালী। বিনয়ৰ মুখৰ এ
সনা কথাবোৰ তাইৰ ভালেই লাগিল। কিন্তু বিনয়ৰ কথা
তাইৰ নিজৰ যুক্তিবোৰ দুৰ্ব্বল হৈ পৰা যেন অনুমান কৰি
কথাই বিদ্রূপ কৰি কৰি বিনয়ক থকা-সৰকা কৰিবলৈ ধৰিলে।

অৱশেষত বিনয়ে ক'লে,—"চাওক, আপুনি মিছাকৈ
কিয়? 'মোৰ ইচ্ছা আপুনি অভিনয়ত যোগ দিয়ক' বুলি
নকয় কিয়? তেতিয়া হলে আপোনাৰ অনুৰোধ ৰক্ষা কৰিবৰ
নিজৰ মত এৰি দি এটা সুখ পালোহেঁতেন।"

ললিতাই ক'লে,—"ঔ আই! সেইদৰে মই কিয় কম?
সঁচাকৈয়ে কিবা মত থাকিলে মোৰ অনুৰোধত আকৌ সেইটো
কিয়? কিন্তু মতটো সঁচাকৈয়ে আপোনাৰ নিজৰ হোৱা উচিত।

বিনয়ে ক'লে,—"আপোনাৰ কথাই বাৰু ঠিক বুলি মানি
মোৰ বাৰু সঁচাকৈয়ে নিজৰ মত নাই। আপোনাৰ অনুৰোধৰ
আপোনাৰ লগত তৰ্কত হাৰিয়েই মই অভিনয়ত যোগ দিবলৈ
এনেতে ৰবদাসুন্দৰী আহি কোঠাটোত সোমালহি। বিনয়ে
কাষলৈ উঠি গৈ ক'লে,—"অভিনয় কৰিবলৈ হ'লে কি কি কৰিব
মোক শিকাই দিব দেই।"

ৰবদাসুন্দৰীয়ে গৰ্ব্বৰে সৈতে ক'লে,—"সেইবোৰ আপুনি
ভাবিব নেলাগে। মই আপোনাক শিকাই-জুজাই ঠিক কৰি লম।
অভ্যাস কৰিবৰ বাবে আপুনি সদায় নিয়মীয়াকৈ আহিব লাগিব।"

বিনয়ে ক'লে,—"আহিম বাৰু। আজিলৈ তেনেহলে মই যাওঁ
ৰবদাসুন্দৰীয়ে ক'লে,—"ইঃ কিয়? আপুনি ইয়াত ভাত
লাগিব।"

বিনয়ে ক'লে,—"আজি নেখাওঁ দিয়ক।"

ৰবদাসুন্দৰীয়ে ক'লে,—"নাই, নাই, সেইটো হবই নোৱাৰে।"

বিনয়ে ভাত খালে যদিও সেইদিনা সি আন দিনাৰ দৰে
ধেমালি-ধুমুলা কৰিব নোৱাৰিলে। সুচৰিতায়ো কিবা

মনে মনে থাকিল। ললিতাৰ লগত বিনয়ৰ কথাৰে ুজ-বাগৰ লাগি
থাকোঁতে সুচৰিতাই বাৰাণ্ডাত অকলে অকলে ঘুৰা-পকা কৰি আছিল।
সেইদিনা ৰাতি কথা-বতৰা আৰু বিশেষ নজমিল।

যাবৰ পৰত বিনয়ে ললিতাৰ গহীন মুখখনলৈ চাই, ক'লে,—"মই
হাবি গ'লোঁ, তথাপিও আপোনাৰ মন ভাল লগাব নোৱাৰিলোঁ।"

ললিতাই একো উত্তৰ নিদি গুচি গ'ল গৈ।

ললিতাই অলপতে নেকান্দে, কিন্তু আজি যেন তাইৰ চকুৰ পানীয়ে
বাধা মানিব খোজা নাছিল। তাইৰ আজি কি হ'ল? কিয় তাই আজি
বিনয়ক বাৰে বাৰে আঘাত কৰি নিজেও এইদৰে দুখ পাইছে?

বিনয়ে অভিনয়ত যোগ দিবলৈ ৰাজী নোহোৱালৈকে ললিতাৰ জেদ্
ক্ৰমে ক্ৰমে বাঢ়িহে গৈছিল, কিন্তু সি ৰাজী হোৱা মাত্ৰকে তাইৰ সকলো
উৎসাহ আঁতৰি গ'ল। অভিনয়ত যোগ নিদিয়াটোহে বেচি ভাল কথা
বুলি তাইৰ মনটোৱে যেন চিঞৰি চিঞৰি ক'লে। তাইৰ মনটোৱে যেন
নেজাৰ পাই কবলৈ ধৰিলে, 'মাথোন মোৰ অনুৰোধ ৰাখিবৰ বাবেই
চেটাৰ্জ্জী দেউ এইদৰে ৰাজী হোৱাটো উচিত হোৱা নাই।' অনুৰোধ! অনু-
ৰোধ কিয় ৰাখিব? অনুৰোধ ৰাখি তেখেতে মোৰ লগত ভদ্ৰতা কৰা বুলি
ভাবিছে। তেখেতৰ এই ভদ্ৰতাখিনি পাবৰ বাবেই মোৰ যেন মৰৰ বিষত
তহঁ নোহোৱা হৈছে।

কিন্তু এতিয়া এনেকৈ শ্ৰদ্ধা দেখুৱালে কিনো হব? তাই চোন বিনয়ক
অভিনয়ত যোগ দিয়াবৰ বাবে অনবৰত লাগিয়েই আছিল। এতিয়া বিনয়ে
ভদ্ৰতা দেখুৱাই তাইৰ জেদৰ অনুৰোধ ৰাখিছে বুলি খং কৰিলে তো
নহব। এই ঘটনাটোৰ বাবে ললিতাৰ নিজৰ ওপৰত ভীষণ ঘিণ লাগিল
আৰু তাই বৰ লাজো পালে। কথাটো কিন্তু ইমান বেচি ঘিণ বা লাজ
পাবলগীয়া একো নহয়। আন দিনা তাইৰ মনটোত এইদৰে খেলি-
মেলি লগা হলে অত পৰে তাই সুচৰিতাৰ কাষ পালেগৈহেঁতেন। আজি
কিন্তু তাই নগ'ল। তাইৰ বুকু ভাঙি কিয় যে এইদৰে ধাৰাসাৰে চকুৰ
লো ৰবলৈ ধৰিলে, তাই নিজেই একো বুজিব নোৱাৰিলে।

পিচ দিনা পুৱা সুধীৰে লাৱণ্যক এথোপা ফুল আনি দিলেহি। সেই
ফুল থোপাৰ এডাল ঠাৰিত দুটা আধাফুলা বচোৰা গোলাপ আছিল।
ললিতাই সেই ফুল দুটা তাৰপৰা উলিয়াই ললে।

লাৱণ্যই ক'লে,—"এই, কিয় উলিয়াই ল'লি?"

ললিতাই ক'লে,—"বহুতো বাৰেবাঙ্কৰা ফুলৰ লগত ভাল ফুল বাৰ্কি

খোৱাটো মই ভাল নেপাওঁ। এইদৰে সকলো বস্তুকে একে বান্ধি খোৱাটো বৰ্ব্বৰতা।"

এই বুলি তাই গোটেইবোৰ ফুলৰ বান্ধটো খুলি অ'ত ত' বেলেগে সজাই থলে। মাথোন গোলাপ ফুল দুটা তাই লৈ গ'ল।

এনেতে সতীশে ল'ৰি আহি সুধিলেহি,—"বাইদেউ, ফুল পালা ?"

ললিতাই তাৰ প্ৰশ্নৰ উত্তৰ নিদি ক'লে,—"আজি তোৰ পঢ়া নেযাৰ নে কি ?"

অত পৰে বিনয়ৰ কথা সতীশৰ মনতেই নাছিল। এতিয়া নাম শুনা মাত্ৰকে সি জপিয়াই উঠি ক'লে,—"ওঁ, যাম।" তাৰ তেতিয়াই যাবলৈ তত্ নোহোৱা হ'ল।

ললিতাই তাক সুধিলে,—"তালৈ গৈনো কি কৰগৈ ?"

সতীশে চমুকৈ ক'লে,—"গল্প কৰোঁ।"

ললিতাই ক'লে,—"তেখেতে তোক ইমানবোৰ ছবি দিছে, তক একো নিদিয় কিয় ?"

বিনয়ে ইংৰাজী কাগজ আদিৰপৰা নানান ধৰণৰ ছবি কাটি দিছিল। সতীশে সেই ছবিবোৰ এখন বহীত আঠাৰে লগাই এইদৰে বহীখন পূৰাই পেলাবলৈ তাৰ ইমান বেচি বাগী লাগিছে পুথি দেখিলেই ছবিবোৰ কাটি লবলৈ তাৰ মনটো উচুপিচাই ইয়াৰ বাবে অৱশ্যে সি বায়েকহঁতৰপৰা যথেষ্ট গালি-শপনিও হৈছে।

সংসাৰত দানৰ প্ৰতিদান বুলি এটা কথা আছে। সেই হঠাতে সতীশৰ আগত আজি এইদৰে উপস্থিত হোৱাত তাৰ চিন্তা লাগিল। ভঙা টিনৰ পেৰাটোত তাৰ নিজৰ বুলিবলৈ যিবে গোট খাইছে তাৰ এটাৰোচোন সি মোহ এবিব নোৱাৰে। বিগ্ মুখখন দেখি ললিতাই হাঁহি হাঁহি তাৰ গাল দুখন টিপি "হব দে, তই আৰু ইমান ভাবিব নেলাগে। এই ফুল দুটাকে দি দিবি বাৰু।"

ইমান সহজে ইমান ডাঙৰ এটা লেঠাৰ সমাধান হৈ যোৱা আনন্দত নাচি উঠিল। ফুল দুটা লৈ তেতিয়াই সি বন্ধুৰ বাবে লৰ মাৰিলে।

আলি বাটলৈ ওলাই আহিয়েই দূৰৈত সি বিনয়ক দেখা

দূৰৈৰপৰাই সি 'বিনয় ককাইদেউ, বিনয় ককাইদেউ' বুলি চিঞৰি চিঞৰি লৰি আহি বিনয়ৰ কাষ পালেহি। কাপোৰৰ আঁৰত ফুল দুটা লুকুৱাই থৈ সি বিনয়ক সুধিলে,—"আপোনালৈ কি আনিছো কওকচোন।"

বিনয়ে কব নোৱাৰা দেখি সি ফুল দুটা উলিয়াই দিলে। বিনয়ে ক'লে,—"বাঃ ইমান ধুনীয়া! কিন্তু সতীশ ডাঙৰীয়া, এইটো তো তোমাৰ নিজৰ বস্তু নহয়। চুৰি মাল লৈ শেষত পুলিচৰ হাতত পৰিবা চাবা আকৌ।"

এই ফুল দুটাক নিজৰ বুলি কব পাৰি নে নোৱাৰি এই বিষয়ে সতীশৰ অলপ খোকোজা লাগিল। সি অলপ পৰ ভাবি ক'লে,—"ইঃ ললিতা বাইদেৱে দেখোন ফুল দুটা মোক আপোনাক দিবলৈ দিছিল।"

এই কথাটোৰ ইমানতে ওৰ পৰিল। আবেলি সিহঁতৰ ঘৰলৈ যাব বুলি কৈ বিনয়ে সতীশক বিদায় দিলে।

যোৱা বাতি ললিতাৰ বিদ্ধি যোৱা কথাবোৰৰ আঘাত বিনয়ে কোনো-মতেই পাহৰিব পৰা নাছিল। বিনয়ৰ লগত সাধাৰণতে কাৰো কাজিয়া পোচাল নেলাগে আৰু সেই কাৰণেই কাৰোপৰা কেতিয়াও সি এনেকুৱা চোকা আঘাতো আশঙ্কা নকৰে। ইয়াৰ আগতে ললিতাক বিনয়ে সুচ-নিতাৰ আঁৰতহে সদায় দেখি আহিছিল। কিন্তু মাউতৰ খোচ খোৱা হাতীয়ে যি দৰে মাউতক নেপাহৰে আজি কিছুদিনৰপৰা ললিতাৰ বিষয়েও বিনয়ৰ ঠিক সেই দশাই হৈছে। কেনেকৈনো ললিতাৰ মন অলপ ভাল লগাব পাৰিব বা তাইৰ মনত কিছু শান্তি দিব পাৰিব, এই চিন্তাটোৱেই বিনয়ৰ এতিয়া প্ৰধান চিন্তা হৈ পৰিছে। সন্ধিয়া ঘৰলৈ উভতি অহাৰ পাচত ললিতাৰ বিদ্ৰূপপূৰ্ণ চোকা চোকা কথাবোৰ এটা এটাকৈ অনবৰত তাৰ কাণত বাজি থাকে। সহজতে তাৰ টোপনিয়েই আহিব নোখোজে। 'মই গোৰাৰ ছাঁয়াৰ দৰে, মোৰ নিজৰ বুলিবলৈ একো পদাৰ্থই নাই' —ললি-তাই এই বুলি মোক অৱজ্ঞা কৰে। কিন্তু কথাটো একেবাৰে মিছা। ইয়াৰ বিৰুদ্ধে সি নানান্ ধৰণৰ যুক্তি ভাবি ভাবি উলিয়ায়। কিন্তু এই-বোৰ যুক্তি তাৰ একো কামতে নাহে। কিয়নো ললিতাই কেতিয়াও দেখাদেখিকৈ তাৰ বিৰুদ্ধে কোনো অভিযোগ নানে, এইবোৰৰ বিষয়ে তৰ্ক কৰিবলৈকো তাক অকণো সুযোগকে নিদিয়ে। বিনয়ৰ মনৰ জোখাই উত্তৰ দিবলৈ ঢেৰ কথা গোট খাইছিল, কিন্তু সেই কথাবোৰ কব নোৱাৰি তাৰ খং আৰু বেচিহে উঠিছিল। অৱশেষত যোৱা নিশা হাৰ মানিও ললিতাৰ মুখলৈ হাঁহি আনিব নোৱাৰি ঘৰলৈ উভতি আহি তাৰ মনটো

বৰ বেয়া লাগিল। সি নিজে নিজেই ভাবিবলৈ ধৰিলে, মই কৈয়ে ইমান অৱজ্ঞাৰ পাত্ৰ নে?

সেই বাবেই সতীশৰ মুখৰপৰা ললিতাই তালৈ সতীশৰ হাতে ফুল পঠিয়াই দিয়া বুলি শুনি তাৰ মনটো আনন্দত নাচি উঠিল। অভিনয়ত যোগ দিবলৈ মান্তি হোৱা দেখি ললিতাই ভাল পাই চিন্ স্বৰূপে গোলাপ দুটা তালৈ পঠিয়াই দিয়া বুলি সি বুজিলে। সি ভাবিলে ফুল দুটা ঘৰত থৈ আহোঁগৈ। তাৰ পিচতে ভাবিলে এই মিতালিৰ ফুল দুটা প্ৰথমতে আইৰ চৰণত দি পৱিত্ৰ কৰি আনে।

সেইদিনা আবেলি বিনয় পৰেশ ভট্টহঁতৰ ঘৰলৈ যাওঁতে সতীশৰ ওচৰত স্কুলৰ পঢ়া শিকি আছিল। বিনয়ে ললিতাক ক'লে, বঙহে বঙা, সন্ধিৰ ফুল বগা হোৱা উচিত আছিল।"

ললিতাই কথাটো বুজিব নোৱাৰি বিনয়ৰ মুখলৈ চাই থাকিল। তেতিয়া তাৰ কাপোৰৰ আঁৰৰপৰা এথোপা বগা কৰবীৰ ফুল ললিতাৰ সমুখত ধৰি ক'লে,—"আপোনাৰ ফুল দুটা অতি সুন্দৰ তথাপিও তাত খঙৰ ৰং খিনি আছে। মোৰ এই ফুল থোপা আপোনাৰ ফুলৰ ওচৰত থিয় হবই নোৱাৰে। কিন্তু মোৰ ফুল গাত শক্তিৰ শুভ্ৰ ধোলৰ নম্ৰতা সানি আপোনাৰ আগত হৈছেহি।"

ললিতাৰ কাণ-মৰ বঙা পৰি গ'ল। তাই ক'লে,—"মোৰ ফুল কিহক কৈছে?"

বিনয়ে অলপ অপ্ৰস্তুত হৈ ক'লে,—"এ, তেনেহলে মোৰ ভুল হব পায়। সতীশে কাৰ ফুলনো কাক দিয়ে?"

সতীশে চিঞৰ মাৰি ক'লে,—"বাঃ, ললিতা বাইদেৱেই দেখোন দিবলৈ কৈছিল।"

বিনয়—কাক দিবলৈ কৈছিল?

সতীশ—আপোনাক।

ললিতাই বঙা-চঙা পৰি সতীশৰ পিঠিত এক থাপৰ মাৰি "তোৰ দৰে গাধ এটা মই আৰু ক'তো দেখা নাই। চেটাৰ্জ্জী দিয়া ছবিবোৰৰ সলনি তই তেখেতক ফুল দিবলৈ খোজা নাছিলি।"

সতীশে হতবুদ্ধি হৈ ক'লে,—"ওঁ, সেইটো তো সঁচা কথা প্ৰথমতে তুমি জানো মোক দিবলৈ কোৱা নাছিলা?"

সতীশৰ লগত লাগিবলৈ গৈ ললিতা আৰু বেচিকৈহে পাৰত

ফুল দুটা ললিতায়ে দিয়া বুলি বিনয়ে ভালকৈয়ে বুজি পালে। কিন্তু কামটো বেনাপীকৈ কৰাই তাইৰ উদ্দেশ্য আছিল।

বিনয়ে ক'লে,—"আপোনাৰ ফুলৰ দাবী মই বাৰু এৰিয়েই দিছোঁ। কিন্তু সেইবুলি মোৰ ফুল কেইটাৰ একো দোষ নাই। আমাৰ কাজিয়া-পেচালৰ সামৰণি পৰাৰ শুভ চিন স্বৰূপে এই ফুল কেইটা—"

ললিতাই মুৰ জোকাৰি ক'লে,—"আমাৰনো কাজিয়া-পেচাল কেতিয়া লাগিল? আৰু তাৰ ওৰেই বা কেতিয়া পৰিল?"

বিনয়ে ক'লে,—"একেবাৰে আগৰপৰা গুৰিলৈকে সকলোবোৰ মাথোন মায়াহে নে কি? কাজিয়াও মিছা, ফুলো সেয়ে, সামৰণিও মিছা? মাথো পিতলক সোণ বুলি ভুল কৰাই নহয়, পিতলো ভুল? আৰু সেই যে ৰৰচাহাবৰ ঘৰত কিবা এখন থিয়েটাৰ হোৱাৰ কথা আছিল সেইখন একা?"

ললিতাই ক'লে,—"সেইখন ভ্ৰম নহয়। কিন্তু তাৰ বাবে কাজিয়া কৰিবলৈ আকৌ কিটো হৈছে? আপোনাক মান্তি কৰাৰৰ বাবে মই এখন ডাঙৰকৈয়ে যুদ্ধ আৰম্ভ কৰি দিছোঁ। বুলি আৰু আপুনি সন্মত হোৱাত ই একেবাৰে কৃতাৰ্থ হৈ গৈছোঁ। বুলি আপুনি কিয় ভাবিছে? আপুনি অভিনয় কৰাটো অন্যায় বুলি ভাবে যদি আনৰ কথা শুনি কিয় আকৌ মিছাতে অভিনয় কৰিবলৈ যাব?"

এই বুলি কৈয়েই ললিতা কোঠাটোৰপৰা ওলাই গ'ল। কথাটোচোন ইতে বিপৰীত হে হ'ল। আজি আকৌ ললিতাই ভাবি আছিল যে বিনয় ৰাহিলেই তাই আজি নিজৰ দোষ স্বীকাৰ কৰিব আৰু তাক অভিনয়ত যোগ নিদিবলৈহে অনুৰোধ কৰিব। কিন্তু কথাটো কিবা ধৰণে ওলাই কিবাকৈ শেষ হ'ল গৈ। ক'ৰবাৰ পানী ক'ৰবাত হে পৰিল গৈ। বিনয়ে অভিনয় কৰিবলৈ আপত্তি কৰাৰ কাৰণে উঠা খঙেই ললিতাৰ মনৰপৰা এতিয়াও আঁতৰা নাই বুলি সি ভাবিলে। বিনয়ে মাথোন মুখেৰেহে হৰা স্বীকাৰ কৰিছে, পেটে পেটে অকণোকে মানি লোৱা নাই বুলি ভাবিয়েই নিশ্চয় ললিতাৰ মনৰ খং দূৰ হোৱা নাই। এই ঘটনাটোৰ বাবে ললিতাই ইমান খেচিকৈ আঘাত পোৱা দেখি বিনয়ৰ বৰ বেজাৰ লাগিল। সি এই বিষয়ে ধেমালিতো আৰু কোনো কথা নুলিয়াবলৈ মনে মনে প্ৰতিজ্ঞা কৰিলে। অভিনয়ত তাৰ অংশখিনি সি খুব মনপুতি কৰিবলৈ স্থিৰ কৰিলে— তাতে আনে সি মনোযোগ দি কৰা নাই বুলি তাক দোষ দিব নোৱাৰে।

সুচৰিতাই আজি ৰাতিপুৱাৰেপৰা নিজৰ শোৱা কোঠাত বহি "খৃষ্টৰ অনুকৰণ" নামৰ ইংৰাজী ধৰ্ম্ম-পুথি এখন পঢ়ি আছিল। আজি তাই তাইৰ আন আন সদায় কৰা কামবোৰ কৰা নাই। মাজে মাজে তাইৰ মনটো পুথিৰপৰা আঁতৰি লগে লগে পুথিৰপৰা আখৰবোৰ তাইৰ চকুৰ আগত অদৃশ্য আকৌ পিচ মুহূর্ত্ততে তাই নিজৰ ওপৰতে খং উঠি খুব বেচি পুথিখন পঢ়িবলৈ ধৰে। এইদৰে তাই কোনোমতেই খোজা নাছিল।

এনেতে দুৱৰেতে মাত শুনি তাই বিনয় অহা বুলি লগে লগে পুথিখন থৈ বাহিৰলৈ ওলাই যাবলৈ তাই অস্থিৰ নিজৰ এই অস্থিৰতা দেখি সুচৰিতাৰ নিজৰ ওপৰতে ভীষণ আৰু আকৌ তাই পুথিখন হাতত লৈ চকীত বহিল। কিবা শুনা পাই বুলি তাই দুই হাতেৰে কাণ দুখন ঢাকি ধৰি জোৰেৰে পঢ়িবলৈ যত্ন কৰিলে।

এনেতে ললিতা আহি তাইৰ কোঠাত সোমালহি। সুচৰিতাই মুখলৈ চাই সুধিলে,—"তোৰ কি হৈছে ললিতা?"

ললিতাই জোৰেৰে মূৰ জোকাৰি ক'লে,—"ওঁহো, এৰা নাই।"

সুচৰিতাই সুধিলে,—"ইমান পৰ ক'ত আছিলি?"

ললিতাই ক'লে,—"চেটাৰ্জ্জীদেউ আহিছে, তেখেতে বোধকৰো লগত কথা-বতৰা পাতিব খুজিছে।"

বিনয়ৰ লগত আৰু আন কোনোবা আহিছেনে নাই আজি সুধিবকে নোৱাৰিলে। আন কোনোবা অহা হ'লে ললিতে ক'লেহেঁতেন। কিন্তু তথাপিও তাইৰ মনটো নিসন্দেহ নহ আৰু নিজকে দমাই ৰাখিবৰ যত্ন নকৰি ঘৰলৈ অহা অতিথিৰ প্ৰতি কথা সুঁৰৰি বাহিৰৰ কোঠালৈ যাবলৈ ওলাল। তাই ললিতাক "তই নেযাৱ নে কি?"

ললিতাই অলপ অধৈর্য্য হৈ ক'লে,—"তুমি, যোৱাচোন, যাম।"

সুচৰিতাই বাহিৰলৈ ওলাই আহি বিনয়ে সতীশৰ লগত থকা দেখা পালেহি।

সুচৰিতাই ক'লে,—"দেউতা ওলাই গৈছে, এতিয়াই আহিব।

আপোনালোকৰ সেই থিয়েটাৰৰ কৰিতা মুখস্থ কৰোৱাবলৈ লাৱণ্য আৰু লীলাক চাঁৰৰ তালৈ লৈ গৈছে। ললিতাজনী আকৌ নগ'ল। আয়ে আপোনাক অলপ পৰ বহিবলৈ কৈ গৈছে। আপোনাৰ আজি পৰীক্ষা হব।"

বিনয়ে সুধিলে,—"আপুনি এইবোৰৰ মাজত নাই নে কি?"

সুচৰিতাই ক'লে,—"আটাইবোৰ অভিনেতা হ'লে দৰ্শক কোন হব?"

ৰবদাসুন্দৰীয়ে সাধাৰণতে সুচৰিতাক এনেবোৰ কথাৰপৰা যিমান পাৰে সিমান আঁতৰত ৰাখিব খোজে। সেই কাৰণেই এইবাৰো তাই বাদ পৰিছে।

আনদিনা এওঁলোক দুয়ো লগ লাগিলে কথাৰ অভাৱ নহয়। কিন্তু আজি দুয়োৰে মনত এনে এটা কেৰোণ আছিল যে তেনেকৈ কথা নোলাল। সুচৰিতাই গোৰাৰ বিষয়ে একো কথাকে নুলিয়াবলৈ বুলি প্ৰতিজ্ঞা কৰি আহিছিল। বিনয়েও আগৰদৰে সহজে গোৰাৰ কথা উলিয়াব নোৱাৰা হ'ল। তাৰ ললিতাই আৰু বোধকৰোঁ এইখন ঘৰৰ আন সকলোৱে গোৰাৰ এটা ক্ষুদ্র উপগ্ৰহ বুলি ভাবে বুলি ভাবি সি গোৰাৰ কথা কবই নোৱাৰা হ'ল।

ইয়াৰ আগতে বহুবাৰ প্ৰথমে বিনয় আহে আৰু তাৰ পিচত গোৰা আহে—আজিও তেনেকুৱা হব পাৰে বুলি ভাবি সুচৰিতা একপ্ৰকাৰ অস্থিৰ হৈ থাকিল। গোৰা আহে বুলি তাইৰ ভয়ো লাগিছিল, আকৌ নাহে বুলি আশঙ্কাও হৈছিল।

বিনয়ৰ লগত সাধাৰণ দুই চাৰি আষাৰ কথা-বতৰা পাতি শেষত আৰু আন একো উপায় নেপাই সুচৰিতাই সতীশৰ ছবিৰ বহীখনকে লৈ তাৰ লগত সেইখনৰ বিষয়েই কথা পাতিবলৈ ধৰিলে। মাজে মাজে ছবিবোৰ লগোৱা ভুল হৈছে বুলি কৈ সতীশৰ খঙো তুলিলে। সতীশে খং উঠি ৰবকৈ চিঞৰি চিঞৰি তৰ্ক কৰিবলৈ ধৰিলে। আৰু ইফালে নিজৰ ওপৰত পৰি থকা সেই প্ৰত্যাখ্যাত কৰবী ফুল কেইটালৈ চাই অন্ততঃ ভদ্রতাৰ খাতিৰতো ললিতাই ফুল কেইটা লোৱা উচিত আছিল বুলি বিনয়ে বৰ লাজ আৰু খঙেৰে ভাবিবলৈ ধৰিলে।

হঠাতে ভৰিৰ খোজৰ শব্দ শুনি সুচৰিতাই চক্ খাই উভতি চাই হাৰান মাষ্টৰ কোঠাটোত সোমোৱা দেখা পালে। তাই সকলোৰে চকুত পৰাকৈ ইমান বেচিকৈ চক্ খাই উঠি লাজতে ৰঙা পৰি গ'ল। হাৰান মাষ্টৰে চকী এখনত বহি ক'লে,—"ক'তা, আপোনালোকৰ গৌৰমোহন ডাঙৰীয়া নাই অহা নে কি?"

বিনয়ে হাৰান মাষ্টৰৰ এনেকুৱা অবান্তৰ প্ৰশ্ন শুনি বিৰক্ত হৈ ক'লে,—"কিয়? তেওঁক আপোনাৰ কিবা দৰ্কাৰ আছে নে কি?"

হাবানে ক'লে,—"আপুনি আছে অথচ তেখেত নাই, সাধাৰণ
ঘটনা নঘটে আকৌ। সেই কাৰণেই সুধিছোঁ।"

বিনয়ৰ পেটে পেটে বৰ খং উঠিল। কিন্তু তাৰ খং কেনেবাকৈ
হৈ যাব পাৰে বুলি কোনোৰকমে চমুকৈ ক'লে,—"তেওঁ কলিকতাত
হাবান,—অ' প্ৰচাৰ কৰিবলৈ গৈছে হব পায়?

বিনয়ৰ খঙে মূৰৰ চুলি পালেগৈ। সি একো উত্তৰকে
সুচৰিতায়ো একোকে নকৈ লাহেকৈ উঠি গ'ল গৈ। হাবা
লৰিকৈ উঠি সুচৰিতাক খেদি গৈয়ো ধৰিব নোৱাৰিলে গৈ।
পৰাই চিঞৰি ক'লে,—"সুচৰিতা, শুনাচোন, তোমাক এটা কথা
আছে।"

সুচৰিতাই ক'লে,—"মোৰ আজি গা ভাল নহয়।"

এই বুলি কৈয়েই তাই তাইৰ শোৱা কোঠাৰ দুৱাৰখন জপাই
এনেতে ৰবদাসুন্দৰী আহি থিয়েটাৰৰ আখৰা কৰিবলৈ
আন এটা কোঠালৈ মাতি লৈ গ'ল। ইয়াৰ অলপ পিচতে সেই
নেজৰ ওপৰত থকা বগা কৰবীৰ থোপাটো নিমিষতে অন্তর্ধান
সেইদিনা নিশা ললিতাও ৰবদাসুন্দৰীৰ আখৰালৈ নগ'ল।
'খৃষ্টৰ অনুকৰণ' নামৰ পুথিখন কোলাত লৈ কোঠাৰ চাকিটো
আঁৰ কৰি থৈ বহু নিশালৈকে দুৱাৰৰ বাহিৰৰ এন্ধাৰ বাতিলৈ
থাকিল। তাইৰ সমুখত যেন এখন অচিনাকি অপূৰ্ব্ব দেশে
দৰে দেখা দিছিল। জীৱনৰ অত দিনৰ চিনা-জনা দেশখনৰ
দেশখনৰ যেন ক'ৰবাত এটা প্ৰভেদ আছে। সেই বাবেই
খিড়িকীয়েদি দেখা পোৱা চাকিৰোৱে আন্ধাৰ নিশাৰ নক্ষত্ৰমালাৰ
এটা সুদূৰতাৰ ৰহস্যেৰে তাইৰ মনটোক যেন শঙ্কিত কৰি
অথচ তাইৰ মনলৈ ভাব আহিছে,—জীৱনটো মোৰ অতি
দিনে সঁচা বুলি ভাবি অহা বস্তুবোৰ মুঠেই সঁচা নহয়, অতি
সদায় কৰি অহা কামবোৰো একেবাৰে অৰ্থহীন—সেইখন
হে কিজানি জ্ঞান সম্পূৰ্ণ হব, কৰ্ম্ম মহৎ হৈ উঠিব আৰু
হব। এই অপূৰ্ব্ব অচিনাকি ভয়ঙ্কৰ দেশৰ অজ্ঞাত সিংহদ্বাৰ
কোনে মোক থিয় কৰাই দিলে? মোৰ অন্তৰ আজি এইদৰে
উঠিছে? মোৰ ভবি দুখন আগুৰাবলৈ গৈয়ো কিয় আকৌ
হৈ পৰিছে?"

২৩

থিয়েটাৰৰ আখৰা দিবলৈ বিনয় সদায় আহে। সি আহিলেই সুচ-
বিতাই তালৈ এবাৰ মূৰ দাঙি চাই লাহেকৈ আকৌ তাইৰ হাতত থকা
পুথিখনত মন দিয়ে নতুবা তাইৰ কোঠালৈ উঠি যায়গৈ। বিনয় অকলে
অহাৰ অসম্পূৰ্ণতাই সদায় তাইক বেজাৰ দিয়ে, কিন্তু তাই কেতিয়াও এই
বিষয়ে একোকে নোসোধে। অথচ দিনৰ পিচত দিন এইদৰে পাৰ হৈ
যোৱাৰ লগে লগে সুচৰিতাৰ মনত গোৰাৰ বিৰুদ্ধে এটা অভিযোগ দিনে
দিনে বাঢ়ি আহিছিল। শেষৰ দিনা যেন গোৰাই আকৌ আহিম বুলি
কথাহে দি গৈছিল।

গোৰাই একেবাৰে অকাৰণতে কিছুদিনৰ কাৰণে ক'ৰবালৈ ওলাই
গৈছে আৰু কলৈ গৈছে তাৰো একো ঠিকনা নাই বুলি শুনি প্ৰথমতে
সুচৰিতাই কথাটো একেবাৰে সামান্য কথা বুলি উৰুৱাই দিব খুজিলে।
কিন্তু কথাটো তাইৰ মনত খচ্‌খচাই থাকিল। কিবা কাম কৰি থাকোতেও
হঠাতে এই কথাটো তাইৰ মনত পৰে আৰু নিজে কব নোৱাৰাকৈয়ে
তাই অন্যমনস্ক হৈ পৰে। আকৌ হঠাতে তাই এই কথাটোকে ভাবি
থকা বুলি নিজেই আবিষ্কাৰ কৰে।

গোৰাৰ লগত সিদিনা ইমান কথা-বতৰা পতাৰ পিচত সি হঠাতে
অন্তর্দ্ধ্যান হব বুলি সুচৰিতাই সমূলি আশা কৰা নাছিল। গোৰাৰ মতৰ
লগত নিজৰ সংস্কাৰৰ ইমান বেচি পাৰ্থক্য থকা সত্ত্বেও সেইদিনা তাইৰ
অন্তৰত অকণোকে বিদ্রোহৰ পছোৱা বতাহ বলা নাছিল। সেইদিনা তাই
গোৰাৰ মতবোৰ ফট্‌ফটীয়াকৈ বুজিছিলে নে নাই কব নোৱাৰি; কিন্তু
গোৰা মানুহটোক যেন তাই কিবা এক ধৰণে বুজিব পাৰিছিল। গোৰাৰ
মত বিয়েই নহওক লাগে, সেই মতে যে মানুহটোক ক্ষুদ্ৰ কৰা নাই, অৱজ্ঞাৰ
পাত্ৰ কৰা নাই, ববঞ্চ তাৰ অন্তৰৰ শক্তিহে চকুত পৰা কৰি তুলিছে—
এইবুলি তাই সেইদিনা ভালকৈয়ে বুজিব পাৰিছিল। সেই একেবোৰ কথা
আন কাৰোবাৰ মুখত তাই কেতিয়াও সহিব নোৱাৰিলেহেঁতেন, খং উঠিল
হেঁতেন, সেই মানুহটোক মূৰ্খ বুলি ভাবিলেহেঁতেন আৰু তাক ভালকৈ
এটা শিক্ষা দি শুধৰাই দিবলৈ মনটো চট্‌ফটাই উঠিলহেঁতেন। কিন্তু
সেইদিনা গোৰাৰ কথাবোৰ শুনি তাইৰ এইবোৰ ভাব মনলৈকে নাহিল।
গোৰাৰ চৰিত্ৰৰ লগত, তাৰ বুদ্ধিৰ তীক্ষ্ণতাৰ লগত, তাৰ নিগূঢ় বিশ্বাসৰ

দৃঢ়তাৰ লগত আৰু তাৰ মেঘমন্দ্ৰ কণ্ঠস্বৰৰ মৰ্ম্মভেদী প্ৰৱলতাৰ লগত তা
ৰোৰ মিহলি হৈ পৰি এটি যেন সজীৱ আৰু সত্য আকাৰ হে ধাৰণ কৰি
এই মতৰোৰ সুচৰিতাই গ্ৰহণ নকৰিব পাৰে, কিন্তু আন কোনোকে
এই মতৰোৰ এইদৰে সকলো বুদ্ধি-বিশ্বাস আৰু গোটেই জীৱন
কৰে তেনেহলে তেওঁক হাঁহিব বা উপলুঙা কৰিব নোৱাৰি।
সংস্কাৰে বাধা দিলেও তেনে ব্যক্তিক শ্ৰদ্ধা কৰিবহে পাৰি—এই
সেইদিনা সুচৰিতাই ভাবিছিল। মনৰ এনে এটা অৱস্থা সুচৰিতাৰ
একেবাৰে নতুন। মতৰ অমিল হলে সুচৰিতাই একেবাৰে সহিব
ছিল। পৰেশ ভট্টৰ নিৰ্লিপ্ত সমাহিত শান্ত জীৱনৰ আদৰ্শ সমুখত থকা
তাই একোৰবে সৰু কালৰেপৰা ঠেক সাম্প্ৰদায়িকতাৰ মাজত ডাঙৰ
ৰাবেই মত বোলা বস্তুটোলৈ বৰ বেচিকৈ চকু দিছিল। সেইদিনা
প্ৰথম তাই ব্যক্তি আৰু মতক একেলগে দেখি এটা যেন সজীৱ
পদাৰ্থৰ বহস্যময় সত্তা অনুভৱ কৰিলে। মানৱ সমাজক একমাত্ৰ
আৰু পৰ এই দুই ক'লা-বগা ভাগত সম্পূৰ্ণৰূপে ভগাই চোৱাৰ ভেদ
কথাই সেইদিনা তাই পাহৰি গৈছিল। আৰু ভিন্ন মতৰ মানুহকো
মতলৈ লক্ষ্য নকৰি কেৱল মাথোন মানুহৰ ৰূপত মুখ্যভাৱে এনেকৈ
পাইছিল যে সেইদিনা তাইৰ মানত ভিন্ন মতটো গৌণ হৈ পৰিছিল।
- সেইদিনা গোৰাই তাইৰ লগত কথা পাতি সুখ পোৱা বুলি সুচ
বুজিব পাৰিছিল। সেই সুখ মাথোন নিজৰ মত প্ৰকাশ কৰি পোৱা
জানো? এই সুখ লাভত সুচৰিতাৰ একো হাত নাছিল নে?
নাছিল। গোৰাৰ মানত কিজানি কোনো মানুহৰে একো মূলাই
সি কিজানি নিজৰ মত আৰু উদ্দেশ্য লৈয়েই সকলোৰেপৰা আঁতৰি
—মানুহবোৰ তাৰ মানত কিজানি মত প্ৰয়োগ কৰাৰ উপলক্ষহে মাত্ৰ
সুচৰিতাই এই কেইদিন অলপ বেচিকৈয়ে উপাসনাত মনোযোগ দিছিল
তাই যেন আগতকৈয়ো বেচিকৈ পৰেশ ভট্টৰ ওপৰত নিৰ্ভৰ কৰিবলৈ
কৰিছিল। এদিন পৰেশ ভট্টই তেখেতৰ কোঠাত অকলৈ বহি
পঢ়ি আছিল। এনেতে সুচৰিতা আহি তেখেতৰ কাষত কোনো
নকৰাকৈ বহিল হি।

পৰেশ ভট্টই মেজৰ ওপৰত পুথিখন থৈ সুধিলে,—"কি হ'ল মা
সুচৰিতাই কলে,—"নাই, একো হোৱা নাই।" এই বুলি মেজৰ
ৰত থকা সজাই থোৱা পুথি-পাজিবোৰকে ইফাল-সিফাল কৰি
ধৰণে সজাবলৈ ধৰিলে।

অলপ পৰ পিচতে তাই ক'লে,—"আগেয়ে পঢ়োৱাৰ দৰে আজি-কালি
আপুনি মোক আৰু নপঢ়ায় কিয়?"

পৰেশ ভট্টই অলপ হাঁহি মৰমেৰে ক'লে,—"মোৰ ছাত্ৰীয়ে মোৰ স্কুলৰ
পাছ কৰি ওলাই গৈছে। এতিয়া দেখোন তুমি নিজে নিজেই পঢ়ি
ক্ষিব পাৰা।"

সুচৰিতাই কলে,—"ওঁহো, মই একোকে বুজি নেপাওঁ। মই আগৰ
সেই আপোনাৰ ওচৰত পঢ়িম।"

পৰেশ ভট্টই ক'লে,—"বাৰু কাইলৈৰপৰা পঢ়াম।"

সুচৰিতাই আকৌ অলপ পৰ মনে মনে থাকি হঠাতে ক'লে,—"দেউতা,
সেইদিনা বিনয় চেটাৰ্জ্জীয়ে জাতিভেদৰ বিষয়ে বহু কথা ক'লে। আপুনি
মোক এই বিষয়ে অলপ বুজাই নিদিয়ে কিয়?"

পৰেশ ভট্টই ক'লে,—"আই, তুমি দেখোন জানাই—তোমালোকে নিজে
নিজে ভাবি বুজিবলৈ যত্ন কৰিব লাগে। মোৰ বা কান আৰো মত কেৱল
কোনো অভ্যাস কথাৰ দৰে ব্যৱহাৰ নকৰিবাঁ। মই সদায় তোমালোকক
এই বিষয়ে আনক উপদেশ দিবলৈ যোৱা আৰু ভোক নলগাকৈয়ে খাবলৈ
দিয়া, একেই কথা। তাৰপৰা মাথোন অৰুচি আৰু অজীৰ্ণহে হয়। কেতি-
তুমি মোক কিবা সুধিলে মই যি জানো কম।"

সুচৰিতাই ক'লে,—"মই আপোনাক প্ৰশ্ন এটাকে সোধোঁ। আমি
জাতিভেদক নিন্দা কৰোঁ। কিয়?"

পৰেশ ভট্টই ক'লে,—"মেকুৰী এটাই পাতৰ কাষত বহি ভাত খালেও
কোনো দোষ নেলাগে, অথচ মানুহ এজন সেই কোঠাটোত সোমালেই ভাত
খাই দিব লাগে। মানুহৰ প্ৰতি মানুহৰ এনেকুৱা অপমান আৰু ঘিণ ভাব
জাতিভেদৰপৰা ওপজে সেই জাতিভেদক অধৰ্ম্ম নুবুলি নো কি
মানুহক যিবোৰে, এনেকুৱা ভয়ানক অৱজ্ঞা কৰিব পাৰে, সিহঁত
তিয়াও পৃথিৱীত উধাৰ নোৱাৰে; সিহঁতে আনৰপৰাও অৱজ্ঞা সহিবই
গিব।"

সুচৰিতাই গোৰাৰ মুখত শুনা কথাৰ সুৰতে ক'লে,—"আজি সমাজত
হতো দোষ থাকিব পাৰে; এই দোষ চোন সমাজৰ সকলো বস্তুতে
ছে। সেই বুলি আচল বস্তুটোক দোষ দিব পাৰি জানো?"

পৰেশ ভট্টই তেখেতৰ স্বাভাৱিক শান্ত মাতেৰে ক'লে—"আচল বস্তুটো
ক'ত আছে জনা হলে কব পাৰিলোহেঁতেন। আমাৰ দেশত মানুহে

মানুহক ঘিণ কৰাটো মই নিজ চকুৰে দেখা পাইছোঁ। আৰু
আমি সকলোৱে সকলোৰেপৰা আঁতৰি আহিছোঁ। এনে
এটা কাল্পনিক আচল বস্তুৰ কথা ভাবি মনটোক জানো
পাৰি ?"

সুচৰিতাই পুনৰ গোৰাৰ কথাৰ প্ৰতিধ্বনিৰ দৰে ক
সকলোলৈকে সমদৃষ্টিৰে চোৱাই তো আমাৰ দেশৰ চৰম তত্ত্ব
পৰেশ ভট্টাই ক'লে,—"সমদৃষ্টিৰে চোৱাটো জ্ঞানৰ ক
কথা নহয়। সমদৃষ্টিৰ মাজত প্ৰেমো নাই, ঘিণো নাই
খং-দ্বেষৰ অতীত। মানুহৰ অন্তৰ এনে এটা হৃদয়-ধৰ্ম্মহীন
হৈ থাকিব নোৱাৰে। সেইবাবেই আমাৰ দেশত এনেকুৱা
সত্ত্বেও নীচ জাতিৰ মানুহক গোসাঁই থানত সোমাবলৈ দিয়া
তাৰ ক্ষেত্ৰতো আমাৰ দেশত সাম্য নেথাকিলে দৰ্শন শাস্ত্ৰৰ
তত্ত্ব থকা নথকাৰ কোনো মূল্য নাই।"

সুচৰিতাই পৰেশ ভট্টৰ কথাবোৰ বহুপৰ মনে মনে ৰহি
ভাবি বুজিবলৈ যত্ন কৰিলে। অৱশেষত ক'লে,—"বাৰু দেউ
এইবোৰ কথা বিনয়হঁতক বুজাবলৈ যত্ন নকৰে কিয় ?"

পৰেশ ভট্টাই অলপ হাঁহি ক'লে,—"বিনয়হঁতৰ বুদ্ধি
এইবোৰ কথা নুবুজা নহয়, আচলতে তেওঁলোকৰ বুদ্ধি
এইবোৰ কথা তেওঁলোকে বুজিব নোখোজে। তেওঁলোকে
বুজাবহে খোজে। তেওঁলোকে ধৰ্ম্মৰ ফালৰপৰা, অৰ্থাৎ
উচ্চ সত্যৰ ফালৰপৰা এইবোৰ কথা অন্তৰৰে সৈতে বুজি
তোমাৰ দেউতাবাৰ বুদ্ধি শুনিবলৈ তেওঁলোকে আৰু অপেক্ষা কৰিব
এতিয়া তেওঁলোকে আন ফালৰপৰা চাইছে। এতেকে মোৰ
তেওঁলোকৰ একো কামতে নাহিব।"

গোৰাহঁতৰ কথা সুচৰিতাই শ্ৰদ্ধাৰে সৈতে শুনিছিল যদিও
তাইৰ সংস্কাৰত আঘাত কৰাত পেটে পেটে তাই বেজাৰ
তাই শান্তি পোৱা নাছিল। আজি ভট্ট ডাঙৰীয়াৰ লগত
বেজাৰৰপৰা তাই অলপ সময়ৰ বাবে মুক্তি পালে।
আন কোনোবাই ভট্ট ডাঙৰীয়াতকৈ কোনো কথা ভালকৈ বুজে বুলি
কেতিয়াও ভাবিবই নুখুজিছিল। পৰেশ ভট্টৰ লগত কাৰোবাৰ
লিলেই সেই মানুহজনৰ ওপৰত সুচৰিতাৰ খং উঠি গৈছিল
গোৰাৰ লগত চিনাকি হোৱাৰ পিচৰপৰা গোৰাৰ কথাবোৰ খং

উকৰাই দিব পৰা নাছিল বুলিয়েই সুচৰিতাই এনে ধৰণৰ কষ্ট পাই
আছিল। এনেবোৰ কাৰণতে আকৌ নিচেই সৰু কালৰ দৰে পৰেশ ভট্টৰ
ওচৰত ছাঁয়াৰ দৰে সম্পূৰ্ণ নিৰ্ভৰ কৰিবলৈ তাইৰ হৃদয় ব্যাকুল হৈ পৰিছিল।
চলীবপৰা উঠি দুৱাৰমুখলৈকে গৈ আকৌ উভতি আহি সুচৰিতাই পৰেশ-
ভট্টৰ পিচফালে থিয় হৈ তেখেতৰ পিঠিত হাত এখন দি ক'লে,—"দেউতা,
আজি গধূলিকৈ আপুনি মোৰ লগত উপাসনা কৰিব দেই।"

পৰেশ ভট্টাই ক'লে,—"বাৰু।"

তাৰ পিচত নিজৰ শোৱা কোঠালৈ গৈ দুৱাৰ জপাই থৈ সুচৰিতাই
বহি বহি গোৰাৰ কথাবোৰ একেবাৰে উপলুঙা কৰি উকৰাই দিবলৈ যত্ন
কৰিলে। কিন্তু গোৰাৰ সেই বুদ্ধি আৰু বিশ্বাসেৰে উজ্জ্বল হৈ থকা মুখ-
খন তাইৰ চকুৰ আগত ভাঁহি উঠিল। গোৰাৰ কথাবোৰ যেন মাথোন
কথা নহয়, সেইবোৰ যেন গোৰা নিজেই—তাইৰ এনেহে লাগিল। সেই
কথাবোৰৰ যেন আকৃতি আছে, গতি আছে, প্ৰাণ আছে—সেইবোৰ যেন
বিশ্বাসৰ দৃঢ়তা আৰু স্বদেশপ্ৰেমৰ বেদনাৰে ভৰপূৰ হৈ আছে। সেইবোৰ
প্ৰতিবাদ কৰি শেষ কৰি পেলাব পৰা মত নহয়—সেইবোৰ যে এজন সম্পূৰ্ণ
মানুহ—আৰু সেই মানুহজনো সামান্য মানুহ নহয়। এই মানুহজনক
ঠেলা মাৰি পেলাই দিবলৈকো হাত নুঠে। এই ধৰণৰ এটা ডাঙৰ দোমো-
জাত পৰি সুচৰিতাৰ কান্দি পেলাবৰ মন গ'ল। তাইক ইমান ডাঙৰ এটা
সমস্যাত পেলাই থৈ কোনোবাই যে সম্পূৰ্ণ উদাসীন হৈ অনায়াসে দূৰলৈ
শুচি যাব পাৰে, এই কথা ভাবি তাইৰ বুকু ফাটি যোৱা যেন লাগিল; অথচ
ইয়াৰ বাবে কষ্ট পোৱা দেখি তাইৰ নিজৰ ওপৰত ভীষণ খঙো উঠিল।

২৪

ইংৰাজ কবি ড্ৰাইডেনে বচনা কৰা এটি সঙ্গীত-বিষয়ক কবিতা বিনয়ে
নিজ ঠাঁচেৰে আবৃত্তি কৰাটোকে থিৰাং হৈছিল; আৰু আবৃত্তিৰ লগে
লগে ছোৱালীবোৰে মঞ্চত উপযুক্ত সাজ-পাৰ পিন্ধি কবিতাৰ ঘটনাটোৰ
নিমাত অভিনয় কৰিব। ইয়াৰ উপৰিও ছোৱালীবোৰে ইংৰাজী কবিতা
আবৃত্তি কৰিব আৰু গীত আদি গাব।

বিনয়ক যেনে তেনে শিকাই বুজাই ঠিক কবি লব বুলি ৰবদাসুন্দৰীয়ে

তাক বহুতো আশা দিছিল। তেখেতে নিজে ইংৰাজী নামমাত্ৰ
ছিল। তেখেতৰ দলৰ দুই এজন পণ্ডিতৰ ওপৰতে তেখেতে
নির্ভৰ কৰিছিল।

কিন্তু আখৰাত বিনয়ে আবৃত্তি কৰি ৰৱদাসুন্দৰীৰ পণ্ডি
অবাক কৰি দিলে। ৰৱদাসুন্দৰীয়েও তেখেতৰ দলৰ বাহিৰৰ
জনক শিকাই-বুজাই গঢ়ি লোৱাৰ সুখ ভোগ কৰিবলৈ নেপালে
যিবোৰে বিনয়ক কোনোবা নিচেই সামান্য বুলি ভাবি কেৱ
নাছিল, সিহঁতেও এতিয়া বিনয়ে ইমান ভালকৈ ইংৰাজী কৰি
কৰিব পৰা দেখি তাক পেটে পেটে শ্ৰদ্ধা নকৰি নোৱাৰিলে।
হাবান মাষ্টৰেও তেওঁৰ কাগজত মাজে মাজে ইটো সিটো লিখি
অনুৰোধ কৰিবলৈ ধৰিলে। আৰু সুধীৰে তো সিহঁতৰ ছাত্ৰ-সভা
মাজে ইংৰাজীতে বক্তৃতা দিবলৈ ভালকৈয়ে বিনয়ক হায়ৰাণ কৰা
ললিতাৰ অৱস্থাটোহে ৰৱ অদ্ভুত ধৰণৰ হ'ল। বিনয়ক
একো সহায় কৰিব নলগীয়া হোৱাত তাইৰ পেটে পেটে ভাল
খোৱাও লাগিল। বিনয় যে সিহঁতৰ আন কোনোতকৈ হীন
সিহঁতৰ সকলোতকৈ চৰা হে, সি যে পেটে পেটে নিজকে
লায়ক বুলি ভাবিছে, সি যে সিহঁতৰ কাৰোপৰা একোকে
নহ'ল—এইবোৰ কথাই তাইৰ মনত বেজাৰ দিবলৈ ধৰিলে।
পৰা তাই যে কি বিচাৰে, কেনেকুৱা হ'লে তাই আকৌ সহজ
সেইটো তাই নিজেই বুজিব পৰা নাছিল। লাভৰ মূৰত তাইৰ
ৰোৰ সৰুসুৰা কথাতে ওলাই পৰি বিনয়কে বিদ্ধিবলৈ ধৰিলে।
প্ৰতি এইটো সুবিচাৰ হোৱা নাই আৰু ভদ্ৰতাও নহয় বুলি
ভালকৈয়ে বুজি পালে। বুজি পাই তাই দুখো পালে
দমাবলৈ যথেষ্ট চেষ্টাও কৰিলে। কিন্তু হঠাতে অতি সামান্য
লৈ কিয় যে তাইৰ এই অসঙ্গত অন্তৰৰ পোৱণিয়ে সংযমৰ শাসন
ওলাই পৰে—তাই বুজিব নোৱাৰিলে। আগতে যিটো বিষয়ত
তাই অনবৰত বিনয়ক উচটাই আছিল, এতিয়া তাই তাক
দিয়াত বাধা হে দিবলৈ ধৰিলে। কিন্তু এতিয়া ইমান দূৰ
পিচত সকলোৰোৰ মাটি কৰি বিনয়েনো মিছাতে কেনেকৈ
সময়ো আৰু বেচি নাই, তাৰোপৰি নিজৰ নতুন গুণ এটা
সি নিজেই এতিয়া উৎসাহিত হৈ পৰিছে।

অৱশেষত ললিতাই ৰৱদাসুন্দৰীক ক'লে,—"মই থিয়েটাৰ নকৰোঁ

ৰৱদাসুন্দৰীয়ে মাজু জীয়েকক ভালকৈয়ে চিনি পাইছিল, সেইবাবে
তে অলপ ভয় খাই সুধিলে,—"কিয় ?"

ললিতাই ক'লে,—"মই যে নোৱাৰোঁ।"

দবাচলতে বিনয়ক অকামিলা বুলি উলাই কৰিব নোৱাৰা হোৱাৰপৰাই
াই বিনয়ৰ আগত কোনো পধ্যেই আবৃত্তি বা অভিনয় আখৰা কৰিবলৈ
নহ'ল। তাই কৈছিল, "মই নিজে নিজে অকলে আখৰা কৰিম।"
সকলোৰে অসুবিধা হৈছিল। কিন্তু ললিতাও কোনোমতেই মান্তি
ল। অৱশেষত সকলোৱে ললিতাক বাদ দিয়েই কাম চলাবলগীয়া

কিন্তু শেষ মুহূর্ত্তত ললিতাই এইদৰে সাৰিৰ খোজাত ৰৱদাসুন্দৰীৰ
বজ্ৰপাত পৰিল। তেখেতৰদ্বাৰা ইয়াৰ একো প্ৰতিকাৰ নহৰ বুলি
ত ভালদৰেই জানিছিল। সেই কাৰণেই তেতিয়া তেখেতে পৰেশ
শৰণাপন্ন হ'ল। পৰেশ ভট্টই সাধাৰণতে কেতিয়াও সামান্য কথাত
সিহঁতৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত হাত নিদিছিল। কিন্তু ৰৱচাহাবক
াকে কথা দিছে, সেই অনুসাৰে সি পক্ষই সকলো যা-যোগাৰো
সময়ো নিচেই তাকৰ। এই আটাইবোৰ বিবেচনা কৰি পৰেশ
ললিতাক মাতি তাইৰ মূৰত হাত ফুৰাই ক'লে,—"ললিতা, এতিয়া তুমি
নকৰা হলে ৰৱ অন্যায় হব।"

ললিতাই কন্দনামুৰা হৈ ক'লে,—"দেউতা, মই যে নোৱাৰোঁ, মোৰ
একোৰেই নহয়।"

পৰেশ ভট্টই ক'লে,—"তুমি ভালকৈ নোৱাৰিলেও একো দোষৰ কথা
কিন্তু একেবাৰে নকৰিলেহে ৰৱ অন্যায় হব।"

ললিতাই তলমুকৈ থিয় হৈ থাকিল। পৰেশ ভট্টই ক'লে,—"আই,
দাৰ ভাৰ লৈছা যেতিয়া কামটো শেষ কৰিবই লাগিব। তোমাৰ
মানত লাগিব বুলিতো এতিয়া আৰু এৰা দিবৰ সময় নাই। তোমাৰ
মানত লাগিলেও তাঁলৈ আওহেলা কৰি কৰিবলগীয়া কাম কৰিবই
নোৱাৰিবানে আই ?"

ললিতাই বাপেকৰ মুখলৈ চাই ক'লে,—"পাৰিম বাৰু।"

ইদিনাই সন্ধিয়া বিশেষকৈ বিনয়ৰ সমুখতে সকলো সঙ্কোচ আঁতৰাই
অলপ বেচি জোৰকৈয়ে যেন ৰৱাই কৰি নিজৰ কৰ্ত্তব্য কৰিবলৈ
চ'ল। বিনয়ে ইমান দিনে তাইৰ আবৃত্তি শুনা নাছিল। আজি
চৰিত হ'ল। ইমান স্পষ্ট সতেজ উচ্চাৰণ—ক'তো অকণোকে

খোকোজা নাই, আৰু ভাব প্ৰকাশৰ মাজত এনে এটি নিখুঁত
যে শুনি বিনয় আশাতীতভাৱে আনন্দিত হ'ল। সেই মা
বহু বেলিলৈকে বাজি থাকিল।

কৰিতা আবৃত্তিত আবৃত্তি কৰোঁতাৰ প্ৰতি শ্ৰোতা
মোহ ওপজে। কৰিতাৰ ভাবটোৱেই আবৃত্তি কৰোঁতাক
দান কৰে। কৰিতাটি আবৃত্তি কৰোঁতাৰ মাত, মুখৰ
মাজেদি ফুটি ওলায়। গছৰ ঠানিত ফুল ফুলাৰ দৰে
কৰোঁতাৰ যোগেদি ফুলি উঠি তেওঁক এটি বিশেষ সম্পদ

ললিতাও বিনয়ৰ চকুত কৰিতাৰে ভূষিত হৈ
ললিতাই অতদিনে তাইৰ চোকা চোকা কথাবে বিনয়ক
কৰি ৰাখিছিল। দুখ পোৱা ঠাইডোখৰলৈ বাৰে বাৰে
দৰেই বিনয়েও কেইদিনমান ললিতাৰ বেঁকা বেঁকা
হাঁহিটোৰ বাহিৰে আন একোকে ভাবিব পৰা নাছিল।
এনেকুৱা কৰিলে, তেনেকৈ ক'লে, এইবোৰ কথাকে
ললিতাই সৃষ্টি কৰা অশান্তিৰ ৰহস্য যিমানেই
সিমানেই ললিতালৈ চিন্তাও তাৰ মনত আৰু বেচিকৈ
ধৰিলে। পুৱা শুই উঠিও হঠাতে তাৰ এইবোৰ কথাৰ
পৰেশ ভট্টৰ ঘৰলৈ সদায় আহিবলৈ ওলায়েই সি ভাবে—
কেনেকুৱা কপত দেখা পাওঁগৈ।' যিদিনা ললিতাই
যেন দেখুৱায়, সেইদিনাহে সি যেন কোনোমতে
ললিতাৰ এই ভাল লগা ভাবটো নিগাজী কৰিবলৈ
ভাবিছে, কিন্তু তাৰ সাধ্যৰ ভিতৰত একোটোকে বিচাৰি

এই কেইদিনৰ এই মনৰ অশান্তিৰ পিচত ললিতাৰ
সোৱাদে বিনয়ক বিশেষকৈ আৰু বৰ বেচিকৈয়ে বিচলিত
ইমান বেচি ভাল লাগিল যে কি বুলিনো প্ৰশংসা কৰিব,
ললিতাৰ মুখৰ আগত ভাল বেয়া কোনো কথাকে
কিয়নো তাইক ভাল বুলিলেই যে তাই ভাল পাব,
নিয়মটো ললিতাৰ ঠাইত নেখাটিবও পাৰে। আন
বুলিয়েই হয়তো নেখাটিব। এইবোৰ কাৰণেই বিনয়ে
উৎসাহৰ সৈতে ললিতাৰ পাৰেমানে প্ৰশংসা কৰিলে।
আৰু বুদ্ধিৰ প্ৰতি ৰৱদাসুন্দৰীৰ শ্ৰদ্ধা আৰু বাঢ়িল।

আৰু এটা আচৰিত ঘটনা ঘটিল। ললিতাই

নিন্দনীয় নাই হোৱা বুলি মনতে ভাব হোৱাৰপৰাই চোৰ ওপৰেদি
ত নাও ভাঁহি যোৱাৰ দৰে তায়ো তাইৰ কৰ্ত্তব্যৰ কটকটীয়া ধাৰৰ
দি অনায়াসে ভাঁহি যাবলৈ ধৰিলে। আৰু তেতিয়াৰপৰা বিনয়ৰ
ও তাইৰ চোকৰ আঁতৰিল। বিনয়ক লাজত পেলাবলৈ তাই আৰু
নকৰা হ'ল। এই কামটোত তাইৰ উছাহ দিনে দিনে বাঢ়িবলৈ
আৰু আখৰা বিষয়ত বিনয়ৰ লগত তাইৰ ঘনিষ্ঠতাও বাঢ়িল।
কি আবৃত্তি বা আন কোনো বিষয়ত বিনয়ৰপৰা উপদেশ লবলৈকো
অকণো আপত্তি নেথাকিল। ললিতাৰ এই পৰিবৰ্ত্তনত বিনয়ৰ
গধুৰ বোজা এটা আঁতৰিল। তাৰ ইমান বেচি ভাল লাগিল যে সি
তেতিয়াই আনন্দময়ীৰ কাষলৈ গৈ সকু ল'ৰাৰ দৰে ধেমালি কৰিবলৈ
। সুচৰিতাৰ কাষত বহি বলকিবলৈকো তাৰ মনত বহুতো
খুপ খালে। কিন্তু আজি-কালি সুচৰিতাৰ লগত তাৰ দেখাই নহয়।
পালেই সি ললিতাৰ লগত কথা পাতিবলৈ বহে, কিন্তু ললিতাৰ
সি গা-চেবাই হে কথা পাতিব লাগে। ললিতাই তাক আৰু তাৰ
লাক টানভাৱে বিচাৰ কৰে বুলি জানিছিল বুলিয়েই তাইৰ আগত
কথাৰ সোঁতৰ স্বাভাৱিক বেগ কমি গৈছিল। ললিতাই মাজে মাজে
"আপুনি যেন পুথিৰপৰা কিবা আওৰাইহে কথা কৈছে; এনেকৈ
ৰ কয় কিয়?" বিনয়ে উত্তৰ দিয়ে, "মই আজিলৈকে মাথোন
পঢ়িছোঁ। সেই কাৰণে মোৰ মনটো ছপা কৰা পুথিৰ দৰেই হৈ
।"

ললিতাই কয়,—"আপুনি খুব ভালকৈ সজাই কথা কবলৈ যত্ন নকৰিব।
কথাবোৰ সহজকৈ কবচোন। আপুনি ইমান বঢ়িয়াকৈ কথা কয়
ন কাৰোবাৰ কথাহে ভাবি ভাবি সজাই কৈছে বুলি মোৰ ভাব হয়।"
এইবোৰ কাৰণেই স্বাভাৱিকতে কোনো কথা ধুনীয়া হৈ বিনয়ৰ মনলৈ
লেও ললিতাক কওঁতে সি ইচ্ছা কৰিয়ে কথাটো সহজকৈ আৰু
কবলগীয়া হয়। কেতিয়াবা হঠাতে অলঙ্কাৰযুক্ত কথা তাৰ মুখত
ও সি লাজ পাই যায়।

ললিতাৰ মনৰপৰা আবতৰীয়া মেঘ আঁতৰি গৈ তাইৰ অন্তৰখন যেন
। তাইৰ পৰিবৰ্ত্তন দেখি ৰৱদাসুন্দৰীও আচৰিত হৈ
তাই এতিয়া কথাই কথাই আগৰ দৰে ওফোন্দ পাতি মুখ ওন্দোলাই
। সকলো কামতে উছাহৰ সৈতে যোগ দিয়ে। হবলগীয়া
টাৰখনৰ সাজ-পোছাক আদি সকলো বিষয়তে তাই সদায় নানান ধৰণৰ

নতুন নতুন কথা পাওঁ আৰু এইবোৰ লৈ তাই সকলো
লগায়। এইবোৰ বিষয়ত ৰবদাসুন্দৰীৰ যিমানেই বেচি
তেখেতে হলে লগে লগে খৰচৰ কথাটোও ভাবে। সেই
কৰিবলৈ ওজৰ কৰোঁতেও তেখেতৰ যিদৰে ভাবনাৰ
আকৌ সেইদৰে তাই উৎসাহিত হৈ উঠোঁতেও তেখেত
সঙ্কটতহে পৰিল। কিন্তু ললিতাৰ থৌকি-বাথৌ
দিবলৈকো তেখেতৰ সাহ নাই, কিয়নো তাই উৎসাহৰ
কামত যদি লেশমানো কেনা লাগিল, তাই একেবাৰে
আৰু তেতিয়া সেই কামটোত যোগ দিয়াই তাইৰ বাবে
ললিতাই তাইৰ মনৰ এনে এটা উলাহ অৱস্থাত কেনা
ওচৰলৈ গৈছিল। সুচৰিতাই হাঁহিছেও, কথাও পাতিছে,
ললিতাই বাবে বাবে মনতে এনে এটা বাধা অনুভৱ
খং কৰি মাত-বোল নোহোৱাকৈ উভতি আহিছিল।

এদিন তাই ভট্ট ডাঙৰীয়াৰ ওচৰলৈ গৈ ক'লেগৈ,
বাইদেৰে কেৱল চুকত বহি বহি পুথি পঢ়ি থাকিব, আৰু
কৰিম!—সেইটো কেতিয়াও হব নোৱাৰে, তেৰেঁ। আমাৰ
লাগিব।"

পৰেশ ভট্টয়ো আজি কিছুদিনৰপৰা এই বিষয়ে ভাবিছিল,
যেন নিতে নিতে তাইৰ লগৰীয়াবোৰৰপৰা আঁতৰি গৈছে।
বাবেও এনে এটা অৱস্থা সুবিধাজনক নহয় বুলি তেখেতে
বং-ধেমালি সকলোতে সকলোৰে লগত হলি-গলি কৰিব নোৱা
এই মানুহৰপৰা আঁতৰি ফুৰা ভাবটোৱে লাই পাব বুলি
ললিতাৰ কথা শুনি ভালকৈয়ে বুজিলে। ভট্ট ডাঙৰীয়াই
"তোমাৰ মাৰাক কোৱাগৈচোন।"

ললিতাই ক'লে, "আইক মই কম বাকু, কিন্তু সুচি
কৱোৱাৰ ভাৰ আপুনি লব লাগিব।"

পৰেশ ভট্টই কোৱাত সুচৰিতাই আৰু ওজৰ কৰিব
তাই তাইৰ ভাগৰ কামখিনি কৰিবলৈ আগুৰাই আহিল।
সুচৰিতা চুকৰপৰা ওলাই অহাত বিনয়ে তাইৰ লগত
দৰে কথা-বতৰা পাতিবলৈ মন কৰিলে। কিন্তু এই কেইদিন
সুচৰিতাৰ এনে কিবা এটা হৈছে যে বিনয়ে যেন ভালকৈ
ওচৰ চাপিব নোৱাৰে! তাইৰ মুখত, তাইৰ চকুত এনে

ভাব ফুটি ওলাইছিল যে তাইৰ কাষ চাপিবলৈকে সঙ্কোচ ওপজে! আগতেও
কথা-বতৰা বা হাঁহি-ধেমালি—সকলোতে সুচৰিতাৰ এটা উৰুঙা ভাব আছিল।
তিয়া সেই ভাবটোৱেই খুব বেচিকৈ মৰ দাঙি উঠিছে। থিয়েটাৰত
াগ দিয়া সত্ত্বেও তাইৰ এই স্বতন্ত্ৰীয়া ভাবটো আঁতৰি নগ'ল। ঠিক
ই কবিবলগীয়া ভাগখিনি আখৰা কৰিয়েই তাই গুচি গৈছিল। সুচৰিতা
দৰে আলেঙে আলেঙে ফুৰা দেখি বিনয়ে পোঁনতে বৰ বেজাৰ পাইছিল।
সকলোৰে লগত সহজতে মিলিব পৰা ল'ৰা, তাৰ বন্ধুবোৰৰপৰা
তিয়াবা অকণমান আঘাত পালেও সি বৰ দুখ পায়। এই পৰিয়ালটোত
চৰিতাই তাক আজিলৈকে সদায় বিশেষভাৱে মৰম-চেনেহ, আদৰ-যত্ন,
আহিছে। এতিয়া তাই হঠাতে বিনা কাৰণতে এনেকুৱা ব্যৱহাৰ
াত সি বৰ বেজাৰ পালে। কিন্তু ললিতাৰো এই একেটা কাৰণতে
ৰিতাৰ ওপৰত ৰোষ হোৱা দেখি সি পেটে পেটে অৱশ্যে অলপ শান্তি
ল আৰু ললিতাৰ লগত তাৰ ঘনিষ্ঠতা আৰু বাঢ়িল। সুচৰিতাক আৰু
তাৰ ওচৰৰপৰা আলেঙে আলেঙে ফুৰাৰ চল নিদিলে, বৰঞ্চ সি নিজেই
ৰিতাৰ ওচৰলৈ যাবলৈ এৰিলে। এইদৰেই চাওঁতে চাওঁতে সুচৰিতা
ৰপৰা বহু দূৰলৈ আঁতৰি গ'লগৈ।

এইবাৰ কিছুদিন গোৱা কলিকতাৰপৰা আঁতৰি থকাত বিনয়ে অতি
ছিল। পৰেশ ভট্টৰ পৰিয়ালৰ লগত সকলো প্ৰকাৰে ঘনিষ্ঠ হবলৈ সুচল
তে বুজিব পাৰি বৰ ভাল পাইছিল। বিনয়ে এনে এটা কোনো
নোহোৱা অৱস্থালৈ আহিব পাৰি আগতে কেতিয়াও নোপোৱাদি
নতুন ধৰণৰ সুখ অনুভৱ কৰিলে। আৰু তাক যে এওঁলোক সকলোৱে
পায়, এই কথা ধৰিব পাৰি তাৰ আনক ভালৰি বোলাৰ পৰা শক্তিটোও
আৰু বাঢ়ি গ'ল।

প্ৰকৃতিৰ এই বিস্তাৰ হোৱাৰ সময়ত নিজকে সুকীয়া শক্তিত ভনুভৱ
ৰ দিনাই বিনয়ৰ কাষৰপৰা সুচৰিতা যেন আৰু আঁতৰি গ'ল। এই
এই আঘাত আন সময়ত হোৱা হলে একেবাৰে অসহনীয় হৈ উঠিল-
ল, কিন্তু সি এতিয়া এইবোৰ অতি সহজেই পাৰ হৈ আহিল। আচৰিত
এয়ে যে ললিতায়ো সুচৰিতাৰ এনেকুৱা ভাব-সলনি দেখিও আগৰ
ওফোন্দ পতা নাই। আবৃত্তি আৰু ভাওৰ উলাহেই তাইক আন
কথা পাহৰাই পেলাইছিল নে কি?

ইফালে সুচৰিতাই অভিনয়ত যোগ দিয়া দেখি হাৰান মাষ্টৰ হঠাতে

খুব উৎসাহিত হৈ উঠিল। তেওঁ 'পেৰেডাইচ্ লষ্ট'বপৰা এ
কবিব আৰু ড্ৰাইডেনৰ কাব্য আবৃত্তিৰ পাতনি স্বৰূপে
শক্তিৰ বিষয়ে এটা সৰু বক্তৃতা দিব বুলি নিজেই প্ৰস্তাৰ
শুনি ৰবদাসুন্দৰী পেটে পেটে বৰ বিৰক্ত হ'ল আৰু
নেলাগিল। হাৰানে নিজে গৈ বৰ চাহাবৰ লগত দেখা
পকা কবি থৈছিল। বিচিত্ৰাভিনয়খন ইমান দীঘলীয়া
আপত্তি কৰিবও পাৰে বুলি ললিতাই কওঁতেই হাৰানে
কৃতজ্ঞতা জনাই লিখা চিঠি এখন ললিতাৰ হাতত দি
বন্ধ কবি দিলে।

গোৰা বিনা কামত এনেয়ে ফুৰিবলৈ গৈছিল, কেতিয়া
সেইটো কোনেও নেজানে। সুচৰিতাই এই কথা মনৰপৰা
বাদ দিছে বুলি ভাবিছিল যদিও তাই গোৰা আজিয়েই
পাৰে বুলি পেটে পেটে নিতৌ আশাপালি আছিল। মনৰ
তাই একোপধ্যেই মনৰপৰা আঁতৰাব নোৱাৰিছিল। গোৰাৰ
আৰু নিজৰ মনে নমনা অৱস্থাই তাইক বহুত কষ্ট দিছিল।
এই জাল ছিণ্ডি পলাই সাৰিবলৈ তাইৰ অন্তৰ অস্থিৰ হৈ
এনে সময়তে এদিন হাৰান মাষ্টৰে বিশেষভাৰে ঈশ্বৰৰ নাম
লগত তেওঁৰ বিয়াৰ সম্বন্ধ পকা কৰিবলৈ পৰেশ ভট্টক
জনালে। পৰেশ ভট্টই ক'লে, "বিয়ালৈ চোন এতিয়াও দিন
সোনকালে বান্ধ খোৱাটো জানো ভাল হব?"

হাৰানে ক'লে, "বিয়াৰ আগতে কিছুদিন এইদৰে
থকাটো উভয়ৰে মনৰ পৰিণতিৰ বাবে বিশেষ আৱশ্যক
পোনতে চিনাকি হোৱা দিন আৰু বিয়াৰ মাজত এনেকুৱা
সম্বন্ধ আছে—য'ত সাংসাৰিক দায়িত্ব নাই অথচ বান্ধোন
ৰব উপকাৰী।"

পৰেশ ভট্টই ক'লে, "বাৰু, সুচৰিতাক মই সুধি চাওঁ।"

হাৰানে ক'লে, "তেওঁ দেখোন আগতেই মত দিছে।"

হাৰান মাষ্টৰৰ প্ৰতি সুচৰিতাৰ মনোভাবৰ বিষয়ে পৰেশ
সন্দেহ আছিল। সেই কাৰণে তেখেতে নিজে সুচৰিতাক
হাৰান মাষ্টৰৰ প্ৰস্তাৱটো উলিয়ালে। সুচৰিতায়ো তাইৰ এই
জীৱনটোক কোনোমতে কৰবাত গতাব পাৰিলেই যেন
কাৰণেই তাই ইমান সাউৎকৈ একো নভবা নিচিন্তাকৈয়ে

ৰশ ভট্টৰ মনৰ সকলো সন্দেহ আঁতৰি গ'ল। বিয়াৰ ইমান আগতে
খোৱাটো উচিত হব নে নহব, এইটো ভালকৈ ভাবি চাবলৈ তেখেতে
বিতাক বাবে বাবে ক'লে,—তথাপিও সুচৰিতাই একো ওজৰ নুলিয়ালে।
ব্ৰাউন্‌লো চাহাবৰ নিমন্ত্ৰণ ৰক্ষা কৰি আহি এটা ভাল দিন বাৰ চাই
লোৱে আগত ভৱিষ্যত দম্পতীৰ সম্বন্ধটো পকা কৰা হব বুলি স্থিৰ
ল।

সুচৰিতাই তাইৰ মনটো বাহুৰ গৰাহৰপৰা মুকলি হোৱা বুলি এক
ৰ বাবে ভাবিলে। তাই হাৰান মাষ্টৰক বিয়া কৰাই ব্ৰাহ্ম সমাজৰ
ত যোগ দিবৰ বাবে মনটোক কঠোৰভাৱে তৈয়াৰ কৰিব বুলি পেটে
ঠিক কৰিলে। তাই সদায় হাৰানৰ কাষত অলপ অলপ ধৰ্ম্মতত্ত্ব
ক ইংৰাজী পুথি পঢ়ি তেওঁৰ দিহামতে চলিব বুলি অঙ্গীকাৰ কৰিলে।
পক্ষে যিবোৰ অসম্ভৱ, কষ্টকৰ আৰু অপ্ৰিয়, সেইবোৰকে লব বুলি
মনত অলপ বল পালে।

হাৰান মাষ্টৰৰ সম্পাদনাত প্ৰকাশ হোৱা ইংৰাজী আলোচনীখন আজি
মান দিন ধৰি তাই পঢ়াই নাছিল। আজি সেইখন ছপা হৈ অহা
তাইৰ হাতত পৰিলহি। বোধকৰোঁ হাৰানেই বিশেষকৈ তাইৰ
পঠিয়াই দিছিল।

সুচৰিতাই আলোচনীখন তাইৰ কোঠালৈ লৈ গৈ থিৰভাৱে বহি বৰ
ডাঙৰ কৰিবলগীয়া কামৰ দৰে তাৰ প্ৰথম শাৰীবেপৰা পঢ়িবলৈ
ল। শ্ৰদ্ধাৰে পূৰ্ণ অন্তৰৰ সৈতে নিজকে ছাত্ৰী বুলি ভাবি তাই আলো-
নবপৰা উপদেশ বোটলাত লাগিল।

পালতৰা জাহাজ যেন হঠাৎ পৰ্ব্বতত খুন্দা খাই কাতি হৈ পৰিল।
সংখ্যাত 'পুৰণিকলীয়া বায়ুগ্ৰস্ত' বুলি এটা প্ৰবন্ধ আছিল। এই
টোত বৰ্ত্তমানত বাস কৰিও যিবোৰে পুৰণি কাললৈ মু কৰি থাকে
ক আক্ৰমণ কৰা হৈছে। যুক্তিবোৰ যে অসঙ্গত তেনে নহয়, দৰা-
সুচৰিতায়ো এনেকুৱা যুক্তিকে বিচাৰি ফুৰিছিল। কিন্তু প্ৰবন্ধটো
ত্ৰকে সেই আক্ৰমণৰ লক্ষ্য যে গোৰালৈ, সেইটো কথা তাই নিমিষতে
পালে। অথচ গোৰাৰ নাম ক'তো নাই, সি লিখা কোনো প্ৰবন্ধৰো
নাই। বন্দুকৰ প্ৰতিটো গুলীৰে একোটাকৈ মানুহ মাৰি সৈনিকে
পোৱাৰ দৰেই এই প্ৰবন্ধটোৰো প্ৰত্যেক বাক্যই কোনো এটি জীৱক
পাৰিছে বুলি যেন তাত এটা হিংসাৰ আনন্দ ফুটি ওলাইছে।

এই প্রবন্ধটো সুচবিতাব বাবে অসহনীয় হৈ উঠিল। ই
যুক্তিকে প্রতিবাদ কবি খণ্ড-বিখণ্ড কবি পেলাবলৈ তাইব
নিজক নিজেই ক'লে,—"গৌবমোহনে মন কবিলেই এই
লগত মিহলাই দিব পাবে।" গোবাব উজ্জ্বল মুখ তাব
জ্যোতির্ম্ময় হৈ উঁহি উঠিল। তাব গলগলীয়া মাতটো
বাজি উঠিল। সেই মুখখনব আৰু সেই কথাবোবব
এই প্রবন্ধটো আৰু প্রবন্ধ লেখকব ক্ষুদ্রতা ইমান তুচ্ছ হৈ
কাগজখন মাটিত দলিয়াই পেলাই দিলে।

বহুদিনব পিচত সুচবিতাই সেইদিনা নিজে নিজেই
আহি বহিলহি আৰু তাক কথাই কথাই ক'লে,—"
আপোনালোকব প্রবন্ধ-পাতি ওলোৱা কাগজবোব মোক
বলি কৈছিল। ক'তা, পিচে নিদিলে দেখোন?" বিনয়ে
ভিতবত সুচবিতাব পবিবর্ত্তন দেখিয়েই যে নিজব কথা
কবা নাই,—এই কথা নক'লে। সি ক'লে,—"মই
আনি একেলগে থৈছোঁ। কাইলৈকে বাৰু আপোনাক
বিনয়ে পিচদিনা পুথি আৰু কাগজব এটি ডাঙৰ
সুচবিতাক দি গ'লহি। সুচবিতাই সেইবোব পালে কিন্তু
ভৰাই থৈ দিলে। বব বেচিকৈ পঢ়িবলৈ মন গৈছিল বুলি
হবলা! অন্তবক কেতিয়াও উত্তাবিল হবলৈ নিদিয়ে বুলি
নিজব বিদ্রোহী অন্তবক পুনব হাবানব শাসনব তলত
এবাব সান্ত্বনা পালে।

২৫

দেওবাবে পুবা আনন্দময়ীয়ে তামোল কাটি আছিল, শশী
কাষতে বহি তামোলবোব কাটি কাটি দ'মাই পেলাইছিল।
আহি কোঠাটোত সোমাওঁতেই শশীমুখীয়ে তাইব কোঁচব
পেলাই দি লব মাবি আঁতবি গ'ল। আনন্দময়ীয়ে মিচিকিয়াই
বিনয়ে সকলোবে লগত অতি সহজেই মিলিব পাবিছিল
লগতো অতদিনে তাব যথেষ্ট অন্তবঙ্গতা আছিল। দুয়ো

সদৰত লাগি থাকে। শশীমুখীয়ে বিনয়ব জোতা লুকুবাই থৈ তাব
ৰবপবা সাধু-কথা শুনাব এটা উপায় উলিয়াই লৈছিল। বিনয়েও শশী-
ৰীব জীবনব দুই এটা সামান্য ঘটনাকে সজাই পবাই গল্প তৈয়াব কবি
পলাইছিল। কাৰোবাব আগত কেতিয়াবা সেইবোব উলিয়ালে শশীমুখী
ৰকৈ ঠেকত পবে। প্রথমতে তাই সেইবোব মিছা কথা বুলি খুব চিঞবি
চিঞবি কথা কাটিবলৈ চেষ্টা কবে আৰু শেষত নোৱাবা যেন হলে কোঠাটোব-
া ওলাই লব মাবে। মাজে মাজে তায়ো বিনয়ব জীবনব ঘটনাবোব
কৃত কবি নানান ধবণব নোহোৱা নোপজা সাধু কথা সাজিবলৈ যত্ন
বে—কিন্তু কথা যোবোৱাত তাইব বিনয়ব দবে হাত নথকাত এই বিষয়ত
ই টিকিব পবা নাছিল।

সেইবোব যিয়েই নহওক আগে পিচে বিনয় এইখন ঘবলৈ আহিলেই
শীমুখীয়ে দহোবন কাতিকৈ থৈ সদায় তাব লগত লাগিবলৈ লবি আহে।
কো একো দিনা এনে উৎপাতখন কবে যে আনন্দময়ীয়ে তাইক ডবিয়াই
খেদিবলগীয়া হয়। অকল তাইব গাতেই সকলো দোষ জাপি দিব
াবি। বিনয় হ'ল এটা উচটাই জোল খোৱা মানুহ। সি তাইক
ধবণে উচটাই দিয়ে যে তাই আৰু নিজকে চম্ভালি বখাটো টান
পবে। সেই শশীমুখীয়েই আজি বিনয়ক দেখি এনেদবে পলাই যোৱাত
নন্দময়ীয়ে হাঁহিলে, কিন্তু সেই হাঁহি আনন্দব হাঁহি নহয়।

এই সামান্য কথাটোৱে বিনয়কো ইমান আঘাত দিলে যে কিছুপব সি
কাবে নিমাত হৈ পবিল। বিনয়ে শশীমুখীক বিয়া কবোৱাটো যে
ান অসঙ্গত, সেইটো এনেকুৱা সৰু-সুবা ঘটনাব মাজেদিয়েই ফুটি ওলা-
ব ধবিলে। এই বিয়াখনত মত দিওঁতে বিনয়ে তাব লগত গোবাব
ৰ কথাহে মাথোন ভাবিছিল। ঘটনাটোক এইদবে চালি-জাবি চোৱা
ছিল। তাবোপবি আমাব দেশত বিয়া যে দবাব নহয়, পাবিবাবিক হে
বিষয়ে বিনয়ে বহুতো প্রবন্ধ কাগজত লিখিছে আৰু গৌবৱো কবে।
ওও বিয়া বিষয়ে কোনো নিজব গাইগুটীয়া ইচ্ছা বা অনিচ্ছা কেতিয়াও
লোকে অনা নাই। আজি শশীমুখীয়ে তাক দেখি নিজব দবা বুলি
তে জিভা উলিয়াই পলাই যোৱাব কাবণে শশীমুখীব লগত ভবিষ্যতে
লগীয়া সম্বন্ধব এটা ৰূপ সি দেখা পালে। এক নিমিষতে তাব গোটেই
খন বিদ্রোহী হৈ উঠিল। গোবাই তাক তাব স্বভাবব ওভোতা বাটেদি
দূবলৈ যোৱা দেখি পেটে পেটে তাব গোবাব ওপবত ভীষণ খং
আৰু নিজকো সি গবিহণা দিলে। আনন্দময়ীয়ে তাক প্রথমবেপবা

এই বিয়াখন পাতিবলৈ হাক দিয়াৰ কথা সুঁৱৰি তেখেতৰ
প্ৰতি তাৰ মন বিস্ময় আৰু ভক্তিৰে পূৰ হৈ উঠিল।

আনন্দময়ীয়ে বিনয়ৰ মনৰ ভাবটোৰ উমান পালে
পাতলাৰৰ বাবে তেখেতে ক'লে,—"বিনয়, কালি মোৰ
চিঠি পাইছোঁ।"

বিনয়ে অলপ অন্যমনস্ক হৈয়েই সুধিলে,—"সি নো কি
আনন্দময়ীয়ে ক'লে,—"নিজৰ বিষয়ে বিশেষ একো
দেশৰ দুখীয়া মানুহবোৰৰ দুখ-দুৰ্গতি দেখি বেজাৰতে বহু
ঘোষপাৰা নামৰ কোনোবা এখন গাঁৱত ৰবচাহাবে কিবা
কথাও লিখিছে।"

গোৰাৰ ওপৰত খং উঠি থকাৰ বাবেই কথাষাৰ শুনা
অধৈর্য্য হৈ ক'লে,—"গোৰাৰ মাথোন সেই ওপৰৰ
ইফালে আমি সমাজৰ বুকুৰ ওপৰত বহি সদায় যিবোৰ
কৰি থাকোঁ সেইবোৰক হ'লে সিহঁতে ক্ষমা কৰিব লাগিব,
বোৰকো সজকাম বুলিহে কব লাগিব।"

হঠাতে বিনয়ে এইদৰে গোৰাৰ গাত দোষ দি তাৰ ওপৰ
দেখি আনন্দময়ীয়ে হাঁহিলে।

বিনয়ে ক'লে,—"আই, আপুনি হাঁহিছে, ভাবিছে যে
স্বপহুকৈ এইদৰে খং উঠিল কিয়? কিয় বাৰু মোৰ খং
কওঁ শুনক। সুধীৰে সেইদিনা মোক নৈহাটি ষ্টেছনৰ
ধৰিলে। তাৰ পিচত সোদপুৰ ষ্টেছনত আহি বেলখন
দেখোঁ যে এজন চাহাবী সাজ-পাৰ পিন্ধা বঙালী ভদ্রলোকে
মেলি ধৰি বৈণীয়েকক বেলৰপৰা নমালে। বৈণীয়েকৰ
কেঁচুৱা। গাত লৈ থকা দগধা চেলেংখনেৰে কেঁচুৰাটোক
লৈ বেচেৰি বৈণীয়েকজনীয়ে ষ্টেছনৰ একাষে থিয় হৈ
কোঁচ মোচ খাই ৰৰষুণত তিতিবলৈ ধৰিলে। ইফালে
ছাতিটো মেলি লৈ মাল-বস্তু নমোৱাত লাগিল। মোৰ
আহিল যে আমাৰ এই গোটেইখন দেশতে, ৰ'দতেই হওক
হওক, ভদ্রই হওক বা অভদ্রই হওক কোনো তিৰোতা মানুহৰ
ছাতি নাই। যেতিয়াই দেখিলোঁ গিৰীয়েকে নিলাজৰ দৰে
মেলি থিয় হৈ থকা আৰু বৈণীয়েকে কেঁচুৰাটোৰে সৈতে

া দেখিও কোনেও নিন্দা নকৰিলে আৰু গোটেই ষ্টেছনৰ কোনেও এইটো
ৰা এটা অন্যায় হৈছে বুলিও নেভাবিলে, তেতিয়াই মই প্ৰতিজ্ঞা কৰিলোঁ—
ামি তিৰোতা মানুহক অত্যন্ত সমাদৰ কৰোঁ, সিহঁতক লক্ষ্মী বোলোঁ,
ী বোলোঁ, কিন্তু আজিৰপৰা হলে আৰু এনে মনেগঢ়া কাব্য কথা মই
লৈকে নানো। আমি দেশক মাতৃভূমি বুলি কওঁ, কিন্তু দেশৰ সেই নাৰী-
ক্তিৰ মহিমা দেশৰ তিৰোতা মানুহৰ মাজেদি যদি নেদেখোঁ—আমাৰ দেশৰ
তা মানুহবোৰৰলৈ যদি আমি বুদ্ধিৰে, শক্তিৰে, কৰ্ত্তব্যবোধৰ দায়িত্বৰে
গত, সতেজ সবল ভাবেৰে নেচাওঁ—ঘৰত সদায় দুৰ্ব্বলতা, সঙ্কীৰ্ণতা
ক অপৰিণতিয়েই যদি দেখোঁ, তেনেহলে কেতিয়াও আমি দেশখনক
পৰ্কৰূপে উপলব্ধি কৰি নোৱাৰিম।"

নিজৰ উত্তেজনাত হঠাতে লাজ পাই বিনয়ে স্বাভাৱিক সুৰেৰে ক'লে,—
াই আপুনি নিশ্চয় ভাবিছে যে বিনয়ে মাজে মাজে এইদৰে বৰ বৰ
া কৈ বক্তৃতা দিয়ে, আজিও তাৰ গাত আকৌ তেনে ধৰণৰ বায়ু লম্ভিল
পায়। অভ্যাসতে মোৰ কথাবোৰেই কিন্তু বক্তৃতাৰ দৰেহৈ যায়।
াজি হ'লে মই বক্তৃতা দিয়া নাই। দেশৰ মাইকী মানুহবোৰে যে দেশৰ
ানখিনি ঠাই আগুৰি থাকে এই কথা মই আগতে ভালদৰে বুজিবই
াৰিলোঁ, এই বিষয়ে কেতিয়াও মই ভবাই নাছিলোঁ। আই, মই আৰু
চি নবকোঁ। মই বেচি কথা কওঁ দেখি কোনো কোনোৱে আকৌ
ৰ কথাবোৰ মোৰ নিজৰ কথা বুলি বিশ্বাসেই কৰিব নোখোজে। এই-
ৰপৰা বেচিকৈ বকা স্বভাৱটো এৰিবহে লাগিল।"

এই বুলি কৈ বিনয়ে আৰু পলম নকৰি উৎসাহ ভৰা অন্তৰেৰে গুচি
গৈ।

আনন্দময়ীয়ে মহিমক মতোৱাই আনি ক'লে,—"বোপাই, বিনয়ৰ
াত আমাৰ শশীমুখীৰ বিয়াখন হব নোৱাৰে।"

মহিম,—কিয়? আপোনাৰ মত নাই নে কি?

আনন্দময়ী,—এই সম্বন্ধ শেষলৈকে নিটিকিব বুলিয়েই মোৰ অমত।

মহিম,—গোৰাও মাস্তি হৈছে, বিনয়ো মাস্তি হৈছে, এতিয়া আকৌ
হলোনো মত নিদিম কিয়?

মহিম,—গোৰাৰ মতিকিবলৈ কি আছে? অৱশ্যে আপুনি মাস্তি নহলে বিনয়ে বিয়া নকৰাৰ
মই জানো।

আনন্দময়ী,—মই তোমাতকৈ বিনয়ক বেচি ভালকৈ চিনি পাওঁ।

মহিম,—গোৰাতকৈয়ো নে?

আনন্দময়ী,—ওঁ, গোৱাতকৈয়ো ভালকৈ চিনি পাওঁ। সকলো পিনৰপৰা ভাবি চিন্তি চাই এই বিয়াখনত মই মত নাই।

মহিম,—বাৰু, গোৱা উভতি আহকচোন।

আনন্দময়ী,—মহিম, মোৰ কথা শুনা। এই বিষয়ে আৰু কৰিলে শেষত এটা গোলমালহে হবগৈ। গোৱাই এই বিয়ে আৰু কিবা কোৱাটোক মই ভাল নেদেখোঁ।

"বাৰু ভাবি চাম"—এই বুলি মহিমে মুখত এখন তালো খঙেৰে কোঠাটোৰপৰা ওলাই গ'ল গৈ।

২৬

গোৱা ভ্ৰমণ কৰিবলৈ ওলাই যাওঁতে অবিনাশ, মতিলাল, ৰমাপতি—তাৰ এই চাৰিওজন লগৰীয়া গৈছিল। কিন্তু গোৱাৰ উৎসাহৰ লগত সিহঁতে আৰু শেষলৈকে তাল ৰাখিব নোৱাৰি অবিনাশ আৰু বসন্তই বেমাৰৰ ভাও জুৰি চাৰি পাঁচ দিনমানৰ কলিকতালৈ উভতি আহিল। একমাত্ৰ মাথোন গোৰাক ভক্তি কৰা মতিলাল আৰু ৰমাপতিয়ে তাক অকলে এৰি গুচি আহিব লাভৰ মূৰত সিহঁতৰ কষ্টৰ আৰু সীমা-সংখ্যা নোহোৱা গোৰাৰ গৈ গৈয়ো ভাগৰ নেলাগে, আকৌ কেতিয়াবা কৰবাত ভক্তি কৰি ধৰত ৰাখিছে, খোৱা-বোৱা, থকা-মেলাৰ হেজাৰ অসুবিধা তাৰ কথা-বতৰা শুনিবলৈ নিতৌ গাঁৱৰ বহুত মানুহ আহি ধৰেহি। সিহঁতে তাক সহজে এৰিকে দিব নোখোজে।

ভদ্ৰ সমাজ, শিক্ষিত সমাজ আৰু কলিকতাৰ সমাজখনৰ বাহিৰে দেশখন যে কেনেকুৱা, গোৱাই এইবাৰহে প্ৰথম বুজি পালে। এই বিশাল গাঁৱলীয়া ভাৰতবৰ্ষখন যে কিমান ভাগ ভাগ, কিমান ঠেক, বল নোহোৱা—এই ভাৰতবৰ্ষখন যে নিজৰ শক্তিৰ বিষয়ে কিমান অজ্ঞ, আৰু নিজৰ মঙ্গলৰ বিষয়েও কেনেকুৱা নজনা আৰু

তি দহ বাৰ মাইলৰ আঁতৰে আঁতৰে ইয়াৰ সামাজিক ৰীতি-নীতিয়েই কিমান বেলেগ বেলেগ—পৃথিৰীৰ ডাঙৰ কৰ্ম্মথলিৰ লগত খোজ মিলাবলৈ ভাৰতবৰ্ষখন যে কিমান নিজেগঢ়া আৰু মনেপতা বাধাৰে পৰিপূৰ্ণ—ক কথাকেই যে এই ভাৰতবৰ্ষখনে কিমান ডাঙৰ বুলি ভাবে আৰু সংস্কাৰ ৰকে যে কিমান দ ভাবেৰে বিশ্বাস কৰে—এইখন দেশৰ মন যে কিমান পনি-গধুৰ, প্ৰাণ যে কিমান ক্ষুদ্ৰ, চেষ্টা যে কিমান বল নোহোৱা—বোৰ গোৱাই গাঁৱত এইদৰে নথকা হলে কোনোদিনেই কেতিয়াও বিকে নোৱাৰিলেহেঁতেন। এবাৰ গোৱা কোনোবা এখন গাঁৱত থাকোঁতে থকা চুবুৰীটোত কেনেবাকৈ জুই লাগিছিল। ইমান ডাঙৰ এটা বিপদতো লো গাঁৱলীয়া বাইজ একগোট হৈ বিপদৰপৰা উদ্ধাৰ পাবলৈ দেহে-হে চেষ্টা কৰাৰ শক্তিত যে কিমান ক্ষুদ্ৰ, তাকে দেখি গোৱা আচৰিত গৈছিল। আটাইখনে হুলস্থল, দৌৰাদৌৰি, কান্দোন-কাটোন কৰাত লাগিল, কিন্তু কামত-অহা কাম একোকেই কৰিব নোৱাৰিলে। সেই ীটোৰ ওচৰে পাজৰে কতো পুখুৰী বা নাদ এটাও নাছিল। তিৰোতা হৰোৱে বহুতো আঁতৰৰপৰা পানী কঢ়িয়াই আনি ঘৰুৱা কাম-কাজবোৰ লোমতে চলায়, অথচ এনেকুৱা এটা নিতৌ অসুবিধা থকা স্বত্বেও ুনৰ হাত-দীঘল মানুহবোৰেও কম খৰচতে নাদ এটা খন্দোৱাৰ কথা কে নানিছিল। ইয়াৰ আগতেও এই চুবুৰীটোত বোলে মাজে মাজে াবো জুই লাগিছে। বাইজে সেইবোৰ দৈৱৰ লিখন বুলিয়েই হাত ত কেতিয়াও ভৰা নাই। নিজৰ ঘৰখনৰ অতি লাগতিয়াল কথাবোৰৰ ও যিবোৰ মানুহৰ বোধশক্তি এনে আচৰিত ধৰণে কম, সিহঁতৰ ত সমগ্ৰ দেশখনৰ সমস্যা আলোচনা কৰিবলৈ যোৱাটো গোৱাই এটা নিজপৰ কথা বুলি ভাবিলে। তাৰোপৰি মতিলাল আৰু ৰমাপতিয়ে া এইবোৰ দৃশ্য আৰু ঘটনা দেখি নাম মাত্ৰও বিচলিত নহ'ল, গোৱাই খেদ কৰাটোহে অসঙ্গত বুলি ভাবিলে, গোৱা তেতিয়াহে , আচৰিত হ'ল। নীচ মানুহে এনে কাম কৰেই, সিহঁতে এইদৰেই তকৈ আৰু বেচি কিবা কৰিব পৰাটো সিহঁতে নিজেই ভাবিবলৈকো পায়। এই অজ্ঞতা, জড়তা আৰু দুখৰ বোজা যে কিমান ভয়ঙ্কৰ ল আৰু এই বোজাই যে আমাৰ শিক্ষিত-অশিক্ষিত, ধনী-দুখীয়া আটাইবে ল নেঁকা কৰি পেলাইছে, প্ৰত্যেককে প্ৰতি খোজতে বাধা দিছে

এই কথা আজি ইমান ফট্‌ফটীয়াকৈ বুজিব পাবি গোবাৰ
দিনে দহিবলৈ ধৰিলে।

ঘৰৰপৰা কাৰোবাৰ বেমাৰ হোৱাৰ খবৰ অহা বুলি
ল'লে। গোবাৰ লগত ৰমাপতি হে মাথোন অৱশিষ্ট থাকিল

দুয়ো গৈ গৈ নদীৰ কাষৰ এটা মুছলমান চুবুৰীত
কাৰোবাৰ ঘৰত আলহী হোৱাৰ আশাত গোটেই গাঁওখন
কৰি শেষত মাথোন এঘৰ হিন্দু নাপিতৰ ঘৰ পালেগৈ।
তেওঁৰ ঘৰতে আশ্ৰয় লবলৈ গৈ দেখে যে বুঢ়া নাপিত-নাতি
মুছলমান ল'ৰা তুলিছে। ৰমাপতি আকৌ ৰৈ ভকত
মুছলমান ল'ৰা দেখিয়েই একেবাৰে দাং খাই উঠিল।
কৰাৰ কাৰণে গোৰাই নাপিতক ডাবি দিয়াত সি কলে,—
বোলো হৰি, সিহঁতে বোলে আল্লা, আৰু তো একো প্ৰভেদ
তেতিয়া ৰ'দ চোকা হৈ উঠিছে—চাৰিওফালে বালিৰ
নদী বহুতো আঁতৰত। ৰমাপতিয়ে পিয়াহত আতুৰ হৈ
খোৱা পানী ক'ত পোৱা যাব?"

নাপিতৰ ঘৰত এটা কেঁচা নাদ আছিল, কিন্তু অনাচাৰী
পৰা পানী খাব নোৱাৰি। ৰমাপতিয়ে মুখ শুকুৰাই বহি
গোৰাই সুধিলে,—"এই লৰাটোৰ মাক-বাপেক নাই
নাপিতে কলে,—"দুয়োজনেই আছে, কিন্তু নথকাৰ দৰে
গোৰাই সুধিলে,—"কেনেকৈ?"

নাপিতে কোৱা ঘটনাটো হ'ল এইটো—

যিখন জমিদাৰীত ইহঁত আছে সেইখন হ'ল নীল ব্যৱসায়ী
পাম। নীল খেতিৰ বাবে মাটিৰ কাৰণে প্ৰায় সদায়েই
নীলকুঠীৰ কাজিয়া লাগিয়েই থাকে। আন আটাইবোৰ
গৈ, মাথোন এই চাপৰি ঘোষপুৰ গাঁৱৰ ৰায়তবোৰক
শাসনাধীন কৰিব পৰাগৈ নাই। ইয়াৰ ৰায়ত প্ৰায়
আৰু ইহঁতৰ মুখিয়াল ফৰুচৰ্দ্দাৰে কালৈকো কেৰেপকে
উৎপাতত সি দুবাৰো পুলিচক কোবাই জেল খাটি
বৰ্ত্তমানে এনেকুৱা হৈছে যে এতিয়া ঘৰত খাবলৈ
নাই বুলিলেই হয়। কিন্তু তথাপিও সি মূৰ দোঁৱাব
নদীৰ চাপৰিত খেতি কৰি এইখন গাঁৱৰ মানুহে কিছু
আজি এমাহমান হ'ল নীলকুঠীৰ মেনেজাৰ চাহাবে

লাঠীয়াল লৈ আহি ৰায়তৰ ধান লুটপাট কৰেহি। সেই গণ্ডগোলত ফৰু
চৰ্দ্দাৰে চাহাবৰ সোঁহাতত লাঠীৰে এনে এটা মাধমাৰ শোধাইছিল যে চাহাবে
ডাক্তৰখানালৈ গৈ সেই হাতখন কটোৱাই পেলাই দিহে সকাহ পাইছিল।
এনে ডাঙৰ এটা পেটতে হাত-ভৰি লুকুৱা ঘটনা এই অঞ্চলত আৰু কেতিয়াও
হোৱা নাছিল। ইয়াৰ পিচৰপৰাই চুবুৰিয়ে চুবুৰিয়ে পুলিচৰ জুলুম জুই
লগাদি লাগিবলৈ ধৰিলে। ৰায়তবোৰ সৰ্ব্বস্বান্ত হ'ল—ঘৰৰ জীয়ৰী-
বোৱাৰীহঁতৰ মান-সন্মান আৰু নোৰোৱাত পৰিল। ফৰু চৰ্দ্দাৰ আৰু
আন বহুতো মানুহক হাজোতত থোৱা হৈছে। গাঁৱৰ বহুতো মানুহ
পলাই গৈছে গৈ। ফৰুৰ ঘৈণীয়েক আজি পথৰ ভিখাৰী, আন কি
তাই পিন্ধি থকা কাপোৰ ডোখৰৰো আজি এনে দশা হৈছে যে তাই ঘৰৰ
বাজলৈকে ওলাব নোৱাৰে। সিহঁতৰ একমাত্ৰ শিশু পো তমিজে নাপিতৰ
ঘৈণীয়েকৰ গাওঁ সম্বন্ধীয়া মাহী বুলি মাতে; সি খাবলৈ নেপাই মৰিবলৈ
ওলোৱা দেখি নাপিতৰ ঘৈণীয়েকে তাক নিজৰ লগলৈ লৈ আহি পুহিছেহি।
তিনি মাইল আঁতৰত নীলকুঠীৰ এখন কাছাৰী ঘৰ আছে। এজন
দাৰোগা এতিয়াও তাৰ দলবল লৈ তাতেই আছে। তদন্তৰ বাবে তেওঁ
গাঁওখনলৈ কেতিয়া যে আহে, কি যে কৰে—তাৰ একো ঠিক নাই।
কালি নাপিতৰ ওচৰচুবুৰীয়া বুঢ়া নাজিমৰ ঘৰত পুলিচৰ আবিৰ্ভাৱ হৈছিল।
নাজিমৰ এজন ডেকা খুলশালীয়েক আন গাঁৱৰপৰা বায়েকৰ লগত দেখা
কৰিবলৈ আহিছিল। দাৰোগাই একেবাৰে বিনা কাৰণতে 'এইটোৱে
আকৌ ৰৰ ডেকা বোলাবলৈ আহিছে, ইয়াৰ কলিজা দেখিছনে?'—এইবুলি
হাতৰ লাঠীডালেৰে তাক এনে এটা খোচ মাৰি দিলে যে তাৰ দাঁত ভাঙি
তেজ ওলাই গ'ল। বায়েকে এনেকুৱা অত্যাচাৰ দেখি লৰি আহোঁতে
দাৰোগাই সেই বুঢ়ী গৰাকীকো ঠেলা মাৰি পেলাই দিলে। আগতে
পুলিচে চুবুৰিটোত এইদৰে উপদ্ৰৱ কৰিবলৈ সাহ নকৰিছিল, কিন্তু এতিয়া
গাঁৱৰ আটাইবোৰ ডেকা আৰু মতামানুহ হয় গ্ৰেপ্তাৰ হৈছে, নহয় পলাই
গৈছে। সেই পলাই যোৱাবোৰক বিচৰাৰ চেলু লৈয়ে পুলিচে এতিয়াও
অত্যাচাৰ কৰিয়েই আছে। কেতিয়া যে এই কু-গ্ৰহ আঁতৰিব, কব নোৱাৰি।

গোৰা তো উঠিবই নোখোজে, ইফালে ৰমাপতিৰ ধাতু যাওঁ যাওঁ।
নাপিতৰ মুখৰ ইতিবৃত্ত শেষ নোহওঁতেই সুধিলে,—"হিন্দু-চুবুৰিলৈ
কিমান দূৰ?"

নাপিতে কলে,—"ইয়াৰপৰা তিনি মাইলমান দূৰৈত নীলকুঠীৰ কাছাৰী
আছে। কাছাৰীৰ তহচিলদাৰজন বামুণ মানুহ, নাম মাধৱ চেটাৰ্জ্জী।"

গোবাই সুধিলে,—"স্বভাবটো একা ?"

নাপিতে কলে,—"যমদূত বুলিলেও হয়। এনেকুরা নিৰাশ সিয়ান মানুহ সংসাৰত কিজানি আৰু নায়েই। এই যে আজি দাৰোগাক ঘৰত পুহিচে তাৰ আটাইবোৰ খৰচ আমাৰপৰাই লব—আৰু লগে লগে লাভো খাব।"

ৰমাপতিয়ে কলে,—"গৌৰ ৰুকাইদেউ! ব'লক। থাকিব হেছোঁ আৰু।" বিশেষকৈ তেনেতে নাপিতনীয়ে মুছলমান চোতালৈ আনি নাদৰ পাৰত থিয় কৰাই লৈ নাদৰপৰা পানী ধুৱাবলৈ ধৰা দেখি তাৰ বৰ খং উঠিল। এইখন ঘৰত আৰু বহি তাৰ কাৰণে একেবাৰে অসহ্য হৈ উঠিল।

গোবাই যাৰৰ পৰত নাপিতক সুধিলে,—"ইমান অত্যাচাৰ তুমি ইয়াত কেনেকৈ টিকি আছা? আন ঠাইত ক'তো তোমাৰ লগা ভগা নাই নে কি?"

নাপিতে কলে,—"আজি বহুদিন ধৰি মই ইয়াতে আছোঁ। মানুহবোৰৰ ওপৰত মোৰ মৰম সোমাই গৈছে। মই হিন্দু নাপিত সা-সম্পত্তি একো নাই বুলিয়েই কুঠীৰ মানুহে মোৰ গাত হাত আজি এই চুবুৰিটোত মতা মানুহ বুলিবলৈ আৰু বিশেষ আন নয়ো যদি যাওঁ গৈ, তিৰোতা মানুহবোৰ ভয়তে পেপুৰা লাগিব।"

গোবাই কলে,—"বাৰু, খাই বৈ উঠি মই আকৌ আহিম।"

ভোকত কলমলাই আৰু পিয়াহত অন্ঠ-কণ্ঠ শুকুৰাই অত্যাচাৰৰ এই দীঘলীয়া বিৰৰণ শুনিবলগীয়া হোৱাত ৰমাপতিৰ মানুহবোৰৰ ওপৰতহে খং উঠিল। বদমাচহঁতে বলৰানৰ বিৰু দাঙিব খোজে! ৰমাপতিয়ে এইবোৰ কাম গোঁৰাৰ মুছলমানবোৰৰ আৰু মূর্খামি বুলিয়ে ভাবিলে। যথোচিত শাসনৰদ্বাৰা ইহঁতৰ এই ছাই হোৱাটোৱেই যে ভাল—ইয়াত আৰু তেওঁৰ অকণো এই ধৰণৰ বদমাচবোৰৰ ওপৰত পুলিচে জুলুম কৰেই বাধ্যও হয়। এইবোৰ জুলুমৰ গুৰিত ইহঁত নিজেই জগৰীয়া পতিৰ ধাৰণা। মালিকৰ লগত মিট্‌মাট্ কৰি পেলালেইচোন হয়— খন নো আকৌ লগাবলৈ যায় কিয়? পিচে সেই তেজৰ ভমক কৰলৈ গ'লে ৰমাপতিৰ অন্তৰৰ সহানুভূতি নীলকুঠীৰ চাহাবৰ আছিল।

ভৰ দুপৰীয়া তপত বালিৰ ওপৰেদি গৈ থাকোঁতে গোৰাই

টা কথাও নকলে। অৱশেষত গছ-গছনিৰ মাজেদি ঝাছাৰী ঘৰৰ চালিখন লখাৰ লগে লগে গোৰাই হঠাতে কলে,—"ৰমাপতি, তুমি খাই বৈলোৱাগৈ। সেই নাপিতৰ ঘৰলৈ যাওঁ।"

ৰমাপতিয়ে কলে,—"এইটো আকৌ কি কথা? আপুনি জানো পানী নেখায়? চেটাৰ্জ্জীৰ ঘৰত খাই বৈ উঠি আকৌ নাপিতৰ ঘৰলৈ যাব বাৰু।"

গোৰাই কলে,—"মোৰ কৰিবলগীয়া মই কৰিম। এতিয়া তুমি বৈ উঠি কলিকতালৈ গুচি যোৱাগৈ। এই ঘোষপুৰ চাপৰিত মই কিজানি কিছুদিন থাকিব লাগিব। কিন্তু তুমি আৰু থাকিব নোৱাৰিবা।"

ৰমাপতিৰ গা জিকাৰ খাই উঠিল। গোৰাৰ দৰে ধর্ম্মপ্রাণ হিন্দুৰে মুখেৰে সেই ম্লেছৰ ঘৰত থকাৰ কথা উচ্চাৰণ কৰিলে—এই কথা বুজিব নোৱাৰিলে। গোৰাই সকলো খোৱা-বোৱা বাদ দি একেবাৰে সোনে থকাৰ কথাই ভাবিছে নে কি? কিন্তু এতিয়া আৰু এইবোৰ কথা বি চিন্তি থকাৰ সময় নহয়। এটা এটা মুহূর্ত্তই ৰমাপতিৰ মনত এটা যুগ যেন লাগিছিল। গোৰাৰ লগ এবি কলিকতালৈ পলাবৰ বাবে ক আৰু ইয়াতকৈ একো বেচি কৰলগীয়া নহল। মুহূর্ত্তৰ বাবে ৰমা-তিয়ে গোৰালৈ চালে—গোৰাৰ সুদীর্ঘ দেহে চুটি ছাঁয়া এটিৰ সৈতে ভৰ ৰৰ খাওঁ খাওঁ ব'দটো মূৰত লৈ জনশূন্য তপত বালিৰ মাজেদি অকলে কলে উভতি গৈ আছে।

ভোকে-পিয়াহে গোৰাক হেঁচা মাৰি ধৰিছিলহি। কিন্তু বদ্‌মাচ ন্যায়কাৰী মাধৱ চেটাৰ্জ্জীৰ ঘৰত ভাত খাই হে জাত ৰাখিব লাগিব— কথাষাৰ সি যিমানেই ভাবিছিল সিমানেই তাৰ অসহ্য লাগিছিল। চকু-মুখ ৰঙা পৰি মূৰ তপত হৈ মনত এটা ভীষণ বিদ্রোহ উপজিল। ভাবিলে, 'পৰিত্রতাক এটা মাত্র বাহিৰা বস্তু কৰি ভাৰতবর্ষত আমি ভয়ঙ্কৰ অধর্ম্ম কৰিছোঁ। জুলুম মাতি আনি মুছলমানক যিটো মানুহে চাচাৰ কৰিছে, তাৰ ঘৰতহে মোৰ জাত ৰৰ আৰু সেই জুলুম মূৰ পাতি মুছলমানৰ লৰাক যিজনে ৰক্ষা কৰিছে আৰু সমাজৰ নিন্দাও যিজনে পাতি লৰলৈ প্রস্তুত হৈছে তেওঁৰ ঘৰত মোৰ জাত নেথাকিব! যিয়েই ওক লাগে, এই আচাৰ-বিচাৰ, ভাল-বেয়াৰ কথা পিচতো ভাবিম, এতিয়া ভাবিব নোৱাৰোঁ।'

নাপিতে গোৰাক অকলৈ উভতি অহা দেখি আচৰিত হৈ গ'ল। বা আহিয়েই প্রথমে নাপিতৰ ঘটীটো নিজে মাজি ধুই লৈ নাদৰপৰা

পানী তুলি খালে আৰু তাৰ পিচত কলে,—"ঘৰত চাউল নাই, মই নিজে ৰান্ধি খাম।" নাপিতে তৰা-নৰা ছিণ্ডি ৰখা দিয়াঁ, মই নিজে ৰান্ধি খাম।" নাপিতে তৰা-নৰা ছিণ্ডি ৰখা যোগাৰ কৰি দিলে। গোৱাই খাই বৈ উঠি কলে,—"মই তেন্তে দুদিনমান থাকিম।"

নাপিতে ভয় খাই হাত জোৰকৈ কলে,—"আপুনি এই ঘৰত থাকিব, ইয়াতকৈ সৌভাগ্য মোৰ আৰু একোৱেই নাই। কিন্তু মোৰ ওপৰত পুলিচৰ চকু পৰিছে। আপুনি ইয়াত থাকিলে মোৰ কি বিপদ ঘটে, কব নোৱাৰি।"

গোৱাই ক'লে,—"মই ইয়াত থাকিলে পুলিচে কোনো কৰিবলৈ সাহ নকৰে। যদি কৰে, মই তোমালোকক ৰক্ষা কৰিম।"

নাপিতে ক'লে,—"আপোনাৰ ভৰিত ধৰিছোঁ, আপুনি আৰু কৰিবলৈ যত্ন কৰিলে আমি আৰু ৰক্ষা নেপাম। বহুমাহৰ ময়েই চক্ৰান্ত কৰি আপোনাক মাতি আনি সিহঁতৰ বিৰুদ্ধে কৰিছোঁ। অতদিনে কোনো ৰকমে টিকি আছিলোঁ। আৰু টিকিবই নোৱাৰিম। ময়ো ইয়াৰপৰা যাবলগীয়া গাঁওখনেই উছন হব।"

গোৱা চিৰদিন চহৰত থাকিয়েই ডাঙৰ দীঘল হৈছে। কিয় যে ইমান ভয় খাইছে, সেইটো তাৰ বাবে বুজি পোৱাই টান। ফলীয়া হৈ জোৰকৈ থিয় দিলেই অন্যায়ৰ প্ৰতিকাৰ হয় বুলি অতদিনে জানিছিল। বিপদে আগুৱা গাঁওখনক এনে অসহায় এৰি থৈ যাবলৈ কোনো মতেই তাৰ কৰ্ত্তব্যবুদ্ধিয়ে সন্মতি তেতিয়া নাপিতে তাৰ ভৰিত ধৰি ক'লে,—"চাওক, আপুনি মোৰ ঘৰত আজি আপোনাক যাবলৈ কোৱা সঁচাকৈয়ে মোৰ ৰৱ ডাঙৰ অপৰাধ কিন্তু আমাৰ প্ৰতি আপোনাৰ দয়া আছে বুলি জানো দেখিছেই। আপুনি মোৰ এই ঘৰত থাকি পুলিচৰ জুলুমত বাধা দিবলৈ আৰু বেচি ডাঙৰ বিপদতহে পেলোৱা হব।"

নাপিতৰ এই ভয়ক অমূলক কাপুৰুষতা বুলি ভাবি গোৱা বিৰক্ত হৈয়েই আৱেলি পৰত তাৰ ঘৰৰপৰা ওলাই আহিল। চাৰীৰ ঘৰত খোৱা-বোৱা কৰাৰ কথা ভাবি তাৰ মনটোও লাগিল। ভাগৰুৱা শৰীৰেৰে আৰু উত্তেজিত অন্তৰেৰে সি নীলকুঠীৰ কাছাৰীত আহি ওলাল। খাই বৈ উঠি ৰমাগতি

কতালৈ উভতি যাবলৈ এক চেকেণ্ডো পলম কৰা নাছিল। সেইবাবে গোৱাই আৰু তাক লগ নেপালে। মাধৱ চেটাৰ্জীয়ে বিশেষ খাতিৰ কৰি গোৱাক তেওঁৰ আলহী হবলৈ অনুৰোধ কৰিলে। গোৱাই খঙতে জ্বলি উঠি ক'লে,—"আপোনাৰ ইয়াত মই পানী এটোপাকে নেখাওঁ।"

মাধৱে আচৰিত হৈ কাৰণ সোধোঁতেই গোৱাই তেওঁক অত্যাচাৰী, অন্যায়কাৰী বুলি নানা টান কথা শুনাই দিলে আৰু আগবঢ়াই দিয়া আসন গ্ৰহণ নকৰি থিয় হৈয়ে থাকিল। দাৰোগা জনে খাট এখনত বহি গাকুত আঁউজি হোকাত ধঁপাত খাই আছিল। তেওঁ পোন হৈ বহি ভেকাহি মাৰি সুধিলে,—"তুমি কোন হে? তোমাৰ ঘৰ ক'ত?

গোৱাই তেওঁৰ কথাৰ একো উত্তৰ নিদি ক'লে,—"তুমিয়েই হব পাই দাৰোগা? তুমি ঘোষপুৰ চাপৰিত যিবোৰ উৎপাত কৰিছা, সেই আটাই-কোৱৰ খবৰ মই পাইছোঁ। এতিয়াও যদি সাৱধান নোহোৱা তেনেহলে—"

দাৰোগা,—ফাঁচী দিবা নে কি? উঃ মানুহটো তো কম নহয়? ভাবিছিলোঁ ভিক্ষা কৰিবলৈ আহিছে, কিন্তু ই দেখোন আকৌ চকুহে পকাইছে—। এই, তেৰাবী!

মাধৱে ব্ৰগ্ৰ হৈ উঠি আহি দাৰোগাৰ হাতত ধৰি ক'লে,—"কি কৰা, কি কৰা? ভদ্ৰলোক, অপমান নকৰিবৰাঁ।"

দাৰোগাই খঙতে জ্বলি-পকি ক'লে,—"কিহৰ ভদ্ৰলোক হে! তেওঁ যে তোমাক যিহকে মুখত আহিল তাকে ক'লে, সেইবোৰ হবপায় অপমান নহয়?"

মাধৱে ক'লে,—"তেখেতে কোৱা কথাবোৰ তো মিছা কথা নহয়,—এতিয়া খং কৰিলে নো কেনেকৈ হব? নীলকুঠীৰ চাহাবৰ গোমস্তা হৈ খাই লৈ আছোঁ। ইয়াতকৈ আৰু বেচি কিবা কোৱাৰ জানো প্ৰয়োজন আছে? খং নকৰিবা ভাই, তুমিতো পুলিচৰ দাৰোগা, তোমাক জানো ননৰ-সূত বুলিলে গালি পৰা হব? বাঘে মানুহ মাৰিয়েই খায়, সি তো নৈকৰ নহয়, এইটো তো জনা কথা। কিনো কৰিব, সি তো খাই লৈ জীয়াই থাকিবই লাগিব।"

বিনা দৰ্কাৰত মাধৱৰ খং উঠা আলিলৈকে কেৱে কেতিয়াও দেখা নাই। কোন মানুহৰপৰা কেতিয়া কি কাম পোৱা যায়, নাইবা অলপ পকালেই কাৰ যোগেদিয়েই বা আনৰ কি অপকাৰ সাধিব পাৰি সেইটো তো কব নোৱাৰি। কাৰোবাৰ অনিষ্ট বা অপমান কৰিবলগীয়া হলে মাধৱে যথেষ্ট ভাৱে ভাবি-চিন্তিয়েই কৰে—খঙতে আনক আঘাত দি কেতি-য়াও সি অনাহকত ক্ষমতাৰ অপব্যৱহাৰ নকৰিছিল।

দাৰোগাই তেতিয়া গোৱাক ক'লে,—"চোৱঁা বোপাই, চৰকাৰৰ কাম কৰিবলৈ আহিছোঁ। তুমি যদি ইয়াত কিবা বা গোলমাল কৰা, তেনেহলে কিন্তু বিপদত পৰিবা।"

গোৱাই একো উত্তৰ নিদি তাৰপৰা ওলাই গ'ল গৈ। লৰিকৈ তাৰপৰা পিচে পিচে আহি ক'লেহি,—"আপুনি ঠিক —আমাৰ কামবোৰ হ'ল কচাইৰ কাম। আৰু এইডাল বদমাচ পাট ইয়াৰ লগত একেখন আসনত বহিলেও পাপে ছোৱা। কিমানবোৰ যে অপকৰ্ম্ম কৰোৱাইছোঁ। সেইবোৰ মুখলৈ নোৱাৰি। আৰু বেচি দিন নহয়—দুই তিনি বছৰ মান ছোৱালী কেইজনী কোনো ৰকমে পাৰ কৰা সম্বলখিনি গোটাই তাৰ পিচত আৰু আমি দুয়ো বুঢ়া-বুঢ়ীয়ে শেষৰ দিন কেইটা কটাম গৈ। বুজিছে, এইবোৰ আৰু ভাল নলগা হৈছে। মাজে ডিঙিত চিপ্‌জৰী লগাই মৰিবৰ হে মন যায়। ধিয়েই নহওক, এতিয়া পিচে বাতিখন আপুনি ক'লৈ যাবগৈ? খাই বৈ শুই থাকক। এই দাৰোগা বদমাচটোৰ ছাঁ চোন নেলাগে। আপোনাৰ কাৰণে মই আটাইবোৰ সুকীয়া দিম।"

গোৱাৰ ভোকটোও আনতকৈ অলপ বেচি। আজি দুপৰীয়া ভালদৰে খোৱা নহ'ল। কিন্তু খণ্ডত তাৰ গোটেই শৰীৰ জ্বলি সি কোনোৰকমেই তাত থাকিব নোৱাৰিলে, ক'লে,—"মোৰ কাম আছে।"

মাধৱে ক'লে,—"তেনেহলে অলপ ৰব, আপোনাৰ লগত দি দিওঁ।"

গোৱাই একোকে উত্তৰ নিদি বেগাই গুচি গ'ল গৈ। মাধৱে উভতি আহি দাৰোগাক কলেহি,—"বুজিছা ভাই, চহৰলৈ গৈছে গৈ। এতিয়াই ৰৱচাহাবৰ ওচৰলৈ এটা দিয়াঁ।"

দাৰোগাই সুধিলে,—"কিয়? কিয় পঠাব লাগে?"

মাধৱে ক'লে,—"আন একো নহয়, এবাৰ মাথোন লাগে যে কৰবাৰপৰা এজন ভদ্রলোক আহি সাক্ষীবোৰ কবিছে।"

২৭

মেজিষ্ট্রেট ব্রাউন্‌লো চাহাব সেইদিনা আবেলি পৰত নদীৰ কাষৰ আলিয়েদি খোজকাঢ়ি ফুৰিবলৈ আহিল। লগত হাবান মাষ্টৰ। তেখেত নেমে পৰেশ ভট্টৰ জীয়েক কেইজনীক লগত লৈ গাড়ীৰে কিছু দূৰলৈ ফুৰিবলৈ গৈছে।

ব্রাউন্‌লো চাহাবে মাজে সময়ে তেখেতৰ ঘৰৰ 'গার্ডেন পার্টি' লৈ বঙালী ভদ্রলোক দুই এজনকো নিমন্ত্রণ কৰে। জিলাৰ এন্‌ণ্ট্রেন্স্ স্কুলৰ পুৰস্কাৰ বিতৰণী সভা আদিত সদায় তেখেতেই সভাপতিৰ পদ গ্রহণ কৰে। কোনোবা আঢ্যৰন্ত মানুহৰ ঘৰলৈ বিয়াই সবাহে নিমন্ত্রণ কৰিলেও তেখেতে সেই নিমন্ত্রণ ৰক্ষা কৰিছিল। আন কি যাত্রা ভাওনা আদিতো তেখেতে চকী এখন পাৰি লৈ অতি ধৈর্য্যেৰে সৈতে বহি অলপ সময়ৰ বাবে হলেও সেইবোৰ চাইছিল। তেখেতৰ আদালতৰ চৰকাৰী উকিলৰ ঘৰত যোৱাবাৰ পূজাত যি দুটা চোকোৰাই যাত্রাত পানীৰালা আৰু মেতৰণীৰ ভাও লৈছিল, সিহঁতৰ ভাও দেখি তেখেতে বৰ সন্তোষ পাইছিল আৰু তেখেতৰ অনুৰোধক্রমেই সিহঁতে ঘেৰাবাৰো সিহঁতৰ নিজৰ ভাওখিনিকে তেখেতৰ আগত অভিনয় কৰি দেখুৱাইছিল।

তেখেতৰ ষৈণীয়েকৰ কোনোবা মিচনাৰীৰ জীয়েক আছিল। সেই দেখি তেখেতৰ ঘৰত প্রায়েই মিচনাৰী ছোৱালীবোৰৰ চাহৰ নিমন্ত্রণ থাকে। তেখেতে এখন চহৰত ছোৱালীৰ স্কুলো খুলিছিল। সেই স্কুলখনত ছাত্রীৰ অভাৱ যাতে নহয় তাৰ বাবে তেখেতে যথেষ্ট চেষ্টা কৰিছিল। পৰেশ ভট্টৰ ঘৰৰ ছোৱালীবোৰৰ মাজত বিদ্যাশিক্ষাৰ চর্চ্চা দেখি তেখেতে সিহঁতক সদায় উৎসাহ দিছিল। দূৰৈত থাকিলেও সিহঁতলৈ চিঠি-পত্র লিখিছিল আৰু ৰবদিনৰ সময়ত সিহঁতলৈ ধর্ম্মগ্রন্থ উপহাৰ পঠিয়াইছিল।

মেলা বহিছে। সেই উপলক্ষে হাবান মাষ্টৰ, সুধীৰ আৰু বিনয়ৰ লগত ৰবদা-সুন্দৰীয়ে আটাই কেইজনী জীয়েকক লৈ আহিছে। এওঁলোক আটাইখনকে ডাক-বঙলাত থাকিবলৈ দিয়া হৈছে। ভট্ট ডাঙৰীয়াই এনে-কুৱা গোলমালবোৰ সহ্য কৰিব নোৱাৰে। সেইবাবে তেখেতে অকলেই কলিকতাতেই বৈ গ'ল। সুচৰিতাই তেখেতৰ লগত থাকিবলৈ বহুতো যত্ন কৰিছিল, কিন্তু ভট্টই তাইক ৰৱচাহাবৰ নিমন্ত্রণৰ কর্ত্তব্য পালন কৰিবৰ বাবে বিশেষকৈ উপদেশ দি পঠিয়াই দিলে। অহা পৰহিলৈ ৰৱ-

চাহাবৰ ঘৰত ভোজৰ অন্তত কমিচনাৰ চাহাব, দুৱৰলীয়া লাট আ
তৰ পৰিবাৰৰ সমুখত এটি সঙ্গীত সন্ধিয়াত পৰেশ ভট্টৰ
অভিনয়, আবৃত্তি, আদি কৰাটো স্থিৰ কৰা হৈছে। এইবা
চহৰৰপৰা আৰু কলিকতাৰপৰা ৰবচাহাবৰ বহুতো চাহাব বন্ধু
কেইজনমান বছা বছা বঙালী ভদ্রলোকো অহাৰ কথা আছে
লোকৰ বাবে বাগিচাত তম্বু তৰি থোৱা হৈছে। আৰু তাত
বাখি চাহ-জলপানবো দিহা কৰা হব বুলি শুনা গৈছে।

হাবান মাষ্টৰে অতি কম সময়ৰ ভিতৰতে বৰ বৰ
চাহাবৰ মন মুহি পেলাইছিল। খৃষ্টান ধৰ্ম্মশাস্ত্রত হাবানৰ
দেখি চাহাব আচৰিত হৈ গৈছিল। আনকি, খৃষ্টান ধৰ্ম্ম
হাবানৰ মনত এতিয়াও কিয় সামান্য হলেও খুৰুনি
কথাও চাহাবে হাবান মাষ্টৰক সুধিছিল।

আজি আবেলিও নদীৰ কাষত ফুৰি থাকোঁতে তেখেতে
লগত ব্রাহ্ম সমাজৰ কার্য্য প্রণালী আৰু হিন্দু সমাজৰ
বিষয়ে গভীৰ ভাৱে আলোচনা কৰিছিল। এনেতে
ইভিনিং চাৰ" বুলি তেখেতৰ সমুখত ওলালহি।

কালি সি ৰবচাহাবৰ লগত দেখা কৰিবলৈ গৈ গম পাই
যে চাহাবৰ দুৱাৰদলি পাৰ হবলৈ হলে পোনতে তেখেতৰ
যোগাৰ লাগিব। এনেকুৱা দণ্ড আৰু অপমান স্বীকাৰ কৰিবলৈ
হৈ আজি চাহাব ফুৰি থাকোঁতেই তেখেতৰ লগত সি দেখা
আহিছে। হাবানৰ লগত গোৱাৰ চকুৰে চকুৰে পৰোঁতেও
নিচিনাৰ ভাও জুৰিলে।

মানুহটোক দেখি চাহাব অলপ আচৰিত হৈ গ'ল।
ফুটতকৈয়ো ওখ হাড়-বলী, আটিল মানুহ এই দেশত আৰু
য়াও তেখেতৰ দেখা মনত নপৰিল। এই মানুহটোৰ গাৰ
ৰোৰ সাধাৰণ মানুহৰ দৰে নহয়। গাত এটা খাকি ৰঙৰ
ধূতিখন দগধা আৰু লেতেৰা, হাতত এডাল বাঁহৰ টাঙোন,
মূৰত পাগুৰিৰ দৰে পকাই লৈছে।

গোৱাই চাহাবক ক'লে,—"মই চাপৰি ঘোষপুৰৰপৰা
চাহাবে এক বিশেষ ধৰণৰ বিস্ময় প্রকাশ কৰিলে।
তদন্ত কার্য্যত এজন বিদেশীয়ে বাধা দিবলৈ অহাৰ খবৰ কালিয়েই
পাইছিল। অ' তেনেহলে এইটোৱেই সেই মানুহটো!

তৰিবপৰা মূৰলৈকে এবাৰ ঘোপাকৈ চালে আৰু তাৰ পিচত সুধিলে,—
"তুমি কোন জাতৰ মানুহ?"

গোৱাই উত্তৰ দিলে,—"মই বামুণ মানুহ।"

হাবানে ক'লে,—"অ' বাতৰি-কাকতৰ লগত তোমাৰ সম্বন্ধ আছে
নেকি?"

গোৱাই ক'লে,—"ওঁহো, নাই।"

চাহাবে ক'লে,—"তেনেহলে ঘোষপুৰ চাপৰিলৈ তুমি কি কৰিবলৈ
আহিছা?"

গোৱাই ক'লে,—"মই দেশ ফুৰিবলৈ ওলাইছোঁ আৰু বাটতে তাত
আশ্রয় লৈছিলোঁ। পুলিচৰ অত্যাচাৰত গাঁওখনৰ দুর্গতি দেখি আৰু
এতিয়াও তাত আৰু অত্যাচাৰ হব পাৰে বুলি গম পাই আপোনাৰ ওচৰলৈ
তাৰ প্রতিকাৰৰ কাৰণে আহিছোঁ।"

চাহাবে ক'লে,—"চাপৰি ঘোষপুৰৰ মানুহবোৰ অতিপাত বদমাছ
বুলি তুমি জানা নে নেজানা?"

গোৱাই ক'লে,—"সিহঁত বদমাছ নহয়, সিহঁত নির্ভীক, স্বাধীনচেতা;
সিহঁতে অন্যায় অত্যাচাৰ নীৰৱে সহি থাকিব নোৱাৰে।"

গোৱাৰ কথা শুনি চাহাব খঙত জ্বলি উঠিল। কিছুমান নতুন
মানুহে পুখি আওৰাই বৰ বৰ কথা কৰলৈ আহিছে—ই অসহ্য।

চাহাবে গোৱাক ডাবি দি ক'লে,—"ইয়াৰ অৱস্থাৰ বিষয়ে তুমি
কোনে নেজানা।"

"ইয়াৰ অৱস্থাৰ বিষয়ে আপুনি মোতকৈ বহুত কম জানে।" এই
গোৱাই গহীনাই উত্তৰ দিলে।

চাহাবে গোৱাক ক'লে,—"মই তোমাক এতিয়াই সাৱধান কৰি
লৈ।—তুমি ঘোষপুৰৰ ঘটনাৰ কোনো কথাতে হাত দিলে কিন্তু সহজে
যাব নোৱাৰিবা।"

গোৱাই ক'লে,—"আপুনি অত্যাচাৰৰ প্রতিবিধান নকৰিবলৈকে মন
কৰিছে আৰু গাঁওখনৰ মানুহবোৰৰ বিষয়েও আপোনাৰ ধাৰণা অলৰ
; এতেকে মোৰ আৰু আন একো উপায়েই নাই। মই নিজেই
মানুহবোৰক পুলিচৰ বিৰুদ্ধে থিয় দিবলৈ উচটনি দিম।"

চাহাব গুচিয়েই গৈছিল গৈ। হঠাতে গোৱাৰ কথা কেইষাৰ শুনি
উলটি আহিল আৰু মেঘৰ দৰে গৰজি উঠি ক'লে,—"কি তোমাৰ ইমান সাহ!"

গোৱাই আৰু একো দ্বিতীয় কথা নকৈ লাহে লাহে উঠি
চাহাবে ক'লে,—" মাষ্টৰ! আপোনালোকৰ দেশ
বোৰৰ মাজত এইবোৰ কিহৰ লক্ষণে দেখা দিছে?"

হাৱান মাষ্টৰে ক'লে,—"মানুহৰ শিক্ষা দীক্ষা তেনেকুৱা
তাৰোপৰি মানুহৰ আধ্যাত্মিক আৰু চাৰিত্ৰিক শিক্ষা একেবাৰে
ৰেই এনেকুৱা হৈছে। ইংৰাজী বিদ্যাৰ ভাল অংশটো
শকতি ইহঁতৰ হোৱা নাই। ভাৰতবৰ্ষত ইংৰাজৰ ৰাজত্ব
নিৰ্ম্মালি, এই কথা এই অজ্ঞান পাতকীবোৰে এতিয়াও মানি
ইয়াৰ একমাত্ৰ কাৰণ হ'ল—ইহঁতৰ বিদ্যা মাথোন কিছুমান
মুখস্থ কৰা বিদ্যা,—ইহঁতৰ ধৰ্ম্মবোধ একেবাৰে অপঁইতা।"

চাহাবে ক'লে,—"খৃষ্টক মানি নোলোৱালৈকে ভাৰতৰ
ধৰ্ম্মবোধে কেতিয়াও পূৰ্ণতা লাভ কৰিব নোৱাৰে।"

হাৱানে ক'লে,—"সেইটো এক হিচাপে সঁচা কথা।"
খৃষ্টক মানি লোৱাৰ বিষয়ে এজন খৃষ্টানৰ লগত হাৱান মাষ্টৰৰ
খিনি মিল আছে আৰু কিমান অমিল আছে ইয়াকে লৈ
চাহাবৰ লগত অতি সূক্ষ্ম ভাৱেৰে আলোচনা কৰি তেখেত
আপোন-পাহৰা কৰি পেলালে। আন কি মেম চাহাবে
ভট্টৰ জীয়েকহঁতক ডাক-বঙলাত নমাই থৈ উভতি আহি যোগ
ক'লেহি,—"হেৰি, ঘৰলৈ যাওঁ ব'লক।" তেখেতে চক খাই
চাই ক'লে,—"ৰাই জোড়, আঠ বাজি কুৰি মিনিট গ'লেই।"

তাৰ পিচত তেখেতে গাড়ীত উঠি হাৱান মাষ্টৰক হাত
সম্ভাষণ জনাই ক'লে,—"আপোনাৰ লগত কথা-বতৰা পাতি
লিটো বৰ আনন্দেৰে কটালোঁ।"

হাৱানে ডাক-বঙলালৈ উভতি আহি সকলোৰে আগত
লগত হোৱা আলাপ আলোচনাৰ কথা বহলাই
গোৱাৰ লগত দেখা হোৱা কথা হলে মুখলৈ নাহিলেই।

২৮

কেৱল মাথোন গাঁওখনক শাসন কৰিবৰ বাবেই কোনো বিচাৰ নকৰা-
প্ৰায় সাতচল্লিশ জন পদকীয়াক হাজোতত দিয়া হৈছিল।
ৰৱচাহাবৰ লগত দেখা হোৱাৰ পিচত গোৱাই এজন উকিল বিচাৰি
। সাতকড়ি হালদাৰ ইয়াৰ এজন ভাল উকিল বুলি গি কেনেবাকৈ
বাৰ মুখত গম পালে। সাতকড়ি হালদাৰৰ ঘৰত উপস্থিত হোৱাৰ
লগেই তেওঁ গোৱাক ক'লে,—"হাঁ, গোৱা দেখোন! তুমি আকৌ ইয়াত
বা ওলালাহি?"

গোৱাই পেটে পেটে যি ভাবিছিল গিয়েই সঁচা—সাতকড়ি গোৱাৰ
াঠী। গোৱাই চাপৰি ঘোষপুৰৰ পদকীয়াবোৰৰক জামিনত মোকোলাই
ইত্ত মকৰ্দ্দমা চলাব লাগিব বুলি সাতকড়িক ক'লে।

সাতকড়িয়ে সুধিলে,—জামিন কোন হব?"

গোৱাই ক'লে,—"মই হম।"

সাতকড়িয়ে ক'লে,—"দুকুৰি সাত জনৰ জামিন হবলৈ তোমাৰ জানো
াই কুলাব?"

গোৱাই ক'লে,—"মোক্তাৰবোৰ লগ লাগি জামিন হলে মই তাৰ
ই দিম।"

সাতকড়িয়ে ক'লে,—"টকা কিন্তু বহুত লাগিব।"

পিচদিনা ৰৱচাহাবৰ এজলাচত জামিনত খালাচ দিবলৈ দৰ্খাস্ত দিয়া
। চাহাবে কালিৰ সেই লেতেৰা কুপোৰ পিন্ধা পাগুৰি মৰা বীৰ
ক ফালে এবাৰ কেৰাহিকৈ চায়েই দৰ্খাস্ত অগ্ৰাহ্য কৰি দিলে। চৈধ্য
বয়গীয়া ল'ৰাৰপৰা আশী বছৰীয়া বুঢ়ালৈকে সকলোৱে হাজোতত
লৈ ধৰিলে।

গোৱাই ইহঁতৰ বাবে যুঁজিবলৈ সাতকড়িক অনুৰোধ কৰিলে।

সাতকড়িয়ে ক'লে,—"সাক্ষী ক'ত পাবা? সাক্ষী হব পৰাবোৰ
ন আটাইবোৰ পদকীয়াই হৈছে। তাৰোপৰি এই চাহাব মৰা মকৰ্দ্দ-
। তদন্তৰ কোৰত এই অঞ্চলৰ মানুহবোৰ অতিষ্ঠ হৈ উঠিছে। ভিতৰি
তৰি ভদ্ৰলোকৰো যোগ আছে বুলি ৰৱচাহাবৰ ধাৰণা হৈছে। মোকো
জানি সন্দেহ কৰে—একো সঠিককৈ কব নোৱাৰি। দেশৰ মানুহবোৰে

এনেকুৱা সাহ পালে অবক্ষিত অসহায় ইংৰাজবোৰে আৰু
কৰিবই নোৱাৰিব বুলি ইংৰাজী বাতৰি-কাকতবোৰত তে
বই লাগিছে। ফলত দেশৰ মানুহবোৰ নিজৰ দেশতে
হৈছে। অত্যাচাৰ যথেষ্ট কৰা হৈছে বুলি বুজিছোঁ, কিন্তু
বাবে কৰিবৰ একোকে উপায় নাই।"

গোৰাই গৰজি উঠি ক'লে,—"উপায় নাই কিয়?"

সাতকড়িয়ে হাঁহি হাঁহি উত্তৰ দিলে, "তুমি এতিয়া
স্কুলত পঢ়ি থকা কালত যেনেকুৱা আছিলা তেনেকুৱা
উপায় নাই মানে হ'ল—আমাৰ ঘৰত ল'ৰা তিৰোতা আছে—
র্জ্জন নকৰিলেই চকটো কাতি। আনৰ জঞ্জাল নিজৰ
লৈ মৰিবলৈ আগবঢ়া মানুহ সংসাৰত বৰ কমেইহে
যিখন দেশত মানুহৰ ঘৰ-সংসাৰৰ জঞ্জাল বেচি। যিবোৰ
আন দহজন নিৰ্ভৰ কৰে, সেইবোৰ মানুহে সেই দহজন
আন দহ জনৰ পিনে চাবলৈ সময়কে নেপায়।"

গোৰাই ক'লে,—"তেনেহলে ইহঁতৰ বাবে আৰু তুমি
নোৱাৰা? হাইকোৰ্টত আপিল কৰিলে যদি..."

সাতকড়িয়ে অসহ্য হৈ ক'লে,—"উৰা! চাহাবক মাৰি
কথা তুমি পাহৰিছা কিয়? প্ৰত্যেকটো চাহাবেই
একোটা বজা—সাধাৰণ চাহাব এটাৰ গাত হাত দিয়াটোও
ৰাজদ্রোহ। লাভ নোহোৱা কাম এটাত মিছাকৈয়ে
কোপদৃষ্টিত পৰিবলৈ মই বাজী নহয়।"

কলিকতালৈ গৈ তাৰ উকিলবন্ধুৰা, কিবা সুবিধা
নোৱাৰি তাকে চেষ্টা কৰিবৰ বাবে গোৰাই পিচদিনা পুৱা
ৰেল ধৰিবলৈ ঘৰৰপৰা ওলাই গৈছিলহে মাথোন,
পৰিল।

ইয়াৰ এই মেলাখনৰ উপলক্ষে কলিকতাৰ এদল ছাত্ৰ
স্থানীয় এদল ছাত্ৰৰ এখন ক্ৰিকেট্ খেলৰ যোগাৰ কৰা
পাৰ্গতালি দেখুৱাবৰ বাবে কলিকতাৰ লৰাবোৰে নিজৰ
খেলি অভ্যাস কৰিছিল। এনেতে ক্ৰিকেটৰ বল লাগি এ
বাৰকৈয়ে দুখ পালে। খেল-পথাৰখনৰ ওচৰতে এটা
দুখ পোৱা লৰাটোক আন দুটা লৰাই ধৰি নি সেই
বহুৱাই কাপোৰ এডোখৰ ফালি পানীত তিয়াই

লৈ ধৰিলে। এনেতে ঘৰৰপৰা এটা পহৰাৱালা আহি এটা লৰাৰ
ত ধৰি গতিয়াই দি নানা অবাইচ্ মাতেৰে সিহঁতক গালি পাৰিবলৈ
ল। পুখুৰীটো খোৱা পানীৰ বাবে আছুতীয়াকৈ ৰখা হৈছিল।
পানীত নমা নিষেধ। কলিকতাৰ লৰাবোৰে সেই কথাটো নেজানি-
ক জানিলেও হঠাতে এইদৰে পহৰাৱালাৰপৰা অপমান সহ্য
সিহঁতৰ অভ্যাস নাছিল। গাত সকলোৰে ভালকৈয়ে বল আছিল,
সেইবাৰে সিহঁতে অপমানৰ যথোচিত পোটক তুলি দিলে। এই
দেখি আৰু চাৰি পাঁচটা মান চিপাহী দৌৰি আহিল। ঠিক এনে
তে গোৰাও আহি সেইখিনিতে ওলালহি। ছাত্ৰবোৰে গোৰাক চিনি
ছিল। সিহঁতৰ লগত গোৰাই বহুদিন ক্ৰিকেট্ খেলিছে। লৰাবোৰক
াই মৰিয়াই ধৰি লৈ যোৱা দেখি গোৰাই আৰু সহিব নোৱাৰিলে।
াগবাঢ়ি আহি ক'লেহি,—"সাৱধান, ইহঁতক নেমাৰিবি।" পহৰা-
ৰ দলে তাকো ৰাই অকথ্য ভাষাৰে গালি পাৰোঁতেই গোৰাই সিহঁ-
লখিয়াই, ভুকুৰাই এনেকুৱা এটা কাণ্ড কৰিলে যে চাওঁতে চাওঁতে
লৰাটত বহুতো মানুহ গোট খাই পৰিল। ইফালে তেনেতে ছাত্ৰ-
ৰো এটা প্ৰকাণ্ড দল আহি ওলালহি। গোৰাৰ উদগনি আৰু আদেশ
সিহঁতে পুলিচক আক্ৰমণ কৰোঁতেই পহৰাৱালাৰ দল পলাই ফাট্
লে। আলিবাটৰ মানুহবোৰেও দৰ্শকৰূপে বৰ আমোদ পালে; কিন্তু
ও হব, এই ধেমালিখন গোৰাৰ বাবে হ'লে অকল ধেমালি হৈয়েই
ৱেলি তিনি চাৰি মান বজাত ডাক-বঙলাত বিনয়, হাৰান মাষ্টৰ
ছোৱালীবোৰে আখৰা কৰি আছিল। এনেতে বিনয়ৰ চিনাকি
মান ছাত্ৰ আহি গোৰা আৰু কেইজনমান ছাত্ৰক পুলিচে ধৰি নি
তত ৰাখিছেগৈ বুলি খবৰ দিলেহি। কাইলৈ প্ৰথম এজলাচতে
গোৰা হাজোতত থকা শুনি হাৰান মাষ্টৰৰ বাহিৰে আন সকলো-
উচাপ খাই উঠিল। বিনয়ে প্ৰথমেই বেগা-বেগিকৈ সিহঁতৰ সহ-
সাতকড়ি হালদাৰৰ ওচৰলৈ গৈ তেওঁক সকলো কথা কলেগৈ আৰু
লগত লৈ হাজোতলৈ গ'ল।

সাতকড়িয়ে গোৰাৰ ফলীয়া হৈ ওকালতি কৰিবলৈ আৰু তেতিয়াই
জামিনত মোকোলাবলৈ ঠিক কৰিলে। গোৰাই ক'লে,—"ওঁহো, মই
নধৰোঁ। মোক জামিনত মোকোলাবলৈকো যত্ন কৰিব নেলাগে।"

"এইটো আকৌ কি কথা !" সাতকড়িয়ে বিনয়ৰ কাণেৰে "চোৱাচোন বাৰু, কোনেনো কৰ গোৱা আৰু এতিয়া স্কুলীয়া বুলি ? ইয়াৰ বুজ এতিয়াও সেই আগবদৰেই আছে।"

গোৱাই উত্তৰ দিলে,—"কপালৰ জোৰত আজি মোৰ বন্ধু আছে বুলিয়েই মই হাজোত আৰু হাত-কেৰেয়াবলৈ সেইটো মই আশাকে নকৰোঁ। আমাৰ দেশৰ ধৰ্ম্মনীতিবিৰুদ্ধ যে সুবিচাৰ কৰাৰ ভাৰ বজাৰহে ; প্ৰজাৰ প্ৰতি অবিচাৰ অধৰ্ম্ম। কিন্তু এইখন ৰাজ্যত উকিলৰ ধন যোগাৰ নোৱাৰি হাজোতত পচিবলগীয়া হয়, জেলত মৰিবলগীয়া হয়, খাকোঁতেও যদি প্ৰজাই ন্যায় বিচাৰ কিনিবলৈ জুকুলা হয়, তেনেহলে এনেকুৱা বিচাৰৰ বাবে মই ফুটা নোখোজোঁ।"

সাতকড়িয়ে ক'লে,—"কাজিৰ আমোলত দেখোন কঁকাল ভাঙিছিল।"

গোৱাই ক'লে,—"ভেটী দিয়াটো তো বজাৰ বিধান কাজিৰোৱেহে ভেটী খাইছিল। আজিও সেইটো আছে। ৰাজদ্বাৰত বিচাৰৰ বাবে থিয় হবলৈ গলেই, বাদীয়েই হওক হওক, দোষীয়েই হওক বা নিৰ্দ্দোষীয়েই হওক, প্ৰজাই চকু টাই তাৰ বাবে সৰ্ব্বনাশ। ইয়াৰ ওপৰত আকৌ এতিয়া বাদী আৰু মোৰ দৰে মানুহ এটা বিবাদী। এতেকে ডাঙৰ বেবিষ্টাৰ আটাইবোৰ বজাফলীয়া হবই—মই যোগাৰ কৰিব ভালেই হয়, নহলে কপালত যি থাকে হব আৰু। সাহায্যৰ প্ৰয়োজন নেথাকিলে চৰকাৰী উকিল নো থিয় জন আছে বুলিয়েই চৰকাৰৰ বিৰোধী দলে থিয় যোগাৰ কৰিব লাগে ? এইটো জানো প্ৰজাৰ লগত আকৌ কেনেকুৱা ৰাজধৰ্ম্ম ?"

সাতকড়িয়ে উত্তৰ দিলে,—"ভাই, তোমাৰ আকৌ কিয় ? মানুহৰ সভ্যতা সস্তা বস্তু নহয়। সূক্ষ্ম বিচাৰ আইনৰ ব্যৱসায়ী নহলে কাম নচলে। ব্যৱসায় কৰিবলৈ বিকাৰ কথা আহি পৰে। এতেকে সভ্যতাৰ আদালতৰ আপুনিয়েই বিচাৰ কিনা-বিকাৰ হাট হৈ পৰিবই।

সদায় ঠগ খোৱাৰ সম্ভাৱনা থাকিবই। তুমি ৰজা হোৱা হলে বাৰু কি কৰিলাহেঁতেন কোৱাচোন ?"

গোৱাই উত্তৰ দিলে,—"এনেকুৱা আইন তৈয়াৰ কৰিলোঁহেতেন যে যদি হেজাৰ দেড় হেজাৰ টকা দৰ্ম্মহা খোৱা বিচাৰকৰ বুদ্ধিয়েই তাৰ বহস্য ভেদ কৰিব নোৱাৰে, তেনেহলে দুৰ্ভগীয়া বাদী, বিবাদী দুয়ো পক্ষৰ বাবে চৰকাৰী খৰচত উকিল নিযুক্ত কৰি দিলোঁ হয়। বিচাৰৰ খৰচ প্ৰজাৰ ডিঙিত জাপি দি সুবিচাৰৰ গৌৰৱ কৰি পাঠান মোগলক গালি নেপাবিলোহেঁতেন।"

সাতকড়িয়ে ক'লে,—"বাৰু এইবোৰ তো ভালেই কথা। পিচে এতিয়া সেই শুভ দিনো অহা নাই, তুমিও ৰজা হোৱা নাই। বৰ্ত্তমান তুমি যেতিয়া সভ্য ৰজাৰ আদালতৰ পদকীয়া, হয় তুমি গাঁঠিৰ ধন ভাঙিৰ লাগিব, নহয় উকিল বন্ধুৰ শৰণাপন্ন হবই লাগিব ; নহলে তৃতীয় গতিটো কিন্তু বৰ ভাল সম্পত্তি নহব।"

গোৱাই জেদবে সৈতে ক'লে,—"কোনো চেষ্টা নকৰাকৈ যিটো গতি পাবে, মোৰ সেইটো গতিয়েই হওক। এইখন ৰাজ্যত একেবাৰে ঠিকৰাৰ যি গতি, মোৰো সেয়ে গতি।"

বিনয়ে বহুতো অনুনয় কৰিলে কিন্তু গোৱাই কোনো কথালৈ কাণেই দিলে। সি বিনয়ক সুধিলে,—"তুমি হঠাতে ইয়াত কৰপৰা জুলালাহি ?"

বিনয়ৰ মুখখন অলপ বঙা পৰি উঠিল। গোৱা আজি হাজোতত নথকা কাৰণটো জনাই দিলেহেঁতেন। আজি কিন্তু স্পষ্ট উত্তৰটো তাৰ মুখত বাজি উঠিল। সি ক'লে "মোৰ কথা বাৰু পিচতো হব—এতিয়া তোমাৰ—"

গোৱাই উত্তৰ দিলে,—"মই তো আজি ৰজাৰ অতিথি। মোৰ বাবে ৰজাই ভাবিছে, এতেকে তোমালোক কোনেও আৰু মোৰ কাৰণে চিন্তা কৰিব নালাগে।"

গোৱাক লৰচৰ কৰাটো টান বুলি বিনয়ে জানিছিল। এতেকে উকিল ধৰাৰ চেষ্টাটো এবি দিবলগীয়া হ'ল। সি ক'লে,—"তুমি তো ইয়াত একোকে খাব নোৱাৰিবা বুলি জানোৱেই। বাহিৰৰপৰাই তোমালৈ কিবা খোৱা বস্তু পঠিওৱাৰ ব্যৱস্থা কৰি দিম।"

গোৱাই অধীৰ হৈ ক'লে,—"বিনয়, তুমি মিছাতে কিয় ব্যস্ত হৈছা ? বাহিৰৰপৰা মোক একোকে নালাগে। হাজোতত সকলোৰে ভাগ্যত যি

মিলে তাতকৈ আৰু মোকো একো অধিক নেলাগে।”

বিনয় বেজাৰ মনেৰে ডাক-বঙলালৈ উভতি আহিল। আলিৰ কাষৰ এটা গোৱালি-কোঠাৰ দুৱাৰখন জপাই লৈ বিছনা মেলি বিনয় উভতি যোৱালৈ বাট চাই আছিল। আনৰ লগত কথা পাতি তাই অকণো শান্তি পোৱা নাছিল।

বিনয়ক মুখখন কলাকৈ চিন্তিত ভাৱে ডাক-বঙলালৈ উভতি দেখি আশঙ্কাত সুচৰিতাৰ বুকুখন কাঁপি উঠিছিল। বহু যত্ন কৰি তেওঁ ক'লে,—“তুমি নো এইবোৰ কথাৰ কি ধাতু পোৱা? যিবোৰে চন্তালি এখন পুখি হাততে লৈ তাই আহি বহা কোঠাটোত ললিতাই চিলাই আদি কৰি বৰ ভাল নেপাইছিল, কিন্তু আজি কত বহি অকলে চিলাই কৰি আছিল। লাৱণ্যই সুধীৰৰ লগত বামনৰ খেলা খেলি আছিল। লীলা হৈছিল তাৰে দৰ্শক মাষ্টৰে ৰৱদাসুন্দৰীৰ লগত কালিৰ হৰ লগা উৎসৱৰ কথা আলোচনা আছিল।

আজি ৰাতিপুৱা গোৱাৰ পুলিচৰ লগত হোৱা গোলমালৰ কথা আটাইবোৰ বহলাই কলেই। সুচৰিতা নিটাল হৈ বহি থাকিল তাৰ কোলাৱপৰা চিলাইখন পৰি গ'ল আৰু তাইৰ মুখখন উঠিল।

ৰৱদাসুন্দৰীয়ে ক'লে,—“আপুনি একো চিন্তা নকৰিব বোপা—আজি সন্ধিয়া ৰৱচাহাবৰ লেমক গৌৰমোহন বোপাৰ লগত নিজেই অনুৰোধ কৰিম।”

বিনয়ে ক'লে,—“ওঁহো, আপুনি সেইটো নকৰিব—গোৱাই শুনিলে সি আৰু মোক গোটেই জীৱনত কেতিয়াও ক্ষমা নকৰিব।”

সুধীৰে ক'লে,—“তেওঁৰ পক্ষ সমৰ্থনৰ বাবে তো কিবা মোক লাগিব।”

জামিনত তাক খালাচ কৰিবৰ বাবে চেষ্টা কৰা আৰু এই বিষয়ে গোৱাই যিবোৰ আপত্তি কৰিছিল বিনয়ে সেই আটাইবোৰ শুনি হাবান মাষ্টৰৰ অযাহ্য হ'ল, তেওঁ ক'লে,—“এইবোৰ বেচি কৰি দেখুৱাইছে।”

হাবানৰ প্ৰতি ললিতাৰ মনৰ ভাব যিয়েই নহওক লাগে, কিন্তু তাই তেওঁক সন্মান কৰিয়েই আহিছে, কেতিয়াও তেওঁৰ কৰা নাই। আজি কিন্তু তাই জোৰেৰে মূৰ জোকাৰি ক'লে,—

বেচি কৰি দেখুৱা নাই। গৌৰ কৰকাইদেৱে যি কৰিছে ঠিকেই কৰিছে—ৰৱচাহাবে আমাক জব্দ কৰিব আৰু আমি নিজেই নিজক ৰক্ষা কৰিম! হিংসুক সমহ দৰ্ম্মহা যোগাৰযা বাবে আমি টেক্স ভৰিব লাগিব! এনেকুৱা বিচাৰ পোৱাতকৈ জেলত থকাও ভাল।”

ললিতাক হাবানে নিচেই সৰুযেপৰা দেখিছে। তাইৰো যে এটা মতামত আছে, তেওঁ কোনিয়াও কল্পনাকে কৰা নাছিল। সেই ললিতাৰ মুখত চোকা চোকা কথা শুনি তেওঁ আচৰিত হৈ গ'ল। তাইক ঠাট্টা কৰি তেওঁ ক'লে,—“তুমি নো এইবোৰ কথাৰ কি ধাতু পোৱা? যিবোৰে ধুনমান পুখি আওৰাই কোনোমতে পাৰ হৈ কলেজসপৰা ওলাই আহিছে এখোন, যিবোৰৰ কোনো ধৰ্ম্ম নাই, ধাৰণা নাই, হিংসুক মুখখপৰা কিছুমান দায়িত্বহীন বলিয়া প্ৰলাপ শুনিলেই তোমালোকৰ মূৰ ঘূৰাই যায়।”

এইবুলি হাবানে কালি সন্ধিয়া গোৱাৰ লগত ৰৱচাহাবৰ দেখাদেখি হোৱাৰ কথা আৰু সেই বিষয়ে ৰৱচাহাবে তেওঁক কোৱা কথাও বহলাই ক'লে। ললিতাপৰি ঘোষপুৰৰ ঘটনাবোৰ বিনয়ে নেজানিছিল। সকলো শুনি তাৰ বুকু চিৰিংকৈ উঠিল; ৰৱচাহাবে গোৱাক সহজে ক্ষমা নকৰিব বুলি গম পালে।

হাবানে যিটো উদ্দেশ্যৰে এই কথাবোৰ কৈছিল সেইটো সম্পূৰ্ণ ব্যৰ্থ হৈ গ'ল। গোৱাৰ লগত তেওঁৰ দেখা হোৱাৰ বিষয়ে এতিয়ালৈকে একে-বাৰে নীৰৱ হৈ থকা দেখি হাবানৰ ভিতৰৰ নীচতাই সুচৰিতাক আঘাত কৰিলে। আৰু হাবানৰ প্ৰত্যেক কথাতে গোৱাৰ প্ৰতি যিটো ব্যক্তি-গত ঈৰ্ষা ফুটি ওলাল, সেইটো দেখি গোৱাৰ এই বিপদৰ দিনত উপস্থিত সকলোৱে হাবান মাষ্টৰৰ প্ৰতি বিতৃষ্ণাহে উপজিল। সুচৰিতা অতপৰে মনে মনে আছিল, কিবা এটা কথা প্ৰায় তাইৰ জিভাৰ আগলৈকে আহি ছিলেই, কোনোমতেহে তাই নিজকে সামৰি পুখিখন মেলি কঁপা হাতেৰে পাত লুটিয়াবলৈ ধৰিলে। ললিতাই উদ্ধত ভাৱে ক'লে,—“ৰৱচাহাবৰ লগত হাবান মাষ্টৰৰ মতৰ যিমানেই মিল নেথাকক লাগে ঘোষপুৰৰ ঘট-নাত হ'লে গৌৰমোহন কৰকাইদেউৰ মহত্ত্ব হে প্ৰকাশ হৈছে।”

২৯

আজি সৰু লাট আহিব দেখি ৰবচাহাবে ঠিক দহ ৰজাত লতলৈ আহি বিচাৰৰ কাম গোনকালে শেষ কৰিবলৈ যত্ন কৰিলে। সাতকড়ি হালদাবে স্কুলীয়া ছাত্রবোৰৰ ফলীয়া হৈ সেই চক্ৰান্ত বন্ধুক বক্ষা কৰিবলৈ যত্ন কৰিছিল। ঘটনাৰ গতি দেখি তেওঁ যে এই ক্ষেত্ৰত অপৰাধ স্বীকাৰ কৰাটোৱেই উচিত হব। দুৰন্ত হয়েই। সিহঁতক অৰ্বাচীন নিৰ্ব্বোধ ইত্যাদি আখ্যা দি হকে তেওঁ ক্ষমা প্ৰাৰ্থনা কৰিলে। ৰবচাহাবে ছাত্রবোৰক গৈ বয়স আৰু অপৰাধৰ তাৰতম্য অনুসাৰে পাঁচৰপৰা পাঁচশলৈ দিবলৈ আদেশ দিলে। গোৱাৰ কোনো উকিল নাছিল। নকৰ্দ্দমা নিজেই চলাবৰ উদ্দেশ্যে পুলিচৰ বিৰুদ্ধে কিবা কৰিব তেই ৰবচাহাবে জোৰেৰে ডাবি দি তাৰ মুখ জপাই পেলালে, আৰু কামত বাধা দিয়া অপৰাধত তাক এমাহ সশ্রম ফাটেক দিলে। এনেকুৱা লঘুদণ্ডক বিশেষ দয়া বুলি ৰবচাহাবে জহালেও।

সুধীৰ আৰু বিনয় আদালতলৈ আহিছিল। বিনয়ে গোৱাক চাবই নোৱাৰিলে। তাৰ উশাহ বন্ধ হৈ যোৱা যেন লাগিল। লখিকৈ আদালত ঘৰৰপৰা ওলাই আহিল। সুধীৰে তাক তাৰ উভতি গৈ গা-পা ধুই ভাত-পানী খাবলৈ ধৰিলে। সি কিছু পথাৰৰ মাজৰ আলিয়েদি কিছুদূৰ গৈ সি এডাল গছৰ তলত সুধীৰক ক'লে,—"তুমি বঙলালৈ উভতি যোৱাগৈ, অলপ মই যাম।" সুধীৰ ওচি গ'ল গৈ।

এইদৰে কিমান সময় উকলি গ'ল বিনয়ে গমকে নেপায়। মূৰৰ ওপৰৰপৰা আঁতৰি গৈ লাহে লাহে পশ্চিমলৈ ঢাল খাই সময়তে এখন গাড়ী আহি ঠিক তাৰ স মুখতে ব'লহি। বিনয়ে চাই সুধীৰ আৰু সুচৰিতাক গাড়ীৰপৰা নামি তাৰ ঝাষলৈ পালে। বিনয় লখালখিকৈ উঠি খিয় হ'ল। সুচৰিতাই ৰাষ মৰমেৰে মাতিলে,—"চেটাৰ্জ্জীদেউ! আহক।"

বিনয়ৰ হঠাতে হুচ আহিল যে আলিৰ মানুহে এই দৃশ্য দেখি পাইছে। সি লখালখিকৈ আহি গাড়ীত উঠিলহি। ৰাটত একো কথা ক'ব নোৱাৰিলে।

ডাক-বঙলালৈ আহি বিনয়ে তাত এখন ভালকৈয়ে ভুজ লগা দেখা পালেহি। ললিতাই আহি ৰবচাহাবৰ নিমন্ত্রণত কোনোৰকমেই যোগ নিদিয়ে বুলি জেদ ধৰিছে। ৰবদাসুন্দৰী ভীষণ সঙ্কটত পৰিছে। হাৰান মাষ্টৰে ললিতাৰ দৰে সৰু ছোৱালী এজনীৰ এনেকুৱা অসঙ্গত বিদ্রোহ দেখি খঙতে জ্বলি পৰি উঠিছে। তেওঁ বাৰে বাৰে ৰবলৈ ধৰিছে, আজি-কালিৰ লৰা-ছোৱালীবোৰৰ এইবোৰ আকৌ কি বিকাৰ ঘটিল—সিহঁতে শৃঙ্খলা মানিব নোখোজে। যেই সেই মানুহৰ লগত যিহকে তিহকে আলোচনা কৰাৰ ফলতে এনেকুৱা হৈছে।

বিনয় আহোঁতেই ললিতাই ক'লে,—"চেটাৰ্জ্জীদেউ! ক্ষমা ৰৰক। মই আপোনাৰ ওচৰত বৰ দোষ কৰিছোঁ। আপুনি তেতিয়া কোৱা কথা-ৰোৰ মই একোৰেই বুজা নাছিলোঁ। আমি বাহিৰৰ কথা একোকে নেজানো বুলিয়েই ইমান ভুল ৰবোঁ। পানু মাষ্টৰৰ মতে ভাৰতবৰ্ষত ৰবচাহাবৰ এই শাসন বিধাতাৰ বিধান। সেয়েই যদি হয়, তেনেহলে এই শাসনক সমগ্ৰ দেশে কায়-মনোবাক্যে অভিশাপ দিয়াৰ ইচ্ছা জগাই তোলাটোও সেই বিধাতাৰে বিধান।"

হাৰান মাষ্টৰে খঙতে টিঙিবিতুলা হৈ ক'লে,—"ললিতা তুমি—"

ললিতাই হাৰানলৈ চাই ক'লে,—"মনে মনে থাকক। আপোনাক মই একো কোৱা নাই। চেটাৰ্জ্জীদেউ! আপুনি কাৰো অনুৰোধ ৰাখিব নেলাগে। আজি কোনোৰকমে অভিনয় হবই নোৱাৰে।"

ৰবদাসুন্দৰীয়ে লৰালখিকৈ ললিতাৰ কথাৰ ওপৰতে ক'লে—"ললিতা, তয়ো আৰু এজনী ভাল ছোৱালী দে! চেটাৰ্জ্জী বোপাক আজি ভাত-পানী খাবলৈ নিদিয় নে কি? ডেৰ বাজি গ'ল জান নে? চাচোন, তেওঁৰ মুখখন শুকাই চেহেৰাটো কেনেকুৱা হৈছে।"

বিনয়ে ক'লে,—"ইয়াত আমি সেই ৰবচাহাবৰে অতিথি—এইখন ৰজত মই গা ধুবও নোৱাৰোঁ, ভাত-পানী খাবও নোৱাৰোঁ।"

ৰবদাসুন্দৰীয়ে বিনয়ক বহুতো মিনতি কৰি বুজাবলৈ ধৰিলে। আটাই-কেইজনী জীয়েক মনে মনে থকা দেখি তেখেতে খঙতে ক'লে,—"তহঁতৰ আটাইখনৰে আকৌ কি হ'ল? সুচি, তুমি চেটাৰ্জ্জী বোপাক অলপ বুজাই কোৱাচোন। আমি কথা দিছোঁ—মানুহ দুনুহ মতা হৈছে, আজিৰ দিনটো কোনো ৰকমে কটাই যাব লাগিব। নহলে সিহঁতে কি বুলি ভাবিব কোৱাচোন। মই যে সিহঁতৰ আগত আৰু মুখকে দেখুৱাব নোৱাৰিম।"

সুচবিতা নীবৱে তলমুৱকৈ বহি থাকিল।

বিনয়ে বুৱৈত নদীত থকা জাহাজলৈ গুচি গ'লগৈ। এই
খন আজি আৰু দুবণ্টা মানৰ ভিতৰতে যাত্ৰী লৈ কলিকতালৈ
কাইলৈ আন্দাজ আঠ মান বজাত সেইখিনি পাবগৈ।

হাবান মাষ্টৰে উত্তৰ দিলে,—"সেইটো জানো ভনীটি!
কৰলৈ ধৰিলে। সুচবিতাই লৰালৰিকৈ উঠি গৈ
সোমাই জোনেৰে দুৱাৰখন খপাই দিলে। অলপ পিচতে
দুৱাৰখন ঠেলি কোঠাটোত সোমালহি। তাই সুচবিতাক
মুখখন চাহি বিছনাত উবুবি হৈ পৰি থকা দেখিলেহি।

ললিতাই ভিতৰপৰা দুৱাৰখনত শলখা লগাই দি
সুচবিতাৰ কাষত বহি তাইৰ চুলিৰ মাজত আঙুলি বুলাই
বহুপৰৰ পিচত সুচবিতা কিছু শান্ত হোৱাত ললিতাই
মুখৰপৰা হাত দুখন একৰাই তাইৰ মুখৰ কাষলৈ মুখ
ক'লে,—"বাইদেউ, ব'ল, আমি ইয়াৰপৰা কলিকতালৈ
আজি বৰচাহাবৰ তালৈ আৰু কেতিয়াও যাব নোৱাৰোঁ।"

সুচবিতাই বহু পৰলৈকে এই কথাৰ একো উত্তৰকে
শেষত ললিতাই একেটা কথাকে বাৰে বাৰে কৈ থকা
উঠি বহি ক'লে,—"সেইটো কেনেকৈ হব ভনীটি? মোৰ
একেবাৰেই মন নাছিল। দেউতাই পঠিয়াই দিছে যেতিয়া,
কাৰণে, আহিছোঁ সেই কামটো নকৰাকৈ তো যাব
ললিতাই ক'লে,—"দেউতাই তো এইবোৰ কথা
হলে কেতিয়াও আমাক থাকিবলৈ নকলেহেঁতেন।"

সুচবিতাই ক'লে,—"সেইটো নো কেনেকৈ কওঁ ভনীটি!
ললিতা,—বাইদেউ! তই পাবিবি জানো? কেনেকৈ যাবি
ইয়াৰ পিচতো আকৌ গাড়ি-পাৰি ষ্টেজত থিয় হৈ কৰিতা
মোৰ তো জিভা ছিণ্ডি তেজ ওলালেও মাত নোলাব।"

সুচবিতাই উত্তৰ দিলে,—"সেইটো জানো ভনীটি! কিন্তু
নৰক যন্ত্ৰণাও সহিবলগীয়া হয়। এতিয়া আৰু একো
আজিৰ দিনটোৰ কথা জীৱনত পাহৰিব নোৱাৰোঁ।"

সুচবিতাৰ এই বাধ্যতা দেখি ললিতাই খঙতে কোঠাটোৰপৰা
আহি মাকক ক'লেহি,—"আই, তোমালোক নোযোৱা নে কি?"

ৰবদাসুন্দৰীয়ে ক'লে,—"তই বলিয়া

পিচত হে যাব লাগিব।"

ললিতাই ক'লে,—"মই কলিকতালৈ যোৱাৰ কথা কৈছোঁ।"

ৰবদাসুন্দৰী,—ছোৱালীজনীৰ আকৌ কথাবোৰ শুনচোন।

ললিতাই সুধীৰক সুধিলে,—"সুধীৰ ককাইদেউ, তুমিও ইয়াতে
থাকিবা নে কি?"

গোৱাৰ শাস্তি দেখি সুধীৰৰ মনটোও ভাঙি পৰিছিল, কিন্তু ডাঙৰ
ডাঙৰ চাহাৰবোৰৰ আগত নিজৰ বিদ্যা জাহিৰ কৰাৰ লোভ সামৰাটোও
তাৰ বাবে প্ৰায় অসাধ্য আছিল। সি মুখৰ ভিতৰতে ভোৱ্‌ভোৱাই কিবা
এটা ক'লে—বুজা গ'ল যে তাৰ সঙ্কোচ লাগিছে যদিও সি থাকিব গৈ।

ৰবদাসুন্দৰীয়ে ক'লে,—"গোলমালখন কৰি থাকোঁতেই ঢেৰ বেলি
হ'ল গৈ। আৰু পলম কৰিলে নহব। এতিয়া চাৰে পাঁচ বজালৈকে
বিছনাপৰা কোনো উঠিব নোৱাৰা—জিৰণি লব লাগিব। নহলে ভাগৰ
লাগি মুখ শুকাই আটাইবোৰ দেখিবলৈ কুৎসিত হৈ পৰিবাগৈ।"

এইবুলি তেখেতে আটাইখনকে নিজ নিজ বিছনাত জোৰ কৰি শুৱাই
দিলেগৈ। আটাইবোৰ টোপনি গ'ল মাথোন সুচবিতাৰ টোপনি নাহিল;
ইফালে আন এটা কোঠাত ললিতাও সাৰে থাকিল।

জাহাজখনে ঘনে ঘনে ফুক দিবলৈ ধৰিলে।

জাহাজখন এবিবৰ সময় হৈছে, খালাচিবোৰেও ছিৰী উঠুৱাবলৈ
সাজু হৈছে, এনেতে জাহাজৰ ডেকৰ ওপৰৰপৰা বিনয়ে এজনী শিক্ষিতা
গাভৰুক জাহাজৰ ফাললৈ কোৱা-কুবিকৈ অহা দেখা পালে। তেওঁৰ
সাজ পাৰ আদি দেখি ললিতা যেনেই লাগিল, কিন্তু বিনয়ে ঘপহ্ কৰে
সেইটো বিশ্বাস কৰিব নোৱাৰিলে। অৱশেষত ললিতা আহি ওচৰ পোৱাতহে
তাৰ সন্দেহ ভাঙিল। এবাৰ সি ভাবিলে যে ললিতাই বোধকৰোঁ তাক
ওভোতাই নিবলৈ আহিছে। কিন্তু ললিতাই চোন নিজেই ৰবচাহাবৰ
নিমন্ত্ৰণত যোগ দিবলে আপত্তি কৰিছিল। ললিতা আহি জাহাজত উঠি-
লহি। খালাচিবোৰেও ছিৰী তুলিলে। বিনয়ে শঙ্কিত মনেৰে ওপৰৰ
ডেকৰপৰা নামি আহি ললিতাৰ আগত উপস্থিত হ'লহি। ললিতাই
ক'লে,—"ব'লক আমি ওপৰলৈ যাওঁ।"

বিনয়ে আচবিত হৈ ক'লে,—"জাহাজ দেখোন এবিলেই।"

ললিতাই ক'লে,—"ওঁ, সেইটো মই জানো—।"

এইবুলি তাই বিনয়ৰ বাবে নৰৈ সমুখৰ ছিৰীয়েদি ওপৰলৈ উঠি
গ'ল গৈ। জাহাজখনে ফুক দি দি যাবলৈ আৰম্ভ কৰিলে।

ললিতাক প্রথম শ্রেণীৰ 'ডেক্'ৰ চকীত বহুৱাই বিনয় তেওঁ চাই নীৰৱে কিবা গোধোঁ গোধোঁ যেন কৰি চাই ৰ'ল।

ললিতাই ক'লে,—"মই কলিকতালৈ যাম—কোনোবাকৈয়ে থাকিব নোৱাৰিলোঁ।"

বিনয়ে সুধিলে,—"আৰু বাকীবোৰ ?"

ললিতাই ক'লে,—"এতিয়ালৈকে কোনেও নেজানে। মই লিখি থৈ আহিছোঁ। পঢ়িলেহে জানিব পাৰিব।"

ললিতাৰ এই মৰমাহ দেখি বিনয় স্তম্ভিত হৈ গ'ল। সি সৈতে কৰলৈ ধৰিলে,—"কিন্তু—"

ললিতাই লৰালৰিকৈ বাধা দি ক'লে,—"জাহাজ এৰিলেই আৰু 'কিন্তু' বুলিলে কি হব? তিৰোতা ছোৱালী হৈ জন্ম লৈছোঁ যে সকলো কথা নীৰৱে সহিব লাগিব, সেইটো মই নেমানো। বাবেও তো ন্যায়-অন্যায়, সম্ভৱ-অসম্ভৱ আছে। আজিৰ নিচিনা অভিনয় কৰাতকৈ আত্মহত্যা কৰাটোৱেই মোৰ বাবে উজু হলহেঁতেন। যি হওঁক, যি হবলগীয়া আছিল সিয়েই ঘটিল বুলি বিনয়ে বুজিলে। এতিয়া ভাল হ'ল নে বেয়া হ'ল—এইবোৰ কথা ভাবি-গুণি দিয়াৰ এতেক লাভ নাই।

অলপ পৰ মনে মনে থাকি ললিতাই ক'লে,—"চাওক, বন্ধু গৌৰমোহনৰ প্ৰতি পেটে পেটে মই বৰ অবিচাৰ কৰিছিলোঁ। জানো কৰ নোৱাৰোঁ। তেখেতক প্ৰথম দিনা দেখিয়েই আৰু কথা-বতৰাৰোৰ শুনি আগৰেপৰা মোৰ মনটো। তেখেতৰ প্ৰতি গৈছিল। তেখেতে কথাবোৰ বৰ বেচি ন দি কোৱা দেখি, আৰু লোক সকলোৱে তেখেতৰ সকলো কথাকে মনা দেখি মোৰ বৰ মোৰ স্বভাৱটোৱেই এনেকুৱা। কোনোবাই কথা বা ব্যৱহাৰত দেখুৱালে মই একেবাৰে সহিব নোৱাৰোঁ। কিন্তু গৌৰমোহন পৰৰ ওপৰতে বল নেদেখুৱায়, নিজৰ ওপৰতো বল খটুৱায়— হ'ল প্ৰকৃত বল। এনেকুৱা মানুহ মই আৰু আগতে কেতিয়াও নাই।"

এইদৰে ললিতাই বকি যাবলৈ ধৰিলে। মাথোন গোৰাৰ অনুতাপ আছে বুলিয়েই যে তাই এইবোৰ কথা কৈছে, সেইটো আচলতে ঘপ্ কৰে কৰি পেলোৱা কামটোৰ বাবে তাইৰ সন্দেহ খুজিছিল, কামটো বোধকৰোঁ ভাল নহ'ল—এইটো সন্দেহে

খুন্দুৱাবলৈ ধৰিলে। বিনয়ৰ সমুখত এইদৰে অবলে বহি থকাটো যে কিমান ডাঙৰ এটা কুণ্ঠাৰ কথা, এইটো আগতে তাই ভাবিবই পৰা নাছিল। কিন্তু তাইৰ লাজ লগা বুলি বিনয়ে কেনেবাকৈ গম পালে কথাটো যে আৰু বেচি লাঙৰ কথা হে হব, ইয়াকে ভাবি তাই পাৰেমানে বহি যাবলৈ ধৰিলে। বিনয়ে ভালকৈ কথা কৰই পৰা নাছিল। এফালে গোৰাৰ দুখ আৰু অপমান, আনফালে সি ইয়ালৈ ৰৱচাহাবৰ ঘৰত স্ফুৰ্ত্তি কৰিবলৈ যোৱাৰ বাবে লাজ, তাৰোপৰি ললিতাৰ বাবে হঠাতে হোৱা তাৰ এই অৱস্থা-সঙ্কট,—এই আটাইবোৰে একেলগে জুমুৰি দি ধৰি তাক একেবাৰে বোবা কৰি পেলাইছিল।

আগতে হোৱা হলে ললিতাৰ এই মৰমাহ দেখি বিনয়ৰ খঙহে উঠিল-হেঁতেন। আজি কিন্তু তেনেকুৱা নহল। আন কি সি আচৰিত হৈছিল যদিও লগে লগে ললিতাৰ প্ৰতি তাৰ শ্ৰদ্ধাও উপজিছিল। তাৰোপৰি ইয়াত আৰু এটা সুখৰ কথা আছিল—সিহঁতৰ গোটেইটো দলৰ মাজত একমাত্ৰ বিনয় আৰু ললিতাই গোৰাৰ অপমানৰ সামান্য প্ৰতিকাৰৰ চেষ্টা কৰিছে। ইয়াৰ বাবে অৱশ্যে বিনয়ে বিশেষ একো কষ্ট খাবলগীয়া নহল, কিন্তু নিজৰ কৰ্ম্মফল স্বৰূপে ললিতাৰ হলে যথেষ্ট লাঞ্ছি-ঘাটি হব; অথচ এইজনী ললিতাকে বিনয়ে সদায় গোৰাৰ বিৰুদ্ধে থকা বুলি ভাবি আহিছিল। সি যিমানেই ভাবিবলৈ ধৰিলে সিমানেই ললিতাৰ এই আগ-ওৰি নভৱা মৰমাহ দেখি আৰু অন্যায়ৰ প্ৰতি তাইৰ ঘিণ দেখি তাইৰ প্ৰতি তাৰ শ্ৰদ্ধা উপজিবলৈ ধৰিলে। কেনেকৈ আৰু কি বুলি নো এই শ্ৰদ্ধাখিনি প্ৰকাশ কৰিব, সেইটো সি অৱশ্যে ভাবি উলিয়াব নোৱাৰিলে। বিনয়ে বাবে বাবে ভাবিবলৈ ধৰিলে, ললিতাই তাক ইমান পৰমুখাপেক্ষী আৰু সাহ নোহোৱা বুলি ঘিণ কৰাটো ঠিকেই হৈছে। সি তো আটাইবোৰ মিতিৰ-কুটুমৰ নিন্দা-প্ৰশংসা একেবাৰে ৰাতিকৈ থৈ এইদৰে কোনো সময়তে সৎ সাহসেৰে—নিজৰ মত প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। সি নহলৰ গোৰাই দুখ পাব বুলি ভয়তে নাইবা গোৰাই তাক বল নোহোৱা বুলি ভাবি পাবে বুলি ভাবি নিজৰ স্বভাৱ মতে চলা নাই। বহু সময়ত সূক্ষ্ম মুক্তি-জাল বহলাই গোৰাৰ মতকে নিজৰ মত বুলি নিজকে ফুচুলাবলৈ চেষ্টা কৰিছে। আজি সেইবোৰকে মনে মনে মানি লৈ ললিতাৰ স্বাধীন-চিতীয়া মনটো তাৰ মনতকৈ বহুতো শ্ৰেষ্ঠ বুলি সি থিৰাং কৰিলে। ললিতাক আগতে বহুবাৰ পেটে পেটে নিন্দা কৰাৰ কথা ভাবি এতিয়া তাৰ ৰৱ লাজ লাগিল। আন কি ললিতাৰ ওচৰত তাৰ ক্ষমা খুজিবলৈকো মন

গ'ল—কিন্তু কমা নো খোজে কি বুলি? ললিতাৰ কমনীয় ৰ
নিজ অন্তৰৰ তেজেৰে ৰাঙলী হৈ বিনয়ৰ চকুৰ আগত এনে
দীপ্তিমান হৈ দেখা দিলে যে নাৰীৰ এই অপূৰ্ব্ব পৰিচয়
নিজৰ জীৱনটোকে সাৰ্থক হোৱা বুলি ভাবিলে। সি নিজ
অহঙ্কাৰ, সকলো ক্ষুদ্রতাক এই মাধুৰীসনা শক্তিৰ আগত আজি
বিসৰ্জ্জন দিলে।

৩০

ললিতাক লগত লৈ বিনয় আহি পৰেশ ভট্টৰ ঘৰ পালেহি
ললিতাৰ প্রতি তাৰ নো মনৰ ভাব কেনেকুৱা, জাহাজত
লৈকে সেইটো। বিনয়ে নিজেই ভালকৈ বুজি পোৱা নাছিল।
প্রতি থকা বিৰোধেই তাৰ গোটেই মনটো। আগুৰি থৈছিল।
এই বশ নমনা ছোৱালীজনীৰ লগত সন্ধি স্থাপন কৰিব পাৰি
দিনৰপৰা এইটোৱেই তাৰ দৈনিক চিন্তাৰ বিষয় হৈছিল।
জীৱনত নাৰী-মাধুৰীৰ নিৰ্ম্মল পোহৰৰ গৈতে সুচৰিতায়েই পো
প্রথম তৰাটিৰ দৰে উদয় হৈছিল। এই উদয়ৰ অপৰূপ
প্রকৃতিক পৰিপূৰ্ণতা দান কৰিছে বুলিয়েই সি পেটে পেটে
কিন্তু ইতিমধ্যেই যে আৰু তৰা উঠিছে—আৰু আকাশত
পাতনি মেলি দি প্রথম তৰাটি নো কোতিয়া ধীৰে ধীৰে দিগন্তৰ
যাব ধৰিছে—বিনয়ে সেইটো ভালকৈ বুজিবই পৰা নাছিল।

বিদ্রোহিনী ললিতা যিদিনা জাহাজত আহি উঠিলহি সেইদি
ভাবিলে, ললিতা আৰু মই একেলগে যেন গোটেই সংসাৰখন
থিয় দিছোঁ। এই ঘটনাটোত ললিতাই আন সকলোকে এৰি
আহি যে থিয় দিছেহি—এই কথাটো সি কোনোমতেই পাহৰিব
যি কোনো কাৰণেই হওক বা যি কোনো উপলক্ষ কৰিয়েই হওক
মনত বিনয় আজি আৰু আন বহুতৰ মাজৰ এজন নহয়—
গিয়েই অকলে আছে, গিয়েই একমাত্র আছে; সকলো
দূৰত আছে, গিয়েই মাজোন একমাত্র অকলে কাষত আছে।
থকাৰ আনন্দৰ হেন্দোলনিয়ে বিজুলিয়াই থকা মেঘৰ দৰে

চিকমিকাই উঠিবলৈ ধৰিলে। প্রথম শ্রেণীৰ কেবিনত ললিতা শুবলৈ গ'ল।
কিন্তু বিনয়ে হ'লে নিজৰ ঠাইলৈ গৈ শুব নোৱাৰিলে। ভৰিৰ জোতা-
জোৰ খুলি সেই কেবিনটোৰ বাহিৰৰ ডেকত সি নিঃশব্দে ঘুৰি ফুৰিবলৈ
ধৰিলে। জাহাজত ললিতাৰ প্রতি কিবা উৎপাত হোৱাৰ মুঠেই কোনো
আশঙ্কাই নাছিল। কিন্তু বিনয়ে তাৰ হঠাতে নতুনকৈ পোৱা অধিকাৰটোক
পুৰাকৈ ভোগ কৰাৰ লোভত প্রয়োজন নোহোৱা সত্বেও ওৰে ৰাতিটো
কষ্ট নকৰাকৈ থাকিব নোৱাৰিলে।

গভীৰ এন্ধাৰ নিশা, নীলিম আকাশত তৰাই দীপালি পাতিছে।
পাৰৰ গছ-গছনিবোৰে গহীন-আকাশৰ ক'লা এটা ভেটিৰ দৰে স্তব্ধ হৈ
থিয় হৈ আছে। তলত বহল নদীৰ প্রবল সোঁত নীৰৰে বৈ গৈ আছে।
জাহাজৰ মাজত ললিতা নিদ্রাত মগ্ন। আন একো নহয়, এই সুন্দৰ, এই
বিশ্বাসপূর্ণ টোপনিখিনিকে ললিতাই আজি বিনয়ৰ হাতত গতাই দিছে।
এই টোপনিকণকে আজি বিনয়ে মহামূল্য ৰত্ন এটিৰ দৰে ৰক্ষা কৰিবলৈ
তাৰ লৈছে। মাক-বাপেক, ভাই-ভনী কোনোৱেই কাষত নাই, এখন
চিনাকি বিছনাৰ ওপৰত ললিতাই তাইৰ ধুনীয়া দেহাটি থৈ নিশ্চিন্ত
মনেৰে টোপনি গৈছে—উশাহ-নিশাহেও যেন এই নিদ্রা কাব্যখনিৰ ছন্দ
বুখি জুখি অতি শান্ত ভাৱেৰে অহা-যোৱা কৰি আছে। সেই নিখুঁত
পাটীৰ এডালি চুলিও আউল-বাউল হোৱা নাই, সেই নাৰী-হৃদয়ৰ কল্যাণ-
মলতাৰে ভূষিত হাত দুখনিয়েও সম্পূর্ণ জিৰণি লৈ বিছনাৰ ওপৰত
আছে, ফুলৰ দৰে কোমল ভৰি দুখনিয়েও নাৰীৰ ৰমণীয় গতিক
শেষ সঙ্গীতৰ দৰে স্তব্ধ কৰি বিছনাৰ ওপৰতে পৰি আছে—
পূর্ণ জিৰণিৰ এই ছবিখনিয়ে বিনয়ৰ কল্পনাকো পৰিপূর্ণ কৰি তুলিলে।
মুকুৰ পেটত মুকুতাৰ দৰে, গ্রহ-তৰাৰে ভৰা নীৰৱ এন্ধাৰে আৱৰা এই
কাশমণ্ডলৰ মাজত ললিতাৰ এই টোপনিখিনিক, এই কোমল সুন্দৰ
পূর্ণ জিৰণিকণকে বিনয়ৰ আজি জগতৰ একমাত্র সম্পদ যেন লাগিল।
ই সাৰে আছোঁ, মই সাৰে আছোঁ''—এই কথাষাৰ বিনয়ৰ বহল বুকুৰ
াত মহাপুৰুষৰ নীৰৱ বাণীৰ লগত মিলিল গৈ।

এই কৃষ্ণপক্ষৰ নিশাত আৰু এটি কথাই বাৰে বাৰে বিনয়ক আঘাত
ছিলহি। আজি ৰাতি গোৰা ফাটেকত আছে। আজিলৈকে বিনয়ে
াৰ সকলো সুখ-দুখেৰে ভাগ লৈ আহিছে, এইবাৰেই প্রথম তাৰ অন্যথা

ঘটিল। গোৱাৰ দৰে মানুহৰ বাবে জেলৰ শাসন একোৱেই নহয় বিনয়ে জানিছিল। কিন্তু প্ৰথমৰপৰা শেষলৈকে এই ঘটনাটোত লগত গোৱাৰ একো যোগ নাছিল। গোৱাৰ জীৱনৰ এনে ঘটনাৰ লগত বিনয়ৰ একোৱেই সম্বন্ধ নথকা এইবাৰেই প্ৰথম। জীৱনৰ সোঁতে এই যে এঠাইত আহি বিভিন্ন হ'লহি—আকৌ কেনেবাকৈ একেলগে মিলি গ'লেও জানো এই বিচ্ছেদৰ উৎস হ'ব? বন্ধুত্বৰ সম্পূৰ্ণতা জানো এইবাৰ ভাঙি পৰা নাই? এটি নভঙা নিছিগা আপুৰুগীয়া বন্ধুত্ব! আজি একে বাতিত তাৰ জীৱনৰ এফালৰ উৰুঙা আৰু আনফালৰ পূৰ্ণতাক একেলগ কৰি জীৱনৰ ভঙা-গঢ়াক দোমোজাত নিটাল মাৰি নিশাৰ এ ফালে চাই থাকিল।

গোৱা দেশ ফুৰিবলৈ ওলাওঁতে বিনয়ে দৈৱক্ৰমে তাৰ লগত নোৱাৰিলে, নাইবা গোৱা ফাটেকত থাকিবলগীয়া হওঁতেও সেই কাৰণেই আজি অতদিনৰ পিচত এই বাহিৰা এৰা-এৰিও এনেকুৱাই হোৱা হলে সিহঁতৰ বন্ধুত্বত কেণা নেলাগিলহেঁতেন গোৱা ভ্ৰমণলৈ ওলোৱাটো আৰু বিনয়ে অভিনয় কৰাটো কোনো স্মিক ঘটনা নহয়। বিনয়ৰ গোটেই জীৱনৰ ধাৰাই আজি এ পথেদি আগবাঢ়িছে যি পথ সিহঁতৰ পূৰ্ব্ব বন্ধুত্বৰ পথ নহয়। সেই কাৰণেই আজি অতদিনৰ পিচত এই বাহিৰা এৰা-এৰিও হৈছে। কিন্তু আজি আৰু একো উপায় নাই—সত্যক আৰু কৰিব নোৱাৰি, গোৱাৰ লগত একেটা বাটেদি একমনে আগবাঢ়ি বিনয়ৰ পক্ষে আজি আৰু সত্য নহয়। কিন্তু গোৱা বিনয়ৰ ভাল পোৱাই এই পথ ভেদৰ ফলত শেষ হৈ যাব নেকি? সংশয়াত বিনয়ৰ হৃদয় কঁপি উঠিল। সি জানিছিল যে গোৱাই বন্ধুত্বক, সকলো কৰ্ত্তব্যক একেটা লক্ষ্য পথৰ পিনেই নটনাটোৱে নোৱাৰে। প্ৰচণ্ড গোৱা! প্ৰবল তাৰ ইচ্ছা! জীৱনৰ সকলো দ্বাৰাই সি তাৰ সেই একেটা ইচ্ছাকে মহীয়সী কৰি সি জয়যাত্ৰা আগুৱাব—বিধাতাই গোৱাৰ প্ৰকৃতিত সেই বাজমিহিমা অৰ্পণ কৰি

ঘোঁৱা গাড়ীখন আহি পৰেশ ভট্টৰ ঘৰৰ সমুখত ৰ'লহি। নামোতে ললিতাৰ যে ভৰি দুখন কঁপিল আৰু ঘৰৰ ভিতৰলৈ তাই যে কোনোমতেহে নিজক অলপ চম্ভালি ল'লে, সেইটো ফটীয়াকৈ বুজি পালে। ললিতাই খণ্ডৰ ভমকতে কৰি পেলোৱা

লপৰাধৰ ওজন যে কিমান হ'ব পাৰে সেইটো তাই নিজেই আন্দাজ কৰিব পৰা নাছিল। যাক গালি পৰা বুলি ক'ব পাৰি ঠিক তেনে কোনো কথা পৰেশ ভট্টই নক'ব—এইটো ললিতাই জানিছিল—আৰু সেই কাৰণেই পৰেশ ভট্টই নমতা নোৱোলাটোলৈহে তাই আটাইতকৈ বেচি ভয় কৰি-ছিল।

ললিতাৰ এনেকুৱা সঙ্কোচৰ ভাব লক্ষ্য কৰি বিনয়ে এই ক্ষেত্ৰত তাৰ নো কি কৰ্ত্তব্য বুজিব নোৱাৰিলে। সি লগত থাকিলে ললিতাৰ সঙ্কোচ বাঢ়িব নে কমিব তাকে পৰীক্ষা কৰিবলৈ সি সোধোঁ-নোসোধোঁকৈ ক'লে,—"নই এতিয়া যাওঁ নেকি?"

ললিতাই লৰালৰিকৈ ক'লে,—"ওঁহো, আগতে দেউতাৰ ওচৰলৈ চলক।"

ললিতাৰ এই ব্যগ্ৰ অনুৰোধ দেখি বিনয়ৰ পেটে পেটে বৰ ভাল লাগিল। ঘৰ পোৱাৰ পিচতো যে তাৰ কৰ্ত্তব্য শেষ হৈ যোৱা নাই, এই আকস্মিক ঘটনাটোত ললিতাৰ লগত তাৰ জীৱন যে এটা বিশেষ ভাবে বান্ধ খাই গ'ল—তাকে ভাবি বিনয়ে ললিতাৰ কাষত যেন অলপ বিশেষ জোৰেৰে সৈতেই থিয় হ'ল। তাৰ ওপৰত ললিতাৰ এই নিৰ্ভৰ-শীলতা কিবা এটি স্পৰ্শৰ দৰেই তাৰ গোটেই শৰীৰত বিজুলী খেলি গ'ল। ললিতাৰ লগৰ এই সম্বন্ধই তাৰ পুৰুষ অন্তৰ ওপচাই পেলালে। সি পেটে পেটে ভাবিলে, ভট্ট ডাঙৰীয়াই হয়তো ললিতাৰ এই অসামাজিক বিবাহ দেখি খং কৰিব, ললিতাক বকিব, তেতিয়া বিনয়ে যিমানদূৰ সকলো দায়িত্ব নিজে গাত পাতি ল'ব—অসঙ্কোচেৰে বকনিৰ ভাগ খাব, বৰ্ম্মৰ দৰে ললিতাৰ সকলো আঘাতৰপৰা ৰক্ষা কৰিবলৈ যত্ন কৰিব।

কিন্তু বিনয়ে ললিতাৰ মনৰ ভাবটো আচলকৈ বুজিব পৰা নাছিল। তাই নিজক যে বাপেকৰ গালিৰপৰা সৰুৱাবলৈহে বিনয়ক লগত ৰাখিব খুজিছিল, সেইটো নহয়। আচল কথা, ললিতাই কোনো কথাকে লুকু-ৱাই নোৱাৰে। তাই যিবোৰ কাম কৰিছে সেই আটাইবোৰ দেউতাকে চকুৰে দেখক, আৰু বিচাৰৰ ফলাফল গোটেইখিনি ললিতাই নিজেই ভোগ কৰিব—সেইটোৱেই তাইৰ মনৰ ভাব আছিল।

আজি পুৱাৰেপৰা বিনয়ৰ ওপৰত ললিতাৰ পেটে পেটে খং উঠি আছিল। খংটো যেন একেবাৰে অসঙ্গত সেইটো তাই ভালকৈয়ে বুজি-ছিল, কিন্তু অসঙ্গত কাৰণেই খংটো নকমি বৰং বাঢ়িছিলহে।

জাহাজত থাকোঁতে ললিতাৰ মনৰ ভাব আন ধৰণৰ আছিল। পৰা তাই হয় খং কৰি, নহয় জেদ ধৰি এটা নহয় এটা অভাৰ্ঘটাই আহিছে—কিন্তু এইবাৰৰ ঘটনাটো হ'ল গুৰুতৰ। এই ঘটনাটোত বিনয়ো তাইৰ লগত সাঙোৰ খাই পৰাত এফালে তাইৰ ৰৰ সঙ্কোচ হৈছিল আনফালে তাইৰ তেনেকৈ মনটো ৰৰ তাত ছিল। এই আনন্দ যেন নিষেধৰ সংঘাতৰপৰাই আৰু বেছি হৈ উঠিছিল। কোনো সম্পৰ্ক নোহোৱা মানুহ এজনৰ ওপৰত এইদৰে নিৰ্ভৰ কৰিছে, তাৰ ইমান কাষলৈ আহিছে, সিহঁত আত্মীয় সমাজৰ কোনো আঁৰ-বেৰ নাই, ইয়াত যে কুণ্ঠাৰ কাৰণ কিন্তু বিনয়ৰ স্বাভাৱিক ভদ্ৰতাই সংযমৰে সৈতে গোটেই ঘটনাটোক ঢাকি ৰাখিছিল যে সেই আশঙ্কাজনক অৱস্থাৰ মাজত বিনয় শ্লীলতাৰ চিনাকিয়ে ললিতাক অপূৰ্ব্ব আনন্দ দিছিল। যি বিনয় তৰ ঘৰৰ সকলোৰে লগত হাঁহি ধেমালি কৰিছিল, যাৰ কথাৰ ঘৰৰ চাকৰ-বাকৰবোৰৰ লগতো যাৰ অন্তৰঙ্গতা আছিল, এয়া নহয়। সতর্কতাৰ চল লৈ যত সি অনায়াসেই ললিতাৰ গা ঘুঁহাৰ হেঁতেন তাত বিনয়ে এনেকুৱা দূৰত্ব ৰক্ষা কৰি চলিছিল যে অন্তৰৰ মাজত তাক নিচেই কাষত অনুভৱ কৰিছিল। কেবিনত নানান চিন্তাত তাইৰ ভালকৈ টোপনি অহা নাছিল। বাতিটো ধৰ্‌কবাই থাকি এবাৰ তাই দেখে যে বাতি পুৰাই লাহে লাহে কেবিনৰ দুৱাৰ মেলি বাহিৰলৈ ওলাই আহি দেখিলে নিশাৰ কুঁৱলীৰে তিতি থকা এন্ধাৰবোৰে তেতিয়াও নদীৰ ওপৰত আকাশ আৰু পাৰৰ বননিবোৰক আৱৰি আছে—এইমাত্ৰ বতাহে নৈৰ পানীবোৰ কঁপাই দিছেহি, আৰু তল তলাৰপৰা বোৰে সিহঁতৰ কাম আৰম্ভ কৰিবলৈ যা-যোগাৰ কৰাৰ আভাস পোৱা কেবিনৰ বাহিৰলৈ ওলাই আহিয়েই ললিতাই দেখে যে ওচৰতে এখন গৰম কাপোৰ গাত লৈ বেতৰ চকী এখনতে টোপনিত হৈ পৰি আছে। দেখিয়েই ললিতাৰ অন্তৰ কঁপি উঠিল। বাতিটো বিনয়ে ইয়াতে বহি পহৰা দিছে। ইমান ওচৰত, ইমান দূৰত! তাইৰ ভৰি দুখন কঁপি উঠিল; লৰালৰিকৈ পৰা তৎক্ষণাত কেবিনলৈ সোমাই আহিল। দুৱাৰ মুখত থিয় হেমন্তৰ পুৱতি-নিশা, সেই এন্ধাৰে আৱৰা অচিনাকি নদীৰ দূৰ অকলে শুই থকা বিনয়লৈ তাই থৰ লাগি চাই থাকিল।

প্ৰান্তৰ তৰাবোৰেও যেন বিনয়ৰ টোপনিক সাৱটি লৈ তাইৰ চকুৰ আগত ভাঁহি উঠিল। এটি অনিৰ্বচনীয় গাম্ভীৰ্য্য আৰু মাধুৰ্য্যৰে তাইৰ অন্তৰ একেবাৰে উপচি পৰিল। চাওঁতে চাওঁতেই কিয় যে ললিতাৰ চকুযুৰিত চকুলো ভৰি পৰিল, তাই নিজেই বুজিব নোৱাৰিলে। দেউতাকৰপৰা তাই যি দেৱতাৰ উপাসনা কৰিবলৈ শিকিছিল সেই দেৱতায়ো যেন সোঁ হাতেৰে আজি তাইক স্পৰ্শ কৰিলে। নদীৰ সিপাৰৰ গছ লতাই ঢকা দিগন্তিত পাৰত ৰাতিৰ আন্ধাৰৰ লগত পুৱাৰ নতুন পোহৰৰ লগত যেতিয়া মিলন হ'ল, ঠিক তেতিয়াই সেই পৰিত্ৰ সন্ধিক্ষণত পূৰ্ণ নক্ষত্ৰ সভাত কিবা এটি স্বৰ্গীয় সুৰ মহাবীণাত যেন দুঃসহ আনন্দ বেদনাৰ দৰে বাজি উঠিল। এনেতে টোপনিতে বিনয়ে হাতখন অকণমান লৰচৰ কৰা দেখি ললিতাই লৰালৰিকৈ কেবিনৰ দুৱাৰখন জপাই দি আহি বিছনাত শুই থাকিলহি। তাইৰ হাত-ভৰি চেঁচা পৰি গ'ল, বহু পৰলৈকে তাইৰ বুকুৰ চপ্‌চপনি নুগুচিল।

এন্ধাৰ আঁতৰি গ'ল। জাহাজখনো চলিবলৈ আৰম্ভ কৰিলে। ললিতাই হাত-মুখ ধুই বাহিৰলৈ ওলাই আহি বেলিঙত ধৰি থিয় হ'লহি। বিনয়েও আগতেই জাহাজৰ ফুক শুনি সাৰ পাই হাত-মুখ ধুই পুৱাৰ প্ৰথম কুকুৰৰ বাঙলী বোল চাবলৈ পূব ফালে থিয় দিছিলহি। ললিতা ওলাই অহা দেখি সি অলপ অপ্ৰস্তুত হৈ গুচি যাৰ খোজোঁতেই ললিতাই মাত দিলে,—"চেটার্জ্জীদেউ!"

বিনয় কাষলৈ অহাত ললিতাই সুধিলে,—"আপোনাৰ ৰাতি ভালকৈ টোপনি আহিছিল নে?"

বিনয়ে উত্তৰ দিলে—"হয় আহিছিল।"

ইয়াৰ পিচত দুয়োৰে মাজত আৰু একো কথা নোলাল। নিয়ৰে কঁহুৱা বনৰ সিপাৰে উঠি অহা সূৰুযৰ সোণালী আভা উজ্জ্বল হৈ উঠিছিল। ইহঁত দুয়োৰে জীৱনলৈ এনে এটি ৰাতিপুৱা আগতে কেতিয়াও অহা নাছিল। পোহৰে কেতিয়াও সিহঁতক আজিৰ দৰে পৰশি যোৱা নাছিল—আকাশ যে শূন্য নহয়, আকাশখন যে বিস্ময় নীৰৱ আনন্দেৰে সৃষ্টিৰ ফালে অনিমেষে চাই আছে, সেই কথা ইহঁতে আজিহে প্ৰথম গম পালে। দুয়োৰে চেতনাই আজি এনেদৰে সাৰ পাই উঠিছিল যে গোটেই জাহাজৰ অন্তর্নিহিত চৈতন্যৰ লগত আজি যেন সিহঁতৰ একেবাৰে গাৱে গাৱে ঠেকাঠেকি লাগি গ'ল। কোনোজনেই একো কথাকে নকলে। জাহাজ আহি কলিকতা পালেহি। বিনয় ঘাটলৈ আহি এখন গাড়ী

কেৰেয়া কৰি ললিতাক ভিতৰত বহুৱাই নিজে গাৰোৱানৰ
বহিল গৈ। এই দিনৰ পোহৰত কলিকতাৰ আলিবাটেদি গাড়ী
যাওঁতে ললিতাৰ মনত যে কিয় ওলোটা বায়ু ববলৈ ধৰিলে সেইটো
ক'ব নোৱাৰে। এই বিপদৰ সময়ত বিনয় যে জাহাজত
ললিতা যে বিনয়ৰ লগত এইদৰে সাঙোৰ খাই পৰিল, বিনয়ে
ভাৰকৰ দৰে তাইক গাড়ীৰে ঘৰলৈ লৈ যাবলৈ ধৰিছে, এই
তাইক বিন্ধিবলৈ ধৰিলে। ঘটনাক্ৰমে বিনয়ে তাইৰ ওপৰত
অধিকাৰ লাভ কৰাটো তাইৰ অসহ্য লাগিল। কিয় বাৰু এনে
নিশাৰ সেই সুমধুৰ সঙ্গীত দিনৰ কৰ্ম্মক্ষেত্ৰৰ সমুখলৈ আহি
এইদৰে কঠুৰা সুৰেৰে থমকি ৰ'ল ?

সেই কাৰণেই দুৱাৰমুখলৈ আহি বিনয়ে যেতিয়া সঙ্কোচে
সুধিলেহি,—"মই এতিয়া যাওঁগৈ নে কি ?"—ললিতাৰ
পালে গৈ। তাই পেটে পেটে ভাবিলে বিনয়ে ভাবিছে যে
লৈ দেউতাৰ আগলৈ যাবলৈ মই কুণ্ঠিত হৈছোঁ। এই
মনত যে লেশমানো সঙ্কোচ নাই—এই কথাকে বলেৰে
ৰৰ বাৰে আৰু দেউতাকৰ আগত গোটেই ঘটনাটো
কাৰণেই তাই অপৰাধীৰ দৰে বিনয়ক দুৱাৰমুখৰপৰা
বিনয়ৰ লগত তাইৰ সম্বন্ধটো তাই আকৌ আগৰ দৰে
পেলাৰ খুজিলে। মাজত সঙ্কোচ বা মোহৰ ঢাকনি দি
বিনয়ৰ কামত তল কৰিবলৈ ইচ্ছা নকৰিলে।

৩১

বিনয় আৰু ললিতাক দেখা মাত্ৰকে সতীশ কৰবাৰপৰা
সিহঁত দুয়োৰে মাজত থিয় হৈ দুয়োৰে হাতত ধৰি সুধিলে,
বাইদেউ নাহিল নে কি ?"

বিনয়ে জেপত হাত ভৰাই বিচাৰি চাবিওফালে চাই ক'লে,
বাইদেউ ? অ', সৰ্ব্বনাশ হ'ল ! তাকে তো ? কলৈ
অ' হেৰাই গ'ল কৰবাত !"

সতীশে বিনয়ক ঠেলা মাৰি দি ক'লে,—"ইস্ কেতিয়া
ললিতা বাইদেউ কোৱা আৰু !"

ললিতাই ক'লে,—"ডাঙৰ বাইদেউ কাইলৈ আহিব।"

এই বুলি তাই ভট ডাঙৰীয়াৰ কোঠাৰ ফাললৈ যাবলৈ ধৰিলে।

সতীশে বিনয় আৰু ললিতাক হাতত ধৰি টানি নি ক'লে,—"আমাৰ ঘৰলৈ কোন আহিছে চাবা ব'লা।"

ললিতাই নিজৰ হাতখন টানমাৰি আনি ক'লে,—"যোন আহিছে আহক, মোক এতিয়া দিগ নিদিবি। মই এতিয়া দেউতাৰ কাষলৈ যাওঁ।"

সতীশে ক'লে,—"দেউতা কৰবালৈ ওলাই গৈছে। উভতি আহোঁতে তেখেতৰ অলপ বেলি হব।"

কথাষাৰ শুনি বিনয় আৰু ললিতা দুয়ো অলপ পৰৰ বাবে ভালকে পালে। ললিতাই সুধিলে,—"কোন নো আহিছে অ' ?"

সতীশে ক'লে,—"ওঁহো, নকওঁ। বাৰু বিনয় ককাইদেউ! আপুনি কওকচোন কোন আহিছে ? আপুনি কেতিয়াও ক'ব নোৱাৰে। কেতিয়াও নোৱাৰে, কেতিয়াও নোৱাৰে।"

বিনয়ে কিছুমান নোহোৱা নোপোজা আৰু অসঙ্গত নামবোৰ কবলৈ ধৰিলে। এবাৰ ক'লে নবাব চিৰাজউদ্দৌলা। এবাৰ ক'লে ৰজা নবকৃষ্ণ। এবাৰ নন্দকুমাৰৰ নামো ক'লে। এনেকুৱা আলহী অহাটো যে একেবাৰে নোহোৱা নোপোজা কথা সতীশে তাকেই পদে প্ৰমাণে দেখুৱাবলৈ চিঞৰি চিঞৰি প্ৰতিবাদ কৰিবলৈ ধৰিলে। অৱশেষত হাৰ মানি বিনয়ে লাহেকৈ ক'লে, "ওঁ, সেইটো অৱশ্যে সঁচা কথা, চিৰাজউদ্দৌলাৰ যে এইখন ঘৰলৈ অহাত কিছুমান ৰৰ ডাঙৰ অসুবিধা আছে, সেইটো মই ভবাই নাছিলোঁ। বাৰু, যিয়েই নহওক, তোমাৰ বাইদেৱেৰাই বাৰু আগেয়ে চাওকগৈ, তাৰ পিচত দৰ্কাৰ হ'লে মোক মাতিলেই যাম।"

সতীশে ক'লে—"ওহো এতিয়াই আপোনালোক দুয়ো ব'লক।"

ললিতাই সুধিলে,—"কোনটো কোঠালৈ যাব লাগিব অ' ?"

সতীশে ক'লে,—"তিনি মহলাৰ কোঠালৈ।"

তিনি মহলাৰ ছাতৰ এচুকত এটা সৰু কোঠা আছিল। সেই কোঠাৰ দক্ষিণে ৰ'দ ৰৰষুণ বখাবলৈ এখন এচলীয়া টাইলৰ চালি দিয়া হৈছিল সতীশৰ পিচে পিচে সিহঁত দুয়ো তালৈ গৈ দেখে যে এখন সৰু আসন পাতি সেই চালিখনৰ তলত এগৰাকী বুঢ়ী মানুহে চকুত বিতচকু লৈ কৃত্তিবাসৰ ৰামায়ণ পঢ়ি আছে। তেখেতৰ বিতচকুৰ এফালৰ ভঙা ফ্ৰেমডালত এডাল সূতা বন্ধা আছিল আৰু সেই সূতাডাল তেখেতে কাণত মেৰিয়াই লৈছিল। বয়স প্ৰায় দুকুৰি পাঁচ মানৰ ওচৰা-উচৰি। কপালৰ আগৰ

চুলি প্রায় নায়েই, কিন্তু বগা মুখখন এতিয়াও পকা থেকেবাৰ
আছে। চেলাউবিযোবৰ মাজত এটা দাগ—গাত অনকা
একো নাই, বিধবাৰ সাজ। প্রথমে ললিতালৈ চকু পৰোঁতে
লৰালবিকৈ বিতচকুযোৰ খুলি, পুথিখন থৈ, বিশেষ এটা আদৰ
মুখলৈ চালে। পিচ মুহূর্ত্তত তাইৰ পিচতে বিনয়ক দেখি
থিয় হৈ মূৰলৈ ওৰণিখন টানি ল'লে আৰু ভিতৰলৈ যাব খুজিল
দৌৰি গৈ তেখেতক সাৰটি ধৰি ক'লে,—"মাহীদেউ, পলাব খুজিছা
এইয়া মোৰ ললিতা বাইদেউ, আৰু এইয়া বিনয় ককাইদেউ
বাইদেউ কাইলৈহে আহিব।"

বিনয় ককাইদেউৰ এই নিচেই চমুকৈ দিয়া চিনাকিয়েই
ইতিপূৰ্ব্বেই বিনয় ককাইদেউৰ সম্বন্ধে যে যথেষ্ট আলোচনা
তাত আৰু একো সন্দেহ নাই। পৃথিৰীত সতীশৰ
কেইটা কথা থুপ খায়, সুবিধা পালেই সতীশে সেই আটাইবোৰ
একেলগে উজাৰ কৰি দিয়ে।

এইখন ঘৰত মাহীদেউ বুলিলে নো কাক বুজায়, সেইটো
নোৱাৰি ললিতা অবাক হৈ থিয় হৈ থাকিল। বিনয়ে বুঢ়ী গৰখীয়
এটা কৰি তেখেতৰ ভৰিৰ ধূলা মূৰত লোৱা দেখি ললিতাৰে
কৰিলে। মাহীদেৱে লৰালবিকৈ কোঠাৰপৰা এখন আসন আনি
পাৰি দি ক'লে,—"বোপা বহাঁ, তুমিও বহাঁ আই!

বিনয় আৰু ললিতা বহাৰ পিচত তেখেত নিজৰ আসনত
সতীশো তেখেতৰ গাতে আঁউজি বহিল। তেখেতে সতীশক
সাৰটি ধৰি ক'লে,—"মোক তোমালোকে চিনি নেপাবা, মই
মাহীয়েক হওঁ। সতীশৰ মাক মোৰ নিজা বাইদেউ আছিল।

এইকণ চিনাকিৰ মাজত বৰ বেচি একো কথা নাছিল, কিন্তু
মুখত আৰু মাতত এনেকুৱা কিবা এটা আছিল, যিহৰ বাবে
কেইষাৰতে তেখেতৰ জীৱনৰ গভীৰ শোকৰ চকুলোৰে ধোৱা
ছবি ভাঁহি উঠিল। 'মই সতীশৰ মাহীয়েক হওঁ' বুলি যেতিয়াই
সতীশক বুকুৰ মাজত সাৰটি ধৰিলে তেতিয়াই এই মহিলা
বৃত্তান্তৰ একো কথা নজনাকৈয়ে তেখেতৰ প্রতি বিনয়ৰ মন
পৰিল। বিনয়ে ক'লে,—"অকল সতীশৰ মাহীয়েক হলেই নহব
হলে ইমান দিনৰ পিচত সতীশৰ লগত কিন্তু এতিয়া মোৰ দনুহ
এনেয়েতো সতীশে মোক বিনয় ককাইদেউহে বোলে, ককাইদেউ

এতিয়া আকৌ মাহীদেউৰপৰাও মোক বঞ্চিত কৰাটো একেবাৰে উচিত
নহব।"

মানুহৰ মন বশ কৰিবলৈ বিনয়ৰ সময় নেলাগে। এই ধুনীয়া, মিঠা-
মুৰীয়া ডেকাটিয়ে চাওঁতে চাওঁতে 'মাহীদেউ'ৰ মন দখল কৰি সতীশৰ
লগত সমানে ভগাই ললে।

মাহীদেৱে সুধিলে,—"বোপা, তোমাৰ মাৰা ক'ত থাকে?"

বিনয়ে ক'লে,—"মই মোৰ নিজৰ আইক বহুদিন আগতেই হেৰুৱা-
ইছোঁ। কিন্তু মোৰ আই যে নাই, এনে কথা মই মুখলৈকে আনিব নোৱাৰোঁ।"

এই বুলি আনন্দময়ীৰ কথা মনত পৰা মাত্রকে তাৰ চকুযোৰ চল্-
চলীয়া হৈ পৰিল।

দুয়ো নানা কথা-বতৰা পাতিবলৈ ধৰিলে। কথা-বতৰাত এওঁলোকৰ
আজিহে মাথোন প্রথম চিনাকি হৈছে, এনে বুলি ধৰিবই নোৱাৰা হ'ল।
এই কথা-বতৰাৰ মাজতে সতীশে মাজে মাজে একোবাৰ একো একোটা
আগ-ওৰি নোহোৱা মন্তব্য দিবলৈ ধৰিলে। ললিতা নীৰৱে বহি থাকিল।

চেষ্টা কৰিও ললিতাই নিজক সহজতে প্রকাশ কৰিব নোৱাৰিছিল।
প্রথম চিনাকিৰ সঙ্কোচ আঁতৰাবলৈ তাইৰ বহুত সময় লাগে। তাৰোপৰি,
আজি তাইৰ মনটোও ভাল নহয়। বিনয়ে সহজভাৱে এই অচিনাকি
মানুহ গৰাকীৰ লগত ইমানকৈ কথা-বতৰা পাতাটো তাই সমূলি ভাল পোৱা
নাছিল। ললিতা যি বিপদত পৰিছে, বিনয়ে সেই বিপদৰ গুৰুত্বৰ কথা
লেভাৰি এনেকৈ উদাসীন হৈ থকা দেখি বিনয়ক তেনেই চেলেপু ধৰণৰ
ল'ৰা বুলি তাই পেটে পেটে গালি পাবিবলৈ ধৰিলে। কিন্তু গহীন হৈ
আমন-জিমনকৈ বহি থকা হ'লেই যে বিনয় ললিতাৰ অসন্তোষৰ পৰা
সাৰিব পাৰিলেহেঁতেন, সেইটোও নহয়। সেয়ে হোৱা হ'লে নিশ্চয়
ললিতাই খণ্ডতে পেটে পেটে ভাবিলেহেঁতেন,—'মোৰ আগতে দেউতাই
কি কৰলগীয়া আছে কৰ, বিনয়ে আকৌ এইখন কৰি দেখুৱাইছে কিয়?
যেন তেওঁৰ গাতহে ইয়াৰ ভাৰ পৰিছে।' আচল কথা, কালি ৰাতি
বিটো আঘাতত সঙ্গীত বাজিছিল আজি দিনৰ পোহৰত তাত বিষাদ হে
বাজিছে। একোৱেই যেন নিয়ম মতে হোৱা নাই। আজি সেই কাৰণে
ললিতাই প্রতিখোজতে বিনয়ৰ লগত পেটে পেটে দন্দ্বহ কৰিছে। বিনয়ৰ
প্রতি ভাল ব্যৱহাৰৰবাবাও এই কাজিয়াৰ ওৰ নপৰিলেহেঁতেন। কি শুধৰোৱা
হ'লে যে ইয়াৰ প্রতিকাৰ হ'লহেঁতেন সেইটো একমাত্র অন্তর্য্যামীয়েহে জানে।
হায়! বিনোৰ ছোৱালীয়ে হিয়া কিনা-বিকা কৰে সেই ছোৱালীবোৰৰ

ব্যৱহাৰক যুক্তিবিৰুদ্ধ বুলি দোষ দিলে কেনেকৈ হব? ওৰিটো
ঠিক ঠাইত অন্তৰ প্ৰতিষ্ঠা কৰা হয়, তেনেহলে ই ইমান সহজতে
ইমান সুন্দৰকৈ চলে যে যুক্তি তৰ্কয়ো হাৰ মানি মূৰ তল কৰিব
হয়; কিন্তু ওৰিতে যদি লেশমানো কেণা লাগে, তেন্তে সেই
চলাবলৈ আৰু বুদ্ধিৰো সাধ্য নেথাকে। তেতিয়া বাগ-জাল, হাঁহিৰ
কিহবপৰা যে কি হয়গৈ সেইটো বুজিবলৈ চেষ্টা কৰাটো ভুলত

ইফালে বিনয়ৰ হৃদয়-যন্ত্ৰটিও যে স্বাভাৱিকভাৱে চলিছিল
নহয়। তাৰ অৱস্থা অবিকল আগৰ দৰে থকা হলে এই মুহূৰ্ত
একেলবে আনন্দময়ীৰ ওচৰি ওলালগৈহেঁতেন। গোৰা আজি
পৰা কথা আইক বিনয়ৰ বাহিৰে নো আৰু আন কোনে কব
বিনয়ৰ বাহিৰে আইৰ আৰু সান্ত্বনাই বা কোন আছে। এই
বিনয়ৰ মনত এটা ডাঙৰ বোজা যেন হে তাক একেবাৰে চেপে
পেলাইছিল। কিন্তু ললিতাক এইদৰে এতিয়াই ইয়াতে এৰি যৈ
তাৰ বাবে অসম্ভৱ আছিল। গোটেইখন সংসাৰৰ বিৰুদ্ধে আজি
হে এটিমাত্ৰ ললিতাৰ ৰক্ষক; এতেকে ভট্ট ডাঙৰীয়াৰ ওচৰত
বিষয়ে যদি তাৰ কিবা কৰ্ত্তব্য থাকে তেনেহলে সেই কৰ্ত্তব্য
যাব লাগিব বুলি সি নিজেই নিজৰ মনটোক বুজনি দিছিল।
চেষ্টাতেই বিনয়ৰ মনটোৱেও সেই কথা বুজি লৈছিল।
ক্ষমতা মনটোৰ নাছিল। গোৰা আৰু আনন্দময়ীৰ কাৰণে
যিমানেই নেকান্দ লাগে, আজি ললিতা তাৰ ইমান কাষত
এনে এটি সুখ পাইছিল—গোটেই সংসাৰৰ মাজত এনে এটি
নিজৰ সত্তাৰ এনে এটি বিশিষ্ট স্বতন্ত্ৰতা অনুভৱ কৰিবলৈ
মনৰ বেজাৰ মনৰ কোনোবা একচুতে পৰি থাকিল! সি
ফালে চাবই নোৱাৰা হ'ল; মাথোন আপোনা-আপুনি
বস্তু তাৰ চকুত পৰিছিলহি—ললিতাৰ কাপোৰৰ কোনোবা
তাইৰ কোলাতে নিথৰ ভাৱে পৰি থকা এখন হাত—মুহূৰ্ত্তৰ
তাক পুলকিত কৰি তুলিছিল।

বেলি বহুতো হ'ল। পৰেশ ভট্ট চোন এতিয়াও
বাবে তাৰ মনটোৱে লাহে লাহে ধৰ্‌ফৰাবলৈ ধৰিলে।
কোনো ৰকমে ঢাকি ৰাখিবৰ বাবেই বিনয়ে সতীশৰ
একান্ত মনে কথা পাতিবলৈ ধৰিলে। অৱশেষত ললিতাৰ
বাধা নেমানিলে। তাই বিনয়ৰ কথাৰ মাজতে ঘপহ্‌ কৰে

"আপুনি কালৈ বে আছে? দেউতা কেতিয়া আহে তাৰ একো ঠিক
নাই। আপুনি গৌৰমোহনৰ মাকৰ কাষলৈ এবাৰ নেযায় জানো?"

বিনয় চক্‌ খাই উঠিল। ললিতাৰ মাতৰ বিৰক্তিৰ সুৰ সি ভালকৈয়ে
পাইছিল। সি ললিতাৰ মুখলৈ চাই সাউৎকৈ থিয় হ'ল। হঠাতে
গুণ ছিঙা ধনুৰ দৰে একে কোবেই সি থিয় দিলে। সি নো কালৈ বে
আছে? ইয়াত যে তাৰ কিবা বৰ ডাঙৰ প্ৰয়োজন আছে—এনে অহঙ্কাৰ
তাৰ মনলৈতো আপোনা-আপুনি অহা নাই! সি দেখোন নিজেই দুৱাৰ
মুখৰপৰাই বিদায় লব খুজিছিল—ললিতাইহেচোন তাক অনুৰোধ কৰি
লগত লৈ আহিছে—এতিয়া আকৌ ললিতাৰ মুখতে এই কথা?

বিনয় হঠাতে এনেদৰে ঘপ্‌কৰে থিয় হ'ল যে ললিতাই হতভম্ব হৈ
তাৰ মুখলৈ চালে। তাই দেখে যে বিনয়ৰ স্বভাৱতে হাঁহি থকা মুখখন
কু মাৰি নুমুৱাই দিয়া চাকিৰ পোহৰৰ দৰেই নুমাই গৈছে। বিনয়ৰ
এনেকুৱা কৰুণ মুখ, তাৰ ভাবৰ এনেকুৱা হঠাৎ সলনি ললিতাই আগতে
আৰু কেতিয়াও দেখা নাছিল। বিনয়ৰ মুখলৈ চোৱাৰ লগে লগে ডাকল
অনুতাপে ললিতাৰ অন্তৰখন ইমূৰৰপৰা সিমূৰলৈ দহিবলৈ ধৰিলে।

সতীশে লৰালৰিকৈ থিয় দি বিনয়ৰ হাতত ধৰি ওলমি অনুনয় কৰি
ক'লে,—"বিনয় ককাইদেউ, আৰু অকণমান বহক আক'! এতিয়াই
নেযাব আক'! আমাৰ ঘৰত আজি ভাত খাই যাব লাগিব। মাহীদেউ,
বিনয় ককাইদেউক ভাত খাই যাবলৈ কওক আক'! ললিতা বাইদেউ,
কিয় বিনয় ককাইদেউক যাবলৈ কৈছা?"

কথাবোৰ অতি সাধাৰণ সঁচা, কিন্তু তাৰ মাতটোৰ মাজত যেন চকুৰ
পানী বিয়পি পৰিছিল। সেই সুৰ সতীশৰ মাহীয়েকৰ কাণতো বাজি
উঠিল। তেখেতে এবাৰ বিনয়লৈ আৰু এবাৰ ললিতাৰ মুখলৈ নিমিষতে
চাই ললে—বুজিলে, অদৃষ্টৰ এটা লীলা চলিছে।

অলপ পিচতে কিবা এটা চল লৈ ললিতাই তাইৰ কোঠালৈ উঠি
গুচি গ'ল গৈ। কতদিন যে তাই এইদৰেই নিজেই নিজকে কন্দুৱাইছে॥

৩২

বিনয়ে তেতিয়াই আনন্দময়ীৰ ঘৰৰ ফাললৈ খোজ দিলে। [illegible] বেজাৰত সি [illegible] য়িমান হৈ পৰিছিল। ইমান পৰেও কি [illegible] আইৰ কাষলৈ যোৱা নাই? কি ভুলকে নো সি নকৰিছিল! [illegible] তাক ললিতাৰ বৰ দৰ্কাৰ। সি কলিকতালৈ আহিয়েই সকলো [illegible] কাতি কৰি আনন্দময়ীৰ কাষলৈ দৌৰি নোযোৱাৰ বাবে ঈশ্বৰে [illegible] শাস্তিকে দিছে। সেয়েহে অৱশেষত আজি ললিতাৰ মুখৰপা [illegible] কথা শুনিবলগীয়া হ'ল। 'গৌৰমোহনৰ মাকৰ কাষলৈ এবাৰ [illegible] জীৱনৰ কোনো এটা মুহূৰ্ত্ততো এনেকুৱা এটা ভুল হব [illegible] গৌৰমোহনৰ মাকৰ কথা বিনয়তকৈয়ো ললিতাই হে বেচিকৈ [illegible] হব। ললিতাই তেখেতক মাথো গৌৰমোহনৰ মাক বুলিয়েই [illegible] বিনয়ৰ কাৰণে যে তেখেত জগতৰ সকলো মাতৃৰ একেজনা সাক্ষাৎ [illegible] তেতিয়া আনন্দময়ীয়ে গা ধুই উঠি আহি মজিয়াত আসন [illegible] হৈ মুঠেই বহিছিলহি, বোধকৰোঁ। মনে মনে জপ্ কৰিছিল [illegible] দৌৰি আহি তেখেতৰ ভৰিত লুটি খাই পৰি মাত দিলে,—"আ [illegible] আনন্দময়ীয়ে তাৰ দোঁখোৰা মূৰটোত দুয়ো হাত ফুৱাই [illegible] "বিনয়!"

আইৰ দৰে এনে মিঠা মাত আৰু কাৰ আছে। সেই মাতত [illegible] লগে লগে বিনয়ৰ গোটেই শৰীৰটো যেন কৰুণাত পমি গ'ল। [illegible] মতে চকুপানী সামৰি সহজভাৱে ক'লে, "আই, মোৰ বৰ বেলি [illegible] আনন্দময়ীয়ে কলে,—"মই সকলো কথা শুনিছোঁ বিনয়। [illegible] বিনয়ে চকুখাই উঠি কলে'—"তেনেহলে তুমি সকলো কথাই [illegible] গোৱাই ফাটেকৰপৰাই তেখেতলৈ সকলো কথা জনাই [illegible] উকিলৰ হাতত পঠিয়াই দিছিল। সি ফাটেক খাটিব লাগিব [illegible] কৰোঁ। আগতেই গম পাইছিল।

চিঠিখনৰ শেষৰ ফালে সি লিখিছিল—

'ফাটেক খটুৱাই তোমাৰ গোৱাৰ মুঠেই একো ক্ষতি কৰিব [illegible] কিন্তু ইয়াৰ বাবে তুমি হলে অকণমানো বেজাৰ কৰিব নোৱাৰা। [illegible] কাৰণে তুমি মনত দুখ পোৱাটোহে শাস্তি। মোক আৰু [illegible] শাস্তি দিবৰ হাকিমৰ সাধ্য নাই। অকল তোমাৰ লৰাৰ কথাকে [illegible] আই, তোমাৰ নিচিনা আৰু বহুতো মাকৰ লৰাই বিনা দোষতে ফাটেক খাটিবলগীয়া হয়। সিহঁতৰ এই কষ্টৰ ভাগ এবাৰ মোৰো লৰৰ মনগৈছে। মোৰ এই ইচ্ছা এইবাৰ পূৰ্ব হব খুজিছে। এতেকে আই, তুমি বেজাৰ নকৰিবাঁ।

'আই, তোমাৰ মনত আছে সে নাই নেজানো, যোৱাবেলি যেতিয়া চাৰিওফালে বৰ ডাঙৰ আকাল লাগিছিল, এদিন মোৰ আলিৰ কাষৰ কোঠা-টোৰ মেজত টকাৰ মোনাটো থৈ মই পাঁচ মিনিটৰ বাবে আন এটা কোঠালৈ গৈছিলোঁ। উভতি আহি দেখোঁ যে মোনাটো কোনোবাই চুৰ কৰি লৈ গৈছে। মোনাটোত মোৰ বৃত্তিৰপৰা পোৱা চাৰিকুৰি পাঁচ টকা আছিল। সেই মনে মনে পাঙি থৈছিলোঁ যে আৰু কিছু ধন গোটাৰ পাৰিলেই তোমাৰ ভৰি ধোৱা পানী খবলৈ তোমাক এটা ৰূপৰ লোটা গঢ়াই দিম। সেই টকাখিনি চুৰি হোৱাত যেতিয়া চোৰৰ ওপৰত খঙত জ্বলি-পকি উঠিছিলোঁ, তেতিয়া ভগৱানে মোৰ মনত হঠাতে এটা সুবুদ্ধি দিলে। মই মনে মনে ভাবিলোঁ যে যিটো মানুহে আজি মোৰ টকাখিনি লৈ গৈছে, এই আকালৰ দিনত তাকেই মই সেই টকা দান কৰিলোঁ। এই বুলি ভবাৰ লগে লগেই সকলো নিষ্ফল খং আঁতৰি মোৰ মনটো শান্ত হৈ পৰিল। আজি মোৰ মনটোকো মই সেইদৰেই বুজাইছোঁ যে আজি মই ইচ্ছা কৰিয়েই ফাটেক খাটিবলৈ ওলাইছোঁ। মোৰ মনত অকণো বেজাৰ নাই, কাৰো ওপৰত [illegible] কো ৰোষ নাই। ফাটেকলৈ মই আলহী খাবলৈহে যাম। তাত খোৱা-লোৱা, ফুৰা-চকাত অলপ দুখ পাব লাগিব হয়—কিন্তু এইবাৰ দেশ ভ্ৰমিবলৈ [illegible] লাই আহি মই বহুতৰ ঘৰত আলহী হৈছোঁ, সেইবোৰ ঠাইতো তো নিজৰ [illegible] তাস আৰু আৱশ্যক অনুযায়ী সুখ পোৱা নাই। ইচ্ছা কৰি গ্ৰহণ [illegible] কা কষ্টটোতো আচলতে একো কষ্টই নহয়। আজি মই ইচ্ছা কৰিয়েই [illegible] লত আলহী হবলৈ ওলাইছোঁ। মোৰ যিমান দিন মন যায়, ঠিক সিমান [illegible] দিন হে মই জেলত থাকিম। তাৰ বেচি এবেলাও কোনেও মোক জোৰকৈ [illegible] কাটেকত ৰাখিব নোৱাৰে বুলি তুমি ধুৰুপকৈ জানিবা।

'যেতিয়া আমি নিজৰ ঘৰতে বহি অবাধে খোৱা-লোৱা, ফুৰা-চকা [illegible] কৰোঁ, তেতিয়া বাহিৰৰ আকাশৰ তলত আৰু পোহৰৰ মাজত মুকলি-[illegible] মুটীয়াকে ঘূৰি ফুৰাৰ অধিকাৰ যে কিমান এটা ডাঙৰ অধিকাৰ সেইটো [illegible] আমি অনুভৱকে কৰিব নোৱাৰোঁ। ঠিক সেই মুহূৰ্ত্তত হয়তো পৃথিৱীৰ [illegible] হুতো মানুহেই দোষতেই হওক নাইবা বিনা দোষতেই হওক, ঈশ্বৰে [illegible] দিয়া জগতৰ অধিকাৰৰপৰা বঞ্চিত হৈ বন্ধন আৰু অপমান ভোগ কৰিছিল।

কিন্তু আজিলৈকে আমি সিহঁতৰ কথা এবাৰলৈয়ো ভবা নাই বা
লগত একো সম্বন্ধকে বখা নাই। কিন্তু এইবাৰ মই সিহঁতৰ
নিজৰ গাত সানি লব খুজিছোঁ। ভদ্রলোক হৈ বহি থকা পৃথিবী
ভাগ কৃত্রিম ভাল মানুহৰ দলত যোগ দি মই মোৰ সন্মান বাখি চলিব

'আই, এইবাৰ পৃথিৰীৰ স'তে চিনাকি হৈ মোৰ বহুতো শিক্ষা
ঈশ্বৰে জানে, জগতত যিবোৰে আনক বিচাৰ কৰাৰ ভাৰ লৈছে,
বেচি ভাগেই কৃপাৰ পাত্র। যিবোৰে নিজে শাস্তি নেপায় অথ
হে শাস্তি দিয়ে সিহঁতৰ পাপৰ শাস্তি আজি জেলৰ কয়দীবোৰে
কৰিছে। অপৰাধ বহুতে কৰিছে, কিন্তু শাস্তি ভোগ কৰিছে
ইহঁতেহে। যিবোৰে ফাটেকৰ বাহিৰত সুখেৰে আছে, সন্মানেৰে
সিহঁতৰ নো কেতিয়া ক'ত 'কেনেকৈ পাপৰ ক্ষয় হব কব নোৱাৰি
মই সেই সুখ আৰু সন্মানক ধিক্কাৰ দি মানুহৰ দুখৰ চেকাৰ মাজ
বছৰাই লৈ ওলাই আহিম। আই, তুমি মোক আশীৰ্ব্বাদ কৰা
চকুৰ পানী নেপেলাবাঁ। ভৃগুৰ পদাঘাতৰ চিন শ্রীকৃষ্ণই চিৰদিন
ধাৰণ কৰিছে। সংসাৰত উদ্ধতালিয়ে য'তে ত'তে অন্যায়-অত্যা
ভগৰানৰ বুকুৰ সেই চিনক হে আৰু বেচি দ কৰিছে। সেই চি
তেওঁৰ অলঙ্কাৰহে হব পাৰে, তেনেহলে নো মোৰ আৰু চিন্তা
আৰু তুমিয়েই বা কিয় বেজাৰ কৰিবা ?'

এই চিঠি পাই আনন্দময়ীয়ে মহিমক গোৰাৰ কাষলৈ পঠিয়
কৰিছিল। কাছাৰী আছে, চাহাবে কোনোৰকমেই ছুটী নিদিয়ে
মহিমে ক'লে। এই বুলি সি গোৰাৰ অবিবেচনা আৰু উদ্ধতালি
কৈ তাক নানান গালি-শপনি পাৰিবলৈ ধৰিলে। সি ক'লে
এইটোৰ বাবে কেতিয়াবা মোৰো চাকৰিটোহে যাব। আনন্দময়ী
দয়ালক এই বিষয়ে কিবা কবলৈ যোৱাটো অনাৱশ্যক বুলি ভা
গোৰাৰ সম্বন্ধে গিৰীয়েকৰ প্রতি তেখেতৰ এটা মর্ম্মান্তিক অভিমান
কৃষ্ণদয়ালে গোৰাক অন্তৰত পুত্রৰ স্থান দিয়া নাই বুলি তেখেতে
আনকি গোৰাৰ সম্বন্ধে কৃষ্ণদয়ালৰ অন্তৰত এটা বিৰোধৰ ভাৰহে
গোৰাই আনন্দময়ীৰ দাম্পত্য সম্বন্ধক বিন্ধ্যাচলৰ দৰে দুভাগ
থিয় দিছিলহি। তাৰ এটা পাৰত অতি সতর্ক শুদ্ধাচাৰ
অকলে আৰু আনটো পাৰত ম্লেচ্ছ গোৰাক বুকুত সাৰটি
আনন্দময়ী। গোৰাৰ জীৱনৰ ইতিহাস পৃথিৰীত যি দুজনে
সিহঁতৰ মাজত যাতায়াতৰ পথ যেন ৰুদ্ধ হৈ গৈছে। এইবো

গোৰাৰ প্রতি আনন্দময়ীৰ স্নেহ তেখেতৰ সম্পূর্ণ আছুতীয়া ধন আছিল।
তি পৰিয়ালত গোৰাৰ অনধিকাৰ অৱস্থানক আনন্দময়ীয়ে যিমান পাৰে
হজ কৰি বাখিবলৈ যত্ন কৰিছিল। কিজানিবা কোনোবাই কয়েই
তোমাৰ গোৰাৰপবাই এনে ঘটনা ঘটিল, তোমাৰ গোৰাৰ বাবেই এনে
কথা শুনিব লগীয়া হ'ল,' নাইবা 'তোমাৰ গোৰাই আমাৰ এনেকুৱা ক্ষতি
কৰিলে', আনন্দময়ীৰ এয়েই এটা অনবৰত চিন্তাৰ কাৰণ আছিল।
গোৰাৰ সকলো দায়িত্ব যে তেখতবেই। আকৌ তেখেতৰ গোৰাও তো
কেৰাবে সাধাৰণ গোৰা নহয়। য'ত থাকে তাত তাৰ অস্তিত্ব গোপনে
ঘাটো তো সহজ কথা নহয়। তেখেতৰ কোলাৰ এই বলিয়া গোৰাটোক
বিৰোধী পৰিয়ালৰ মাজত ইমান দিন দিনে-বাতিয়ে কোনোৰকমে
কুত সাৰটি তেখেতে তাক ইমান ডাঙৰ কৰি তুলিলে-বহু কথা শুনিব-
গীয়া হৈছে—যিবোৰৰ তেখেতে তেতিয়াও একো উত্তৰ দিয়া নাই,
হত দুখ সহিছে—যিবোৰৰ ভাগ আৰু আন কাকোৱেই দিয়া নাই।

আনন্দময়ীয়ে নিমাত হৈ অকলে খিড়িকীৰ কাষত বহি আছিল। তাৰ
াই তেখেতে দেখা পালে কৃষ্ণদয়ালে প্রাতঃস্নান শেষ কৰি কপালত,
ুকুত গঙ্গাৰ মাটি সানি মন্ত্র মাতি মাতি ঘৰ সোমাইছেহি। আনন্দ-
য়ে তেখেতৰ কাষলৈ যাব নোৱাৰিলে। বাধা, বাধা, বাধা, সকলোতেই
া। অৱশেষত হুমুনিয়াহ কাঢ়ি আনন্দময়ী মহিমৰ কোঠালৈকে উঠি
ল গৈ। মহিমে তেতিয়া মজিয়াত বহি বাতৰি-কাকত পঢ়ি আছিল।
ওৱা এটাই গাধোৱাৰ আগতে তেওঁৰ গাত তেল ঘঁহি দিছিল। আনন্দ-
ায়ে আহি তেওঁক ক'লেহি,—"মহিম, মোৰ লগত যাবলৈ তুমি এজন
ুহ ঠিক কৰি দিয়াঁ। গোৰাৰ নো কি হৈছে মই নিজেই চাই আহোঁ।
। সি ফাটেক খাটিম বুলি ঠিক কৰি বহি আছে। কিজানি সি ফাটেক
টবলগীয়া হয়েই-মই জানো এবাৰ তাৰ আগতে তাক চাই আহিব নোৱাৰিম ?
াহিৰত মহিমে যেনেকুৱাই ব্যৱহাৰ নকৰক লাগে, গোৰাৰ প্রতি তাৰ
ৰেও কিন্তু একপ্রকাৰৰ মৰম আছিল। সি মুখেৰে গৰজি উঠি কলে,—
াওক, অধঃপাতে যোৱাটো ফাটেকলৈকে যাওক। ইমান দিনে যে
াই নাই, সেইটো হে আচৰিত কথা।" এই বুলি পিচ মুহূর্ত্ততে সিহঁতৰ
াত-খৰা পৰান ঘোষালক মতাই আনি তাৰ হাতত উকিলৰ খৰচৰ বাবে
কিছু টকা-সিকা দি তাক তেতিয়াই পঠিয়াই দিলে আৰু অফিচলৈ গৈ
াহানে যদি ছুটী দিয়ে আৰু ঘৈণীয়েকেও যদি মত দিয়ে তেনেহলে
কেও তালৈ যাবলৈ স্থিৰ কৰিলে।

মহিমে গোৱাৰ বাবে কিবা এটা নকৰাকৈ থাকিব নো
আনন্দময়ীয়েও জানিছিল। মহিমে যথাসম্ভৱ ব্যৱস্থা কৰিছে
পাই তেখেতে নিজৰ কোঠালৈ উভতি গ'ল গৈ। তেখেতে
জানিছিল যে গোৱা থকা সেই অচিনাকি ঠাইলৈ এই বিপদ
মানুহৰ কৌতুক—কৌতূহল আৰু ৰু-ৱা সহ্য কৰি তেখেতক
পৰা মানুহ এই পৰিয়ালত কোনোৱেই নাই। তেখেত চকুৰ
বেদনাৰ ছাঁ আঁকিবলৈ ওঁঠ দুটা চেপি ধৰি মনে মনে বহি
মিয়াই হাঁও-হাঁওকৈ কন্দা দেখি তেখেতে তাইক ডৰিয়াই আন
পঠিয়াই দিলে। সকলো দুশ্চিন্তা নীৰৱে সহ্য কৰাই তেখেতৰ
অভ্যাস। সুখ আৰু দুখ উভয়কে তেখেতে শান্তভাৱে
তেখেতৰ হৃদয়ৰ আক্ষেপ একমাত্ৰ মাথোন অন্তর্য্যামীয়েহে

বিনয়ে যে আনন্দময়ীক কি বুলি কব ভাবি নেপালে।
ময়ীয়ে কেতিয়াবা কাৰোপৰা সান্ত্বনাৰ বাণী শুনিবলৈ অপেক্ষা
যি দুখৰ একো প্ৰতিকাৰ নাই সেই দুখৰ বিষয়ে আনে
আলোচনা কৰিবলৈ আহিলে তেখেতে বৰ সঙ্কোচ বোধ
তেখেতে আৰু কোনো কথা উলিয়াবলৈ নিদি বিনয়ক
এতিয়াও গা-পা ধোৱাই নাই দেখোন। যোৱাঁ, লৰালৈকৈ
আহাঁ গৈ। বহুতো বেলি হৈছে।"

বিনয়ে গা ধুই উঠি ভাত খাবলৈ বহোঁতে বিনয়ৰ কাৰ
শূন্য ঠাইখিনি দেখি আনন্দময়ীৰ বুকুখনত শোকে হেঁচা মাৰি
গোৱাই আজি জেলৰ ভাত খাবলগীয়া হৈছে। নিৰ্ম্মম শাস
সেই ভাত তিতা, সেই ভাত মাকে চেনেহেৰে যচা মিঠা ভাত
এই কথা মনলৈ অহাৰ লগে লগেই আনন্দময়ীয়ে এবাৰ—কিবা
লৈ তাৰপৰা আন ঠাইলৈ উঠি যাবলগীয়া হ'ল।

৩৩

ঘৰলৈ আহি হঠাতে অসময়ত ললিতাক দেখি পৰেশ ভট্টই তেখেতৰ
এই বৰ্শ নমনা ছোৱালীজনীয়ে নিশ্চয় কিবা এটা অঘটন ঘটাই আহিছে
বুলি বুজিব পাৰিলে। কথা সোধা চাৰনিৰে তেখেতে তাইৰ মুখলৈ চাওঁতেই
তাই ক'লে,—"দেউতা, মই তাত কোনোৰকমেই থাকিব নোৱাৰিলোঁ।"
উঠি আহিলোঁ।

পৰেশ ভট্টই সুধিলে,—"কেলেই? কিনো হ'ল?" ললিতাই ক'লে,—
"গৌৰমোহনক হাকিমে ফাটেকত দিছে।" গৌৰ নো ইয়াৰ মাজলৈ ক'ৰপৰা
আহিল, কিনো হৈছে, পৰেশ ভট্টই একোকে বুজিব নোৱাৰিলে। ললিতাৰ মুখে
আটাইবোৰ ঘটনা শুনি তেখেতে কিছু পৰ নিমাত হৈ বহি থাকিল। আকৌ
গোৱাৰ মাকৰ কথা মনত পৰাৰ লগে লগেই তেখেতৰ মনটো আৰু গধুৰ
হৈ পৰিল। এজন মানুহক ফাটেকত দি আন কিছুমান নিৰপৰাধী মানুহক
কেনেকুৱা নিষ্ঠুৰ শাস্তি দিয়া হয়, সেই কথা বিচাৰকে অন্তৰে সৈতে
অনুভৱ কৰিব পৰা হলে মানুহক ফাটেকত দিয়াটো অভ্যাসতে কৰা কামৰ
ইমান সহজ কেতিয়াও নহলহেঁতেন বুলি তেখেতে পেটে পেটে ভাবিলে।
এটা চোৰক শাস্তি দিয়াটো আৰু গোৱাকো সেই একে শাস্তি বিহাটো
কিমান পক্ষে ইমান সহজ হৈছে—ধৰ্ম্ম জ্ঞান একেবাৰে নোহোৱাৰ
কাৰণেহে এনেকুৱা বৰ্ব্বৰতা সম্ভৱপৰ হৈছে বুলি তেখেতে বুজিলে।
মানুহৰ ওপৰত মানুহৰ অত্যাচাৰ জগতৰ আন সকলো হিংস্ৰুক স্বভাৱতকৈয়ো
কিমান ভয়ানক—তাৰ পিচপিনে সমাজৰ শক্তি আৰু ৰজাৰ শক্তি একযোগে
থকা হে তাক যে কেনেকুৱা ভীষণ ভয়াবহ কৰি তুলিছে,—গোৱাৰ ফাটেকৰ
কথা শুনি সেইটো যেন তেখেতে চকুৰ আগতে দেখা পালে!

ভট্ট ডাঙৰীয়াক এইদৰে মনে মনে ভাবি থকা দেখি ললিতাই উৎসাহিত
হৈ ক'লে,—"বাৰু দেউতা, এইটো জানো ভয়ানক অন্যায় নহয়?"

পৰেশ ভট্টই তেখেতৰ স্বাভাৱিক শান্ত মাতেৰে ক'লে,—"গৌৰই নো
কিমান দোষ কৰিছে, মই সেইটো সঠিককৈ নেজানো। কিন্তু এইটো কথা
নিশ্চয়কৈ কব পাৰোঁ যে গৌৰ হয়তো কৰ্ত্তব্য জ্ঞানৰ অহঙ্কাৰত হঠাতে
তাৰ নিজ অধিকাৰৰ সীমা ডেই যাবও পাৰে। কিন্তু ইংৰাজী ভাষাত
যিটোক 'ক্ৰাইম্' বুলি কোৱা হয়, সি যে গোৱাৰ সম্পূর্ণ স্বভাৱবিৰুদ্ধ তাত

মোৰ লেশমানো সন্দেহ নাই। কিন্তু কি কৰিবা আই, কাৰৰ
এতিয়াও সেই পৰিমাণে বিবেক লাভ কৰা নাই। এতিয়াও
যি শাস্তি, ত্রুটিৰো সেই একেই শাস্তি। উভয়েই একেখন
একেটা ঘানীকেই টানিব লাগে। এইবোৰৰ বাবে কোনোৱা এজন
মাথোন দোষ দিব নোৱাৰি। ইয়াৰ বাবে সকলো মানুহৰ সমূহীয়া
দায়ী।"

হঠাতে এই আলোচনা বন্ধ কৰি পৰেশ ভট্টাই সুধিলে,—"
লগত আছিলা।"

ললিতাই খিয় হৈ বিশেষ অলপ জোৰ দিয়েই যেন ক'লে,—"
দেউৰ লগত।"

বাহিৰত যিমানেই জোৰ নেদেখুৱাওক লাগে ভিতৰি তি
তাইৰ দুৰ্ব্বলতা আছিল। বিনয়ৰ লগত অহা কথাটো তাই
কৰ নোৱাৰিলে। হঠাতে তাইৰ লাজ লাগি গ'ল আৰু সেই লাজ
তাইৰ মুখত ফুটি ওলায় বুলি তাইৰ আৰু বেচিকৈহে লাজ লাগিল
পৰেশ ভট্টাই তেখেতৰ এই চেৰাবলিয়া ডাকু ছোৱালীজনী
আটাইকেইজনী জীয়েকতকৈ অলপ বেচিকৈ মৰম কৰিছিল
চাল-চলন দেখি আগে নানান কথা কৈছিল। আৰু সেই কথা
ব্যৱহাৰত থকা সত্যপৰতাক পৰেশ ভট্টাই বিশেষ ভাল পাইছিল
দোষবোৰ আনৰ চকুত বেচিকৈ পৰিবই বুলি তেখেতে জানিছিল
তাইৰ যিটো গুণ সি যিমানেই দুৰ্ল্লভ নহওক লাগে, আনৰ
সেই গুণে কোনিয়াও আদৰ নেপায়, সেই কথাও তেখেতে ভালদৰে
পৰেশ ভট্টাই সেই গুণটিকে আজিলৈকে যত্নেৰে সৈতে আশ্রয় দি
ললিতাৰ ডাকু স্বভাৱক শাসন কৰি তাইৰ ভিতৰৰ মহত্ত্বক মৰ্য্যাদা
তেখেতে নিৰিচাৰে। তেখেতৰ আন দুয়োজনী জীয়েকক
সকলোৱে ধুনীয়া বুলি বুয়োমুখে কয়। সিহঁতৰ গাৰ বৰণ
গঢ়ো নিখুঁত। ললিতাৰ বৰণ সিহঁততকৈ ক'লা আৰু গা-পি
নিচিনা নহয় বুলি বহুতে কয়। সেই কাৰণে ৰৱদাসুন্দৰীয়ে
পাৰিলে ৰঙ টান হব বুলি প্ৰায়েই গিৰীয়েকৰ আগত উৎকণ্ঠা
কিন্তু পৰেশ ভট্টাই ললিতাৰ মুখত যিটো সৌন্দৰ্য্য দেখিছিল
ৰৱণৰ সৌন্দৰ্য্যৰ নহয়, গঢ়-পিটৰ সৌন্দৰ্য্যও নহয়, সেইটো
গভীৰ সৌন্দৰ্য্য। তাত মাথোন ললিত্যই নহয়, স্বতন্ত্রতাৰ
শক্তিৰ দৃঢ়তাও আছে। কিন্তু সেই দৃঢ়তা সকলোৰে মানত

কিছুমান বিশেষ মানুহক হে আকৰ্ষণ কৰে, কিন্তু বহুতকে দূৰত আঁতৰাইহে
ৰাখে। এই সংসাৰত ললিতা হয়তো কেতিয়াও কাৰো প্ৰিয়পাত্ৰ হব
নোৱাৰিব পাৰে, কিন্তু সম্পূৰ্ণ অকৃত্রিম হব বুলি পৰেশ ভট্টাই নিসন্দেহে
জানিছিল। আৰু সেই কাৰণেই পৰেশ ভট্টাই যেন কিবা এটা বেজাৰৰে
ভিতৰে ললিতাক আৰু বেচিকৈ নিজৰ কাষলৈ টানি লৈছিল; তাইক
যেন আন কোনেও ক্ষমা নকৰে বুলিয়েই তেখেতে তাইক সদায় কৰুণাৰ
চকুৰে চাইছিল।

ললিতাই বিনয়ৰ লগত হঠাতে এইদৰে অকলে গুচি অহা বুলি শুনি
পৰেশ ভট্টাই নিমিষতে বুজিব পাৰিলে যে ইয়াৰ বাবে ললিতাই বহুদিনলৈকে
বহুতো দুখ সহিব লাগিব। আজি তাই যি অপৰাধ কৰিলে, মানুহে তাইক
তাতকৈ বহুতো ডাঙৰ অপৰাধৰ শাস্তি দিহিব। এই কথাটোকে তেখেতে
মনে মনে ভাবি আছিল. এনেতে ললিতাই ক'লে,—"দেউতা, মই দোষ কৰিছোঁ।
কিন্তু এইবাৰ মই ভালকৈয়ে বুজিলোঁ যে ৰবচাহাবৰ লগত আমাৰ দেশৰ
মানুহৰ এনেকুৱা সম্বন্ধ যে আমি ৰবচাহাবৰ অতিথি হোৱাত একো সন্মানেই
নাই। ই মাথোন এটা তেখেতৰ অনুগ্রহ হে। এনে কথা সহ্য কৰিও
কলো মই তাত থকাটো উচিত আছিল?"

পৰেশ ভট্টৰ মনত প্রশ্নটো নিচেই উজু যেন লাগিল। তেখেতে
কলো উত্তৰ দিবলৈ যত্ন নকৰি ললিতাৰ মূৰত সোঁ হাতেৰে লাহেকৈ
থুবিয়াই দি ক'লে,—"পাগলীজনী!"

এই ঘটনাটোৰ কথাকেই মনত পাওঁলি পাওঁলি সেইদিনা আবেলি
পৰেশ ভট্টাই ঘৰৰ আগফালে ঘূৰা-পকা কৰি আছিল। এনেতে বিনয়
আহি তেখেতক সেৱা কৰিলেহি। পৰেশ ভট্টাই গোৰাক ফাটেকত দিয়াৰ
সময়ত বহুতে সময় তাৰ লগত আলোচনা কৰিলে। কিন্তু ললিতাৰ লগত
তেখেতে অহাৰ বিষয়ে কোনো কথাকে নুলিয়ালে। এঙ্কাৰ হৈ অহাত
তেখেতে ক'লে,—"ব'লা বিনয়, ভিতৰলৈ ব'লা।"

বিনয়ে ক'লে,—"নাই, আজি আৰু মই নবহোঁ। ঘৰলৈকে যাওঁ
।"

পৰেশ ভট্টাই তাক আৰু দ্বিতীয় বাৰ অনুৰোধ নকৰিলে। বিনয়ে
তাৰ এক মুহূৰ্ত্তৰ বাবে দুমহলালৈ চায়েই লাহে লাহে গুচি গ'ল গৈ।
ওপৰপৰা ললিতাই বিনয়ক দেখা পাইছিল। পৰেশ ভট্টক অকলে
পাই ঘৰত সোমোৱা দেখি বিনয় কিজানি অলপ পৰ পিচতে আহিব বুলি
ললিতাই ভাবিলে। অলপ পৰ পিচতো বিনয় নাহিল। তেতিয়া ললিতাই

মেজৰ ওপৰত থকা দুই এখন পুথি আৰু ইটো সিটো বস্তু এনে
সিফাল কৰি লাহে লাহে কোঠাটোৰপৰা ওলাই গুচি গ'ল গৈ
ভট্টই আকৌ তাইক মাতি আনিলে। তাইৰ ককণ মুখখনৰ ফালে
চাই ক'লে,—"ললিতা, মোক এটা ব্ৰহ্ম-সঙ্গীত গাই শুনোৱা অ
এইবুলি তেখেতে চাকিটো চকুৰ আগৰপৰা আঁৰ কৰি থলে

৩৪

পিচদিনাখন ৰবদাসুন্দৰী আৰু তেখেতৰ দলৰ আটাইকে
পালেহি। ৰবদাসুন্দৰীয়ে খণ্ডত আৰু অভিমানত ললিতাৰ ফা
লেই। তাইৰ লগত একো কথাকে নেপাতি পোনে পোনে
নিজৰ কোঠাত সোমালগৈ। লাৱণ্য আৰু লীলাৱো ললিতা
ৰ খং উঠিছিল। ললিতা আৰু বিনয় গুচি অহাত সিহঁতৰ অ
অভিনয় ইমান বেচি নীৰস আৰু উকা হৈছিল যে সিহঁতে
দেখুৱাৰ নোৱাৰা হৈছিল। সুচৰিতাই হাৰানৰ ঘিণ লগা
ৰবদাসুন্দৰীৰ ক্ৰন্দনাম্বুৰা হা-হুমুনিয়াহ, নাইবা লাৱণ্য-লীলাৰ
অকণোকে যোগ নিদি একেবাৰে নিমাত হৈ ৰহি আছিল।
ভাগৰ কামখিনি তাই যন্ত্ৰৰ দৰে কৰি গৈছিল। আজিও তে
যন্ত্ৰৰ দৰেই সকলোৰে পিচে পিচে আহি ঘৰত সোমালহি।
অনুতাপত ম্ৰিয়মান হৈ সুধীৰ ভট্ট ডাঙৰীয়াৰ ঘৰৰ দুৱাৰ
গ'ল গৈ। লাৱণ্যই তাক বাৰে বাৰে সিহঁতৰ ঘৰত সোমা
অৱশেষত বিফল হৈ তাক কেতিয়াও আৰু নেমাতে বুলি ক'লে
হাৰানে পৰেশ ভট্টৰ কোঠাত সোমায়েই ক'লে,—"এ
অন্যায় হৈ গ'ল।"

সি কাষৰ কোঠাটোতে ললিতা আছিল। তাইৰ কাণত এ
পৰা মাত্ৰকে তাই আহি দেউতাকৰ চকীখনৰ পিচফালে
থৈ থিয় হলহি আৰু হাৰানৰ মুখলৈ একেথৰে চাবলৈ ধৰিলে।
পৰেশ ভট্টই ক'লে,—"মই ললিতাৰ মুখে সকলো কথা
যিটো ঘটি গ'ল সেই বিষয়ে আলোচনা কৰি এতিয়া আৰু
নাই।"

হাৰানে শান্ত সংযত পৰেশ ভট্টক অতি দুৰ্ব্বল স্বভাৱৰ বুলি ভাবিছিল।
সেই কাৰণেই তেওঁ অলপ অৱজ্ঞাৰ সুৰেৰে ক'লে,—"ঘটনা তো ঘটেও
ক শেষো হয়। কিন্তু কথাহে থাকি যায়। সেই কাৰণেই ঘটি যোৱা
টোনাও চালি জাৰি চোৱাৰ প্ৰয়োজন আছে। আপোনাৰপৰা সদায় নাই
সেই অহাৰ কাৰণেই ললিতাই আজি এনে এটা কাণ্ড কৰিবলৈ সাহ পাইছে।
আপুনি তাইৰ যে কিমান অনিষ্ট কৰিছে, আজিৰ ঘটনাটো শুনিলেহে
সকলোকে বুজিব পাৰিব।"

পৰেশ ভট্টই তেখেতৰ পিচফালে চকীখনত সৰু এটা জোকাৰণি
নুভৱ কৰি লৰালৰিকৈ ললিতাক তেখেতৰ কাষলৈ টানি আনি তাইৰ
ত খনত চেপা মাৰি ধৰি অলপ হাঁহি হাৰানক ক'লে,—"পানু বোপা,
তত আপুনি নিজেও বুজিব যে সন্তানক মানুহ কৰিবলৈ হ'লে মৰমৰো
োজন আছে।"

ললিতাই এহাতেৰে দেউতাকৰ ডিঙিত ধৰি অলপ চাপৰি তেখেতৰ
ৰ কাষলৈ মুখখন আনি ক'লে,—"দেউতা, তোমাৰ গাধোৱা পানী
ই'ব এতিয়া। যোৱাঁ, তুমি গা ধোৱাগৈ।"

পৰেশ ভট্টই হাৰানৰ পিনে চাই লাহেকৈ ক'লে,—"অলপ পিচত
। এতিয়াও ৰব বেচি বেলি হোৱা নাই।"

ললিতাই কোমল মাতেৰে ক'লে,—"নহয় দেউতা, তুমি গা ধুই আহা
োৱাঁ। তিমান পৰ আমি মাষ্টৰৰ কাষত থাকিম।"

পৰেশ ভট্ট কোঠাটোৰপৰা ওলাই যোৱাৰ লগে লগে ললিতাই এখন
ত দৃঢ়ভাৱে ৰহি হাৰানৰ মুখলৈ ঘোপাকৈ চাই ক'লে,—"সকলোকে
লা ধৰণৰ কথা কোৱাৰ অধিকাৰ আপোনাৰ আছে বুলি ভাৱে নে কি?"

ললিতাক সুচৰিতাই চিনি পাইছিল। আন দিনা হোৱা হ'লে ললি-
এনেকুৱা মূৰ্ত্তি দেখি সুচৰিতাই ভয় খালেহেঁতেন। আজি কিন্তু
কিবা পুথি এখন মেলি লৈ খিড়িকীৰ কাষৰ চকী এখনত মনে মনে
থাকিল। নিজকে চন্তালি চলাটো সুচৰিতাৰ চিৰদিনীয়া স্বভাৱ
অভ্যাস। এই কেইদিন তাইৰ মনত যিমানেই বেচি নানান ধৰণৰ
লাগিছিলহি, সিমানেই তাইৰ মুখৰ মাত নোহোৱা হৈ পৰিছিল।
নীৰৱতাৰ বোজা আজি তাইৰ অসহনীয় হৈ উঠিছিল। সেয়েহে
ললিতাই হাৰানৰ আগত তাইৰ নিজৰ মন্তব্য প্ৰকাশ কৰিবলৈ ধৰাত
কিতাৰ সোপাধৰা হৃদয়েও যেন সঁকাহ পাবলৈ সুবিধা পালে।

ললিতাই ক'লে,—"আপুনি ভাৱে যে আমাৰ প্ৰতি দেউতাৰ কৰ্ত্তব্যৰ

বিষয়ে দেউতাতকৈয়ো আপুনিহে বেচি জানে। আপুনি তাৰ ব্রাহ্ম সমাজৰ আপুনিয়েই হৈছে হেড্‌মাষ্টৰ।"

ললিতাৰ এনেকুৱা উদ্ধতালি দেখি হাৰান প্ৰথমতে হতবুদ্ধি হৈ তাৰ পিচত তেওঁ তাইক এটা চোকা উত্তৰ দিব খোজোঁতেই ললিতা বাধা দি ক'লে,—"ইমান দিনে আপোনাৰ শ্ৰেষ্ঠতা আমি বহুতে কিন্তু এতিয়া আপুনি দেউতাতকৈয়ো ডাঙৰ হ'ব খুজিলে এই কোনেও আৰু আপোনাক সহ্য নকৰিব। আন কি আমাৰ নকৰে।"

হাৰানে ক'লে,—"ললিতা, তুমি—"

ললিতাই তেওঁক বাধা দি চিঞৰি ক'লে,—"মনে মনে আপোনাৰ কথা আমি সদায় শুনিছোঁ। আজি মোৰ কথা শুনক নকৰে যদি সুচিবাইদেউক সোধক—আপুনি নিজকে যিমান ভাৱে, আমাৰ দেউতা তাতকৈ হেজাৰ গুণে ডাঙৰ। এতিয়া যিমানবোৰ উপদেশ দিবলগীয়া আছে দিব পাৰে।"

হাৰানৰ মুখ ক'লা পৰি গ'ল। তেওঁ চকীৰপৰা উঠি "সুচৰিতা!"

সুচৰিতাই পুথিৰপৰা মুৰ দাঙি চালে। হাৰানে ক'লে,— আগতেই ললিতাই মোক অপমান কৰিব নে?"

সুচৰিতাই শান্তভাৱে ক'লে,—"আপোনাক অপমান কৰা উদ্দেশ্য নহয়! দেউতাক আপুনি সন্মান কৰি চলিব লাগে বুলি তাই মাথো কব খোজে। তেখেতৰ দৰে সন্মানৰ যোগ্য মানুহ আৰু আন কাকো দেখা নাই।"

এবাৰ হাৰান তেতিয়াই উঠি গুচি যাব যেন লাগিল। নুঠিল। গহীন হৈ বহি থাকিল। এইখন ঘৰত হাৰানে যিমানেই নোহোৱা হৈ যোৱা বুলি অনুভৱ কৰিছিল, খোপনি পুতি বহিবলৈ তেওঁ আৰু বেচিকৈ হে জোৰ দি পাহৰি গৈছিল যে মৰহা আশ্ৰয়ক যিমানেই বেচি জোৰেৰে ধৰিবলৈ যোৱা যায় সেই আশ্ৰয় সিমানে আৰু বেচিকৈহে ভাঙি

হাৰানে খণ্ডতে টিঙিৰি-তুলা হৈ কোদোৰ দৰে বহি ললিতা উঠি গৈ সুচৰিতাৰ কাষত বহিল গৈ আৰু তাইৰ লাহে এনেদৰে কথা-বতৰা পাতিবলৈ ধৰিলে যেন বিশেষ নাই।

ইতিমধ্যে সতীশ কোঠাটোলৈ সোমাই আহি সুচৰিতাৰ হাতত ধৰি ক'লেহি,—"ডাঙৰ বাইদেউ, ব'লা আৰু'।"

সুচৰিতাই সুধিলে,—"কলৈ যাব লাগিব অ'?"

সতীশে ক'লে,—"বলা আৰু', তোমাক এটা বস্তু দেখুৱাম। ললিতা বাইদেউ, তুমি কৈ দিলা নে কি আকৌ?"

ললিতাই উত্তৰ দিলে,—"ওঁহো, নাই কোৱা।"

মাহীয়েকৰ কথা ললিতাই সুচৰিতাৰ আগত প্ৰথমে কৈ দিব নোৱাৰিব বুলি সতীশে আগতেই কৈ থৈছিল। ললিতায়ো নিজৰ কথা ৰাখিছিল।

আলহীক অকলে এৰি থৈ সুচৰিতা যাব নোৱাৰিলে। তাই সতীশক ক'লে,—"বক্তিয়াৰ, আৰু অকণমান পিচত যাম দেই। দেউতা বাকু আগতে গা ধুই আহক।"

সতীশ অস্থিৰ হৈ পৰিল। হাৰানক কেনেবাকৈ ফুমাৰি একেবাৰে নোহোৱা কৰি দিব পৰা হ'লে তেনে কৰিবলৈ সি যত্নৰ ত্ৰুটী নকৰিলে- হেঁতেন। হাৰানক সি বাঘ দেখা দি দেখিছিল বুলিয়েই তেওঁক একোকে ক'ৰ নোৱাৰিলে। হাৰানে মাজে সময়ে সতীশৰ স্বভাৱ শুধৰাবলৈ যত্ন কৰাৰ বাহিৰে তাৰ লগত আন একো সম্বন্ধই নেৰাখিছিল।

পৰেশ ভট্ট গা ধুই অহা মাত্ৰকে সতীশে তাৰ দুয়োজনী বায়েককে টানি লৈ গুচি গ'ল।

হাৰানে ক'লে,—"সুচৰিতাৰ সম্বন্ধে সেই যে প্ৰস্তাৱটো দিছিলোঁ, সেই বিষয়ে মই আৰু পলম কৰিব নোখোজোঁ। অহা দেওবাৰেই কামটো সোৱা মোৰ ইচ্ছা।"

পৰেশ ভট্টই ক'লে,—"মোৰ তো একো আপত্তি নাই। সুচৰিতাৰ মত হ'লেই হয়।"

হাৰান,—তেওঁৰ মত দেখোন আগতেই লোৱা হৈছে।

পৰেশ ভট্ট,—বাকু, তেনেহলে সেই কথাই থাকিল।

৩৫

সেই দিনা ললিতাৰ কাষৰপৰা ওচি অহাৰ পিচত এই
কাঁইটে বিন্ধাদি বিনয়ক বাৰে বাৰে বিন্ধিবলৈ ধৰিলে। সি
ধৰিলে,—'ভট্ট ডাঙৰীয়াৰ ঘৰলৈ মই যোৱাটো কোনোবাই
নাই, সেইটো সঠিককৈ নজনাকৈয়ে মই নিজে আগবাঢ়ি
অহা-যোৱা কৰিছোঁ। সেইটো কিজানি ভাল হোৱা নাই।
কতবাৰ অসময়ত গৈ মই তেওঁলোকক আমনি দিছোঁ গৈ।
সমাজৰ নিয়ম আদিও মই একো নেজানো। সেইখন ঘৰত
সীমানো ক'ত, তাকো মই নেজানো। মই কিজানি মূর্খৰ দৰে
ঠাইত সোমাইছিলোঁগৈ য'ত সিহঁতৰ নিজৰ আপোন মানুহৰ
প্ৰৱেশ নিষেধ।'

এইবোৰ কথা ভাবোঁতে ভাবোঁতে হঠাতে সি এবাৰ ভাবিলে—
কিজানি আজি তাৰ মুখত এনে কিবা এটা দেখিছিল—যাৰ
অপমান বোধ কৰিছিল। ললিতাৰ প্ৰতি বিনয়ৰ মনৰ ভাবনো
আজি অতদিনে বিনয়ে সেইটো নিজেই ভালকৈ নেজানিছিল
আজি আৰু সেই কথা গোপন হৈ থকা নাই। অন্তৰৰ এই
পিচত নো এতিয়া কি হব সি সেইটো নিজেই একো বুজিব
বাহিৰৰ লগত নো ইয়াৰ যোগ ক'ত? সংসাৰৰ লগত নো
সম্বন্ধ? এইটো ললিতাৰ প্ৰতি অসম্মান নে কি? এইটো
প্ৰতি বিশ্বাসঘাতকতা নে কি? এইবোৰ প্ৰশ্নই হেজাৰবাৰ তাৰ
লগাবলৈ ধৰিলে। ললিতাৰ আগত সি আজি ধৰা
কাৰণেই ললিতাৰ তাৰ ওপৰত খং উঠিছে। এই কথা
লাজতে তাৰ একেবাৰে ধূলিৰ লগত মিহলি হৈ যোৱা যেন লাগিল।

পৰেশ ভট্টৰ ঘৰলৈ আকৌ দুনাই যোৱাটো বিনয়ৰ
হৈ উঠিল। তাৰ নিজৰ ঘৰৰ শূন্যতায়ো এটা বোজাৰ দৰে
মাৰি ধৰিলেহি। পিচদিনা পুৱাতে সি আহি আনন্দময়ীৰ
তেখেতক সি ক'লে,—"আই, কিছুদিন মই তোমাৰ লগত
আনন্দময়ীক গোৰাৰ বিচ্ছেদ শোকৰ সান্ত্বনা দিয়াৰ
মনত আছিল। সেইটো কথা বুজিব পাৰি আনন্দময়ীৰ
একোকে নকৈ তেখেতে বিনয়ৰ গাত এবাৰ মৰমেৰে হাত

বিনয়ে তাৰ খোৱা-বোৱা, সা-শুশ্ৰূষা লৈ নানা ধৰণৰ আৰম্ভ কৰিলে। ইয়াত তাৰ উপযুক্ত আল-পৈচান ধৰা
মাজে মাজে সি আনন্দময়ীৰ লগত অনাহকতে দন্ কৰিবলৈকো
মুহুৰ্তকিল। আচল কথা হৈছে অনবৰত সি গোলমাল, চিঞৰ-বাখৰ
আনন্দময়ীক আৰু লগতে নিজকো পাহৰাই ৰাখিবলৈ যত্ন
সন্ধিয়া বেলিকা মনক সামৰি ৰখা যেতিয়া প্ৰায় অসাধ্য হৈ
যেতিয়া আনন্দময়ীক তেখেতৰ সকলো ঘৰুৱা কাম-কাজৰপৰা
লৈ গৈ সন্মুখৰ বাৰাণ্ডাখনত পাটী পাৰি বহেগৈ। সি
তেখেতৰ সৰু কালৰ কথা, তেখেতৰ বাপেকৰ ঘৰৰ কথা
তেখেতৰ বিয়া হোৱা নাছিল, যেতিয়া তেখেত তেখেতৰ
টোলৰ ছাত্ৰবোৰৰ অতি আদৰৰ অকণি ভনীয়েকজনী
লোহোৰা ছোৱালী বুলি সকলো কথাতে আটায়ে লাই
কাৰণ আছিল,—সেইবোৰ এৰি অহা দিনৰ কাহিনী
শুনিবলৈ ধৰিলে।

বিনয়ে কৈছিল,—"আই, তুমিও যে আকৌ কেতিয়াবা
আছিলা সেইটো কথা ভাবিলেই মোৰ বৰ আচৰিত যেন
বোৰেৰে টোলৰ ছাত্ৰবোৰেও তোমাক সিহঁতৰ এখানমানি
ভাবিছিল। ককাদেউতাকো বোধকৰোঁ তুমিয়েই মানুহ
এদিন সন্ধিয়া বেলিকা পাটীত বাগৰি আনন্দময়ীৰ
শুই বিনয়ে কলে,—"আই, মোৰ এনেহে মন যায় যেন
বুদ্ধি লোপাকে বিধতাক ওভোতাই দি পুনৰ কেঁচুৱাটো
কোলাতে আকৌ আশ্ৰয় লওঁ। মাথোন তুমি আই,
মোৰ যেন আৰু কোনোৱেই নেথাকে।"

বিনয়ৰ মাতত শোক আৰু বেজাৰে হেঁচি ধৰা এটি
আজি উঠিল যে তাকে শুনি আনন্দময়ীৰ বেজাৰ লাগিল
কিন্তু আচৰিতো হ'ল। তেখেতে বিনয়ৰ কাষ চাপি
মুহুৰ্তে হাত ফুৰাই দিবলৈ ধৰিলে। বহুপৰ মনে মনে
লাজকৈক শুধিলে,—"বিনু, ভট্ট ডাঙৰীয়াৰ ঘৰৰ আটাইখন
হ'ল। হঠাতে এই প্ৰশ্নটো শুনি বিনয়ৰ লাজ লাগি
ভাবিলে,—'আইৰপৰা একোকে লুকুৱাৰ নোৱাৰি। আই
সকৰ্ব্বজ্ঞা।' সি লাজ লাজ কৈ উত্তৰ দিলে,—"ওঁ, তেওঁলোক
ভালেই আছে।"

আনন্দময়ীয়ে কলে,—"ভট্ট ডাঙৰীয়াৰ জীয়েকহঁতৰ লগত
হবলৈ মোৰ বৰ মন যায়। প্ৰথমে তো গোবাই সিহঁতক ভালেই
কিন্তু অৱশেষত সিহঁতে তাক বশ কৰিব পাৰিলে যেতিয়া সিহঁত
সাধাৰণ ছোৱালী নহয়।"

বিনয়ে উৎসাহ পাই কলে,—"ভট্ট ডাঙৰীয়াৰ জীয়েক
লগত তোমাক কোনো ৰকমে চিনাকি কৰি দিবলৈ
মন গৈছিল। কিন্তু গোবাই কিবা ভাবে বুলিয়েই
কোৱা নাছিলোঁ।"

আনন্দময়ীয়ে সুধিলে,—"ডাঙৰ ছোৱালীজনীৰ নাম কি?"

এইদৰে ইটো সিটো প্ৰশ্নৰ পিচত ললিতাৰ কথা ওলাওঁতেই
সেইটো চমুকৈ শেষ কৰিব খুজিলে। আনন্দময়ীয়ে কিন্তু বাধা
তেখেতে পেটে পেটে হাঁহি কলে,—"ললিতা বৰ বুদ্ধিমতী ছোৱালী
শুনিছোঁ।"

বিনয়ে সুধিলে,—"তুমি কাৰপৰা শুনিলা?"

আনন্দময়ীয়ে কলে,—"কিয়? তোমাৰ মুখেৰেই শুনিছিলোঁ
আগতে এসময়ত এনে দিনো আছিল যেতিয়া ললিতাৰ সৰুৰ
মনত কোনো প্ৰকাৰৰ সন্দেহ নাছিল। সেই মোহমুক্ত অৱস্থাত
ললিতাৰ চোকা বুদ্ধিৰ বিষয়ে আনন্দময়ীৰ আগত অবাধে
কৰিছিল, সেই কথা তাৰ মনতেই নাছিল।

আনন্দময়ীয়ে পাকৈত গুৰিয়ালৰ দৰে সকলো বাধা নেওচি
কথা এনেদৰে আগুৰাই লৈ গ'ল যে বিনয়ৰ লগত ললিতাৰ
হোৱাৰ প্ৰথমৰেপৰা আজিলৈকে ঘটা প্ৰধান প্ৰধান ঘটনাবোৰৰ
প্ৰকাশ হ'ল। গোবাই ফাটেক খাবলগীয়া হোৱাত ললিতাই
বেজাৰ পাই বিনয়ৰ লগত জাহাজত অকলে অকলে কাকো
ওচি আহিছিল, সেই কথাটোও বিনয়ে আজি কৈ দিলে।
তাৰ উৎসাহ বাঢ়ি উঠিল। সন্ধিয়া যিটো অৱসাদে তাক
সি কৰবালৈ আঁতৰি গ'ল। সি যে ললিতাৰ নিচিনা
আচৰিত স্বভাৱৰ ছোৱালীৰ লগত চিনাকি হব পাৰিছে,
এনেদৰে কৰ পাৰিছে, এইটোৱেই বিনয়ৰ মনত এটা
লাগিল। বাতি ভাত খাবলৈ মতাতহে যেতিয়া গল্প অন্ত
বিনয়ে সপোনৰপৰা সাৰ পোৱাৰ দৰে সাৰ পাই গম
মনৰ সকলোবোৰ কথাকেই উজাৰ কৰি আজি সি

কৈ দিলে। আনন্দময়ীয়ে এনে দৰে আটাইবোৰ কথা শুনিলে, এনেদৰে
সকলো কথা গ্ৰহণ কৰিলে যে ইয়াত যে কিবা লাজ পাবলগীয়া কথা
আছে, সেইটো বিনয়ৰ মনলৈকে নাহিল। আজিলৈকে তেখেতৰপৰা
লুকাবলগীয়া কথা বিনয়ৰ একোকে নাছিল। দাঁতত ভাত এটা লাগিলেও
দি আহি তেখেতৰ আগত কৈছিল হি। কিন্তু পৰেশ ভট্টৰ পৰিয়ালৰ
লগত চিনাকি হবৰেপৰা কৰবাত যেন কিবা এটা ঘটিছিল। সেই ঘটনা
বিনয়ৰ বাবে মুঠেই সুখৰ কথা নাছিল। আজি সূক্ষ্মদৰ্শিনী আনন্দময়ীৰ
আগত ললিতাৰ সম্বন্ধে তাৰ মনৰ আটাইবোৰ কথা এইদৰে প্ৰকাশ হৈ
পৰাত বিনয়ৰ মনটো বৰ ফৰকাল লাগি গ'ল। মাকৰ আগত তাৰ জীৱনৰ
এই ঘটনাটো সম্পূৰ্ণকৈ নিবেদন কৰিব নোৱাৰা হলে ঘটনাটো কোনো
ৰকমেই পৰিত্ৰ হব নোৱাৰিলেহেঁতেন, এই ঘটনাটোৱে চিৰজীৱন তাক
দুখ দিলেহেঁতেন।

সেই নিশা আনন্দময়ীয়ে বহুপৰলৈকে এই কথাবোৰকে গুণাগুঁথা
কৰিবলৈ ধৰিলে। গোৰাৰ জীৱনৰ দিনক দিনে জটিল হৈ অহা সমস্যা-
টোৰো কিবা এটা সমাধান পৰেশ ভট্টৰ ঘৰতে হব পাৰে বুলিও তেখেতে
পেটে পেটে ভাবিবলৈ ধৰিলে। যেনে তেনে পৰেশ ভট্টৰ জীয়েক কেই-
জনীৰ লগত চিনাকি হবগৈ লাগিব বুলি সেই নিশাই তেখেতে মনে মনে
স্থিৰ কৰিলে।

৩৬

শশীমুখীৰ লগত বিনয়ৰ বিয়াখন জানিবা একেবাৰে ঠিকেই হৈ গৈছে—
মহিম আৰু তেওঁৰ ঘৰৰ আন সকলোৱেই এনেকুৱাহে দেখুৱাইছিল।
শশীমুখী তো বিনয়ৰ আগত নোলাইছিলেই। শশীমুখীৰ মাকৰ লগত
বিনয়ৰ চিনাকি নাছিল বুলিলেই হয়। তেখেত যে ঠিক লাজকুৰীয়া আছিল
সেইটো নহয়; কিন্তু তেখেতৰ আঁৰ-বেৰ বৰ বেচি আছিল। তেখেতৰ
কোঠালীৰ দুৱাৰত প্ৰায়ে ডাং দি থোৱা হৈছিল। গিৰীয়েকৰ বাহিৰে
তেখেতে তেখেতৰ আন সকলো সম্পত্তি তলা-চাবি মাৰি থৈছিল। গিৰী-
য়েকো যে অনৱৰত মুকলি হৈ থাকিব পাৰিছিল, সেইটোও নহয়। যৈণী-
য়েকৰ শাসনত তেওঁৰ ফুৰা-চকাও একেবাৰে সীমা বন্ধা আছিল আৰু

তাৰ বেৰো নিচেই ঠেক আছিল। এইদৰে আগুৰি থকাৰ স্বভাৰৰ
শশীমুখীৰ মাক লক্ষ্মীমণিৰ সংসাৰখন সম্পূৰ্ণ তেখেতৰ নিজৰ হাতত
আছিল। তাত বাহিৰা মানুহৰ ভিতৰলৈ অহাৰ আৰু ভিতৰৰ
বাহিৰলৈ যোৱাৰ বৰ হাট-বাট নাছিল। আন কি গোৱায়ো লক্ষ্মী
ৰাজত্বত তেনেকৈ নাই নেপাইছিল। এই ৰাজত্বৰ নীতি-নিয়ম
কোনো দুতলীয়া শাসন নাছিল। কিয়নো, ইয়াৰ বিধানকৰ্ত্তাও লক্ষ্মী
আকৌ নিম্ন আদালতৰপৰা আপিল-আদালতলৈকে সকলোতে লক্ষ্মী
একজিকিউটিভ আৰু জুডিচিয়েলৰ তো কোনো প্ৰভেদ নাছিলেই,
লেজিচলেটিভকো তাৰ লগতে সাঙুৰি দিয়া হৈছিল। বাহিৰা
লগত মহিমৰ ব্যৱহাৰ দেখিলে মহিমক খুব টান মানুহ যেন লাগে,
লক্ষ্মীমণিৰ ৰাজত্বত তেওঁৰ নিজস্ব মত খটুৰাবলৈ কোনো উপায়
আন কি অতি সাধাৰণ কথাতো তেওঁৰ মত নেখাটিছিল।

লক্ষ্মীমণিয়ে বিনয়ক আঁৰৰপৰা দেখিছিল আৰু তাক পছন্দও
মহিমে বিনয়ক তাৰ চেনেয়ীয়া কালৰেপৰা গোৱাৰ বন্ধুৰূপে ইমানকৈ
ৰাতিয়ে দেখি আহিছে আৰু তাৰ লগত ইমান বেচিকৈ ঘনিষ্ঠতা হৈ
যে বিনয়ো যে তেওঁৰ জোঁৱায়েক হব পাৰে, এই কথা ভবাই
লক্ষ্মীমণিয়ে বিনয়লৈ আঙুলিয়াই দিয়াত হে তেওঁৰ চকুত
তেতিয়াৰপৰা বৈণীয়েকৰ বুদ্ধিৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু
বিনয়ৰ লগতে জীয়েকৰ বিয়াখন পাতিব লাগিব বুলি লক্ষ্মীমণিয়ে
কৈ দিছিল। এইখন বিয়াৰপৰা হব লগা এটা ডাঙৰ সুবিধাৰ
তেখেতে গিৰীয়েকৰ মনত সুমুৱাই দিছিল। সুবিধাটো হৈছে
সিহঁতৰপৰা কোনো যৌতুক দাবী কৰিবলৈ টান পাব।

বিনয়ক ধৰতে পায়ো মহিমে দুদিন মান বিয়াৰ বিষয়ে
উলিয়াব পৰা নাছিল। গোৱাই ফাটেক খাটিবলগীয়া ছোৱা বাবে
মনটো কিছু গধুৰ হৈ আছিল। আৰু সেই বাবেই তেওঁ বিনয়ক
কব পৰা নাছিল।

সেইদিনা দেওবাৰ। বৈণীয়েকে মহিমৰ সাদিনীয়া দিনৰ
পুৰ হবলৈ নিদিলে। বিনয়ে আনন্দময়ীক বঙ্কিমচন্দ্ৰৰ নতুনকৈ
হোৱা "বঙ্গদৰ্শন"খন পঢ়ি শুনাই আছিল। তামোলৰ বটাটো
লৈ মহিমো আহি তাতে বিছনাখনৰ ওপৰত লাহেকৈ বহিলহি।

প্ৰথমেই বিনয়লৈ এখন তামোল আগবঢ়াই দি মহিমে গোৱাৰ
নিৰ্ব্বুদ্ধিতাৰ কথা উলিয়াই বিৰক্তি

খানাচ হবলৈ আৰু কিমান দিন বাকী আছে তাৰ আলোচনা কৰিবলৈ
গৈ হঠাতে তেওঁৰ মনত পৰিল যে আঘোণ মাহৰ আধা-আধিচোন উকলিলেই।

তেওঁ বিনয়লৈ চাই কলে,—"বিনয়, আঘোণ মাহত তোমালোকৰ
বংশত বিয়া নহয় বুলি যে তুমি কথাষাৰ কৈছিলা, সেইষাৰ একো মানিব
লগীয়া কথা নহয়। পঞ্জিকাত তো বাধা-নিষেধৰ বাহিৰে আন একো
কথাই নেথাকে, তাৰোপৰি তোমালোকেও যদি এইদৰে ঘৰে ঘৰে শাস্ত্ৰ
বচিবলৈ ধৰা তেনেহলে বংশ ৰক্ষা হয় কেনেকৈ?"

বিনয় বিপদত পৰা দেখি আনন্দময়ীয়ে উত্তৰ দিলে,—"বিনয়ে শশীমুখীক
তেনেই সকৰেপৰা দেখি আহিছে; এতিয়া নো সি তাইক কোন সতে
বিয়া কৰায়? সেই কাৰণেই সি আঘোণ মাহৰ চেলু লৈ বহি আছে।"

মহিমে কলে,—"এইটো কথা পোনপ্ৰথমে কোৱা হলেই হ'লহেঁতেন
দেখোন।"

আনন্দময়ীয়ে কলে,—"নিজৰ মনৰ কথা বুজিবলৈকো তো সময়
লাগে। মহিম, দৰাৰ জানো কিবা অভাৱ আছে? গোৱা আগতে উভতি
আহক। বহুতো ভাল লৰাৰ লগত তাৰ চিনা-জনা আছে। সি তাৰে
এটা ঠিক কৰি দিব পাৰিব।"

মহিমে মাথোন মুখ ক'লাকৈ কলে,—"ওঁ।" অলপ পৰ মনে মনে
থাকি তেওঁ আকৌ কলে,—"আই, তুমি বিনয়ৰ মন এইদৰে ভাঙি নিদিয়া
হলে এই বিয়াখনত—সি কেতিয়াও আপত্তি নকৰিলেহেঁতেন।"

বিনয়ে লৰালৰিকৈ কিবা এটা কব খুজিছিল, কিন্তু আনন্দময়ীয়ে
বাধা দি কলে,—"ওঁ, মহিম, সেইটো অৱশ্যে সঁচা কথা। এই বিষয়ে
মই তাক কোনোদিনাই উদগনি দিব পৰা নাছিলোঁ। বিনয় এতিয়াও
তেনেই লৰা হৈয়ে আছে, সি নুবুজাকৈ কিছুমান কাম কৰি পেলাব পাৰে,
কিন্তু শেষত তাৰ ফল ভাল নহলহেঁতেন।"

আনন্দময়ীয়ে বিনয়ক আঁৰকৈ ধৰি মহিমৰ খং নিজেই গা পাতি
ল'লে। বিনয়ে সেইটো বুজিব পাৰিলে আৰু নিজৰ সোপাটিলা অৱস্থা
দেখি তাৰ নিজৰে বৰ লাজ লাগিল। বিয়াখনত যে সঁচাকৈয়ে তাৰ মত
নাই, এইটো কথাকে বিনয়ে কব খুজিছিল, কিন্তু মহিম আৰু নৰল।
তাৰপৰা ওলাই গ'লগৈ।

মহিমে এইদৰে ভাবিব পাৰে আৰু সংসাৰৰ বিচাৰালয়তো মাহীমাক
বুলি তেখেত নিজে যে সদায়

আনন্দময়ীয়ে জানিছিল। কিন্তু আনে কি কব এই কথা তাই
তেখেতব অভ্যাস নাছিল। গোবাক কোলাত তুলি লোৱা দিনা
আনব আচাব-বিচাব, নীতি-নিয়ম আদিবপবা তেখেতব প্রকৃতি
সুকীয়া হৈ গৈছে। সেই দিনাবেপবা তেখেতে এনেবোব কা
আহিছে যাবপবা সদায় অপবাদেই পাইছে। তেখেতব জীবনব অ
যি এটি সত্যই গোপনে তেখেতক সদায় আঘাত হানিছে, আনব
যেন তেখেতব সেই দুখ কিছু পবিমাণে পাতলাইছেহে। আনে
খৃষ্টান বুলিলে তেখেতে গোবাক বুকুত সাৱটি ধবি কৈছিল,—'
জানে যে খৃষ্টান বুলিলে মোক একো নিন্দা কবা নহয়।' এই
লাহে লাহে সকলো বিষয়তে আনব কথাবপবা নিজব ব্যৱহাবক
অনাটো তেখেতব স্বভাব হৈ পবিছিল। সেই কাবণেই মহিমে
পেটে নাইবা দেখাদেখিকৈয়ো তেখেতক মাহীনাক বুলি লাঞ্ছিত
তেখেতে নিজব পথবপবা আঁতবি নগৈছিল।

আনন্দময়ীয়ে কলে,—"বিনয়, তুমি ভট্ট ডাঙবীয়াহঁতব ঘবলৈ
দিন যোৱা নাই দেখোন।"

বিনয়ে উত্তব দিলে,—"বহুত দিন নো ক'ত?"

আনন্দময়ী,—জাহাজেবে অহাব পিচবেপবা চোন এদিনো
নাই।

সেয়া অৱশ্যে সবহ দিন নহয়। মাজতে ভট্টহঁতব ঘবলৈ সি
ঘনাই অহা-যোৱা কবিছিল যে তাক দেখা পোৱাটোও আনন্দময়ীব
দুর্ল্লভ হৈ পবিছিল বুলি বিনয়ে গম পাইছিল। সেই ছিটাপে
এতিয়া সি ভালেমান দিন পবেশ ভট্টব ঘবলৈ যোৱা নাই আৰু
সঁচাই আনব চকুত পবিবলগীয়াই হৈছে।

বিনয়ে নীবৱে নিজব চুবিয়াখনব আগবপবা সূতা এডাল টানি
ছিঙিবলৈ ধবিলে।

এনেতে লণ্ডৰাটোৱে আহি কলেহি,—"মাইজী, কাঁহাছে
আয়া।"

বিনয় লৰালৰিকৈ উঠি থিয় হল। কোন আহিছে, ক'বপবা
ইত্যাদি সোধোঁতে নোসোধোঁতেই সুচবিতা আৰু ললিতা আহি
সোমালহিয়েই। বিনয় আৰু তাবপবা ওলাই যাব নোৱাৰিলে।
হৈ থিয় হৈ থাকিল।

সুচবিতা আৰু ললিতাই আনন্দময়ীব ভবিব ধূলি মুবত

কবিলে। ললিতাই বিনয়ব পিনে ববকৈ নেচালেই। সুচবিতাই তাক
নমস্কাব কবি সুধিলে,—"আপোনাব ভাল, নহয়?"

তাব পিচত আনন্দময়ীলৈ চাই তাই কলে,—"আমি পবেশ ভট্টাচার্য্যব
ববপবা আহিছোঁ।"

আনন্দময়ীয়ে সিহঁতক আদব-সাদব কবি বহুবাই কলে,—"মোক
তোমালোকব চিনাকি দিব নেলাগে। আই, তোমালোকক মই দেখা নাই
হয়, কিন্তু তোমালোকক ঘবব ছোৱালী বুলিয়েই জানো।"

চাওঁতে চাওঁতে গল্প ভবি উঠিল। বিনয় মনে মনে বহি থকা
দেখি সুচবিতাই তাকো সিহঁতব কথা-বতবাত যোগ দিবলৈ যত্ন কবিলে।
তাই লাহেকৈ তাক সুধিলে,—আপুনি বহুদিন আমাব ঘবলৈ যোৱা নাই
কিয়?"

বিনয়ে ললিতালৈ এবাব চাই কলে,—"ঘনে ঘনে আমনি কবিলে
আপোনালোকব মবম-চেনেহ হেৰুৱাব পাবোঁ। বুলি ভয় লাগে।"

সুচবিতাই মিচিকিয়াই হাঁহি কলে,—"মবম-চেনেহেও যে ঘনে ঘনে
আমনি লগোৱাটোহে বিচাবে, সেইটো আপুনি নেজানে হব পায়?"

আনন্দময়ীয়ে কলে,—"সেইটো সি ভালদবেই জানে আই! তোমা-
লোকক নো কি ক'ম—গোটেই দিনটো তাব ফবমাচ খটা আৰু আবদাব
নহাই মোব কাম। আন কাম কবিবলৈ সময়কে নেথাকে।"

এইবুলি মবমেবে তেখেতে বিনয়লৈ চালে।

বিনয়ে কলে,—"ভগবানে তোমাক ধৈর্য্য দিছে, আৰু মোবদ্বাবা
তোমাব সেই ধৈর্য্য পবীক্ষা কবাই লৈছে।"

সুচবিতাই ললিতাক লাহেকৈ ঠেলা মাবি কলে,—"শুনিছ ভনীটি
ললিতা, আমাব পবীক্ষা বোধকবোঁ। শেষ হৈ গ'ল। নিশ্চয় পাছ কবিব
লোৱাবিলোঁ, নহয় জানো?"

ললিতাই এই কথাত যোগ নিদিয়া দেখি আনন্দময়ীয়ে হাঁহি হাঁহি
ক'লে—"এইবাব আমাব বিনুৱে নিজব ধৈর্য্যব পবীক্ষা কবিছে। সি
যে তোমালোকক কি বুলি ভাবে, সেইটো তো তোমালোকে নাজানা। নিতৌ
সন্ধিয়া লেলিকা আমাব মাজত তোমালোকব কথাব বাহিবে আৰু আন
একো কথাই নেথাকে। আৰু ভট্ট ডাঙবীয়াব কথা ওলালে তো সি
একেবাবে পমি যায় গৈ।"

এইবুলি আনন্দময়ীয়ে ললিতাব মুখলৈ চালে। কোনো ৰকমেহে
তাই মুখ তল নকবাকৈ থাকিল যদিও তাইব মুখখন বঙা পবি গ'ল।

আনন্দময়ীয়ে কলে,—"তোমালোকৰ দেউতাৰৰ কথা লৈ
কতৰ লগত কাজিয়া কৰিছে। তাৰ লগৰবোৰে তো তাক
এঘৰীয়াকে কৰিব খুজিছে। বিনু, তই ইমানকৈ ধৰফৰাইছ কিয়
দেখোন সঁচা কথাকে কৈছোঁ। ইয়াত লাজ পাবৰ তো একো
নাই। তোমালোকে কি কোৱা আই?"

এইবাৰ তেখেতে ললিতাৰ মুখলৈ চাওঁতেই তাই তলমু
সুচৰিতাই কলে,—চেটাৰ্জ্জীদেৰে আমাক আপোন মানুহ বুলি
আমি ভালকৈয়ে জানো। কিন্তু আমাৰ গুণৰ বাবে নহয়, তেখেতৰ
গুণত হে।"

আনন্দময়ীয়ে কলে,—"সেইটো সঠিক কৈ কব নোৱাৰোঁ।
তাক মই নিচেই সৰু কালৰেপৰাই দেখিছোঁ। ইমান দিনে মোৰ
তাৰ একমাত্ৰ বন্ধু আছিল। আন কি মই লক্ষ্য কৰিছোঁ যে বিনয়
নিজৰ দলৰ মানুহবোৰৰ লগতো মিলিব নোৱাৰে। কিন্তু তেখেতৰ
লগত দুদিনৰ চিনাকিতে এনেকুৱা হৈছে গৈ যে আমিও তাৰ
দেখিবলৈ নোপোৱা হৈছোঁহি। এই কথা লৈ তোমালোকৰ লগত
কৰিম বুলিয়েই ভাবিছিলোঁ। কিন্তু এতিয়া দেখিছোঁ ময়ো বিনয়ৰ
যোগ দিব লাগিব। তোমালোকে সকলোকে হৰুৱাবা যেন পাইছোঁ।

এই বুলি আনন্দময়ীয়ে এবাৰ ললিতাৰ আৰু এবাৰ সুচৰিতাৰ
ধৰি আঙুলিবেই দুটা চুমা খালে।

সুচৰিতাই বিনয়ৰ দুৰৱস্থা দেখি মৰমেৰে কলে,—"চেটাৰ্জ্জী
দেউতাও আহিছে। তেখেতে বাহিৰত এখেতৰ ডাঙৰীয়াৰ লগত
বতৰা পাতিছে।"

কথাষাৰ শুনি বিনয় লৰালৰিকৈ বাহিৰলৈ গ'ল গৈ। তাৰ
আনন্দময়ীয়ে সিহঁত দুয়োজনীৰে আগত গোৱা আৰু বিনয়ৰ নৰে-
বন্ধুত্বৰ কথা কবলৈ ধৰিলে। শুনোতা দুগৰাকীৰো যে আগ্ৰহ
এই কথা বুজিবলৈ আনন্দময়ীৰ আৰু বাকী নেথাকিল।
জীৱনত এই দুটি লৰাকেই তেখেতৰ মাতৃস্নেহৰ পৰিপূৰ্ণ
কৰি আহিছে। সংসাৰত ইহঁততকৈ ডাঙৰ তেখেতৰ আৰু
বালিকাৰ পূজাৰ শিৱৰ দৰেই ইহঁতক তেখেতে নিজ হাতেৰে
কিন্তু ইহঁতেই তেখেতৰ সকলো আৰাধনা গ্ৰহণ কৰিছে।
মুখত তেখেতৰ এই দুটি কোলাৰ দেৱতাৰ কাহিনী চেনেহৰ
হৈ এনেকুৱা মধুৰ আৰু ফুটফটীয়া হৈ পৰিল যে সুচৰিতা

হেঁপাহেৰে শুনিবলৈ ধৰিলে। গোৱা আৰু বিনয়ৰ প্ৰতি সিহঁতৰ শ্ৰদ্ধাৰ
অন্তৰ নাছিল। কিন্তু আনন্দময়ীৰ নিচিনা এনেকুৱা এগৰাকী মাতৃৰ
এনেকুৱা চেনেহৰ যোগেদি সিহঁতৰ লগত যেন আৰু ভালকৈ নতুনকৈ
চিনাকি হ'ল।

আনন্দময়ীৰ লগত আজি চিনাকি হোৱাৰ পিচত বৰচাহাবৰ ওপৰত
ললিতাৰ খং যেন আৰু বাঢ়িল হে। ললিতাৰ মুখত তেজি কথা শুনি
আনন্দময়ীয়ে হাঁহিলে। তেখেতে কলে,—"আই, গোৱাই আজি ফাটেক
খাটিছে। ইয়াৰ বাবে মই যে কিমান শোক পাইছোঁ সেইটো সৰ্ব্বযামীয়েহে
জানে। কিন্তু চাহাবৰ ওপৰত হলে মোৰ কোনো খং উঠা নাই। মই
তো গোৱাক চিনি পাওঁ, সি নিজে ভাল বুলি ভবা কাম কৰিব খুজিলে
আইন-কানুন একোকে নেমানে। আৰু এইবোৰ নেমানিলে বিচাৰক
সকলে তো তাক জেললৈ পঠিয়াবই। তাৰ বাবে তেওঁলোকক দোষ দিম
কিয়? গোৱাৰ কাম গোৱাই কৰিছে আৰু সিহঁতৰ কৰ্ত্তব্যও সিহঁতে কৰিছে।
ইয়াৰ বাবে যিবোৰে দুখ পাবলগীয়া আছে পাবই। আই, মোৰ গোৱাৰ
চিঠি পঢ়িলে তোমালোকেও বুজিব পাৰিলাহেঁতেন যে সি দুখলৈ ভয় কৰা
নাই, কাৰো ওপৰত অযথা খঙো কৰা নাই। ফলাফল জানিয়েই সি
সকলো কাম কৰিছে।"

এই বুলি তেখেতে যত্নেৰে সৈতে থৈ দিয়া গোৱাৰ চিঠিখন চন্দুৰপৰা
আনি সুচৰিতাৰ হাতত দি কলে,—"আই, তুমি ডাঙৰকৈ পঢ়াচোন। ময়ো
আৰু এবাৰ শুনো।"

গোৱাৰ সেই আচৰিত চিঠিখন পঢ়ি শেষ কৰাৰ পিচত তিনিও কিছু পৰ
মনে মনে নিমাত হৈ বহি থাকিল। আনন্দময়ীয়ে আঁচলৰ আগটোৰে
তিতা চকুজোৰ মচি ল'লে। সেই চকুলোত মাথোন মাতৃহৃদয়ৰ বেজাৰেই
নহয়, আনন্দ আৰু গৌৰৱো মিহলি হৈ আছিল। তেখেতৰ গোৱা জানো
কিমান যেই সেই গোৱা যে চাহাবে তাৰ দোষ ক্ষমা কৰি দয়া কৰি
তাক এৰি দিব—সি জানো তেনেকুৱা গোৱা? সি যে সকলো দোষ
স্বীকাৰ কৰি জেলখানাৰ দুখ-কষ্ট ইচ্ছা কৰিয়েই নিজৰ কান্ধত তুলি লৈছে।
তাৰ সেই কষ্টৰ বাবে কাৰো লগত একো কাজিয়া কৰিবলগীয়া নাই।
গোৱাই সেই কষ্ট অকাতৰে বহন কৰিছে আৰু আনন্দময়ীয়েও সেই কষ্ট
সহিব পাৰিব।

সংস্কাৰবোৰ ললিতাই খুব দৃঢ়কৈ মানিছিল। যিবোৰ তিৰুতা আধুনিক ধৰণে শিক্ষা পোৱা নাই আৰু যিবোৰক তাই হিন্দুৰ ঘৰৰ বুলি জানিছিল সিহঁতৰ ওপৰত ললিতাৰ সমূলি একো শ্ৰদ্ধা নাছিল। সৰু থাকোঁতে ৰবদাসুন্দৰীয়ে 'হিন্দুৰ ঘৰৰ ছোৱালীয়েও এইকৈ নকৰে' বুলি সিহঁতৰ যিবোৰ দোষলৈ আঙুলিয়াই দিছিল সেইবোৰ বাৰে ললিতাই সদায় অলপ বেচিকৈয়ে লাজ পাইছিল। আজি আনন্দময়ীৰ মুখৰপৰা এই কেই আষাৰ কথা শুনি তাই বাৰুকৈয়ে আচৰিত যেনে মনোৰঞ্জন, তেনেকুৱাই শান্তি, আৰু ঠিক তেনেকুৱাই আচৰিত বিবেচনা। এই মহিলা গৰাকীৰ আগত নিজৰ অসংযত হৃদয়ৰ বাৰে ললিতাৰ নিজকে ৰৰ সৰু যেন লাগিল। আজি তাইৰ উঠি আছিল, সেয়েহে তাই বিনয়ৰ মুখলৈ চোৱাই নাছিল, আৰু তাৰ কথাও পতা নাছিল। কিন্তু আনন্দময়ীৰ স্নেহ, কৰুণা আৰু উপচি পৰা মুখখনিলৈ চাই তাইৰ অন্তৰৰ সকলো বিদ্রোহৰ ভাৱ জুৰ পৰি গ'ল। সকলোৰে লগত তাইৰ সম্বন্ধ সহজ হৈ পৰিল। আনন্দময়ীক কলে,—"গৌৰমোহন ডেকাদেৱে নো ইমান শক্তি পাইছে আপোনাক দেখিহে আজি গম পালোঁ।"

আনন্দময়ীয়ে উত্তৰ দিলে,—"ওঁহো, তুমি ভালকৈ নাই বুজা। গোৱা আন দহোটা সাধাৰণ লৰাৰ নিচিনা হোৱা হলে মই নো বল ক'ৰপৰা পালো হয়? তেতিয়া তাৰ কষ্ট মই জানো এইদৰে পাৰিলোহেঁতেন?"

ললিতাৰ মনটো আজি কিয়নো এইদৰে গোমোঠা হৈ পৰিছিল বিষয়ে অলপ বহলাই কোৱা আৱশ্যক।

এই কেইদিন সদায় শোৱাপাটীৰপৰা উঠিয়েই পোন প্ৰথমতে ভাবে—আজি বিনয় চেটাৰ্জ্জী নাহিব। অথচ বিনয় চেটাৰ্জ্জী নাহিব ভাবিও গোটেই দিনটো প্ৰত্যেক মুহূৰ্ত্ততে তাই বাট চাই চাই প্ৰতি মুহূৰ্ত্ততে তাই বিনয় আহিছে বুলিয়েই ভাবে, হয়তো সি নাহি আগৰ কোঠাত দেউতাকৰ লগত কথা পাতিছে। এই তাই দিনটোৰ ভিতৰত কিমানবেলি যে ইটো কোঁঠালীৰপৰা সিটো লীলৈ বিনা কাৰণতে এনেয়ে ঘূৰি ফুৰে তাৰ অন্ত নাই। বেলি পৰি আহে, দিনো শেষ হয়, নিশা বিছনাত শুবলৈ গৈ তাইৰ যে কিখন কৰে তাই নিজেই বুজিব নোৱাৰে। বুকু ভাঙি কান্দোন খোজে, লগে লগে খঙো উঠে। কাৰ ওপৰত যে খং উঠে, বুজিবই

পোৱাকৰোঁ নিজৰ ওপৰতে। ঘনেপতি তাই ভাবে,—'ইস্ ৰাম, কিখন হৈ গ'ল। মই বাৰু কেনেকৈ জী থাকিম? কোনোফালে দেখোন একো নাটেই দেখা নেপাওঁ। এনেকৈ নো কিমান দিন যাব?'

ললিতাই বিনয়ক হিন্দু বুলি জানিছিল, এতেকে বিনয়ৰ লগত তো কোনো ৰকমেই তাইৰ বিয়া হব নোৱাৰে। অথচ নিজৰ অন্তৰক কোনো-মতেই বশ মনাব নোৱাৰি--লাজত আৰু ভয়ত তাইৰ প্ৰাণ শুকাই গৈছে। বিনয়ৰ অন্তৰো যে তাইৰ প্ৰতি বিমুখ নহয়, এই কথা তাই গম পাইছে। আৰু গম পাইছে বুলিয়েই নিজকে চম্ভালি ৰখাটো তাইৰ পক্ষে আজি যেনেদৰে দুঃসহ হৈ পৰিছে। আৰু সেই কাৰণেই তাই উতলা হৈ বিনয় আহিব আহিব বুলি আশাৰে বাট চাই থাকে যদিও হঠাতে সঁচাকৈয়ে বিনয় কেনেবাকৈ আহি ওলায়হি বুলিও তাই ভয়ো খাই থাকে। এইদৰেই নিজৰ লগত যুঁজ-বাগৰ কৰি কৰি আজি পুৰা আৰু তাইৰ ধৈর্য্যই সীমা এৰি গ'ল। বিনয় নহা কাৰণেই তাইৰ মনটো আজি এইদৰে উগুল-পুগুল লাগিছে বুলি তাই বুজিলে। এবাৰ বিনয়ক যেনে তেনে লগ পালেই কিচ্চৰ এই অস্থিৰতা আঁতৰি যাব।

সেইদিনা পুৰাতে তাই সতীশক নিজৰ কোঁঠালৈ টানি লৈ আহিল। কাজি-কালি মাহীয়েকক পাই সতীশে বিনয়ৰ লগত বন্ধুত্ব চৰ্চাৰ কথা একেবাৰে পাহৰিয়েই গৈছিল। ললিতাই তাক সুধিলে,—"বিনয় চেটাৰ্জ্জীৰ লগত তোৰ কাজিয়া লাগিছে নে কি?"

সতীশে এনে অপবাদ দৃঢ়ভাৱে অস্বীকাৰ কৰিলে। ললিতাই কলে,—"ইঃ ৰৱ একেবাৰে তোৰ বন্ধু! তই হে বিনয় ককাইদেউ বিনয় ককাইদেউ বুলি মৰ, তেখেতে দেখোন তোলৈ পাকদিয়েই নেচায়।"

সতীশে কলে,—"ইঃ কেতিয়াও নহয়।"

ৰৱখনৰ ভিতৰত সৰাতোকৈ নুমলীয়া সতীশক তাৰ নিজৰ গৌৰৱ প্ৰমাণ কৰাৰ বাবে ঘনে ঘনে এইদৰে উচটাব লগীয়া হয়। আজি হাতে হাতে প্ৰমাণ দিবৰ বাবে সি তেতিয়াই বিনয়ৰ ঘৰলৈ লৰি গ'ল। উচটি আহি কলেহি,—"তেখেত ঘৰতেই নাই। সেই কাৰণেহে আহিব পাৰা নাই।"

ললিতাই সুধিলে,—"এই কেইদিন নো অহা নাই কিয়?"

সতীশে উত্তৰ দিলে,—"এই কেইদিনো তেখেত নাছিল।"

ললিতাই তেতিয়া সুচৰিতাৰ কাষলৈ গৈ কলে গৈ,—"বাইদেউ, গৌৰমোহনৰ মাকৰ তালৈ আমি কিন্তু এবাৰ যোৱা উচিত আছিল।"

সুচৰিতাই কলে,—"তেখেতৰ লগত যে আমাৰ চিনাকিয়ে
ললিতাই ক'লে,—"গৌৰমোহনৰ দেউতাক চোন আমাৰ
সকু কালৰে বন্ধু।"

কথাটো সুচৰিতাৰ তেতিয়াহে মনত পৰিল। তাই ক
কথাটো ঠিকেই তো।"

সুচৰিতাৰ উৎসাহ বাঢ়ি গ'ল। তাই ক'লে,—"এই
আৰু', দেউতাক কোৱঁা গৈ।"

ললিতাই উত্তৰ দিলে,—"ওঁহো, মই নকওঁ বাইদেউ।
গৈ।"

শেষত সুচৰিতাই গৈ দেউতাকৰ আগত কথাটো
তেখেতে ক'লে,—"কথাটো সঁচাই। ইমান দিনে আমাৰ
আছিল।"

খাই-বৈ উঠি যাবলৈ ঠিক কৰাৰ লগে লগে ললিতাৰ
কোঁচখাই আছিল। কৰবাৰপৰা অভিমান আৰু সংশয়
ওভোতা ফালে টানিবলৈ ধৰিলে। তাই গৈ সুচৰিতাক
"বাইদেউ, তুমিয়ে মোৰা দেউতাৰ লগত। মই নেযাওঁ।"

সুচৰিতাই ক'লে,—"ইঃ সেইটো হব নোৱাৰে তই
অকলে নেযাওঁ। ভাল বাকু জনী। বল আক'। গোলমাল
বহুতো অনুনয় বিনয় কৰাৰ পিচত ললিতা যাবলৈ ওলা
বিনয়ৰ কাষত তাই, যে আজি হাৰিলে, বিনয়ে অনায়াসেই
নহাকৈ থাকিব পাৰিলে আৰু তাই আজি বিনয়ক চাবলৈ
এই অপমানৰ কথা ভাবি তাইৰ পেটে পেটে বৰ খং
দেখা পোৱাৰ আশাতেই আনন্দময়ীৰ ঘৰলৈ আহিবলৈ
উপজিছিল, এই কথাটো তাই পেটে পেটে অস্বীকাৰ কৰিবলৈ
নিজৰ এই জেদ বজাই ৰাখিবৰ বাবেই তাই বিনয়ৰ ফালে
প্ৰতিনমস্কাৰো নেযাচিলে আৰু তাৰ লগত কথা বতৰাও
ললিতাৰ আগত তাৰ মনৰ গোপন কথাটো ধৰা
ললিতাই আজি তাক অৱজ্ঞাৰে এইদৰে উলাই
বুজিলে। ললিতাই যে তাক ভাল পাৰও পাৰে,—এনেকৈ
যিমান অভিমান লাগে, সিমান আত্মাভিমান বিনয়ৰ নাছিল।
বিনয় আহি সঙ্কোচেৰে সৈতে দুৱাৰমুখত থিয় দি
ডাঙৰীয়া ঘৰলৈ যাবলৈ উঠিছে। এখেতসকলক খবৰ দিবলৈ

ললিতাই যেন তাক দেখা নেপায়, ঠিক এনে ঠাইত সি থিয় হৈছিল।
আনন্দময়ীয়ে ক'লে,—"নাই, নাই, এতিয়াই যাব নোৱাৰে। অকণ-
মান চাহ খাই যাব লাগিব। বেচি পৰ নেলাগে। বিনয় তুমি ইয়াতে
অলপ পৰ বহাঁ। মই এবাৰ বান্ধনিঘৰৰপৰা আহোঁগৈ। বাহিৰত থিয়
হৈ আছা কিয়? আহাঁ, ভিতৰলৈ আহাঁ।"

বিনয়ে ললিতাৰপৰা আঁৰ হৈ কোনোৰকমে দূৰত এটা চুকত বহিল
গৈ। বিনয়ৰ প্ৰতি তাইৰ ব্যৱহাৰত যেন কোনো ত্ৰুটি হোৱা নাছিল।
এইদৰে তাই সহজভাৱে ক'লে,—"চেটাৰ্জ্জী দেউ! আপোনাৰ বন্ধু
সতীশক আপুনি একেবাৰে এৰিলে নে কি জানিবলৈ সি আজি ৰাতিপুৱা
আপোনাৰ ঘৰলৈ গৈছিল।"

হঠাতে দৈৱবাণী হ'লে মানুহ যিদৰে আচৰিত হৈ যায়, বিনয়ো
সেইদৰে আচৰিত হৈ চক্‌খাই উঠিল। এইদৰে চক্‌খাই উঠা সকলোৱে
গম পোৱা দেখি সি বৰ লাজ পালে। আনদিনাৰ দৰে আজি কিন্তু সি
একো ভালকৈ উত্তৰ দিব নোৱাৰিলে। কাণমূৰ ৰঙা হৈ উঠিল, সি
ক'লে,—"মোৰ তালৈ সতীশ গৈছিল নে কি? মই তো ঘৰত নাছিলোঁ।"

ললিতাৰ এই সামান্য এটি কথা শুনিয়েই বিনয়ৰ মন আনন্দত নাচি
উঠিল। এক নিমিষতে বিশ্বজগতৰ ওপৰৰপৰা এটা ভীষণ সংশয় যেন—
উশাহ-নিশাহ বন্ধ কৰি ধৰা এটা আপদীয়া সপোনৰ দৰে আঁতৰি গ'ল।
যেন এইকণৰ বাহিৰে এই পৃথিৱীত তাৰ আৰু পাবলগীয়া একোৱেই
নাছিল। তাৰ মনটোৱে কবলৈ ধৰিলে,—"বলোঁ, বলোঁ।" ললিতাৰ
খং উঠা নাই। ললিতাই তাক একো সন্দেহো কৰা নাই।

চাওঁতে চাওঁতে সকলো বাধা আঁতৰি গ'ল। সুচৰিতাই হাঁহি হাঁহি
ক'লে,—"চেটাৰ্জ্জীদেৰে আমাক হঠাতে নখী দন্তী শৃঙ্গী অস্ত্রপাণি নাইবা
তেনেকুৱাই কিবা এটা বুলি সন্দেহ কৰি বহি আছে।"

বিনয়ে উত্তৰ দিলে,—"পৃথিৱীত যিবোৰে আগবাঢ়ি আহি গোচৰ
দিব নেজানে, সদায় মনে মনে থাকে, সিহঁতে সদায় উভতি পদকীয়া
হবলগীয়া হয়। বাইদেউ, তোমাৰ মুখত কিন্তু এইবোৰ কথা নুশুৰায়।
তুমি নিজেই কিমান দূৰলৈ আঁতৰি গৈছা, এতিয়া আকৌ আনকহে দূৰলৈ
আঁতৰি যোৱা দেখিলা।"

বিনয়ে আজিয়েই প্ৰথম সুচৰিতাক 'বাইদেউ' বুলিলে। সুচৰিতাৰ
কাণত এই মাতষাৰ বৰ মিঠা লাগিল। বিনয়ৰ লগত প্ৰথম চিনাকিৰে
পৰা সুচৰিতাৰ মনত যি এটা আপোন ভাব উপজিছিল, সি যেন আজি

বিশেষভাৱে স্নেহপূর্ণ হৈ পৰিল।

পৰেশ ভট্ট আৰু সুচৰিতাইঁত বিদায় লৈ গুচি গ'ল পৈ। বেলি প্ৰায় পৰি আহিছিল। বিনয়ে আনন্দময়ীক ক'লে,—"তোমাক একো কামকে কৰিবলৈ নিদিওঁ। ওপৰলৈ যাওঁ বলা

বিনয়ে তাৰ অন্তৰৰ অস্থিৰতা সম্বৰণ কৰিব নোৱাৰা হৈ আনন্দময়ীক ওপৰলৈ লৈ গৈ সি নিজ হাতে মজিয়াত আসন পাতি তক বহুৱালে।

আনন্দময়ীয়ে বিনয়ক সুধিলে,—"বিনু, তোৰ কথাটো কচোন ?"

বিনয়ে উত্তৰ দিলে,—"মোৰ একো কথা নাই। তুমি কোৱাঁ।"

পৰেশ ভট্টৰ জীয়েক কেইজনীক নো আনন্দময়ীৰ কেনে সেই কথা শুনিবলৈ বিনয়ৰ মন উচ্‌পিচাই আছিল।

আনন্দময়ীয়ে ক'লে,—"অ', সেই কাৰণেই হব পাই তই মোক মাতি আনিলি। মই আকৌ ভাবিছিলোঁ তোৰ কিবা কথা আছে হবলা।"

বিনয়ে ক'লে,—"মাতি নলা হ'লে ইমান ধুনীয়া বেলি মাৰৰ জানো দেখা পালাহেঁতেন ?"

সেইদিনা কলিকতাৰ ওপৰত আষোণ মাহৰ বেলি ম্লান হৈ গৈছিল। আকাশৰ বুকুত নানান ৰঙে লুকা-ভাকু খেলা দিগন্তৰ ধোঁৱা ৰঙীয়া মেঘৰ মাজত সোণালী আভা বিলিকি মাথোন জিলিকি আছিল। কিন্তু আজিৰ এই নিস্তেজ সন্ধিয়াৰ ৰণেও বিনয়ৰ মন বাঙলী বোলেৰে বোলাই পেলালে। চাৰিও সকলোৱেই যেন তাক আজি সাৱটি ধৰিলে। আকাশখনেও ছুলেহি।

আনন্দময়ীয়ে ক'লে,—"ছোৱালী দুজনী বৰ ভাল।"

বিনয়ে এই কথাষাৰ শেষ হবলৈ নিদিলে। ৰাই পকাই নাম সুধি সুধি এই একেটা কথাকে সি দীঘলীয়া কৰি নিবলৈ ধৰিলে। ভট্টৰ জীয়েক কেইজনীৰ বিষয়ে যে ক'ত দিনৰ ক'ত সৰু-সুৰা কথা ওলাল—যিবোৰৰ বেচি ভাগেই চকুত পৰিবলগীয়া নাই। কিন্তু তথাপি সেই আষোণ মাহৰ নীৰৱ শেঁতা কোঠাটোত বিনয়ৰ উৎসাহ আৰু আনন্দময়ীৰ আগ্ৰহেৰে এই

চুকৰ চকুত নপৰা কথাবোৰেই এটি নতুন মহিমাৰে বঞ্চিত হৈ উঠিল।

আনন্দময়ীয়ে হঠাতে এবাৰ হুমুনিয়াহ কাঢ়ি ক'লে,—"সুচৰিতাক গোৰালৈ বিয়া কৰাই বোৱাৰী কৰি আনিব পৰা হলে বৰ ভাল পালোঁহেঁতেন।"

বিনয় জপিয়াই উঠিল। সি ক'লে,—"আই, এই কথা মই বহুবাৰ ভাবিছোঁ। গোৰাৰ ঠিক উপযুক্তা লগৰী হব।"

আনন্দময়ী—কিন্তু বিয়াখন নো ক'ত হবগৈ ?

বিনয়,—কিয় নহব ? মোৰ মনেৰে গোৰাৰো সুচৰিতাত মন নোখোৱা নহয়।

গোৰাৰ মন যে কৰবাত বান্ধ খাইছে সেই কথা আনন্দময়ীয়ে নজনাকৈ থকা নাছিল। সেই ছোৱালীজনী যে সুচৰিতাই, এই কথাও তেখেতে বিনয়ৰ নানান কথাৰপৰা বুজিব পাৰিছিল। অলপ পৰ মনে মনে থাকি আনন্দময়ীয়ে সুধিলে,—"কিন্তু সুচৰিতা জানো হিন্দুৰ ঘৰলৈ বোৱাৰী হৈ আহিব ?"

বিনয়ে ক'লে,—"বাৰু আই, গোৰাই জানো ব্ৰাহ্মৰ ঘৰত বিয়া কৰাব নোৱাৰে ? তোমাৰ বাৰু মত আছে নে নাই ?"

আনন্দময়ী—মোৰ মত আছে।

বিনয়ে পুনৰ সুধিলে,—"সঁচাকৈয়ে তোমাৰ মত আছে নে ?"

আনন্দময়ীয়ে ক'লে,—"ওঁ, আছে বিনু। মানুহৰ লগত মানুহৰ মনৰ মিলেই হৈছে বিয়া। সেই সময়ত যি মন্ত্ৰ মতা হ'ল, তাৰ পৰানো কি লাভ বা ক্ষতি হয় বোপাই ? যেনে তেনে গোসাঁইৰ নাম ললেই হয়।"

বিনয়ৰ মনৰপৰা যেন এটা বোজা আঁতৰি গ'ল। সি উৎসাহিত হৈ ক'লে,—"আই, তোমাৰ মুখৰপৰা এইবোৰ কথা শুনিলে মোৰ বৰ আচৰিত লাগে। ইমান বহল মনটো তুমি কৰপৰা পালা আই ?"

আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে,—"গোৰাৰপৰা পাইছোঁ।"

বিনয়ে ক'লে,—"গোৰাই দেখোন ওলোটা কথাবোৰ হে কয়।"

আনন্দময়ী—ক'লে কি হব ? মোৰ সকলো শিক্ষা গোৰাৰপৰাই পোৱা। মানুহ নামৰ বস্তুটো যে কিমান সত্য—আৰু মানুহে যিহৰ বাবে দলাদলি কৰে, কাজিয়া কৰি মৰে, সেইবোৰ যে কিমান মিছা—এই কথা গোৰাকে মোৰ কোলাত দিয়াৰ দিনাই বুজাই দিলে। বোপাই, ব্ৰাহ্মই বা কোন আৰু হিন্দুৰেই বা কোন ? মানুহৰ হৃদয়ৰ তো একো

জাত নাই। ইয়াতেই ভগৱানে সকলোকে মিলাই আৰু নিজে মিলেহি। সেই নেদেখা জনক আঁতৰাই দি মন্ত্ৰ আৰু মতৰ ওপৰে হক মিলোৱাৰ ভাব দিলে জানো চলিব ?''

বিনয়ে আনন্দময়ীৰ ভৰিৰ ধূলা মূৰত লৈ ক'লে,—''আই, কথাবোৰ মোৰ ইমান ভাল লাগিল। সঁচাকৈয়ে আজিৰ দিনটো সাৰ্থক হ'ল।''

—০—

৩৭

সুচৰিতাৰ মাহীয়েক হৰিমোহিনীৰ বাবে পৰেশ ভট্টৰ সংসাৰত কৈয়ে অশান্তিয়ে দেখা দিলে। সেইবোৰ বহলাই কোৱাৰ আগতে মোহিনীয়ে সুচৰিতাৰ আগত নিজৰ চিনাকি যি বুলি দিছিল তাকে লিখা হ'ল—

''মই তোমাৰ মাৰাতকৈ দুবছৰৰ ডাঙৰ আছিলোঁ। দেউতাৰ আমাৰ দুয়োৰে আদৰৰ সীমা নাছিল। কিয়নো, তেতিয়া আমি মাথোন ছোৱালী দুজনীয়েইহে উপজিছিলোঁ। ঘৰত আন লৰা-ছোৱালী নাছিল। খুবাদেউহঁতৰ মৰমত মাটিত আমাৰ ভৰি নপৰিছিল। মোৰ আঠ বছৰ বয়স হওঁতে পালসাৰ বিখ্যাত ৰায় চৌধুৰীহঁতলৈ বিয়া হয়। সিহঁতৰ বংশ যেনেকুৱা আছিল, ধনো তেনেকুৱাই। মোৰ কপালত সুখ নাছিল। বিয়াৰ সময়ৰ খৰচ-পাতি লৈ মোৰ লগত আমাৰ দেউতাৰ কাজিয়া লাগিছিল। দেউতাহঁতৰ ঘৰৰ সেই বাধ মোৰ শহুৰৰ বংশই বহুদিনলৈকে মনিষণ কৰিব পৰা নাছিল। লোৱে কৈছিল,—আমাৰ লৰাক আকৌ বিয়া কৰাই দিম। তেতিয়া জনীৰ কি দশা হয় চাম। মোৰ দুৰ্দ্দশা দেখিয়েই ধনীৰ ঘৰত কেতিয়াও ছোৱালী নিদিওঁ বুলি দেউতাই শপত খাইছিল। সেই কথা তোমাৰ মাৰাক দুখীয়াৰ ঘৰতেই দিছিল।

আমাৰ ঘৰখন একে চৰুৱে খোৱা এটা ডাঙৰ পৰিয়াল

সেই কাৰণেই আঠ-ন বছৰ মান বয়সৰেপৰাই মই বন্ধা-বঢ়া কৰিবলগীয়া হৈছিল। সকলোকে ভাত-পানী দি মেলি অঁতোৱাৰ পিচত কেতিয়াবা কেতিয়াবা শুদা ভাত বা কেতিয়াবা দালি ভাতহে মোৰ ভাগলৈ বৈছিল গৈ। কেতিয়াবা দুই মান বজাত, আকৌ কেতিয়াবা চকা বহা পৰতহে মোৰ খোৱা-বোৱা হৈছিল গৈ। ভাত খাই উঠিয়েই আকৌ ৰাতিৰ সাজৰ কাৰণে বান্ধিবলগীয়া হৈছিল। নিশা, এঘাৰ বাৰ মান বজাতহে পুনৰ ভাত খাবলৈ সময় পাইছিলোঁ। শুবলৈকো কোনো এক ঠাই নাছিল। ঘৰৰ ঘৰত যেতিয়াই যাৰ লগত সুবিধা হয় তেতিয়াই তাৰ লগতে শুই-ছিলোঁ। কেতিয়াবা পীৰা পাৰিয়েই শুবলগীয়া হৈছিল।

ঘৰৰ আটাইখনে মোক বেয়া পাইছিল। তাকে দেখি দেখি মোৰ স্বামীয়েও মোক আলাই আথানি নকৰাকৈ থাকিব নোৱাৰিছিল। বহু-দিনলৈকে তেখেতে মোক আঁতৰে আঁতৰেই ৰাখিছিল।

এনে সময়তে মোৰ সোতৰ বছৰ বয়স হওঁতেই মোৰ ছোৱালী মনো-ৰমা ওপজে। ছোৱালী জন্ম দিয়া দেখি শহুৰৰ ঘৰত মোৰ লাঞ্ছনা আৰু বাঢ়িহে গ'ল। এইবোৰ কেটেৰা জেঙেৰাৰ মাজত এই ছোৱালীজনীয়েই মোৰ একমাত্ৰ আনন্দৰ আৰু সান্ত্বনাৰ থল আছিল। মনোৰমাক তাইৰ বাপেক বা আন কোনেও মৰম চেনেহ নকৰা দেখি তাই মোৰ আলাসৰ লাক হৈ উঠিছিল।

তাৰ তিনি বছৰৰ মূৰত মোৰ এটা লৰা ওপজে আৰু তেতিয়াৰেপৰা লাহে লাহে মোৰ অৱস্থাবো সলনি হবলৈ ধৰিলে। তেতিয়াহে মই ঘৰ-খনৰ গৃহিণী হোৱাৰ যোগ্য হলোঁ। মোৰ শাহু আই নাছিল। শহুৰো মনোৰমা ওপজাৰ দুবছৰ পিচতে ঢুকায়। তেখেতে ঢুকুৰাৰ পিচতে বাপতীয়া সাহোনৰ বাবে দেওবহঁতৰ লগত আমাৰ মকৰ্দ্দমা লাগিল। মকৰ্দ্দমাত বহুতো সম্পত্তি নষ্ট হ'ল আৰু অৱশেষত আমি বেলেগ হলোঁ। লাহে লাহে মনোৰমাৰ বিয়াৰ বয়স পালেহি। কিজানি তাইক পুনৰেত দিবলগীয়া হয়, জানোচা তাইক আৰু দেখাই নেপাওঁ, এইবোৰ ভয়তে পালসাৰপৰা দহ বাৰ মাইল মান আঁতৰৰ সিমুলে গাঁৱতে তাইক বিয়া দিলোঁ। চেহেৰাই পাতিয়ে লৰাটো কাৰ্ত্তিকৰ নিচিনা। যেনেকুৱা গাৰ বৰণ, তেনেকুৱাই চেহেৰা। অৱস্থাও বেচ টনকিয়াল।

এদিন যিদৰে মই অনাদৰ আৰু কষ্ট খাবলগীয়া হৈছিল, মোৰ কপাল পুটাৰ আগতে বিধাতাই সেইদৰে মোক কিছুদিনৰ বাবে সুখো দিছিল। শেষৰ কালে মোৰ স্বামীয়ে মোক খুব মৰম চেনেহ কৰিছিল আৰু শ্ৰদ্ধাও

কবিছিল। মোৰ লগত পৰামৰ্শ নকৰাকৈ কোনো কামকে কৰা
মোৰ কপালত ইমান সুখ লিখা নাছিল। হাইজা হৈ চাৰিদিন
পিচাকৈ মোৰ ল'ৰা আৰু স্বামী দুয়ো ঢুকাল। যি দুখৰ কথা
অসহ্য, সেই দুখো যে মানুহে সহিব পাৰে—ইয়াকে বুজাবৰ বাবেই
ঈশ্বৰে মোক জীয়াই ৰাখিলে।

লাহে লাহে জোঁৱাইবো চিনাকি পাবলৈ ধৰিলোঁ। খুলীয়
মাজত যে এনেকুৱা কাল-সৰ্প লুকাই থাকিব পাৰে, সেইটো
জানিছিল? সি যে কু-সঙ্গত পৰি মদ-ভাং খাবলৈ শিকিলে, সেয়া
লীয়েও মোক এই কথাৰ ফুটকৈ নিদিলে। জোঁৱায়ে যেতিয়াই
আহি নানা অভাৱৰ কথা কৈ মোৰপৰা টকা লৈ গৈছিলহি।
মোৰ তো আৰু আন কাৰো বাবে ধন সাঁচিবৰ প্ৰয়োজন নাছিল
কাৰণে জোঁৱায়ে আহি লেন লগাই মোৰপৰা কিবাকিবি বিচাৰিলে
ভালেই লাগিছিল। মাজে সময়ে অৱশ্যে মোৰ ছোৱালীয়ে
হাক্ দিছিলহি। মোক ডাবি দি কৈছিল—তুমিয়েই এনেকৈ টকা
তেওঁৰ অভ্যাস বেয়া কৰি পেলাইছা। টকা হাতত পৰিলে
যে কেনেকৈ উৰুৱাই দিয়ে, তাৰ একো ঠিকনাই নাই। মই
তাইৰ গিৰীয়েকে মোৰপৰা এইদৰে টকা ল'লে তাইৰ শহুৰেকৰ
মান নেথাকিব বুলিয়েই বোধকৰোঁ। মনোৰমাই মোক টকা
দিছিল।

তেতিয়া মোকো জানো কিহে পালে, মনোৰমাক লুকুৱাই
ময়েই জোঁৱাইৰ ফটিকাৰ খৰচ যোগাবলৈ ধৰিলোঁ। মনোৰমাই
পাৰি এদিন আহি কান্দি-কাটি গিৰীয়েকৰ আটাইবোৰ কু-স্বভাৱৰ
মোক ভাঙি ক'লেহি। তেতিয়া ময়ো কপাল ভুকুৱাই কান্দি কাটি
হলোঁ। দুখৰ কথানো কি কম, মোৰ এজন দেওৰেই জোঁৱাইৰ
তাক কু-বুদ্ধি দি তাৰ মূৰটো খাইছিল।

মই টকা নিদিয়া দেখি মনোৰমাই মোক টকা দিবলৈ হাক দিলে
জোঁৱায়ে গম পালে। আৰু তেতিয়াৰেপৰা তাৰ লুক-ঢাক
নোহোৱা হ'ল। তেতিয়া সি এনেকুৱা অত্যাচাৰ কৰিবলৈ আৰম্ভ
আৰু মোৰ ছোৱালীক গোটেই সংসাৰ খনৰ মানুহৰ আগত এনেকৈ
মান কৰিবলৈ ধৰিলে যে এইবোৰ ঘটনা বন্ধ কৰিবৰ বাবেই মই
মনোৰমাই নজনাকৈ তাক টকা দিবলৈ আৰম্ভ কৰিলোঁ। মই
ৰসাতললৈ পঠিয়াইছোঁ বুলি জানিছিলোঁ যদিও মনোৰমাক সি

ভাৰে মাৰ-কিল কৰা বুলি শুনিলে মই কোনোৰকমে থিৰেৰে থাকিব
নোৱাৰিছিলোঁ।

অৱশেষত এদিন—সেই দিনটো মোৰ এতিয়াও ফট্‌ফটীয়াকৈ মনত
আছে—মাঘ মাহৰ শেষৰ ফালে, সেইবাৰ জহো আগতীয়াকৈয়ে হৈছিল,
আমি কোৱাকুই কৰিছিলোঁ যে আমাৰ বাৰীখনৰ আম গছবোৰ মলিয়ালেই।
সেই মাঘ মহীয়া গধুলি বেলিকা আমাৰ দুৱাৰ মুখত এখন পাল্‌কী আহি
ক'লহি। চাওঁ যে মনোৰমাই হাঁহি হাঁহি আহি মোক সেৱা কৰিলেহি।
মই সুধিলো,—"কি মনু, তহঁতৰ কি খবৰ?" মনোৰমাই হাঁহি মুখেৰে
ক'লে,—"খবৰ নেথাকিলে হবপায় আইৰ ঘৰলৈ এনেয়ে আহিবই নেপায়?"
মোৰ বিয়নী বৰ বেয়া মানুহ নাছিল। তেখেতে কৈ পঠিয়ালে যে
বোৱাৰীৰ গাত লেঠা। কেঁচুৱা নোহোৱালৈকে মাকৰ কাষত থকাটোৱেই
ভাল। এই কথাটোকে সঁচা বুলি ভাবি মই বহি থাকিলোঁ। কিন্তু
জোঁৱায়ে যে এই অৱস্থাতে মনোৰমাক মাৰ-ধৰ কৰিছে আৰু বিপদৰ
আশঙ্কাতেই যে বিয়নীয়ে বোৱাৰীয়েকক মোৰ কাষলৈ পঠিয়াই দিছে এই
কথা মই ভুকে নেপালোঁ। মনু আৰু তাইৰ শাহুৰেকে লগ লাগি এই-
দৰেই মোক ফুচুলাই থলে। মোৰ ছোৱালীক মই কেতিয়াবা নিজ হাতে
জেল টেঙা সানি গাধুৱাবলৈ খুজিলেই তাই সদায় নানা চেলু লৈ আঁতৰি
গৈছিল। আচল কথা তাইৰ কোমল শৰীৰত মাৰ কিলৰ যি বোৰ চিন
আছে, সেইবোৰ তাই মাকৰপৰাও লুকুৱাব খুজিছিল।

জোঁৱায়ে মাজে মাজে আহি মনোৰমাক ঘৰলৈ ওভোতাই নিবলৈ
ধৰ জোৰ কৰিছিলহি। ছোৱালী মোৰ লগত থকাত টকা খুজিবলৈ তাৰ
সুবিধা হৈছিল। লাহে লাহে এই কণ বাধাও সি নমনা হ'ল। টকাৰ
কাৰণে মনোৰমাৰ চকুৰ আগতেই সি মোৰ ওপৰত উপদ্ৰৱ কৰিবলৈ আৰম্ভ
কৰিলে। মনোৰমাই জেদ কৰি কৈছিল,—কেতিয়াও টকা নিদিবাঁ।
কিন্তু মোৰ মনটো ৰৱ ঢিলা, জোঁৱায়ে কিজানি মোৰ ছোৱালীৰ ওপৰত
আৰু নেচি অত্যাচাৰ কৰে, এই ভয়তে মই অলপ নহয় অলপ টকা তাক
নিদিয়াকৈ নোৱাৰিছিলোঁ।

এদিন মনোৰমাই ক'লে,—"আই, তোমাৰ পইচা-পাতি আটাইবোৰ
আজিৰপৰা মই থম। এই বুলি তাই মোৰ চাবি আৰু
পেৰা পেটাৰি—দখল কৰি ল'লে। জোঁৱায়ে যেতিয়া আৰু মোৰপৰা টকা
উলিয়াব নোৱাৰা হ'ল, আৰু মনোৰমাকো যেতিয়া একোতেই কোমলাব
নোৱাৰিলে, তেতিয়া সি কৰলৈ ধৰিলে—মনোৰমাক লৈ যাম গৈ। মই

মনোৰমাক কৈছিলোঁ—দে আই তাক কেইটামান টকা দি
নহলে সি কি কৰেগৈ কোনে জানে ? কিন্তু মোৰ মনে
যি দৰে কোমল আছিল আনকালে সেইদৰেই টান আছিল। তেই
'ওঁহো, টকা কেতিয়াও নিদিওঁ।'

জোঁৱায়ে এদিন আহি বঙা চকু দেখুৱাই ক'লেহি,—'কেইটা
কৈ পাল্‌কী পঠিয়াই দিম। মনোৰমাক নপঠিয়ালে কিন্তু
কৈ থলোঁ।'

পিচদিনা সন্ধিয়া লগাৰ আগতেই পাল্‌কী আহি পালেহি।
ৰমাক ক'লো,—'আই, আৰু পলম নকৰিবি, অহা সপ্তাহতে
ৰলৈ আকৌ মই মানুহ পঠিয়াম।'

মনোৰমাই ক'লে,—'আজি যাওক। আজি মোৰ যাবলৈ
নাই আই, আৰু দুদিন মান পিচত আহিবলৈ কোৱাঁ।'

মই ক'লো,—'আই, পাল্‌কী ওভোতাই পঠিয়ালে মোৰ
জোঁৱায়ে জানো শুদাই এৰিব ? নহয় মনু, তই আজিয়েই
মনুৱে ক'লে,—'ওঁহো আই, আজি নেযাওঁ। মোৰ
কতালৈ গৈছে। ফাগুন মাহৰ মাজ ভাগতে তেখেত উভতি
তেতিয়া মই যাম বাৰু।'

মই তথাপি ক'লো,—'ওঁহো, তই আজিয়ে যা গৈ আই।'
শেহত মনোৰমা যাবলৈ সাজু হবলৈ ধৰিলে। মই তাইৰ
ৰৰৰ লওৱা-লিকচোৱোৱাক আৰু দোলাভাৰী কেইটাক চাই
খাবলৈ দিলোঁগৈ। যোৱাৰ আগতে কিছুপৰ যে তাইৰ কাষত
সেইদিনা যে তাইৰ অলপ কিবা বিশেষ যত্ন লম, নিজ হাতেৰে
সজাই-পৰাই দিম, তাই ভাল পোৱা বস্তুবোৰ কৰি মেলি
বিদায় দিম, এইবোৰৰ সময়কে নেপালোঁ। ঠিক পাল্‌কীত
তাই আহি মোক সেৱা কৰি ভৰিৰ ধূলা মূৰত লৈ ক'লে,—
হলে মই আহিলোঁ।'

তাই যে একেবাৰেই গ'ল গৈ সেইটো যদি মই
তাই যাব খোজা নাছিল, ময়েই জোৰকৈ তাইক
শোকে আজিও মোক খুলি খুলি খাইছে। এই
নকমে।

সেই নিশাই গৰ্ভপাত হৈ মনোৰমা ঢুকাল। মই
আগতেই সিহঁতে লৰালৰিকৈ তাইৰ সৎকাৰ কৰি শেষ

যি দুখৰ বাবে আৰু একো কৰণগীয়া নাই, একো কৰিবলৈকো
নাই, ভাবিও যি দুখৰ পাৰ পোৱা নেযায় বা কান্দিও যি দুখৰ অন্ত নহয়,
সেই দুখ যে কি দুখ সেইটো তুমি নুবুজিবা—আৰু বুজিবৰো প্ৰয়োজন
নাই।

মোৰ তো সকলোৱেই গ'ল। মোৰ স্বামী আৰু পুত্ৰৰ মৃত্যুৰ পিচৰ
পৰাই দেওবহঁতে মোৰ সম্পত্তিলৈ চকু দিছিল। মই মৰাৰ পিচত মোৰ
সকলো সা-সম্পত্তি সিহঁতবেই হব বুলি সিহঁতে ধৰি লৈছিল। কিন্তু
সিমান দিনলৈকে ৰবলৈ সিহঁতৰ আৰু ধৈর্য্য নহল। ইয়াৰ কাৰণে
কাকো দোষ দিব নোৱাৰি। সঁচাকৈয়ে মোৰ দৰে অভাগিনীয়ৰ জীয়াই
থকাটোৱেই দোষৰ কথা। সংসাৰত যিবোৰৰ নানা প্ৰয়োজন আছে,
মোৰ দৰে প্ৰয়োজন নথকা মানুহ এজনীয়ে বিনা কাৰণতে সিহঁতৰ ঠাই
আগুৰি জীয়াই থাকিব খুজিলে মানুহেই নো বা সহিব কিয় ?

মনোৰমা জীয়াই থকালৈকে দেওবহঁতে মোক কোনো কথাতেই
কুটুলাব পৰা নাছিল। মোৰ সম্পত্তিৰ কাৰণে সাধ্য অনুসাৰে মই সিহঁতৰ
লগত যুঁজিছিলোঁ। মই যিমান দিনলৈকে জী থাকোঁ মনোৰমাৰ কাৰণে
ধন সাঁচি সাঁচি শেষত তাইকে দি থৈ যাম, এয়ে মোৰ কথা আছিল। মই
মোৰ ছোৱালীৰ কাৰণে ধন সাঁচিবলৈ যত্ন কৰাটোৱেই মোৰ দেওবহঁতৰ
অসহ্য হৈ পৰিছিল। মই সিহঁতবে টকা-পইচা চুৰ কৰিছোঁ বুলি সিহঁতে
ভাবিছিল। নীলকান্ত নামেৰে মনোৰমাৰ দেউতাকৰ এজন পুৰণা বিশ্বাসী
কৰ্ম্মচাৰী আছিল। সিয়েই মোৰ একমাত্ৰ সহায় আছিল। মই মোৰ
নিজৰ ভাগৰ সম্পত্তিৰপৰা অলপ অচৰপ এৰি দি দেওবহঁতৰ লগৰ কাজিয়া
ধন ভালে ভালে নিষ্পত্তি কৰিব খুজিছিলোঁ, কিন্তু নীলকান্ত কোনো-
ৰকমেই ৰাজী নহৈছিল। সি কৈছিল,—'আমাৰ হকৰ এটা ফুটা কড়িও
কোনে নিয়ে চাম।' এই যুঁজ্-ৰাগৰৰ মাজতে মোৰ ছোৱালী ঢুকাল।
পিচদিনা খনেই মোৰ মাজুজন দেওৰ আহি মোক সংসাৰ ত্যাগ
কৰি বৈৰাগী হবলৈ উপদেশ দিলেহি। কলেহি,—'নবৌ, ভগৱানে
তোমাৰ এনেকুৱা অৱস্থা কৰিলে, এতিয়া আৰু তোমাৰ সংসাৰত থকাটো
উচিত নহয়। জীয়াই থকা দিন কেইটা তীৰ্থলৈ গৈ ধৰ্ম্ম চিন্তা কৰাঁগৈ।
আমি তোমাৰ খোৱা পিন্ধাৰ ব্যৱস্থা কৰি দিম।'

মই আমাৰ বংশৰ পুৰোহিত জনক মতাই পঠিয়ালোঁ। তেখেত
আছিলত ক'লোঁ,—'দেউ, এই অসহ্য দুখৰপৰা কেনেকৈনো জী থাকোঁ
মোক কৈ দিয়ক। উঠোঁতে বহোঁতে মোৰ আৰু জীৱনত এধানিও শান্তি

নোহোৱা হৈছে। মই যেন জলা জুইৰ মাজত পৰিছোঁ। যি ফালেই চাওঁ, কতো অকণি শান্তি পোৱাৰ উপায়কে নেদেখোঁ।

দেৱে মোক আমাৰ গোসাঁই ঘৰলৈ লৈ গৈ ক'লেগৈ—এই বল্লভেই তোমাৰ স্বামী পুত্ৰ কন্যা—সকলো। এওঁক সেৱা তোমাৰ সকলো অভাৰ পূৰ্ণ হব।'

মই দিনে-ৰাতিয়ে গোসাঁই ঘৰতে পৰি থাকিবলৈ ললোঁ। চৰণত মন-প্ৰাণ উবুৰিয়াই দিবলৈ যত্ন কৰিলোঁ। কিন্তু তেখেতে গ্ৰহণ নকৰিলেও মই নো দিম কেনেকৈ? ভগৱানেই বা ক'ত গ্ৰহণ সা-সম্পত্তি মই দেওৰহঁতকেই লিখি দিম বুলি ভাবিছোঁ। খাবলৈ পিন্ধিবলৈ মাহে মাহে কিছু টকা দিলেই হব।'

এদিন নীলকান্তক মাতি ক'লোঁ,—'নীলু ককাইদেউ, নোৱা মানুহ, এইবোৰ কথাত নেথাকিবা।'

নীলকান্তই ক'লে,—'সেইটো কেতিয়াও হব নোৱাৰে। তুমি

মই ক'লো,—'মোক নো আৰু সম্পত্তি কেলেই?'

নীলকান্তই ক'লে,—'সেই বুলি ক'লেই হব নে? নাযায়ৰ যি পাব লগে, আমাৰ হকৰ ধন আমি এবি দিম কিয়? এনেকুৱা ৰালি নকৰিবাঁ।'

নীলকান্তই হকতকৈয়ো ডাঙৰ বা ওপৰত আৰু একোকে নেদেখে মই বৰ বিপাঙত পৰিলোঁ। সা-সম্পত্তিবোৰেই মোৰ বিহ যেন লাগে কিন্তু আনফালে আকৌ এই সংসাৰত মোৰ একমাত্ৰ বিশ্বাসী এই হে আছে। তাৰ মনত নো মই কষ্ট দিওঁ কেনেকৈ? সি যুঁজি-বাগি মোৰ এই সম্পত্তিখিনি ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে।

শেষত এদিন নীলকান্তই গম নোপোৱাকৈয়ে মই এখন চহী কৰিলোঁ। তাত, কি যে লিখা আছিল ভালকৈ বুজিকে মই ভাবিছিলোঁ মোৰ নো চহী কৰিবলৈ কিহৰ ভয়? সহিব নোৱাৰা মোৰ নো এনে কি সম্পত্তি সোপা আছে? তো মোৰ শহুৰৰে আছিল আৰু পালেও এতিয়া তেখেতৰ এতেকে ভয় কিহৰ?

লিখা-পঢ়া ৰেজিষ্ট্ৰী হৈ যোৱাৰ পিচত মই নীলকান্তক মাতি 'নীলু ককাইদেউ, খং নকৰিবাঁ। মোৰ যি মাটি-বাৰী, সা-সম্পত্তি সকলো দেওৰহঁতক লিখি-পঢ়ি দি দিলোঁ। মই নো সেইবোৰেৰে কৰিম?'

নীলকান্তই উচাপ খাই উঠি লে,—'সৰ্ব্বনাশ, তুমি ইয়াকেহে কৰিলা?'

দলীলৰ নকল পঢ়ি মই মোৰ সকলো স্বত্ব সাঁচাকৈয়ে এৰি দিয়া দেখি নীলকান্ত খণ্ডত একোনাই হ'ল। মনোৰমাৰ দেউতাক ঢুকুৰাৰ পিচৰেপৰা মোৰ ভাগৰ এই সম্পত্তিকণ ৰক্ষা কৰাটোৱেই তাৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য আছিল। সি তাৰ সকলো বুদ্ধি, সকলো শক্তি অনবৰত এই কামতেই খটুৰাইছিল। ইয়াৰ কাৰণে মামলা-মোকৰ্দ্দমা, উকিলৰ ঘৰলৈ দহা-ধোৱা, আইন বিচাৰি উলিওৱা, এইবোৰতেই সি শান্তি পাইছিল। আন কি এইবোৰত লাগি থাকি নিজৰ ঘৰুৱা কাম-কাজবোৰলৈ চকু দিবলৈকো তাৰ সময় নাছিল। সেই "হকৰ সম্পত্তি" মোৰ দৰে মূৰ্খ মানুহ এজনীৰ কলমৰ এডাল আঁকতেই উৰি যোৱাত নীলকান্ত একেবাৰে হোৱাদি হ'ল।

সি কলে,—'ভালেই হ'ল, মোৰো সকলো লেঠা ছিণ্ডিল। মই যাওঁ আৰু।'

শেষত নীলু ককাইদেৱো যে এইদৰে খং কৰি মোৰপৰা বিদায় লব, তাৰ কপালত ইয়াকেহে লিখা আছিল নে? মই তাক দহোকুবি শপত মাতি আনি কলো,—'ককাইদেউ, মোৰ ওপৰত খং নকৰিবাঁ। মোৰ চতীয়া ৰূপ পাঁচ শ আছে, তাকেই তোমাক দিম। তোমাৰ বোৱাৰী আহিলে মোৰ আশীৰ্ব্বাদ বুলি এই ৰূপেৰে অলঙ্কাৰ গঢ়োৱাই দিবা।'

নীলকান্তই কলে,—'মোৰ আৰু ধনৰ দৰ্কাৰ নাই। মোৰ মালিকৰ এই বুলি মোৰ স্বামীৰ শেষ অকৃত্ৰিম বন্ধুজনেও মোক এইদৰে এৰি গুচি গ'ল গৈ।

মই আকৌ গোসাঁই ঘৰত গৈ আশ্ৰয় ললোঁ। গৈ। মোৰ দেওৰবোৰে কলে,—'তুমি তীৰ্থবাস কৰাগৈ যোৱাঁ।'

মই কলো,—'মোৰ শহুৰৰ ভেটিয়েই মোৰ তীৰ্থ। মোৰ গোসাঁই য'ত আছে সেয়ে মোৰ আশ্ৰয়।'

কিন্তু মই ঘৰখনৰ চুক এটাত পৰি থকাটোও সিহঁতৰ আৰু সহ্য হল। ইতিমধ্যেই সিহঁতে সিহঁতৰ বয়-বস্তু মোৰ কুঠৰীত ক'ত কিটো সুবিধা হব ঠিক কৰি পেলাইছিল। শেষত সিহঁতে এদিন কলে,—তোমাৰ গোসাঁইকো তোমাৰ লগতে লৈ যাব পাৰা। আমি আপত্তি কৰোঁ।'

কিন্তু তথাপিও মই হেহোঁ-নেহোঁ কৰা দেখি সিহঁতে কলে,—'ইয়াত

থাকিলে তুমি খাবা-পিন্ধিবা ক'বপবা ?'

মই উত্তব দিলোঁ, ''কিয় ? তোমালোকে মাহে মাহে দিবা বুলি ভাবিছা সেয়ে মোব যথেষ্ট হব।''

সিহঁতে কলে,—'ক'তা ? তোমাক মাহে মাহে টকা কোনো কথা নাই ?'

তাব পিচত মই মোব গোসাঁইক বুকুত বান্ধি লৈ মোব চৌত্রিশ বছবব পিচত এদিন শহুবব ঘব এবিলোঁ। নীবু খবব লৈ গম পালোঁ। তেখেতে মোতকৈয়ো আগতেই বৃন্দাবন কবিছে।

গাঁৱব তীর্থযাত্রীবোবব লগতে মই কাশীলৈ গুচি গলোঁ। মই পাপিনীয়ে ক'তো শান্তি নেপালোঁ। ভগৱানক নিতৌ প্রাৰ্থনা হে ভগৱান, মোব স্বামী, মোব লবা-ছোৱালী—মোব বাবে আছিল, তুমিও সেইদবে সত্য হৈ উঠোঁ। কিন্তু ক'তা ? মোব প্রার্থনা নুশুনিলে। মোব দেখোন হিয়া শাঁত নপবা গোটেই মন-প্রাণচোন কান্দিয়েই থাকে। উস্ ৰাম! মানুহ ইমান টান।

মোব সেই আঠ বছব বয়স পূব নৌ হওঁতেই শহুবব ঘবলৈ তাব পিচত এদিনব বাবেও নিজব দেউতাব ঘবলৈ আৰু আহিবলৈ তোমাব মাবাব বিয়ালৈ আহিবলৈ বহুতো চেষ্টা কবিছিলোঁ, কিন্তু তাব পিচত দেউতাব চিঠিবপবা তোমালোক ওপজাব খবব আৰু তোমালোকব মাবা ঢুকুবাব খবব পাইছিলোঁ। মাউবা হালক মোব বুকুত সুমুবাই লবলৈকো ভগৱানে আজিলৈকে দিয়া নাছিল।

তীর্থ ঘূবি ঘূবি গম পালোঁ যে সংসাবব মোহ মোব হোৱা নাই। কাৰোবাক বুকুত সুমুবাই লোৱাব হেপাহ গুচা নাই। তেতিয়া তহঁতব খা-খবব কবিবলৈ ধবিলোঁ। ধর্ম্ম আৰু সমাজ ত্যাগ কবা বুলি শুনিছিলোঁ। কিন্তু তহঁতব মাব যে মোব আপোন ভনী আছিল।

কাশীত এজন মানুহব মুখে তোমালোকব খবব পাই মই গুচি আহিলোঁ। শুনিছোঁ ভট্ট ডাঙবীয়ায়ো হিন্দুৰ গোসাঁই কিন্তু তেখেতব মুখখন দেখিলেই বুজিব পাবি যে ভগৱান প্রসন্ন। অকল পূজা কবিয়েই ভগৱানক ফুচুলাব নোৱাবি বুলি

জানো। ভট্ট ডাঙবীয়াইনো কেনেকৈ মই নেদেখাজনক সন্তুষ্ট কবিলে সুধিব লাগিব। সেইবোব যিয়েই নহওক আই, মুঠতে অকলে থকাব সময় মোব এতিয়াও অহা নাই। গাঁসায়ে যিদিনা দয়া কবে কবিব, কিন্তু, এতিয়া মই তোমালোকক বুকুত সুমুবাই নললে আৰু জী থাকিব নোৱাবোঁ।

৩৮

ৰবদাসুন্দবীব অনুপস্থিতিত পবেশ ভট্টই হবিমোহিনীক আশ্রয় দিছিল। তিনি মহলাব অঞ্চলশবীয়া কোঠাটোত থাকি হবিমোহিনীয়ে যাতে তেখেতব নিজব নীতি নিয়ম মানি চলিব পাবে, তাব বাবে সকলো ব্যবস্থা কবি দিছিল।

উভতি আহি ৰবদাসুন্দবীয়ে তেখেতব ঘবত এনে এটা অভাবনীয় আবির্ভাব দেখি খণ্ডত একেবাবে হাড়লৈকে জ্বলি উঠিল। তেখেতে ভট্ট ডাঙবীয়াক খুব টানকৈ শুনাই দিলে,—''এই অঞ্জালবোব মই কিন্তু সহিব নোৱাবোঁ।''

পবেশ ভট্টই উত্তব দিলে,—''আমাব সকলোকে তুমি সহ্য কবিব পাবিছা আৰু এই কেও-কিছু নথকা বিধবা জনীক নো সহিব নোৱাবিনা নে ?''

পবেশ ভট্টব কাণ্ডজ্ঞান সমূলি নাই বুলি ৰবদাসুন্দবীয়ে জানিছিল। সংসাবব সুবিধা অসুবিধানো কি ইয়াকো যে তেখেতে কেতিয়াও বিবেচনা কবিব নোৱাবিছিল। সদায় এইদবে ঘপ্ কবে একো একোটা আগ-গুবি নোহোৱা কাণ্ড কবি পেলায়। খং কবা, বকা, আন কি তেখেতব আগত সুন্দা-কটা কবাবো কোনো মূল্য নাই। সেই যে শিলব মূর্ত্তিব দবে জঠব হৈ বহিল, বহিলেই। এনেকুৱা মানুহব লগত নো কোনে লাগে কোৱা-চোন ? যাব লগত দর্কাব হলে এবাব দনো কবিব নোৱাবি, তেনে মানুহব লগত নো কোন তিৰুতাই সংসাব কবিব পাবে ?

মনোৰমা সুচবিতাব প্রায় সমনীয়া আছিল। চেহেৰাই পাতিয়েও

সুচবিতাক হবিমোহিনীব বহুখিনি মনোবমাব দবেই লাগিব
টোও বহুখিনি একে। ঠিক তেনেকুবাই শান্ত অথচ দৃঢ়। হাস
একো সময়ত পিচফালবপবা সুচবিতাক দেখিলে হবিমোহিনী
ধব্ ফবাই উঠে। কেতিয়াবা কেতিয়াবা সন্ধিয়া এঙ্কাবত তেওঁ
বহি মনে মনে কান্দি থাকে। সেই সময়ত সুচবিতা কাষলৈ
তেখেতে চকু মুদি দুয়ো হাতেবে তাইক বুকুব মাজলৈ টানি
"আঃ মই যেন মোব মনুকেই বুকুত সাবটি লৈছোঁ। তাই
নাছিল। ময়েই তাইক জোবকৈ পঠিয়াইছিলোঁ। সংসাবত
কোনো বকমেই নো মোব আক সেই দোষব শাস্তিব শেষ নহ
শাস্তি পাবলগীয়া আছিল, পালোঁ। এইবাব তাই আকৌ
এয়া দেখোন উভতি আহিছে, ঠিক সেইখন হাঁহি মুখেবেই উভতি
তাব মুখত হাত ফুবাই, চুমা খাই চকুব পানীবে ভহাই দিয়
তাবো সমানেই চকুলো ববলৈ ধবে। তাই তেখেতব ডিঙিত
কয়,—"মাহী, ময়ো তো মোব আইব মবম বেচিদিন নেপালোঁ
আকৌ মোব সেই হেবাই যোবা আইজনী উভতি আহিছে।
কত দুখব সময়ত ঈশ্ববক মাতিবলৈকো শক্তি নেথাকে।
যায়—তেতিয়া আইক মাতো। সেই আয়েই আজি মোব
আহিছে।"

তেতিয়া হবিমোহিনীয়ে কয়,—"তেনেকৈ নকবি, তেওঁ
আই! তোব কথা শুনিলে মোব ইমান বেচি ভাল লাগে যে
যায়। হে ভগবান, মোক দয়া কবা ভগবান! মোহ আক
ভাবোঁ, মনটোক শিলব দবে টান কবিব খোজোঁ, কিন্তু কঁ
দেখোন। মই বব দুর্ব্বল, মোক দয়া কবাঁ, মোক আক
হেব' বাধাবাণী, যা আই যা, মোব কাষবপবা আঁতবি যাগৈ।
মোহ নবঢ়াবি। হে মোব গোপীবল্লভ, মোব গোপাল,
মোক আকৌ এইবোব কি বিপাঙত পেলালা?"

সুচবিতাই উত্তব দিছিল,—"মোক তুমি বলেবে আঁতবাই
মাহী। মই তোমাব কাষ এবি কেতিয়াও নেযাওঁ।"

এইবুলি তেখেতব বুকুব মাজত মুবটো সুমুৰাই দি
কেঁচুবাব দবে মনে মনে বহি থাকিল।

ছদিনব ভিতবতে মাহীয়েকব লগত সুচবিতাব এনে
সম্বন্ধ স্থাপন হ'ল যে যাক সময়ব জোখকাঠিবে জুখিব নোবাবি

এইবোব দেখি শুনি ববদাসুন্দবীব বিবক্তি আক বাঢ়িল। ছোৱালী-
জনীব অতপালি খন চোৱাচোন? আমি তাইক যেন কেতিয়াও একো
আদব যত্ন কবাই নাছিলোঁ। বোলো ইমান দিনে নো এই মাহীয়েক জনী
ক'ত লুকাই আছিল হোঁ? সকবেপবা ময়েই আপডাল কবি ডাঙব
কবিলোঁ, আক এতিয়া এই এলেকব পেলেক মাহীয়েক জনীক পাই
মাটিতেই ভবি নিদিয়া হ'ল, নেদেখিছা? মই তো দেউতাকক সদায়
কওঁ,—এই যে সুচবিতাজনীক আপোনালোকে ভাল ভাল বুলি কয়, এই
দেখাত হে ভাল, ভিতবি ভিতবি যমকাল। তাইব পেট পোৱা টান।
আমি ইমান দিনে তাইব কাবণে অতনো কবিলোঁ। মেলিলোঁ, এতিয়া সেই-
মোব সোপাই অখলে গ'ল।

ববদাসুন্দবীব মনব দুখ যে পবেশ ভট্টই নুবুজিব, সেইটো তখেতে
জানিছিল। অকল সেয়ে নহয়, হবিমোহিনী থকাত যে তেখেত বিবক্ত
হৈছে এই কথা গম পালেও যে ভট্ট ডাঙবীয়াই তেখেতক খুব নীচ মনব
বুলি ভাবিব, এই বিষয়েও তেখেতব কোনো সন্দেহেই নাছিল। এনেবোব
কাবণতে তেখেতব খং আক দুগুণে বাঢ়িল। পবেশ ভট্টই যিয়েই নক-
ওক লাগে, বেচিভাগ চিন্তাশীল মানুহব লগতেই যে ববদাসুন্দবীব মতব
মিল আছে, ইয়াকে প্রমাণ কবিবব বাবে তেখেত নিজব দল বঢ়োৱাত
লাগি গ'ল। তেখেতে সমাজব মুখিয়াল আক সাধাবণ—সকলো মানুহবে
মাগতে হবিমোহিনীব বিষয়ে নানা কটু কথা কবলৈ আবম্ভ কবিলে।
হবিমোহিনীব হিন্দু-ধর্ম্মব বাহ্য-বিচাব; গোসাঁই ঘবত মূর্ত্তি পূজা, ঘবখনব
লবা-ছোৱালীবোবব আগত হবিমোহিনীব কুদৃষ্টান্ত, এনেবোব অভিযোগব
সীমাসংখ্যা একেবাবে নোহোৱা হ'ল।

অকল অভিযোগ কবিয়েই নেবি হবিমোহিনীবো যাতে সকলো কথাতে
অসুবিধা হয়, তাব কাবণেও ববদাসুন্দবীয়ে যিহকে পায় তাকে কবিবলৈ
লাগি গ'ল। হবিমোহিনীয়ে বন্ধা-বঢ়া কবিবব কাবণে পানী-দুনি আনি
দিবলৈ এটা হিন্দু লণ্ডবা ল'বা আছিল। চলচাই ববদাসুন্দবীয়ে তাক
হবিমোহিনীব দর্কাবব সময়তে হঠাৎ আন কিবা কামত লগাই দিয়ে।
সেই বিষয়ে কোনোবাই কিবা ক'লেও তেখেতে কৈছিল, 'কিয়? বাম-
দীন আছে দেখোন।' বামদীন আকৌ নীচকুলীয়া লবা আছিল। হবি-
মোহিনীয়ে তাব হাতে পানী নেখায় বুলি ববদাসুন্দবীয়ে ভালকৈয়ে জানি-
ছিল। সেই কথা কোনোবাই উলিয়ালেই তেখেতে টপবাই মাত দিছিল,—
"ইমান ভকতনী হবব মন আছে যদি আমাব ব্রাহ্মব ঘবত নো থাকিবলৈ

আহিছে কিয় ? মোৰ ঘৰত সেইবোৰ জাত-পাত বিচাৰি থাকিবে
মই কেতিয়াও এইবোৰক লাই নিদিওঁ।" এইবোৰ উপলব্ধ
কৰ্ত্তব্যবোধ আৰু বেচিহে চোকা হৈ উঠিছিল। ব্ৰাহ্ম সমাজৰ
নীতি নিয়মবোৰ লাহে লাহে চেঁচেঁৰা পৰি আহিছে বুলি তেখেতে
ধৰিলে। তেখেতে আৰু কৈছিল যে সাধ্য থাকে মানে কেতিয়াও
এনেকুৱা চেঁচেঁৰা পৰাক লাই নিদিয়ে। ওঁহো, কেতিয়াও
ইয়াৰ বাবে কোনোবাই যদি বেয়া পায় তাকো তেখেতে মানি ল
মানুহবোৰে গালি-শপনি পাৰিলেও তেখেতে মনে মনেই সহি
পৃথিৱীত মহাপুৰুষসকলে, যি সকলে কিবা মহৎ কাম কৰিছে
সকল সকলোৱেই যে আনৰপৰা বদনাম আৰু গালি-শপনি
হৈছিল এই কথাকে ৰবদাসুন্দৰীয়ে সকলোবে আগত যহাবৈ

কিন্তু এশ অসুবিধায়ো হৰিমোহিনীৰ মন ভাঙিব নোৱাৰিলে
দুখ কষ্টৰ শেষ-সীমালৈকে যাব বুলিয়েই যেন প্ৰতিজ্ঞা কৰি
তেখেতে অন্তৰত যি অসহনীয় দুখ পাইছিল, বাহ্যিক জীৱনতে
সমতা ৰাখিবৰ বাবেই তেখেতে নানান কঠোৰ আচাৰ-বিচাৰ
নিজক নিজে অনবৰত কষ্ট দিবলৈ ধৰিলে। এইবোৰ দুখক
গা-পাতি লৈ বশ কৰিবৰ, আপোন কৰি লবৰ যেন এটি নিদাৰুণ

পানী-দুনি অশাত অসুবিধা হোৱা দেখি হৰিমোহিনীয়ে
কৰিবলে একেবাৰে এৰিয়েই দিলে। প্ৰসাদ স্বৰূপে গোসাঁইৰ
দিয়া গাখীৰ আৰু ফল-মুল আদি খায়েই তেখেতে দিন নিৰাৱৰ
এইবোৰ দেখি সুচৰিতাই ৰৱ বেজাৰ পালে। মাহীয়েকক
বুজাই ৰবাই ক'লে,—"আই, এয়া মোৰ ভালহে লাগিছে।
দৰকাৰ আছিল। ইয়াৰ বাবে মোৰ অকণো দুখ হোৱা নাই,
পাইছোঁ।"

সুচৰিতাই সুধিলে,—"মাহী, মই আন জাতৰ মানুহৰ
দুনি নেখালে বাৰু তুমি মোক তোমাৰ
দিবলৈ দিবানে ?"

হৰিমোহিনীয়ে উত্তৰ দিলে,—"কিয় আই ? তুমি যি
সেই মতেই চলিবা। মোৰ কাৰণে আকৌ তুমি ধৰ্ম্ম
মই তোমাক কাষত পাইছোঁ, বুকুত সাৱটি লব পাৰিছোঁ,
দেখা পাইছোঁ, এয়ে মোৰ সুখ। ভট্ট ডাঙৰীয়া তোমাৰ
দেউতাৰৰ নিচিনা, তেখেতে

চলা। ভগৱানে তোমাৰ কুশল কৰিব।"

হৰিমোহিনীয়ে ৰবদাসুন্দৰীৰ উৎপাতবোৰ এনেভাৰে সহিবলৈ ধৰিলে
যেন তেখেতে সেইবোৰ একোকে বুজাই নাই। ভট্ট ডাঙৰীয়াই যেতিয়া
তেখেতক নিতৌ এবাৰ আহি কেনে আছে, কিবা অসুবিধা হৈছে নে কি
ইত্যাদি সুধিছিলহি, তেখেতে উত্তৰ দিছিল,—"মই ইয়াত ৰৱ শান্তিৰে
আছোঁ।"

কিন্তু হৰিমোহিনীৰ ওপৰত কৰা এই অন্যায় অত্যাচাৰবোৰে সুচৰিতাক
তাক ধৰা-সৰকা কৰিবলৈ ধৰিলে। তাই অ'ৰ কথা ত'ত লগোৱা
বিষয় ছোৱালী নাছিল। বিশেষকৈ পৰেশ ভট্টৰ আগত ৰৱদাসুন্দৰীৰ
কথা তাই কেতিয়াও কৰ নোৱাৰে। তায়ো মনে মনে সকলো সহিবলৈ
ধৰিলে। এই বিষয়ে কোনো ৰকমৰ দুখ প্ৰকাশ কৰিবলৈকো তাইৰ
সঙ্কোচ লাগিল।

ইয়াৰ ফল হ'ল এয়ে যে সুচৰিতাও চাওঁতে চাওঁতে লাহে লাহে
একেবাৰে মাহীয়েকৰ দৰেই খোৱা-বোৱাত বাহ্য-বিচাৰ কৰি চলিবলৈ
ধৰিলে। অৱশেষত সুচৰিতাই কষ্ট পোৱা দেখি বাধ্য হৈ হৰিমোহিনীয়ে
আকৌ বন্ধা-বঢ়া কৰিবলৈ আৰম্ভ কৰিলে। সুচৰিতাই ক'লে,—"মাহী,
তুমি মোক যেনেকৈ চলিবলৈ কোৱা, ময়ো ঠিক তেনেকৈয়ে চলিম।
কিন্তু তোমাৰ পানী-দুনি হ'লে মই নিজে আনি দিম। তোমাৰ কোনো
কথাকে নুশুনো কিন্তু। মই আনি দিমেই।"

হৰিমোহিনীয়ে ক'লে,—"আই তুমি বেয়া নেপাবা। সেই পানী
যে মোৰ গোসাঁইৰ ভোগতো লাগে।"

সুচৰিতাই সুধিলে,—"মাহী, তোমাৰ গোসাঁয়েও জাত মানে নে কি ?
তেওঁৰো পাপ লাগে নে কি ? তেওঁৰো সমাজ আছে নে কি ?"

অৱশেষত এদিন সুচৰিতাৰ নিষ্ঠাত হৰিমোহিনী হাৰ মানিবলৈ বাধ্য
হ'ল। তেখেতে সুচৰিতাৰ আলপৈচান সম্পূৰ্ণৰূপেই গ্ৰহণ কৰিবলৈ
ধৰিলে। সতীশেও বায়েকক দেখি 'মাহীয়ে বন্ধা ভাত খাম' বুলি সুৰ
ধৰিলে। এনেকৈয়ে এই তিনিজনে লগলাগি পৰেশ ভট্টৰ ঘৰৰ এচুকত
আৰু এখন সৰু সংসাৰ গঢ়ি তুলিলে। একমাত্ৰ ললিতাই এই দুয়োখন
সংসাৰৰ মাজত সাঁকো হৈ থাকিল। ৰৱদাসুন্দৰীয়ে তেখেতৰ আন দুজনী
জীয়েকক এই ঘৰৰ কাষেই চাপিব নিদিছিল। কিন্তু ললিতাক হ'লে
হকা-বন্ধা কৰা শক্তি তেখেতৰ নাছিল।

৩৯

ৰৱদাসুন্দৰীয়ে তেখেতৰ ব্ৰাহ্ম বান্ধৱী কেইগৰাকীক প্ৰায়েই
কৰিবলৈ আৰম্ভ কৰিলে। তিনি মহলাৰ ছাততে তেওঁলোকৰ
হৰিমোহিনীয়ে পোন প্ৰথমে তেখেতৰ স্বাভাৱিক সৰলতাৰে
আদৰ-সাদৰ কৰিবলৈ যত্ন কৰিছিল। কিন্তু তেওঁলোকে
নেমানে সেই কথা তেখেতে নজনাকৈ নেথাকিল। আন কি
ৰীয়ে হৰিমোহিনীৰ আগতেই হিন্দু ধৰ্ম্মৰ আচাৰ-ব্যৱহাৰ
উলিয়াই নানান ইতিকিং কৰিবলৈ ধৰিলে। তেখেতৰ
ৰোৱেও আকাৰে-ইঙ্গিতে হৰিমোহিনীলৈকে আঙুলিয়াই
যোগ দিছিল।

সুচৰিতাই তাইৰ মাহীয়েকৰ কাষে কাষে থাকি এই
অত্যাচাৰ নীৰৱে সহ্য কৰিছিল। মাজোন তায়ো যে মাহীয়েকৰ
এই কথাটোকে তাই নিজে আগবাঢ়ি সিহঁতক জনাবলৈ চেষ্টা
একো একোদিনা ৰৱদাসুন্দৰীয়ে চাহ-জলপানৰো যোগাৰ কৰিছিল।
সেই চাহ-জলপানত যোগ দিবলৈ মাতিলে সুচৰিতাই কৈছিল—
নেযাওঁ।"

"কিয়? তুমি আমাৰ ল্লগত নোখোৱা নে কি?"

"নেখাওঁ।"

ৰৱদাসুন্দৰীয়ে কৈছিল—"আজি-কালি সুচৰিতা একেবাৰে
তনী হৈ উঠিছে নাজানা নে কি? আমি ছুলে তেওঁ নেখায়
"সুচৰিতাও হিন্দু হৈ উঠিল নে কি? উঃ—কালত যে
কি দেখিব লাগিব—তাকেই ভাবোঁ।"

হৰিমোহিনীয়ে তেতিয়া উছ্‌পিচাই উঠি কৈছিল,—"ৰাধাৰাণী,
আই, তুমি খোৱাগৈ।"

সিহঁতে এইদৰে সুচৰিতাক অপমান কৰা দেখি তেখেতে
পাইছিল। কিন্তু সুচৰিতাই লৰচৰকৈ নকৰিছিল। এদিন
ব্ৰাহ্ম ছোৱালীয়ে ভিতৰত কিনো আছে চাবলৈ হৰিমোহিনীৰ
জোতাৰেই সোমাব খুজিছিল। সুচৰিতাই লৰালৰিকৈ
ভেটি ধৰি ক'লে,—"সেইটো কোঠালৈ নোসোমাই।"

"কিয়?"

"সেইটো কোঠাত গোসাঁইৰ থাপনা আছে।"

"গোসাঁইৰ থাপনা আছে? তুমি হৰ পাই সদায় গোসাঁই পূজা কৰা?"

হৰিমোহিনীয়েই কথাষাৰৰ উত্তৰ দিলে,—"ওঁ আই, মই সদায় পূজা কৰোঁ।"

"গোসাঁইলৈ তোমাৰ ভক্তি ওপজে জানো?"

"ফুটা কপাল মোৰ, ভক্তি নো ক'ত ওপজে? ওপজা হ'লে দেখোন বক্ষা পৰিলোঁৰেইহেঁতেন।"

সেইদিনা ললিতাও তাতে আছিল। তাইৰ মুখখন ৰঙা পৰি উঠিল। আৰু তাইক প্ৰশ্ন কৰা ছোৱালীজনীক সুধিলে,—"তুমি যাৰ উপাসনা কৰা তেওঁক জানো ভক্তি কৰা?"

"বাঃ ভক্তি নকৰোঁ। যদি নো আকৌ কি কৰোঁ?"

ললিতাই জোৰেৰে মুৰটো জোকাৰি ক'লে,—"ভক্তি তো নকৰাই আৰু ভক্তি যে নকৰা, সেই কথাটোও তুমি নাজানা।"

সুচৰিতা যাতে সিহঁতৰ দলৰপৰা কথাই-বতৰাই, আচাৰে-ব্যৱহাৰে আঁতৰি নাহে, তাৰ বাবে হৰিমোহিনীয়ে বহুতো যত্ন কৰিলে। কিন্তু কোনো ৰকমেই নোৱাৰিলে।

আগেয়ে হাৰান মাষ্টৰ আৰু ৰৱদাসুন্দৰীয়ে পেটে পেটে ইজনে সিজনক ৰৱ ভাল নেপাইছিল। কিন্তু এতিয়া এইবোৰ ঘটনা ঘটাৰ পাচত দুয়োৱে মাজত ৰৱ মিল হৈ পৰিল। ৰৱদাসুন্দৰীয়ে কৰলৈ ধৰিলে,—'বিয়েই যি নকওক লাগে যদি কোনোবাই ব্ৰাহ্ম সমাজৰ আদৰ্শত চেকা নপৰাকৈ ৰাখিবলৈ যত্ন কৰিছে তেনেহলে সেইজন পানু মাষ্টৰৰ বাহিৰে আন কোনো হৰ নোৱাৰে।' ব্ৰাহ্ম-পৰিয়ালবোৰক সকলোৰকমে পৰিত্ৰকৈ ৰখাত ৰৱদাসুন্দৰীৰ অতি আন্তৰিক আৰু সচেতন চেষ্টায়েই প্ৰত্যেক পৰাকী ব্ৰাহ্ম-গৃহিণীৰেই এটি সুদৃষ্টান্ত বুলি হাৰানে য'তে ত'তে কৈ ফুৰিবলৈ ধৰিলে। ৰৱদাসুন্দৰীক ৰৱা এই প্ৰশংসাৰ মাজত পৰেশ ভট্টক নিৰ্দ্ধি যোৱা কথাও আছিল।

হাৰানে এদিন পৰেশ ভট্টৰ আগতেই সুচৰিতাক সুধিলে—"তুমি আজি-কালি গোসাঁইৰ প্ৰসাদ খাবলৈ লৈছা বুলি শুনিলোঁ। দেখোন?"

সুচৰিতাৰ মুখখন ৰঙা পৰি গ'ল। কিন্তু তাই কথাষাৰ নুশুনাৰ ভাও জুৰি নিজৰ ওপৰৰ দোৱাত-কলমবোৰ সজোৱাত লাগিল। ভট্ট ভাঙৰীয়াই এবাৰ কৰুণ চকুৰে সুচৰিতাৰ মুখলৈ চাই হাৰান মাষ্টৰক

ক'লে—"মাষ্টৰ, আমি যি খাওঁ এই সকলোবোৰেই দেখোন
প্ৰসাদ।"

হাবানে ক'লে—কিন্তু সুচৰিতাই যে আমাৰ গোসাঁইক
বলৈ ওলাইছে।"

পৰেশ ভট্টই ক'লে—"যদি সেয়ে হয় তেনেহলে তাৰ কাৰণে
বাখবখন কৰিলে জানো কিবা লাভ হব?"

হাবানে উত্তৰ দিলে—সোঁতত উটি যাব খোজা মানুহক
বলৈ চেষ্টাও কৰিব নেলাগে নে কি?"

পৰেশ ভট্টই ক'লে—"আটাইখনে লগলাগি তাৰ মুখৰ
দলিওৱাটোকে পাৰলৈ তুলিবলৈ চেষ্টা কৰা বুলি কব নোৱাৰি।
আপুনি নিশ্চিন্ত হৈ থাকক। মই সুচৰিতাক কেঁচুৱাবেপৰা
তাই সঁচা-সঁচিকৈ পানীত পৰা হলে মই আপোনালোকৰ
আগতে জানিলোহেঁতেন আৰু তেতিয়া মই এইদৰে হাত
নেখাকিলোঁহেঁতেন।"

হাবানে ক'লে—"এইয়া সুচৰিতা দেখোন ইয়াতে আছে।
তেওঁকেই সোধকচোন। শুনিছোঁ তেওঁ বোলে আজি-কালি
হাতে নেখায়। এইটো কিবা মিছা কথা জানো?"

সুচৰিতাই দোৱাত-কলমৰ প্ৰতি অনাৱশ্যক মনযোগ আঁতৰাই
"মই সকলোৰে হাতে নেখাওঁ বুলি দেউতাই জানে। মোৰ এই
দেউতাই সহিব পাৰিলেই হ'ল। আপোনালোকৰ যদি
তেনেহলে আপোনালোকে যিমান পাৰে মোৰ বদনাম গাই
যাওক। কিন্তু দেউতাক এনেকৈ আমনি কৰিছেহি কিয়?
আপোনালোকক যে কিমান কথাত ক্ষমা কৰে সেইবোৰ
জানে জানো? এইয়া তাৰেই প্ৰতিদান হবলা?"

হাবানে আচৰিত হৈ ভাবিলে—সুচৰিতায়ো আজি-কালি
শিকিলে।

ভট্ট ডাঙৰীয়া শান্তিপ্ৰিয় মানুহ। তেখেতে নিজৰ বা
বিষয়েও বৰ বেচি আলোচনা ভাল নেপাইছিল। এতিয়ালৈকে
ব্ৰাহ্ম-সমাজৰ কোনো কামতেই কেতিয়াও আগ ভাগো লোৱা নাই।
কেতিয়াও মানুহৰ চকুত পেলাবৰ চেষ্টা নকৰি সদায়
জীৱন কটাই আহিছে। এই স্বভাৱৰ কাৰণেই হাবানে
উৎসাহহীন আৰু উদাসী—

পৰেশ ভট্টক তেওঁ বহুদিন বহু কথা শুনাইছেও। ইয়াৰ উত্তৰত ভট্ট
ডাঙৰীয়াই কৈছিল—"ঈশ্বৰে চলিব পৰা আৰু অচল এই দুয়োবিধ
বস্তুকে সৃষ্টি কৰিছে। মই একেবাৰে অচল। মোৰ দৰে
মানুহৰ হতুৱাই যি কণ কাম কৰাব পাৰি ঈশ্বৰে সেইখিনি কৰোৱাই লব।
আৰু বিটৌ সম্ভৱ নহয় তাৰ বাবে ধৰফৰ কৰি একো লাভ নাই। বয়সো
মোৰ যথেষ্ট হ'ল। মোৰনো কি কণ শক্তি আছে বা কি নাই তাৰ
মীমাংসাও কেতিয়াবাই হৈ গৈছে। এতিয়া মোক আৰু হেঁচি ঠেলি একো
লাভ নাই।"

সুপ্ত হৃদয়তো উৎসাহৰ সঞ্চাৰ তেৱেঁই কৰিব পাৰে বুলি হাবানৰ
নিজৰ ওপৰতে বৰ দ বিশ্বাস আছিল। তেওঁ ভাবিছিল যে জড় চিত্তক
কৰ্ত্তব্যৰ পথ দেখুৱাই নিয়া আৰু পিছলিপৰা জীৱনক অনুতাপেৰে জৰ্জ্জ-
বিত কৰিব পৰাটো তেওঁৰ এটা স্বাভাৱিক ক্ষমতা। তেওঁৰ এই অতি
বলিষ্ঠ আৰু একাগ্ৰপতীয়া শুভ-ইচ্ছাক কোনেও বেচি দিন বাধা দি ৰাখিব
নোৱাৰিব বুলি নিজৰে বিশ্বাস আছিল। সমাজত যিবোৰ মানুহৰ গাই-
গুটীয়া স্বভাৱৰ যিখিনি শুধৰণি হৈছে, হাবানে কিবা নহয় কিবা প্ৰকাৰে
নিজকেই সেইবোৰৰ প্ৰধান কাৰণ বুলি খাটাংকৈ ভাবিছিল। তেখেতৰ
নিজৰ প্ৰভাৱে যে গম নোপোৱাকৈ ভিতৰি ভিতৰি কাম কৰি যায় এই
কথাত তেখেতৰ সন্দেহ নাছিল। এতিয়ালৈকে কোনোবাই সুচৰিতাক
তেওঁৰ আগত প্ৰশংসা কৰিলেই তেওঁ এনেকুৱা কৰিছিল যেন সেই প্ৰশংসা
সঁচাকৈয়ে তেওঁহে পাব লাগে। উপদেশ উদাহৰণ আৰু সৎসঙ্গৰদ্বাৰা
চৰিত্ৰ এনে ধৰণে গঢ়ি তুলিছিল যে এই সুচৰিতাৰ জীৱনৰদ্বাৰাই এদিন
সমাজত তেওঁৰ আচৰিত প্ৰভাৱ প্ৰমাণ হোৱাৰ সম্পৰ্কে তেওঁৰ মনত
অকণো সন্দেহ নাছিল। কিন্তু সেই সুচৰিতাৰ এনেকুৱা শোচনীয় পতন
দেখিও নিজৰ ক্ষমতাৰ বিষয়ে তেওঁৰ গৰ্ব্ব লেশমানো নকমিল।

তেওঁ ভট্ট ডাঙৰীয়াৰ গাতে সকলো দোষ দিলে। সকলোৱেই পৰেশ
ভট্টক সদায় প্ৰশংসা কৰে, কিন্তু হাবানে তাত কেতিয়াও হয়ভৰ দিদিছিল।
এই বিষয়তো তেওঁ যে কিমান জ্ঞানী আছিল সেইটোও এইবাৰ সকলোৱে
বুজি পাব বুলি তেওঁ আশা কৰিলে।

হাবানৰ দৰে মানুহে আন সকলো কথা সহিব পাৰে, কিন্তু অহো-
পুৰুষাৰ্থ কৰি সুপথলৈ আনিবলৈ যত্ন কৰা মানুহে যেতিয়া নিজ ইচ্ছাৰে
আন পথ বাছি লয় তেতিয়া সেই অপৰাধ তেওঁ কোনো ৰকমেই ক্ষমা
কৰিব নোৱাৰে। সিহঁতক সহজে এৰি দিবলৈকো তেওঁ টান পাইছিল।

ইপিনে আকৌ যিমানেই তেওঁক উপদেশে গুণ নিদিয়া হৈছিল, তেওঁৰ জেদ বাঢ়িহে গৈছিল। তেতিয়া তেওঁ বাবে বাবে সিহঁতক মণ কৰিবলৈ ধৰিছিল। চাবি শেষ নোহোৱালৈকে কল যিদৰে ৰ তেৰেঁ। সেইদৰে নিজকে কোনোবকমেই দমাব নোৱাৰিছিল। বুজোৱা, ঢেকৰাৰ ঠাৰি সিজোৱা' বুলি জানিও তেওঁ হাৰ মানি ছিল।

এইবাৰ সুচৰিতাই বৰ আঘাত পালে-নিজৰ কাৰণে নহয় বীয়াৰ কাৰণে। ভট্ট ডাঙৰীয়া যে ব্ৰাহ্ম-সমাজৰ সকলোৰে লোচনাৰ বিষয় হৈ পৰিছে—এই অশান্তি নো কেনেকৈ অন্ত আন পিনে সুচৰিতাৰ মাহীয়েকেও দিনক দিনে গম পাই তেখেতে যিমানেই নিজকে অকলে আঁতৰাই ৰাখিব খুজিছে, পৰিয়ালটোত তেখেত আৰু বেচি অশান্তিৰ কাৰণ হৈ কাৰণে মাহীয়েকৰ লাজ আৰু সঙ্কোচে সুচৰিতাক সদায় পুৰিবলৈ ধৰিলে। এই বিপদৰপৰা উদ্ধাৰ পোৱাৰ বাট নো বিতাই কোনোমতে ভাবি উলিয়াব নোৱাৰিলে।

ইফালে সুচৰিতাক খুব সোনকালে বিয়া দি আঁতৰাবলৈ পৰেশ ভট্টক দিনে ৰাতিয়ে কুতুৱিবলৈ ধৰিলে। তেখেতে "আমি আৰু আজি-কালি সুচৰিতাৰ ভাব লব নোৱাৰা হ'লো আজি-কালি একেবাৰে নিজৰ মতেৰে চলিবলৈ আৰম্ভ কৰিলে তাইৰ বিয়ালৈ এতিয়াও বহুদিন আছে, তেন্তে ময়ে ছোৱালী কেইজনীৰো আন ঠাইলৈ যাবগৈ লাগিব। সুচৰিতাৰ নোহোৱা নোপোলা মোৰ ছোৱালী কেইজনীৰো মূৰ খাব। চাৰ ইয়াৰ কাৰণে পেৰা নিয়ে তাপ পাব লাগিব। ললিতা তো আগতে এনেকুৱা নাছিল, তায়ো নিজৰ ইচ্ছামতে যিহকে পায় তাকে কৰিবলৈ ধৈৰ্য্য নেমানে। ইয়াৰ গুৰিত নো কোন, নেজানে জানো? সিদিনা কৰিলে মোৰ তো একেবাৰে লাজতে মৰি যাওঁ যেন এইবোৰ কথাত সুচৰিতাৰ একো হাত নাই বুলি ভাবিছে নে কি? নিজৰ জীয়েক কেইজনীতকৈ সুচৰিতাকে সদায় বেচিকৈ ভাল নবম কৰে। এই বিষয়ে মই আজিলৈকে আপোনাক কোঁচিয়া কথাকে কোৱা নাই। কিন্তু এতিয়া আৰু নকলে নহয়, কিন্তু এই ঘৰুৱা অশান্তিৰোৱৰ সুচৰিতাৰ কাৰণে নহয়, কিন্তু এই ঘৰুৱা অশান্তিৰোৱৰ পৰেশ ভট্ট সঁচাকৈয়ে অলপ চিন্তিত হৈ পৰিছিল।

বোবো ইকাণ-সিকাণকৈ বিয়পি পবিল।

আজি বহুদিনবেপবা ললিতাব মনব ভিতবত এখন যুঁজ বাগব চলি
আছিল। তাই সদায় নিশা শোৱাব আগতে নিজকে নিজে কৈছিল,—
'ওঁহো কেতিয়াও মই হাব নেমানো। আৰু সদায় সাব পাই উঠিয়েই
বিছনাতেই ভাবিছিল, 'ওঁহো, কেতিয়াও হাব মানিব নোৱাবো।' এই
যে বিনয়ব চিন্তাই তাইব গোটেই মন ছাটি ধবিছে, কোঠাত বিনয়ব মাত
উনিলেই তাইব যে কলিজাব তেজবোব উতলি উঠে, বিনয় দুদিনমান
সিহঁতব ঘবলৈ নাহিলেই অভিমানত তাইব মনটো যে কিবা লাগি যায়,

মাজে মাজে নানা চল উলিয়াই বিনয়ৰ ঘৰলৈ যাবলৈ সতীশক
উচটাই আৰু সতীশ উভতি আহিলে বিনয়ে কি কৰিছিল, বিনয়
সি কি কথা পাতিলে, সেইবোৰ যে আঁতি-গুৰি মাৰি জানিবলৈ
এইবোৰ ললিতাৰ পক্ষে যিমানেই এৰাব নোৱাৰা হৈ উঠিছিল
তাই হাৰি যোৱাৰ আশঙ্কাত অস্থিৰ হৈ পৰিছিল। বিনয়
লগত চিনা-জনা হবলৈ বাপেকে কিয়নো বাধা দিদিছিল—এই
একো একোবাৰ পৰেশ ভট্টৰ ওপৰতো তাইৰ খং উঠিছিল
শেষলৈকে তাই যুঁজিবই আৰু দৰকাৰ হলে মৰিব, তথাপিও
এয়ে তাইৰ পণ। জীৱনটো নো কেনেকৈ কটাব সেই বিষয়
ধৰণৰ ভাব তাইৰ মনলৈ আহিছিল। ইউৰোপৰ লোক হিতৈষিণী
সকলৰ যিবোৰ কীৰ্ত্তি-কাহিনী তাই পঢ়িছিল সেইবোৰো
সাধ্য আৰু সম্ভৱপৰ যেনেই লাগিল।

এদিন তাই ভট্ট ডাঙৰীয়াক গৈ ক'লেগৈ,—"দেউতা,
ছোৱালী স্কুল এখনত মই পঢ়ুৱাব নোৱাৰিম নে?"

পৰেশ ভট্টই জীয়েকৰ মুখলৈ চাই বুজিলে—যেন আকুল
বেদনাত কঙাল হৈ তাইৰ কৰুণ চকুহালিয়ে এই প্ৰশ্ন কৰিছে।
তেখেতে কোমল মাতেৰে ক'লে,—"কিয় নোৱাৰিবা আই! কিন্তু
কুৱা ছোৱালী স্কুল নায়েই দেখোন।"

যি সময়ৰ কথা কৈছোঁ, সেই সময়ত ছোৱালী স্কুল বেচি
সাধাৰণ পাঠশালা স্কুলহে দুখনমান আছিল। সেই সময়ত
ছোৱালীৰ কাচিতহে দুই-এজনীয়ে শিক্ষয়িত্ৰী কাম কৰিছিল।
ব্যাকুল হৈ সুধিলে—"স্কুল নাই নে কি দেউতা?"

পৰেশ ভট্টই ক'লে,—"ক'তা? জনাত নায়েই দেখোন।"
ললিতাই ক'লে,—"বাৰু দেউতা, এখন ছোৱালী স্কুল
নোৱাৰি নে?"

পৰেশ ভট্টই উত্তৰ দিলে—"বহুত টকাৰ কথা, তাৰোপৰি
সহায়ো লাগিব।"

মানুহৰ মনত সৎকৰ্ম্মৰ সঙ্কল্প জগাই তোলা টান বুলি ললিতাই
ছিল। কিন্তু সেই সঙ্কল্প সাধন কৰাৰ বাটতে যে ইমান বাধা
সেইটো তাই আগতে ভবা নাছিল। অলপ পৰ মনে মনে
লাহেকৈ গ'ল গৈ। তেখেতৰ এই মৰমৰ জীয়েক জনীৰ অন্তৰৰ
নো কোন খিনিত, পৰেশ ভট্টই তাকেই বহি বহি ভাবিবলৈ

হবানে বিনয়ৰ বিষয়ে সিদিনা দিয়া ইঙ্গিতৰ কথাও তেখেতৰ মনত পৰিল।
দুনিয়াহ কাঢ়ি তেখেতে নিজক নিজে সুধিলে,—'মই বিবেচনা নকৰা-
কৈয়ে কাম কৰিছো নে কি? তেখেতৰ আন কোনোবা এজনী জীয়েক
গোৱা হলে বিশেষ একো ভাবিবলগীয়া নাছিল। কিন্তু ললিতাৰ জীৱন
ৰ ললিতাৰ কাৰণে এটা অতি সত্য পদাৰ্থ—তাই একো কথাই আধা-
ধাৰি নেজানে, তাইৰ কাৰণে সুখ-দুখ কিছু সঁচা কিছু মিছা নহয়।'

চিৰকাল ললিতাই তাইৰ জীৱনৰ মিছা ধিকাৰৰ বোজা লৈ জী
থাকিব কেনেকৈ? তাই যে সমুখত ক'তো এটি থান-থিত, এটি ভাল
কল দেখা পোৱা নাই। এনেকৈ নিৰুপায় হৈ উটি-ভাঁহি যোৱাটোতো
তাইৰ স্বভাৱ নহয়।

সেইদিনাই দুপৰীয়া পৰত ললিতা সুচৰিতাৰ ঘৰ ওলাল গৈ। মজি-
ৰ ওপৰত গোটেই কোঠাটো জুৰি এখন সতৰঞ্চি পৰা আছিল। তাৰে
ওপৰত একাষে সুচৰিতাৰ বিছনা আৰু আন কাষে হৰিমোহিনীৰ
বিছনা পতা আছিল। হৰিমোহিনী খাটত নুশুইছিল দেখি সুচৰিতায়ো
সেই কোঠাতে তেখেতৰ লগত মজিয়াতে বিছনা পাৰি শুইছিল। বেৰত
উট ডাঙৰীয়াৰ এখন ছবি ওলোমাই থোৱা আছিল। কাষৰ সৰু কোঠা
এটাত সতীশৰ বিছনা আছিল। তাৰে এচুকত এখন মেজৰ ওপৰত
সোৱাত, কলম, বহী, পুথি-ফলি আদি খেলি-মেলি হৈ পৰি আছিল।
সতীশ স্কুললৈ গৈছে। ঘৰখন সেই কাৰণে নিজান হৈ আছিল।

খাই বৈ উঠি হৰিমোহিনীয়ে পাটীত দীঘল দিবলৈ ওলাইছিল আৰু
সুচৰিতাই পিঠিত চুলি কোঁচা মেলি দি সতৰঞ্চিৰ ওপৰত বহি কোলাত
বাক এটা লৈ একমনে কিবা পঢ়ি আছিল। সমুখত আৰু কেইখনমান
পুথি পৰি আছিল।

ললিতাক হঠাতে কোঠাত সোমোৱা দেখি সুচৰিতাই যেন লাজ পাই
বখনতে পুথি জপাই থলে। তাৰ পিচত আকৌ লাজেৰেই লাজক ঢাকি
পুথি যেনেকৈ আছিল ঠিক তেনেকৈয়ে থৈ দিলে। সেইবোৰ গোৱাই
লিখা পুথি আছিল।

হৰিমোহিনীয়ে উঠি বহি ক'লে,—"আহাঁ, আহাঁ আই ললিতা,
আহাঁ। তোমালোকৰ ঘৰখন এৰি থৈ আহি সুচৰিতাৰ মনটো যে কেনে-
কুৱা লাগি আছে মই জানিছোঁ। তাইৰ মনটো বেয়া লাগিলেই এই
পুথিবোৰ লৈ পঢ়িবলৈ ধৰে। তোমালোক কোনোবা এজনী আহিলেই
তাইৰ বৰ ভাল লাগিব বুলি মই এই মাত্ৰ শুই শুই ভাবি আছিলোঁ।

ঠিক তেতিয়াই তুমি ওলালাহি। বহুদিন জী থাকিবা আই।"

সুচৰিতাই কাষত বহিয়েই ললিতাই তাইৰ মনৰ কথাটো উলিয়াই তাই ক'লে,—"বাৰু সুচি বাইদেউ, আমাৰ চুবুৰিটোৰ ছোৱালী কাৰণে এখন স্কুল খুলিলে বাৰু কেনে হয়?"

হৰিমোহিনীয়ে অবাক হৈ ক'লে,—"অ, এওঁৰ কথাখন তোমালোকে আকৌ কিনো স্কুল খুলিবা?"

সুচৰিতাই ক'লে,—"কেনেকৈ বাৰু খুলিব পাৰি ক'লোন, নো সহায় কৰিব কোনে? দেউতাক কৈছনে?"

ললিতাই ক'লে,—"আমি দুয়ো তো পঢ়ুৱাব পাৰিমেই। দেৱো মাষ্টি হব কিজানি।"

সুচৰিতাই ক'লে,—"মাথোন পঢ়ুৱাটোৱেই কথা নহয়। স্কুলৰ কাম-কাজবোৰ চলাব লাগিব—তাৰ সকলো নিয়ম বান্ধি ঘৰ ঠিক কৰিব লাগিব, ছাত্ৰী গোটাব লাগিব, খৰচ যোগাব আমি দুজনী ছোৱালীয়ে এইবোৰ জানো কৰিব পাৰিম?"

ললিতাই ক'লে,—"বাইদেউ, এইবোৰ কথা ক'লে নহব। হৈ উপজিছোঁ বুলিয়েই জানো গোটেই জীৱনটো ঘৰৰ ভিতৰত থাকি জীয়াতু ভুগিব লাগিব। পৃথিৱীৰ কোনো কামতেই নেলাগে আৰু?"

ললিতাৰ কথাত থকা বেজাৰ সুচৰিতাৰ বুকুত বাজি উঠিলেও একো উত্তৰ নিদি ভাবিবলৈ ধৰিলে।

ললিতাই ক'লে,—"আমাৰ চুবুৰিতে দেখোন ঢেৰ ছোৱালী আমি সিহঁতক এনেয়ে পঢ়ুৱাব খুজিলে মাক-বাপেকবোৰে চেনা পাব। তাৰে যি কেইজনীক পাৰোঁ। মোমাৰ এই ঘৰলৈকে আনি পঢ়ুৱাব পাৰোঁ। ইয়াতনো কি খৰচ হ'ব?"

এইখন ঘৰলৈ দেশৰ অচিনাকি ছোৱালীবোৰ আনি পঢ়ুৱাই উলিওৱাত হৰিমোহিনী মহা বিমোৱত পৰিল। তেখেত অকলশৰীয়া পাতল লৈ শুচি হৈ থাকিব খোজে। তাত ব্যাঘাত হব পাৰে বুলি আপত্তি কৰিবলৈ ধৰিলে।

সুচৰিতাই ক'লে,—"মাহী, তুমি ভয় নকৰিবা। ছাত্ৰী আমি তলৰ মহলাৰ কোঠাতেই কাম চলাব পাৰিম। তোমাৰ কোঠাত আমি উৎপাত কৰিবলৈ নাহোঁ। ভনীটি ললিতা, যদি মই পঢ়ুৱাবলৈ ৰাজী আছোঁ হলে।"

ললিতাই ক'লে,—"বাৰু এবাৰ চোৱাই যাওক চোন।"

হৰিমোহিনীয়ে বাৰে বাৰে ক'বলৈ ধৰিলে, "আই, সকলো কথাতে তোমালোক খৃষ্টানবোৰৰ দৰে হলে হব কেনেকৈ? ভাল মানুহৰ ঘৰৰ ছোৱালীয়ে স্কুলত পঢ়ুৱাব কথা দেউতাহঁতৰ দিনত তো শুনাই নাছিলোঁ।"

পৰেশ ভট্টৰ ঘৰৰ ছাতৰ ওপৰৰপৰা ওচৰ-পাজৰৰ ঘৰবোৰৰ ছাতত প্ৰায় ঘৰৰ ছোৱালীবোৰৰ মাজতে চা-চিনাকি হৈছিল। এই চিনাকি হোৱাৰ বাটত এটা ডাঙৰ অন্তৰায় আছিল, এইটো হৈছে আন ঘৰৰ ছোৱালী বোৰে এইখন ঘৰৰ ছোৱালীবোৰক ইমান দিনলৈকে বিয়া নিদিয়া দেখি নানান ধৰণৰ প্ৰশ্ন সুধিছিল আৰু বৰ আচৰিত হৈছিল। এইবোৰ কাৰণতে ছাতৰ ওপৰৰ পৰা হোৱা কথা-বতৰাবোৰত ললিতাই পৰাপক্ষত বাধা দিছিল।

এই ছাতে ছাতে বন্ধু গোটোৱাত লাৱণ্যয়েই সকলোতকৈ আগবঢ়ুৱা আছিল। আনৰ ঘৰৰ ঘৰুৱা খৰৰবোৰ গোটোৱাত তাইৰ কৌতূহলৰ সীমা নাছিল। সিহঁতৰ ওচৰ-চুবুৰীয়াবোৰৰ দৈনিক জীৱন যাত্ৰাৰ প্ৰত্যেকটো খুতি-নাটি কথাই বহুদূৰৰপৰা বতাহতে আহি তাইৰ কাণত পৰিছিলহি। হাতত ফণি লৈ মূৰ আঁচুৰি আঁচুৰি মুকলি আকাশৰ তলত প্ৰায় সিহঁতৰ বিয়লি-চ'ৰা বহিছিল।

ললিতাই তাই সঙ্কল্প কৰা ছোৱালী স্কুলৰ ছাত্ৰী গোটোৱাৰ ভাৰ লাৱণ্যক দিলে। লাৱণ্যই ছাতে ছাতে এই প্ৰস্তাৱ ঘোষণা কৰি দিয়াৰ লগে লগে বহুতো ছোৱালী উৎসাহিত হৈ উঠিল। বৰ ৰং মনেৰে ললিতাই সুচৰিতাৰ ঘৰৰ তলৰ মহলাৰ কোঠাবোৰ সাৰি, মুচি, ধুই, সজাই-পৰাই ঠিক কৰিবলৈ লাগি গ'ল।

কিন্তু তাইৰ স্কুলঘৰ উদং হৈয়েই থাকিল। ঘৰৰ গিৰীহঁতবোৰে সিহঁতৰ ছোৱালীবোৰক ফুচুলাই পঢ়ুৱাৰ ছল কৰি ব্ৰাহ্ম ঘৰলৈ লৈ যোৱাৰ প্ৰস্তাৱ দিয়া দেখি খঙত জ্বলি উঠিল। আন কি এই সূত্ৰেই তেওঁলোকে গম পালে যে তেওঁলোকৰ ঘৰৰ ছোৱালীবোৰে পৰেশ ভট্টৰ ঘৰৰ ছোৱালী-বোৰৰ লগত কথা-বতৰাও পাতে; আৰু ততালিকে এই কথা-বতৰাত বাধা দিয়াটো তেওঁলোকৰ কৰ্ত্তব্য বুলি থিৰ কৰিলে। ফলত এইবোৰ ঘৰৰ ছোৱালীবোৰৰ ছাতত উঠা প্ৰায় বন্ধ হোৱাৰ দৰেই হ'ল, আৰু ব্ৰাহ্ম ওচৰ-চুবুৰীয়াৰ ছোৱালীবোৰৰ সাধু সঙ্কল্পৰ প্ৰতি তেওঁলোকে বৰ সাধু ভাষা প্ৰয়োগ নকৰিলে। বেচেৰি লাৱণ্যই যথাসময়ত ফলিখন হাতত

লৈ ছাতলৈ উঠি আহি দেখে যে দাঁতি-কাষৰীয়া ছাতবোৰত দেখোন
বোৰৰ পৰিবৰ্ত্তে প্ৰবীণাবোৰৰ সমাগম হৈছে, অৱশ্যে তেওঁলো
বাকীবপৰাও তাই কোনো ভাল মাত এষাৰ নেপালে।

ললিতা ইয়াতো ক্ষান্ত নহল। তাই ক'লে,—"বহুতো দুখী
ছোৱালীৰ কাৰণে বেথুন স্কুললৈ গৈ পঢ়াটো বৰ টান। সিহঁতক
ভাৰ ললে উপকাৰ কৰা হব।"

এই ধৰণৰ ছাত্ৰী বিচাৰিবলৈ তাই নিজেও লাগি গ'ল আৰু
লগাই দিলে।

তেতিয়াৰ দিনত পৰেশ ভট্টৰ জীয়েক কেইজনীৰ পঢ়া-শুনৰ
বহুদূৰলৈকে বিয়পি পৰিছিল। আন কি, সেই খ্যাতি সঁচাকৈ
বেচিকৈ আগুৱাই গৈছিল। সেই কাৰণেই ইহঁতে ছোৱালীবোৰক
পইচাই পঢ়ুৱাবলৈ ভাৰ লব বুলি শুনি বহুতো মাক-বাপেকে
পালে।

দুদিনমানৰ ভিতৰতে প্ৰথমতে পাঁচ-ছয়জনীমান ছোৱালীৰ
ললিতাৰ স্কুল বহি গ'ল। পৰেশ ভট্টৰ লগত এই স্কুলখনৰ কথা
চনা কৰি, স্কুলৰ সকলো নিয়ম-কানুন ঠিক-ঠাক কৰি আৰু সকল
যোগাৰ কৰি তাই নিজকে এক নিমিষো আজৰি নিদিলে। আ
বছৰৰ শেষত পৰীক্ষা হৈ যোৱাৰ পিচত ছোৱালীবোৰক কেন
বঁটা দিব লাগিব তাকে লৈ লাৱণ্যৰ লগত তাইৰ ভালকৈয়ে তৰ্ক
গ'ল। ললিতাই যিবোৰ পুথিৰ কথা কয়, লাৱণ্যৰ সেইবোৰ মনে
আকৌ লাৱণ্যই কোৱাবোৰো ললিতাৰ মনে নেধায়। পৰীক্ষা
কোনে লব তাকে লৈয়ো এখুন্দা লাগিল। লাৱণ্যই ছাত্ৰীবোৰক
নোৱাৰিলেও তেওঁৰ পাণ্ডিত্যৰ খ্যাতিক শ্ৰদ্ধা কৰিছিল। ছাত্ৰী
সিহঁতৰ স্কুলৰ পৰীক্ষা লোৱাত নাইবা পঢ়ুৱাত নাইবা যি কোনে
কামত নিযুক্ত থাকিলে সেইটো যে বৰ ডাঙৰ গৌৰৱৰ কথা হব
তাইৰ লেশমানো সন্দেহ নাছিল। কিন্তু ললিতাই কথাটোক এই
লাইকে নিদিলে। তাইৰ মতে হাৰান মাষ্টৰৰ লগত সিহঁতৰ এই
খনৰ কোনো প্ৰকাৰ সম্বন্ধই থাকিব নোৱাৰে।

তাৰ পিচত দুদিন-তিনিদিনমাৰ ভিতৰতে স্কুলৰ ছাত্ৰীৰ সংখ্যা
কমি একেবাৰে শূন্য হৈ গ'ল। ললিতাই তাইৰ অকলশৰীয়া
বহি থাকোঁতে কাৰোবাৰ ভৰিৰ শব্দ শুনিলেই কোনোবা ছাত্ৰী
বুলি ভাবি বৰ আগ্ৰহেৰে চাইছিল, কিন্তু এজনী ছাত্ৰীও

এইদৰে দুঘণ্টা মান পাৰ হৈ যোৱাৰ পিচত কৰবাত কিবা এটা কেণা
লাগিছে যেন তাইৰ লাগিল।

স্কুলৰ ওচৰত থকা ছাত্ৰীজনীৰ ঘৰলৈকে প্ৰথমতে ললিতা গ'ল।
ছোৱালীজনীয়ে কন্দনামুৱা হৈ ক'লে,—"আয়ে মোক যাবলৈ হাক দিছে।"
মাকে তাই গ'লে ঘৰত অসুবিধা হয় বুলি ক'লে। অসুবিধাটো
যে কি সেইটো ভালকৈ বুজা নগল। ললিতা অভিমানিনী ছোৱালী।
তাই আন পক্ষৰ অনিচ্ছাৰ অকণমানো লক্ষণ দেখিলে জেদ কৰিব বা
কথাটো ঘুৰাই-পকাই কব নোৱাৰে। তাই ক'লে—"অসুবিধা হয় যদি
লেলাগে।"

তাৰ পিচত ললিতা যিখন ঘৰলৈ গ'ল তাত খোলা-খুলি ভাৱেই শুনি-
বলৈ পালে। সিহঁতে ক'লে,—"সুচৰিতা আজি-কালি হিন্দু হৈছে, তাই
জাত মানে, তাইৰ ঘৰত গোসাঁই পূজা কৰা হয়," ইত্যাদি।

ললিতাই ক'লে,—"সেইবোৰৰ বাবে আপত্তি কৰিছে যদি স্কুল বাৰু
আমাৰ ঘৰতেই বহিব।"

কিন্তু ইয়াতো আপত্তি নুগুচিল, কিবা যেন আসোঁৱাহ থাকি গ'ল।
ললিতা আৰু আন ঘৰলৈ নগৈ সুধীৰক মতোৱাই পঠিয়ালে। সি আহি-
লত তাই সুধিলে,—"সুধীৰ কি হৈছে সঁচাকৈয়ে কোৱাচোন বাৰু।"

সুধীৰে ক'লে,—"পানু মাষ্টৰে তোমালোকৰ এই স্কুলখনৰ বিৰুদ্ধে
উঠি-পৰি লাগিছে।"

ললিতাই সুধিলে,—"কিয়? বাইদেউৰ ঘৰত গোসাঁই পূজা কৰা
হয় বুলি নে কি?"

সুধীৰে উত্তৰ দিলে,—"অকল সেয়ে নহয়।"

ললিতাই ব্যগ্ৰ হৈ সুধিলে,—"আৰুনো কি কাৰণ আছে নোকোৱা কিয়?"

সুধীৰে ক'লে,—"সেইবোৰ বহুত কথা।"

ললিতাই সুধিলে,—"মোৰো অপৰাধ আছে নে কি?"

সুধীৰে একো উত্তৰ নিদিলে। ললিতাই মুখ ৰঙা কৈ ক'লে,—
"এইয়া মোৰ সেই জাহাজ-যাত্ৰাৰ শাস্তি। অবিবেচনাৰ কাম কৰিলোৱেই
জানিবা, এতিয়া পৰাচিত হৈ নিজকে শুধৰোৱাৰ বাটো আমাৰ সমাজত
নাই নে কি? মোৰ কাৰণে সকলো শুভ কামেই এই সমাজত নিষিদ্ধ
নে কি? মোৰ আৰু আমাৰ সমাজৰ আধ্যাত্মিক উন্নতিৰ এইটো উপায়হে
তোমালোকে ঠিক কৰিছা নে কি?"

সুধীৰে কথাটো অলপ পাতলাৱৰ কাৰণে ক'লে,—"ঠিক সেই নহয়। বিনয় চেটাৰ্জ্জীহঁতো কিজানি লাহে লাহে এই স্কুলখনত পৰে, এই বুলিহে সিহঁতে ভয় কৰিছে।"

ললিতাই খণ্ডত একেবাৰে জুই যেন হৈ ক'লে,—"সেইটো ভাগ্য। যোগ্যতাত বিনয় চেটাৰ্জ্জীৰ লগত ৰিজাৰ পৰা কেইজন সিহঁতৰ মাজত আছে?"

ললিতাৰ খং দেখি সুধীৰে অলপ ভয় খাই ক'লে,—"সেইটো সঁচা কথা। কিন্তু বিনয় চেটাৰ্জ্জী দেখোন——"

ললিতা—ব্ৰাহ্ম-সমাজৰ মানুহ নহয়। সেই কাৰণে ব্ৰাহ্ম তেওঁক শাস্তি দিব। এনেকুৱা সমাজৰ কাৰণে মই অকণো নকৰোঁ।

ছাত্ৰীবোৰৰ ছাঁটোকে দেখিবলৈ নোহোৱা হোৱা দেখি ঘনশ্যাম কি আৰু কাৰপৰা যে ঘটিছে, সুচৰিতাই সেইটো গম পাইছিল। এই বিষয়ে কোনো হাই-উকমি নকৰি ওপৰৰ কোঠাত সতীশৰ অহা পৰীক্ষাৰ পঢ়া দেখুৱাই আছিল।

সুধীৰৰ লগত কথা কৈ উঠি ললিতাই সুচৰিতাৰ ওচৰলৈ গৈ—"বাইদেউ শুনিছা?"

সুচৰিতাই অলপ হাঁহি ক'লে,—"শুনা নাই। কিন্তু বুজিছোঁ।"

ললিতাই সুধিলে,—"এইবোৰো সহি থাকিব লাগিব নে কি?"

সুচৰিতাই ললিতাৰ হাতত ধৰি ক'লে,—"সহি থকাত যে অপমান নাই। দেউতাই কেনেকৈ সহি থাকে দেখা নাই জানো?"

ললিতাই উত্তৰ দিলে,—"কিন্তু সুচি বাইদেউ, সহি থাকিলে ৰক মানি লোৱা হে হয় বুলি মই বহুতো সময়ত ভাবোঁ। সহ্য নকৰাই হৈছে অন্যায়ৰ প্ৰতি উচিত ব্যৱহাৰ।"

সুচৰিতাই সুধিলে,—"তইনো কি কৰিব খুজিছ ক'চোন শুনো?"

ললিতাই উত্তৰ দিলে,—"সেইবোৰ মই একো ভবাই নাই। কি কৰিব পাৰিম তাকো নেজানো। কিন্তু কিবা এটা কৰিবৰ আমাৰ দৰে মাইকী মানুহৰ লগত ইমান নীচভাৱে যিবোৰে লাগিছে, নিজকে যিমানেই ডাঙৰ মানুহ বুলি নেভাবক, আচলতে সিহঁত কিন্তু সিহঁতৰ ওচৰত মই কেতিয়াও হাৰ নেমানো—কেতিয়াও এই ভাবে সিহঁতে যি পাৰে তাকে কৰক।"

এই বুলি ললিতাই মাটিত জোৰেৰে গোৰ এটা মাৰিলে। সুচৰিতাই একো উত্তৰ নিদি লাহে লাহে ললিতাৰ হাতৰ ওপৰত হাত ফুৰাবলৈ ধৰিলে। অলপ পৰ পিচত ক'লে,—"ললিতা, ভনীটি, কথাটো এবাৰ দেউতাক সুধি মেলি চাচোন।"

ললিতাই থিয় হৈ ক'লে,—"মই এতিয়াই দেউতাৰ ওৰিলৈ যাম।"

ললিতাই সিহঁতৰ ঘৰৰ দৱাৰ মুখ পাই দেখে যে তল-মূৰকৈ বিনয় ওলাই আহিছে। ললিতাক দেখি বিনয় এক মুহূর্ত্তৰ বাবে থমক খাই ৰৈ গ'ল। ললিতাৰ লগত এতিয়া কথা পতাটো উচিত হব নে নহব সি এটা দোধোৰ-মোধোৰত পৰিল; কিন্তু কোনো ৰকমে নিজকে চম্ভালি ললিতাৰ মুখলৈ নোচোৱাকৈয়ে এটা নমস্কাৰ কৰি তল মুকৈয়ে সি গুচি গ'ল।

ললিতাক যেন কিবা জুইত তপতোৱা শেলেহে বিন্ধিলে, তাই বেগাবেগিকৈ ঘৰলৈ আহিয়েই পোনে পোনেই তাইৰ কোঠাত সোমালগৈ। তাইৰ মাকে তেতিয়া মেজৰ ওপৰত এখন সৰু বহী মেলি লৈ কিবা-কিবি হিচাপ কৰিবলৈ চেষ্টা কৰি আছিল।

ললিতাৰ মুখ দেখিয়েই ৰৰদাসুন্দৰীয়ে প্ৰমাদ গণিলে। তেওঁৰ এনেহে লাগিল যেন হিচাপৰ বহীখনৰ মাজতে নিজকে নাইকিয়া কৰি পেলাব। এনেকুৱা কিবা এটা অঙ্ক আছে যিটো এতিয়াই মিলাব নোৱাৰিলে তেখেতৰ সংসাৰখন একেবাৰে ছাৰখাৰ হৈ যাব।

ললিতাই চকী এখন মেজৰ ওচৰলৈ টানি নি বহিল। তথাপিও ৰৰদাসুন্দৰীয়ে মূৰ নেদাঙিলে। তেতিয়া ললিতাই মাত দিলে,——"আই!"

ৰৰদাসুন্দৰীয়ে ক'লে,—"অলপ ৰৰি আই, মই এই"——এই বুলি বহীখনত তেখেতে মূৰটো একেবাৰে গুজি দিলে।

ললিতাই ক'লে,—"মই বেচি পৰ তোমাক আমনি নিদিওঁ। এটা কথাহে জানিব খুজিছোঁ। বিনয় চেটাৰ্জ্জী আহিছিল নে কি?"

ৰৰদাসুন্দীয়ে বহীৰপৰা মূৰ নদঙাকৈয়ে ক'লে,—"ওঁ।"

ললিতা—তেখেতৰ লগত তুমি কি কথা পাতিলা?

"সেইবোৰ বহুত কথা।"

ললিতা,—মোৰ বিষয়ে কিবা ওলাইছিল নে কি?

ৰৰদাসুন্দৰীয়ে আৰু সাৰিবৰ উপায় নেদেখি কলমটো থৈ বহীৰপৰা মূৰ দাঙি ক'লে,—"ওঁ আই, ওলাইছিল। দেখিলোঁ যে কথাবোৰ লাহে

লাহে বাঢ়িহে গৈছে। সমাজৰ মানুহবোৰে চাৰিওফালে নানা কথা
ফুৰিছে। সেই কাৰণেই অলপ সাৱধান কৰি দিবলগীয়া হ'ল।

লাজত ললিতাৰ মুখ ৰঙা পৰি উঠিল। তাইৰ মুৰ জুখিবলৈ
ধৰিলে। তাই সুধিলে,—"দেউতাই বিনয় চেটাৰ্জ্জীক ইয়ালৈ
বলৈ হাক দিছে নে কি?"

ৰৱদাসুন্দৰীয়ে উত্তৰ দিলে,—"তেখেতে হৰ পাই এইবোৰ
ভাবে? ভৱা হলে দেখোন গুৰিতেই এনে হৰলৈ নেপায়।"

ললিতাই সুধিলে,—"পানু মাষ্টৰ আমাৰ ইয়ালৈ আহিব
নোৱাৰে?"

ৰৱদাসুন্দৰীয়ে আচৰিত হৈ ক'লে,—"শুনাচোন কথাবোৰ।
মাষ্টৰ আকৌ নাহিব কিয়?"

ললিতা—বিনয় চেটাৰ্জ্জীয়েই নো নাহিব কিয়?

ৰৱদাসুন্দৰীয়ে পুনৰ বহীখন টানি লৈ ক'লে,—"ললিতা, তোৰ
মই আৰু নোৱাৰোঁ। আই! যা, এতিয়া আৰু মোক নজলাবি।
বহুতো কাম আছে।"

ললিতা দুপৰীয়া সুচৰিতাৰ ঘৰলৈ স্কুলত পঢ়ুৱাবলৈ যায়।
সুযোগতে বিনয়ক মতোৱাই আনি ৰৱদাসুন্দৰীয়েই তেখেতৰ
লগীয়া আছিল কৈছিল। ললিতাই গমকে নেপাব বুলি
হঠাতে সেই চক্রান্ত এইদৰে ধৰা পৰি যোৱা দেখি তেখেতৰ
পৰা যেন লাগিল। ইয়াৰ পৰিণামত অকল অশান্তিহে হব
যে সহজতে ওৰ নপৰিব—এই কথা তেখেতে বুজি পালে।
সকলো খং গৈ নিজৰ কাণ্ডজ্ঞানহীন গিৰীয়েকৰ ওপৰতে
এই অবোধ মানুহটোৰ লগত সংসাৰ কৰা যে মাইকী মানুহৰ
কষ্টকৰ।

ললিতাৰ গোটেই অন্তৰত প্রলয়ৰ ধুমুহা ৰৱলৈ ধৰিলে।
গ'ল গৈ। তলৰ কোঠাত বহি পৰেশ ভট্টই চিঠি লিখি আছিল।
তাই গৈ পোনে পোনেই তেখেতক সুধিলে গৈ, "দেউতা,
আমাৰ লগত কথা-বতৰা পতাৰ যোগ্য নহয় নে কি?"

প্রশ্ন শুনিয়েই পৰেশ ভট্টই গোটেই কথাটো গম পালে।
পৰিয়ালটোক লৈ কিছুদিনৰপৰা সমাজত যি হুলস্থূল লাগিছিল
তেখেতে নজনাকৈ নাছিল। এই বিষয়ে তেখেতে যথেষ্ট চিন্তা
লগীয়া হৈছে। বিনয়ৰ প্রতি ললিতাৰ মানোভাৱৰ সম্বন্ধে তেখেতে

সন্দেহ নোপজা হলে এইবোৰ বাহিৰৰ কথালৈ তেখেতে কাণেই নিদিলেহেঁতেন। কিন্তু যদি বিনয়ৰ প্রতি সঁচায়ে ললিতাৰ অনুৰাগ উপজিছে তেনেহলে সেই ক্ষেত্রত তেখেতৰ কর্ত্তব্যনো কি এই কথাটো তেখেতে নিজকে বাৰে বাৰে সুধিবলৈ ধৰিলে। প্রকাশ্যভাৱে ব্রাহ্ম-ধর্ম্মত দীক্ষা লোৱাৰ পিচত এয়েই প্রথম তেখেতৰ পৰিয়ালত আকৌ এটা সঙ্কট উপস্থিত হলহি। সেই কাৰণেই এফালে যেনেকৈ এটা ভয় আৰু বেজাৰে তেখেতক খুলি খুলি খাইছে, সেইদৰে আনফালে আকৌ তেখেতৰ অন্তৰৰ সকলো শক্তিয়েই যেন জাগ্রত হৈ কৈছে, ব্রাহ্ম-ধর্ম্ম গ্রহণ কৰিবৰ সময়ত এদিন যেনেকৈ একমাত্র ঈশ্বৰৰ ফালে দৃষ্টি ৰাখিয়েই কঠিন পৰীক্ষাত উত্তীর্ণ হৈছিলোঁ, সুখ, সম্পত্তি, সমাজ—সকলোৰে ওপৰত সঁচাক ঠাই দি বিদৰে জীৱনটো চিৰদিনৰ কাৰণে ধন্য হৈছে, এতিয়াও যদি তেনেকুৱা পৰীক্ষাৰ দিন আহে, তেনেহলে সেই ভগৱানৰ ফালে লক্ষ্য ৰাখিয়েই পাৰ হৰ পাৰিম।"

ললিতাৰ প্রশ্নৰ উত্তৰত পৰেশ ভট্টই ক'লে,—"বিনয়ক তো মই খুব ভাল বুলিয়েই জানো। তাৰ বিদ্যা-বুদ্ধি যেনেকুৱা, চৰিত্রও তেনেকুৱা।"

অলপ পৰ মনে মনে থাকি ললিতাই ক'লে,—"দেউতা, গৌৰমোহনৰ মাক ইয়াৰ ভিতৰতে আমাৰ ঘৰলৈ দুদিনো আহিল। সুচি বাইদেউৰ লগত আজি এবাৰ তেখেতৰ তালৈ যাম নে?"

ভট্ট ডাঙৰীয়াই কিছু সময় একো উত্তৰ দিব নোৱাৰিলে। তেখেতে ভালকৈয়ে জানিছিল যে এনেকুৱা আলোচনাৰ সময়ত এনেকৈ অহা-যোৱা কৰিলে সিহঁতৰ বদ্‌নাম আৰু বাঢ়িবহে। কিন্তু তেখেতৰ মনটোৱে কৈ উঠিল, "যেতিয়ালৈকে এইটো অন্যায় নহয় তেতিয়ালৈকে মই হাক দিব নোৱাৰোঁ।" তাৰ পিচত তেখেতে ক'লে,—"যোৱাঁ৷ বাৰু, মোৰ কাম আছে, নহলে ময়ো তোমালোকৰ লগতে গলোহেঁতেন।"

৪৫

বিনয়ে এই কেইদিন আলহীৰ দৰে বা বন্ধুভাৱে ইমান মুকলিমুৰী
অহা-যোৱা কৰা ঠাইৰ তলত যে এটা সামাজিক আগ্নেয়গিৰি এটা
হুমহুমাই জ্বলি আছিল, সেইটো সি সপোনতো ভবা নাছিল। পৰেশ
পৰিয়ালৰ লগত প্ৰথম চা-চিনাকি হওঁতে তাৰ মনত যথেষ্ট সঙ্কোচ আছিল
তাৰ অধিকাৰৰ সীমা নো ক'ত, সেইটো সি ভালকৈ নেজানিছিল বুলিয়ে
সদায় ভয়ে ভয়ে চলিছিল। লাহে লাহে যেতিয়া তাৰ ভয় ভাঙি
তেতিয়া ক'তো অকণমানো বিপদৰ আশঙ্কা আছে যেন তাৰ নেদেখি
তাৰ চাল-চলনৰ ফল স্বৰূপে আজি হঠাতে বাইজৰ আগত ললিতা
ভাগী হ'বলগীয়া হৈছে বুলি শুনি তাৰ মূৰত যেন বজ্ৰপাত হে
তাৰ আটাইতকৈ বেচি বেয়া লাগিছিল এই কাৰণেই যে ললিতাৰ
তাৰ হৃদয়ৰ উত্তাপৰ মাত্ৰা সাধাৰণ বন্ধুত্বৰ সীমা চেৰাই বহুতো
উঠিছে বুলি সি নিজেও গম পাইছিল। আৰু বৰ্ত্তমান ক্ষেত্ৰত
ইজনৰ সিজনৰ সমাজ দুখন ইমান বেলেগ—তাত এনেকুৱা উত্তাপৰ
বেচি হোৱাক সি নিজেই অপৰাধ বুলি ভাবিছিল। এই কথাষ
বহুবাৰ তাৰ মনত ভুমুকি মাৰিছে যে এইখন ঘৰলৈ বিশ্বাসী আনহী
আহি এতিয়া যেন নিজৰ আচল ঠাই সি বাখিব পৰা নাই।
ক'বৰাত সি যেন বিশ্বাসঘাতকতা কৰিছে। তাৰ মনৰ ভিতৰত
এই পৰিয়ালৰ মানুহবোৰে কেনেবাকৈ গম পালে কি যে লাজৰ
হ'ব।

এনে সময়তে যেতিয়া এদিন দুপৰীয়া ৰৱদাসুন্দৰীয়ে চিঠি
মানুহ পঠিয়াই বিনয়ক মতোৱাই আনি সুধিলে,—'চেটাৰ্জ্জী বোপা,
হিন্দু নহয় জানো?' আৰু সেই কথা বিনয়ে স্বীকাৰ কৰিবত
সুধিলে,—'হিন্দু সমাজ আপুনি তো ত্যাগ কৰিব নোৱাৰে।' আৰু
সেইটো তাৰ পক্ষে অসম্ভৱ, বুলি কোৱাত ৰৱদাসুন্দৰীয়ে যেতিয়া
'তেনেহলে কিয় আপুনি—' তেতিয়া সেই 'তেনেহলে কিয়'
কোনো উত্তৰেই বিনয়ৰ মুখেদি নোলাল। সি একেবাৰে তন্ময়
থাকিল। তাৰ এনেহে লাগিল সি যেন তেখেতৰ আগত ধৰা
তাৰ এনেকুৱা এটা বস্তু ইয়াত সকলোৰে আগত ওলাই
সি চন্দ্ৰ, সূৰ্য্য, বায়ুৰপৰাও যেন লুকুৱাই ৰাখিব খুজিছিল।

সি ভাবিবলৈ ধৰিলে,—ইচ্ বাম! ভট্ট ডাঙৰীয়াই বা কি বুলি ভাবিছে,
ললিতাই চাগৈ কি ভাবিছে আৰু সুচৰিতাই বা তাক কি বুলি ভাবিছে!
দেৱদূতৰ কিবা ভুলত হে তাৰ এই স্বৰ্গলোকত কিছুদিনৰ বাবে ঠাই হৈছিল।
অনধিকাৰ প্ৰৱেশৰ সকলো লাজ-অপমান মূৰ পাতি লৈ ইয়াৰপৰা আজি
সি একেবাৰে নিৰ্ব্বাসিত হ'ব লাগিব।

তাৰ পিচত পৰেশ ভট্টৰ ঘৰৰপৰা ওলাই প্ৰথমে ললিতাক দেখিয়েই
সি ভাবিছিল 'আজি এই শেষ বিদায়ৰ বেলাত ললিতাৰপৰা এটা ডাঙৰ
অপমানৰ বোজা লৈ আগৰ সকলো চিনাকিৰ এটা সমাধান কৰি দি থৈ
যাওঁ।' কিন্তু কি কৰিলেনো ইয়াকে হ'ব সি তাকেই ভাবি উলিয়াব
নোৱাৰিলে। সেই কাৰণে ললিতাৰ মুখলৈ নোচোৱাকৈয়ে নীৰৱে নমস্কাৰ
এটা কৰি সি গুচি গৈছিল গৈ।

সৌৱা সিদিনালৈকে দেখোন বিনয় পৰেশ ভট্টৰ পৰিয়ালৰ বাহিৰতেই
আছিল, আজিও সেই বাহিৰতেই আছি সি থিয় হ'লহি। কিন্তু ই কি
পৰ্ভেদ। সেই বাহিৰখনেই আজি এনেকুৱা শুদা শুদা লাগিছে কিয়?
তাৰ আগৰ জীৱনৰ তো কতো একো ক্ষতি হোৱা নাই। তাৰ গোৱা,
তাৰ আনন্দময়ী সকলোৱেই দেখোন আছে। কিন্তু তথাপিও মাছ পানীৰ-
পৰা পাৰলৈ উঠিলে যেনে লাগে, তাৰো ঠিক তেনেকুৱাই লাগিল। চাৰিও-
ফালে সি ঘূৰি চালে, কিন্তু তাৰ জীৱনৰ অবলম্বন যেন হেৰাই গৈছে। এই
অট্টালিকাৰে ভৰা জনাকীৰ্ণ মহানগৰীৰ ৰাজপথত চাৰিওফালে বিনয়ে তাৰ
নিজৰ জীৱনৰ এটা আন্ধাৰ শাওঁবৰণীয়া সৰ্ব্বনাশৰ ছাঁ দেখা পালে। এই
শুকান পৃথিৱীখনক বিঙা বিঙা দেখি সি নিজেই আচৰিত হৈ গ'ল।
কিয় এনেকুৱা হ'ল? এইবোৰ কথাকে সি এটা হৃদয়হীন নিৰুত্তৰ শূন্যক
বাবে বাবে সুধিবলৈ ধৰিলে।

"বিনয় ককাইদেউ! বিনয় ককাইদেউ!"

বিনয়ে উভতি চাই দেখে যে সতীশ। বিনয়ে তাক সাৱটি ধৰিলে।
ক'লে,—"কি ভাই, কি কথা কোৱা আক' বন্ধু।" বিনয়ৰ মাতটো যেন চকু-
লোৰে সেমেকি পৰিল। ভট্ট ডাঙৰীয়া ঘৰৰ এই অকণমানি লৰাটিয়েও
যে কিমানখিনি মাধুৰী বিলাইছিল—সেইটো আজি যেনেকৈ বিনয়ে অনুভৱ
কৰিলে আগতে বোধকৰোঁ কেতিয়াও সিমান অনুভৱ কৰা নাছিল।

সতীশে সুধিলে—"আপুনি আমাৰ ঘৰলৈ কিয় যোৱা নাই ককাইদেউ?
ককাইলৈ আমাৰ তাত লাবণ্য বাইদেউ আৰু ললিতা বাইদেউ ভাত খাবলৈ
আহিব। মাহীয়ে আপোনাকো নিমন্ত্ৰণ কৰিবলৈ মোক পঠিয়াই দিছে।"

মাহীয়ে এইবোৰ কথাৰ একো ভু নেপাই বুলি বিনয়ে বুজিব পাৰি
সি ক'লে,—"সতীশ, মাহীক মোৰ সেৱা জনাবা দেই। মই কিন্তু
নোৱাৰিম।"

সতীশে বিনয়ৰ হাতত ধৰি অনুনয় কৰি ক'লে,—"কিয় নোৱাৰিবি
ইঃ আপুনি যাবই লাগিব। মই হলে কেতিয়াও নেৰোঁ।"

সতীশৰ ইমান অনুবোধৰ বিশেষ এটা কাৰণ আছিল। স্কুলত
প্ৰতি ব্যৱহাৰ"ৰ বিষয়ে তাক এখন বচনা লিখিবলৈ দিছিল। সেই
খনত সি পঞ্চাশৰ ভিতৰত বিয়াল্লিচ নম্বৰ পাইছিল। বিনয়ক সেই
দেখুৱাবলৈ তাৰ মনটো উছপিচাই আছিল। বিনয় এজন ৰব
আৰু জনা লোক বুলি সি ভাবিছিল। বিনয়ৰ দৰে জনা-বুজা
তাৰ বচনাখনৰ মূল্য ঠিক কৈ বুজিব পাৰিব বুলি সি ভাবিছিল।
তাৰ বচনাখন শ্ৰেষ্ঠতা মানি লোৱাৰ পাচত কঠুৱা লীলাই সতীশৰ
সম্বন্ধে কেবাহি নকবিলে তাই হে সকলোৰে হাঁহিয়াতৰ পাত্ৰ হ'ব।
মাহীয়েকক কৈ নিমন্ত্ৰণটো সিয়েই কৰোৱাইছিল। বিনয়
বচনাৰ ওপৰত ৰায় দিওঁতে বায়েকহঁতো তাত উপস্থিত থকাটো
কৰিছিল।

বিনয় কোনোবকমেই যাব নোৱাৰিব বুলি শুনি সতীশে ৰব
বিনয়ে তাৰ ডিঙিত সাৱটি ধৰি ক'লে,—"সতীশ, তুমিহে
তালৈ বলা।"

সতীশৰ জেপত সেই বচনাখন আছিল। সেই কাৰণে সি
আহ্বান অগ্ৰাহ্য কৰিব নোৱাৰিলে। কৱি হোৱাৰ লোভ থকা এই
স্কুলৰ পৰীক্ষাৰ একেবাৰে মূৰামূৰি সময়তো সময় নষ্ট কৰাৰ
লৈ বিনয়ৰ ঘৰলৈ গ'ল।

বিনয়ে যেন সতীশক কোনোমতেই এৰি দিব নোৱাৰা হ'ল।
বচনা তো শুনিলেই, তাৰোপৰি সি ইমান প্ৰশংসা কৰিলে যে
সমালোচনাৰ কোনো নিৰপেক্ষতা বুজা নগ'ল। ইয়াৰ উপৰিও
মিঠৈ কিনি আনিও তাক খুৱালে।

তাৰ পিচত সতীশক সিহঁতৰ ঘৰৰ কাষলৈকে আগবঢ়াই
অনাৱশ্যক ভাৱে চিন্তিত হৈ ক'লে,—"সতীশ, মই তেনেহলে
যাওঁ দেই।"

সতীশে তাৰ হাতত ধৰি আজুৰি আজুৰি ক'লে,—"ওঁহো
আমাৰ ঘৰলৈ যাবই লাগিব।"

আজি কিন্তু তাৰ এই অনুবোধৰ একো ফল নধৰিল।

সপোনত ভাঁহি যোৱাৰ দৰে গৈ গৈ বিনয় আনন্দময়ীৰ ঘৰ পালেগৈ।
কিন্তু তেখেতৰ লগত দেখা কৰিব নোৱাৰিলে। ছাতৰ ওপৰত যিটো
কোঠাত গোৰা শুইছিল, সি গৈ সেই কোঠাটোতে সোমালগৈ। এইটো
কোঠাতে সিহঁতে ল'ৰাকালৰ বন্ধুত্বৰ ক'ত সুখৰ দিন আৰু ক'ত সুখৰ
ৰাতি কটাইছে। কত আনন্দৰ কথা, কত সঙ্কল্প, কত গভীৰ আলোচনা,
কত প্ৰণয়কলহ আৰু কলহৰ কত মধুৰ অৱসান—সেই তাৰ এৰি অহা
জীৱনৰ মাজত বিনয়ে ঠিক তেনেকৈয়ে আগৰদৰে আপোন-পাহৰি সোমাব
খুজিলে। কিন্তু সমাজৰ এই কেইদিনৰ এই নতুন চিনাকিয়ে তাৰ যেন
বাট আগচি ধৰিলেহি। তাক ঠিক আগৰ সেই ঠাইত আৰু সোমাবলৈ
নিদিলে। জীৱনৰ কেন্দ্ৰ যে কিমানখিনি আঁতৰি গৈছে আৰু কক্ষপথৰ
যে কেতিয়া পৰিবৰ্ত্তন ঘটিছে সেইটো অতদিনে বিনয়ে ইমান ফট্‌ ফটীয়ীকৈ
বুজিব পৰা নাছিল। সেই কথাটোৱেই আজি ইমান ফট্‌ফটীয়াকৈ ওলাই
পৰাত সি ভয় খাই উঠিল।

আনন্দময়ীয়ে ছাতত কাপোৰ শুকাবলৈ মেলি দিছিল। আবেলি
ৰ'দ পৰি অহাত কাপোৰবোৰ চপাবলৈ আহি গোৰাৰ কোঠাত বিনয়ক
দেখি আচৰিত হৈ গ'ল। লৰালৰিকৈ তাৰ কাষলৈ আহি গাত হাত দি
সুধিলে,—"বিনয়, কি হৈছে বোপাই? তোৰ মুখখন ইমান শেঁতা পৰিছে
কিয়?"

বিনয়ে উঠি বহি ক'লে,—"আই, মই ভট্টহঁতৰ ঘৰলৈ যেতিয়া প্ৰথমতে
খবলৈ আৰম্ভ কৰিছিলোঁ গোৰাই খং কৰিছিল। তাৰ খং মই তেতিয়া
অন্যায় বুলি ভাবিছিলোঁ। কিন্তু অন্যায় তাৰ নহয়, মোৰ হে মূৰ্খামি।"

আনন্দময়ীয়ে অলপ হাঁহি পেলাই কলে,—"তোক আমাৰ খুব সুবুদ্ধি
থকা ল'ৰা বুলি মই নকওঁ, কিন্তু এই ঠাইত তোৰ মূৰ্খামি ক'ত দেখিলি?"

বিনয়ে কলে,—"আই, আমাৰ সমাজখন যে একেবাৰেই বেলেগ,
সেই কথা মই সমূলি ভবা নাছিলোঁ। তেওঁলোকৰ বন্ধুত্ব, ব্যৱহাৰ আৰু
দৃষ্টান্ত দেখি মই বৰ ভাল পাইছিলোঁ আৰু তাৰপৰা উপকাৰ পোৱা যেনো
লাগিছিল। সিয়েই মোক টানি নিছিল। আৰু যে কিবা ভাবিবলগীয়া
আছে, সেই কথা এক মুহূর্ত্তৰ বাবেও মোৰ মনত খেলোৱা নাছিল।"

আনন্দময়ীয়ে কলে,—"তোৰ কথা শুনিও এতিয়াও দেখোন সেইবোৰ
কথা মোৰ মনলৈ অহা নাই।"

বিনয়ে কলে,—"আই, তুমি নাজানা, তেওঁলোকৰ ঘৰখনৰ বিষয়ে

সমাজত মই বৰ ডাঙৰ অশান্তি আনিছোঁ। মানুহে এনেকুৱা
গাবলৈ ধৰিছে যে মই আৰু তাত—"

আনন্দময়ীয়ে কলে,—"গোৱাই এটা কথা বাৰে বাৰে কৈছিল,
মই খুব খাঁটি কথা বুলি ভাবোঁ। সি কয়, য'ত ভিতৰত অন্যায়
তাত বাহ্যিক শান্তি থকাটোৱেই সকলোতকৈ অমঙ্গলৰ কথা।
সমাজত অশান্তি হব পাৰে, কিন্তু তাৰ বাবে তই অনুতাপ কৰাৰ
দৰ্কাৰ নেদেখোঁ। চাবি, ইয়াৰপৰা ভালেই হব। তোৰ নিজৰ
খাঁটি হলেই হ'ল।"

এইখিনিতেই বিনয়ৰ কেণা লাগিছিল। তাৰ নিজৰ
নিন্দা কৰিবলগীয়া হয় নে নহয়, সেইটো সি কোনোমতেই
নাছিল। ললিতা আন এখন সমাজৰ ছোৱালী, এতেকে
কৰোৱাটো সম্ভৱ নহয়। সেইবাবে তাইলৈ থকা বিনয়ৰ
গোপন পাপৰ দৰে তাক খুলি খুলি খাইছিল আৰু সেই
পৰাচিতৰ সময় আহিছে বুলি ভাবিয়েই সি আজি দুখ
বিনয়ে হঠাতে কৈ পেলালে,—"আই, শশীমুখীৰ লগত
খন হোৱাৰ কথা আছিল, সেইখন হৈ যোৱা হলেই ভাল
প্ৰকৃত ঠাই য'ত তাতেই কোনোমতে মই বান্ধ খাই থকা
হোৱা উচিত যেন কোনোমতেই তাৰপৰা মই লৰচৰ
আনন্দময়ীয়ে হাঁহি হাঁহি কলে,—"অৰ্থাৎ, শশীমুখীক
বৈণী নকৰি তোৰ ঘৰৰ শিকলি কৰিব খুজিছ—শশীজনী
পৰিল।"

এনেতে পৰেশ ভট্টৰ ঘৰৰপৰা দুজনী ছোৱালী আহিছে
টোৱে আহি খৰৰ দিলেহি। শুনিয়েই বিনয়ৰ বুকু
সি ভাবিলে, তাক সতৰ্ক কৰি দিবৰ কাৰণেই সিহঁতে
গোচৰ দিবলৈ আহিছে। সি ততালিকে থিয় হৈ কলে,—
আনন্দময়ীয়ে থিয় হৈ তাৰ হাতত ধৰি কলে,—
নেযাবিগৈ বিনয়। তলৰ কোঠালীত অলপ পৰ বহগৈ যা।"

তললৈ নামি যাওঁতে যাওঁতে সি নিজক নিজেই বাৰে
ধৰিলে,—'ইয়ালৈ অহাৰ তো একো প্ৰয়োজন নাছিল।
আৰু। মই তো আৰু মৰিলেও তালৈ নেযাওঁ।
দৰে জলি উঠাৰ পাচত অপৰাধী পুৰি ছাই হৈ গ'লেও
নুমাবই নোখোজে।'

তলৰ মহলাৰ আলি বাটৰ পিনৰ গোৱাৰ যিটো কোঠা আছিল বিনয়ে
তত সোমাৰ খোজোঁতেই মহিমে তেওঁৰ বৰ পেটটোক চাপ্‌কানৰ বুতাম-
ৰন্ধনৰপৰা মুক্তি দি দি অফিচৰপৰা আহি ঘৰ সোমালহি। তেওঁ বিনয়ৰ
হাতত ধৰি কলে,—"অ' বিনয়, তুমি ইয়াতেই আছা দেখোন। ভালেই
হ'ল, মই তোমাকেই বিচাৰিছিলোঁ।"

এই বুলি বিনয়ক গোৱাৰ কোঠালৈ লৈ গৈ এখন চকীত বহুৱাই
নিজেও আন এখন চকীত বহিল আৰু জেপৰপৰা টেমাটো উলিয়াই
বিনয়ক এখন তামোল খাবলৈ দিলে।

"হেৰ', কোন আছ, এচিলিম ধঁপাত লৈ আহ অ" এই বুলি এটা
ডিঙ্গৰ মাৰি তেওঁ একেবাৰেই আচল কামৰ কথাকে উলিয়ালে। বিনয়ক
সুধিলে—"সেই বিষয়ে কি ঠিক কৰিলা? আৰু তো—"

বিনয়ৰ মনৰ ভাব আগতকৈ বহুতো কোমলা যেন তেওঁৰ লাগিল।
সি যে উৎসাহ দেখুৱাইছে—সেইটো সমূলি নহয় যদিও—ফাঁকি-ফুকা কৰি
কোনোমতে সাৰি যাবলৈকো দেখোন চেষ্টা কৰা নাই। মহিমে তেতিয়াই
কিন-বাৰ ঠিক কৰি পেলাব খুজিলে। বিনয়ে কলে,—"গোৱা উভতি
আহক দিয়ক।"

মহিমে নিশ্চিন্ত হৈ কলে,—"গোৱাৰ উভতি আহিবলৈ তো এতিয়াও
দিন আছে। বিনয়, অলপ চাহ-জলপান আনিবলৈ কওঁ, কি কোৱা?
তোমাৰ মুখখন আজি বৰ শুকান শুকান যেন লাগিছে। কিবা অসুখ-
বিসুখ হ'ল নে কি আকৌ?"

বিনয়ে চাহ-জলপানৰপৰা কোনোমতে হাত সাৰিলত মহিমে নিজে
চাহ-জলপান খাবলৈ ভিতৰ সোমালগৈ। বিনয়ে গোৱাৰ মেজৰ ওপৰৰ
পৰা কিবা পুথি এখন টানি লৈ পাত লুটিয়াবলৈ ধৰিলে। অলপ পিচত
পুথিখন থৈ কোঠাটোতে ইমূৰ-সিমূৰ কৰি থাকিবলৈ ধৰিলে।

এনেতে লণ্ডৰাটো আহি ক'লেহি,—"আয়ে আপোনাক মাতিছে।"

বিনয়ে কলে,—"কাক মাতিছে?"

লণ্ডৰাটোৱে ক'লে,—"আপোনাক।"

বিনয়—আন আলহীবোৰ আছে নে নাই?

লণ্ডৰাটোৱে "আছে" বুলি কলে।

পৰীক্ষাগৃহলৈ ছাত্ৰ আগবাঢ়ি যোৱাদি বিনয় ওপৰলৈ উঠি গ'ল।
কোঠাটোৰ দুৱাৰ মুখলৈ আহি সি অলপ হেহোঁ নেহোঁ কৰোঁতেই সুচৰিতাই
আগৰ দৰেই তাইৰ সহজ বন্ধুত্বৰ সৰল মাতেৰে মাত দিলে,—"আহক,

চেটাৰ্জ্জীদেউ আহক।" সেই মাত শুনিয়েই বিনয়ে স্বৰগখন হাতত
পোৱা যেন পালে।

বিনয় কোঠাটোত সোমালত সুচবিতা আৰু ললিতা তাক
আচবিত হৈ গ'ল। হঠাতে সি যে কিমান ডাঙৰ আৰু নিদাৰুণ
পাইছে,—সেই আঘাতে এইকণ সময়ৰ ভিতৰতে তাৰ মুখত এ
সাঁচ বহুৱাই দিছে। নিজম সেউজী পথাৰৰ ওপৰেদি হঠাতে এ
ঘোঁবাই চেকুৰি গ'লে যি অৱস্থা হয়, বিনয়ৰ সদায় হাঁহি থকা
আজি ঠিক তেনেকুৱা পথাৰখনৰ দৰেই হৈছে। ললিতাৰ মন
আৰু পুতৌ লগাৰ লগে লগে অলপ আনন্দও লাগিল।

আন দিনা হোৱা হলে ললিতাই তেতিয়াই বিনয়ৰ লগত কথা
হেঁতেন। আজি কিন্তু বিনয় আহি কোঠাটোত সোমোৱাৰ
তাই কলে,—"চেটাৰ্জ্জীদেউ, আপোনাৰ লগত আমাৰ এটা কথা
কৰিবলগীয়া আছে।"

বিনয়ৰ বুকুলৈ যেন হঠাতে কোনোবাই এডাল আনন্দৰ শব্দ
মাৰি পঠিয়ালে। সি আনন্দতে চক্ খাই উঠিল। তাৰ
মুখখন এক নিমিষতে পোহৰেৰে উজ্জ্বল হৈ উঠিল।

ললিতাই কলে,—"আমি বাই-ভনী কেইজনীয়ে লগ
সৰু-সুৰা ছোৱালী-স্কুল খুলিব খুজিছোঁ।"

বিনয়ে আগ্ৰহেৰে কলে,—"ছোৱালী স্কুল এখন খোলা
দিনৰেপৰা এটা আকাঙ্ক্ষা আছিল।"

ললিতাই কলে,—"এই বিষয়ে আপুনি আমাক সহায় কৰিব
বিনয়ে কলে,—মই কৰিব পৰাখিনিৰ একো ঘাটি নহব।
কৰিব লাগিব কওক।"

ললিতাই কলে,—"আমি ব্ৰাহ্ম দেখি হিন্দু অভিভাৱকৰোৱে
বিশ্বাস নকৰে। এই বিষয়ে আপুনি চেষ্টা কৰিব লাগিব।"

বিনয়ে বৰ বং পাই কলে,—"আপুনি এই বিষয়ে একো চিন্তা
মই পাৰিম।"

আনন্দময়ীয়ে কলে,—"সেইবোৰ সি খুব পাৰিব। মানুহক
বলাই বশ কৰাত তাৰ লগত ফেৰ মাৰিব পৰা কিজানি কোনো
ললিতাই কলে,—"স্কুলৰ কাম-কাজবোৰ যেনেকৈ
উচিত—সময় ভগোৱা, শ্ৰেণী ভগোৱা, পুথি-পাঁজি ঠিক-ঠাক
এই সকলোবোৰ আপুনিয়েই কৰি দিব লাগিব।"

এই কামটোও বিনয়ৰ বাবে একো টান কাম নহয়। কিন্তু তাৰ
এটা খোকোজা লাগিল। বৰদাসুন্দৰীয়ে তেখেতৰ জীয়েক কেইজনীৰ
লগত কথা-বতৰা পাতিবলৈ তাক বাৰণ কৰি দিছে আৰু সমাজতো সিহঁতক
লৈ ডাঙৰ গোলমাল লাগিছে। এইবোৰ কথা বাৰু ললিতাই একোৱেই
গম নেপায় নে কি? আৰু এই ক্ষেত্ৰত বিনয়ে ললিতাৰ অনুৰোধ ৰাখিবলৈ
কথা দিয়াটো অন্যায় হব নে কি বা ইয়াৰপৰা ললিতাৰ বেয়াহে হব নে কি,
এই কথাটোৰেই তাৰ মনত খুন্দিয়াবলৈ ধৰিলে। আনফালে আকৌ
ললিতাই কিবা শুভ কামত তাৰ সহায় বিচাৰিলে মনে-প্ৰাণে চেষ্টা কৰিও
সেই অনুৰোধ পালন নকৰিব, তাৰ এনে শক্তি নো ক'ত?

ইফালে সুচবিতাও আচবিত হৈ গ'ল। ললিতাই এনেকৈ বিনয়ক
ছোৱালী-স্কুলৰ কাৰণে অনুৰোধ কৰিব বুলি তাই সপোনতো ভবা নাছিল।
এনেৱেই কথাবোৰ বাৰুকৈয়ে পাক খাইছেগৈ—তাৰ পিচত আকৌ এইবোৰ
কি কথা? সকলো জানি-শুনিও ললিতাই নিজ ইচ্ছাৰে এনে ঘটনা
ঘটোৱাবলৈ ওলোৱা দেখি তাই ভয় খালে। ললিতাৰ মনৰ ভিতৰত
বিদ্ৰোহে মূৰ দাঙি উঠিছে বুলি তাই বুজিলে। কিন্তু বেচেৰা বিনয়ক এই
বেজালিখনৰ মাজত সুমুৱাই লোৱাটো জানো তাইৰ উচিত হৈছে?
সুচবিতাই উদ্বিগ্ন হৈ কলে,—"এই বিষয়ে এবাৰ দেউতাৰ লগত পৰামৰ্শ
কৰিব লাগিব। ছোৱালী স্কুলত ইন্সপেক্টৰৰ আসন পালে বুলিয়েই এতিয়াৰে
পৰাই যেন চেটাৰ্জ্জীদেৱে ধৰি নলয়।"

সুচবিতাই কৌশলেৰে প্ৰস্তাৱটোত বাধা দিছে বুলি বিনয়ে গম পালে।
আৰু ফলত তাৰ মনৰ সন্দেহ আৰু বাঢ়িল হে। কিবা বিপদ এটা আহিছে
বুলি সুচবিতায়ো যে জানে, এইটো ভালকৈয়ে বুজা গ'ল। এতেকে
ললিতায়ো নিশ্চয় নজনাকৈ থকা নাই। তেনে ললিতাই কিয়...
একোকে বুজা নগ'ল।

ললিতাই কলে,—"দেউতাক তো সুধিবই লাগিব। চেটাৰ্জ্জীদেউ
ৰাজী আছে বুলি জানিলেই তেখেতক কম। তেখেতে কেতিয়াও আপত্তি
নকৰে। তেখেতো আমাৰ স্কুলৰ লগত যোগ থাকিব লাগিব।"

আনন্দময়ীৰ ফালে চাই তাই কলে,—"আপোনাৰ কথাও আমি ভাবিছোঁ।"

আনন্দময়ীয়ে হাঁহি হাঁহি কলে,—"মই হলে তোমালোকৰ স্কুল ঘৰটো
মাৰি-পুচি দিব পাৰিম। মোৰদ্বাৰা তাতকৈ বেচিনো আৰু কি হব?"

বিনয়ে কলে,—"সেয়ে হলেই যথেষ্ট হব আই! স্কুল ঘৰ একেবাৰে
নিৰ্ম্মল হৈ পৰিব।"

সুচবিতা আৰু ললিতা গুচি যোৱাৰ পিচত বিনয়ে খোজ কঢ়া
'ইডেন গার্ডেনৰ' ফালে গ'ল গৈ। মহিমে আনন্দময়ীৰ ওচৰলৈ
কলেহি,—"বিনয়ে এতিয়া বহুখিনি মাস্তি হৈছে গৈ। এতিয়া
সোনকালে পৰা যায় কামটো শেষ কৰি পেলোৱাই ভাল। কোনে
মত সলনি হয়, কোনে জানে?"

আনন্দময়ী আচবিত হৈ কলে,—"ই আকৌ কি কথা? বিনয়
মাস্তি হ'ল কেতিয়া? মোক তো একো কোৱা নাই!"

মহিমে কলে,—"আজিয়েই মোৰ লগত তাৰ কথা-বতৰা
গোৱা আহিলেই দিন-বাৰ সকলো ঠিক কৰা হব বুলি সি কৈছে।"

আনন্দময়ীয়ে মুৰ জোকাবি কলে,—"মহিম, মোৰ কথা শুন
কথাবোৰ ঠিককৈ বুজা নাই হবলা?"

মহিমে উত্তৰ দিলে,—"মোৰ বুদ্ধি যিমানেই ভোতা নহওক
এইটো তুমি নিঃসন্দেহে জানিবা যে পোনপটীয়া কথা বুজাৰ কা
হৈছে।"

আনন্দময়ীয়ে কলে,—"বোপাই, মোৰ ওপৰত তোমাৰ
বুলি মই জানো। কিন্তু দেখিছোঁ এতিয়া আকৌ এটা গোলমালৰ
গৈ।"

মহিমে গহীনাই কলে,—"গোলমাল লগালেই গোলমাল লাগে।
আনন্দময়ীয়ে কলে,—"মহিম, তোমালোকে মোক বিহকে
মই সকলো সহি থাকিম। কিন্তু য'ত অশান্তি ঘটিবৰ ভয় আছে
কথাত মই যোগ দিব নোৱাৰোঁ। এইটো তোমালোকৰ ভালৰ
মই কৈছোঁ।"

মহিমে খঙেৰে কলে,—"আমাৰ ভাল কথা চিন্তা কৰাৰ ভাৰ
ওপৰতেই দিলে তুমিও আৰু একো কথা শুনিব নেলাগে। আৰু
কিজানি তেতিয়াহে ভাল হব। ৰবঞ্চ শশীমুখীৰ ৰিয়াখন
তাৰ পিচত তুমি আমাৰ ভালৰ কথা চিন্তা কৰিবা। কি কোৱা?"

ইয়াৰ পিচত আনন্দময়ীয়ে আৰু একোকে উত্তৰ নিদি এটা
কাঢ়িলে। মহিমে জেপৰ টেমাৰপৰা তামোল এখন উলিয়াই
চোবাই গুচি গ'ল গৈ।

ললিতাই ভট্ট ডাঙৰীয়াক আহি ক'লেহি,—"দেউতা, আমি ব্ৰাহ্ম বুলি
কোনো হিন্দু ছোৱালীয়েই আমাৰ কাষলৈ পঢ়িবলৈ আহিব নোখোজে।
সেই কাৰণেই ভাবিছোঁ হিন্দু সমাজৰ কাৰোবাক ইয়াত সুমুৱাই ললে কামৰ
সুবিধা হব। কি কয়?"

পৰেশ ভট্টই সুধিলে,—"হিন্দু সমাজৰ কাৰোবাক নো ক'ত পাবা?"

ললিতাই কঁকালত টঙালি বান্ধি আহিছিল হয়, কিন্তু তথাপিও বিনয়ৰ
নামটো ক'বলৈ হঠাতে তাইৰ সঙ্কোচ লাগি গ'ল। বলেৰে সৈতে সঙ্কোচ
আঁতৰাই তাই ক'লে,—"কিয়? নেপাম কিয়? চেটাৰ্জ্জী দেউ আছে,
নাইবা—"

এই নাইবাটো একেবাৰে ব্যর্থ প্ৰয়োগ, অব্যয় পদৰ অপব্যয় মাথোন।
সেইটো অসমাপ্ত হৈয়েই ৰৈ গ'ল।

পৰেশ ভট্টই সুধিলে,—"বিনয় চেটাৰ্জ্জী, বিনয় আকৌ বাজী হব
কিয়?"

ললিতাৰ অভিমানত আঘাত লাগিল। বিনয় চেটাৰ্জ্জী বাজী নহব?
ললিতাই এইটো ভালকৈয়ে বুজিছিল যে বিনয়ক বাজী কৰোৱাটো তাইৰ
পক্ষে একো অসাধ্য নহয়।

ললিতাই ক'লে,—"তেখেত বাজী হব পাবে।"

পৰেশ ভট্টই অলপ পৰ স্থিৰ হৈ বহি থাকি ক'লে,—"সকলো কথা
বিবেচনা কৰি চালে তেখেত কেতিয়াও বাজী হ'ব নোৱাৰে।"

ললিতাৰ কাণ-মুখ ৰঙা পৰি উঠিল। তাই নিজৰ আঁচলত বান্ধি
থোৱা চাবি কোছা লৈ জোকাবিবলৈ ধৰিলে।

তেখেতৰ এই নিপীড়িতা কন্যাজনীৰ মুখলৈ চাই ভট্ট ডাঙৰীয়াৰ
মনখন বেজাবেৰে ভৰি উঠিল। তেখেতে একো সান্ত্বনাৰ বাক্য বিচাৰি
নেপালে। কিছু পৰৰ পিচত লাহে লাহে মুখখন দাঙি ললিতাই
ক'লে,—"দেউতা, তেনেহলে আমাৰ এই স্কুলখন আৰু কোনোৰকমেই
নহবগৈ নহয়?"

পৰেশ ভট্টই ক'লে,—"এতিয়াই স্কুলখন হোৱাত বহুতো বাধা আছে
দেখিছোঁ। চেষ্টা কৰিবলৈ গলেই নানান অপ্ৰিয় কথাহে মানুহৰ মুখে
মুখে ওলাব।"

তেনেহলে শেষত গৈ পানু মাষ্টৰেই জিকিবগৈ আৰু অন্যায়ৰ
নীৰৱে হাৰ মানিব লাগিব—ললিতাৰ পক্ষে ইয়াতকৈ ডাঙৰ দুখ
একো নাই। এই বিষয়ে দেউতাকৰ বাহিৰে আন কাৰো শাসন
এক মুহূর্ত্তৰ বাবেও মানিব নোৱাৰিছিল। তাই কোনো ধৰণৰ
তাকে ভয় নকৰে, কিন্তু অন্যায় কেনেকৈ সহ্য কৰিব? তাই
লাহে ভট্ট ডাঙৰীয়াৰ কাষৰপৰা উঠি গুচি গ'ল।

নিজৰ কোঠালৈ গৈ দেখে যে তাইৰ নামত ডাকত এখন
আহিছে। হাতৰ আখৰ দেখিয়েই বুজিলে তাইৰ সৰু কালৰ বান্ধ
বালাৰ চিঠি। শৈলবালাৰ কেতিয়াবাই বিয়া হৈ গৈছে। তাই
য়েকৰ লগত বাঁকিপুৰত থাকে।

চিঠিখনৰ এঠাইত লিখা আছিল——

"তোমাৰ বিষয়ে নানা ধৰণৰ কথা শুনি মনটো বৰ বেয়া
আছে। বহুদিনৰেপৰাই চিঠি লিখি খবৰ লম বুলি ভাবি
সময়েই নেপাওঁ। কিন্তু পৰহি এজনৰপৰা (তেওঁৰ নামটো
যি খবৰ পালোঁ শুনি মূৰত বজ্রপাত পৰা যেন লাগিল। এইকথা
সম্ভৱ হব পাৰে ভাবিবই নোৱাৰোঁ। কিন্তু যিজনে লিখিছে
অবিশ্বাস কৰাও টান। কোনোবা হিন্দু ল'ৰাৰ লগত তোমাৰ
বিয়াৰ কথা ওলাইছে। কথাটো যদি সঁচা হয়"

ইত্যাদি ইত্যাদি।

চিঠিখন পঢ়ি খণ্ডত ললিতাৰ গোটেই গাটো জ্বলিবলৈ ধৰিলে
এক মুহূর্ত্তও বৰ নোৱাৰিলে। তেতিয়াই সেই চিঠিখনৰ উত্তৰ
"কথাটো সঁচা নে মিছা জানিবলৈ তুমি যে মোক সুধি
এইটোৱেই মোৰ বৰ আচৰিত যেন লাগিছে। ব্রাহ্ম-সমাজৰ
তোমালৈ যি খবৰ পঠিয়াইছে তাকো এতিয়া সঁচা নে মিছা বিচৰা
লাগিব নে কি? ইমান অবিশ্বাস? তাৰ পিচত, কোনোবা হিন্দু
লগত মোৰ বিয়া হব পাৰে বুলি কথা ওলোৱাৰ খবৰ পাই তোমাৰ
বজ্রপাত পৰা যেন হৈছে, কিন্তু মই তোমাক ডাঠি ক'ব পাৰোঁ
সমাজতো এনেকুৱা কিছুমান সুবিখ্যাত সাধু ডেকা ল'ৰা আছে
বিয়া হব বুলি কথা ওলোৱাটোও বজ্রঘাতৰ দৰেই নিদাৰুণ
এনেকুৱা দুই এজন হিন্দু ডেকাক চিনি পাওঁ যাৰ লগত
যি কোনো ব্রাহ্ম ছোৱালীৰ পক্ষেই গৌৰৱৰ কথা হব।
আৰু এটা কথাও মই তোমাক কব নোখোজোঁ।"

ইফালে সেইদিনা গোটেই দিনটো পৰেশ ভট্টৰ আন সকলো কাম
বন্ধ হৈ গ'ল। তেখেতে মনে মনে বহি বহু পৰ চিন্তা কৰিলে। তাৰ
পিচত ভাবি ভাবিয়েই, লাহে লাহে সুচৰিতাৰ ঘৰ ওলালগৈ। ভট্ট
ডাঙৰীয়াৰ চিন্তাকুল মুখখন দেখি সুচৰিতাৰ বৰ দুখ লাগিল। কি কথা-
লৈনো তেখেতে ইমানকৈ চিন্তা কৰিছে সেইটোও তাই জানে আৰু তাই
নিজেও এই বিষয়ে চিন্তা কৰি আজি কেবাদিনেও একো উৱাদিহ পোৱা নাই।

পৰেশ ভট্টই সুচৰিতাৰ লগত নিজান কোঠাটোত বহিলগৈ আৰু
ক'লে,—"আই, ললিতাৰ কাৰণে বৰ ভাবিব লগীয়া হৈছে।"

সুচৰিতাই ভট্ট ডাঙৰীয়াৰ মুখলৈ কৰুণভাৱে চাই ক'লে,—"জানো,
দেউতা।"

পৰেশ ভট্টই ক'লে,—"মই সামাজিক বদ্‌নামৰোৱৰ কথা ভবা নাই।
মই ভাবিছোঁ—বাৰু ললিতাই জানো——"

ভট্ট ডাঙৰীয়াৰ সঙ্কোচ দেখি সুচৰিতাই নিজেই কথাটো উলিয়াবলৈ
যত্ন কৰিলে। তাই ক'লে,—"ললিতাই সদায় তাইৰ মনৰ কথাবোৰ মোৰ
আগত খুলি কয়। কিন্তু আজি কিছুদিনৰপৰা তাই দেখোন মোৰপৰা
যেন আলেঙে আলেঙে ফুৰিছে। মই ভালকৈয়ে বুজিছোঁ—"

পৰেশ ভট্টই কথাৰ মাজতে ক'লে,—"ললিতাৰ মনত এনে কিছুমান
নতুন ভাৱৰ উদয় হৈছে-যিবোৰ তাই আন কি নিজৰ আগতো মানিব খোজা
নাই। মই ভাবিয়েই ওৰ পোৱা নাই, কি কৰিলে নো তাইক ঠিক—
তুমি বাৰু কি কোৱা—বিনয়ক আমাৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ দি ললি-
তাৰ কিবা অনিষ্ট কৰা হৈছে নে কি?"

সুচৰিতাই ক'লে,—"দেউতা, তুমিতো জানা, চেটার্জ্জী দেউৰ গাত
একো দোষেই নাই। তেখেতৰ স্বভাৱ বৰ নির্ম্মল। কবলৈ গলে তেখে-
তৰ দৰে ভাল মানুহ এজন খুব কমেইহে আছে।"

পৰেশ ভট্টই যেন কিবা এটা নতুন তত্ত্বহে লাভ কৰিলে। তেখেতে
ক'লে,—"ঠিক কথাই কৈছা বাধা, তুমি ঠিক কথাই কৈছা। তেওঁ ভাল
মানুহ হয় নে নহয় সেইটোহে চাব লাগে। অন্তর্য্যামী ভগৱানেও সেই-
টোহে চায়। বিনয় যে ভাল মানুহ, ইয়াত যে মোৰ ভুল হোৱা
নাই, ইয়াৰ কাৰণে মই বাৰে বাৰে ভগৱানৰ উদ্দেশ্যে সেৱা জনাইছোঁ।"

এটা বিপদ আঁতৰ হ'ল, পৰেশ ভট্ট যেন ৰৈ গ'ল। পৰেশ ভট্টই
তেখেতৰ দেৱতাৰ ওচৰত অন্যায় কৰা নাই। ঈশ্বৰে যিখন তুলাচনীৰে

মানুহক জোখে সেই নিত্য ধর্ম্মৰ তুলাচনীখনকেই তেখেতেও মনি
সেই তুলাচনীত সমাজে তৈয়াৰী কৰা ওজনৰ হেৰ-ফেৰ ধৰা
বুলি জানি তেখেতৰ মনটো বৰ পাতল লাগিল। এই ইমান
কথা এটাকে ইমান পৰে নুবুজি মিছাতে ইমান কষ্ট খোৱা কাৰণে
নিজেই বৰ আচৰিত হ'ল। তেখেতে সুচৰিতাৰ মূৰত হাত
ক'লে,—"তোমাৰপৰা আজি মই এটা বৰ ডাঙৰ কথা শিকিলোঁ
সুচৰিতাই লৰালৰিকৈ তেখেতৰ ভৰিৰ ধূলা মূৰত লৈ ক'লে—
দেউতা, আপুনি কি যে কয়।"

পৰেশ ভট্টই ক'লে,—"সম্প্ৰদায় বোলা কথাটো এনে এটা
মানুহ যে মানুহ, এই সকলোতকৈ সহজ কথাটোকে একেবাৰে
পেলায়। মানুহ ব্ৰাহ্ম নে হিন্দু, এই সমাজে গঢ়া কথাটোকেই
কৈয়ো ডাঙৰ কৰি তুলি গোটেইখন ঘোলা কৰি পেলায়। মই
পৰ মিছাতে তাতে ঘূৰি মৰিছিলোঁ।"

অলপ সময় মনে মনে থাকি পৰেশ ভট্টই আকৌ ক'লে,—
ছোৱালী স্কুল এখন খোলাৰ সঙ্কল্প কোনোমতেই এৰি দিব
তাই এই বিষয়ে বিনয়ৰ সহায় লবলৈ মোৰপৰা অনুমতি
সুচৰিতাই ক'লে,—"ওঁহো দেউতা, এতিয়া কিছুদিন এইবোৰ
নেলাগে।"

ললিতাক বাৰণ কৰা মাত্ৰকেই তাই যে তাইৰ কাতৰ অন্তৰৰ
আবেগ দমন কৰি উঠি গুচি গৈছিল গৈ, সেই দৃশ্যটোৱেই
কোমল অন্তৰখনক বৰ দুখ দি আছিল। তেখেতৰ এই সাহসী
জনীৰ ওপৰত সমাজে যি অন্যায় অত্যাচাৰ কৰিছে, সেই
চাৰত তাই সিমান কষ্ট পোৱা নাই বুলি তেখেতে জানিছিল।
অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ গৈ বাধা পাই, বিশেষকৈ দেউতাকৰ
পাই—তাই বৰ দুখ পাইছিল। সেই কাৰণেই সেই বাধা
তেখেত অস্থিৰ হৈ পৰিছিল। তেখেতে ক'লে,—কিয়
এতিয়া পাতিৰ নেলাগে কিয়?"

সুচৰিতাই উত্তৰ দিলে,—"নহলে আইৰ বৰ খং উঠিব।"

পৰেশ ভট্টই ভাবি চাই দেখে যে কথাটো ঠিকেই।
এনেতে সতীশ কোঠাটোত সোমাই সুচৰিতাৰ কাণে
এটা ক'লে। সুচৰিতাই ক'লে,—"ওঁহো ভাই বজিয়াৰ,
কাইলৈ হব দিয়া।"

সতীশে মনটো মাৰি ক'লে,—"কাইলৈ যে মোৰ স্কুল আছে।"

পৰেশ ভট্টই মৰমেৰে হাঁহি হাঁহি সুধিলে,—"কি সতীশ, কি লাগে?"

সুচৰিতাই ক'লে,—"তাৰ এটা——"

সতীশে লৰালৰিকৈ আহি সুচৰিতাৰ মুখখন হাতেৰে সোপা মাৰি ধৰি ক'লে,—"ওঁহো, বাইদেউ, নকবা, নকবা আক'।"

পৰেশ ভট্টই ক'লে,—"গোপনীয় কথা হলে সুচৰিতাই নো কিয় কব?"

সুচৰিতাই ক'লে,—"নহয় দেউতা, তাৰ বৰ ইচ্ছা-যাতে এই গোপনীয় কথাটো তোমাৰ কাণত পৰে।"

সতীশে চিঞৰি ক'লে,—"ওঁহো, কেতিয়াও নহয়, নিশ্চয় নহয়।"

এই বুলি কৈয়েই সি লৰ মাৰিলে।

বিনয়ে তাৰ যিখন বচনাৰ ইমান প্ৰশংসা কৰিছিল, সেইখনকে সুচৰিতাক দেখুৱাৰ কথা আছিল। নকলেও হব যে পৰেশ ভট্টৰ সমুখতে সুচৰিতাৰ কাণে কাণে কথাটো মনত পেলাই দিয়াৰ উদ্দেশ্যটো সুচৰিতাই ঠিকেই অনুমান কৰিছিল। মনৰ এনে গভীৰ উদ্দেশ্যবোৰো যে সংসাৰত ইমান সহজে ধৰা পৰি যায়, বেচেৰা সতীশে এইটো নেজানিছিলেই।

৪৭

চাৰিদিনমানৰ মূৰত এদিন চিঠি এখন হাতত লৈ হাৰান মাষ্টৰ বৰদাসুন্দৰীৰ ওচৰলৈ আহিল। আজি-কালি পৰেশ ভট্টৰ ওপৰত নির্ভৰ কৰিলৈ তেওঁ একেবাৰেই এৰিছে।

হাৰানে বৰদাসুন্দৰীৰ হাতত চিঠিখন দি ক'লে,—"মই গুৰিৰেপৰা আপোনালোকক সাৱধান কৰি দিবলৈ বহুতো চেষ্টা কৰিছিলোঁ। সেই কাৰণে আপোনালোকে মোক বেয়াও পাইছে। এতিয়া এই চিঠিখনৰ পৰাই মুজিব পাৰিব ভিতৰি ভিতৰি ঘটনা কিমানলৈকে শিপাইছে গৈ।"

শৈলবালালৈ ললিতাই যিখন চিঠি লিখিছিল সেই চিঠিখন বৰদাসুন্দৰীয়ে পঢ়িলে। তাৰ পিচত তেখেতে ক'লে,—"কেনেকৈনো জানিম কওকচোন? কেতিয়াও নভবা-নিচিন্তা কথাবোৰেই ঘটিছে।

এইবোৰৰ বাবে কিন্তু আকৌ মোৰ গাতে দোষ নিদিব—মই হলে
কৈ থলোঁ। সুচৰিতাক দেখোন আটাইখনেই লগলাগি ৰব
বুলি একেবাৰে মূৰত তুলিছিল ? ব্ৰাহ্ম-সমাজত আৰু তেনেকুৱা
নায়েই,—এতিয়া একা ? এতিয়া আপোনালোকৰ সেই
ছোৱালীজনীক চম্ভালক চোন চাওঁ। বিনয় আৰু গৌৰক
আনি এইখন ঘৰত সুমুৱাইছিলহি। মই তথাপিও বিনয়ক
আমাৰ বাটলৈ টানি প্ৰায় আনিছিলোঁৱেই। তাৰ পিচত ক'ৰবা
তায়েই দেখোন মাহীয়েকেই নে চাহীয়েক--কিবা এজনী
আমাৰ ঘৰতেই গোসাঁই পূজা আৰম্ভ কৰি দিলেহি। বিনয়ৰো
মূৰটো খালে যে এতিয়া সি মোক দেখিলেই পলোৱা হ'ল।
এইবোৰ যি ঘটিছে ইয়াৰ আচল ঘাই হ'ল আপোনালোকৰ
বিতাই। এই ছোৱালীজনী নো কি ধৰণৰ ছোৱালী মোৰ
আছিল। কিন্তু কেতিয়াও মই কোনো কথাতে মাত
নাছিলোঁ। তাইক মই তুলি-তালি এনেকৈ ডাঙৰ কৰিছিলোঁ
মোৰ নিজৰ পেটৰ ছোৱালী নহয় বুলি কোনেও গমকে
তাৰ ফল এয়া হাতে হাতেই পোৱা গ'ল। এতিয়া মোক
মিছাকৈয়ে দেখুৱাইছে। আপোনালোকে যি ভাল দেখে
হাৰান মাষ্টৰে এসময়ত ৰৱদাসুন্দৰীক ভুলকৈ বুজিছিল
আজি খোলা-খুলিকৈ স্বীকাৰ কৰি অতি উদাৰ ভাৱৰ
প্ৰকাশ কৰিলে। তাৰ পিচত ভট্ট ডাঙৰীয়াক মতোৱাই
"এয়া চাওক" বুলি ৰৱদাসুন্দৰীয়ে চিঠিখন তেখেতৰ
ওপৰত পেলাই দিলে। পৰেশ ভট্টই দুবাৰ তিনিবাৰ
ক'লে,—"কিয় ? কিনো হৈছে ?"

ৰৱদাসুন্দৰীয়ে একেবাৰে দাং খাই উঠি ক'লে,—"কি
আৰুনো কি হব লাগে ? আৰু হবলৈ বাকী থাকিল
পূজা কৰা, জাত মানি চলা, সকলোৱেই দেখোন হ'ল।
আপোনাৰ জীয়েককহে মাথোন হিন্দুৰ ঘৰত বিয়া
পিচত পৰাচিত হৈ আপুনি হিন্দু সমাজত সোমাওঁক
থলোঁ—"

ভট্ট ডাঙৰীয়াই লাহেকৈ হাঁহি এটা মাৰি ক'লে,—"
ক'ব নেলাগে। অন্ততঃ এতিয়াও কোৱাৰ
কথাটো হৈছে তোমালোকেনো হিন্দুৰ ঘৰতেই

কিয় ভাবিছা ? এই চিঠিখনত তো মই তেনে একো দেখা নাই।"

ৰৱদাসুন্দৰীয়ে ক'লে,—"কি হ'লেনো আপুনি দেখে, সেইটো কথা
আৰু আজিলৈকে বুজি নেপালোঁ। সময় মতে দেখা হলেতো আজি
এই কাণ্ড ঘটিবলৈকে নেপায়। চিঠিত আৰু মানুহে ইয়াতকৈ কিমান
বেচি খুলি লিখিব কওকচোন ?"

হাৰানে ক'লে,—"মোৰ মনেৰে ললিতাক এই চিঠিখন দেখুৱাই তেওঁৰ
নো মনৰ ইচ্ছা কি সোধা উচিত। আপোনালোকে অনুমতি দিলে ময়ে
তেওঁক সুধিব পাৰোঁ।

এনেতে ললিতা ধুমুহাৰ দৰে কোঠাটোলৈ সোমাই আহি ক'লেহি,—
"দেউতা, এয়া চাওক, ব্ৰাহ্ম সমাজৰপৰাই আজি-কালি এনেকুৱা বেনামী
চিঠিবোৰ আহে।"

পৰেশ ভট্টই চিঠিখন পঢ়ি চালে। বিনয়ৰ লগত ললিতাৰ বিয়া
গোপনে স্থিৰ হৈ যোৱা বুলি সঠিককৈ ধৰি লৈ লেখকে নানা ধৰণৰ কটু-
কথা আৰু উপদেশেৰে ভৰাই চিঠিখন লিখিছে। তাৰ লগতে বিনয়ৰ
উদ্দেশ্যও যে ভাল নহয়, সি যে দুদিনমানৰ পিচতে তাৰ ব্ৰাহ্ম-ষৈণীয়েকক
এৰি দি আকৌ হিন্দুৰ ছোৱালী বিয়া কৰাব, এইবোৰ কথাও আছিল।

পৰেশ ভট্টৰ পঢ়া হলত হাৰানে চিঠিখন লৈ পঢ়িলে আৰু ক'লে,—
"ললিতা, এতিয়া এই চিঠিখন পঢ়ি তোমাৰ খং উঠিছে। কিন্তু এনে-
কুৱা চিঠি লিখাৰ কাৰণ তুমিয়েই ঘটোৱা নাইনে ? তুমি নিজ হাতেৰে
এইখন চিঠি কেনেকৈ লিখিলা কোৱাচোন ?"

ললিতাই এক মুহূৰ্ত্তমান তৰক্ মাৰি থাকি সুধিলে,—"অ' শৈলৰ
লগত আপোনাৰ হৰপায় এই বিষয়ে চিঠি-পত্ৰ লিখা-লিখি চলিছে ?"

হাৰানে এই প্ৰশ্নটোৰ কোনো পোন উত্তৰ নিদি ক'লে,—"ব্ৰাহ্ম
সমাজৰ প্ৰতি কৰ্ত্তব্যৰ কথা মনত ৰাখি শৈলই তোমাৰ এই চিঠিখন পঠি-
য়াই দিবলৈ বাধ্য হৈছে।"

ললিতা থিয় হৈ কঠোৰ ভাৱে ক'লে,—"বাৰু, এতিয়া ব্ৰাহ্ম সমাজে
কি কৰ খুজিছে কওক।"

হাৰানে ক'লে,—"বিনয় চেটাৰ্জ্জী আৰু তোমাৰ বিষয়ে সমাজত যে
কথাবোৰ ওলাইছে, এইবোৰ মই একোকেই বিশ্বাস কৰিব নোৱাৰোঁ।
কিন্তু তথাপিও তোমাৰ মুখৰপৰা এবাৰ মই ইয়াৰ উচিত প্ৰতিবাদ শুনিব
খোজোঁ।"

ললিতাৰ চকুযোৰ জুইৰ দৰে জ্বলিবলৈ ধৰিলে। তাই কোনো

ৰকমে কঁপা হাতেৰে চকী এখনৰ পিচ ফালে চেপা মাৰি ধৰি
"একোকেই বিশ্বাস কৰিব নোৱাৰে কিয় ?"

পৰেশ ভট্টই ললিতাৰ পিঠিত হাত ফুৰাই দি ক'লে,—"আই
এতিয়া তোমাৰ মনটো বৰ অস্থিৰ হৈছে। এই বিষয়ে পিচত
লগত কথা পাতিবা। এতিয়া থাকক।"

হাৰানে ক'লে,—"ভট্ট ডাঙৰীয়া, আপুনি কথাটো
নকৰিব।"

ললিতাই পুনৰ জলি উঠি ক'লে,—"দেউতাই কথা
কৰিব ? দেউতাই আপোনালোকৰ দৰে সঁচাকৈ ভয় নকৰে।
দেউতাই ব্ৰাহ্ম সমাজতকৈয়ো ডাঙৰ বুলি ভাবে। শুনক, মই
কওঁ বিনয়ৰ লগত বিয়া হোৱাটো মই একো অসম্ভৱ
নেভাবোঁ।"

হাৰানে ক'লে,—"কিন্তু তেওঁ ব্ৰাহ্ম-ধৰ্ম্মৰ দীক্ষা গ্ৰহণ
স্থিৰ কৰিছে ?"

ললিতাই ক'লে,—"একোকেই স্থিৰ কৰা নাই—আৰু
কৰিবই লাগিব এনে জানো কিবা কথা আছে ?"

ৰবদাসুন্দৰীয়ে অতপৰে একোকে মতা নাছিল। আজি
মাষ্টৰৰেই জয় হওক, ইয়াকেই তেখেতে পেটে পেটে আশা
আৰু যেন নিজৰ দোষ স্বীকাৰ কৰি ভট্ট ডাঙৰীয়াক
লগীয়া হয়। তেখেতে আৰু ৰব নোৱাৰি ক'লে,—"ললিতা,
হৈছ নে কি ? এইবোৰ তই কি বকিছ ?"

ললিতাই ক'লে,—"নহয় আই, বলিয়াৰ কথা নহয়।
ভাবি-চিন্তিয়েই কৈছোঁ। মোক এনেকৈ কেউফালৰপৰা
মই সহ্য নকৰিম। মই হাৰান মাষ্টৰহঁতৰ এই সমাজৰপৰা
হাৰানে ক'লে,—"উচ্ছৃঙ্খলতাক তুমি মুক্তি বোলা
ললিতাই উত্তৰ দিলে,—"নহয়, নীচতাৰ
দাসত্বৰপৰা মুক্তিকেই মই মুক্তি বুলি কওঁ।
একো অধৰ্ম্ম দেখা নাই, তাত ব্ৰাহ্ম-সমাজে মোক ছুব কিয় ? বাধা
হাৰানে দাম্ভিকতাৰ সৈতে ক'লে,—"ভট্ট ডাঙৰীয়া,
শেষত এনেকুৱা এটা কাণ্ড ঘটিবগৈ বুলি মই আগেয়ে
যিমান পাৰোঁ আপোনালোকক সাৱধান কৰি দিবলৈ
কিন্তু একো লাভ নহল।"

ললিতাই ক'লে,—"চাওক মাষ্টৰ, আপোনাকো সাৱধান কৰি দিয়াৰ
দৰকাৰ হৈছে। যিসকল আপোনাতকৈ সকলো বিষয়তেই শ্ৰেষ্ঠ, তেখেত
সকলক সাৱধান কৰি দিব পৰা এই ভেমটো যেন আপুনি আজিৰপৰাই
মনপৰা বাজ কৰে।"

কথাষাৰ কৈয়েই ললিতা ভোঁ ভোঁৱাই কোঠাটোৰপৰা ওলাই গুচি
গ'ল।

ৰবদাসুন্দৰীয়ে ক'লে,—"এইবোৰ যে কি কাণ্ড ঘটিব ধৰিছে।
এতিয়া কি কৰিব লাগিব ভাবি চাওক।"

পৰেশ ভট্টই ক'লে,—"যি কৰ্ত্তব্য তাকেই পালন কৰিব লাগিব।
কিন্তু এনেকৈ গোলমালৰ মাজত পৰামৰ্শ কৰি কৰ্ত্তব্য স্থিৰ কৰিব নোৱাৰি।
মোক অলপ ক্ষমা কৰিব লাগিব। এই বিষয়ে মোক আৰু এতিয়া একো
নকওঁ। মোক অলপ সময় অকলে থাকিবলৈ দিয়াঁ।"

৪৮

সুচৰিতাই ভাবিবলৈ ধৰিলে, ললিতাই নো এইখন কি কাণ্ড কৰিলে।
তাই কিছু পৰ মনে মনে থাকি তাৰ পিচত ললিতাৰ ডিঙিত সাৱটি ধৰি
ক'লে,—"মোৰ হলে ভনীটি বৰ ভয় লাগিছে।"

ললিতাই সুধিলে,—"কিহলৈ ভয় লাগিছে ?"

সুচৰিতাই ক'লে,—"ব্ৰাহ্ম সমাজত তো চাৰিওফালে হুলস্থুল লাগিয়েই
গৈছে। এতিয়া শেষত গৈ যদি চেটাৰ্জ্জীদেউ মান্তি নহয় ?"

ললিতাই তলমুকৈ দৃঢ়ভাৱে ক'লে,—"তেখেত ৰাজী হবই।"

সুচৰিতাই ক'লে,—"তই তো জানই, চেটাৰ্জ্জীদেৱে নিজৰ সমাজ এৰি
আহি এইখন বিয়া কৰাবলৈ কেতিয়াও ৰাজী নহব বুলি পানু মাষ্টৰে আইক
কৈ গৈছে। ললিতা, তই নো কিয় আগগুৰি নভবাকৈয়ে ঘপহকৈ
কথাটো সেইদৰে পানু মাষ্টৰৰ আগত কৈ দিলি ?"

ললিতাই কলে,—"কোৱা কাৰণে এতিয়াও মোৰ অকণোকে খেদ
লগা নাই। পানু মাষ্টৰে ভাবিছিল-তেওঁৰ সমাজে মোক চিকাৰৰ জন্তুৰ দৰে
খেদি নি একেবাৰে অতল সাগৰৰ পাৰ পোৱাইছেগৈ। এতিয়া আৰু
মই ধৰা দিবই লাগিব—তেওঁ নেজানে যে এই সাগৰত জপিয়াই পৰিবলৈকো

মই ভয় নকবোঁ। তেওঁৰ চিকাৰী কুকুৰৰ খেদাত তেওঁৰ সজন
সোমাবলৈহে মই ভয় কবোঁ।।"

সুচবিতাই কলে,—"বাৰু, এবাৰ দেউতাক কথাটো
চাওঁচোন।"

ললিতাই কলে,—"দেউতাই যে কেতিয়াও চিকাৰীৰ দলত
নিদিয়ে—এই কথা মই তোমাক কৈ থলোঁ। তেখেতে তো
আমাক শিকলিবে বান্ধিব নোখোজে। তেখেতৰ মতৰ লগত
নিমিলিলেও জানো তেখেতে কোনোবাদিনা খং কবিছে? ব্ৰাহ্ম
নাম লৈ আমাৰ মুখত সোপা দিবলৈ তেখেতে জানো কেতিয়া
কবিছে? আয়ে কত দিন ইয়াকে লৈ ক'ত গালি-শপনি পাবিছে
দেউতাই সদায় মাথোন এটা কথালৈহে ভয় কবিছিল—কেনেবাকৈ
আমাৰ নিজৰ চিন্তা কবাৰ সাহ হেবাই যায়। চিৰকাল এনেকৈ
এতিয়া শেষত নো তেখেতে পানু মাষ্টৰৰ নিচিনা সমাজৰ
দাৰোগাৰ হাতত হে আমাক গতাই দিব নে?"

সুচবিতাই কলে,—"বাৰু, দেউতাই জেনিবা একো বাধা
তাৰ পিচত তই কি কবিবি কচোন?"

ললিতাই কলে,—"তোমালোকে যদি একোকে নকবা তেখেতে
নিজেই—"

সুচবিতাই লৰালৰিকৈ কলে,—"নাই, নাই ভনীটি, তই একো
নেলাগে। মই এটা উপায় ভাবি উলিয়াইছোঁ।"

সুচবিতা ভট্ট ডাঙৰীয়াৰ ওচৰলৈ যাবলৈ ওলাইছিল, এনেতে
পৰত তেখেত নিজেই আহি তাইৰ ঘৰ ওলাল হি। আনদিনা
পৰত পৰেশ ভট্টই সদায় তেখেতৰ ঘৰৰ ফুলনিত তলমুকৈ একাষ
নানা কথা ভাবি ভাবি ফুৰি ফুৰে। সেই সময়ত সন্ধিয়াৰ পবিত্ৰ
লাহে লাহে মনৰ ওপৰত বুলাই দি তেখেতে যেন কৰ্ম্মময় দিনটোৰ
চেকাৰোৰ মোহাৰি পেলায়, আৰু অন্তৰত নিৰ্ম্মল শান্তি সঞ্চয় কৰি
জিৰণিৰ কাৰণে প্ৰস্তুত হবলৈ ধৰে। আজি পৰেশ ভট্টই তেখেতৰ
সন্ধিয়াৰ নিভৃত ধ্যানৰ শান্তি-সম্ভোগ পবিত্যাগ কৰি যেতিয়া চিঠিৰ
সুচবিতাৰ ঘৰ ওলালহি তেতিয়া, নাচি-বাগি লৰি-ঢাপৰি ফুৰা লৰা-ছোৱালী
বেমাৰ হৈ মনে মনে পৰি থাকিলে মাকৰ মনত যেনেকৈ বেজাৰ
সুচবিতাৰ কোমল অন্তৰতো তেনেকৈয়ে দুখ লাগিল।

পৰেশ ভট্টই লাহেকৈ সুধিলে,—"বাধা, সকলো কথা শুনিছোঁ

সুচবিতাই কলে,—"ওঁ দেউতা, সকলো শুনিছোঁ। কিন্তু তুমি ইমান
ভাবিছা কিয়?"

পৰেশ ভট্টই কলে,—"মই আন কথা একোকে ভবা নাই। মোৰ
চিন্তা মাথোঁ এয়ে-ললিতাই নিজে যি ধুমুহা বলাই দিছে তাৰ সকলো
আঘাত তাই জানো সহিব পাবিব? উত্তেজনাৰ ফলত বহু সময়ত আমাৰ
মনলৈ অন্ধ দুঃসাহস আহে। কিন্তু এটা এটাকৈ যেতিয়া তাৰ ফল ফলিবলৈ
আৰম্ভ কবে তেতিয়া তাৰ ভাববোৱা শক্তি আমাৰ মনত নোহোৱা হয়।
ললিতাই জানো সকলো ফলাফলৰ কথা ভালকৈ ভাবি-চিন্তি যিটো কবিলে
তাইৰ ভাল হব, তাকে কবিছে?"

সুচবিতাই কলে,—"সমাজৰ কোনো অত্যাচাৰেই ললিতাক কেতিয়াও
হকৰাব নোৱাৰে বুলি মই তোমাক ডাঠি কব পাৰোঁ।।"

পৰেশ ভট্টই কলে,—"ললিতাই মাথোন খঙৰ ভমকতে বিদ্রোহ কবি
যে উদ্ধতালি কবা নাই, এই কথাটোকে মই ভালকৈ জানিব খুজিছোঁ।"

সুচবিতাই তলমুকৈ উত্তৰ দিলে,—"নহয় দেউতা, সেয়ে হোৱা হলে
মই তাইৰ কথালৈ কাণেই নিদিলোঁহেঁতেন। তাইৰ মনৰ তলিত থকা
কথাটো আঘাত পাই হঠাতে ওলাই পবিছে। এতিয়া আৰু এই কথা
কোনো বকমে থাপি-থুপি থবলৈ গলে ললিতাৰ নিচিনা ছোৱালীৰ কাৰণে
ভাল নহব। দেউতা, বিনয় চেটাৰ্জ্জী দেখোন বৰ ভাল মানুহ।"

পৰেশ ভট্টই সুধিলে,—"বাৰু, বিনয় আমাৰ সমাজলৈ আহিবলৈ
মাস্তি হব নে?"

সুচবিতাই উত্তৰ দিলে,—"সেইটো মই ঠিক কৈ কব নোৱাৰোঁ।
বাৰু দেউতা, এবাৰ গৌৰমোহনৰ মাকৰ গুবিলৈ যাব নে?"

পৰেশ ভট্টই কলে,—"ময়ো তাকে ভাবিছিলোঁ। তুমি এবাৰ গলে
বৰ ভাল হয়।"

৪৯

আনন্দময়ীৰ ঘৰৰপৰা নিতৌ পুৱা বিনয়ে একোবাৰ নিজৰ ঘৰলৈ পাক এটা মাৰি আহিছিল। আজি বাতিপুৱা আহি সি এখন চিঠি পালে। ললিতাক বিয়া কৰালে বিনয় কেতিয়াও সুখী হব নোৱাৰে আৰু ললিতাৰ পক্ষেও এই বিয়াখন অমঙ্গলৰ কাৰণ হব, এই কথাবোৰকে লৈ চিঠিখনত বহুতো দীঘলীয়া উপদেশ দিয়া আছিল। লগতে ইয়াকো লিখা আছিল যে তথাপিও যদি বিনয়ে ললিতাক বিয়া কৰাবলৈ পিচ নোহোঁহকে তেন হলে সি যেন এটা কথা ভালকৈ ভাবি চায়। ললিতাৰ হাওঁ-কাওঁ আৰু ডাক্তৰে খেহৰোগ হব পাৰে বুলি সন্দেহ কৰে।

এনেকুৱা এখন চিঠি পাই সি বৰ বিমোৰত পৰিল। এনে কথাও যে মিছাকৈয়ে ওলাব পাৰে, বিনয়ে ভাবিবই পৰা নাছিল। কিন্তু সমাজৰ বাধা থকা বাবে ললিতাৰ লগত বিনয়ৰ বিয়া হোৱা যে নহয়, এই কথা দেখোন কোনেও নজনাকৈ থকা নাই। এই কথা তো ললিতাৰ প্ৰতি তাৰ হৃদয়ৰ অনুৰাগ অতদিনে সি অপৰাধ যেতিয়া, সমাজতো নিশ্চয় এই বিষয়ে যথেষ্ট আলোচনা হৈছে। সমাজৰ মানুহবোৰৰ আগত ললিতা চাগৈ কিমান অপমানিত হৈছে! ভাবি বিনয়ৰ মনটো বৰ বেয়া লাগিল। তাৰ নামৰ লগত ললিতাৰ নাম বাটে-বাটে মানুহৰ মুখে-মুখে হৈছে—এই কথা তাৰ বৰ লাজ আৰু সঙ্কোচ লাগিল। এইটো কথাই বাৰে বাৰে মনত খুন্দিয়াবলৈ ধৰিলে যে ললিতাই নিশ্চয় তাৰ লগত চিনাকি বাবে তাক শাও দিছে আৰু গালি পাৰিছে। ললিতাই চাগৈ আৰু তাৰ ছাঁটোকে সহিব নোৱাৰিব।

হাঁ মোৰ মানৱহৃদয়! এই মৰি যোৱা যেন লাজৰ মাজতো নিবিড়, গভীৰ সূক্ষ্ম আৰু তীব্ৰ আনন্দই বিনয়ৰ হিয়াত সিমবলৈকে ঢৌ খেলি গৈছিল। সেই আনন্দক ধৰি ৰাখিব সকলো লাজ সকলো অপমানকে সেই আনন্দই তল পেলাইছিল আনন্দক একোপধ্যে মুঠেই আঁসৈ নিদিবৰ কাৰণে বিনয়ে বাৰাণ্ডাত বেগেৰে ঘূৰা-পকা কৰিবলৈ ধৰিলে। কিন্তু পুৱাৰ

মাজেদি অহা এটি বাগীয়ে তাৰ মন ভবাই পেলালে। আলিবাটেদি কেৰিৰালাবোৰে চিঞৰি চিঞৰি গৈ আছিল। আন কি সেই চিঞৰ-বাখৰেও তাৰ অন্তৰত এটি গভীৰ হেন্দোলনি তুলিলে। বাহিৰৰ লোক নিদাই যেন ললিতাক বানপানীয়ে উটুৱাই অনাৰ দৰে আনি বিনয়ৰ হৃদয়ৰ পাৰত তুলি থৈ গ'ল হি। সমাজৰপৰা উটি উটি অহা ললিতাৰ এই মূৰ্তিটোক সি আৰু বাধা দি ৰাখিব নোৱাৰিলে। তাৰ মনটোৱে অনৱৰত কৰলৈ ধৰিলে—"ললিতা মোৰ, অকল মোৰ।" আন কোনো দিনাই তাৰ মনটোৱে এনেকৈ একাচেকা ভাৱে ইমান জোৰেৰে স'তে এই কথা কৰলৈ সাহ কৰা নাছিল। আজি বাহিৰত এই সুৱটো হঠাতে এইদৰে বাজি উঠা দেখি, বিনয়ে কোনোমতেই নিজৰ মনটোক আৰু 'শাম কাটা' বুলি বান্ধি ৰাখিব নোৱাৰিলে।

বিনয়ে এইদৰে উত্ৰাৱল হৈ ঘূৰি-পকি থাকোঁতেই হাৰান মাষ্টৰক আনিয়েদি আহি থকা দেখা পালে। তেওঁ তাৰ তালৈকে আহিছে বুলি দি ততালিকে বুজি পালে আৰু বেনামী চিঠিখনৰ মূলতো কিবা এটা ভাঙৰ আউল আছে বুলি সি ভালকৈয়ে গম পালে।

আনদিনাৰ দৰে বিনয়ৰ মুখ ধান দিলে আখৈ হোৱাদি নহল। হাৰানক চকী এখনত বহিবলৈ দি সি নিমাত হৈ তেওঁৰ কথালৈ ৰৈ থাকিল।

হাৰান মাষ্টৰে সুধিলে,—"চেটাৰ্জীদেউ, আপুনি হিন্দু নহয় জানো?"

বিনয়ে কলে,—"ওঁ, মই নিশ্চয় হিন্দু।"

হাৰানে কলে,—"মই এইবোৰ প্ৰশ্ন সোধা দেখি আপুনি খং নকৰিব আকৌ। বহুত সময়ত আমি আমাৰ চাৰিওফালৰ অৱস্থা বিবেচনা নকৰা-কৈয়ে চকু মুদি চলোঁ। ফলত সংসাৰত দুখৰ সৃষ্টি হয়। এনেকুৱা ক্ষেত্ৰত আমি নো কোন, আমাৰ সীমা নো কোনখিনিলৈকে, আমাৰ কাৰ্য্যৰ ফল কিমান দূৰলৈকে বিয়পিব পাৰে, এইবোৰৰ উহ যদি কোনোবাই উলিয়ায় তেনেহলে সেইবোৰ অপ্ৰিয় হলেও তেওঁক বন্ধু বুলিয়েই ভাবিব।"

বিনয়ে হাঁহিবলৈ চেষ্টা কৰি কলে,—"মিছাতে আপুনি ইমানবোৰ পাতনি মেলিছে। অপ্ৰিয় কথা শুনি খং উঠি কোনো ৰকমৰ বেমেজালি লগোৱাটো মোৰ স্বভাৱ নহয়। আপুনি নিৰ্ভয়ে মোক সকলো ধৰণৰ কথা সুধিব পাৰে।"

হাৰানে কলে,—"মই আপোনাক আপুনি নিজ ইচ্ছাৰে কৰা কোনো অপৰাধৰ বাবে দোষ দিব খোজা নাই। কিন্তু ভুল বিবেচনাৰ ফলো যে নিশ্চয় হৈ উঠিব পাৰে, এই কথা আপোনাক কোৱা দৰ্কাৰ নাই।"

বিনয়ে পেটে পেটে বিৰক্ত হৈ উঠি কলে,—"যিবোৰ কথা
নাই সেই কথা নকলেও হব। এতিয়া দৰ্কাৰী কথাটোকে কওক
হাবান মাষ্টৰে কলে,—"আপুনি হিন্দু সমাজত আছে আৰু
এৰা আপোনাৰ পক্ষে অসম্ভৱ। এতেকে পৰেশ ভট্টৰ ঘৰলৈ
জানো এনেকৈ অহা-যোৱা কৰাটো উচিত হৈছে? বিশেষকৈ
সমাজত তেখেতৰ ছোৱালী কেইজনীৰ বিষয়ে কথা ওলাব পাৰে।"
বিনয়ে গহীন হৈ অলপ সময় মনে মনে থাকি কলে,—"ডাঙ
ডাঙৰীয়া, সমাজৰ মানুহে কিহবপৰা কি কথা উলিয়াব, সেইটো
সিহঁতৰ স্বভাৱৰ ওপৰত নিৰ্ভৰ কৰে। এতেকে সেইবোৰৰ
দায়িত্ব মই যে লব নোৱাৰোঁ। ভট্ট ডাঙৰীয়াৰ ছোৱালী কেইজনী
যদি আপোনালোকৰ সমাজত কিবা ওলায়, তেনেহলে তাৰ বাবে
লাজ পাবলগীয়া একো নাই। ববঞ্চ তাৰ বাবে আপোনালোকৰ
লাজ পোৱা উচিত।"
হাবানে কলে,—"যেই কোনো গাভৰু ছোৱালী মাকৰ
এজন বাহিৰা মতামানুহৰ লগত অকলে একেখন জাহাজত
যদি লাই দিয়া হয়, তেনেহলে সেই বিষয়ে আলোচনা কৰিবলৈ
সমাজৰ নো অধিকাৰ নাই সুধিব পাৰোঁনে?"
বিনয়ে উত্তৰ দিলে,—"বাহিৰৰ ঘটনাক ভিতৰৰ দোষৰ লগত
লোকেও যদি একে ঠাইতে থয়, তেনেহলে হিন্দু সমাজ ত্যাগ কৰি
লোক ব্ৰাহ্ম সমাজলৈ অহাৰ নো কি দৰ্কাৰ আছিল? যেই
ডাঙৰীয়া, এইবোৰ কথা লৈ মই আৰু তৰ্ক কৰিব নোখোজোঁ।
কৰ্ত্তব্য নো কি সেই বিষয়ে মই নিজেই ভাবি-চিন্তি স্থিৰ কৰিব।
এই বিষয়ে মোক একো নকলেও হব।"
হাবানে কলে,—"মই আপোনাক বেচি একো কব নোখোজোঁ।
এটা কথাই মই কৈ যাব খোজোঁ যে এতিয়াৰেপৰা আপুনি
লাগিব—নহলে কিন্তু বৰ অন্যায় হব। আপোনালোকে
ঘৰখনত সোমাই মাখোন অশান্তিৰ হে সৃষ্টি কৰিছে।
কিমান অনিষ্ট কৰিছে সেইটো আপোনালোকে নেজানে।"
হাবান গুচি যোৱাৰ পিচত বিনয়ৰ মনত এটা
হানিবলৈ ধৰিলে। সৰল হৃদয়ৰ উদাৰচিতীয়া ভট্ট
আদৰ সাদৰকৈ সিহঁত দুটাক তেখেতৰ ঘৰলৈ মাতি লৈ
কিজানি নজনাকৈয়ে এই ব্ৰাহ্ম পৰিয়ালটোৰ মাজত

সীমা খোজে খোজে ডেই গৈছিল; তথাপিও তো তেখেতৰ মৰম-চেনেহ
আৰু শ্ৰদ্ধাৰপৰা এদিনলৈকো বঞ্চিত হোৱা নাছিল। এই পৰিয়ালটোৰ
মাজত বিনয়ৰ স্বভাৱে এনে এটি গভীৰ আশ্ৰয় পাইছিল, যিটো সি আৰু
আন ক'তো পোৱা নাছিল। তেওঁলোকৰ লগত চিনাকি হোৱাৰ পিচৰপৰাই
বিনয়ে এটি বিশেষ সত্তা উপলব্ধি কৰিছিল। এই যে ইমান আদৰ, ইমান
আনন্দ, ইমান আশ্ৰয় য'ত সি পাইছিল, সেই ঘৰখনত কিন্তু তাৰ সোঁৱৰণিয়ে
চিৰদিন কাঁইটৰ দৰে বিন্ধি থাকিব। ভট্ট ডাঙৰীয়াৰ জীয়েক কেইজনীৰ
ওপৰত সি এটা অপমানৰ ক'লা চেক লগালে। ললিতাৰ গোটেই ভৱিষ্যত
জীৱনৰ ওপৰত সি ইমান ডাঙৰ এটা লাঞ্ছনা আঁকি দিলে। ইয়াৰ জানো
কিবা প্ৰতিকাৰ আছে? হায়, হায়, সমাজ বুলি বস্তুটোৱে সত্যৰ মাজত
কিমান ডাঙৰ এটা বিৰোধ সৃষ্টি কৰিছে! চাবলৈ গলে ললিতাৰ লগত
বিনয়ৰ বিয়াৰ কোনো প্ৰকৃত বাধা নাই। ললিতাৰ সুখ আৰু মঙ্গলৰ
কাৰণে বিনয়ে নিজৰ গোটেই জীৱন উচৰ্গা কৰি দিবলৈ যে কিমান প্ৰস্তুত
আছে সেইটো মাখোন সেইজন গোসাঁয়েহে জানে-যিজন দুয়োৰে অন্তৰ্যামী।
তেৱেঁই তো বিনয়ক ভালপোৱাৰ আকৰ্ষণেৰে ললিতাৰ ইমান কাষলৈ লৈ
আহিছে, তেওঁৰ শাশ্বত ধৰ্ম্ম বিধিত তো ক'তো খোকোজা লগা নাছিল।
তেনেহলে ব্ৰাহ্ম সমাজৰ যিজন গোসাঁইক পানু মাষ্টৰে পূজা কৰে, তেওঁ
আন এজন বেলেগ গোঁসাই নে কি? তেওঁ মানৱ-হৃদয়ৰ অন্তৰৰ বিধতা
নহয় নে কি? ললিতা আৰু তাৰ মিলনৰ মাজত যদি কিবা নিষেধে
দাঁত-মূৰ নিকটাই থিয় হৈ আছে আৰু যদি সি মাখোন সমাজক হে মানে
আৰু সৰ্ব্ব মানৱৰ দেৱতাৰ কথা নেমানে, তেনেহলে সেইটো জানো পাপ
নিষেধ নহয়? কিন্তু হায়, এই নিষেধ ললিতাৰ কাৰণে কিজানি ভীষণ
শক্তিমান। তাৰোপৰি, ললিতাই কিজানি বিনয়ক—আৰু যে কিমান
সংশয় আছে। ক'ত বাকু ইয়াৰ মীমাংসা হবগৈ?

৫০

বিনয়ৰ ঘৰলৈ যি সময়ত হাবান মাষ্টৰ আহিছিল, ঠিক সেই সময়তে অবিনাশেও আনন্দময়ীক খবৰ দিছিল গৈ যে বিনয়ৰ তাৰ বিয়াৰ ঠিক হৈ গৈছে।

আনন্দময়ীয়ে ক'লে,—"এইবোৰ কেতিয়াও সঁচা কথা হব নোৱাৰে।"

অবিনাশে ক'লে,—"কিয় সঁচা নহয়? বিনয়ৰ কাৰণে এয়া অসম্ভৱ জানো?"

আনন্দময়ীয়ে ক'লে,—"সেইবোৰ মই নেজানো। কিন্তু ইয়াৰ কথা এটা বিনয়ে কেতিয়াও মোৰপৰা লুকুৱাই নেৰাখিলেহেঁতেন।"

অবিনাশে যে ব্ৰাহ্ম সমাজৰ মানুহৰ মুখৰপৰাই এই কথা শুনিছে, কথাটো যে বিশ্বাসযোগ্য, তাকে সি বাৰে বাৰে কবলৈ ধৰিলে। যে এনেকুৱা ফাকত পৰিবগৈ, সেইটো অবিনাশে বহুদিন জানিছিল। আন কি গোৰাকো সি এই বিষয়ে সতর্ক কৰি দিছিল। এইবোৰ কথাকে সি আনন্দময়ীক জনাই মহা স্ফূর্ত্তিৰে তলৰ মহিমকো এই সংবাদ দি গুচি গ'ল।

আজি বিনয় যেতিয়া উভতি আহিল, তেতিয়া তাৰ মুখখন তাৰ মনটো উগুল-থুগুল লাগি থকা বুলি আনন্দময়ীয়ে বুজি প্ৰথমতে তাক খুৱাই-বুৱাই নিজৰ কোঠালৈ মাতি আনি সুধিলে—তোৰ কি হৈছে কচোন বোপাই।"

বিনয়ে ক'লে,—"আই, এই চিঠিখন পঢ়ি চোৱাঁ।"

আনন্দময়ীৰ চিঠিখন পঢ়া হলত বিনয়ে ক'লে,—"আজি পানু মাষ্টৰ আমাৰ ঘৰলৈ আহিছিল। তেওঁ মোক খুব গালি-শপনি গ'লহি।"

আনন্দময়ীয়ে সুধিলে,—"কিয়?"

বিনয়ে উত্তৰ দিলে,—"তেওঁ কৈছে—মোৰ ব্যৱহাৰৰ কাৰণে তেওঁলোকৰ সমাজত ভট্ট ডাঙৰীয়াৰ জীয়েক কেইজনীৰ বহুতো ওলাইছে।"

আনন্দময়ীয়ে ক'লে,—"মানুহে দেখোন কৈছে ললিতাৰ লগত তোৰ বিয়াৰ ঠিক হৈ গৈছে। কিন্তু ক'তা, মইতো ইয়াৰ কোনো নামৰ কাৰণ দেখা নাই।"

বিনয়ে ক'লে,—"বিয়া হোৱাৰ উপায় থকা হলে দেখোন বদ্‌নাম ওলোৱাৰ বাটেই নেথাকিলহেঁতেন। কিন্তু য'ত তাৰ একো সম্ভাৱনাই নাই, তাত এনেকুৱা বাবে বাংকবা কথা উলিওৱাটো যে কিমান ডাঙৰ অন্যায়, বিশেষকৈ ললিতাক লৈ এনে কথা উলিওৱাটো অতি কাপুৰুষতা।"

আনন্দময়ীয়ে ক'লে,—"বিনু শুন, তই যদি আচলতে মতা মানুহ হ'ব, তেনেহলে এই কাপুৰুষতাৰ হাতৰপৰা তই অতি সহজতে ললিতাক ৰক্ষা কৰিব পাৰ।"

বিনয়ে আচৰিত হৈ সুধিলে,—"কেনেকৈ আই?"

আনন্দময়ীয়ে ক'লে,—"কেনেকৈ মানে? ললিতাক বিয়া কৰাই।"

বিনয়ে ক'লে,—"ইচ্ বাম আই, তুমিনো এইবোৰ কি বলকিছা? তোমাৰ বিনয়ক তুমিনো কি বুলি ভাবা মই বুজিবই নোৱাৰোঁ। তুমি ভাবিছা যে বিনয় যদি এবাৰ মাথোন 'মই বিয়া কৰাম' বুলি কয় তেনেহলে সংসাৰত আৰু আন কোনেও সেই কথাৰ ওপৰত মাত মাতিব নোৱাৰিব,—যেন সকলোৱে মোৰ মুখলৈকে চাই মোৰ এটা ইঙ্গিতৰ কাৰণেই বৈ আছে।"

আনন্দময়ীয়ে ক'লে,—"তই ইমানবোৰ কথা ভবাৰ প্ৰয়োজন নাই, যি পাৰ, তাকে কবিলেই হব। তই কব পাৰ, 'মই বিয়া কৰাবলৈ সাজু আছোঁ।'

বিনয়ে ক'লে,—"মই ইমান অদ্ভুত কথা ক'লে জানো ললিতাক অপমান কৰা নহব?"

আনন্দময়ীয়ে ক'লে,—"অদ্ভুত বুলিনো কিয় কৈছ? তহঁতৰ বিয়াৰ কথা যেতিয়া ওলাইছেই, সেইটো নিশ্চয় সঙ্গত বুলিয়েই ওলাইছে। মোৰ কথা শুন বিনয়, তই একো সঙ্কোচ কবিব নেলাগে।"

বিনয়ে ক'লে,—"কিন্তু আই, গোৰাৰ কথাও তো ভাবিব লাগিব।"

আনন্দময়ীয়ে টানকৈ ক'লে,—"নহয় বোপাই, এই বিষয়ে আৰু গোৰাৰ কথা ভবাৰ কোনো কথাই নুঠে। তাৰ খং উঠিব বুলি মই জানো। তোৰ ওপৰত তাৰ খং উঠাটোও মই নিবিচাৰোঁ। কিন্তু কিনো কবিবি? ললিতাৰ ওপৰত যদি তোৰ শ্ৰদ্ধা আছে তেনেহলে চিৰকাললৈ তাইৰ গাত এটী চেকা থাকি যাবলৈ তো তই এৰি দিব নোৱাৰ।"

কিন্তু এইটো যে বৰ টান কথা। কাৰাদণ্ডেৰে দণ্ডিত গোৰাৰ প্ৰতি বিনয়ৰ ভালপোৱা যেন আৰু দুগুণে বাঢ়ি গৈছিল। এতিয়া সেই গোৰাৰ কাৰণে ইমান ডাঙৰ এটা আঘাত যুগুত কৰি থবলৈ সি জানো পাৰিব?

তাৰ উপৰিও সংস্কাৰ ? সমাজক বুদ্ধিবে লঙ্ঘন কৰা সহজ, কিন্তু
লঙ্ঘন কৰিবলৈ গলেই সৰু-ডাঙৰ কত কথাত যে আউল লাগি
বিনয়ে ক'লে,—"আই, তোমাক যিমানেই দেখিছোঁ সিমানেই
বিত হৈ গৈছোঁ। তোমাৰ মনটো বাৰু একেবাৰে ইমান নিৰ
কেনেকৈ ? তুমি ভবিবে খোজ কাঢ়ি যাব নেলাগে নে কি ?
গোসাঁয়ে দুখন পাখি দিছে নে কি ? ক'তো তুমি দেখোন
নোখোৱা !"

আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে,—"মই উজুটি খাবলৈ
একোকে বখা নাই। সকলো একেবাৰে নিকা কৰি দিছে।"

বিনয়ে ক'লে,—"কিন্তু আই, মই হ'লে মুখেৰে যিয়েই
মনটোৱে দেখোন বাধা দিয়ে। ইমান ভালকৈ সকলো কথা
পঢ়া-শুনা কৰোঁ, তৰ্ক কৰোঁ, কিন্তু হঠাতে দেখিছোঁ যে মনটো
বাবে মূৰ্খই হৈ আছে।"

এনেতে মহিম সেই কোঠাটোলৈ সোমাই আহি বিনয়ক
বিষয়ে এনে কিছুমান অশোভনীয় কথা সুধিলে যে বিনয়ে বৰ লাজ
সি কোনো বকমে নিজক চম্ভালি একোকে উত্তৰ নিদি তলমূৰ
থাকিল। তেতিয়া মহিমে সকলোকে বিদ্ধি যোৱাকৈ কিছুমান
ধৰণৰ অপমানজনক কথা কৈ গুচি গ'ল। তেওঁ
ইয়াকে বুজাই গ'ল যে, বিনয়ক এইদৰে ফান্দত পেলাই তাৰ
কৰিবৰ কাৰণেই পৰেশ ভট্টৰ ঘৰত এটা নিলাজ আয়োজন
বিনয় এটা গোমূৰ্খ কাৰণেই সি এনেকুৱা এখন ফান্দত
সিহঁতে বাৰু গোৰাক ফুচুলাওকচোন চাওঁ, তেহে
হ'ল বৰ টান মাটি।

বিনয়ে চাৰিওফালে এনেকুৱা লাঞ্ছনাৰ ৰূপ দেখি
পৰিল। আনন্দময়ীয়ে ক'লে,—"বিনয়, এতিয়া তোৰ
নে ?"

বিনয়ে মূৰ দাঙি তেখেতৰ মুখলৈ চালে। আনন্দময়ীয়ে
"এতিয়া তই এবাৰ ভট্ট ডাঙৰীয়াৰ ওচৰলৈ যোৱা উচিত।
লগত কথা পাতিলেই সকলো খোলোচা হৈ পৰিব।"

—:o:—

হঠাতে সুচৰিতাই আনন্দময়ীক দেখি আচৰিত হৈ ক'লে,—"ময়ো
এজাই আপোনাৰ তালৈকে যাবলৈ ওলাইছিলোঁ।"

আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে,—"তুমি যাবলৈ ওলাইছিলা বুলি
ই গম নেপাওঁ। কিন্তু যি কাৰণে যাবলৈ ওলাইছিলা সেই খবৰটো
পাই মই আৰু থাকিব নোৱাৰিলোঁ। গুচি আহিলোঁ।"

আনন্দময়ীয়ে খবৰ পোৱা বুলি শুনি সুচৰিতা আচৰিত হৈ গ'ল।
আনন্দময়ীয়ে ক'লে,—"আই, বিনয়ক মই মোৰ নিজৰ ল'ৰা বুলিয়েই
তাকোঁ। সেই বিনয়ৰ কাৰণেই, আন কি তোমালোকক চিনি নেপাওঁতেও,
পেটে পেটে তোমালোকক কিমান যে আশীৰ্ব্বাদ দিছোঁ। তোমালোকৰ
কিবা অন্যায় হোৱা বুলি শুনিলে মই জানো থিৰেৰে থাকিব পাৰোঁ ?
ই তোমালোকৰ কিবা উপকাৰ কৰিব পাৰিম নে নোৱাৰিম কব নোৱাৰোঁ।
কিন্তু কথাটো শুনি মনটো কেনেবা কেনেবা লাগিল, সেই কাৰণেই তোমা-
লোকৰ কাষলৈ লৰি আহিছোঁ। আই, বিনয়ৰ ফালৰপৰা কিবা অন্যায়
হৈছে নে কি ?"

সুচৰিতাই উত্তৰ দিলে,—"অকণোকে হোৱা নাই। মানুহৰ মুখে
মুখে ওলোৱা কথাবোৰৰ বাবে ললিতাহে দায়ী। ললিতাই যে কাকো
একোকে নোকোৱাকৈ এইদৰে জাহাজাত উঠি গুচি আহিব, সেইটো
চেষ্টাৰ্জীদেৱে সপোনতো ভবা নাছিল। মানুহে কথাবোৰ এনেকৈহে
উলিয়াইছে—যেন সিহঁত দুয়োটাই আগতেই বন্দবস্ত কৰি জাহাজত উঠি
গুচি আহিল। আৰু ললিতাও বৰ জেদী ছোৱালী। তাই যে কথা-
বোৰৰ প্ৰতিবাদ কৰিব লাগে, নাইবা ঘটনাটো নো আচলতে কি ঘটি-
ছিল সেইটো যে মানুহক বুজাই কব লাগে, এইবোৰ তাই একোকে
নকৰে।"

আনন্দময়ীয়ে ক'লে,—"কিন্তু কিবা এটা তো উপায় উলিয়াব লাগিব ?
এইবোৰ কথা শুনাবেপৰা তাৰ মনত যে বিন্দুমাত্ৰাও শান্তি নোহোৱা
হৈছে। এইবোৰৰ বাবে সি নিজকেহে দোষী বুলি ভাবিছে !

সুচৰিতাই তাইৰ লাজত ৰঙা পৰা মুখখন অলপ তললৈ নমাই সুধিলে—
"ৰাৰু, আপুনি ভাবে নে কি যে চেটাৰ্জ্জীদেৱে——"

আনন্দময়ীয়ে লাজতে ৰঙা পৰা সুচৰিতাক তাইৰ কাষাযা
কৰিবলৈ নিদিয়াকৈয়ে ক'লে,—"চোৱা আই, মোৰ কথা শুনা,
কাৰণে বিনয়ক যিহকে কৰিবলৈ কোৱা, তাকে কৰিব। বিনয়
তেনেই ল'ৰা কালবেপৰা দেখিছোঁ। কেনেবাকৈ এবাৰ ধৰা দিয়
আৰু নিজৰ হাতত একোকে ৰাখিব নোৱাৰে। সেই কাৰণে সদায়
ৰৰ ভয়ে ভয়ে থাকিব লাগে, কিজানিবা কেনেবাকৈ এনেকুৱা ঠাইত
মন বহি যায়—য'ৰপৰা একোৱেই পোৱাৰ আশা নাই।"

সুচৰিতাৰ মনৰপৰা এটা ডাঙৰ বোজা নামি গ'ল। তাই ক'লে,
"ললিতাৰ সন্মতিৰ বাবে আপুনি অকণো নেভাবিব। মই তাইৰ
কথা জানো। কিন্তু চেটাৰ্জ্জীদেৱে জানো তেখেতৰ সমাজ এবি
ৰাজী হ'ব?"

আনন্দময়ীয়ে ক'লে,—"সমাজে তাক এবি দিব পাৰে, কিন্তু
আকৌ আগে ভাগে গা-পাতি সমাজ এবি দিবলৈ কিয় যাব আই?
সমাজ এবি দিয়াৰো জানো তেনে কিবা দৰ্কাৰ আছে?"

সুচৰিতাই ক'লে,—"আপুনিনো কি কৈছে আই? চেটাৰ্জ্জী
হিন্দু সমাজত থাকি ব্ৰাহ্ম ঘৰত ছোৱালী বিয়া কৰাব কেনেকৈ?"

আনন্দময়ীয়ে সুধিলে,—"সি কৰাবলৈ ৰাজী হলে তাত
লোকৰ আপত্তি কি?"

কথাটো সুচৰিতাৰ কেনেবা কেনেবা লাগিল। তাই ক'লে,
"সেইটো নো কেনেকৈ সম্ভৱ হব, মই বুজি পোৱা নাই।"

আনন্দময়ীয়ে ক'লে,—"কিয় আই? কথাটো দেখোন মোৰ
উজু যেন লাগিছে। চোৱাঁ, আমাৰ ঘৰত সকলোৱে যিবোৰ নিয়ম
মই সেইবোৰ মানিব নোৱাৰোঁ। সেই কাৰণেই বহুতে মোক ঘৃণা
য়েই কয়। ঘৰত কিবা কাজ-কাম হলে মই ইচ্ছা কৰিবেই
আঁতবি ফুৰোঁ। তুমি শুনিলে কিজানি হাঁহিবাই আই, মোৰ
কোঠাত পানী এটোপাকে নেখায়। কিন্তু সেই বুলিয়েই মই
কম যে, 'এইখন ঘৰ মোৰ ঘৰ নহয়, এইখন সমাজ মোৰ সমাজ
এই বুলি তো মই নকওঁৱেই আন কি ইমান টান কথা শুনিও এইখন
এইখন সমাজতে মই আছোঁ, আৰু সেইবাবে মোৰ কোনো বেজাৰো
অৱশ্যে কেতিয়াবা যদি দেখো যে আৰু সহিব নোৱাৰোঁ, তেতিয়া

বি বাটকে দেখুৱায় সেই বাটেদিয়েই যাম। কিন্তু যিবোৰ মোৰ আপোন
মানুহ সেইবোৰক মই শেষলৈকে আপোন বুলি কম—আৰু সিহঁতে যদি
মোক নিজৰ বুলি নকয় সেইটো সিহঁতে জানে।"

সুচৰিতাই তেতিয়াও কথাটো ভালকৈ বুজি নেপালে। তাই ক'লে,—
"কিন্তু চাওক, ব্ৰাহ্ম সমাজৰ মতবোৰ যদি চেটাৰ্জ্জীদেৱে——"

আনন্দময়ীয়ে ক'লে,—"তাৰ মত তো তেনেকুৱাই। ব্ৰাহ্ম সমাজৰ
মতবোৰ তো জগতত নোহোৱা-নোপোজা কিবা নহয়। কাগজত তোমা-
লোকৰ যিবোৰ উপদেশ ওলায় সেইবোৰ তো প্ৰায়ে সি মোক পঢ়ি শুনায়।
সেইবোৰ আমাৰ লগত কোনখিনিত নো বেলেগ, মই ধৰিবই নোৱাৰোঁচোন।"

এই সময়তে "সুচি বাইদেউ" বুলি কোঠাটোত সোমায়েই হঠাত
আনন্দময়ীক দেখি ললিতা লাজতে ৰঙা-চঙা পৰি উঠিল। তাই সুচ-
ৰিতাৰ মুখ দেখিয়েই গম পালে যে তেওঁলোকে অতপৰে তাইৰ কথাকে
পাতি আছিল। তাৰপৰা কোনোমতে পলাব পাৰিলেই তাই যেন ৰক্ষা
পালেহেঁতেন, কিন্তু তেতিয়া আৰু পলাবৰো উপায় নাছিল।

আনন্দময়ীয়ে ক'লে,—"আহাঁ, আই ললিতা, আহাঁ।" এই বুলি
ললিতাক হাতত ধৰি তেখেতৰ নিচেই কাষতে বহুৱালে, যেন ললিতা
তেখেতৰ অলপ বিশেষ আপোন হৈ পৰিছে।

তেখেতে আগৰ কথাৰ আঁত্ নেৰাকৈয়ে সুচৰিতাক ক'লে,—"শুনা
আই, ভালৰ লগত বেয়া মিলাটোৱেই সকলোতকৈ টান কথা। কিন্তু
তথাপি পৃথিৱীত সিও ঘটিছে, আৰু সুখে-দুখে দিনো পাৰ হৈছে। সদায়
যে ইয়াৰ ফল বেয়াই হয় এনে নহয়, কেতিয়াবা ভালো হয়। এয়া যদি
সম্ভৱ হয় তেনেহলে সামান্য মতৰ অমিলৰ কাৰণেই দুজন মানুহনো কিয়
মিলিব নোৱাৰিব—মই দেখোন বুজিব নোৱাৰোঁ। মত মিলিলেহে মানু-
হৰ প্ৰকৃত মিল হয় নে কি?"

সুচৰিতাই তল মুকৈ বহি থাকিল। আনন্দময়ীয়ে আকৌ ক'লে,—
"তোমালোকৰ ব্ৰাহ্ম সমাজেও মানুহৰ লগত মানুহক মিলিব নিদিয়ে নে কি?
ভগৱানে ভিতৰত যাক এক কৰি সৃজিছে তোমালোকৰ সমাজে বাহিৰৰ-
পৰা সিহঁতক আঁতৰাই ৰাখিব নে কি? আই, যিখন সমাজে সৰু-সুৰা
অমিলবোৰ নেমানি এটা ডাঙৰ মিলনত সকলোকে মিলাই দিয়ে—এনে
সমাজ নাই নে কি আই? ভগৱানৰ লগত মানুহে সদায় এইদৰে মাথোন
দন কৰিয়েই কটাব নে কি? সমাজ নামৰ বস্তুটো মাথোন এই কাৰণেই
তৈয়াৰ হৈছে নে কি?"

আনন্দময়ীয়ে যে এইবোৰ কথা ইমান একান্ত উৎসাহেৰে আলোচনা কৰিছিল, এয়া জানো একমাত্ৰ ললিতাৰ লগত বিনয়ৰ বিয়াৰ হেঙাৰ আঁতৰোৱাৰ কাৰণেই ? সুচৰিতাৰ মনত এই বিষয়ে অলপ দোধোৰ-মোধোৰ লাগি আছিল দেখি সেইয়া আঁতৰাই দিবলৈ তেখেতে যে মনে-প্ৰাণে লাগিছিল, সেয়া নাজত জানো আন এটা উদ্দেশ্যও নাছিল ? সুচৰিতাই এনেকুৱা সকলো মানি চলিলে তো নহব। বিনয় ব্ৰাহ্ম নোহোৱাকৈ এই বিয়া হব নোৱাৰে, এয়ে যদি সিদ্ধান্ত হয়, তেনেহলে ইমান দুখৰ সময়তো আনন্দময়ীয়ে পেটে এই কেইদিন যি আশা পুহি ৰাখিছিল সেইয়া দেখোন সকলো লগত মিহলি হৈ যাবগৈ। আজিয়েই বিনয়ে এই কথাষাৰ তেখেতক সুধিছিল। সি সুধিছিল, "আই, মই ব্ৰাহ্ম সমাজত নাম লিখিব নে কি ? ইয়াকো মানিব লাগিব নে ?"

আনন্দময়ীয়ে কৈছিল,—"নাই, নাই, নেলাগে। মই তাৰ দৰ্কাৰ দেখা নাই দেখোন।"

বিনয়ে ক'লে,—"যদি সিহঁতে জোৰ কৰে।"

আনন্দময়ীয়ে বহুপৰ মনে মনে থাকি কৈছিল,—"ওঁহো, ইয়াক নেখাটিব।"

সুচৰিতাই আনন্দময়ীৰ কথাত যোগ নিদিলে। তাই নিমাত বহি থাকিল। সুচৰিতাৰ মনে কথাটো এতিয়াও যে মানি লব পৰা —আনন্দময়ীয়ে বুজি পালে।

আনন্দময়ীয়ে পেটে পেটে ভাবিবলৈ ধৰিলে,—'মোৰ মনে গোৰালৈ থকা মৰমৰ বাবেই সমাজৰ সকলো সংস্কাৰ আঁতৰাব তেনেহলে গোৰাত সুচৰিতাৰ মন খোৱা নাই নে কি ? মন খোৱা ইমান সৰু কথা ইমান ডাঙৰ হৈ নুঠিলেহেঁতেন।"

আনন্দময়ীয়ে মনত অলপ দুখ পালে। গোৰা ফাটেকৰপৰা আহিবলৈ আৰু দুদিনমানহে আছে মাথোন। তেখেতে ভাবিছিল তাৰ কাৰণে এখন সুখৰ ঠাই তৈয়াৰি হৈ আছে। এইবাৰ কৈয়ে হওক গোৰাক বান্ধত পেলাবই লাগিব, নহলে সি যে বিপদত পৰিবগৈ তাৰ ঠিক নাই। কিন্তু গোৰাক পেলোৱাটোও তো যেই সেই ছোৱালীৰ কাম নহয়। কোনোবা হিন্দু সমাজৰ ছোৱালীকো গোৰালৈ বিয়া কৰাই অনাটো হব—সেই কাৰণেই অতদিনে বহু কন্যাদায়গ্ৰস্তৰ দৰখাস্ত একেবাৰে ঞুৰ কৰিছে। গোৰাই কয়,—'মই বিয়া নকৰাওঁ—তেখেতে

গোৰা

এদিনৰ বাবেও ইয়াৰ কোনো প্ৰতিবাদ নকৰাত মানুহ আচৰিত হৈ যায়। এইবাৰ গোৰাৰ দুই এটা লক্ষণ দেখি তেখেতে পেটে পেটে ভালেই পাই-ছিল। সেই কাৰণেই সুচৰিতাৰ এই নীৰৱ প্ৰতিবাদত তেখেতে বৰ আঘাত পালে। কিন্তু তেখেত সহজে এৰি দিয়া মানুহ নহয়। তেখেতে মনে মনে ভাবিলে,—'বাৰু, দেখা যাওকচোন।'

৫২

পৰেশ ভট্টই ক'লে,—"বিনয়, তুমি ললিতাক এটা বিপদৰপৰা উদ্ধাৰ কৰিবলৈ এনেকৈ মৰসাহ কৰিবলৈ ওলোৱাটো মই ইচ্ছা নকৰোঁ। সমাজৰ আলোচনাৰ বিশেষ একো মূল্য নাই। আজি যিবোৰ কথা লৈ তল-ওপৰ লাগিছে—দুদিন মানৰ পিচত সেইবোৰ কাৰো মনতে নেথাকিব।"

ললিতাৰ প্ৰতি কৰ্ত্তব্য কৰিবৰ কাৰণেই যে বিনয়ে কঁকালত টঙালি বান্ধি আহিছিল, সেই বিষয়ে বিনয়ৰ নিজৰ মনতো কোনো সন্দেহ নাছিল। এনেকৈ বিয়া কৰাব খুজিলে সমাজত নানান বেমেজালি ওলাব বুলি সি জানিছিল, আৰু তাতোকৈ ডাঙৰ কথা, গোৰাৰ খং উঠিব। কিন্তু কেৱল মাত্ৰ কৰ্ত্তব্য বুদ্ধিৰ চেলু লৈয়েই এইবোৰ অপ্ৰিয় কথা সি মনৰপৰা আঁত-ৰাই ৰাখিছিল। এনে সময়তে ভট্ট ডাঙৰীয়াই যেতিয়া সেই কৰ্ত্তব্য বুদ্ধিকে একেবাৰে বৰখাস্ত কৰিব খুজিলে, তেতিয়া বিনয়ে কিন্তু এৰিব নুখুজিলে।

সি ক'লে,—"আপোনালোকৰ মৰমৰ ঋণ মই কেতিয়াও শুজিব নোৱাৰিম। মোৰ কাৰণে আপোনালোকৰ পৰিয়ালত যদি দুদিনমানৰ কাৰণেও কিবা অশান্তি ঘটে, তেনেহলে—সিও মোৰ পক্ষে অসহ্য।"

পৰেশ ভট্টই ক'লে,—"বিনয়, তুমি মোৰ কথাটো ভালকৈ বুজিব পৰা নাই। আমাৰ প্ৰতি তোমাৰ শ্ৰদ্ধা থকা দেখি মই বৰ ভাল পাইছোঁ। কিন্তু সেই শ্ৰদ্ধাৰ কৰ্ত্তব্য সাধিবৰ বাবেই যে তুমি মোৰ ছোৱালীক বিয়া কৰাবলৈ ওলাইছা, সেইটো মোৰ ছোৱালীৰ বাবে বৰ শ্ৰদ্ধাৰ কথা নহয়। সেই কাৰণেই মই তোমাক কৈছোঁ যে বিপদটো এনে একো ডাঙৰ নহয় যে তাৰ কাৰণেই তোমাৰ কিবা ত্যাগ কৰাৰ প্ৰয়োজন।"

ভালেই হ'ল, বিনয়ে কর্ত্তব্যদায়ৰপৰা মুক্তি পালে। কিন্তু
দুৱাৰ মুকলি পালে চৰায়ে যেনেকৈ ভুৰংকৈ উৰা মাৰে, ক'ত
টোৱে তো মুক্তিৰ মুকলি পথেদি লৰ নেমাবিলে? এতিয়াও
লৰচৰকে কৰিব খোজা নাই। কর্ত্তব্যবুদ্ধিৰ চেলু লৈ বহুদিন
ৰাহ্মোনক সি যে অনাৱশ্যক বুলি ভাঙি পেলাই বহি আছে।
য'ত মনটোৱে ভয়ে ভয়ে খোজ আগবঢ়াইছিল আৰু
সঙ্কোচেৰে উভতি আহিছিল, এতিয়া তাতেই মনটোৱে
পুতিছে। এতিয়া আৰু তাক তাৰপৰা ওভতোৱা টান।
বুদ্ধিয়ে মনটোক হাতত ধৰি এই ঠাইলৈ লৈ আহিছিল, এতিয়া
বুদ্ধিয়েই হেঁচে,—'আৰু দৰ্কাৰ নাই, বলা ভাই, উভতি যাওঁ'
মনটোৱে কৈছে 'তোমাৰ দৰ্কাৰ নেথাকিলে তুমি যাৰ পাৰা,
ইয়াতেই থাকিম।'

ভট্ট ডাঙৰীয়াই যেতিয়া কেনিও কতো অকণোকে আঁৰ-বেৰ
আৰু তাক সুবিধা নিদিলে, তেতিয়া বিনয়ে ক'লে,—"মই
এটা কিবা কষ্ট কৰিব খুজিছোঁ বুলি কেতিয়াও নেভাবিব।
লোকে সন্মতি দিলে মোৰ বাবে এনে সৌভাগ্য আৰু আন
নাই। মাথোন মোৰ ভয় লাগে কিজানি——"

সত্যপ্রিয় পৰেশ ভট্টই কোনো সঙ্কোচ নেৰাখি ক'লে,—"তুমি
ভয় কৰিছা তাৰ একো হেতু নাই। ললিতাৰ মন তোমাৰ প্রতি
নহয় বুলি মই সুচৰিতাৰ মুখে শুনিছোঁ।"

বিনয়ৰ মনত এটি আনন্দৰ বিজুলী খেলি গ'ল। ললিতাৰ
গোপন কথা এটি সুচৰিতাই জানিব পাৰিছে। কেতিয়া জানিলে
কেনেকৈ জানিলে বাৰু? দুই সখীৰ মাজত এই আভাস অনুনয়
জনা-জনি হৈছে, তাৰ এটা অতি বহস্যময় সুখে বিনয়ৰ মন
পেলালে।

বিনয়ে ক'লে,—"মোক যদি আপোনালোকে যোগ্য বুলি
হলে তাতকৈ আৰু সুখৰ কথা মোৰ পক্ষে আন একোৱেই
পৰেশ ভট্টই ক'লে,—"তুমি অলপ পৰ ৰ'বা। মই
পৰা আহোঁগৈ।"

তেখেত ৰৱদাসুন্দৰীৰ মত লৰলৈ গ'ল। ৰৱদাসুন্দৰীয়ে
"বিনয়ে কিন্তু দীক্ষা লৰ লাগিব।"

পৰেশ ভট্টই ক'লে,—"ওঁ, লৰ লাগিব তো।"

ৰৱদাসুন্দৰীয়ে ক'লে,—"সেইটো আগতে ঠিক কৰক। বিনয়ক
ইয়ালৈকে মতাওকচোন।"

বিনয় ওপৰলৈ অহাত ৰৱদাসুন্দৰীয়ে ক'লে,—"তেনেহলে দীক্ষা
লোৱাৰ দিন এটা চাওঁ আৰু।"

বিনয়ে ক'লে,—"দীক্ষা লোৱাৰ জানো কিবা দৰ্কাৰ আছে?"

ৰৱদাসুন্দৰীয়ে ক'লে,—"দৰ্কাৰ নাই? কিনো কোৱা! নহলে
ব্রাহ্ম সমাজত তোমাৰ বিয়া হব কেনেকৈ?"

বিনয়ে নীৰৱে তলমুৰকৈ বহি থাকিল। বিনয়ে তেখেতৰ ছোৱালী
বিয়া কৰাবলৈ ওলাইছে বুলি শুনিয়েই পৰেশ ভট্টই ধৰি লৈছিল যে সি
দীক্ষা গ্রহণ কৰি ব্রাহ্ম সমাজত প্রৱেশ কৰিব।

বিনয়ে ক'লে,—"ব্রাহ্ম সমাজৰ ধর্ম্ম মতৰ প্রতি মোৰ তো শ্রদ্ধা আছেই
আৰু আজিলৈকে মোৰ ব্যৱহাৰতো তাৰ বিপৰীত একো নেপাব। তথা-
পিও জানো আকৌ বিশেষ ভাৱে দীক্ষা লোৱাৰ কিবা দৰ্কাৰ আছে?"

ৰৱদাসুন্দৰীয়ে ক'লে,—"মতৰ মিল আছেই যদি দীক্ষা ললেনো
কি ক্ষতি হব?"

বিনয়ে ক'লে,—"মই হিন্দু সমাজৰ একোৱেই নহয় বুলি কোৱাটো
মোৰ পক্ষে অসম্ভৱ।"

ৰৱদাসুন্দৰীয়ে ক'লে,—"তেনেহলে এই বিষয়ে আলোচনা কৰা-
টোৱেই আপোনাৰ অন্যায় হৈছে। আপুনি আমাৰ উপকাৰ কৰিবৰ
কাৰণেই অনুগ্রহ কৰি আমাৰ ছোৱালী বিয়া কৰাবলৈ ওলাইছে নে কি?"

বিনয়ে বৰ আঘাত পালে। দেখিলে তাৰ প্রস্তাৱটো এখেতসকলৰ
পক্ষে সঁচাকৈয়ে অপমানজনক হৈ উঠিছে।

আজি কিছুদিন আগতে 'চিভিল বিবাহ' আইন পাছ হৈ গৈছে।
সেই সময়ত গোৰা আৰু বিনয়ে বাতৰি-কাকতত এই আইনৰ বিৰুদ্ধে
চোকা সমালোচনা কৰিছিল। আজি আকৌ সেই 'চিভিল-বিবাহকে'
মানি লৈ নিজকে 'হিন্দু নহয়' বুলি কোৱাটোও বৰ টান কথা।

বিনয়ে হিন্দু সমাজত থাকিয়েই ললিতাক বিয়া কৰোৱা কথাটো
পৰেশ ভট্টই মানি লৰলৈ টান পালে। দুমুনিয়াহ কাঢ়ি বিনয় থিয়
হ'ল আৰু দুয়োজনকে নমস্কাৰ কৰি ক'লে,—"মোক ক্ষমা কৰিব, মই
আৰু অপৰাধ নবঢ়াওঁ।"

এই বুলি সি কোঠাটোৰপৰা ওলাই আহিল। খটখটিৰ কাষলৈ
আহি দেখে যে সন্মুখৰ বাৰাণ্ডাৰ এচুকত ললিতাই মেজ এখন আগত লৈ

অকলে বহি চিঠি লিখি আছে। খোজৰ শব্দ শুনি ললিতাই মু
বিনয়লৈ চালে। তাইৰ সেই এক পলকৰ চাৱনিয়েই বিনয়ৰ
অন্তৰখনত থৌকি-বাথৌ লগালে। বিনয়ৰ লগত তো ললিতাৰ
চিনাকি নহয়—কতবাৰ সি তাইৰ মুখলৈ চাইছে, কিন্তু তাইৰ
কি বহস্য ফুটি ওলাইছে বাকু? সুচৰিতাই ললিতাৰ এটি মন
জানিছে। সেই মনৰ কথাটো আজি ললিতাৰ ক'লা চকুযুৰি
ছাঁত, ককণাৰে উপচি পৰি এচপৰা সজল স্নিগ্ধ মেঘৰ নিচিনা
বিনয়ৰ চকুত পৰিল। বিনয়ৰো সেই এক মুহূৰ্ত্তৰ চাৱনিতেই
ৰৰ বেজাৰবোৰ বিজুলীৰ দৰে চাঁত কৰে আঁতৰি গ'ল। সি
নমস্কাৰ কৰি মুখেৰে একো নেমাতি খট্‌খটিয়েদি নামি

৫৩

গোৰাই ফাটেকৰপৰা ওলাই আহিয়েই দুৱাৰমুখত পৰেশ ভ
বিনয়ক তাৰ বাৰে বৈ থকা দেখা পালেহি।

এটা মাহ ৰৰ বেচি একো দীঘলীয়া সময় নহয়। ইয়াৰ
এমাহতকৈয়ো সৰহ দিন গোৰাই মিতিৰ-কুটুম, বন্ধু-বান্ধৱৰ
আঁতৰি দেশ ভ্ৰমণ কৰি ফুৰিছে। কিন্তু ফাটেকৰ এই এমাহ
ওলাই আহি পৰেশ ভট্ট আৰু বিনয়ক দেখি তাৰ এনেহে
পুৰণি বন্ধু-বান্ধৱৰ মাজত চিনাকি সংসাৰখনত সি আকৌ নকৈ
সেই ৰাজ-আলিত মুকলি আকাশৰ তলত পুৰাৰ পোহৰত পৰেশ
মৰমসনা, ধীৰ মুখখন দেখি সি যিমান ভক্তি আৰু আনন্দেৰে
ভট্টৰ ভৰিৰ ধূলা মূৰত ললে তেনেকৈ সি আৰু কেতিয়াও
নাই। পৰেশ ভট্টই তাক সাৱটি ধৰিলে।

বিনয়ৰ হাতত ধৰি গোৰাই হাঁহি হাঁহি কলে,—"বিনয়,
পৰা সদায় তোমাৰ লগত একেলগে শিক্ষা লাভ কৰি আহিছো।
এই বিদ্যালয়ত তোমাক ফাঁকি দি আগবাঢ়ি গলোঁ।"

বিনয়ে হাঁহিবও নোৱাৰিলে, একো কথা কবও নোৱাৰিলে।
ঘৰৰ দুখ-বহস্যৰ মাজৰপৰা তাৰ বন্ধুৰে তাৰ গুৰিলৈ বন্ধুতকৈ

যেন মহান হৈ ওলাই আহিছে। গভীৰ সম্ভ্ৰমেৰে সি নিমাত হৈ ৰৈ থাকিল। গোৰাই সুধিলে,—"আই, কেনে আছে?"

বিনয়ে উত্তৰ দিলে,—"আই ভালেই আছে।"

পৰেশ ভট্টই ক'লে,—"আহা, বোপাই, তোমাৰ কাৰণে গাড়ী ৰৈ আছে।"

তিনিও গাড়ীত উঠিৰ খোজোঁতেই অবিনাশ ক'ৰবাৰপৰা ফোঁপাই-জোপাই আহি ওলাল হি। তাৰ পিচে পিচে এদল ল'ৰা।

অবিনাশক দেখিয়েই গোৰাই লৰালৰিকৈ গাড়ীত উঠিৰ খুজিলে, কিন্তু তাৰ আগতেই অবিনাশে আহি বাট ভেটি ধৰি কলে,—"গৌৰমোহন ককাইদেউ! অকণমান ৰবচোন।"

কওঁতে নকওঁতেই লৰাবোৰে চিঞৰি চিঞৰি গাবলৈ ধৰিলে,—

"দুখৰ বাতি পুৱাল আজি।
ছিঙিল ছিঙিল অধীনতা জৰী॥"

গোৰাৰ মুখখন ৰঙা পৰি গ'ল। সি তাৰ বজ্ৰ নিনাদেৰে গৰজি উঠি কলে,—"মনে মনে থাকা।"

ল'ৰাবোৰ আচৰিত হৈ মনে মনে থাকিল। গোৰাই সুধিলে,—"অবিনাশ, এইবোৰ কি কৰিছা?"

অবিনাশে তাৰ গাত লোৱা ৰৰ কাপোৰখনৰ আঁৰৰপৰা কলপাতত মেৰিওৱা এধাৰ কুন্দ ফুলৰ ডাঙৰ মালা উলিয়াই আনিলে আৰু তাৰ পিচতে ধিয় হৈ এটি সৰু লৰাই এখন সোণালী আখৰেৰে ছপোৱা কাগজৰপৰা মিহি মাতেৰে চাৰি দিয়া গ্ৰামোফনৰ দৰে অতি খৰকৈ কাৰামুক্তিৰ অভিনন্দন এখন পঢ়ি যাবলৈ আৰম্ভ কৰিলে।

অবিনাশৰ মালাধাৰ জোৰেৰে ঠেলা মাৰি গোৰাই খঙেৰে সৈতে কলে,—"এতিয়া হৰ পাই তোমালোকৰ থিয়েটাৰ আৰম্ভ হ'ল? আজি আলিৰ পাঁতিত এইদৰে মোক তোমালোকৰ যাত্ৰাৰ দলৰ বহুৱা সজাবলৈকে হবলা এই এমাহে আখৰা দিছিলা?"

অবিনাশে আজি বহুদিনৰেপৰা এইবোৰ ঠিক্ ঠাক্ কৰি থৈছিল। সকলোকে চক্ খুৱাই দিব বুলিয়েই সি ভাবিছিল। আমি যি সময়ৰ কথা কৈছোঁ সেই সময়ত এনে ধৰণৰ উপদ্ৰৱবোৰৰ প্ৰচলন নাছিল। অবিনাশে নিজৰ দিহা-পৰামৰ্শও লোৱা নাছিল। এই নতুন ধৰণৰ ঘটনাৰ সকলো-খিনি বাহাদুৰি সি অকলেই লব বুলি ভাবিছিল। আন কি বাতৰি-কাকতলৈ পঠিয়াবৰ বাবে ইয়াৰ সকলো বিৱৰণ আগতেই সি নিজেই লিখি-মেলি

ঠিক কবি থৈছিল। ইয়াৰপৰা উভতি গৈয়েই দুই এডোখৰ অপুৰু
কবি গোৱা ঠাই পূবাই পঠিয়াই দিয়াৰ কথা আছিল।

গোৱাৰ গালি-শপনি শুনি অবিনাশৰো খং উঠিল। সি ক
"আপুনি অন্যায় কথা কৈছে। আপুনি ফাটেকত যিমান দুখ
আমি তাতকৈ লেশমানো কম কষ্ট সহ্য কৰা নাই। এই এমাহ
মুহূর্ত্ততে আমাৰ বুকুৰ প্রতিডাল হাড় তুঁহ-জুইত পুৰি পুৰি ছাই হৈ
গোৱাই কলে,—"ভুল হৈছে অবিনাশ, অলপ ভালকৈ চাল
পাৰা তুঁহবোৰ এতিয়াও দম হৈয়ে আছে, বুকুৰ হাড়বোৰো
একো ক্ষতি হোৱা নাই।"

তথাপি অবিনাশে সেও নেমানিলে। সি কলে,—"ৰজাই
অপমান কৰিলে। কিন্তু আজি সমগ্র ভাৰত ভূমিৰ মুখপাত্র
এই সম্মানৰ মালাধাৰি—"

গোৱাই কলে,—"উস্ বাম, আৰু তো সহিব নোৱাৰি—"
অবিনাশ আৰু তাৰ দলক একাষে আঁতৰাই দি গোৱাই
"ভট্ট ডাঙৰীয়া, উঠক, গাড়ীত উঠক।"

পৰেশ ভট্টয়ো গাড়ীত উঠি কোনোমতে ৰক্ষা পৰিল।
বিনয় তেখেত উঠাৰ পিচতেই গাড়ীত উঠিল।

জাহাজেৰে আহি পিচদিনা পুৱা গোৱা ঘৰ পালেহি। সি
দেখে যে বাহিৰৰ কোঠাত তাৰ দলৰ এগাল মানুহ গোটখাই
কোনোৰকমে সিহঁতৰ হাতৰপৰা এৰাই গোৱাই ভিতৰত আনন্দময়ী
পালেগৈ। তেখেতে আজি দোক-মোকালিতে গা-পা ধুই উঠি
ৰৈ আছিল। গোৱাই আহি তেখেতৰ ভৰিত পৰি সেৱা কৰোঁতেই
ময়ীৰ চকুৰ লো বাগৰি পৰিবলৈ ধৰিলে। ইমান দিনে
চকুলোৱে আজি আৰু কোনো বকমেই বাধা নেমানিলে।

কৃষ্ণদয়ালে গঙ্গাস্নান কৰি উভতি আহোঁতেই গোৱা তেখেতৰ
গ'ল। আঁতৰৰপৰা ভৰি নোছোৱাকৈয়ে তেখেতক সেৱা এটি
কৃষ্ণদয়ালেও সঙ্কোচেৰে অলপ আঁতৰ হৈ এখন আসনত বহিল।
কলে,—"দেউতা, মই এবাৰ পৰাচিত হৰ খুজিছোঁ।"

কৃষ্ণদয়ালে কলে,—"তাৰ একো দৰ্কাৰ দেখা নাই দেখোন।"
গোৱাই কলে,—"ফাটেকত আন একো দুখকে মই দুখ
নাই, মাথোন নিজকে ৰৰ অশুচি অশুচি যেন লাগিছিল।
অশুচি ভাবটো মোৰ যোৱা নাই। এবাৰ পৰাচিত হৰই লাগিৰ

কৃষ্ণদয়ালে লৰালৰিকৈ কলে,—"ওঁহোঁ, তুমি এতিয়া এইখন কৰিৰ
লাগে। মই তো মত দিব নোৱাৰোঁ।"

গোৱাই কলে,—"মই বাৰু এই বিষয়ে পণ্ডিতসকলৰ মত লম।"

কৃষ্ণদয়ালে কলে,—"কোনো পণ্ডিতৰ মত লব নালাগে। ময়ে তোমাক
বিধান দিছোঁ শুনা, তোমাৰ পৰাচিত হোৱাৰ কোনো প্রয়োজন নাই।"

কৃষ্ণদয়ালৰ দৰে ইমান আচাৰ-বিচাৰ, নীতি-নিয়ম মানি চলা মানুহে
কিয় যে গোৱাই কোনো ৰকমৰ নিয়ম-সংযম মনাটো মানি লব নোখোজে,
সকলে মানি নোলোৱাই নহয়, তাৰ বিৰুদ্ধে জেদো ধৰে, সেইটোৰ অর্থহে
গোৱাই আজিলৈকে একো ধৰিব নোৱাৰিলে।

আনন্দময়ীয়ে আজি গোৱা আৰু বিনয় দুয়োকে ওচৰা-উচৰিকৈ
দুখন আসন পাতি ভাত খাবলৈ ঠাই কৰি দিছিল।

গোৱাই কলে,—"আই, বিনয়ৰ আসনখন অলপ আঁতৰাই পাতি
দিবা।"

আনন্দময়ীয়ে আচৰিত হৈ সুধিলে,—"কিয়? বিনয়ে আকৌ কি
দোষ কৰিলে?"

গোৱাই কলে,—"বিনয়ে একো দোষ কৰা নাই; মই হে কৰিছোঁ।
মই অশুচি হৈ আছোঁ।"

আনন্দময়ীয়ে কলে,—"সেয়া হওক বাৰু, বিনয়ৰ ইমান বাছ-বিচাৰ
নাই।"

গোৱাই কলে,—"বিনয়ে নেমানিব পাৰে, কিন্তু মই মানো।"

গাই-বৈ উঠি দুই বন্ধুৰে যেতিয়া ওপৰ মহলাৰ সিহঁতৰ অকলশৰীয়া
কোঠাটোত সোমালগৈ তেতিয়া কাৰো মুখেদি আৰু একো কথাকে নোলাল।
এই এমাহে বিনয়ৰ মনত যিটো কথা সকলোতকৈ ডাঙৰ হৈ উঠিছে আজি
সি কেনেকৈ যে গোৱাৰ আগত উলিয়াব, সি ভাবিকে পোৱা নাছিল।
পৰেশ ভট্টৰ ঘৰৰ মানুহবোৰ কেনে আছে সেই কথা জানিবলৈ গোৱাৰো
কৌতূহল উপজিছিল। কিন্তু সি একোকে নকলে। বিনয়েই কথাটো
তুলিব বুলি সি ৰৈ আছিল। অৱশ্যে ঘৰৰ ছোৱালীবোৰ কেনে আছে
এই কথা গোৱাই ভট্ট ডাঙৰীয়াক সুধিছিল। কিন্তু সেইটো হ'ল নিতান্ত
ইতৰৰ প্রশ্ন। সিহঁত ভালে আছে, এই অকণমান খবৰটোতকৈ বেচি
কথা ভদ্রলোকীয়া বিনয়ৰণ জানিবৰ বাবে গোৱাৰ বৰ ইচ্ছা হৈছিল।

এনেতে মহিম আহি কোঠাটোত সোমাই খট্‌খটিয়েদি উঠি অহা ভাগৰত
লগপ ফোঁপাই-জোপাই ল'লে। তাৰ পিচত কলে,—"বিনয়, ইমান দিনে তো

গোৱাৰ কাৰণেই ৰৈ আছিলোঁ। এতিয়া তো আৰু আন কথা
এতিয়া দিন-বাৰ ঠিক কৰি পেলাওঁ—আৰু। কি কোৱা গোৱা? তুমি
কিহৰ কথা কৈছোঁ?"

গোৱাই একোকে নেমাতি লাহেকৈ হাঁহিলে।

মহিমে কলে,—"হাঁহিছা কিয়? তুমি ভাবিছা যে আজিও কথা
সেই কথাটো পাহৰা নাই। কিন্তু ছোৱালীজনী তো সপোন নহয়
জল্ পট্ পট্‌কৈ চকুৰ আগত দেখিয়েই আছোঁ—তাই এজনী
তেজ-মঙহৰে ছোৱালী। পাহৰিবৰ উপায় আছে নে? হাঁহিব
গোৱা, এইবাৰ যি হয় কিবা এটা ঠিক কৰি পেলোৱা।"

গোৱাই ক'লে,—"ঠিক কৰাৰ গৰাকীজন দেখোন স্বয়ং উপস্থিত
মহিমে ক'লে,—"সৰ্ব্বনাশ! তেওঁৰ নিজৰে ঠিক নাই
কি ঠিক কৰিব? তুমি আহিলা, এতিয়া সকলো ভাৰ
ওপৰতেই।"

আজি বিনয় গহীন হৈ মনে মনে থাকিল, তাৰ স্বাভাৱিক
ধেমালিৰ চলেৰেও সি কোনো কথাকে ক'বলৈ যত্ন নকৰিলে
কৰবাত কিবা এটা কেণা লাগিছে বুলি গোৱাই গম
ক'লে,—"নিমন্ত্ৰণ কৰাৰ ভাৰ ল'ব পাৰোঁ,
বস্ত কৰাৰো ভাল লব পাৰোঁ, বিলনীয়া হবলৈকো
কিন্তু বিনয়ে যে তোমাৰ ছোৱালীকেই বিয়া কৰাব, সেইটো
লব নোৱাৰোঁ। যি জনৰ নিৰ্ব্বন্ধত সংসাৰৰ এইবোৰ কাম
লগত মোৰ বৰ বেচি চিনা-জনা নাই। সদায় মই তেওঁক
সেৱা জনাই আহিছোঁ।"

মহিমে ক'লে,—"তুমি আঁতৰি থাকিলেই যে সেইজনো আঁতৰি
এনে কথা তুমি নেভাবিবাই। হঠাতে কেতিয়া চকুত চাঁত
বহি টলকিবই নোৱাৰি। তোমাৰ বিষয়েও বা সেইজনে মনতে
থৈছে, কৰ নোৱাৰি। কিন্তু এওঁৰ বেলিকা হলে ৰৰ কেণা
এতিয়া অকল প্ৰজাপিতৰ ওপৰতেই ভৰসা নকৰি তুমিও যদি
ভাগি নিদিয়া, তেনেহলে কিন্তু পিচত অনুতাপ কৰিব লাগিব
হলে এতিয়াই কাণছোৱাই থলোঁ।"

গোৱাই ক'লে,—'যিটো ভাৰ মোৰ নহয় সেইটোৰ তাৰ
তাপ কৰিবলৈ মই ৰাজী আছোঁ, কিন্তু লৈ অনুতাপ কৰাহে
তাৰপৰাহে মই ৰক্ষা পাব খুজিছোঁ।"

মহিমে ক'লে,—"ৰামুণৰ ল'ৰা হৈ জাত-কুল মান সকলো হেৰুৱাৰ
তুমি হাত মূৰ সাৰটি তাকে চাই থাকিবা নে কি? দেশখনৰ মানুহৰ
মুখ ৰাখিবৰ কাৰণে তুমি খোৱা-শোৱা এৰিছা, ইফালে নিজৰ নলে-
লগা বন্ধুৰে জাত এৰি ব্ৰাহ্মৰ ঘৰত বিয়া কৰালে তুমি মানুহৰ আগত
মুখ উলিয়াব পাৰিবা জানো? বিনয়, তোমাৰ বোধকৰোঁ খং উঠিছে।
কিন্তু তুমি নথকাত আন বহুতেই এইবোৰ কথা গোৱাৰ আগত ক'লে-
হ'লেন। সিহঁতে কৰলৈ ধৰফৰাই আছে। মই জানিবা তোমাৰ মুখৰ
কথাতেই ক'লোঁ। ইয়াৰ বাবে সকলোৰে ভালহে হব। এই উৰা
কথাটো মিছা যদি তাকে তুমি ক'লেই লেঠা ছিণ্ডে, আৰু যদি সঁচা
নহলে কিবা এটা মোকামিলা কৰি পেলোৱা।"

মহিম গুচি গ'ল গৈ। বিনয়ে তেতিয়াও একোকে নক'লে।
তেতিয়া গোৱাই সুধিলে,—"কি বিনয়, কথাটো নো কি?"

বিনয়ে উত্তৰ দিলে,—"মাথোন দুটামান ঘটনা কৈ কথাটো তোমাক
বুজাৰা টান। সেই কাৰণে ভাবিছিলোঁ লাহে লাহে তোমাক সকলো
কথা বুজাই কম। কিন্তু জগতত আমাৰ সুবিধামতে লাহে ধীৰে একো-
টি ঘটিব নোখোজে। ঘটনাবোৰেও চিকাৰী বাঘৰ দৰে প্ৰথমতে বগুৱা
হাতসাৰে ভবিতসাৰে আহে। তাৰ পিচত হঠাতে ঘপহ্ কৰে
জপিয়াই পৰেহি। আকৌ তাৰ খৰবটোও প্ৰথমতে জুইৰ দৰে
উমাই জ্বলে, তাৰ পিচত হঠাতে এদিন দপদপাই জ্বলি উঠে।
তেতিয়া আৰু সেই জুই নুমাব নোৱাৰি, সেই কাৰণেই মাজে-সময়ে ভাবোঁ
সকলো কাম-কাজ কাতিকৈ থৈ স্থিৰ হৈ বহি থাকিলেহে মানুহে মুক্তি
পোৱা।"

গোৱাই হাঁহি হাঁহি ক'লে,—"তুমি অকলে স্থিৰ হৈ বহি থাকিলেনো
মুক্তি কেনেকৈ পাবা। তোমাৰ লগতে গোটেই জগৎখনেই স্থিৰ নহলে
তোমাকনো স্থিৰ হৈ থাকিবলৈ দিব কিয়? সিয়েই উলটি আকৌ বিপদ
আনিবগৈ। গোটেই জগতখনে কাম কৰি আছে আৰু তুমি যদি
কাম নকৰা তেনেহলে নিজেহে ঠগিবা। সেই কাৰণেই এটা কথালৈ
দিন লাগিব যাতে ঘটনাই তোমাৰ সতৰ্কতা ডেই নেযায়। এইটো
কথা মনত ৰাখিবা—যেন আন সকলোৰেই আগবাঢ়ি গৈছে, মাথোন তুমিহে সাজু হৈ
আছা নাই।"

বিনয়ে ক'লে,—"এইটোৱেই ঠিক কথা। মইহে কেতিয়াও সাজু
হৈ নাথাকোঁ। এইবাৰো মই সাজু হৈ নাছিলোঁ। কোন ফালৰপৰা

কি যে ঘটিছিল ধৰিবই পৰা নাছিলোঁ। কিন্তু ঘটনা যেতিয়া
গ'ল, তেতিয়া তো আৰু দায়িত্ব লবই লাগিব। যিটো ঘটনা
নঘটা হলে ভাল আছিল, অপ্ৰিয় হলেও সেইটোক তো আজি
কাৰ কৰিব নোৱাৰি।"

গোৰাই ক'লে,—"ঘটনাটো নজনাকৈয়ে তাৰ বিষয়ে
চনাত যোগ দিয়াটো মোৰ পক্ষে টান কথা।"

বিনয়ে তেতিয়া পোন হৈ বহি ক'লে,—"এৰাব নোৱাৰা
ললিতাৰ লগত মোৰ সম্বন্ধই আজি এনে ঠাইত আহি থিয়
এতিয়া যদি মই তেওঁক বিয়া নকৰাওঁ তেনেহলে চিৰজীৱন
অন্যায় আৰু অমূলক অপমান সহ্য কৰিব লাগিব।"

গোৰাই ক'লে,—"কেনে ঠাইত নো থিয় দিছেহি শুনোঁহো

বিনয়ে ক'লে,—"সেইবোৰ বহুত কথা। সেইবোৰ
পৰেও কম বাকু। কিন্তু ঘটনাটো তুমি মানিয়েই লোৱা।"

গোৰাই ক'লে,—"বাকু মানিয়েই লৈছোঁ। এই বিষয়ে
লগীয়া এয়ে যে ঘটনা যদি এৰাব নোৱাৰা হয়, তেনেহলে
এৰাব নোৱাৰা। সমাজত ললিতাই অপমান ভোগ
উপায় নাই।"

বিনয়ে ক'লে,—"কিন্তু তাকে নিবাৰণ কৰাৰ উপায় তো
আছে।"

গোৰাই ক'লে,—"আছে যদি তো ভালেই। কিন্তু
সেই কথা ক'লে তো নহব। অভাৱত পৰিলে চুৰ কৰা,
কৰাৰ উপায়ো তো মানুহৰ হাতত আছে, কিন্তু সেইটো
উপায়। ললিতাক বিয়া কৰাই তুমি ললিতাৰ প্ৰতি তোমাৰ
খুজিছা, কিন্তু সেইটোৱেই জানো তোমাৰ চৰম কৰ্ত্তব্য।
তোমাৰ একো কৰ্ত্তব্য নাই জানো?"

সমাজৰ প্ৰতি কৰ্ত্তব্যৰ কথা সুৱঁৰিয়েই সি ব্ৰাহ্ম বিয়াত
নাছিল। কিন্তু সি সেই কথাটোকে নকৈ তৰ্ক কৰিবলৈহে
সি ক'লে,—"এই কথাত তোমাৰ লগত বোধকৰোঁ মোৰ
মইতো কোনো বিশেষ মানুহৰ কাৰণে সমাজৰ বিৰুদ্ধে
মই কৈছো, ব্যক্তি আৰু সমাজ, দুয়োৰো ওপৰত এটা
ধৰ্ম্মৰ প্ৰতি দৃষ্টি ৰাখিহে চলিব লাগিব। যেনেকৈ
টোৱেই মোৰ চৰম কৰ্ত্তব্য নহয়, সেইদৰে সমাজক

কৰ্ত্তব্য নহয়। একমাত্ৰ ধৰ্ম্মক ৰক্ষা কৰাই মোৰ প্ৰকৃত কৰ্ত্তব্য।

গোৰাই ক'লে,—"ব্যক্তিও নাই, সমাজো নাই, অথচ ধৰ্ম্ম আছে,
এনে ধৰ্ম্মক মই নমানো।"

বিনয়ৰ জেদ বাঢ়ি গ'ল। সি ক'লে,—মই জানো যে ব্যক্তি আৰু
সমাজৰ ভেটিৰ ওপৰত ধৰ্ম্ম নেথাকে, ধৰ্ম্মৰ ভেটিৰ ওপৰতহে ব্যক্তি আৰু
সমাজ থাকে। সমাজে যিটো বিচাৰে সেইটোকে ধৰ্ম্ম বুলি মানিবলৈ
হলে সমাজৰ হে মূৰ খোৱা হব। সমাজে যদি মোৰ কিবা অন্যায়সঙ্গত
ব্যক্তিগত স্বাধীনতাত বাধা দিয়ে তেনেহলে সেই অসঙ্গত বাধাক নেওচি
পেলোৱেহে সমাজৰ প্ৰতি আচল কৰ্ত্তব্য কৰা হব। ললিতাক বিয়া কৰো-
টো যদি মোৰ অন্যায় নহয়, ববঞ্চ উচিতহে, তেনেহলে সমাজৰ মত
সেই বুলি পিচুৱাই গলে মোৰ অধৰ্ম্ম হব।"

গোৰাই ক'লে,—"ন্যায়-অন্যায় কেৱল তোমাৰ মাজতেই সীমাবদ্ধ
হৈ আছে নে কি? এইখন বিয়া কৰাই তোমাৰ ভৱিষ্যত সন্তানবোৰক
তুমি ক'ত থিয় কৰাব খুজিছা, সেই কথা নেভাবা কিয়?"

বিনয়ে ক'লে,—"সেইবোৰ ভাবিয়েই তো মানুহে সামাজিক অন্যায়-
বোৰক চিৰস্থায়ী কৰি পেলাইছে। চাহাব ওপৰৱালাৰ গোৰ খাই যিটো
কেৰাণীয়ে চিৰকাল অপমানকে মূৰ পাতি লয়, তেন্তে তাক তুমি দোষ
দিবা কিয়? সিয়ো তাৰ ল'ৰা-ছোৱালীৰ কথাই ভাবে।" গোৰাৰ লগত
তৰ্ক-তৰ্কি কৰি বিনয়ে যি ঠাই আহি পালেহি আগতে সি সেই ঠাইত
থিয় হৈ আছিল। কিছু সময় আগতেই সমাজৰ লগত সম্পৰ্ক ছিঙাৰ কথা ভাবি,
সিদ্ধান্ত তাৰ গোটেই অন্তৰ কোঁচ খাই উঠিছিল। এই বিষয়ে সি নিজৰ
লগত কোনো প্ৰকাৰৰ তৰ্ককে কৰা নাছিল। আৰু গোৰাৰ লগত এই-
বিষয়ে তৰ্ক নলগা হলে বিনয়ৰ মন নিজৰ চিৰকলীয়া সংস্কাৰ অনুসাৰে
উপস্থিত প্ৰবৃত্তিৰ ওভোতা ফালেই গ'লহেঁতেন। কিন্তু তৰ্ক কৰোঁতে
তৰ্কোঁতে তাৰ প্ৰবৃত্তিয়ে কৰ্ত্তব্যবুদ্ধিৰ সহায় লৈ প্ৰবল হৈ উঠিবলৈ ধৰিলে।
গোৰাৰ লগত ভয়ানক তৰ্ক লাগি গ'ল। এনেকুৱা আলোচনাত
গোৰাই সাধাৰণতে যুক্তি প্ৰয়োগলৈ চকু নিদিয়ে। সি গাৰ বলেৰে
নিজৰ মতবোৰ প্ৰকাশ কৰে। নিচেই তাকৰ সংখ্যক মানুহৰহে
গাত বল আছে। এই বলেৰেই আজি সি বিনয়ৰ সকলো কথা ঠেলা
মাৰি ধূলিৰ লগত সমান কৰি পেলাবলৈ যত্ন কৰিলে। কিন্তু আজি সি
নিজেই খোজে বাধা পাবলৈ ধৰিলে। যিমান দিনলৈকে এফালে গোৰা
আনফালে বিনয়ৰ মতহে মাথোন আছিল সিমান দিন সদায় বিনয়

হাবিছে। কিন্তু আজি দুইফালে দুজন বাস্তব মানুহ। গোটেই বায়ু বাণেৰে বায়ু বাণক বাধা দিয়া নাছিল,—আজি বাণ আহি ক' ছিলহি তাত আছে এজন মানুহৰ এখন বেদনাপূর্ণ হৃদয়।

অৱশেষত গোৱাই ক'লে,—"মই তোমাৰ লগত তর্ক কৰি নোখোজোঁ। ইয়াত তর্ক কৰিবলগীয়া কথাও বিশেষ এটা ইয়াত অন্তৰেৰে সৈতে যুজিবলগীয়া কথা এটাহে আছে। ব্যক্তি লীক বিয়া কৰাই তুমি যে দেশৰ সৰ্ব্ব সাধাৰণৰপৰা নিজক পেলাব খুজিছা, সেইটোৱেইহে মোক সকলোতকৈ বেচি বেজাৰ এনে কাম কৰিব তুমি পাৰা, মই কিন্তু কেতিয়াও নোৱাৰোঁ। তোমাৰ লগত মোৰ তফাৎ—জ্ঞানত বা বুদ্ধিত নহয়। মোৰ য'ত আছে তোমাৰ ভালপোৱা তাত নাই। তুমি যি ঠাইত ভুৰি বহুৱাই নিজক মুক্ত কৰিব খুজিছা, তাত তোমাৰ মৰম সোমাই কিন্তু সেই ঠাইতেই মোৰ নাড়ীৰ টান আছে। মই মোৰ বিচাৰিছোঁ। সেই ভাৰতবর্ষক তুমি যিমানেই দোষ দিয়া বা গালি তথাপিও মোৰ সেই ভাৰতবর্ষকহে মোক লাগে। এই ভাৰতবর্ষ ডাঙৰ বুলি মই নিজক নাইবা আন কোনো মানুহকে নেমানো। অতি সৰু কাম এটাও কেতিয়াও কৰিব নোখোজো যাৰ বাবে মোৰ বর্ষৰ লগত মোৰ চুলিডাল মানো বিচ্ছেদ ঘটিব পাৰে।"

বিনয়ে কিবা এটা উত্তৰ দিব খোজোতেই গোৱাই ক'লে,— বিনয়, তুমি মিছাতে মোৰ লগত তর্ক কৰিছা। গোটেই ভাৰতবর্ষক ত্যাগ কৰিছে, অপমান কৰিছে, মই সেইখন ভাৰতবর্ষ অপমানৰ একেখন আসনতে ঠাই লব খুজিছোঁ—মোৰ এই ভাৰতবর্ষ, মোৰ এই কুসংস্কাৰেৰে ভৰা ভাৰতবর্ষ, মোৰ এই ভাৰতবর্ষ—তুমি এই ভাৰতবর্ষৰপৰা আঁতৰিব খুজিলে মোৰপৰাও লাগিব।"

এই বুলি গোৱাই কোঠাটোৰপৰা ওলাই গৈ বাহিৰৰ ছাতত পকা কৰিবলৈ ধৰিলে। বিনয় মনে মনে বহি থাকিল। লণ্ডৰাটোৱে আহি কেবাজনো মানুহে গোৱাৰ লগত দেখা কৰিবলৈ বৈ আছে বুলি খবৰ দিলেহি। পলাবলৈ এটা চল ওলোৱাত ভালেই পালে। সি তললৈ নামি গ'ল।

বাহিৰলৈ আহি গোৱাই আন আন মানুহৰ লগত অবিনাশক পালে। অবিনাশৰ খং উঠিছে বুলিয়েই গোৱাই ভাবিছিল।

দেখোন একো চিন-চাবেই নাই। সি আৰু দুগুণ উছাহেৰে সৈতে তাৰ কালিৰে উপেক্ষা কৰা ঘটনাটো সকলোৰে আগত বখানি আছিল। সি ক'লে,—"গৌৰমোহন ককাইদেউৰ প্ৰতি মোৰ ভক্তি আৰু বহুতো বাঢ়ি গ'ল। ইমান দিনে মই তেখেতক মাথোন অসামান্য মানুহ বুলিয়েই ভাবিছিলোঁ। কিন্তু কালি জানিব পাৰিলোঁ তেখেত এজন মহাপুৰুষ। আমি কালি তেখেতক সন্মান দেখুৱাবলৈ গৈছিলোঁ। তেখেতে যেনেকৈ দেখাদেখিকৈ সেই সন্মান উপেক্ষা কৰিলে, আজি-কালিৰ দিনত তেনেকৈ কোনজনে পাৰে? এইটো কিবা সাধাৰণ কথা নে?"

এনেয়ে গোৱাৰ মনটো গধুৰ হৈ আছিল, তাতে আকৌ অবিনাশৰ এনেধৰা কথা শুনি তাৰ গা পুৰিবলৈ ধৰিলে। অসহ্য হৈ সি ক'লে, "হুমা অবিনাশ, তোমালোকে ভক্তি কৰি মানুহক অপমানহে কৰা। আলিৰ দাঁতিত তোমালোকে মোক বহুৱা নাচত নচুৱাব খুজিছিলা। তাকে কৰিব পৰাৰ সমান এইকণো লাজ-কাজ তোমালোকে মোৰপৰা আশা নকৰা নে কি? ইয়াকে আকৌ তোমালোকে কোৱা মহাপুৰুষৰ লক্ষণ। আমাৰ এই দেশখনক তোমালোকে এটা যাত্ৰাৰ দল বুলিয়েই ভাবি থৈছা নে কি? সকলোৱেই ভাও লবলৈকে নাচি ফুৰিছে। কোনেও অকণ-মানো সাঁচা-সাঁচি কাম কৰা নাই। লগত যোগ দিব খুজিছা যদিও তোলাইহে, কাজিয়া কৰিব খুজিছা যদিও ভাল কথা, কিন্তু বক্ষা কৰা, এনে-কুৱা বাহুনা দিবলৈ নেযাবা।"

অবিনাশৰ ভক্তি আৰু বাঢ়িবলৈহে ধৰিলে। সি হাঁহি মুখেৰে তাত থকা সকলোলৈকে চাই গোৱাৰ বাক্যবোৰ যে কিমান অসাধাৰণ—এই কথাৰ প্ৰতি সকলোৱে মন আকর্ষণ কৰাৰ ভাও ধৰিলে। সি ক'লে,— "আশীৰ্ব্বাদ কৰক—যেন আপোনাৰ নিচিনাকৈ এইদৰে নিষ্কামভাৱে ভাৰত-বর্ষৰ সনাতন গৌৰৱ বক্ষা কৰিবৰ কাৰণে আমিও জীৱন উচৰ্গা কৰিব পাৰোঁ।" এই বুলি সি গোৱাৰ ভৰিৰ ধূলি লবলৈ হাত বঢ়াওঁতেই গোৱা খঙতহি গ'ল।

তেতিয়া অবিনাশে ক'লে,—"গৌৰমোহন ককাদেউ, আপুনি তো আমাৰপৰা একো সন্মানকে নলয়। কিন্তু আমাক আনন্দ দিয়াত বিমুখ হ'লে নচলিব। আপোনাৰ লগত সকলোৱে আমি এদিন একেলগে ভাত খাম বুলি আলোচনা কৰিছোঁ। ইয়াত কিন্তু আপুনি সন্মতি দিবই লাগিব।"

গোবাই ক'লে,—"মই পবাচিত নোহোৱাকৈ তোমালোক একেলগে ভাত খাব নোৱাৰোঁ।।"

পবাচিত! অবিনাশব চকুজোব তিৰ্‌বিবাই উঠিল। সি "এনে কথা আমাব কাবো মনলৈকে অহা নাই। কিন্তু হিন্দুৰ বিধানেই গৌবমোহন ককাইদেউব চকুত নপবাকৈ নেযাব।

সি ক'লে,—"অ' ভাল কথা। পবাচিত উপলক্ষ কবিলে সকলোৱে লগে ভাগে এসাজ খাব পবা হব। সেইদিনা ডাঙৰ অধ্যাপক পণ্ডিতসকলক নিমন্ত্রণ কবিব লাগিব। আজিও কিমান তেজী হৈ আছে, সেইটো গৌবমোহন ককাইদেউ পবাচিতব নিমন্ত্রণতে প্রচাব হব।"

পবাচিত সভা ক'ত কেতিয়া পতা হব, সেই কথাও ওলাল। খবত সুবিধা নহব বুলি গোবাই মত দিলে। এজন ভক্তই দাঁতিব বাগিচাত এই কাম সম্পন্ন কবিবলৈ প্রস্তাব কবিলে। পাতি আটায়ে লগ-লাগি বহন কবাও ঠিক হৈ গ'ল।

যাবব পবত অবিনাশে থিয় হৈ বক্তৃতাব ভঙ্গিত হাত জোকাবি সকলোকে সম্বোধন কবি ক'লে,—"গৌবমোহন ককাইদেউ যেতিয়া পাবে, কিন্তু আজি মোব অন্তব পবিপূর্ণ হৈ উঠিছে যেতিয়া নোকোৱাকৈ মই থাকিব নোৱাৰোঁ। বেদ উদ্ধাবব কাবণে পুণ্য ভূমিতে এদিন অবতাবব সৃষ্টি হৈছিল। ঠিক তেনেকৈ ধর্ম্মক উদ্ধাব কবিবব কাবণেই আজিও আমাব মাজত এই অবতাব পাইছোঁ। গোটেই পৃথিৱীব ভিতবত একমাত্র আমাব দেশতে আছে, আমাব এই দেশতেই যুগে যুগে অবতাব উপজিছে, জিবও। আজি আমি ধন্য যে সেই সত্য আমাব চকুব হৈ গ'ল। কোৱাঁ ভাই, জয় গৌবমোহনদেউব জয়।"

অবিনাশব বাগ্মিতাত উত্তেজিত হৈ সকলোৱে গৌবমোহন ধ্বনি কবিবলৈ ধবিলে। গোবাই মর্ম্মান্তিক বেজাব পাই ওলাই গ'লগৈ।

আজি ফাটেকবপবা মুক্তি পোৱা দিনটোত প্রবল এটা মনটো ছাটি পেলাইছেহি। এইবাব উভতি গৈ নতুন দেশব কাম কবিবগৈ বুলি গোবাই ফাটেকত থাকোঁতেই কবিছিল। সি আজি নিজকে নিজে সুধিবলৈ ধবিলে, ক'ত? দেশখন অকল মাথোন মোবহে নে কি?

...ৰূপ যাব লগত আলোচনা কবিছিলোঁ, মোব সেই লবালিব বন্ধুৰে আজি ...দিনব পিচত এজনী মাথোন তিবোতা মানুহক বিয়া কবোৱাব চল ...দি তাব দেশব সকলো অতীত আৰু ভবিষ্যতব লগত এক মুহূর্ত্ততে ...ন নিষ্ঠুব ভাবে সকলো সম্বন্ধ ছিঙি পেলাবলৈ ওলাইছে। আৰু যি ...ক সকলোৱে মোব দলব মানুহ বুলি কয়, অতদিনে সিহঁতক ইমানকৈ ...কোৱা-বুজোৱাব পিচতো আজি সিহঁতে স্থিব কবিলে যে, মই মাথোন ...দুব উদ্ধাব কবিবব কাবণেই অবতাব হৈ উপজিছোঁ। মই মাথোন ...মান শাস্ত্রব বচন। আৰু এই মহান ভাবতবর্ষই ক'তো আসন ...পালে। ছয় ঋতু! ভাবতবর্ষত ছটা ঋতু আছে। আৰু সেই ...ঋতুব ষড়যন্ত্রত যদি অবিনাশব নিচিনা এনে কিছুমান ফল ...লে তেনেহলে দুই চাবিটা ঋতু কম হোৱা হলেও ক্ষতি ...লহেঁতেন।'

...য়ে গোবাক মাতিছে বুলি লণ্ডণ্ডাটোৱে আহি খবব দিলেহি। ...বাই যেন হঠাৎ চক্‌ খাই উঠিল। সি নিজেই নিজক কৈ উঠিছিল, ...য়ে মাতিছে।' এই কথাষাব সি যেন এটা নতুন অর্থেবে সৈতে ...লে। সি ক'লে,—'আন যিয়েই নহওক লাগে, মোব আই আছে। ...ক তেখেতেই মোক মাতিছে। আয়েই মোক সকলোবে লগত মিলাই ...ব। কাবো লগত তেখেতে কোনো বিচ্ছেদ ঘটিবলৈ নিদিয়ে। যি ...ব মোব আপোন, সিহঁতক তেখেতব কোঠাতে বহি থকা মই দেখা পাম। ...টকব ভিতবতো আয়ে মোক মাতিছিল। তাতো তেখেতক দেখা ...ছিলোঁ। ফাটেকব বাহিবতো আয়ে মোক মাতিছে, ইয়াতো মই ...তক চাবলৈকে যাওঁগৈ।' এই বুলি গোবাই সেই কালিব দুপজাব- ...নি বাহিবব আকাশব পিনে এবাব চালে। এফালে বিনয় আৰু আন ...অবিনাশব ফালবপবা যি বিবোধব সুব উঠিছিল সেয়া যেন অকণমান ...য়েই নোহোৱা হৈ গ'ল। এই দুপবীয়াব বেলিব পোহবত ভাবতবর্ষই ...তেওঁব দুই বাহু মেলি দিলে। এই ভাবতবর্ষব সমুদ্রব পাবলৈকে ...খী নদী, পর্ব্বত, লোকালয়, গোবাব চকুব সন্মুখত বহল হৈ ...ল। অন্তবপবা এটি মুকলি নির্ম্মল পোহব আহি এই ভাবতবর্ষখনব ...শ যেন জ্যোতির্ম্ময় কবি পেলালেহি। গোবাব অন্তব উপচি পবিল। ...চকুযোব জলিবলৈ ধবিলে। তাব মনত ক'তো লেশমানো আৰু ...শাব ছাঁ নেথাকিল। ভাবতবর্ষব যি কাম অন্তহীন, যি কামব ফল ...পুত—সেই কাম কবিবলৈকে তাব প্রকৃতি মহা আনন্দেবে সাজু

ভাৰতবৰ্ষৰ যি মহিমা সি মাথো ধ্যানত হে দেখিছিল, সেই
চকুৰে চাই যাবলৈ নেপাৰ বুলি তাৰ মনত অকণো দুখ নে
মনে মনে বাৰে বাৰে কৱলৈ ধৰিলে,—"আয়ে মোক মাতি
মই, য'ত অন্নপূৰ্ণা—য'ত জগদ্ধাত্ৰী বহি আছে,—সেই সুদূৰ
আছে এই নিমিষতে, সেই মৃত্যুৰ সিপাৰত অথচ জীৱনৰ
মহামহিমান্বিত ভৱিষ্যতে আজি মোৰ এই দীন-হীন বৰ্ত
সাৰ্থক কৰি উজ্জ্বল কৰি তুলিছে—মই যাওঁ তালৈকে সেই
তেনেই ওচৰতে আয়ে মোক মাতিছে।' এই আনন্দৰ মাজত
বিনয় আৰু অবিনাশৰো সঙ্গ ফিৰাই পালে। সিহঁতো
হৈ নেথাকিল—আজিৰ সৰু-সুৰা এই আটাইবোৰ বিৰোধ যেন
সাৰ্থকতাত ক'ৰবাত মিলি গ'ল গৈ।

গোৰা আহি আনন্দময়ীৰ কোঠাত সোমাওঁতে তাৰ মুখ
জেউতিৰে জিলিকি আছিল। তাৰ চকুযোৰে সন্মুখত থকা
আঁতৰত আন কিবা এটি যেন অপৰূপ মূৰ্ত্তি দেখিছিল।
আহি তাৰ মাকৰ কাষত কোন নো বহি আছিল, সি চিনিবকে
সুচৰিতাই থিয় হৈ গোৰাক নমস্কাৰ কৰিলে। গোৰা
"অ' আপুনি আহিছে? বহক।"

গোৰাই 'আপুনি আহিছে' এই শব্দ দুটা এনেকৈ কলে যে
অহাটো এটা সাধাৰণ ঘটনা নহয়, ই যেন এটা বিশেষ আহিব
এদিন সুচৰিতাৰ কাষৰপৰা গোৰা পলাইছিল। বিদায়
সি অতি দুখৰ মাজেদি নানান কামত ভ্ৰমণ কৰি ফুৰিছিল, নিজৰ
সুচৰিতাৰ কথা মনৰপৰা বহুখিনি আঁতৰাই ৰাখিব
ফাটেকৰ ভিতৰত সি সুচৰিতাৰ স্মৃতি মনৰপৰা কোনোমতে
কৰিব নোৱাৰিছিল। এনে এদিনো আছিল—যিদিনা
যে ভাৰতবৰ্ষত আছে এই কথা গোৰাৰ মনলৈকে নাহিছিল।
আজি অতদিনৰ মূৰত সি সুচৰিতাৰ মাজতে নতুনকৈ
একেবাৰে এক মুহূৰ্ত্ততে ইমান ডাঙৰ এটা পুৰণি
হঠাতে গ্ৰহণ কৰি লৈ তাৰ গোটেই বলিষ্ঠ প্ৰকৃতি
উঠিল। ফাটেকৰ ভিতৰত থাকোঁতে বাহিৰৰ বেলিৰ পোহৰ
বতাহৰ পৃথিৰীখনে যেতিয়া তাৰ মন শোকাকুল
সেই পৃথিৰীখনক মাথোন সি নিজৰ কৰ্ম্মক্ষেত্ৰ
সমাজ বুলিয়েই ভৱা নাছিল; যেনেকৈয়ে

সুন্দৰ সংসাৰখনত মাথোন সি দুজন অধিষ্ঠাত্ৰী দেৱতাৰ মুখ হে দেখা
ইছিল। বেন্নি-জোন-তৰাৰ পোহৰ বিশেষকৈ যেন এই দুজনাৰ মুখৰ
পৰেই পৰিছিল; স্নিগ্ধ নীলিম আকাশে এই দুজনাৰ মুখকেই যেন
ৰবি ৰাখিছিল। এখন মুখ তাৰ আজন্ম চিনাকি—মাতৃ দেৱীৰ, আৰু
দিৰে উজলি থকা ইখন নম্ৰ ধুনীয়া মুখৰ লগত তাৰ নতুন চিনাকি।

ফাটেকৰৰ নিৰানন্দ সঙ্কীৰ্ণতাৰ মাজত গোৰাই এই মুখখনিৰ স্মৃতিৰ
ত কোনো বিৰোধ কৰিব পৰা নাছিল। এই ধ্যানৰ আনন্দ কণেই
টেকৰৰ ভিতৰত তাৰ মনলৈ এটি গভীৰ মূক্তিৰ সোৱাদ আনি দিছিল।
টেকৰ কঠোৰ বন্ধন তাৰ ছাঁয়াময় মিছা সপোন যেন হে লাগিছিল।
ালোনি উঠা অন্তৰৰ অতীন্দ্ৰিয় ঢোৱোৰে জেলখানাৰ সকলো দেৱাল
াৰে পাৰ হৈ আকাশৰ বুকুত মিলি গৈ তাত ফুলৰ নতুন পাহিত ঢৌ
লি আৰু সংসাৰ কৰ্ম্মক্ষেত্ৰত লীলায়িত হৈ উঠিছিল।

গোৰাই ভাবিছিল যে কল্পনা-মূক্তিলৈ ভয় কৰাৰ একো কাৰণ নাই।
ক সেই কাৰণে এই কল্পনাক সি একেবাৰেই পথ এৰি দিছিল। গোৰাই
নিছিল যে কেৱল বাস্তৱ বস্তুবোৰকহে ভয় কৰিব লাগে।

জেলৰপৰা ওলায়েই ভট্ট ডাঙৰীয়াক দেখি গোৰাৰ মনটো আনন্দতে
টি উঠিছিল। মাথোন ভট্ট ডাঙৰীয়াক দেখিয়েই যে সি ইমান আনন্দ
ইছিল সেইটো নহয়; তাৰ লগতে গোৰাৰ এই কেইদিনৰ লগৰীয়া
পনাৰো যে কিমানখিনি মায়া মিহলাই দিছিল, সেইটো পোনতে গোৰাই
ওকেই বুজিব পৰা নাছিল। কিন্তু লাহে লাহে সি বুজি পালে—জাহাজত
টি থাকোঁতে ভট্ট ডাঙৰীয়াই তাক কেৱল মাথোন তেখেতৰ নিজ গুণৰ
ণেই যে আকৰ্ষণ কৰা নাই, এই কথা সি ভালকৈয়ে বুজি পালে।
ইমান দিনৰ মূৰত গোৰাই আকৌ কঁকালত টঙালি বান্ধিলে। কলে,—
তিআও নেহাৱো' আকৌ দূৰলৈ আঁতৰি যাবগৈ, কোনো প্ৰকাৰৰ
াণ্য বান্ধোনেৰেও নিজৰ মনটোক বান্ধিবলৈ নিদিয়ে বুলি সি জাহাজত
টি ৰহি মনতে পুনৰ প্ৰতিজ্ঞা কৰিলে।

এনেতে বিনয়ৰ লগত তাৰ তৰ্ক লাগি গ'ল। ইমান দিনৰ বিচ্ছেদৰ
ত বন্ধুৰ লগত এই প্ৰথম মিলনৰ দিনটোতেই ইমান তুমুল তৰ্ক নেলাগিল-
কিন্তু আজি এই তৰ্কৰ মাজেদি গোৰাই তাৰ নিজৰ লগতো
কৰিছিল। এই তৰ্কৰ আলম লৈয়েই গোৰাই নিজৰ প্ৰতিষ্ঠা ভূমিকো
াগত ফট্‌ফটীয়া কৰি লৈছিল। সেই কাৰণেই গোৰাই আজি
ৰ জোৰ দি কথা কৈছিল—এই জোৰখিনি তাৰ নিজৰ হে ৰৰ বেচি

প্রয়োজন আছিল। যেতিয়া তাৰ আজিৰ এই জোৰে বিনয়ৰ মন বঢ়াই হে দিছিল, যেতিয়া বিনয়ে মনে মনে গোৰাৰ কথাবোৰ খণ্ডন কৰিয়েই গৈ আছিল আৰু গোৰাৰ কথাবোৰ অন্যায় যেতিয়া বিনয়ৰ গোটেই অন্তৰ বিদ্রোহী কৰি পেলাইছিল, তেতিয়া ভাবিবই পৰা নাছিল যে গোৰাই আজি নিজকে নিজে আঘাত হ'লে তাৰ আঘাত ইমান ভীষণ হৈ নুঠিলহেঁতেন।

বিনয়ৰ লগত তৰ্কৰ শেষত গোৰাই ঠিক কৰিলে, যুদ্ধক্ষেত্ৰ পলাই গ'লে নহব। মই নিজৰ প্ৰাণৰ ভয়ত বিনয়ক এৰি আহিলে সি আৰু কেতিয়াও বন্ধু নেপাব।

৫৪

গোৰাৰ মনটো তেতিয়া ভাবত বিভোল হৈ আছিল। তেতিয়া সি এজনী মানুহৰ ৰূপত দেখা নাছিল, তাইক এটি ভাব দেখিছিল। ভাৰতৰ নাৰী-প্ৰকৃতি সুচৰিতা-মূৰ্ত্তিত তাৰ উঠিল। ভাৰতবৰ্ষৰ গৃহক পুণ্যেৰে, সৌন্দৰ্য্যেৰে আৰু আৰু পৰিত্ৰ কৰি দিবৰ কাৰণেই যেন এই মূৰ্ত্তিৰ আবিৰ্ভাৱ গৰাকী লখিমীয়ে ভাৰতৰ শিশুক মানুহ কৰে, ৰোগীক ত্যাগীক সান্ত্বনা দিয়ে, সৰুকো ভালপোৱাৰ গৌৰৱেৰে দুখ-দুৰ্গতিতো সবাতোকৈ দুখীয়াজনকো এৰি দিয়া নাই, নাই, আমাৰ পূজনীয়া হৈয়ো যিজনাই আমাৰ মাজৰ একান্তমনে পূজা কৰি আহিছে, যিজনাই নিজৰ দুখনিকে আমাৰ আল-পৈচান ধৰিবলৈ উছৰ্গা কৰিছে, ক্ষমাৰে ভৰপূৰ ভালপোৱাক, অক্ষয় দানৰূপে আমি ঈশ্বৰৰপৰা সেই লখিমীৰেই আৰু এটি প্ৰকাশক তাৰ মাকৰ কাষত থিয় হৈ হৈ থকা দেখি গভীৰ আনন্দেৰে গোৰাৰ মন তাৰ মনলৈ আহিল, এই লখিমীৰ ফাললৈকে আমি সকলোৰে পিচত ঠেলি থৈ দিছিলোঁ, আমাৰ দুৰ্গতিৰ আৰু আন একো নাই। গোৰাৰ তেতিয়া এনেহে বুলিলে এওঁকেই বুজায়, গোটেই ভাৰতৰ মৰ্ম্মস্থলিত

শতদল পদুমৰ ওপৰত এৰেঁই যেন বহি আছে, আৰু আমি এওঁৰেই সেৱক। দেশৰ দুৰ্গতিত এওঁৰেই অৱমাননা কৰা হৈছে, আৰু আমি এই অৱমাননালৈ আওকাণ কৰিছোঁ দেখি আজি আমাৰ পুৰুষত্ব লাজত পৰিছে।

গোৰাই নিজে নিজেই আচৰিত হৈ গৈছিল। যিমান দিনলৈকে ভাৰতবৰ্ষৰ মাইকী মানুহৰ কথা সি নেজানিছিল, সিমান দিনলৈকে ভাৰতবৰ্ষৰ খনক যে সি কিমান আধৰুৱা ৰূপে দেখিছিল এই কথা ইয়াৰ আগেয়ে সি গমেই পোৱা নাছিল। গোৰাৰ কাৰণে নাৰী যেতিয়া মাত্ৰ ছাঁৰ নিচিনা আছিল, তেতিয়া দেশৰ প্ৰতি তাৰ যি কৰ্ত্তব্যবোধ আছিল, তাত কিবা এটাৰ অভাৱ আছিল। যেন শক্তি আছিল কিন্তু তাত প্ৰাণ নাছিল, যেন মাংসপেশী আছিল কিন্তু স্নায়ু নাছিল। গোৰাই এক নিমিষতে বুজিব পাৰিলে যে নাৰীক আঁতৰাই থৈ আমি যিমানেই অৱহেলা কৰিছোঁ সিমানেই আমাৰ পুৰুষত্বও বল নোহোৱা হৈ পৰিছে।

সেই কাৰণেই গোৰাই যেতিয়া সুচৰিতাক 'অ' আপুনি আহিছে' বুলি ক'লে তেতিয়া সেইটো মাথোন এটা চলি অহা সাধাৰণ ব্যৱহাৰৰ দৰে তাৰ মুখৰপৰা ওলোৱা নাছিল। তাৰ জীৱনৰ এটি নকৈ পোৱা আনন্দ আৰু বিস্ময়ো এই মাতষাৰৰ মাজত সোমাই আছিল।

কাটেক খটাৰ অলপ অচৰপ চিন গোৰাৰ গাত আছিল। সি আগতকৈ বহুতো খীণাইছিল। জেলৰ ভাতলৈ তাৰ অশ্ৰদ্ধা আৰু অৰুচি থকাৰ কাৰণে এই এমাহ সি প্ৰায় লঘোনেই কটাইছে। তাৰ উজ্জ্বল বগা গাৰ বৰণটোও আগতকৈ কিছু ক'লা পৰিছে। চুলিবোৰ নিচেই সৰু সৰুকৈ কটাৰ বাবে মুখখনৰ খীণোৱা ভাবটো আৰু বেচিকৈ ওলাই পৰিছে।

গোৰাই এইদৰে খীণাই যোৱা দেখি সুচৰিতাৰ মনত বেজাৰৰ লগতে এটা সম্ভ্ৰমো উপজিল। সেৱা এটা কৰি গোৰাৰ ভৰিৰ ধূলি মূৰত লবলৈ তাইৰ বৰ মন গ'ল। দপ্‌দপাই জ্বলি থকা যিকুৱা জুইৰ ধোঁৱা আৰু খৰি-খেৰবোৰ দেখা নেযায়, গোৱা সেই পৱিত্ৰ জুইকুৰাৰ দৰেই আজি তাইৰ চকুত ধৰা দিয়ে। এটি কৰুণা মিহলি ভক্তিৰ আৱেগত সুচৰিতাৰ বুকুৰ ভিতৰখন কঁপিবলৈ ধৰিলে। তাইৰ মুখেৰে আৰু একো কথাকে নোলোৱা হ'ল।

আনন্দময়ীয়ে কলে,—"মোৰ ছোৱালী থকা হলে যে কিমান সুখ পালোঁহেঁতেন এইবাৰহে মই বুজি পাইছোঁ গোৱা। তই নথকা দিন কেইটাত সুচৰিতাই যে মোক কিমান সান্ত্বনা দিছে, সেইয়া নো মই আৰু কি কম। মোৰ লগত তো এওঁলোকৰ আগতে চিনাকিয়েই নাছিল।

কিন্তু দুখৰ দিনত হে সংসাৰৰ বহুতো ডাঙৰ বস্তু, বহুতো ভাল বস্তু চিনাকি হয়। দুখৰ এই এটা গৌৰৱ এইবাৰ বুজি পাইছোঁ, দুখৰ যে গোসাঁয়ে ক'ত, কিমান ঠাইত কেনেকৈ থৈছে, সেইটো সকলো বুজিব নোৱাৰোঁ। বুলিয়েই আমি ইমান দুখ পাওঁ। আই, তুমি লাজ কৰিছা, কিন্তু মোৰ দুদ্দিনত তুমি যে কিমান সুখ দিছিল কথা মই তোমাৰ সমুখতে নোকোৱাকৈনো কেনেকৈ থাকোঁ।"

গোৰাই গভীৰ শলাগ-ভৰা চাৱনিৰে সুচৰিতাৰ লাজতে ৰঙা মুখখনলৈ এবাৰ চাই আনন্দময়ীক কলে,—"আই, তোমাৰ দুখৰ তেখেতে তোমাৰ দুখৰ ভাগ লবলৈ আহিছিল, আকৌ আজি সুখৰ তোমাৰ সুখ বঢ়াবলৈ আহিছে। অন্তৰ যাৰ ডাঙৰ, তেওঁলোকৰ কাৰণতে ইমান আন্তৰিকতা দেখুৱাব পাৰে।"

বিনয়ে সুচৰিতাৰ সঙ্কোচ দেখি কলে, "বাইদেউ, চোৰ ধৰা চাৰিওফালৰপৰা শাস্তি পায়। আজি তুমি এখেতসকলৰ সকলোৰে ধৰা পৰি গৈছা আৰু তাৰেই শাস্তি ভোগ কৰিছা। এতিয়া তোমাৰ পলাবা? মই তোমাক বহুদিনৰেপৰাই চিনি পাওঁ। কিন্তু কাৰো একোকে কোৱা নাছিলোঁ, মনে মনে আছিলোঁ। বেচি দিন এনেকৈ লুকাই নেথাকে বুলি মই জানো, বুজিছা?"

আনন্দময়ীয়ে হাঁহি হাঁহি কলে,—"অ' তুমি হৰপায় মনে মনে এওঁ জানিবা বৰ মনে মনে থকা লবা হে। যিদিনাৰেপৰাই তেখেতৰ লগত তাৰ চিনাকি হৈছে সেইদিনাৰেপৰাই তোমালোকৰ গুণ বখানি আৰু তাৰ হেঁপাহকে পলাব নোখোজে।"

বিনয়ে কলে,—বাইদেউ, কথাবোৰ মন দি শুনি যোৱা যে গুণীৰ গুণ বুজোঁ আৰু মই যে অশলাগী নহয়, তাৰ সাক্ষী সকলো হাতে হাতে পালা।"

সুচৰিতাই কলে,—"ইয়াৰপৰা আপুনি মাথোন নিজৰ গুণবোৰ দিছে।"

বিনয়ে কলে,—"মোৰ গুণৰ চিনাকি কিন্তু মোৰপৰা একো নহয়, মোৰ গুণৰ চিনাকি পাবলৈ হলে আইৰ গুৰিলৈ আহিব, একেবাৰে হৈ যাব। মোৰ গুণৰাশি তেখেতৰ মুখত শুনিলে মই নিজেই হৈ যাওঁ। আয়ে মোৰ জীৱন-চৰিত লিখে যদি সোনকালে মই বাজী আছোঁ।"

আনন্দময়ীয়ে কলে,—"লৰাটোৰ কথাবোৰ শুনচোন!"

গোৰাই কলে,—"বিনয়, তোমাৰ দেউতাৰা-মাৰাই তোমাৰ ঠিক নামেই লাগিছিল।"

বিনয়ে কলে,—"মোৰপৰা তেখেতসকলে আন একো গুণৰ আশা কৰা নাছিল বুলিয়েই বোধকৰোঁ। বিনয় গুণটোৰ কাৰণেই কাকুতি-মিনতি কৰি গৈছিল, নহলে যে তেখেতসকল সংসাৰত হাঁহিয়াতৰ পাত্ৰ হবলগীয়া হ'লহেঁতেন।"

এইদৰেই কথা-বতৰা পতাৰ প্ৰথম সঙ্কোচ আঁতৰি গ'ল।

যাৰৰ পৰত সুচৰিতাই বিনয়ক কলে,—"আপুনি এবাৰ আমাৰ ফালে নেযায় জানো?"

সুচৰিতাই বিনয়ক সিহঁতৰ ঘৰলৈ মাতিলে, কিন্তু গোৰাক মাতিব নোৱাৰিলে। কথাটোৰ আচল অৰ্থটো গোৰাই বুজিব নোৱাৰিলে। তাৰ মনত এটা আঘাত লাগিল। বিনয়ে যে সহজেই সকলোৰে মাজত নিজৰ ঠাই উলিয়াই লব পাৰে আৰু গোৰাই নোৱাৰে, ইয়াৰ বাবে গোৰাই আগতে কেতিয়াও অকণোকে খেদ কৰা নাছিল। আজি কিন্তু নিজৰ প্ৰকৃতিৰ এই অভাৱ সি সঁচাকৈয়ে এটা আচল অভাৱ বুলি ভাবিলে।

৫৫

ললিতাৰ লগত তাৰ বিয়াৰ কথা আলোচনা কৰিবলৈকে যে সুচৰিতাই তাক মাতি গৈছিল, সেইটো বিনয়ে বুজি পাইছিল। এই প্ৰস্তাৱটোক সি শেষ-কৰি দিছে হয়, কিন্তু সেই বুলিয়েই ঘটনাটো তো শেষ হৈ যোৱা নাই। ঘটনাটোৰ আয়ুস থকালৈকে কোনো পক্ষই সাৰিব নোৱাৰে।

ইমানদিনে বিনয়ৰ আটাইতকৈ ডাঙৰ চিন্তা আছিল,—"গোৰাৰ মনত কেজাৰ দিম কেনেকৈ?" গোৰা বুলিলে যে অকল গোৰা মানুহটোকেহে বুজায়, সেইটো নহয়, গোৰাই যি ভাব, যি বিশ্বাস, যি জীৱনক আশ্ৰয় কৰি আছে, সেই আটাইবোবকে বুজায়। আৰু ইয়াৰেই লগত সদায় নিজক খাপ্ খুৱাই চলাটোৱেই বিনয়ৰ অভ্যাস আৰু সুখৰ কথা আছিল। এইবোবৰ লগত কিবা বিৰোধ হোৱাটো তাৰ লগত বিৰোধ হোৱাৰ নিচিনাই আছিল।

কিন্তু সেই আঘাতৰ প্ৰথম সঙ্কোচটো এতিয়া আঁতৰি গ'ল। ৰবিন
বিষয়ে গোৱাৰ লগত মুখামুখিকৈ কথা পাতি বিনয়ে বল পালে।
কটোৱাৰ আগতে ৰোগীৰ ভয় আৰু চিন্তাৰ সীমা নেথাকে। কিন্তু
পচাৰ হোৱাৰ পাচত ৰোগীয়ে দেখিলে যে, বিষ আছে যদিও
আৰামো আছে। বস্তুটোক মনৰ ভাবত যিমান সাঙঘাতিক যেন
আচলতে সিমান নহয়।

ইমান পৰে বিনয়ে নিজৰ মনৰ সৈতেও তৰ্ক কৰিব পৰা
এতিয়া তাৰ তৰ্কৰ দুৱাৰো মুকলি হৈ গ'ল। এতিয়া সি নিজে
মনৰ ভিতৰতে গোৱাৰ লগত উখনা-উখনি কৰিবলৈ ধৰিলে।
ফালৰপৰা যিবোৰ যুক্তি দেখুউৱাৰ সম্ভাৱনা আছে সেইবোৰ
মনতে খুচৰি উলিয়াই লৈ নানা ফালৰপৰা খণ্ডন কৰিবলৈ
গোৱাৰ লগত মুখা-মুখিকৈ তৰ্ক কৰিব পৰা হলে অৱশ্যে
হলহেঁতেন, কিন্তু সেই উত্তেজনা তেনেকৈ অন্তও পৰিলহেঁতেন।
গোৱাই এই বিষয়ে আৰু কোনোদিনাই কেতিয়াও তৰ্ক নকৰে
বুজি পালে। এই কথা ভাবিও বিনয়ৰ অলপ খং উঠিল।
গোৱাই নিজেও নুবুজে, আনকো নুবুজায়, মাথোন জোৰ
জোৰৰ আগত কেতিয়াও মূৰ দোঁৱাৰ নোৱাৰোঁ।' বিনয়ে
কলে,—'যিয়েই নহটক লাগে, মই সদায় সত্যৰ পিনে থাকিম'
'সত্য' বোলা এটা শব্দক সি দুয়োহাতেৰে বুকুৰ মাজত আকোৱালি
গোৱাৰ বিপৰীতে এটা বৰ শক্তিশালী পক্ষক থিয় কৰাব লাগিব,
ইয়াৰ কাৰণে সত্যই যে বিনয়ৰ চৰম অৱলম্বন হব, ইয়াকে সি
নিজৰ মনত বুজাবলৈ লাগিল। আন কি সত্যক সি
পাইছে বুলি ভাবি নিজৰ ওপৰতে তাৰ বৰ শ্ৰদ্ধা উপজিল।
আবেলি সি সুচৰিতাৰ ঘৰলৈ যাওঁতে অলপ বুকু ফিন্দায়েই
সত্যৰ ফালে মূৰ দোঁ খাইছিল বুলিয়েই তাৰ ইমান জোৰ
আন কিহবাৰ ফালে হে ঢাপলি মেলিছিল, এই কথা বুজি
অৱশ্যে বিনয়ৰ নাছিল।

হৰিমোহিনীয়ে তেতিয়া বন্ধা-বঢ়া কৰিবলৈ যা-যোগাৰ
বিনয়ে বান্ধনি ঘৰৰ দুৱাৰমুখত বামুণৰ লৰাৰ দুপৰীয়াৰ
মঞ্জুৰ কৰাই ওপৰ মহলালৈ উঠি গ'ল।

সুচৰিতাই এখন চিলাইৰ কাম হাতত লৈ সেইখনত চকু
চলাই চলাই আলোচ্য কথাটো উলিয়ালে। তাই কলে,—

দেউ! যি স্থলত ভিতৰৰ কোনো বাধা নাই, তাত বাহিৰৰ বাধা মানি
চলিব লাগিব নে কি?"

গোৱাৰ লগত তৰ্ক কৰোঁতে বিনয়ে বিৰুদ্ধযুক্তি দেখুৱাইছিল। এতিয়া
আকৌ সুচৰিতাৰ লগত আলোচনা কৰোঁতে সি আন পক্ষৰ যুক্তি হে
দৰ্শালে। তেনেহলে গোৱাৰ লগত তাৰ কিবা মত-বিৰোধ আছে বুলি
নো কোনে কব?

বিনয়ে কলে,—"বাইদেউ, বাহিৰৰ বাধাবোৰক তোমালোকেও চোন
উলাই কৰিব নোৱাৰা।"

সুচৰিতাই উত্তৰ দিলে,—"চেটাৰ্জ্জীদেউ! তাৰো কাৰণ আছে। আমাৰ
বাধা ঠিক বাহিৰৰ বাধা নহয়। আমাৰ সমাজখন যে আমাৰ ধৰ্ম্ম বিশ্বাসৰ
ওপৰতে প্ৰতিষ্ঠিত। কিন্তু আপুনি যিখন সমাজত আছে তাত আপোনাৰ
বন্ধন মাথোন সামাজিক বন্ধন হে। সেই কাৰণেই ললিতাই সমাজখন
ত্যাগ কৰি গ'লে তাইৰ যিমান ক্ষতি হব, আপুনি সমাজ ত্যাগ কৰি
আহিলে আপোনাৰ সিমান ক্ষতি নহব।"

ধৰ্ম্ম মানুহৰ ব্যক্তিগত সাধনাৰ বস্তু। ধৰ্ম্মক কোনো সমাজৰ লগতে
লেটি-পেটি কৰাটো উচিত নহয় বুলি বিনয়ে তৰ্ক কৰিবলৈ ধৰিলে।

এনেতে সতীশে এখন চিঠি আৰু এখন ইংৰাজী বাতৰি-কাকত লৈ
কোঠাটোত সোমালহি। বিনয়ক দেখিয়েই সি স্ফুৰ্ত্তিতে জপিয়াই উঠিল।
ওকুৰবাৰটোক কোনো উপায়ে দেওবাৰ কৰিবলৈ তাৰ মনটো উছপিচাবলৈ
ধৰিলে। চাওঁতে চাওঁতে বিনয় আৰু সতীশ সভাত মজি গল। ইফালে
সুচৰিতাই ললিতাৰ চিঠিখন আৰু তাৰ লগত পঠিয়াই দিয়া বাতৰি-কাকতখন
পঢ়িবলৈ ধৰিলে।

এই ব্ৰাহ্ম সমাজৰ কাগজখনত এটা খবৰ ওলাইছিল। তাত লিখিছিল
যে কোনোবা বিখ্যাত ব্ৰাহ্ম-সমাজৰ ছোৱালীৰ হিন্দু সমাজৰ লৰাৰ লগত বিয়া
হব বুলি আশঙ্কা কৰা হৈছিল সেই আশঙ্কা হিন্দু ডেকাজনৰ অসম্মতিৰ কাৰণে
এতিয়া আঁতৰি গ'ল। এই সূত্ৰে হিন্দু ডেকাজনৰ নিষ্ঠাৰ লগত তুলনা কৰি
ব্ৰাহ্ম-পৰিয়ালৰ শোচনীয় দুৰ্ব্বলতাৰ সম্পৰ্কেও দুখ প্ৰকাশ কৰা হৈছিল।

যি কোনো উপায়েৰে বিনয়লৈকে ললিতাক দিবই লাগিব বুলি সুচৰিতাই
পেটে পেটে থিৰাং কৰিলে। কিন্তু এই ডেকাজনৰ লগত তো তৰ্ক কৰি
সেইবোৰ কৰিব নোৱাৰি। সুচৰিতাই ললিতালৈ এখন চিঠি লিখি তাইক
সুচৰিতাৰ ঘৰলৈ মাতি পঠিয়ালে। বিনয়ো যে তাতে আছে এই কথা
কিন্তু সুচৰিতাই নজনালে।

কোনো পঞ্জিকাতেই কোনো গ্রহ-নক্ষত্রৰ সমাবেশতো ওকুৰুৱাই দেওৱাৰ হোৱাৰ বিধান নথকাত সতীশ স্কুললৈ যাবলৈ ওলাবলগীয়া হ'ল। সুচৰিতাও গা ধুবলৈ যাওঁ বুলি অলপ সময়ৰ কাৰণে বিনয়ক বহিবলৈ অনুৰোধ কৰি ওলাই আহিল।

তৰ্কৰ উত্তেজনা আঁতৰি যোৱাৰ পিচত সুচৰিতাৰ সেই অকলশৰীয়া কোঠাটোত বহি থাকি বিনয়ৰ ভিতৰৰ ডেকা পুৰুষটো সাৰ পাই উঠিল। সময় তেতিয়াও ন, চাৰে ন মান হৈছিল। গলিৰ ভিতৰত মানুহৰ হুলস্থূল নাছিল। সুচৰিতাই লিখা-পঢ়া কৰা মেজখনৰ ওপৰত এটি অকণমানি টিক্‌টিকাই বাজি আছিল। কোঠাটোৰ কিবা এটা আচৰিত প্ৰভাৱে বিনয়ক যেন মুগ্ধ কৰি পেলালে। কোঠাটোৰ চাৰিওফালে সজাই থোৱা সকলো বস্তুৱেই যেন বিনয়ৰ লগত কথা পাতিবলৈ ধৰিলে। পৰিপাটিকৈ সজাই থোৱা মেজখন, চকীৰ ফুলতোলা ঢাকনিখনে চকীৰ তলত ভৰি থোৱা ঠাইকণত পাতি থোৱা পহুৰ ছালখনে, বেৰত আঁৰি থোৱা চকী দুখনৰ পিচফালে বঙা কাপোৰেৰে ঢাকি থোৱা কিতাপ সজোৱা খলগা সৰু মেজখনে,—এই আটাইবোৰে বিনয়ৰ অন্তৰত এটি গভীৰ সুৰ বজাই ধৰিলে। এই কোঠাটিৰ ভিতৰত এটি যে কি সুন্দৰ বহস্য ধুপ ধুপ আছে! এই কোঠাটিতে এটি নিজান দুপৰীয়া সখীয়ে সখীয়ে যিবোৰ কথা আলচিছিল সেইবোৰৰ লাজ মিহলি সুন্দৰ সত্তা এতিয়াও যেন ত'ত সিচঁৰিত হৈ পৰি আছে। সেই কথাবোৰ পাতোঁতে কোনজনী কেনেকৈ বহিছিল, সেইবোৰ কল্পনাতে বিনয়ৰ চকুৰ ভাঁহি উঠিল। সেই যে সিদিনাখন বিনয়ে ভট্ট ডাঙৰীয়াৰ মুখে শুনিছিল 'ললিতাৰ মন তোমাৰ প্ৰতি বিমুখ নহয় বুলি মই সুচৰিতাৰ মুখে শুনিছোঁ' এই কথাষাৰেই নানান ধৰণে নানান ৰূপে নানান প্ৰকাৰৰ ছবিৰ দৰে চকুৰ আগত ভাঁহি উঠিল। বিনয়ৰ মনত এটি অনিৰ্ব্বচনীয় আবেগ কৰুণ উদাস বাগিণীৰ দৰে বাজিবলৈ ধৰিলে। যিবোৰ বস্তুক এটি নিবিড় গভীৰ ৰূপে মনৰ গোপনতাৰ মাজত ভাষাহীন আভাসৰ নিচিনা অনুভৱ কৰিব পাৰি সেইবোৰক কোনোৰকমে প্ৰত্যক্ষ কৰি তোলাৰ নাই বুলিয়েই—অৰ্থাৎ বিনয়—কৰি বা চিত্ৰকৰ নহয় বুলিয়েই—তাৰ অন্তৰ অস্থিৰ হৈ উঠিল। তাৰ এনে হে লাগিল যেন সি কিবা কৰিব পাৰিলেই জীয়ে, অথচ সেইটো কৰিবলৈ একো উপায়েই যিখন আঁৰ-কাপোৰৰ তাৰ সমুখত ওলমি আছিল, যিখনে তাৰ ওচৰতে বহু দূৰত আঁতৰাই ৰাখিছে, সেই আঁৰ-কাপোৰখন

নিমিষতে জোৰেৰে টানি ফালি দলিয়াই পেলাবৰ শক্তি বিনয়ৰ নাই।

এনেতে হৰিমোহিনীয়ে কোঠাটোলৈ সোমাই আহি বিনয়ে কিবা চাহ-জলপান খাব নে কি সুধিলেহি। বিনয়ে উত্তৰ দিলে,—"ওঁহো, নেখাওঁ।"

তেতিয়া হৰিমোহিনীয়ে চকী এখন টানি লৈ বহিলহি।

পৰেশ ভট্টৰ ঘৰত থকালৈকে হৰিমোহিনীয়ে বিনয়ক ভাল পাইছিল। কিন্তু সুচৰিতাক লৈ তেওঁ বেলেগ হৈ ওলাই অহাৰ পাচত বিনয়হঁত এইদৰে অহা-যোৱা কৰাত তেওঁৰ বৰ তিতা-কেঁহা লগা হ'ল। আজি-কালি আচাৰে-বিচাৰে সুচৰিতাই যে তেখেতক পূৰাকৈ মানি নচলে, এইবোৰ মানুহৰ সঙ্গদোষেই ইয়াৰ কাৰণ বুলি তেওঁ ধৰি লৈছিল। তথাপিও বিনয়ৰ মনটো যে হিন্দু ৰীতি-নীতিত টান-মুঠিৰ নহয়, সেইটো তেওঁ ভালকৈয়ে বুজি পাইছিল। সেই কাৰণেই আজি-কালি তেওঁ আগৰ দৰে উৎসাহেৰে সৈতে এই ব্ৰাহ্মণনন্দনক মাতি খুৱাই গোঁসাইৰ প্ৰসাদৰ অপচয় নকৰে।

আজি কথাই কথাই হৰিমোহিনীয়ে বিনয়ক সুধিলে,—"বাৰু বোপা, তুমি দেখোন বামুণৰ লৰা। পিচে পূজা-পাতল দেখোন একোকে নকৰা?"

বিনয়ে কলে,—"মাহী, দিনে-বাতিয়ে পঢ়া-পুথিবোৰ আওৰাই আওৰাই গায়ত্ৰী, সন্ধ্যা আটাইবোৰ পাহৰি গৈছোঁ।"

হৰিমোহিনীয়ে কলে,—"ভট্ট ডাঙৰীয়ায়ো তো লিখা-পঢ়া জানে। তেখেতে পিচে নিজৰ ধৰ্ম্ম মানি নিতৌ পুৱা-গধূলি কিবা এটা কৰে।"

বিনয়ে কলে,—"ওহোঁ নাই। সুচৰিতাৰ ঘৰলৈ গৈছে বুলি শুনিলোঁ।"

আনন্দময়ীয়ে আচৰিত হৈ কলে,—"তালৈ দেখোন সি কালিও গৈছিল।"

বিনয়ে কলে,—"আজিও গৈছে।"

এনেতে চোতালত দোলাৰ দোলাভাৰীৰ ভৰিৰ শব্দ শুনা গ'ল। আনন্দময়ীৰ কোনোবা লগা-ভগা তিৰোতা মানুহ আহিছে বুলি ভাবি বিনয় বাহিৰলৈ ওলাই গ'ল।

ললিতা আহি আনন্দময়ীক সেৱা কৰিলেহি। আনন্দময়ীয়ে আজি ললিতা আহিব বুলি সমুলি ভবা নাছিল। তেখেতে আচৰিত হৈ ললিতাৰ মুখলৈ চাওঁতেই বুজিলে যে বিনয়ৰ দীক্ষাৰ কথা লৈ ললিতা কিবা এটা বিপদত পৰিছে আৰু সেই কাৰণেই তাই তেখেতৰ গুৰিলৈ আহিছে।

তেখেতে কথা উলিয়াবলৈ সুবিধা কৰি দিবৰ কাৰণে কলে,—"আই, তুমি অহা দেখি বৰ ভাল পালোঁ। এইমাত্ৰ বিনয়ো ইয়াতে আছিল। কাইলৈ সি তোমালোকৰ সমাজত দীক্ষা লব, মোৰ লগত সেইবোৰ কথাকে পাতি আছিল।"

ললিতাই কলে,—"তেখেতে নো দীক্ষা লবলৈ ওলাইছে কিয়? দীক্ষা লোৱাৰ জানো কিবা দৰ্কাৰ আছে?"

আনন্দময়ীয়ে আচৰিত হৈ সুধিলে,—"দৰ্কাৰ নাই জানো আই?"

ললিতাই কলে,—"কোনো দৰ্কাৰ থকা যেন মোৰ দেখোন নেলাগে।"

আনন্দময়ীয়ে ললিতাৰ উদ্দেশ্য বুজিব নোৱাৰি তাইৰ মুখলৈ চাই থাকিল।

ললিতাই তলমুকৈ কলে,—"হঠাৎ এইদৰে দীক্ষা লবলৈ ওলোৱাটো তেখেতৰ বাবে বৰ অপমানজনক। এই অপমান নো তেখেতে কিহৰ বাবে মূৰ পাতি লবলৈ ওলাইছে?"

'কিহৰ বাবে?' এই কথা জানো ললিতাই নেজানে? ইয়াত ললিতাই ভাল পাবলগীয়া কথা একোকে নাই নে?

আনন্দময়ীয়ে কলে,—"কাইলৈ দীক্ষাৰ দিন। সি খাটাং কথা দি আছিছে। এতিয়া আৰু কথা লবচৰ কৰিবৰ উপায় নাই। বিনয়ে দেখোন এই দৰেই কৈছে।"

ললিতাই তাইৰ জলি থকা চকুযুৰিৰে আনন্দময়ীৰ মুখলৈ চাই কলে—"এইবোৰ বিষয়ত খাটাং কথা দিয়াৰ একো মানে নাই। লবচৰ কৰিবৰ আৱশ্যক হলে কৰিবই লাগিব।"

আনন্দময়ীয়ে কলে,—"আই, তুমি মোৰ আগত লাজ নকৰিবা। সকলো

কথা তোমাক খুলিয়েই কওঁ। ইমান পৰে মই বিনয়ক ইয়াকে বুজাইছিলোঁ যে তাৰ ধৰ্ম্ম বিশ্বাস যিয়েই নহওক লাগে, সমাজক ত্যাগ কৰাটো উচিত নহয় আৰু দৰ্কাৰো নাই। মুখেৰে যিয়েই নকওক, সিও এটা কথা নুবুজে বুলি মই কব নোৱাৰোঁ। কিন্তু আই, তাৰ মনৰ ভাব তুমি নজনা নহয়। সমাজ নেৰিলে তোমালোকৰ লগত তাৰ যোগ হব নোৱাৰে বুলি সি ভালকৈয়ে জানে। লাজ নকৰিবা আই, কথাটো হয় নে সঁচাকৈয়ে কোৱাচোন?"

ললিতাই আনন্দময়ীৰ মুখৰ পিনে চাই থাকিয়েই কলে,—"তোমাৰ আগত মই অকণো লাজ নকৰোঁ। মই এইবোৰ একো নেমানো বুলি তোমাক কৈছোঁৱেই। মই খুব ভালকৈয়ে ভাবি চাইছোঁ যে মানুহৰ ধৰ্ম্ম বিশ্বাস, সমাজ যিয়েই নহওক লাগে, সেইবোৰ সকলো লোপ কৰি দিছে মানুহে মানুহৰ লগত যোগ হব পাৰিব, এনে কথা কেতিয়া হলে ডাঙৰ ডাঙৰ দেৱাল গাঁথি দি একোটা সম্প্রদায়ক একোখন বেৰাৰ মাজত আগুৰি থোৱাহে উচিত।"

আনন্দময়ীৰ মুখখন প্রফুল্ল হৈ উঠিল। তেখেতে কলে,—"তোমাৰ কথাবোৰ শুনি বৰ ভাল লাগিল। ময়ো তাকেই কওঁ। মানুহৰ লগত আন এজনৰ ৰূপ, গুণ, স্বভাৱ একোকে নিমিলে। কিন্তু তথাপিও তো মানুহ দুজনৰ মিলনত বাধা নাই। তেনেহলে মত বিশ্বাসৰ কাৰণেই নো কিয় বাধা পাব লাগে? আই, তুমি মোক কবিলা। বিনয়ৰ কাৰণে মই বৰ বিমোৱত পৰিছিলোঁ। সি তাৰ মন তোমালোককে উজাৰি দিছে বুলি মই জানো। তোমালোকৰে সম্বন্ধত কৰবাত কেনেবাকৈ আঁচোৰ এটা লাগিলেও সি আৰু সহিব নোৱাৰিব। সেই কাৰণেই তাক বাধা দিবলৈ মোৰ যে মনটো কেনেধন লাগিছিল একমাত্র ভগৱন্তইহে জানে। কিন্তু সঁচাকৈয়ে তাৰ বৰ কপাল। ডাঙৰ বিপদ এটাৰপৰা তাক তুমি যে ইমান সহজে ৰক্ষা কৰিলা, এইও জানো কম কথা। এটা কথা সোধোঁ দেই, ভট্ট ডাঙৰীয়াৰ লগত এই বিষয়ে কিবা কথা পাতিছিলা নে কি?"

ললিতাই অতি কষ্টেৰে লাজ-কাজ কাতিকৈ থৈ কলে,—"কথা নাই পতা। কিন্তু মই জানো যে তেখেতে সকলো কথা ঠিক বুজি পাব।"

আনন্দময়ীয়ে কলে,—"তাকেই তো। তেখেতে যদি নুবুজে

তুমি এনেকুৱা বুদ্ধি, ইমান মনৰ বলনো ক'ৰপৰা পালা? আই, মই বিনয়ক মাতি আনোগৈ। তাৰ লগত তুমি নিজে মুখা-মুখিকৈ কথা পাতি কিবা এটা নিষ্পত্তি কৰি পেলোৱা উচিত। এইখিনিতে মই তোমাক এটা কথা কৈ থওঁ আই! বিনয়ক মই নিচেই অকণমানটোৰপৰাই দেখিছোঁ। সি এনে এটা লৰা—যাৰ কাৰণে তোমালোকে যিমান দুখেৰে বুকু পাতি লোৱা সি সেই সকলো দুখকে যে সার্থক কৰি তুলিবই—এই কথা মই তোমাক ধুৰুপকৈ কব পাৰোঁ। মই কিমান দিন ভাবিছোঁ যে বিনয়ক বিজনীয়ে পাব তাইৰ দৰে ভাগ্যৱতী নো কোন আছে! মাজে-সময়ে বহুতে ছোৱালী যাচেহি, কিন্তু কাকো দেখোন মোৰ মনেই নধৰে। আজি দেখিছোঁ যে তাৰ কপালখনো তেনেই সৰু নহয়।"

এইবুলি আনন্দময়ীয়ে ললিতাৰ ঠুটবিত ধৰি চুমা এটা খাই বিনয়ক মাতি আনিলেগৈ। তেখেতে বুদ্ধি কৰি লছমিয়াক কোঠাটোত বহুৱাই থৈ ললিতাৰ কাৰণে চাহ-জলপান কৰাৰ চেলু লৈ তাৰপৰা ওলাই গ'ল।

আজি ললিতা আৰু বিনয়ৰ লাজ বা সঙ্কোচ কৰাৰ সময় নাছিল। সিহঁত দুয়োৰে জীৱনত আজি যি এটা অগ্নি-পৰীক্ষা উপস্থিত হৈছেহি, তাৰ আহ্বানত সিহঁতে পৰস্পৰৰ সম্বন্ধ সহজ আৰু অসাধাৰণ ৰূপত দেখিলে। সিহঁতৰ মাজত আবেশৰ বাহ্যপই কোনো বঙীন আঁৰ-কাপোৰ তৰি নিদিলে। সিহঁত দুয়োৰো অন্তৰ যে এক হৈ পৰিছে, সিহঁত দুয়োৰে জীৱনৰ সোঁতে যে গঙ্গা-যমুনাৰ দৰে এটি পুণ্য তীর্থত এক হৰৰ কাৰণে আগবাঢ়ি আহিছে, এই কথাষাৰ অকণো আলোচনা নকৰাকৈয়ে সিহঁত দুয়োৱে বিনীত, গম্ভীৰ ভাৱে, নীৰৱে, অকুণ্ঠিতচিত্তে মানি ললে। সমাজে সিহঁত দুয়োকে মতা নাই, কোনো মতবাদে সিহঁত দুয়োকে মিলোৱা নাই, সিহঁতৰ বন্ধন কোনো কৃত্রিম বন্ধন নহয়, এইবোৰ কথা সুঁৱৰি সিহঁতে সিহঁতৰ মিলনক এনে এটি ধৰ্ম্মৰ মিলন বুলি অনুভৱ কৰিলে, যি ধৰ্ম্ম অতি বৃহৎভাৱে সৰল, যি ধৰ্ম্মই কোনো সৰু কথাৰ কাৰণে বাক্-বিতণ্ডা নকৰে, যি ধৰ্ম্মক কোনো পঞ্চায়তৰ মেলেকীয়ে বাধা দিব নোৱাৰে। ললিতাৰ চকু-মুখ উজলি উঠিল। তাই কলে,—"আপুনি যে কুঁজা হৈ নিজকে সৰু কৰি মোক গ্রহণ কৰিব, এই অগৌৰৱ মই সহিব নোৱাৰোঁ। আপুনি য'ত আছে, তাতেই থিৰ হৈ থাকিব, তাকেহে মই জানো।"

বিনয়ে কলে,—"আপুনিও য'ত আছে তাতেই থিৰ হৈ থাকিব লাগিব। অকণো লৰচৰ কৰিব নোৱাৰে। প্রীতিয়ে যদি বেলেগ বোলাটো মানি লব নোৱাৰে তেনেহলে জগতত নো প্রভেদ আছে কিয়?"

প্রায় কুবি মিনিটমান দুয়ো যি কথা-বতবা পাতিছিল তাব মাজত
হ'ল এয়ে,—সিহঁত হিন্দু নে ব্রাহ্ম এই কথা সিহঁতে পাহবিলে।
যে দুটা মাথো মানৰাস্তা এই কথাই সিহঁত দুয়োৰে মনত ধীৰভাৱে
থকা দীপ-শিখাব দবেই জলিবলৈ ধবিলে।

৫৯

ভট্ট ডাঙবীয়াই গোঁসাই সেৱা কবি উঠি সমুখব বাবাণ্ডাত
বহি আছিল। তেতিয়া চকা মাব গৈছে।

তেনেতে ললিতাক লগত লৈ বিনয় তালৈ আহিল আৰু
দি সেৱা কবি ভট্ট ডাঙবীয়াব ভবিব ধূলা ললে।

পবেশ ভট্টই দুয়োকো একেলগে এনেকৈ অহা দেখি অলপ
হ'ল। ওচবত বহিবলৈ দিবলৈ চকী নাছিল, সেই দেখি ক'লে,—
ভিতবলৈ বলা।" বিনয়ে ক'লে,—"নেলাগে, আপুনি উঠিব
এই বুলি কৈ সি মাটিতে বহিল। ললিতা অলপ আঁতব হৈ ভট্ট
ভবিব ওচবতে বহিল।

বিনয়ে ক'লে,—"আমি দুয়ো একেলগে আপোনাব আশীৰ্ব্বাদ
আহিছোঁ। সেইয়াহে আমাব জীৱনব আচল দীক্ষা হব।"

পবেশ ভট্ট আচবিত হৈ তাব মুখলৈ চাই থাকিল।

বিনয়ে ক'লে,—"ধবা-বন্ধা নিয়ম মতে সমাজত প্রতিজ্ঞা গ্রহণ
যি দীক্ষাই আমাব দুয়োৰো জীৱনব নত কবি সত্যব বান্ধোনত
সেই দীক্ষা হৈছে আপোনাব আশীৰ্ব্বাদ। আমাব দুয়োৰো
আপোনাব ভবিব ওচবত দোঁ খাইছে—আমাব কিবা মঙ্গল হব
ঈশ্বৰে সেইয়া আপোনাব হাতেদিয়েই আমাক দিব।"

ভট্ট ডাঙবীয়াই অলপ পব একো নকৈ মনে মনে বহি
অলপ পাচত ক'লে,—"বিনয়, তেনেহলে তুমি ব্রাহ্ম নোহোৱা?"

বিনয়ে ক'লে,—"নহওঁ।"

পবেশ ভট্টই ক'লে,—"তুমি হিন্দু সমাজতে থাকিব খোজা?"

বিনয়ে ক'লে,—"হয়।"

ভট্ট ডাঙবীয়াই ললিতাব মুখলৈ চালে। ললিতাই তেখেতৰ
ভাব বুজিব পাবি ক'লে,—"দেউতা, মোব যি ধৰ্ম্ম সি মোব

সকে সদায় মোব লগতে থাকিব। মোব হয়তো অসুবিধাও হব, কষ্টও
হব; কিন্তু যি সকলব মত, ধৰ্ম্ম আৰু কি আচাব ব্যৱহাৰবো মোব লগত
একো মিল নাই, তেনে মানুহক পব বুলি ভাবি আঁতবাই বাখিলে
সেই ধৰ্ম্ম হানি হব, এই কথা মই কোনো বকমেই মানি লব পবা
নই।"

ভট্ট ডাঙবীয়া টলকা মাবি থাকিল। ললিতাই কৈ গ'ল, "আগেয়ে,
ব্রাহ্ম সমাজেই মোব একমাত্র জগত বুলি মই ভাবিছিলোঁ আৰু বাকী সকলো
সেন ছাঁয়াহে। ব্রাহ্ম সমাজবপবা আঁতব হোৱা মানে সকলো সত্যবপবাই
সেন আঁতব হলোঁ, এনে যেন হে লাগিছিল। কিন্তু এইকেইদিনব ভিতবতে
সেই তেনে ভাব একেবাবে নোহোৱা হ'ল।"

ভট্ট ডাঙবীয়াই এটা দুখব হাঁহি মাবিলে।

ললিতাই ক'লে,—"দেউতা, মই তোমাক কৈ বুজাব নোৱাৰোঁ যে
সেই কিমান ডাঙব পবিবৰ্ত্তন হ'ল। ব্রাহ্ম সমাজত মই যিবিলাক মানুহ
পাইছোঁ তাবে বহুতব লগত মোব ধৰ্ম্মমত মিলিলেও মই কোনো বকমেই
সেইবিলাকব লগত একে নহওঁ। এনে হোৱা সত্ত্বেও ব্রাহ্ম সমাজ বোলা
সেই এটাব আশ্রয় লৈয়েই তেওঁলোককেই মই মোব আপোন মানুহ বুলি
সেই আৰু পৃথিৱীব অইন সকলোকে দূবতে বিদূব কবিম, এনে কথাব
সেই মই নুবুজোঁ।"

পবেশ ভট্টই বিদ্রোহী হৈ উঠা জীয়েকব পিঠিত লাহে লাহে হাত
বুলাই ক'লে,—"নিজব কাবণে মন যেতিয়া অস্থিব হৈ পবে তেতিয়া
ভালো মানুহব বিচাব শক্তি থাকে? পূৰ্ব্বপুৰুষবপবা আবম্ভ কবি সতি-
সাধ্বীলোকে মানুহব এটা পুবণি নিয়ম আছে আৰু সেইটোব মঙ্গলব
কাবণেই সমাজ মানুহব প্রয়োজন। এই প্রয়োজন তো কৃত্রিম প্রয়োজন
নহয়। তোমালোকব ভাবী বংশধবসকলব বহুদূব ব্যাপি যিটো ভবিষ্যত
আছে আৰু যাব ওপবত সেই ভবিষ্যতব ভাব আছে, সেয়ে তোমালোকব
সমাজ। এই সমাজব কথা জানো এবাবো চিন্তা কবি নেচাবা?"

বিনয়ে ক'লে,—"হিন্দু সমাজো তো আছে।"

পবেশ ভট্টই ক'লে,—"হিন্দু সমাজে যদি তোমালোকব ভাব নলয়,
তোমালোককে যদি স্বীকাব নকবে?"

বিনয়ে আনন্দময়ীব কথা মনত পেলাই ক'লে, "হিন্দু সমাজক স্বীকাব
কবোৱাব ভাব আমিয়েই লব লাগিব। হিন্দু সমাজে সদায় নতুন নতুন

সম্প্রদায়ক আশ্রয় দি আহিছে। হিন্দু সমাজ সকলো সম্প্রদায়ৰ
হব পাৰে।"

পৰেশ ভট্টই ক'লে,—"মুখেৰে তৰ্ক কৰি কোনো এটা বস্তু
দেখুৱা হয়, কামত কিন্তু ঠিক তেনে নহয়। নহলে জানো
ইচ্ছা কৰি পুৰণি সমাজ এৰি দিব পাৰে? যি সমাজে বাহ্যিক
শিকলিৰে মানুহৰ ধৰ্ম্মবোধক একে ঠাইতে বন্দী কৰি ধৰ খোৱে
সমাজ মানিবলৈ হলে চিৰকাললৈ নিজকে কাঠৰ পুতলা কৰি
লাগিব।"

বিনয়ে ক'লে,—"হিন্দু সমাজৰ অৱস্থা যদি ইমানেই ঠেক,
সেই সমাজ বহল কৰাৰ ভাৰ আমিয়েই লব লাগিব; যিটো ঘৰ
খিড়িকী কেখনমান বঢ়াই দিলেই ভিতৰলৈ বতাহ পোহৰ আহি
হয়, তেনেকুৱা পকা ঘৰ কোনেও ভাঙি চুৰমাৰ কৰিব নোখোজে
ললিতাই মাত দিলে,—"দেউতা, এইবোৰ কথা মই নুবুজোঁ।
সমাজৰ উন্নতি কৰাৰ ভাৰ লোৱাৰ মোৰ ইচ্ছা নাই। কিন্তু চাৰিফ
পৰা এনে কিছুমান অন্যায় অবিচাৰে মোক হেঁচা-ঠেলা কৰিব ধৰিছে
মোৰ প্ৰায় উশাহ নিশাহ বন্ধ হৈ আহিছে। কোনো কাৰণতেই এই
ওচৰত মই মূৰ দোঁৱাই সহি থকা উচিত নহব। উচিত অনুচিত
মই ভালকৈ নুবুজোঁ। কিন্তু দেউতা, মই হলে আৰু নোৱাৰোঁ।"

ভট্ট ডাঙৰীয়াই মিঠা মাতেৰে ক'লে "আৰু কেইদিনমান
দেচোন, এই কেইদিন বৰ উত্তাৰল হৈ আছ।"

ললিতাই ক'লে,—"আৰু কেদিনমান সময় লোৱাত মোৰ
আপত্তি নাই। কিন্তু মই ভালকৈ জানো যে অসত্য, অন্যায়,
বাঢ়িহে গৈ থাকিব। সেইদেখি মোৰ ভয় লাগে—কিজানি
সহিব নোৱাৰা হৈ মই এনে কিবা এটা কৰি পেলাম, পিচত
তুমি দুখ পাবা। তুমি নেভাবিবা দেউতা, যে মই একো
চোৱা নাই। মই ভালকৈ চিন্তা কৰি চাইছোঁ। মই যি শিক্ষা
আৰু যি সংস্কাৰ লাভ কৰিলোঁ এইবোৰ লৈ ব্ৰাহ্ম সমাজৰ বাহিৰত
মই বৰ সঙ্কোচেৰে আৰু কষ্টত থাকিব লাগিব—কিন্তু তথাপিও
ভয় লগা নাই, বৰং মনত যেন কিবা এটা বলহে পাইছোঁ, কিন্তু
যেন আনন্দহে হৈছে। মোৰ একমাত্ৰ চিন্তা হ'ল—জানোচা
বাবে তুমি কিবা দুখ পাবলগীয়া হয়।" ইয়াকে কৈ ললিতা
লাহে ভট্ট ডাঙৰীয়াৰ ডৰিত হাত ফৰাবলৈ ধৰিলে।

ভট্ট ডাঙৰীয়াই লাহেকৈ এটা হাঁহি মাৰি ক'লে, "একমাত্ৰ নিজৰ
ডৰিৰ ওপৰতে মই নিৰ্ভৰ কৰা হলে, আই, মোৰ ইচ্ছা আৰু মতৰ বিৰুদ্ধে
কিবা কাম কৰিলে মনত দুখ পালোহেঁতেন। তোমালোক বৰ ব্যাকুল
হৈ পৰিছা যদিও এই ব্যাকুলতা বৰ বেচি কিবা অমঙ্গলীয়া বুলি মই হলে
তোমাৰকৈ কৰ নোৱাৰোঁ। মই। ময়ো এদিন বিদ্ৰোহ কৰি ঘৰ এৰি গুচি
গৈছিলোঁ, সুবিধা অসুবিধাৰ কোনো কথাই চিন্তা কৰা নাছিলোঁ।
সমাজৰ ওপৰত আজি-কালি যে অনবৰত হনা-খোচা চলিব লাগিছে, এইবোৰ
সেইবোৰেই কাম। তেওঁ এই সমাজক নানা ফালৰপৰা ভাঙি আকৌ নতুনকৈ
গঢ়ি কোন বস্তুটো কেনেকৈ সৃষ্টি কৰিব, সেইবোৰনো মই কেনেকৈ বুজিম?
মোৰ সমাজ হিন্দু সমাজ এইবোৰৰ একো মূল্য নাই। তেওঁ মাত্ৰ মানু-
হকহে চিনি পায়।" ইয়াকে কৈ পৰেশ ভট্টই খন্তেকৰ বাবে চকু দুটা
মুদি নিজৰ অন্তঃকৰণৰ গোপন স্থলত নিজকে যেন থিৰ কৰি ল'লে।

কিছু পৰ মনে মনে থকাৰ পিচত পৰেশ ভট্টই ক'লে,—"চোৱাঁ
নিশা, আমাৰ দেশত ধৰ্ম্ম মতৰ লগত গোটেই সমাজখনেই সাঙোৰ খাই
আছে; সেইদেখি আমাৰ সকলো সামাজিক কাম কাজতেই ধৰ্ম্মৰ কথা
লাগ হৈ পৰে। ধৰ্ম্ম মতৰ চাবি চাপৰ বাহিৰৰ মানুহ সমাজৰ চাবি
চাপৰ ভিতৰত কেনেবাকৈ সোমাই পৰে বুলি সমাজৰ দুৱাৰ বন্ধ কৰি ৰখা
হৈছে। আৰু এই সমস্যানো তোমালোকে কেনেকৈ সমাধান কৰিবা
তাৰ বাবেহে মই বিমোৰত পৰিছোঁ।"

ললিতাই ভালকৈ কথাটো বুজিব নোৱাৰিলে; কাৰণ সিহঁতৰ সমাজৰ
নীতি-নীতিৰ লগত অইন সমাজৰ নিয়ম কানুনৰ প্ৰভেদনো ক'ত, সেইটো
তাই কোনো দিনাই ভাবি চোৱা নাই। তাইৰ ধাৰণা আছিল মুঠৰ ওপৰত
আচাৰ ব্যৱহাৰত বিশেষ একো পাৰ্থক্য নাই। বিনয়ৰ লগত সিহঁতৰ
অমিল যেনেকৈ গমেই পোৱা নেযায়, সমাজ দুখনৰ প্ৰভেদো বোধহয় তেনেকুৱাই।
কিন্তু দবাচলতে হিন্দুৰ বিয়া অনুষ্ঠানত তাইৰ নো কি বাধা ওলাব পাৰে,
সেই কথা তাই নেজানিছিলেই।

বিনয়ে ক'লে,—"শালগ্ৰাম সন্মুখত লৈ যে আমাৰ বিয়া হয়, আপুনি
সেই কথা কৈছে হবলা?"

পৰেশ ভট্টই ললিতাৰ ফালে চাই ক'লে,—"এৱা, ললিতাই শালগ্ৰাম
শাণি লব পাৰিব জানো?"

বিনয়ে ললিতাৰ মুখলৈ চালে। বিনয়ে বুজিলে যে ললিতাৰ গোটেই
শৰীৰ একেবাৰে শুকাই গ'ল।

ললিতাই হিয়াৰ আবেগত একেবাৰেই অচিনাকি সঙ্কটপূর্ণ ঠাই এটাত আহি ওলালহি। তাকে দেখি বিনয়ৰ মনত বৰ দুখ লাগিল। সমাজ কোৰ নিজৰ গাতে পাতি লৈ তাইক ৰক্ষা কৰিবই লাগিব। এনে ইমান সাহৰ পৰাজয় যেনেকৈ অসহ্য, আনহাতে আকৌ জয়লাভ অদম্য উৎসাহত মৃত্যুবাণ নিজে বুকু পাতি লব, সিও সিমান নিদাৰুণ তাইক জয়ী কৰিবই লাগিব, তাইক ৰক্ষাও কৰিব লাগিব।

ললিতাই তলমু কৰি বহি থাকিল। তাৰ পিচত মুৰ দাঙি চকুচলীয়া বিনয়ৰ ফালে চাই ক'লে,—"আপুনি সঁচাই অন্তৰেৰে সৈতে শালগ্রাম মানে দেৱতা নহয়, মোৰ কাৰণে শালগ্রাম মাত্র এটা সামাজিক চিন।"

বিনয়ে একে উশাহতে উত্তৰ দিলে,—"নাই নেমানো। শালগ্রাম

ললিতাই ক'লে,—"মনতে যাক চিন বুলি ভাবে, বাহিৰত

জানো দেৱতা বুলি স্বীকাৰ কৰিব নেলাগে?"

বিনয়ে ভট্ট ডাঙৰীয়াৰ ফালে চাই ক'লে,—"বিয়াত মই

সন্মুখত নথওঁ।"

ভট্ট ডাঙৰীয়াই চকীৰপৰা উঠি ক'লে,—"বিনয়, তোমালোক

পিচ ভাবি সকলো কথা চিন্তা কৰি চোৱা নাই। তোমাৰ

বা অইন কাৰোবাৰ মত লৈয়ে কথা হোৱা নাই। বিয়া একমাত্র

কথাই নহয়, বিয়া এটা সামাজিক অনুষ্ঠানো, সেইটো পাহৰিলে

হব। তোমালোকে আৰু কিছুদিন সময় লৈ ভাবিচিন্তি চোৱাঁ।

স্থিৰ কৰি পেলাব নেলাগে।"

ইয়াকে কৈ ভট্ট ডাঙৰীয়া ঘৰলৈ ওলাই গৈ অকলে

কৰিবলৈ ধৰিলেগৈ।

ললিতায়ো কোঠাটোৰপৰা ওলাই যাবলৈ থিয় দি অলপ

ফালে পিঠি দি ক'লে,—"আমাৰ দুয়োৰে ইচ্ছা যদি

সেই ইচ্ছা কোনো এখন সমাজৰ নিয়মৰ লগত

মিলি নগ'ল বুলিয়েই আমি মুৰ দোঁৱাই উভতি

কোনো মতেই বুজি নেপাওঁ। সমাজত মিছা

নাই ন্যায়সঙ্গত আচৰণৰ। নহয়?"

বিনয়ে লাহে লাহে আহি ললিতাৰ ওচৰত থিয় হ'লহি

"মই কোনো সমাজকে ভয় নকৰোঁ। আমি দুয়ো

আশ্রয় লওঁ, তেনেহলে আমাৰ সমাজৰ সমান

পোৱা যাব?"

ৰবদাসুন্দৰী ধুমুহাৰ দৰে সিহঁত দুটাৰ সন্মুখলৈ আহি ক'লে,—"শুনিলোঁ

নুকি বোলে দীক্ষা নোলোৱা?"

বিনয়ে ক'লে,—"মই উপযুক্ত গুৰুৰপৰা হে দীক্ষা লম, কোনো

সমাজৰপৰা নহয়।"

ৰবদাসুন্দৰীয়ে খঙত একোনাই হৈ ক'লে,—"তোমালোকৰ এইবোৰ

চহস্য, এনে ফাকি-ফুকাৰ অর্থ কি? দীক্ষা লোৱাৰ ভাও ধৰি এই

নুকি মোকে নহয়, গোটেই ব্রাহ্ম সমাজকে লোভ দেখুৱাই কি কাণ্ডটো

কৰিলা কোৱাচোন? তুমি যে ললিতাৰ কি সর্ব্বনাশ কৰিবলৈ ওলাইছা,

জানো চিন্তা কৰি নেচালা কেলেই?"

ললিতাই ক'লে,—"চেটার্জ্জী দেউৰ দীক্ষা লোৱা কথাটোত তোমালোকৰ

গোটা সমাজৰ সকলোৱে সন্মতি দিয়া নাই। বাতৰি-কাকত পঢ়িছাই

দেখোন! এনেকুৱা দীক্ষা লোৱা দৰ্কাৰ কি?"

ৰবদাসুন্দৰীয়ে ক'লে,—"দীক্ষা নললে বিয়া হব কেনেকৈ?"

ললিতাই ক'লে,—"কিয় নহব।"

ৰবদাসুন্দৰীয়ে ক'লে,—"হিন্দুমতে হব নে কি?"

বিনয়ে ক'লে,—"হয় হব, যিকণ বাধা আছে, সেইয়া মই

ভাঁতৰাম।"

ৰবদাসুন্দৰীৰ মুখৰপৰা অলপ সময় একো কথাই নোলাল। তাৰ

পিচত তেকাহি মাৰি ক'লে,—"বিনয় যোৱাঁ, তুমি যোৱাঁ। এই ঘৰলৈ

তুমি আৰু দুনাই নাহিবাঁ।"

৬০

গোৱা যে আহিব, সুচৰিতাই সেইটো থিৰাংকৈ জানিছিল। ৰাতি-

পুৱাৰেপৰা তাইৰ বুকুখন ঢিপিং ঢিপিং কৰি আছিল। গোৱা আহিব

বুলি সুচৰিতাৰ ভাল লাগিছিল যদিও লগে লগে যেন কিবা এটা ভয়ো

লাগিছিল। কিয়নো, গোৱাই যি ফালে তাইক টানিছিল আৰু সকু

কলিবেপৰা তাইৰ নিজৰ জীৱনৰ শিপা তাৰ সকলো ঠাল-ঠেঙুলিৰে সৈতে

দি ফালে বাঢ়ি গৈছিল—এই দুয়োৰে ভিতৰত পদে পদে যি ফেৰ লাগিছে

সেই ফেৰে তাইক অস্থিৰ কৰি তুলিছিল।

সেয়েহে কালি যেতিয়া মাহীয়েকৰ ঘৰত গোৰাই গোঁসাই সেৱা কৰিলে, তেতিয়া সুচৰিতাৰ মনটোক যেন ছুৰী কটাৰীয়েহে কাটিলে। সি জানিবা সেৱাই কৰিলে, গোৰাৰ জানিবা এনেকুৱাই বিশ্বাস, এনে বুজনিবে তাই কোনোমতেই নিজৰ মনক শাঁত পেলাব নোৱাৰিলে।

গোৰাৰ আচৰণত যেতিয়াই তাই এনে কিবা এটা দেখে—যিটোৰ তাইৰ ধৰ্ম্ম বিশ্বাসৰ মূলগত বিৰোধ আছে, তেতিয়াই সুচৰিতাৰ মন কঁপি উঠে। ঈশ্বৰে নো তাইক এইখন কি যুঁজত পেলাইছে।

হৰিমোহিনীয়ে অভিমানী সুচৰিতাক সজ দৃষ্টান্ত দেখুৱাবলৈকে গোৰাক গোঁসাই ঘৰলৈ লৈ গ'ল আৰু আজিও গোৰাই গোঁসাই কৰিলে।

সুচৰিতা বহা কোঠালৈ গোৰা সোমাই অহা মাত্ৰকে সুচৰিতাই —"আপুনি জানো গোঁসাইক ভক্তি কৰে?"

গোৰাই যেন অলপ অস্বাভাৱিক জোৰেৰে ক'লে,—"এৱা, ভক্তি কৰোঁৱেই।"

কথাষাৰ শুনি সুচৰিতাই মূৰ তলকৈ মনে মনে বহি থাকিল। বিতাই তেনেকৈ মন মাৰি বহি থকা দেখি গোৰাই মনত আঘাত সি লৰালৰিকৈ ক'লে,—"চোৱঁা, মই তোমাক সঁচা কথা কওঁ। গোঁসাইক ভক্তি কৰো নে নকৰোঁ সঠিককৈ কব নোৱাৰোঁ, কিন্তু হ'লে মোৰ দেশৰ 'ভক্তিক' ভক্তি কৰোঁ। ইমান দিন ধৰি সমস্ত পূজা য'ত দিয়া হৈছে, সেয়ে মোৰ পূজনীয়। মই কোনোমতেই মিছনেৰিৰ দৰে তাত বিহ-চকু পেলাব নোৱাৰোঁ।"

সুচৰিতাই মনে মনে কিবা এটা ভাবি গোৰাৰ মুখৰ ফালে চাই গোৰাই ক'লে,—"মোৰ কথা ঠিক মতে বুজা যে তোমাৰ পক্ষে সেইটো মই জানো। কিয়নো এটা সম্প্ৰদায়ৰ ভিতৰত এইবিলাক কথা সহজ ভাৱে চাব পৰা শক্তি তোমালোকৰ নোহোৱা গৈছে। তুমি যেতিয়া তোমাৰ মাহীয়েৰাৰ ঘৰত গোঁসাই দেখা, তুমি সেই শিলৰ মূৰ্ত্তিটোহে দেখা, মই কিন্তু দেখোঁ তোমাৰ মাহীয়েৰাৰ কৰুণ হৃদয়। সেইয়া দেখি মই জানো খং কৰিব পাৰোঁ, অশ্ৰদ্ধা পাৰোঁ? তুমি বাৰু সঁচাকৈয়ে ভাবা নে যে সেই মূৰ্ত্তিৰ বাহিৰে আন একো নহয়।"

সুচৰিতাই ক'লে,—"ভক্তি কৰিলেই হ'ল জানো? কৰিছোঁ একো

গোৰাই ভিতৰি ভিতৰি অলপ উতলা হৈ ক'লে,—"অৰ্থাৎ তুমি মনতে কৰিছা এটা সীমাৰ ভিতৰত থকা বস্তুক ঈশ্বৰ বুলি পূজা দিয়া ভ্ৰম। কিন্তু কেৱল দেশ কালৰ ফালৰপৰাই জানো সীমা নিৰ্ণয় কৰিব লাগিব? ধৰি লোৱাঁ, ঈশ্বৰ সম্বন্ধে কোনো এটি শাস্ত্ৰৰ বচন মনত পৰিলে তোমাৰ বৰ ভক্তি ওপজে; সেই বচনটি যিটো পাততে লিখা আছে সেই পাততো জুখি তাৰ আখৰ কেইটা গণিহে জানো তুমি সেই বচনৰ মহত্ত্ব স্থিৰ কৰিবা। ভাবৰ অসীমতা, দূৰ দিগন্তৰ অসীমতাতকৈ কি বহুতো ডাঙৰ বস্তু। চন্দ্ৰ, সূৰ্য্য তৰাবে ভৰা এই অনন্ত আকাশতকৈ এই অকণমান গোঁসাই জনাই যে তোমাৰ মাহীয়েৰাৰ মনত সঁচাকৈয়ে অসীম। জোখ মাখ কৰিব পৰা অসীমকহে তুমি অসীম বুলি ভাবা, আৰু সেই কাৰণেই চকু মুদিহে তুমি অসীমৰ কথা ভাবিব লগা হয়; তাৰপৰা কিবা ফল পোৱানে নোপোৱা নেজানো, কিন্তু হৃদয়ৰ অসীমক চকু মেলিয়েই এই অকণমান বস্তুটোৰ মাজতো পোৱা যায়। আৰু তাকে যদি নেপালেহেঁতেন তেনেহলে তোমাৰ মাহীয়েৰাৰ সংসাৰৰ সকলো সুখ নষ্ট হৈ যাওঁতেও জানো সেই গোঁসাই জনাকে এনেকৈ সাৱটি ধৰি থাকিব পাৰিলেহেঁতেন? হৃদয়ৰ ইমান ডাঙৰ শূন্যতা ধেমালিৰ ছলেৰেও এডোখৰ কলেৰে পূৰ কৰিব পাৰি জানো? ভাবৰ অসীমতা নেথাকিলে মানুহৰ হৃদয়ৰ শূন্য অংশ দূৰ নহয়।"

এনেবিলাক সূক্ষ্ম কথাৰ উত্তৰ দিয়া সুচৰিতাৰ অসাধ্য, কিন্তু এই নিজক সঁচা বুলি মানি লোৱাও তাইৰ পক্ষে একেবাৰেই অসম্ভৱ। এই কাৰণেই ভাষাৰে বুজাব নোৱাৰা আৰু যাৰ প্ৰতিকাৰো নাই—এনে এটা শোকে তাইক অনবৰত খুন্দা মাৰি ধৰি থাকে।

বিপৰীত দলৰ লগত তৰ্ক কৰাৰ সময়ত গোৰাৰ মনত কোনো দিনেই শেষ মানো দয়া নিবিবিঙে। বৰঞ্চ এনে ক্ষেত্ৰত তাৰ মনত চিকাৰী জন্তুৰ নিচিনা এটা কঠোৰ হিংসা ভাৱ ওপজে। কিন্তু সুচৰিতাৰ মাত সোল নোহোৱা পৰাজয় দেখি তাৰ মনটো সকলো সময়তে গধুৰ গধুৰ লাগি থাকিবলৈ ধৰিলে। কোমল মাতেৰে সি ক'লে,—"তোমালোকৰ ধৰ্ম্ম মতৰ বিৰুদ্ধে মই কোনো কথা কব নোখোজোঁ। মোৰ মাখো কৰা অগীয়া এয়ে যে—তুমি যাক গোঁসাই বোলাত নিন্দা কৰিছা, সেই গোঁসাইত জনা নো কি, কেৱল চকুৰে চায়েই বুজিব নোৱাৰি। যাৰ মন গোঁসাইত লীন গৈছে, যাৰ হৃদয়ে তৃপ্তি পাইছে, যাৰ চৰিত্ৰই তেওঁতে আশ্ৰয় লৈছে, সেই জনেহে জানে গোঁসাই মাটিৰ নে চিত্তৰ, সসীম নে অসীম। মই

তোমাক কৈছোঁ নহয়, আমাব দেশব কোনো ভক্তয়েই সসীমব পূজা নকবে। সীমাব ভিতবত থাকি সীমাক হেবুৱাই পেলোৱা—এয়েই তেওঁলোকব ভক্তিব আনন্দ।"

সুচবিতাই ক'লে,—"কিন্তু সকলোৱেইতো আৰু ভক্ত নহয়।"

গোবাই ক'লে, "যি জন ভক্ত নহয়, তেওঁ কিহব পূজা কবে কথাব বিচাব কবি লাভ কি '?"

গোবাই ক'লে, "যি জন ভক্ত নহয়, তেওঁ কিহব পূজা কবে কথাব বিচাব কবি লাভ কি ?" ভক্তিহীন জনে ব্রাহ্ম সমাজত কি কব তেওঁব সকলো পূজা ঢুকি নোপোৱা অতল শূন্যতাত পবে গৈ। শূন্যতাতকৈয়ো ভয়ানক—দলাদলিয়েই তেওঁব গোঁসাই, অহঙ্কাবেই তেওঁ পুবোহিত। এনে তেজপিয়া দেৱতাব পূজা তোমালোকব সমাজত কোনে দেখা নাই জানো ?"

এই কথাব কোনো উত্তব নিদি সুচবিতাই গোবাক সুধিলে,—"ললিতাব সম্বন্ধে যিবিলাক কথা আপুনি কৈছে, এই বিলাক বাৰু আপুনি কিদে দেখি শুনি লাভ কবা জ্ঞানবপবাই কৈছে নে ?"

গোবাই মিচিকিয়াই হাঁহি উত্তব দিলে,—"অর্থাৎ তুমি জানিব খুজিছা মই কোনোবা দিনা ঈশ্বব বিচাবিছোঁ নে নাই ? নে মোব মন সেই যোৱাই নাই।"

এইযাব কথা শুনি সুচবিতাব ভাল পাবলগীয়া একো কাবণেই কিন্তু তথাপি তাই যেন উশাহ লৈ বক্ষা পবিল। এই সম্পর্কে দি কিবা কোৱাব যে গোবাব অধিকাব নাই, এই কথা জানি প্রকাব নিশ্চন্ত হ'ল।

গোবাই ক'লে,—"কাববাক ধর্ম্ম শিক্ষা দিব পাবোঁ, এনে দাম্ভিক কবিব খোজা নাই। কিন্তু আমাব দেশব ভক্তিক তোমালোকে মূর্খ কবিবা, সেইটো কোনো দিনেই মই সহ্য কবিব নোৱাবিম। তুমি দেশব মানুহক মাতি কৈছা—তোমালোক মূর্খ, তোমালোক পৌত্তলিক নহয়, তোমালোক জ্ঞানী, তোমালোক ভক্ত। আমাব ধর্ম্ম তত্ত্বত যি মহত্ত্ব আছে, ভক্তিতত্ত্বত যি গভীবতা আছে, সেই বিলাকলৈ শ্রদ্ধা দেখুৱাইহে সেইবিলাকব প্রতি মোব দেশব ভক্তিক তুলিব খোজো ; যতেই দেশব সম্পদ আছে তাতেই দেশব অভিমান বাখিবলৈ বিচাবোঁ। মই দেশব

প্রতি দেশব ধিক্কাব জন্মাই নিজব সত্যব প্রতি দেশক কণা হৈ থাকিবলৈ দিওঁ। এয়ে মোব প্রতিজ্ঞা। তোমাব কাষলৈয়ো মই সেই কাৰণেই আহিছোঁ। তোমাক দেখাবেপবাই এটা নতুন কথা দিনে বাতয়ি মোব মত যুবি আছে। ইমান দিন সেই কথা মই ভবা নাছিলোঁ। কিন্তু চবিবেপবা অনববত এই কথাই মোব মনত খেলাই আছে যে অকল পুৰুষব চাৱনিবে চালেই তো ভাবতবর্ষক সম্পূর্ণকৈ চোৱা নহয়। ভাবত-মাৰ্ আমাব দেশব মাইকী মানুহব চকুত যিদিনা দেখা দিব, সেই দিনাহে ভাবতব প্রকাশ সম্পূর্ণ হব। তোমাব লগত লগ হৈ একেলগে একে চাৱনিবে মই মোব দেশখন সমুখত বাখি চাম—এই আকাঙ্ক্ষাই মোক পুবি থাকিছে। মই পুৰুষ হৈ মোব ভাবতবর্ষব কাৰণে কষ্ট কবি কেৱল মবিবহে পাৰোঁ, কিন্তু তুমি নেথাকিলে বস্তি জলাই তেওঁক আদবি আনিব কোনে ? তুমি থাঁতবি থাকিলে ভাবতক ভালকৈ সেৱা কবাও সম্ভব নহয়।"

হায়, ক'ত আছিল ভাবতবর্ষ ! কোন সুদূবত আছিল সুচবিতা ! বাক ক'বপবা আহিল ভাবতবর্ষব এই ভোলানাথ তপস্বী সাধক ! সক-লোকে ঠেলি-হেঁচি কিয় তাইব কাষত থিয় দিলেহি ! আন সকলোকে ধবি কিয় তাইক হে আহ্বান কবিলেহি। অকণো ভয় নকবিলে, কোনো বাধা নেমানিলে। কলেহি—'তোমাক নহলে যে নহব, তোমাক নিবব কাৰণেই আহিছোঁ, তুমি বনবাস খপি থাকিলে যজ্ঞ সম্পূর্ণ নহয়।' সুচবিতাব দুই চকুৰেদি টপ্ টপ্কৈ চকুলো ববলৈ ধবিলে, কিন্তু এই চকু-পানী যে কিয় ওলাইছে তাই নিজেই বুজি নেপালে।

গোবাই সুচবিতাব মুখলৈ চালে। চকুলো বৈ থকা চকু যুবি তাই তললৈ নমালে। তাইব চকু যুবি নিয়বত তিতি থকা অলব-অচল ফুল পাহিব দবেই আপোনভোলা ভাৱত গোবাব মুখব পিনে মুখ কবি ফুলি থাকিল।

চকুলোৱে ধুই নিয়া সুচবিতাব সঙ্কোচ নোহোৱা নির্ভয় চকু যুবিব কাণত উঁইকঁপত শিলব কাবেং কঁপাদি গোবাব সমস্ত প্রকৃতি কঁপিবলৈ ধবিলে। গোবাই প্রাণপণে নিজকে চম্ভালিবব কাৰণে মুখ ঘুৰাই খিড়িকী-দেদি বাহিবব পিনে চালে। তেতিয়া সন্ধিয়া হৈ গৈছিল। সৰু বাটটো গৈ ম'ত ডাঙব আলিত লগ লাগিছে, তাতে মুকলি আকাশত কলা শিলব দবে অন্ধকাবব ওপবত তবা দেখা গৈছিল। সেইকণ আকাশ, সেই কেইটা তাই আজি সংসাবব সকলো দাবীবপবা চিনাকি পৃথিৱীখনব ধবা-বন্ধা দৈনন্দিন কর্ম্মপদ্ধতিবপবা গোবাব মন ক'লে, কিমান দূবলৈ যে টানি লৈ

গ'ল! বাজ্য-সাম্রাজ্যব কত উঠা-পবা, যুগ-যুগান্তব ধবি কিমান চৌ
কিমান প্রার্থনা—এই সকলোবিলাককে বহুত দূবত পিচ পেলাই থৈ, সেই
আকাশখন আৰু সেই কেইটা তবা সম্পূর্ণ নিলিপ্ত হৈ বৈ আছে।
অথচ পাব নোপোৱা গভীবতাব মাজবপবা যেতিয়া এখন হৃদয়ে আৰু
এখন হৃদয়ক কাষলৈ মাতে, তেতিয়া সেই দুই হৃদয়ব অফুট বাকুলতাই
যেন সেই দূবণিব আকাশকণ আৰু তবা কেইটিকো বিয়াকুল কবি পেলায়।
কামত তবণি নোহোৱা কলিকতাব আলিবাটব গাড়ী ঘোঁবা আৰু বাটচলা
আহ-যাহ সেই নিমিষতে যেন গোবাব চকুত ছাঁয়া-ছবিব দবে আকাবলোৱা
হৈ পবিল। নগবব কোৰ্হালে তাক ঢুকি নেপালেহি। নিজব অন্তব
ফালে চাই দেখিলে—সিও যেন আকাশব দবে নিমাত, নিটাল এন্ধাব অন্ধ
তাতেই চকুলো ভবা সবল কৰুণ চকু হালিয়ে টিপ্ মাবিবলৈ পাহবি গৈ
অনাদি কালবপবা অন্তকালব ফালে ব লাগি চাই আছে।

হবিমোহিনীব মাতত উচপ্ খাই গোবাই মুখ ঘুবালে। "কোৱা
কিবা অলপ মুখত দিয়াহি আহাঁ।"

গোবাই লবালবিকৈ উঠি ক'লে,—"আজি কিন্তু নেখাওঁ। আমি
মোক ক্ষমা কবিব লাগিব—মই এতিয়া যাওঁ।" কৈয়েই গোবাই আৰু
কথালৈ বাট নেচাই লবালবিকৈ গুচি গ'ল।

হবিমোহিনী আচবিত হৈ সুচবিতাব মুখব ফালে চালে। সুচবিতা
কোঠাবপবা বাহিবলৈ ওলাই গ'ল। হবিমোহিনীয়ে মূব জোকাবিজোকাবি
ভাবিলে—'ই আকৌ কি কথা?'

অলপ পিচতে পবেশ ভট্ট উপস্থিত হলহি। সুচবিতাব কোঠাব
সুচবিতাক নেদেখি হবিমোহিনীব ওচবলৈ গৈ সুধিলে,—"প্রাৰ্থনা
ক'ত আছে?"

হবিমোহিনীয়ে তিলা-লগা সুবত ক'লে,—"কেনেকৈ কওঁ, মূৰ
পব চোন গৌবমোহনব লগত মেল মাবি আছিল, এতিয়া বোধকবোঁ।
অকলেই ঘূবা-পকা কবা হৈছে।"

পবেশ ভট্টই আচবিত হৈ সুধিলে,—"এই জাবত ইমান বাতি ছুটত
হবিমোহিনীয়ে ক'লে,—"কিছু চেঁচা পবিব দিয়ক, আজি-কালি
ছোৱালীক জাবে অপকাব নকবে।"

হবিমোহিনীব মন আজি বেয়া লাগি থকাব কাবণে খুঙতে সুচবিতাক
খাবলৈ নেমাতিলে। সুচবিতাবো আজি সময়ব ভু নাছিল।
হঠাৎ পবেশ ভট্ট

গই ক'লে, "দেউতা, বলক, তললৈ বলক, ইয়াত আপোনাব জাব
লাগিব।"

ভিতবলৈ আহি চাকিব পোহবত ভট্ট ডাঙবীয়াব উদ্‌বিগ্ন মুখখন দেখি
সুচবিতাই মনতে বব দুখ পালে। ইমান দিন যিজন মাউৰা ছোৱালী
জনীব পিতা আৰু গুৰু হৈ আছিল, শিশুকালৰেপবা আজিলৈকে থকা
সকলো বান্ধোন ছিণ্ডি কোনে আজি তাইক তেখেতবপবা দূবলৈ টানি
নিছে? সুচবিতাই কোনো বকমেই যেন নিজকে চম্ভালিব পবা
নাই। ভট্ট ডাঙবীয়া ভাগব লগাব দবে চকীত বহি পবিলত, সুচ-
বিতাই তাইব হোহোৱাই ওলাই আহিব খোজা চকুলো লুকুবাবৰ বাবে
পবেশ ভট্টব চকীব পিচব পিনে থিয় হৈ তেওঁব পকা চুলিব মাজত আঙুলি
সুমুবাই মূবত হাত বুলাই দিবলৈ ধবিলে।

পবেশ ভট্টই ক'লে,—"বিনয়ে দীক্ষা লবলৈ অসম্মত হৈছে।"

সুচবিতাই একো উত্তব নিদিলে। ভট্টই ক'লে,—"বিনয়ব দীক্ষা
গ্ৰহণব প্রস্তাবত মোব যথেষ্ট সন্দেহ আছিল, সেই দেখিয়েই মোব ইয়াত
বিশেষ দুখ নাই—কিন্তু ললিতাব কথাব ভাৱৰপবা বুজিব পাৰিছোঁ, দীক্ষা
সোহোৱাকৈয়ে বিনয়ব লগত বিয়া হোৱাব কিবা বাধা হব পাবে বুলি তাই
অনুভবেই কবা নাই।"

সুচবিতাই হঠাৎ ডাঙবকৈ ক'লে,—"নহয় দেউতা, সেইটো কেতিয়াও
হ'ব নোৱাবে। কোনোৰকমেই নহয়।"

সচবাচব সুচবিতাই অনাৱশ্যক ব্যগ্রতা দেখুৱাই কথা নকয়; সেইদেখি
তাইব মাতত হঠাতে এনে প্ৰবল অস্থিবতা দেখি মনে মনে অলপ আচবিত
হৈ পবেশ ভট্টই সুধিলে,—"কি হব নোৱাবে।"

সুচবিতাই ক'লে,—"বিনয় ব্রাহ্ম নহলে কোন মতে বিয়া হব?"

পবেশ ভট্টই ক'লে,—"হিন্দু মতে।"

সুচবিতাই জোবেবে মূব জোকাবি ক'লে,—"নহয়, নহয়, আজি-
কালি এইবোৰ কি হব ধবিছে? এনে কথা মনতো ভবা অনুচিত।
গেহত গোঁসাই পূজা কবিহে ললিতাব বিয়া হব! এইটো কোনো পধ্যেই
হবলৈ দিব নোৱাবোঁ।"

সুচবিতাব মন গোবাব ফালে টান খোৱাব কাবণেই নে কি, তাই আজি
হিন্দু মতে বিয়া পতাব কথাত এনে এটা অস্বাভাবিক দুখ দেখুৱাইছে।
এই দুখব গুবিব কথাটো হৈছে সুচবিতাই ভট্ট ডাঙবীয়াক মনতে
আকোৱালি ধবি কব খোজে—তোমাক নেবো, মই এতিয়াও তোমাব

সমাজবেই, তোমাব মতবেই, তোমাব শিক্ষাব বান্ধোন কোনো মবে
বলৈ দিব নোৱাবোঁ।।"

পবেশ ভট্টই ক'লে,—"বিয়া হিন্দু মতে হলেও শালগ্রাম
অনুষ্ঠান বাদ দিবলৈ বিনয় বাজী হৈছে।"

সুচবিতা পবেশ ভট্টব চকীখনব পিচফালবপবা উঠি আহি
পিনে চকী এখন টানি বহিলহি। ভট্টই তাইক সুধিলে,—"তুমি
কব খোজা ?"

সুচবিতাই অলপ মনে মনে থাকি ক'লে,—"আমাব
তেনেহলে ললিতা ওলাই যাব লাগিব।"

পবেশ ভট্টই ক'লে,—"এই বিষয়ে মই দকৈ ভাবি চাইছোঁ।
সমাজব কোনো এজন মানুহব লগত বিবোধ উপস্থিত হয়, তেতিয়া
কথা ভাবি চাব লাগিব—দুয়ো পক্ষব ভিতবত ন্যায় কাব কাফল
বলী কোন। সমাজেই যে শক্তিশালী ইয়াত তো কোনো সন্দেহ
সেইদেখি বিদ্রোহ কবা জনে দুখ পাবই লাগিব। ললিতাই
বাবে কৈছে যে দুখ মূব পাতি লবলৈ তাই সাজু, আৰু তাত
আনন্দহে পাব। এইটো যদি সঁচা হয়, আৰু যি স্থলত মই
অন্যায় দেখা নাই, তেন্তে মই কি বুলিনো হাক দিম ?"

সুচবিতাই ক'লে,—"কিন্তু দেউতা, এইটো নো বাৰু কেনে
হব ?"

পবেশ ভট্টই ক'লে,—"এটা সঙ্কট আহি পবিব বুলি মই
বুজিছোঁ। কিন্তু ললিতাব লগত বিনয়ব বিয়া হোৱাত আৰু এক
নাই যেতিয়া সেইখন বিয়া ববং হোৱাহে উচিত। তেনে স্থলত
বাধা দিলেও মোব মনে কয়, সমাজব সেই বাধা মানি লোৱা
মানুহ সমাজব ভয়ত চিবকাল কোঁচখাই থাকিব লাগিব, এই কথা
অনুচিত। সমাজেহে মানুহব কাবণে নিজকে নিজে উদাব কবিব
আৰু তাব বাবে যি বিলাকে দুখ মূব পাতি লবলৈ সাজু
তেওঁলোকক নিন্দা কবিব নোৱাবোঁ।।"

সুচবিতাই ক'লে,—"দেউতা, এই বিষয়ত কিন্তু আপুনিকৈ
লোতকৈ বেচি দুখ পাব লাগিব।"

পবেশ ভট্টই ক'লে,—"সেইটো একো ভাবিবলগীয়া
নহয়।"

সুচবিতাই সুধিলে "

পবেশ ভট্টই ক'লে,—"নাই এতিয়াও দিয়া নাই। কিন্তু দিবই লাগিব। ললিতাই যি বাটেদি আগবাঢ়িছে সেই বাটত মোব বাহিবে তাইক আৰু কোনে আশীর্ব্বাদ কবিব ? ঈশ্বৰব বাহিবে তাইব অন্য সহায় নাই।"

ভট্ট ডাঙবীয়া উঠি গ'ল, কিন্তু সুচবিতা থিব হৈ বহিয়েই থাকিল। পবেশ ভট্টই ললিতাক যে মনে মনে কিমান ভাল পায়, সেই কথা সুচবিতাই জানে। আৰু সেই কাবণেই চিনাকি বাট এবি আজি ললিতাই অনিশ্চিত ,পথত ভবি দিয়াত ভট্ট ডাঙবীয়াব মনটো যে কিমান উগুল-থুগুল লাগিছে, সেইটো আৰু বুজিবলৈ সুচবিতাব বাকী নেথাকিল। তেনে অৱস্থাতো তেওঁ এই বয়সত এটা বিপ্লৱব সহায় হবলৈ আগবাঢ়িছে, অথচ মনত কিমান সামান্য বিক্ষোভ ! তেওঁ কাবো ওপবত কতো অকণো জোৰ-জুলুম দেখুৱা নাই। কিন্তু এই জোৰ-জুলুম প্ৰকাশ নকৰাটোৱেই যে কিমান ডাঙৰ এটা জোৰ অনায়াসে আত্ম-গোপন কবি আছে !

পবেশ ভট্টব প্ৰকৃতিব নতুন যি এটা পবিচয় আজি সুচবিতাই পালে, সেইটো আগেয়ে হলে একো আচবিত বুলি নেভাবিলে হয়। কাৰণ কেঁচুৱাবেপবাই ভট্ট ডাঙবীয়াক তাই দেখি আহিছে। কিন্তু আজিয়েই, মাত্ৰ অলপ আগতে সুচবিতাই গোটেই অন্তঃকৰণেৰে গোবাৰ খোঁচ সহ্য কবিছে। আৰু সেই কাবণেই এই দুই ধৰণৰ চবিত্ৰৰ পার্থক্য তাই নিজৰ মনতে নেভাবি নোৱাবিলে। গোবাৰ নিজৰ ,ইচ্ছা শক্তি বেচি বলী আৰু সেই ইচ্ছা শক্তিকে প্ৰতাপেৰে ব্যৱহাব কবি সি আনক বিহ্বল কবে। যেয়ে যি কোনো কথাতে গোবাব লগত সম্বন্ধ পাতিলেই সি গোবাব ইচ্ছাব ওচবত মূব দোঁৱাবলগীয়া হয়। সুচবিতাই আজি মূব দোঁৱাইছে আৰু দোঁৱাই আনন্দও পাইছে, নিজকে বিসর্জ্জন দি এটা ডাঙৰ বস্তু পাইছে বুলি তাই অনুভৱ কবিছে। কিন্তু তথাপিও আজি যেতিয়া ভট্ট ডাঙবীয়াই তাইব কোঠাব চাকিব পোহৰৰপবা গহীন ভাৱে এখোজ-দোখোজকৈ তলমুকৈ আন্ধাবলৈ ওলাই গ'ল গৈ, তেতিয়া সুচবিতাই মনে মনে ভট্ট ডাঙবীয়াক ডেকা তেজেৰে তেজিয়ান গোবাব লগত ভালকৈ বিজাই চালে, আৰু অন্তবৰ ভক্তি পুষ্পাঞ্জলি ভট্ট ডাঙবীয়াৰ ভবিতে অর্পণ কবিলে আৰু কোলাব ওপবত দুই হাত একেলগ কবি বহুত পবলৈকে এখনি আঁকি থোৱা ছবিব দৰে থব হৈ বহি থাকিল।

৬১

আজি বাতিপুৱাৰেপৰা গোৱাৰ ঘৰত এক হুলস্থূল আৰম্ভ হৈ
প্ৰথমে মহিমে তাৰ হোঁকাত হোপা মাৰি মাৰি আহি গোৱাক সুধিলে—
"তেনেহলে বিনয়ে ইমান দিনৰ মূৰত শিকলি ছিঙিলে বোধকৰোঁ!"

গোৱাই কথাটো ধৰিব নোৱাৰি মহিমৰ মুখলৈ চাই থাকিল। মহিম
কলে,—"আমাৰ ওচৰত কথা লুকুৱাই কি হব কোৱঁা, তোমাৰ বন্ধুৰ কথা
আৰু লুকাই থকা নাই—ফাটি-ফুটি গৈছে। এইয়া চোৱাচোন।" এই
মহিমে গোৱাৰ হাতত এখন বঙালী বাতৰি-কাকত দিলে। তাত
দেওবাৰে ব্ৰাহ্ম-সমাজত বিনয়ৰ দীক্ষা গ্ৰহণৰ সংবাদ উপলক্ষ কৰি
ঢোকা প্ৰবন্ধ ওলাইছে।

গোৱা জেলখানাত থকা সময়ত ব্ৰাহ্ম-সমাজৰ কন্যাদায়গ্ৰস্ত কোনো
এজন নামজলা সভ্যই এই দুৰ্ব্বলচিতীয়া ডেকাক মনে মনে কোনো
বশ কৰি সনাতন হিন্দু-সমাজৰপৰা আঁতৰাই নিছে বুলি লিখকে
প্ৰবন্ধত বহুত কটু কথা লিখিছে।

গোৱাই এই কথা নেজানো বুলি কোৱাত মহিমে বিশ্বাসেই কৰা নাছিল।
পিচত বিনয়ৰ এনেকুৱা লুকাই-চুৰকৈ কৰা কামত গোৱা অতি
হ'ল। সি কলে যে নিজ মুখে শশীমুখীক বিয়া কৰাম বুলি কথা
পিচত যেতিয়া সি নিজৰ সেই কথাৰে আকৌ হেৰ-ফেৰ কৰিবলৈ
তেতিয়াই আমি বুজা উচিত আছিল যে তাৰ সৰ্ব্বনাশৰ সূত্ৰপাত হৈছে।

অবিনাশ ফোপাই-জোপাই আহি কলে,—"গৌৰ ককাইদেউ! এই
কি কাণ্ড। ই যে আমি সপোনতো ভাবিব পৰা নাছিলোঁ—বিনয় চৌধুৰী
শেষত—"

অবিনাশে কথাষাৰ আৰু শেষেই কৰিব নোৱাৰিলে। বিনয়ৰ
লাঞ্ছনাত সি ইমান স্ফুৰ্ত্তি পাইছিল যে বেজাৰৰ ভাও ধৰি থকাও
তাৰ কাৰণে অসম্ভৱ হৈ পৰিল।

চাওঁতে চাওঁতে গোৱাৰ ঘাই লগৰীয়াবোৰ সকলোৱেই আহি ওলাল।
বিনয়ক লৈ সিহঁতৰ ভিতৰত বৰকৈ উখনা-উখনি লাগি পৰিল।
ভাগেই একমত হৈ কলে,—যে এই ঘটনাত আচৰিত হব লগা
নাই; কাৰণ সিহঁতে বিনয়ৰ ব্যৱহাৰত আগৰেপৰা এটা দোষোৰ-
আৰু দুৰ্ব্বলতাৰ লক্ষণ দেখি আহিছে। দৰাচলতে বিনয়ে কোনো

কায়মনোবাক্যে সিহঁতৰ দলত সম্পূৰ্ণকৈ সোমাই পৰা নাছিল। বহুতে
কলে—বিনয়ে আৰম্ভণিৰেপৰা নিজকে গৌৰমোহনৰ জোৰৰ-জোখৰ বুলি
চলাই দিবলৈ যি চেষ্টা কৰিছিল—সেইটোহে তেওঁলোকৰ ফালে সহ্য
কৰা বৰ টান হৈ পৰিছিল। অইন সকলোৱে এটা ভক্তি আৰু সঙ্কোচৰ
ভাৱেৰে গৌৰমোহনৰ লগত অলপ সৰঙা বাখি চলিছিল, কিন্তু সি খেদি
আহি গোৱাৰ লগত এনে এটা সনা-পোতকাৰ ভাৱ দেখুৱাইছিল—যেন সি
অইনতকৈ বেলেগ আৰু গোৱাৰ ঠিক সমান লেখৰ মানুহ। গোৱাই তাক
মৰম কৰে বুলিহে সকলোৱে তাৰ এই গেলাগপ সহি আছিল। এই সৰু-বৰ
নখনা ভেমত ওফন্দি ফুৰাবোৰৰ শেষফল এনেকুৱা দুখ লগাই হয়।

তেওঁলোকে কলে,—"আমি বিনয় চেটাৰ্জ্জীৰ দৰে বিদ্বান নহওঁ,
আমাৰ বেচি ঢোকা বুদ্ধিও নাই; কিন্তু আমি সদায় হওক নহওক এটা
'প্ৰিন্সিপ্‌ল' মানি চলোঁ, আমি মুখত এক, পেটত এক নহয়, আজি এনে-
কুৱাহে, কাইলৈ তেনেকুৱাহে—সেইবোৰ আমাৰদ্বাৰা অসম্ভৱ—সিফালে
আমাক মূৰ্খ-গাধ যিহকে বোলা।"

এইবোৰ আলোচনা-বিলোচনাত গোৱাই একাষাৰ মাতো নেমাতিলে,
থিৰ হৈ বহি থাকিল।

সময় যোৱাৰ লগে লগে এজন এজনকৈ আটাইকেজন গ'লগৈ।
এনেতে গোৱাই বিনয়ক তেওঁৰ কোঠাৰ কাষৰ খট্-খটিয়েদি তেওঁক মাত
দিদিয়াকৈয়ে ওপৰলৈ উঠি যোৱা দেখিলে। গোৱা লৰালৰিকৈ কোঠাৰপৰা
ওলাই আহি মাতিলে,—"বিনয়"।

বিনয় খট্‌খটিৰপৰা নামি আহি গোৱাৰ কোঠাত সোমাওঁতেই গোৱাই
কলে,—"বিনয়, মই নিজে নজনাকৈয়ে তোমাৰ কিবা অন্যায় কৰিলোঁ
হবলা; মোৰ মনে খেলাইছে—তুমি যেন মোক এৰিলা।"

আজি গোৱাৰ লগত এখন খৰিয়াল লাগিব, এইটো ঠিক কৰি বিনয়ে
নিজৰ মনটো ডাঠ কৰি আহিছিল। কিন্তু আহি দেখিলে গোৱাৰ মুখখন
বেজাৰত ক'লা পৰি আছে আৰু মাতটোও এটা মৰমসনা বেজাৰৰ মাত।
বিনয়ে গাৰ বলেৰে মন ডাঠ কৰি আহিছিল যদিও সি খন্তেকতে ভাঙি-
ছিণ্ডি গল।

সি কৈ পেলালে, "ভাই গোৱা, তুমি মোক ভুল নুবুজিবা। জীৱনত বহুত
গলমি ঘটে, বহু বস্তু এৰিবলগীয়া হয়, সেই বুলিয়েই বন্ধুত্ব কিয় এৰি দিম।"

গোৱাই অলপ মনে মনে থাকি কলে,—"বিনয়, তুমি ব্ৰাহ্ম-সমাজৰ
দীক্ষা ললা নে কি?"

বিনয়ে কলে,—"নাই গোৱা, লোৱা নাই আৰু নলৰোঁ। দি
লোৱা-নোলোৱাৰ ওপৰত মই গুৰুত্ব দিব খোজা নাই।"

গোৱাই সুধিলে, "তাৰ মানে কি?"

বিনয়ে কলে,—"তাৰ মানে এই যে মই ব্ৰাহ্ম-ধৰ্ম্মত দীক্ষা লৈ
নললোঁ তাকে বৰ ডাঙৰ কিবা কথা এটা কৰি তোলাৰ মোৰ ইচ্ছা নাই।

গোৱাই সুধিলে,—"বাৰু, আগেয়ে মনৰ ভাব কেনে আছিল
এতিয়ানো কেনে হৈছে কোৱাচোন।"

গোৱাৰ কথাৰ সুৰ শুনি বিনয়ৰ মনে পুনৰ 'যুদ্ধং দেহি' ভাব
কৰিলে। সি কলে,—"আগেয়ে যেতিয়া শুনো যে কোনোবাই
হৰলৈ ওলাইছে, তেতিয়া বৰ খং উঠিছিল—আৰু ইচ্ছা কৰিছিলো
যেন এটা ভাল শাস্তি পায়। কিন্তু আজি আৰু মোৰ তেনে ভাব নাই।
মোৰ মনে ধৰে মতক মতেৰে, যুক্তিক যুক্তিৰেহে খণ্ডাব লাগে, বুজিলা
বিষয়ৰোবাক বাগ-খং কৰি দণ্ড বিহিবলৈ বিচৰা বৰ্ব্বৰতা মাথোন।"

গোৱাই কলে,—"হিন্দু ব্ৰাহ্ম হোৱা দেখিলে আৰু খং নুঠে,
ব্ৰাহ্মই প্ৰায়শ্চিত্ত হৈ হিন্দু হব খোজা দেখিলে তোমাৰ গা জ্বলি
লগত এতিয়া এয়ে তোমাৰ প্ৰভেদ হয়নে?"

বিনয়ে কলে,—"কথাষাৰ তুমি মোৰ ওপৰত খণ্ডতহে কৈছা,
কৰি কোৱা নাই।"

গোৱাই কলে,—"মই তোমাৰ ওপৰত যথেষ্ট শ্ৰদ্ধা ৰাখিহে কৈছো,
এনেকুৱা হোৱাই উচিত আছিল; মই হলেও তেনেকুৱাই হলহেঁতেন
বহুৰূপীৰ বোলৰ দৰে ধৰ্ম্মমত গ্ৰহণ আৰু ত্যাগো যদি গাৰ ছালৰ
থকা বস্তু হলহেঁতেন, তেতিয়া তো কোনো কথাই নাছিল; কিন্তু
এটা অন্তৰৰ, মৰ্ম্মৰ কথা, সেই কাৰণেহে ইয়াক উলাই কৰিব নোৱাৰা
যদি কোনো বকমৰ বাধা নেথাকিলহেঁতেন, যদি কোনো দণ্ড দিব
নহলহেঁতেন তেনেহলে এটা গধুৰ বিষয়ত মত মানি লোৱা বা
সময়ত মানুহে কিয় তাৰ সমস্ত বুদ্ধি-বৃত্তি সজাগকৈ
সত্যক যথাৰ্থ সত্য বুলি লোৱাৰ সময়ত মানুহে পৰীক্ষা দিব লাগিব।
স্বীকাৰ কৰিব লাগিব। বেচ নিদিয়াকৈ বস্তু লাভ—সত্যৰ
ইমান চখৰ বেপাৰ নহয়।"

এইদৰেই তৰ্কত লাগাম একেবাৰে নোহোৱা হ'ল।
শৰৰ ঠেকা-ঠেকি লগাদি কথাৰ ওপৰত কথাৰ ঠেকা-ঠেকি
ছিটিকিবলৈ ধৰিলে।

বহুত পৰ তৰ্কযুদ্ধ হোৱাৰ পিচত বিনয়ে থিয় দি কলে,—
"গোৱা, তোমাৰ আৰু মোৰ স্বভাৱৰ ভিতৰত এটা মূলগত প্ৰভেদ আছে।
সেইটো ইমান দিন ঢাক খাই আছিল। ই যেতিয়াই মুৰ দাঙি উঠিব
বুজিছিল তেতিয়াই মই তাক হেঁচা মাৰি ধৰিছিলোঁ। কাৰণ মই জানো,
যে অমিল দেখিলে তুমি সন্ধি কৰিব নেজানা, একেকোৱেই তৰোৱাল
হাতত লৈ থিয় দিয়া। সেই দেখিয়েই তোমাৰ বন্ধুত্ব ৰক্ষা কৰিবলৈ মই
সদায় মোৰ স্বভাৱক চেপা মাৰি ৰাখিছোঁ। আজি বুজিব পাৰিছোঁ, এনে
কৰাবপৰা মঙ্গল হোৱা নাই, আৰু মঙ্গল হব নোৱাৰেও।"

গোৱাই কলে,—"বাৰু এতিয়া তোমাৰ উদ্দেশ্য কি মোক খুলি কোৱাচোন।"

বিনয়ে কলে,—"আজি মই অকলে থিয় দিছোঁ। সমাজ বোলা
ৰাক্ষসটোক সদায় এটা মানুহ বলি দি কোনো বকমে শান্ত কৰি ৰাখিব
লাগিব আৰু যেনেকৈয়ে হওক তাৰ শাসনৰ ফাঁচডাল ডিঙিত মেৰিয়াই থব
লাগিব, সিফালে প্ৰাণবায়ু যাওকেই বা থাওক—এই কথা মই কোনো
বকমে মানি লব নোৱাৰোঁ।।"

গোৱাই কলে,—"মহাভাৰতৰ সেই ব্ৰাহ্মণ শিশুটোৰ নিচিনাকৈ হাতত
খড়্গ লৈ বকাসুৰ বধ কৰিবলৈ ওলাবা নে কি?"

বিনয়ে কলে,—"মোৰ খড়্গত বকাসুৰ মৰিব নে নমৰে নেজানো,
কিন্তু মোক চোবাই গিলিবৰ অধিকাৰ যে তাৰ আছে, সেইটোও মই কোনো
বকমে নেমানো, যদিও সি চোবাই চোবাই নিতৌ গিলিব লাগিছে।"

গোৱাই কলে,—"তুমি এইবোৰ যি উপমা দি কথা কৈছা মই বুজিবলৈ
টান পাইছোঁ।"

বিনয়ে কলে,—"বুজা তোমাৰ পক্ষে টান নহয়—টান পাইছা মানি
ললৈ। মানুহ য'ত স্বভাৱত স্বাধীন, ধৰ্ম্মত স্বাধীন, আমাৰ সমাজে
সেইবিলাকতো তাৰ খোৱাত, লোৱাত, বহাত অনৰ্থক বান্ধোনেৰে বান্ধি
থৈছে। এই কথা তুমি মোতকৈ কম জানা, এনে নহয়; কিন্তু সমাজৰ
এই জোৰ-জুলুমক তুমি তোমাৰ জোৰ-জুলুমবদ্বাবাই মানিব খোজা। মই
আজি কৈছোঁ এই বিষয়ত মই কাৰো জোৰ-জুলুম নেমানো। সমাজৰ
দাবীও তেতিয়ালৈকেহে মানি লম, যেতিয়ালৈকে সমাজেও মোৰ উচিত দাবী
মানিব। আৰু সমাজেও যদি মোক মানুহ বুলি গণ্য নকৰে, মোক কলৰ
পুতলাহে কৰিব খোজে, ময়ো তাক ফুল-তুলসী দি পূজা নকৰোঁ, লোহাৰ
কল বুলিয়েই গণ্য কৰিম।"

গোবাই কলে,—"অর্থাৎ চমুকৈ কবলৈ হলে তুমি ব্রাহ্ম হবা।"
বিনয়ে কলে,—"নহওঁ।"
গোবাই কলে,—"তুমি ললিতাক বিয়া কবিবা?"
বিনয়ে কলে,—"এবা।"
গোবাই সুধিলে,—"হিন্দু বিয়া?"
বিনয়ে কলে,—"ওঁ।"
গোবা,—ভট্ট ডাঙবীয়া সন্মত নে?
বিনয়,—এইখন তেখেতব চিঠি।
গোবাই পবেশ ভট্টব চিঠি দুবাবো পঢ়িলে। চিঠিব শেষ অংশ আছিল—
"মোব ভাল বা বেয়া লগাব কথা নকওঁ, তোমালোকব সুবিধা-অসুবিধা
কথাও নুলিয়াওঁ। মোব মত—বিশ্বাস কি, মোব সমাজ কি, সেয়া
লোকে জানা; ললিতাই সৰুকালবেপবা কি শিক্ষা পাইছে, কি
মাজত ডাঙব-দীঘল হৈছে, সিও তোমালোকব নজনা নহয়। এই
কথা জানি-শুনি তোমালোকে তোমালোকব বাট বাছি লৈছা। মোব
একো কবলৈ নাই। নেভাবিবা যে মই চিন্তা নকবাকৈয়ে বা চিন্তা
ওব নেপাই গুবি এবি দিছোঁ। মোব শক্তি অনুসবি কথাটো ভাবি চাইছোঁ।
এইটো বুজিব পাবিছোঁ যে তোমালোকব মিলনত বাধা দিবলৈ
কোনো কাবণ নাই, কিয়নো তোমাব ওপবত মোব সম্পূর্ণ শ্রদ্ধা
এনে স্থলত সমাজব ফালবপবা যদি কিবা বাধা থাকেও সেইটো
মানি লবলৈ বাধ্য নোহোৱা। মই মাথো ইয়াকে কব খোজোঁ যে
লোকে সমাজক যদি চেবাই যাব খোজা, তেনেহলে তোমালোকব
জীৱনে কেৱল প্রলয়-শক্তিব সূচনা কবিলেই নহব, তাত সৃষ্টি
তত্ত্বও থাকিব লাগিব। কেৱল আজি এই এটা বিষয়তে
নহব, ইয়াব পিচতো তোমালোকব জীৱনব সকলো
গাঁঠি পেলাব লাগিব। আৰু সেয়ে নহলে তোমালোক
নামি যাবা। কিয়নো সমাজে বাহিৰবপবা
সাধাৰণব লগত একেটা ঢাপতে নেবাখে—তোমালোকক
সৰ্ব্বসাধাৰণতকৈ যদি ডাঙব হব নোৱাবা, তেনেহলে সাধাৰণতকৈ
তললৈ নামিব লাগিব। তোমালোকব ভৱিষ্যত ভাল-বেয়াব
নত ভালেখিনি শঙ্কা থাকিল। কিন্তু মোব আশঙ্কাব কাবণেই
কা-বধা কবিবব মন মোব নাই; কাবণ সংসাবত যিসকলে
জব জীৱনবদ্ধাবাই নতুন নতুন সমস্যাব মীমাংসা

ইসকলেহে সমাজক বলৱান কবি তোলে। যিসকলে কেৱল বিধি-
নিয়ম মানি চলে, সেইসকলে সমাজব ভাৰখন কান্ধত লয় যদিও সমাজক
সঙ্গবাই লৈ যাব নোৱাবে। সেয়েহে মই মোব নিজব কাপুৰুষতা আৰু
দুশ্চিন্তাব বাবে তোমালোকব বাটত হেঙাব নিদিওঁ। তোমালোকে যিটো
ঠিক বুলি ভাবিছা, সকলো বাধা-বিঘিনি থকা সত্ত্বেও সেইটো পালন কবাঁ,
ঈশ্বব তোমালোকব সহায় হওক। ঈশ্বৰে তেওঁব সৃষ্টিক কোনো এটা
উদ্দেশ্যব ভিতবতে শিকলিবে বান্ধি নথয়, ববঞ্চ তাক নতুন নতুন পৰিণতিব
মাজত চিব নবীন কবি জীয়াই বাখিছে। তোমালোকে তেওঁব সেই উদ্-
সাধনব দূত হৈ নিজব জীৱনক জোবব নিচিনাকৈ জনাই লৈ দুৰ্গম বাটত
খোজ বঢ়াইছা; যিজন বিশ্বব বাট দেখুৱাওঁতা, তেৱেঁই তোমালোকক বাট
দেখুৱাওক—মোব বাটেদিয়েই যে তোমালোকে সদায় বাট বুলিবা এনে বিধি
মই দিব নোৱাবোঁ। তোমালোকব বয়সত আমিও এদিন ঘাটব নাৱৰ জৰী
বুলি ধুমুহাব মুখত নাও মেলি দিছিলোঁ—কাৰো বাধা-নিষেধলৈ কাণ দিয়া
নাছিলোঁ। আজি সেই কাবণে অনুতাপ নকবোঁ। অনুতাপ কবিবলগীয়া
কাবণ হয়তো ঘটিবও পাবিলেহেঁতেন। মানুহে ভুল কবিব, নিষ্ফল হব,
দুখ পাব, কিন্তু সি হাত সাৰাটি বহি নেথাকে, যিটো উচিত বুলি বিবেচনা
কবিব তাব ওচবতে আত্ম সমর্পণ কবিব। এইদবেই পবিত্র সলিলা সংসাব
নীব সোঁত নিতৌ বৈ গৈ নির্ম্মল হৈ থাকিব। মাজে মাজে খন্তেকলৈ
পাৰ ভাঙি হানি-বিঘিনি ঘটাব পাবে বুলি আশঙ্কা কবি আমি যদি চিবকালব
কাবণে জীৱন সোঁতত ভেটা বান্ধি দিওঁ, তেতিয়া যে মবণক হে মাতি অনা
হয়—এই কথা মই ভালকৈ জানো। এই কাবণেই আজি যি শক্তিয়ে
তোমালোকক সুখ স্বচ্ছন্দতা আৰু সমাজ বিধিব বাহিৰলৈ খবতৰ বেগে
টানি নিছে, সেই জনাকেই ভক্তিব সেৱা জনাই সেইজনাব হাততে তোমালোক
দুবোকো মই সপি দিছোঁ। সিজনেই তোমালোকব জীৱনব সকলো
নিন্দা-গ্লানি আৰু আত্মীয়-বিচ্ছেদ যেন সফল কবি তোলে। যিজনাই
তোমালোকক দুৰ্গম বাটলৈ টানি আনিছে সেই গবাকীয়েই তোমালোকক
লক্ষ্য স্থানলৈ লৈ যাওক।"
চিঠিখন পঢ়ি উঠি গোবা অল্পপ সময় মনে মনে থকাত বিনয়ে কলে,—
"ভট্ট ডাঙবীয়াই তেওঁব ফালবপবা যেনেকৈ সন্মতি দিছে, তেনেকৈয়ে
গোবা, তুমিও তোমাব ফালবপবা সন্মতি দিব লাগিব।"
গোবাই কলে,—"ভট্ট ডাঙবীয়াই সন্মতি দিব পাবে, কিয়নো নৈব
কিটো সোঁতে পাব খহাইছে, সেই সোঁতটোৱেই হৈছে তেওঁলোকব। মই

ই গৰেই নেপাওঁ। হেজাৰ হেজাৰ বছৰ ধৰি সি ভাবিও চাইছে আৰু নিজকে বঙ্কাও কৰি আহিছে—সেইটোৱেই আমাৰ ভৰসা। পৃথিৱী সূৰ্যৰ চাৰিওফালে বেঁকা হৈ ঘূৰিছে নে পোন হৈ ঘূৰিছে—কিবা ভুল কৰিছে নে নাই—এইবিলাক মই নেভাবোঁ, আৰু নেভাবি আজিকোপতি ঠগ্ খোৱা ই—আমাৰ সমাজ সম্বন্ধেও মোৰ সেই একে কথা।"

বিনয়ে হাঁহি হাঁহি কলে,—"ভাই গোৱা, ঠিক এইবোৰ কথাকে ময়ো ইমান দিনে এনেকৈয়ে কৈ আহিছোঁ—আজি যে আকৌ ময়ে সেইবোৰ কথা শুনিব লাগিব, কোনে জানিছিল? কথা সাজি সাজি কোৱাৰ শাস্তি আজি যে মই ভোগ কৰিব লাগিব—সেইটো ভালকৈ বুজিছোঁ। কিন্তু তৰ্ক কৰি কোনো লাভ নাই। কাৰণ আগেয়ে চকুৰে মণিৰ নোৱাৰা বস্তু এটি আজি মই অতি ওচৰৰপৰা দেখা পাইছোঁ। আজি বুজিছোঁ মানুহৰ চিন্তাৰ গতি এখন মহানদীৰ নিচিনা; সি নিজ বলেৰে হঠাতে আগেয়ে খোজকা ন ন সুঁতি খান্দি উলিয়ায়—এয়ে তাৰ গতিৰ বিচিত্ৰতা—নভৱা-নিচিন্তা পৰিণতিয়েই বিধতাৰ ইচ্ছা—নদী খান্দি থোৱা খাল নহয়, তাক বান্ধি থোৱা পাৰৰ ভিতৰেদি বোৱাই নিব নোৱাৰি। নিজৰ গাতে যেতিয়া ওই কথা জল-জল পট্-পট্‌কৈ ওলাই পৰিছে, তেতিয়া সজোৱা-পৰোৱা কথাই আৰু মোক কোনো দিনেই ভুলাব নোৱাৰিব।"

গোৱাই কলে,—"চগা যেতিয়া জুইত পৰিবলৈ যায়, সিও ঠিক তোমাৰ দৰেই তৰ্ক কৰে—সেইদেখি ময়ো আজি তোমাক বুজাবলৈ মিছায়ে আৰু কোনো তৰ্ক নকৰোঁ।।"

বিনয়ে চকীৰপৰা উঠি কলে,—"সেয়ে ভাল, তেনেহলে আহিলোঁহে—এবাৰ আইৰ লগত দেখা কৰি যাওঁ।"

বিনয় গুচি গ'ল, মহিম লাহে লাহে আহি কোঠাত সোমালহি। তামোল চোবাই চোবাই সুধিলে,—"সুবিধা নহল হবলা? নহৰৰ কথাই। কিমান দিনৰেপৰা কৈ আছোঁ সাৱধান হবাহে, আওবাটে যোৱাৰ লক্ষণ দেখা পাইছোঁ—তেতিয়া তো মোৰ কথালৈ কাণকে নিদিলা। সেই সময়ত যদি কিবা বুধি-বুধা কৰি শশীমুখীৰ লগত বিয়াখন পাতি দিব পাৰিলা-হেঁতেন, তেতিয়া হলে কোনো কথাই নাছিল। কিন্তু কাকস্য পৰিবেদনা! কাকনো কম। তুমি নিজে যিটো নুবুজিবা সেইটো মুৰ খুন্দিয়াই মৰিলেও তো আৰু তোমাক বুজাব নোৱাৰি। এতিয়া বিনয়ৰ নিচিনা লৰা এটা তোমাৰ দল এৰি গুচি গ'ল—ই জানো কম দুখৰ কথা।"

গোৱাই একো উত্তৰ নিদিলে। মহিমে কলে,—"তেনেহলে বিনয়ক

সন্মতি দিব নোৱাৰোঁ, কিয়নো আমাৰ সোঁতটোৱে পাৰ বান্ধেহে। আমি এই পাৰত কত হেজাৰ হেজাৰ বছৰৰ অভ্ৰভেদী কীৰ্ত্তি আছে, আমি তা নোৱাৰোঁ। যে প্ৰকৃতিৰ যি নিয়ম সেই মতেই কাম হৈ থাওক। আমাৰ পাৰ শিলেৰে বন্ধাই থম—সেইবাৰে আমাক নিন্দাই কৰা বা যি কয়া এইখন আমাৰ পৱিত্ৰ পুৰণি নগৰ; ইয়াৰ ওপৰত বছৰি তৰপে তৰপে পলস পৰক আৰু খেতিয়কে নাঙলেৰে হাল বাওক—তেনে ইচ্ছা আমাৰ নাই। ইয়াত যি লোকচান হয় হওক। এইয়া আমাৰ বাস কৰা ঠাই—ইয়াত হাল বাব নোৱাৰি। এতেকে তোমালোকৰ কৃষি বিভাগে আমাৰ পিনৰ টান বুলি যেতিয়া পেংলাই কৰা তেতিয়া আমি মৰ্ম্মান্তিক লাজ নেপাওঁ।"

বিনয়ে কলে,—"খোৱতে কৱলৈ হলে ইয়াৰ অৰ্থ হল, তুমি আমা বিয়া মানি নোলোৱা, নহয়?"

গোৱাই কলে,—"নিশ্চয় নলওঁ।"

বিনয়ে কলে,—"আৰু—"

গোৱাই কলে,—"আৰু তোমালোকক ত্যাগ কৰিম।"

বিনয়ে কলে,—"মই যদি তোমাৰ মুছলমান বন্ধু হলোহেঁতেন?"

গোৱাই কলে,—"তেতিয়া কথা সুকীয়া হ'ল হয়! গছৰ যেতিয়া নিজৰ কোনো এটা ডাল ভাঙি পৰি পৰ হৈ যায়, তেতিয়া গছে সেই ডালটোক কোনোমতেই আগৰ দৰে নিজৰ কৰি ওভোতাই লব নোৱাৰে। কিন্তু দূৰৰপৰা আগুৰাই অহা লতাডালক হলে সাৱটি লব পাৰে, আৰু সেই ৰুমুহাত উঘালি যোৱা লতা ডালকো পুনৰ তুলি ধৰাত কোনো বাধা নেথাকে। আপোন মানুহ এবাৰ কেনেবাকৈ পৰ হৈ গ'লে তাক আৰু একেবাৰে এৰি দিয়াৰ বাহিৰে অন্য উপায় নাই। সেই দেখিয়েই ইমান বাধা বিঘিনি ইমান প্ৰাণ-পণ টনা-আজোৰা।"

বিনয়ে কলে,—"সেই কাৰণেই এৰা-এৰিৰ কাৰণবিলাক ইমান সস্তা আৰু এৰা-এৰিৰ বিধিবিলাক ইমান সস্তা হোৱা উচিত নাছিল। ভাঙিলে জোৰা নেলাগে ঠিক, কিন্তু সেই কাৰণেই, সহজে হাত নেতোলা হাতৰ হাড় বৰ মজ্‌পুত। যি সমাজত অতি সামান্য টোকৰ এটা লাগিলেই এৰা-এৰি আৰু সিয়েই চিৰকলীয়া হৈ পৰে, সেই সমাজত মানুহৰ স্বচ্ছন্দে ঘূৰা-পকা কৰাত বা কাম-কাজ কৰাত কিমান বিঘিনি, সেই চিন্তা কৰি নেচাৰা জানো?"

গোৱাই উত্তৰ দিলে,—"সেই চিন্তাৰ ভাৰ মোৰ ওপৰত নাই। সকলো পিনেদি ইমান বহলকৈ ভাবি চাইছে যে সমাজে ভাবি চোৱা

পবিছে। অবিনাশো যে কিছুদিনব ভিতবতে ব্রাহ্ম-সমাজত সোমাব—এনে
একো ভয় নাই।”

মহিমে কলে,—“নাই সঁচা, কিন্তু দেউতাব শবীব আজি-কালি বব
দেখা হৈ পবিছে সেইটো তোমালোকে লক্ষ্য কবিছানে নাই জানো?
তক্তবে বিমানে হাক দিছে, তেখেতব নিয়ম মনাব মাত্রাও সিমানেই চবিহে
গৈছে। এতিয়া যি গবাকী সন্ন্যাসী লম্ভিছেহি তেওঁ তেখেতক তিনি
লো গা ধুৱাই এনে কিছুমান যোগ আবম্ভ কবাইছে যে চকুব মণি, ভুৰু,
নিশ্বাস-প্রশ্বাস নাড়ী-ভূবি সকলোবিলাক ওলোটা-পোলোটা হৈ যাব যেন
পাইছোঁ। দেউতা জীয়াই থাকোঁতে থাকোঁতেই শশীব বিয়াখন হৈ গলে
ইবিধা হয়; তেখেতব পেঞ্চনব জমা টকাটো ওঙ্কাবনন্দ স্বামীব হাতত
পবাব আগতে কামটো হৈ গলে মই বব নিশ্চিন্ত হব পাবোঁ। দেউতাব
ওচৰত কালি কথাটো উলিয়াইছিলোঁ, কিন্তু কথা সহজ নহয়। ভাবিছোঁ
এই সন্ন্যাসী পাটক কিছুদিন ভালকৈ ভাং খুৱাই বশ কবি তাব হতুৱায়েই
কামটো উদ্ধাব কবিব লাগিব। যিসকল গৃহস্থ, যাব টকাব দর্কাব আটাই-
তকৈ বেচি, দেউতাব টকা সিবিলাকব ভোগত নাহে, সেইটো তুমি ঠিক
জানিবা। মোব অসুবিধা হ'ল এই যে লবাব বাপেকে টানি টানি টকা
লিচাবে আৰু মোব বোপায়ে টকাব কথা কলেই প্রাণায়াম কবিবলৈ বহে।
মই এতিয়া এযাব বছবীয়া ছোৱালীজনী টেটুত বান্ধি লৈ পানীত বুবি
পবিলেহে হব।”

৬২

হবিমোহিনীয়ে সুধিলে,—“কালি বাতি কিয় তুমি একো নেখালা?”
সুচবিতাই আচবিত হৈ ক'লে,—“কিয়, খালোঁ নহয়।”
হবিমোহিনীয়ে ঢাকি থোৱা কাঁহীখন তাইক দেখুৱাই ক'লে,—“কেতিয়া
খালা, সৌৱা দেখোন তাতে পবি আছে।”
হবিমোহিনীয়ে টানকৈ ক'লে,—“এইবোব বব ভাল কথা নহয়।
মই ভট্ট ডাঙবীয়াক ভালকৈ জানো; এই যে তুমি বব বাঢ়ি গৈছা,
সেইবিলাক তেওঁ ভাল পায় বুলি মোব মনে নধবে; তেওঁক দেখিলে
মানুহব মন শাঁত পবে। আজি-কালি তোমাব যেনে চাল-চলন, সেইবোব
দেখিলে তেখেতে কি কব কোৱাচোন।”

আৰু ওভোতাব নোৱাবিলা। বাৰু যাওক, কিন্তু শশীমুখীব লগত তা
বিয়াব কথাটো ববকৈ ওলাল। এতিয়া শশীক বিয়া দিয়াত আৰু পাছ
কবিলে নহব। জানাই তো আমাব সমাজব কথা—যদিহে কেনেবা
কাবোবাক শলঠেকত পায় তেনেহলে তাক নাকনি-কাণনি কবিহে এবি
সেইদেখি এটা দবা—নাই, বাৰু তুমি ভয় কবিব নেলাগে—তুমি
বিচাবাব দবকাব নাই। দবা মই নিজেই ঠিক কবি থৈছোঁ।”

গোবাই সুধিলে,—“দবাটো কোন?”

মহিমে কলে,—“তোমালোকব অবিনাশ।”

গোবাই কলে,—“সি বাজী হৈছে?”

মহিমে কলে,—“বাজী নহব। তোমাব বিনয় পাইছা নে কি? সি
যিহকে নোকোৱা লাগে, তোমাব দলব ভিতবত অবিনাশ ঘোষা নবাটিকৈ
তোমাব আচল ভকত। তোমালোকব পবিয়ালব লগত তাব যেন
শুনিয়েই সি আনন্দতে নাচি উঠিল। কলে, ‘ই মোব সৌভাগ্য, ই
সৌভাগ্য।’ টকা-কড়িব কথা কওঁতেই কাণত আঙুলি দি কলে,—‘বাৰু
কবিব, সেইবিলাক মোক একো নকব।’ মই কলো,—‘বাৰু সেইটো
তোমাব দেউতাবাব লগত হব।’ তাব বাপেককো লগ ধবিছিলোঁ।
গ'ল পুতেকব লগত বাপেক বহুতো বেলেগ। টকাব কথাত
কাণত তো আঙুলি নিদিলেই ববং যেনেকৈহে আবম্ভ কবিলে,
কথাত একেবাবে পিতৃ-ভক্ত—একেবাবেই পিতা হি পবমং তপঃ—
মধ্যস্থতা কবি কোনো ফল নহব। দেখিছোঁ কোম্পানীব কাগজ
ৰাকৈ কাম সমাধা কবিব নোৱাবিম। বাৰু যি হওক, তুমিও
দুই-এটা কথা কবাঁ। তোমাব মুখবপবা উৎসাহ পালে—”

গোবাই কলে,—“কলেও টকাব অঙ্কটো নকমিব।”

মহিমে কলে,—“সেইটো জানো—পিতৃভক্তি যেতিয়া কাণত
য়, তেতিয়া ভাল কথা বুজোৱা টান।”

গোবাই সুধিলে,—“কথা বন্ধা-ছটা হৈ গৈছে নহয়।”

মহিমে কলে,—“নিশ্চয় হৈছে, মাঘব পূর্ণিমা তিথিত। বেচি
আৰু। লবাব বাপেকে কৈছে, হীবা-মাণিক নেলাগে, কিন্তু
গধুব হব লাগিব। কেনেকৈনো সোণব দাম নবঢোৱাবেই
বঢ়াব পাবি, সোণাবিব লগত এতিয়া সেই কথাহে হব লাগিব।
গোবাই কলে,—“কিন্তু ইমান বেচি লবালবি কবিবব নো কি

হবিমোহিনীয়ে দিয়া ইঙ্গিতটো সুচবিতাব বুজিবলৈ বাকী নেথাকিল। মুহূর্ত্তব কাবণে তাইব মনত অলপ সঙ্কোচব ভাব হৈছিল। গোবাব লগত তাইব সম্বন্ধ আন সাধাবণ মতা-তিবোতাব সম্বন্ধব দবেই বুলি যে এই অপবাদব ইঙ্গিত সিহঁতব ওপবত পবিব পাবে, সেইটো তাই ভবাই নহিল। সেইদেখি হবিমোহিনীব আওপকীয়া কথাত তাই লাজ পালে। পিচ টলকতে হাতব কাম ঠেলি থৈ পোন হৈ বহিল আৰু হবিমোহিনী মুখলৈ চালে।

তাই সেই নিমিষতে মনতে ঠিক কবি পেলালে যে গোবাব লগত যি সম্পর্ক, তাত কাবো ওচবতে তাই লাজ পাবলগীয়া একো নাই। ক'লে,—"মাহী, তুমি জানাই, কালি গৌবমোহন আহিছিল। লগত যি বিষয়ে কথা-বার্ত্তা হৈছিলোঁ সেইবোব ববকৈ মোব মনত নাই। সেই দেখিয়েই খোবাব কথা মনলৈয়ে নাহিল। তুমি থকা হলে, বহু কথা শুনিব পাবিলাহেঁতেন।"

হবিমোহিনীয়ে যি কথা শুনিবলৈ ভাল পায়, গোবাব কথা তেনেকুবা নহয়। ভক্তিব কথা শুনিবলৈ তেওঁব বব হেঁপাহ। মুখত ভক্তিব কথা সলসলীয়া আৰু বসাল হৈ নুঠে। গোবাব সকলো সময়তে যেন বিপক্ষ এজন থাকে—গোবাই যেন লগত যুঁজিয়েই আছে। পতিয়ন নোযোৱাবোবক জোব কবি যোৱাব খোজে। আৰু যি সকলে আগতে পতিয়ন গৈছে সিহঁতক তেওঁব আৰু একো নেথাকে। গোবাব বব বেচি আগ্রহ থকা কথা আকৌ হবিমোহিনী তেনেই উদাসীন। ব্রাহ্ম-সমাজব মানুহে যদি সমাজব লগত মিলি জুলি নেথাকি নিজব মতকে লৈ থাকে, তেওঁ অকণো বেজাব নেপায়; মুঠেই নিজব আপোন মানুহ ৰিনি এবা-এবি হোৱাব কিবা কাবণ নঘটিলেই হ'ল। সেইদেখি গোবাব কথা পাতি তেওঁ অকণো সুখ নেপায়।

ইয়াব পিচত হবিমোহিনীয়ে যেতিয়াই বুজিলে যে গোবাই সুচবিতাক মন অধিকাব কবিছে, তেতিয়াবেপবা গোবাব কথা-বতবা তেওঁব কেনেবা কেনেবা লাগিবলৈ ধবিলে। সুচবিতা টকা-কড়িব সম্পূর্ণ স্বাধীন আৰু মত বিশ্বাস আৰু আচাব ব্যৱহাবতো এতেকেই স্বতন্ত্রীয়া। সেই কাবণেই হবিমোহিনীয়ে সুচবিতাক সকলো বা সম্পূর্ণ ৰূপে আয়ত্ত কবিব পবা নাই—অথচ শেষবয়সত সুচবিতাব ওপবত হবিমোহিনীব কণাব লাগি

ভাইব বাহিবে আনব প্রভাব পবিলেই হবিমোহিনীব মনত বব বেজাব লাগে। এই একেটা কথাই হবিমোহিনীব মনত লাগি থাকিল যে গোবাব আগবপবা গুবিলৈকে সকলোবিলাকেই কৃত্রিম, গোবাব আচল লক্ষ্য হ'ল সুচবিতাব মন আকর্ষণ কবা। অইন কি সুচবিতাব ধন সম্পত্তিব ওপবতহে গোবাব আচল চকু, এনে কথাও হবিমোহিনীয়ে মনতে পাঙিবলৈ ধবিলে। গোবাবেই যে হবিমোহিনীব প্রধান শত্রু ইয়াকেই তেওঁ থিব কবিলে, আৰু তাইক সকলো কথাতে বাধা দিবব কাবণে উঠি-পবি লাগিল।

সুচবিতাব ঘবলৈ আজি গোবা অহাব কোনো কথা নাছিল, কোনো কাবণো নাছিল। কিন্তু গোবাব স্বভাবত সঙ্কোচ বস্তুটো অতি কম আছিল। কিবা এটাত লাগিলে সি আৰু একো ভবা-গুণা নকবে। একবাবে কঁড়পাটব দবে সোঁ সোঁবাই যায়।

আজি বাতিপুবাই গোবা যেতিয়া সুচবিতাহঁতব ঘব পালেহি, তেতিয়া হবিমোহিনীয়ে পূজা কবি আছিল। সুচবিতাই তাই বহা কোঠাত মেজব ওপবত পুথি, বহী, কাগজ আদি পবিপাটিকৈ সজাই থাকোঁতেই সতীশে আহি খবব দিলেহি যে গৌবমোহন ককাইদেউ আহিছে। সুচবিতাই তেতিয়া বিশেষ আচবিত বোধ কবা নাছিল। তাইব মনতে লাগিছিল যেন গোবা আজি আহিব।

গোবাই চকী খনত বহী ক'লে, "শেষত বিনয়ে আমাক এবিলে।"

সুচবিতাই ক'লে,—"কিয়, এবিব কিয়; তেওঁতো ব্রাহ্ম-সমাজত লাগ দিয়া নাই।"

গোবাই ক'লে,—"ব্রাহ্ম-সমাজলৈ ওলাই যোৱা হলেই তেওঁ আমাব সেচি ওচবতে থাকিল হয়। হিন্দু সমাজক খামুচি ধবি আছে কাবণেই কথাটো আৰু বেচি বেয়া হৈছে। ইয়াতকৈ আমাব সমাজক পুবা-পুবি এবি দিয়া হলেই তেখেতে বেচি ভাল কবিলেহেঁতেন।"

সুচবিতাই মনতে বব দুখ পাই ক'লে,—"আপুনি সমাজখনক ইমান তাচ্ছিল কবি চাই কিয়? আপুনি সমাজব ওপবত ইমান বিশ্বাস কবাটো স্বাভাবিক নে আপোনাব নিজব ওপবতে একবকম বল খটোৱা?"

গোবাই ক'লে,—"বর্ত্তমান অবস্থাত এই বল খটোৱাটোৱেই স্বাভাবিক। ভবিব তলব মাটিয়েই যেতিয়া ঢপ ঢপকৈ কঁপিবলৈ ধবে, তেতিয়া প্রত্যেক খোজতে ভবিব ওপবতে বেচি বল দিব লগা হয়। এতিয়া চাবিওফালে ইকা-বকা চলিছে, সেই দেখি আমাব কথা আৰু কামবোবত অলপ কিবা বেচি বেচি দেখা যেন লাগে। তাত আচবিত হবলগীয়া একো নাই।"

সুচবিতাই ক'লে,—"চাবিওফালে যিবোব হকা-বধা দেখিছে সকলোবোবকে আপুনি আগবেপবা গুবিলৈকে অন্যায় অনাবশ্যক কিয় ভাবিছে? কালব গতিক সমাজে বাধা দিবলৈ গলে খুলা গোবাই ক'লে,—"কালব গতি পানীব ঢোব দবে, সি পাব কিন্তু এই ভাঙোন মানি লোৱাটো পাবব কর্ত্তব্য বুলি মোব মনে তুমি নেভাবিবা যে সমাজব ভাল-বেয়া মই একো বিচাব নকবোঁ। বিচাব কবা ইমান সহজ যে আজি ষোল বছবীয়া লবায়ো বিচাব পবিছে। কিন্তু টান হৈছে গোটেই বস্তুটোকে শ্রদ্ধাব চকুবে পবা চাব পবাটোহে।"

সুচবিতাই ক'লে,—"শ্রদ্ধাবন্ধাবা আমি কেৱল সত্যহে পাওঁ শ্রদ্ধাবে সৈতে নিছাকো বিনা বিচাবে গ্রহণ কবোঁ। বাকু মই এটা কথা সোধোঁ—আমি মূর্ত্তি পূজাকো জানো শ্রদ্ধা কবিব আপুনি এই সকলোবোবক সঁচা বুলি বিশ্বাস কবে নে?"

গোবা কিছুপব মনে মনে থাকি ক'লে,—"মই তোমাক ঢোকে কবলৈ যত্ন কবিম। মই প্রথমে এইবোবক সত্য বুলি ইউৰুপীয় সংস্কাবব লগত এই বিলাকব বিবোধ আছে বুলিয়েই এই বিলাকব বিৰুদ্ধে কিছুমান সস্তীয়া যুক্তি দেখুৱাব খবধবকৈ এইবোবব জবাব দিয়া নাই। ধর্ম্ম সম্বন্ধে সাধনা নাই; কিন্তু সাকাব পূজা আৰু পৌত্তলিকতা পূজাতো যে ভক্তি তত্ত্বব চবম পবিণতি নাই, কোৱা বাক্যব দবে চকু মুদি আওবাই যাব হলে সাহিত্যত এনে কি বিজ্ঞান আৰু বুবঞ্জীতো মানুহব আছে; একমাত্র ধর্ম্মইহে সেই শক্তিব থল নহয়, এই নকবোঁ। ধর্ম্মতেই মানুহব সকলো বৃত্তিব চূড়ান্ত প্রকাশ। মূর্ত্তি পূজাত জ্ঞান আৰু ভক্তিব লগতে কল্পনাবো মিলন চলিছে, তাবদ্ধাবাই আমাব দেশব ধর্ম্ম দেশব মানুহব ধর্ম্মতকৈ বেচি সঁচা হৈ উঠা নাই নে?"

সুচবিতাই ক'লে,—"গ্রীচ আৰু বোমতো তো মূর্ত্তি পূজা আছিল গোবাই ক'লে,—"সেই বিলাক দেশব মূর্ত্তিত সৌন্দর্য্যবোধ আগশাবী পাইছিল জ্ঞান-ভক্তিয়ে সিমান নেপাইছিল। কল্পনা জ্ঞান আৰু ভক্তিব লগত অতি ভালকৈ সাঙোব আমাব বাধা-কৃষ্ণকে কোৱা, বা হব-পার্ব্বতীকেই কোৱা,

ঐতিহাসিক পূজাব বিষয় নহয়; তাব ভিতবত মানুহব চিবকলীয়া জানব ৰূপ আছে। সেই দেখিয়েই বামপ্রসাদ, চৈতন্যদেৱব ভক্তি সকলোবোবেই মূর্ত্তিক অৱলম্বন কবিয়েই প্রকাশ পাইছে। ভক্তি এনেকুৱা পবম প্রকাশ গ্রীচ-বোমব বুবঞ্জীত নো কেতিয়া দেখা গৈছে?"

সুচবিতাই ক'লে,—"সময়ব পবিৱর্ত্তনব লগে লগে ধর্ম্ম আৰু সমাজবে পবিৱর্ত্তন আপুনি মানি লব নোখোজে নে কি?"

গোবাই ক'লে,—"কিয় নুখুজিম। কিন্তু পবিৱর্ত্তনটো বলিয়ালি হলে নহব। ল'বা ক্রমে বুঢ়া হৈ আহে। কিন্তু মানুহ তো হঠাতে কুকুব-নেকুবী হৈ নেযায়। ভাবতবর্ষব পবিৱর্ত্তন ভাবতব পথতেই হব লাগিব, হঠাৎ ইংবাজীব বুবঞ্জীব বাট ললে, আগবপবা গুবিলৈকে সকলো পণ্ড আৰু অর্থহীন হৈ যাব। দেশব শক্তি, দেশব ঐশ্বর্য্য দেশতেই থুপ খাই আছে, সেইটোকে তোমালোকক বুজাবব কাবণে মই মোব জীৱন উচর্গা কবিছোঁ। মোব কথা বুজিব পাবিছা নহয়?"

সুচবিতাই ক'লে,—"এবা বুজিছোঁ, কিন্তু এইবোব কথা আগেয়ে মই শুনাও নাই আৰু ভবাও নাই। এডোখব নতুন ঠাইত ওলালেগৈ মেনেকৈ জনা-শুনা বস্তুবোবো চিনোতে পলম হয়, মোবো তেনেই হৈছে। মই মাইকী মানুহ বুলিয়েই হবলা তেনেকৈ দকৈ ভাবি লব নোৱাবোঁ।"

গোবাই ক'লে,—"কেতিয়াও নহয়। মই বহুত মতা মানুহ জানো— তেওঁলোকব লগত এনে আলোচনা বহু দিন কবি আহিছোঁ, তেওঁলোকে সংশয় নোহোৱাকৈ ঠিক কবি থৈছে যে তেওঁলোকে সকলো কথাই ভালকৈ বুজিছে, কিন্তু মই তোমাক সকলো কথা ডাঠি কব পাবোঁ। যে তুমি তোমাব মনব আগত আজি যিটো দেখা পাইছা, তেওঁলোকব এটা মানুহেও তাব অকণো দেখা নাই। তোমাব ভিতবত যে এটা গভীব দৃষ্টিশক্তি আছে তোমাক দেখিয়েই মই তাব উমান পাইছিলোঁ। সেই দেখিহে আজি অত দিনব পিচত মোব অন্তবঙ্গ সকলো কথা লৈ আহি তোমাব গুবি পাইছোঁহি—মোব গোটেই জীৱন, তোমাব আগত মেলি দিছোঁহি—অকণো সঙ্কোচ বোধ কবা নাই।"

সুচবিতাই ক'লে,—"আপুনি এনেকৈ ক'লে মোব মনটো ঘব উণ্ডল-খুণ্ডল লাগি পবে। মোবপবা আপুনি কি আশা কবিছে, মইনো তাব কি দিব পাবিম, মই নো কি কাম কবিব লাগিব, মোব অন্তবত ভাবব এটা অস্থিবতা হৈছে, আৰু সি কি ৰূপত দেখা দিব মই একো বুজিব পাবা নাই। মোব কেৱল ভয় লাগি আছে যে আপুনি মোব ওপবত যি

বিশ্বাস কবিছে সেই বিশ্বাস কিজানি এদিন আপোনাব ওচবতে থিব নো
ধবা পবে।"

গোবাই মেঘব দবে গহীন মাতেবে ক'লে,—"তাত ভুল কবা নাই
তোমাব অন্তবত যে কিমান ডাঙব এটা শক্তি আছে, সেইটো তোমাক
দেখুবাই দিম। তুমি অকণো উত্তাবল নহবা। তোমাব বি কোনো
আছে সেইটো ফুটাই তোলাব ভাব মোব ওপবত থাকিল। মোব ওপবত
তুমি নির্ভব কবা।"

সুচবিতাই একো নেমাতিলে, কিন্তু নির্ভব কবিবলৈ যে আৰু কাকো
নাই, এই কথাটো নোকোৱাকৈয়ে ওলাই পবিল। গোবাও মনে মনে
থাকিল। কোঠাটোব ভিতবত বহু পবলৈকে কোনেও মাতবোল
নাছিল। বাহিবত পুবণা পিতলব সাজ-পাত্রব বেপাবীয়ে পাত্রব
শব্দ কবি দুবাবব আগেদিয়েই চিঞবি চিঞবি গুচি গ'ল।

হবিমোহিনীয়ে পূজা ভাগ শেষ কবি বান্ধনি ঘবব ফালে
সুচবিতাব মাতবোল নোহোৱা কোঠাত কোনোবা থকাব কথা
নাছিল—কিন্তু হঠাতে কোঠাটোলৈ চকু পবোঁতে হবিমোহিনীয়ে
দেখিলে যে সুচবিতা আৰু গোবা দুয়ো মনে মনে বহি কিবা ভাবি
দুয়ো কোনো প্রকাবব মাতবোলো কবা নাই, তেতিয়া টলকতে
খণ্ডে চুলিব আগ পালেগৈ। নিজকে সংযত কবি লৈ তেওঁ দুয়োবক
থিব দি মাতিলে, "বাধাবাণী।"

সুচবিতাই উঠি আহি তেওঁব ওচব চাপিলত মিহি মাতেবে ক'লে,
"আজি একাদশী, যোৱাচোন, বান্ধনি ঘবলৈ গৈ আখাটো জ্বলাই দিয়া
—মই সেইকণ সময় গৌব বোপাব ওচবত বহোঁ।"

সুচবিতাই মাহীয়েকব ভাবভঙ্গি দেখি উদ্‌বিগ্ন হৈ বান্ধনি ঘবলৈ
গ'ল। হবিমোহিনী কোঠাত ভবি দিওঁতেই গোবাই তেওঁক
হবিমোহিনীয়ে একো নোকোৱাকৈ চকীত বহিল। কিছু সময়
ওঠঁ লগাই মনে মনে বহি থকাব পিচত ক'লে,—"তুমি তো
নোহোৱা।"

গোবাই ক'লে,—"নহওঁ।"

হবিমোহিনীয়ে ক'লে,—"আমাব হিন্দু সমাজ তুমি মানা নহয়।"

গোবাই ক'লে,—"নিশ্চয় মানো।"

হবিমোহিনীয়ে ক'লে,—"তেনেহলে নো এইটো তোমাব কেনেকৈ
কথা।"

গোবাই হবিমোহিনীব ওজব কি বুজিব নোৱাবি নিমাতে তেওঁব মুখব
ফালে চাই ব'ল।

হবিমোহিনীয়ে ক'লে,—"বাধাবাণীব এতিয়া বয়স হৈছে, তোমালোক
লগা-ভগাও নোহোৱা, তাইব লগত তোমালোকব ইমান কিহব
কথা। তাই ছোৱালী মানুহ, ঘবব কাম-কাজ কবিব, তাইবেই বা এইবোব
কথাত থকাব দবকাব কি। এইবোবে তাইব মন আনপিনেহে লৈ যায়।
তুমি তো জ্ঞানী মানুহ—দেশব সকলোৱেই তোমাক প্রশংসা কবে—কিন্তু
এইবোবলো আমাব দেশত কেতিয়া আছিল আৰু কোন শাস্ত্রতেই বা
লিখা আছে।"

গোবাই হঠাৎ এটা ডাঙব খুন্দা খালে। সুচবিতাব বিষয়ে কোনোবা
লক্ষপবাও যে এনেকুবা কথা উঠিব পাবে সি সেইটো ভবাই নাছিল।
সি অলপ পব নিমাত হৈ থাকি ক'লে,—"এওঁ ব্রাহ্ম-সমাজব সকলোবে
মতে নিতৌ এনেকৈয়ে উঠা মেলা কবা দেখিছোঁ, সেইদেখি এই বিষয়ে
ই একো ভবা নাই।"

হবিমোহিনীয়ে ক'লে,—"তাই নহয় ব্রাহ্ম-সমাজবে, কিন্তু তুমি তো
কেতিয়াও এইবোব ভাল নোবোলা। তোমাব কথা শুনি কত মানুহব
চেতনা হৈছে, আকৌ তুমি নিজে এনে ব্যৱহাব কবিলে মানুহে তোমাক
কিয় মানিব। কালি নিশা এপবলৈকে তাইব লগত কথা পাতি গ'লা,
কেতিয়াও তোমালোকব কথা শেষ নহল, আজি আকৌ এই পুৱাতে ওলালাহি।
পুৱাবেপবা তাই আজি নগল ভঁবাললৈ, নগল বান্ধনি ঘবলৈকো—আজি
একাদশীব দিনা মোক যে অকণ সহায় কবি দিব, সেইটোও তাই অকণো
ভাবিলেই। এইটোনো তাইব কেনে শিক্ষা হৈছে। তোমালোকব
নিজব ঘবতো ছোৱালী আছে—সকলো কাম-কাজ বন্ধ কবি সিহঁতক এনে
শিক্ষাই দিছানে, নে অইনে এনে কবিলে তুমি ভাল পাবা, হোঁ?"

গোবাব ফালবপবা এই কথাব কোনো উত্তব নাহিল। সি কেবল
কলে,—"তেওঁ এনে শিক্ষা লৈয়েই ডাঙব-দীঘল হৈছে বুলিয়েই তেওঁব
বিষয়ে মই একো ভাবি চোৱা নাছিলোঁ।"

হবিমোহিনীয়ে কলে,—"তাই যি শিক্ষাই পাওক, যিমান দিন মোব
লগত আৰু মই জীয়াই আছোঁ—এইবিলাক হলে নচলিব। তাইক মই
উলেখিনি পোনাই আনিছোঁ। তাই যেতিয়া ভট্ট ডাঙবীয়াব ঘবত আছিল
তেতিয়াই মোব লগত বেচিকৈ মিলি-জুলি হিন্দু হৈ গৈছে বুলি এটা কথা
ওলাইছিল। তাব পিচত এইখন ঘবলৈ অহাব পিচতো তোমালোকব

বিনয়ক লৈ কিবা-কিবি কথা ওলাল। আকৌ সকলো ওলোটা হৈ গ'ল। তেওঁ তো এতিয়া ব্রাহ্মৰ ঘৰত বিয়াৰ ঠিকেই কৰিছে। সেইবোৰ যাওক বাৰু। অতি কষ্টেৰে মই বিনয়ক আঁতৰ কৰিলোঁ। তাৰ পিচত হাবাথুৰা মাষ্টৰ বুলি এজন আহিবলৈ ললে। সি আহিলেই ৰাধাৰাণীক লৈ মই নিজৰ ওপৰৰ কোঠাত বহোঁগৈ—সি আৰু সিমান লাই নেপালে। এনেকৈয়ে নানা দুখ-কষ্টৰ মাজেদি হলেও আজি-কালি তাইৰ মতি-গতি ভালেই আহিছে যেন লাগে। ইয়ালৈ আহিও আকৌ তাই সকলোৰে চোৰ-মেলা বস্তু খাবলৈ আৰম্ভ কৰিছিল, কালি দেখিলোঁ সেইটোও এবিছে। কালি ৰান্ধনি ঘৰৰপৰা নিজৰ ভাত নিজেই লৈছিল। বেহেৰাক পঠাই আনিবলৈ ৰাৱণ কৰিছিল। এতিয়া বোপা তোমাক মই জোৰ হাত কৰি কাৰৌ কৰিছোঁ—তাইক তোমালোকে মাটি নকৰা যেন। সংসাৰত যেনি আছিল সকলো মৰি-হাজি ঢুকাই এতিয়া এই এজনীত যেহেঁতে তাইৰো আপোন বুলিবলৈ মোৰ বাহিৰে আন কোনো নাই। তেওঁৰ তোমালোকে এৰি দিয়া। সেই সিহঁতৰ ঘৰতে আৰু ডাঙৰ-দীঘল হোৱাজী দেখাৰ আছে—সেয়া লাৱণ্য, লীলা, সিহঁতো বুদ্ধিমতী, পঢ়া-শুনাও কৰিছে। তোমাৰ যদি কিবা কৱলগীয়া আছে, যোৱা সিহঁতকে কোৱাগৈ বোপাই। বোপা! কোনেও তোমাক হকা-বধা নকৰে।"

গোৰা একেবাৰে থতমত খাই বহি থাকিল। হৰিমোহিনীয়ে কিছু পৰ মনে মনে থাকি আকৌ ক'লে,—"ভাবি চোৱাঁ, তাইৰো বিয়া বাৰু এটা লাগিব—বয়স যথেষ্ট হৈছে। তুমি কি কোৱা, সদায় নো তাই এইদৰে আবিয়ৈ হৈয়েই থাকিবনে? গৃহস্থি-ধৰ্ম্ম পালন কৰা মানুহৰ কৰ্ত্তব্য।" সাধাৰণ ভাৱে এই বিষয়ে গোৰাৰ মনত কোনো সন্দেহ নাছিল। তাৰো তেনেকুৱাই; কিন্তু সুচৰিতাৰ সম্পৰ্কে তাৰ নিজৰ মতটো নো কি? সি কেতিয়াও চালি-জাৰি চোৱা নাছিল। সুচৰিতা ষ্ত্ৰৈণী হৈ কোনো গৃহস্থৰ ঘৰৰ ঘৰত ঘৰুৱা কামত লাগি থকাটো গোৰাই কল্পনাও চোৱা নাই। সুচৰিতা আজি যেনেকৈ আছে সদায় যেন তেনেকৈ থাকিব।

গোৰাই সুধিলে,—"আপোনাৰ ভতিজা ছোৱালীৰ বিয়াৰ কথা কি ভাবিছে নে কি?"

হৰিমোহিনীয়ে ক'লে,—"ভাবিব লাগিব তো, মই নেভাবিলে আৰু কোনে ভাবিব।"

গোৰাই ক'লে,—"হিন্দু সমাজত [illegible] হব পাৰিব জানো?"

হৰিমোহিনীয়ে ক'লে,—"তেনে চেষ্টাই তো কৰিব লাগিব। তাই যদি আৰু গোলমাল নকৰে, ঠিকমতে চলে, তেনেহলে তাইক পাৰ কৰি দিব পাৰিম। সেইবিলাক মই মনতে ঠিক কৰি থৈছোঁ। ইমানদিন তাইৰ মতি-গতি যিহে আছিল, সাহ কৰি একো কৰিব পৰা নাছিলোঁ। এই দুদিনমানৰপৰা পিচে তাইৰ মনটো অলপ কুমলিছে—সেহেয়ে ভৰসা হৈছে।"

এই সম্পৰ্কে আৰু বেচি সোধা-মেলা কৰা উচিত নহব বুলি গোৰাই ভাবিলে যদিও সি কিন্তু কোনোমতেই আৰু ৰব নোৱাৰিলে। সুধিলে,—"কোনো কোন, মনে মনে কিবা ঠিক কৰিছে নে কি?"

হৰিমোহিনীয়ে ক'লে,—"কৰিছোঁ। লৰা ভালেই ঘুলিব লাগিব—কলাস, মোৰ সৰু দেওৰ। কিছুদিন হ'ল তাৰ ষৈণীয়েক ঢুকাল। সি মনে মিলা ডাঙৰ ছোৱালী পোৱা নাই বুলিয়েই ইমান দিন বহি আছে, তলে তাৰ দৰে লৰা পোৱা টান। ৰাধাৰাণীৰ লগত ঠিক মিলিব।" গোৰাৰ অন্তৰ যিমানেই বেজীয়ে বিন্ধাদি বিন্ধিবলৈ ধৰিলে, সিমানেই কৈলাসৰ সম্পৰ্কে নানান কথা সুধিবলৈ ধৰিলে।

হৰিমোহিনীৰ দেওৰেকহঁতৰ ভিতৰত কৈলাসেই বিশেষ যত্ন কৰি অলপ চিঠা-পঢ়া শিকিছিল—কিমান হৰিমোহিনীয়ে কব নোৱাৰে। ঘৰখনৰ তলত সিয়েই বিদ্বান বুলি নাম আছে। গাঁৱৰ পোষ্ট-মাষ্টৰৰ ওপৰত সদৰত দৰ্খাস্ত দিবলগীয়া হোৱাত কৈলাসে এনে আচৰিত ধৰণে ইংৰাজী মাতাত কথাখিনি লিখি দিছিল যে পোষ্ট অফিচৰ কোনোবা এজন ববৰাবু স্বয়ং আহি তদন্ত কৰি গৈছিলহি। ইয়াকে দেখি গাঁৱৰ সকলো মানুহ কৈলাসৰ ক্ষমতাত আচৰিত হৈছিল। ইমান বিদ্যা থকা সত্ত্বেও আচা-কতেই হওক কিম্বা ধৰ্ম্মতে হওক কৈলাসৰ নিষ্ঠা অকণো কমা নাই।

কৈলাসৰ ইতিবৃত্ত সকলো কোৱা হলত গোৰা থিয় দিলে, হৰি-মোহিনীক সেৱা কৰিলে আৰু কোনো কথা নোকোৱাকৈয়ে কোঠাৰপৰা গুলাই গ'লগৈ।

খটখটিয়েদি গোৰা যেতিয়া চোতালৰ নামি আহিছিল তেতিয়া চোতালৰ সিকালে ৰান্ধনি-ঘৰত সুচৰিতা কামত ব্যস্ত আছিল। গোৰাৰ খোজ শুনি ইয়াৰ কাষত থিয় দিলেহি। গোৰাই কোনো ফালে নোচোৱাকৈয়ে গহীৰ হৈ গ ল। সুচৰিতাই দীঘল হুমুনিয়াহ এটা কাঢ়ি আকৌ ৰান্ধনি-কামত লাগিলগৈ।

গলিটোৰ মূৰ পাওঁতেই হাৰানৰ লগত গোৰাৰ দেখা হ'ল। হাৰানে অলপ হাঁহি কলে, "আজি পুৰাই দেখোন।"

গোৰাই কোনো উত্তৰ নিদিলে। হাৰানে আকৌ হাঁহি মুখিৰে "তালৈ গৈছিল বোধকৰোঁ? সুচৰিতা ঘৰতে আছে নহয়।"

গোৰাই আছে বুলি কৈয়েই গুপ্ গুপ্ কৰে গুচি গ'ল।

হাৰানে পোনে পোনেই সুচৰিতাহঁতৰ ঘৰ সোমালগৈ আৰু বাহিৰ ঘৰৰ মুকলি দুৱাৰেদি তাইকে দেখিলে। সুচৰিতাই আঁতৰি যাবলৈ বাট নেপালে; মাহীয়েকো ওচৰত নাছিল।

হাৰানে সুধিলে,—"গৌৰমোহনৰ লগত এতিয়াই দেখা হ'ল। তেখেত ইমান পৰ ইয়াতেই আছিল হব পায়।"

সুচৰিতাই কোনো উত্তৰ নিদি চৰু-হাড়িবোৰ লৈ বৰ ব্যস্ত হৈ পৰিল। এনেকুৱাহে দেখুৱালে যেন তাইৰ উশাহ লবলৈকে সময় নাই। কিন্তু হাৰানে দেখিলে। তেওঁ কোঠাটোৰ বাহিৰত চোতালতে থিয় দি কথা পাতিবলৈ লাগি গ'ল। হবিমোহিনীয়ে খট্‌খটিৰ ওচৰলৈ আহি দুৱাৰখন কাহিলেও, কিন্তু একো ফল নহল।

হবিমোহিনী হাৰানৰ আগত ওলাব পাৰিলেহেঁতেন কিন্তু তেওঁ ভালদৰে বুজিছিল যে এবাৰ যদি তেওঁ কেনেবাকৈ হাৰানৰ আগত ওলায়, তেন্তেহলে এই উদ্যোগী ডেকা জনৰ অদম্য উৎসাহৰপৰা তেওঁ আৰু সুচৰিতা, এজনীও আৰু সাৰিব নোৱাৰিব। সেই দেখি হাৰানৰ ছাঁটো দেখিলেও তেখেতে যিমান দীঘল ওৰণি টানি লৈছিল সেয়া তেখেতৰ বোৱাৰী কালতো তেখেতে কাৰণে বৰ বেচি বুলিয়েই কলেহেঁতেন।

হাৰানে ক'লে,—"সুচৰিতা তোমালেকে কোন ফালে যাব খুজিছে কোৱাচোন। ক'ত গৈ ওলাবাগৈ। বোধহয় শুনিছা বিনয় চেটাৰ্জীৰ লগত ললিতাৰ হিন্দুমতে বিয়া হব। তুমি জানা ইয়াৰ বাবে দায়ী কোন।"

সুচৰিতাৰপৰা কোনো উত্তৰ নেপাই মাতটো সৰু কৰি গম্ভীৰ ভাৱে কলে,—"দায়ী তুমি।"

হাৰানে ভাবিছিল ইমান ডাঙৰ এটা অপবাদৰ কথা সুচৰিতাই নমানিব কিন্তু তাই মাতবোল নকৰি নিজৰ কামতেই লাগি থাকিল। তাকে দেখি তেওঁ মাতটো আৰু গহীন কৰি সুচৰিতাৰ ফালে আঙুলি জোকাৰি কৰি —"সুচৰিতা, মই আকৌ কৈছোঁ, দায়ী তুমি। বুকুৰ ওপৰত সোঁ হাত খন থৈ তুমি কব পাৰিবানে ইয়াৰ বাবে ব্ৰাহ্ম সমাজৰ ওচৰত তুমি দায়ী হব নেলাগিব বুলি?"

সুচৰিতাই মুখেৰে একো নেমাতি তেলৰ কেৰাহীটো আখাত তুলি দিল। তেলে চেঁ চেঁ কৰিবলৈ ধৰিলে।

হাৰানে কৈ গ'ল, "তুমিয়েই বিনয় চেটাৰ্জী আৰু গৌৰমোহনক ইমান লোকৰ ঘৰলৈ আনিছা আৰু তেওঁলোকক ইমান দূৰ আগবাঢ়িবলৈ দিলা যে আজি ব্ৰাহ্ম সমাজৰ সকলো মাননীয় বন্ধুতকৈ এওঁলোক দুজনহে ইমানলোকৰ ওচৰত বেচি ডাঙৰ হৈ পৰিল। তাৰ ফল কি হ'ল দেখিলাই নহয়! মই আগৰেপৰা বাৰে বাৰে সাৱধান কৰি দিয়া নাছিলোঁ নে? আজি কি হ'ল! আজি ললিতাক কোনে ওভোতাব? তুমি ভাবিছা নিশ্চয় ললিতাৰ ওপৰেদিয়েই গ'ল। সেইটো নহয়। মই আজি তোমাক দেখিয়াই দিবলৈ আহিছোঁ—এইবাৰ তোমাৰ পাল। আজি ললিতাৰ যি দুৰ্ঘটনা হ'ল তাৰ বাবে তুমি নিশ্চয় মনতে অনুতাপ কৰিছা, কিন্তু সেই দিনো প্ৰায় পালেহি, যিদিনা তুমি তোমাৰ নিজৰ অধঃপতনৰ বাবে অনুতাপো নকৰিবা। সুচৰিতা, এতিয়াও উভতিবৰ সময় আছে। এবাৰ উভতি চোৱাঁ, এদিন কি মহান আশা লৈ দুয়ো লগ লাগিছিলোঁ; আমাৰ জীৱনৰ সমুখত কৰ্ত্তব্য কিদৰে জিলিকি আছিল, ব্ৰাহ্ম-সমাজৰ ভৱিষ্যত কলে উদাৰ ভাৱে মেল খাই আছিল, নিতৌ বাটৰ কাৰণে কিমান সমল গোটাইছিলোঁ। সেই সকলোবোৰেই নষ্ট হৈ গ'ল বুলি তুমি ভাবা নে? সেইয়াও নহয়। সেই আমাৰ আশাৰ স্থলি আজিও প্ৰস্তুত হৈ আছে। কেবল মাত্ৰ মুখ ঘুৰাই চোৱাঁ। এবাৰ উভতি আহাঁ।"

তেতিয়া তপত তেলত শাক-পাচলিয়ে চেঁ-চেঙাই আছিল আৰু সুচৰিতাই খন্তিৰে ভালকৈ লবাই দিছিল। যেতিয়া হাৰানে তেওঁৰ মিনতিৰ কি ফল হ'ল জানিবলৈ বল, সুচৰিতাই তেতিয়া জুইৰপৰা কেৰাহীটো নমাই মুখ ঘুৰাই জোৰ দি গহীনাই ক'লে,—"মই হিন্দু।"

হাৰান একেবাৰে হতবুদ্ধি হৈ ক'লে,—"তুমি হিন্দু!"

সুচৰিতাই ক'লে,—"হয় মই হিন্দু"—এই বুলি কৈয়েই কেৰাহীটো আকৌ আখাত তুলি দি পুনৰ জোৰেৰে খন্তি লৰাবলৈ ধৰিলে।

হাৰানে কিছুপৰৰ পিচত নিজকে চম্ভালি লৈ চোকা মাতেৰে ক'লে,—"সেই দেখিছে গৌৰমোহনে পুৰা নাই, সন্ধিয়া নাই, তোমাক মন্ত্ৰ দিছিল হলা?"

সুচৰিতাই মুখ নুঘুৰুৱাকৈয়ে ক'লে,—"এৱা, মই তেখেতৰপৰা মন্ত্ৰ লৈছোঁ, তেখেত মোৰ গুৰু।"

একালত হাবানে নিজে নিজকেই সুচবিতাব ওক
ভাবিছিল।

আজি যদি সুচবিতাবপবা তেওঁ শুনিলেহেঁতেন যে তাই গোবাক
পায়, তেনেহলেও বোধকবোঁ। তেওঁ সিমান দুখ নেপালেহেঁতেন।
তেওঁব গুৰুব অধিকাব আজি গোবাই কাঢ়ি ললে। সুচবিতাব
এই কথাষাব শুনামাত্রকে তেওঁক শেলে বিন্ধাদি বিন্ধিবলৈ ধবিলে।

তেওঁ ক'লে,—"তোমাব গুৰু যিমানেই ডাঙব মানুহ নহওক
ভাবিছা নে কি যে হিন্দু সমাজত তোমাব ঠাই হব?"

সুচবিতাই ক'লে,—"সেইবোব মই নুবুজোঁ, সমাজো
মই জানো—মই হিন্দু।"

হাবানে ক'লে,—"তুমি জানা জানো, তুমি যে ইমান দিন
হৈ আছা, আৰু অকল সেই কাবণেই তোমাব জাত গৈছে?"

সুচবিতাই ক'লে,—"সেইবোব কথালৈ আপোনাব মুৰ ঘমাবৰ
নাই, কিন্তু মই আপোনাক কৈছোঁ—মই হিন্দু।"

হাবানে ক'লে,—"ভট্ট ডাঙবীয়াবপবা যি ধৰ্ম্ম শিক্ষা পাইছিলা
নতুন গুৰুব ভবিব তলত বিসৰ্জ্জন দিলা।"

সুচবিতাই ক'লে,—"মোব ধৰ্ম্মব কথা মোব অন্তর্য্যামীয়ে
কথা লৈ মই কাবো লগত আলোচনা কবিব নোখোজোঁ। কিন্তু
জানিব—মই হিন্দু।"

হাবানে আৰু সহিব নোৱাবি কৈ পেলালে, "তুমি যিমান ডাঙৰ
নোবোলোৱা লাগে, ফল হলে একো নেপাবা—এইটোও মই তোমাক
থলোঁ। তোমাব গৌবমোহনক বিনয় চেটাৰ্জ্জী বুলি নেভাবিবা।
হিন্দু হিন্দু বুলি টেটু ফালি চিঞবি মবিলেও গৌবমোহনে যে তোমাক
কবিব, এনে আশা নকবিবা। শিষ্যক লৈ গুৰুগিবি কৰা সহজ,
বুলি তোমাক নি সি ঘব-গৃহস্থালি পাতিব, এনে কথা
ঠাই নিদিবোঁ।"

সুচবিতাই বন্ধা-বঢ়া পাহবি বিজুলীবেগেবে থিয় হৈ ঘুবি
এইবোব আপুনি কি কৈছে?"

হাবানে ক'লে,—"মই কৈছোঁ, গৌবমোহনে কোনো কালেই
বিয়া নকবায়।"

সুচবিতাই চকুযোব জুই যেন কবি ক'লে,—"কিয়?
কোৱা নাই নে তেখেত

হাবানে ক'লে,—"সেইটো কৈছা, কিন্তু যিটো কোৱা নাই সেইটোও
মই বুজিব পাবোঁ, বুজিছা?"

সুচবিতাই ক'লে,—"আপুনি গুচি যাওক ইয়াবপবা। মোক অপমান
কবিব। মই আজি আপোনাক কৈ দিলোঁ আজিবপবা মই আপোনাব
কোনো নোলাওঁ।"

হাবানে ক'লে,—"ওলাবা কেনেকৈ কোৱোঁ। এতিয়া যে তুমি
মোৰ মালিকানা।' হিন্দু তিবোতা —অসূর্য্যম্পশ্যৰূপা। পবেশ ভট্টব পাপব
ঘৰ এইবাব পূব হ'ল। এই বুঢ়া বয়সত তেওঁ কৰ্ম্মফল ভোগ কবি থাকক,
মই বিদায় ললোঁ।"

সুচবিতাই ধুমুহা কবি বান্ধনি-ঘবব দুৱাবখন জপাই দি মাটিতে বহি
পৰিল আৰু মুখত আঁচলটো গুজি ওলাই অহা কান্দোনব হুক্ হুকনি
বোলো বকমে বন্ধ কবিলে। মুখ ক'লা কবি হাবানে ওলাই গ'ল।
হবিমোহিনীয়ে উভয়বে সকলো কথা-বার্ত্তা শুনি আছিল। আজি
সুচবিতাব মুখত যি শুনিলে সেইটো তেখেতব আশাব অতীত। তেখেতব
বুকুত ওফন্দি পবিল, আৰু মনতে ক'লে, 'নহব নে? মই যে একমনে
কিন গোপীবল্লভব পূজা কবি আহিছোঁ—সেইবিলাক হবলা সকলো অথলে
যাব?"

হবিমোহিনীয়ে তেতিয়াই তেওঁব গোঁসাইব ঘবলৈ গৈ মাটিত দীঘল
হৈ পবি গোঁসাইক সেৱা জনালে আৰু ভোগব পবিমাণ বঢ়াই দিব বুলি
প্রতিশ্রুতি কবিলে। ইমান দিন তেওঁ গোঁসাইব পূজা শোকব সান্ত্বনা হিচাপে
কিছুমান ধৰণব আছিল; আজি সেই পূজা স্বার্থ সিদ্ধিব ৰূপ লোৱাত সি
অতি উগ্র, তপত আৰু ভোকাতুব হৈ পবিল।

৬৩

গোবাই সুচবিতাব লগত যিদবে কথা পাতিলে কেতিয়াও অইন কাবো
লগত সেইদবে কথা পতা নাছিল। ইমানদিনে সি তাব শুনোতাসকলক
নিজব বাণী, মত, উপদেশ দিয়েই আহিছে; আজি সুচবিতাব আগত
নিজব ভিতবপবা নিজকেই সি উলিয়ালে। এই আত্ম-প্রকাশব আনন্দত
তাব সকলো মত আৰু সঙ্কল্প অকল শক্তিবেই নহয়, এটা বলেৰেও ভবি

উঠিল। এটা সৌন্দর্য্যৰ শ্ৰী তাৰ জীৱনৰ চৌপাশে বিয়পি পৰিল। তপস্যাৰ ওপৰত হঠাতে যেন দেৱতাসকলে অমৃত বৰষিলে।

এই আনন্দত উত্তাৱল হৈ ভাল-বেয়া একো নেভাবি গোৰাই কেইদিন নিতৌ সুচৰিতাৰ ওচৰলৈ আহিছে; কিন্তু আজি হৰিমোহিনী কথা শুনি হঠাতে তাৰ মনত পৰিল যে এই একে ৰকমৰ মুগ্ধতাৰ কাৰণে এদিন বিনয়ক সি যথেষ্ট তিৰস্কাৰ আৰু উপলুঙা কৰিছিল। নিজে নোৱাৰাকৈয়ে আজি সিও নিজে ঠিক তেনে এটা অৱস্থাত থিয় হোৱা দেখি চক্ খাই উঠিল। অচিনাকি ঠাইত শুই থকা মানুহে হঠাতে খালে যেনেকৈ ধড়মড়কৈ উঠি বহে, গোৰায়ো তেনেকৈয়ে নিজৰ শক্তিৰেই নিজক সজাগ কৰি ললে। গোৰাই সদায় এই কথা প্ৰচাৰ আহিছে যে পৃথিৱীৰ বহুতো শক্তিশালী জাতি একেবাৰেই ধ্বংস হৈ ভাবতে কেৱল সংযমবন্ধাবাই, কেৱল নিকপ্‌কপীয়াকৈ নিয়ম পালন কৰি শত শত শতাব্দীৰ ঘাত-প্ৰতিঘাত বুকু পাতি লৈয়ো নিজকে জীয়াই থকিব সেই নিয়মৰ কতো অকণো ইফাল-সিফাল হোৱাটো গোৰাই সহ্য নকৰে গোৰাই কয়, ভাৰতৰ বাকী সকলো বস্তুৰেই আজি লুট হব লাগিছে, ভাৰতৰ যি প্ৰাণ পুৰুষক এনে কট্‌কটীয়া নিয়ম-সংযমৰ মাজত বখা হৈছে, তাৰ গাত কোনো অত্যাচাৰী ৰাজপুৰুষৰে হাত দিবৰ নাই। যিমান দিন আমি আন জাতিৰ তলতীয়া হৈ আছোঁ, আমাৰ নিজৰ নিয়ম আৰু কঠোৰভাৱে পালিব লাগিব। এতিয়া বেয়া বিচাৰৰ সময় নহয়। সোঁতৰ মুখত পৰি মৃত্যুৰ ফালে মানুহে নিজৰ প্ৰাণ ৰাখিবলৈ যিহকে পায় তাতে খামুচি ধৰিব, শুৱনি নে কুক্কুৰ তাৰ বিচাৰ নকৰে। গোৰাই নিতৌ এই আহিছে—আজিও এয়েই তাৰ কৱলগীয়া। গজৰাজক নাৰিলে যি হয় আজি হৰিমোহিনীয়ে এইহেন গোৰাৰ চৰিত্ৰত ঠিক সেয়ে হল।

গোৰা যেতিয়া ঘৰ পালেহি মহিমে তেতিয়া উদং গাৰে আলিবাটত বেঞ্চি এখন পাৰি ধঁপাত ছপি আছিল। বন্ধ। গোৰাক ভিতৰলৈ সোমোৱা দেখি তাৰ পিচে পিচে দিলে, "গোৰা শুনাচোন, এটা কথা আছে।"

গোৰাক নিজৰ কোঠালৈ নি কলে,—"খং নকৰিবা তোমাক এটা কথা সোধো—বিনয়ৰ বোগে তোমাকো সেই ফালে

গোৰাৰ মুখ ৰঙা পৰি গ'ল। সি কলে,—"ভয় নাই।"

মহিমে কলে,—"যিহে দিন কাল পৰিছে—একো ঠিক নাই। তুমি চিঠি সেইটো এটা খোৱা বস্তু; লাহেকৈ গিলি থৈ ঘৰলৈ গুচি আহিম। ৰ ৰবণীটো তাৰ ভিতৰতে আছে—তোমাৰ বন্ধুৰ দশা দেখিয়েই বুজিব পৰা। অহা-যোৱা কৰে? আচল কথাটো কোৱাই হোৱা নাই। চিঠি সিফালে বিনয়ৰ বিয়া ব্ৰাহ্ম-ছোৱালীৰ লগত একেবাৰে পকা হৈ গৈছে। ইয়াৰ পিচত কিন্তু বিনয়ৰ লগত আমাৰ কোনো ৰকমৰ সম্বন্ধ নচলিব—সেইটো তোমাক আগে ভাগেই কৈ থলো একা।"

গোৰাই কলে,—"সেইটো তো নচলেই।"

মহিমে কলে,—"কিন্তু আয়ে যদি কিবা গোলমাল লগায়, তেনেহলে ঘৰ নহব কিন্তু। আমি গৃহস্থ মানুহ, এনেয়ে ছোৱালীৰ বিয়া দিওঁতে ঠিক ওলাই যায়, তাতে যদি ঘৰত আনি ব্ৰাহ্ম সমাজ বহুউৰা, তেনেহলে কিন্তু নই এই ঘৰ এৰিব লাগিব।"

গোৰাই কলে,—"নাই, সেইটো কেতিয়াও হব নোৱাৰে।"

মহিমে কলে,—"শশীৰ বিয়াৰ কথা-বতৰা প্ৰায় শেষ হৈ আহিছে। সমাৰ বিয়েয়ে যিমান কণ ছোৱালী ঘৰলৈ নিব, সোণ হলে তাতকৈ বেচিকৈ দিনি নেবে; কাৰণ তেখেতে জানে মানুহৰ শৰীৰ নশ্বৰ পদাৰ্থ, সোণহে ীতকৈ বেচি দিন টিকে। দেৱাইতকৈ অনুপানতহে তেখেতৰ চকু চি। বিয়ে বুলিলে তেখেতৰ আচল চিনাকি নোলায়—একেবাৰে নিলাজ। কিন্তু খৰচ হব সঁচা, কিন্তু মানুহজনৰপৰা মই যথেষ্ট শিকিলোঁ—মোৰ শীৰ বিয়াত কামত আহিব। বৰ লোভ হৈছে আৰু এবাৰ জন্ম লৈ ষ্টতাক আগত থৈ একেবাৰেই বিধিমতে মোৰ বিয়াখন পাতো—মতা ই যে জন্ম লৈছোঁ তাৰ ষোল অনা সাৰ্থক কৰি লওঁ। পুৰুষালি ইয়াকেই কয়—ছোৱালীৰ বাপেকক একেবাৰে মাধমাৰ শোধোৱা। ই জানো সাধাৰণ কথা; তুমি যিহকে কোৱা নেলাগিলে, তোমাৰ লগত লগ লাগি দিনে নিশাই যে হিন্দু সমাজৰ জয়ধ্বনি কৰিম, এনে বল নেপাওঁ দেখোন। মত ওলাবই নোখোজে, একেবাৰে কাহিল কৰি পেলালে। আমাৰ সোণ কণৰ বয়স মাত্ৰ ১৪ মাহ—প্ৰথমে কন্যা জন্ম দি শেষত সেই ভুল শুধৰাবলৈ দেশীয়ে দীঘলীয়া সময় ললে। বাৰু সি যি হওক, গোৰা, লবাটোৰ বিয়াৰ সময় নোহোৱালৈকে তোমালোক সকলোৱে মিলি হিন্দু সমাজখন আজিৰ দৰে তেজী কৰি ৰাখা যেন। তাৰ পিচত দেশৰ মানুহ মুছলমান হয় খুষ্টান হয়—মই একো মাত নেমাতো।"

গোবাই উঠি থিয় দিওঁতেই মহিমে কলে,—"সেই দেখিয়েই কৈহিলোঁ—
শশীৰ বিয়ালৈ বিনয়ক নিমন্ত্রণ কৰা নহব কিন্তু। তেতিয়া এই কথা
এখন হুলস্থূল কৰিব নোৱাৰিবা। আইক এতিয়াবেপৰা তুমি
কৰি থবাঁ।"

মাকৰ কোঠাত সোমায়েই গোবাই দেখিলে আনন্দময়ীয়ে
চকুত চছমা লগাই এখন বহি মেলি লৈ কিবা লিষ্টি লিখি আছে।
দেখি বহীখন জপাই চছমা খুলি গোবাক কলে,—"বহ।"

গোবা বহিলত আনন্দময়ীয়ে কলে,—"তোক এটা কথা
আছে। বিনয়ৰ বিয়াৰ খবৰ পাইছ নহয়।"

গোবা মনে মনে থাকিল। আনন্দময়ীয়ে কলে,—"বিনয়ৰ
ওকোন্দ পাতিছে—তেওঁলোক কোনো বিয়ালৈ নাহে। আকৌ ভট ভাইটীৰ
ঘৰতো এই বিয়া হবনে নহয় সন্দেহ। বিনয়ে নিজেই সকলো
কৰিব লাগিব। সেইদেখি কৈছিলোঁ যে আমাৰ ঘৰৰ উত্তৰ ফালৰ
মহলাটো ভাবা দিয়া হৈছে, তাৰে দুতলাৰ ভাৰাটীয়া গুচি গৈছে।
দোতালাতেই বিনয়ৰ বিয়াৰ বন্দবস্ত কৰিলে সুবিধা হয়।"

গোবাই সুধিলে,—"কি সুবিধা হব?"

আনন্দময়ীয়ে কলে,—"মই নেথাকিলে তাৰ বিয়াত চোৱা-চিতা
কৰিব। সি দেখোন বৰ বিপদত পৰিব। আমাৰ সেই দোতালাতে
বিয়া হয়, তেনেহলে সকলো যোগান মই ইয়াৰপৰাই ধৰিব পাৰোঁ।
খৰখেদা কৰিবলগীয়া নহয়।"

গোবাই কলে,—"সেইটো হব নোৱাৰে আই!"

আনন্দময়ীয়ে কলে,—"কিয় হব নোৱাৰিব। দেউতাৰক মই
কবাইছোঁ।"

গোবাই কলে,—"নহয় আই, এই বিয়া ইয়াত হব নোৱাৰিব—
কৈছোঁ, মোৰ কথা শুনিবাঁ।"

আনন্দময়ীয়ে কলে,—"কিয়, বিনয়ে তো সিহঁতৰ মতে বিয়া
গোবাই কলে,—"সেইবিলাক তৰ্কৰ কথা। সমাজৰ
কথা নচলে। বিনয়ৰ যি মন যায় কৰক; এই বিয়া
নোৱাৰোঁ। কলিকতা চহৰত ঘৰৰ অভাৱ নাই। তাৰ
আছে দেখোন।"

ঘৰ যে বহুতো পোৱা যায়, সেইটো আনন্দময়ীয়ে
বিনয়ে মিতিৰ-কুটুম সকলোবেপৰা এবা পৰি অকলে যেনে

নিমন্ত্রণ পাতি থব—এই কথাত তেওঁৰ মন ঘৰৰকৈ খচ্‌খচাবলৈ ধৰিলে।
সি দেখিয়েই নিজ ঘৰৰ খালি থকা ফালটোতে বিনয়ৰ বিয়া পতাৰ কথা
সি মনে ঠিক কৰি থৈছিল। ইয়াকে কৰিব পৰা হলে সমাজৰ কোনো
দল নলগোৱাকৈয়ে নিজৰ ঘৰতে শুভ-কার্য্য সমাধান কৰি তৃপ্তি লাভ
কৰিব পাৰিলেহেঁতেন।

গোবাৰ ঘোৰ আপত্তি দেখি আনন্দময়ীয়ে দীঘল হুমুনিয়াহ এটা কাঢ়ি
লৈ কলে,—"তোমালোকৰ ইমান আপত্তি যেতিয়া আন এটা ঘৰেই ভাৰা কৰিব
লাগিব। কিন্তু তাকে কৰিলে মোৰ ওপৰত বৰ হেঁচা পৰিব। হওক বাৰু,
ভাবিত হবই নোৱাৰে যেতিয়া ভাবি কি হব।"

গোবাই কলে,—"এই বিয়াত তুমি হলে লাগি-ভাগি দিব নোৱাৰিবা।"

আনন্দময়ীয়ে কলে,—"সেইটো কেনে কথা গোবা, তই কি কৈছ!
মোৰ বিনয়ৰ বিয়াত ময়ে লাগি-ভাগি নিদিলে কোনে দিব?"

গোবাই কলে,—"সেইটো কোনো মতেই হব নোৱাৰে আই।"

আনন্দময়ীয়ে কলে,—"গোবা, বিনয়ৰ লগত তোৰ মতৰ মিল নহব
পাৰে, কিন্তু সেই বুলিয়েই তাৰ লগত শত্রুতা কৰিব লাগেনে?"

গোবা অলপ উত্তেজিত হৈ কলে,—"আই, তুমি এইটো অন্যায় কথা
কৈছা। আজি বিনয়ৰ বিয়াত যে ৰং-ধেমালিত যোগ দিব নোৱাৰিম,
সেইটো মোৰ পক্ষে আনন্দৰ কথা নহয়। মই বিনয়ক যিমান মৰম কৰোঁ।
সেইটো অইনে নেজানিলেও তুমি জানা। কিন্তু আই, এইটো মৰমৰ কথা
নহয়; ইয়াত শত্রু-মিত্রবো একো কথা নাই। বিনয়ে ইয়াৰ ভাল-বেয়া
সকলো জানি-বুজিয়েই এই কামলৈ আগবাঢ়িছে। আমি তাক এবা
নাই, এবিছে সি। গতিকে এই এবা-এবিৰ ফলত যি আঘাত আহিব
পাৰে তাৰ বাবে সি সাজু।"

আনন্দময়ীয়ে কলে,—"গোবা, বিনয়ে এই বিয়াৰ কোনো কথাতে
তোৰ লগত যে সম্পর্ক নেৰাখিব সেই কথা ভালকৈ জানে। কিন্তু সি এইটোও
ভালকৈ জানে যে এই শুভ কামত মই তাক কোনো পধ্যেই এৰিব নোৱা-
নিব। মই বিনয়ৰ কইনাক আশীৰ্ব্বাদ কৰি গ্রহণ নকৰিম বুলি তাৰ মনত
যদি এবাৰো খেলালে হয়, তেনেহলে মই তোক কওঁ, যে প্রাণ গলেও এই
বিয়ালৈ সি আগ নেবাঢ়িলহেঁতেন। মই জানো বিনয়ৰ মনটো
নোজানো?"

কথাষাৰ কৈয়ে আনন্দময়ীয়ে চকুৰ কোণৰ চকুপানী এটোপা মচিলে।
গোবাৰ মনত বিনয়ৰ কাৰণে যি গভীৰ বেজাৰ আছিল, সেই বেজাৰ যেন

জোকাৰ খাই উঠিল। তথাপিও সি কলে,—"আই, তুমি সমাজত আৰু সমাজৰ ওচৰত তুমি বকা, এই কথা তুমি মনত বাখিব লাগিব।"

আনন্দময়ীয়ে কলে,—"মই তোক বাবে বাবে কৈছোঁ সমাজৰ লগে মোৰ সম্পৰ্ক বহুত দিনৰ আগতে ছিণ্ডি গৈছে। সেই কাৰণে মোক ঘিণ কৰে, আৰু মহো সমাজৰপৰা আঁতৰত থাকোঁ।'

গোৰাই কলে,—"আই, তোমাৰ এইবোৰ কথাতে মই দুখ পাওঁ।"

আনন্দময়ীয়ে চলচলীয়া চকুৰ মধুৰ দৃষ্টিৰে যেন গোৰাৰ সকলো স্পৰ্শ কৰি কলে,—"বোপাই, ঈশ্বৰে জানে তোক এই দুখৰপৰা সকলো সাধ্য মোৰ নাই।"

গোৰাই থিৰ হৈ কলে,—"মই কি কৰা উচিত তোমাক কওঁ। বিনয়ৰ তালৈ যাম, তাক কম, তোমাক তাৰ বিয়াৰ কথাত সাধুনি সমাজৰপৰা তোমাক যেন আৰু বেচি আঁতৰাই নিনিয়ে, কিয়নো এনে কৰিলে তাৰ পক্ষে অত্যন্ত অন্যায় আৰু স্বাৰ্থপৰ হব।"

আনন্দময়ীয়ে হাঁহি হাঁহি কলে,—"বাৰু, তই যি পাৰ কৰ গৈ, তাৰ যি হয় কৰগৈ। মই পিচত চাম বাৰু।"

গোৰা যোৱাৰ পিচত আনন্দময়ীয়ে বহুপৰ বহি থাকি গুণা-গঁথা কৰি তাৰ পিচত লাহে লাহে গৈ গিৰীয়েকৰ কোঠাত সোমালগৈ।

আজি একাদশী, কাজেই কৃষ্ণদয়ালৰ বন্ধা-বঢ়া কৰাৰ দৰকাৰ নাছিল। তেখেতে ঘৰেণ্ড সংহিতাৰ বঙালী অনুবাদ এখন পাইছিল, সেইখন হাতত লৈ পছঙালৰ ওপৰত বহি পঢ়ি আছিল।

আনন্দময়ীক দেখি হুবমুৰ কৰে উঠিল। আনন্দময়ীয়ে তেওঁৰ ভালেমান দূৰতে থাকি দুৱাৰডলিতে বহিল আৰু কলে,—"চাওক, অন্যায় হৈছে।"

কৃষ্ণদয়াল সাংসাৰিক ন্যায়-অন্যায়ৰপৰা আঁতৰ হৈ পৰিছিল, উদাস ভাৱে সুধিলে, "কি অন্যায়।"

আনন্দময়ীয়ে কলে,—"গোৰাৰপৰা আৰু এদিনো কথাবোৰ লুকুৱা থোৱা উচিত হোৱা নাই, কথা ক্ৰমেই ডাঙৰ হৈ পৰিছে।" যিদিনাই পৰাচিতৰ কথা উলিয়াইছিল, সিদিনাই কৃষ্ণদয়ালৰ মনত কথাটো খেলাইছিল, কিন্তু যোগ সাধনাৰ নানা ৰকমৰ প্ৰক্ৰিয়াৰ থকাত কথাটো চিন্তা কৰি চাবলৈ আহৰিয়েই পোৱা নাছিল।

আনন্দময়ীয়ে কলে,—"শশীমুখীৰ বিয়াৰ ঠিক হৈছে, ফাগুনতে হব। ইয়াৰ আগতে

নেযিয়াই এটা নহয় এটা বুদ্ধি কৰি গোৰাক লগত লৈ মই অইন ঠাইলৈ যাঁচি গৈছোঁ। তেনে কোনো ডাঙৰ কাজ-কাম ইয়াৰ ভিতৰত হোৱাও নাই, কিন্তু এইবাৰ শশীৰ বিয়াত গোৰাক লৈ কি কৰিব খুজিছে কওক। সেয়ায় নিতৌ বাঢ়ি গৈছে। দুইবেলা হাতযোৰ কৰি ভগৱন্তৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰিছোঁ—তেওঁ যি শাস্তি দিব খোজে সকলো যেন মোকে দিয়ে; কিন্তু মোৰ ভয় হৈছে আৰু মোৰ মনেও কৈছে, আৰু যেন পিচুৱাই নিয়ক, মোৰ কপালত যি আছে হব; মই তাক সকলো ভাঙি কওঁ।"

কৃষ্ণদয়ালৰ তপস্যা ভাঙিবলৈ ইন্দ্ৰদেৱতাই এইটো আকৌ কি বিঘিনি পাঠালে। সম্প্ৰতি তপস্যাও ভীষণ ঘোৰ হৈ উঠিছে, উশাহৰদ্বাৰা অসাধ্য সাধন হেছে, আহাৰৰ মাত্ৰাও ইমান কমিছে যে পেটে-পিঠিয়ে একে কৰাৰ, প্ৰাণ বক্ষা হবলৈ বৰ বেচিদিন নাই। এনে সময়তে এইটো আকৌ কি উৎপাত!

কৃষ্ণদয়ালে কলে,—"তুমি বলিয়া হলা নে কি? এই কথা ওলাৰ লাগিলে মই ডাঙৰ কৈফিয়ৎ দিব তো লাগিবই—পেঞ্চনো বন্ধ হব। হয়তো বা পুলিচ আহি টনা-আজোৰা কৰিবহি। যি হবৰ হ'ল, যিমান পাৰা চঙালিবা—আৰু নোৱাৰিলেও বিশেষ দোষ নহয়।"

কৃষ্ণদয়ালে ঠিক কৰি থৈছিল যে তেওঁ মৰাৰ পিচত যি হয় হব। ওই কেইদিন তেওঁ আনৰপৰা আঁতৰে আঁতৰে ফুৰিব। তাৰ বাহিৰে তেওঁৰ অজ্ঞাতত আনৰ কি হৈছে নহৈছে সেইবোৰ বিষয়ে এতিয়া মূৰ নঘমালেও চলিব।

এতিয়া কি কৰা উচিত তাকে ঠিক কৰিব নোৱাৰি বেজাৰ মনেৰে আনন্দময়ীয়ে থিৰ দিলে। অলপ থিৰ হৈ থাকি কলে,—"আপোনাৰ শৰীৰ কেনে হৈ গৈছে মন নকৰে কিয়?"

আনন্দময়ীৰ মূৰ্ছামি দেখি কৃষ্ণদয়ালে হো হো কৰে অলপ হাঁহিলে, আৰু কলে,—"শৰীৰ"।

এই আলোচনা কোনো এটা উচিত সিদ্ধান্তত শেষ নহলগৈ আৰু কৃষ্ণদয়ালেও পুনৰ ঘেৰণ্ডসংহিতাত মন দিলে। সিফালে তেখেতৰ সন্ন্যাসীৰ নগত আগ ফালৰ কোঠাত বহি মহিমে অতি উচচ ধৰণৰ পৰমাৰ্থ তত্ত্বৰ আলোচনাত ব্যস্ত হৈ থাকিল। গৃহীসকলৰ মুক্তি আছে নে নাই—অতি বিনীত আৰু বিয়াকুল ভাৱেৰে এই প্ৰশ্ন সুধি হাতযোৰ কৰি মহিমে একেখৰে, এনে একান্ত ভক্তি আৰু আগ্ৰহৰ ভাৰ লৈ তেখেতৰ উত্তৰ

শুনিবলৈ বহি আছিল যেন—মুক্তিৰ কাৰণে তেওঁৰ যি য'ত আছে সকলো পণ কৰিছে। গৃহীসকলৰ মুক্তি নাই কিন্তু স্বৰ্গ আছে এই কথাকে সন্ন্যাসীয়ে কোনো প্ৰকাৰে মহিমক বুজাবলৈ যত্ন কৰিছিল, কিন্তু মহিমৰ মনে কোনো মতেই সান্ত্বনা পোৱা নাছিল। মুক্তি তেওঁক লাগেই, স্বৰ্গৰ প্ৰয়োজন নাই। কোনো প্ৰকাৰে ছোৱালীজনীৰ বিয়া দি লব পাৰিলেই তেওঁ সন্ন্যাসীৰ পদ সেৱা কৰি মুক্তিৰ সাধনাত উঠি-পৰি লাগিব। কাৰ আগত এই কথাৰপৰা তেওঁক আঁতৰ কৰিব। কিন্তু ছোৱালীৰ বিয়া, সি তো সহজ কথা নহয়—সন্ন্যাসী বাবাই দয়া কৰিলে অৱশ্যে কথা সুকীয়া।

৬৪

মাজতে নিজৰ যে অকণমান ভৰি পিছলিছিল, এই কথা ভাবি গোৱা আগতকৈয়ো কঠোৰ হৈ উঠিল। সি যে সমাজ পাহৰি এটা ডাঙৰ দোষ পৰি নিজকে পাহৰি গৈছিল, নিয়ম-পালনত শিথিলতা কৰাৰ বাবেই এনে হৈছে বুলি সি থিৰ কৰিলে।

গোৱাই বাতিপুৱাৰ পূজাভাগ শেষ কৰি কোঠাৰ ভিতৰলৈ সোমাওতেই দেখিলে ভট্ট ডাঙৰীয়া বহি আছে। তাৰ বুকুত যেন বিজুলীহে মাৰিলে, ভট্ট ডাঙৰীয়াৰ লগত কিবা এডাল ডোলেৰে তাৰ জীৱন আত্মীয়তাৰ বান্ধোন নেৰে যে বান্ধ খাই আছে এই কথা গোৱাৰ সিৰা-উপসিৰাবোৰেও নেমাৰি নোৱাৰিছিল। ভট্ট ডাঙৰীয়াক নমস্কাৰ কৰি গোৱা বহিল।

পৰেশ ভট্টই কলে,—"বিনয়ৰ বিয়াৰ কথা তুমি শুনিছা হব পায়?"

গোৱাই কলে,—"হয়।"

ভট্টই কলে,—"সি ব্ৰাহ্মমতে বিয়া কৰিবলৈ ৰাজী নহয়।"

গোৱাই কলে,—"তেনেহলে সি এই বিয়া পতাই অনুচিত।"

পৰেশ ভট্টই অলপ হাঁহিলে, মুঠেই এই কথা লৈ কোনো তৰ্কৰ নোসোমাল। তেখেতে কলে,—"আমাৰ সমাজৰ কোনেও এই বিয়াত যোগ নিদিয়ে, বিনয়ৰ মিতিৰ-কুটুমো কোনো নাহে বুলি শুনিছোঁ। সেই ছোৱালীৰ কালৰপৰাও বোধকৰোঁ। তোমাৰ বাহিৰে আৰু কোনো নেথাকিব সেই দেখি তোমাৰ লগতে কথাটো পাতো বুলি আহিলোঁ।"

গোৱাই মূৰ জোকাৰি কলে,—"এই বিষয়ে মোৰ লগত কথা পাতি হব। মই তো ইয়াৰ ভিতৰত নাই।"

পৰেশ ভট্ট আচৰিত হৈ কিছু সময় গোৱাৰ মুখৰ ফালে চাই থাকি কলে,—"তুমি নাই?"

পৰেশ ভট্ট আচৰিত হোৱাত গোৱাই মুহূর্ত্তৰ বাবে অলপ সঙ্কোচ বোধ কৰিলে হয়, কিন্তু পিচ মুহূর্ত্ততে দুগুণ বলেৰে ক'লে,—"ইয়াৰ ভিতৰত মই কেনেকৈ থাকিম!"

পৰেশ ভট্টই কলে,—"মই জানো তুমি তাৰ বন্ধু; এনে সময়তেই হয়তো দৰ্কাৰ আটাইতকৈ বেচি, নহয় জানো?"

গোৱাই কলে,—"মই তাৰ বন্ধু সঁচা, কিন্তু সেইটোৱেই সংসাৰত মোৰ একমাত্ৰ বন্ধন আৰু সকলোতকৈ ডাঙৰ বন্ধন নহয়।"

পৰেশ ভট্টই সুধিলে, "গৌৰ বোপা, বাৰু তুমি বিনয়ৰ আচাৰ-ব্যৱহাৰত কিবা অধৰ্ম্ম দেখা গৈছে বুলি ভাবা নে কি?"

গোৱাই কলে,—"ধৰ্ম্মৰ যে দুটা দিশ আছে—এটা নিত্য আৰু গিটো লৌকিক। ধৰ্ম্মই সমাজৰ নিয়ম হৈ যেতিয়া দেখা দিয়ে তেতিয়াও তাক আঙুহেলা কৰিব নোৱাৰি, তেনে কৰিলে সংসাৰ ছাৰ্‌খাৰ্‌ হৈ যায়।"

পৰেশ ভট্টই কলে,—"নিয়ম ভালেমান আছে, কিন্তু সকলো নিয়মতেই বাচল ধৰ্ম্ম সোমাই আছে বুলি ধৰি লব লাগিবনে?"

পৰেশ ভট্টই গোৱাৰ মনৰ এনে এঠাইত কোব মাৰিলে যে যি ঠাইত গোৱাৰ মনত এটা আলোড়ন চলি আছিল আৰু সেই চিন্তাৰপৰা সি এটা সিদ্ধান্তও পাইছিল—সেই দেখিয়েই তাৰ অন্তৰৰ সাঁচতীয়া বাক্য-বাণ এনেকৈ ৰবষিবলৈ ধৰিলে যে পৰেশ ভট্টৰ নিচিনা মানুহ এজনৰ ওচৰতো তাৰ কোনো সঙ্কোচৰ ভাব নোহোৱা হ'ল। থোৱতে কৰলৈ গ'লে এই কথাকে ক'লে যে নিয়মবদ্ধাবাই আমি নিজকে যদি সমাজৰ সম্পূর্ণ বাধ্য নকৰোঁ তেনেহলে সমাজৰ অন্তৰৰ আটাইতকৈ গভীৰ উদ্দেশ্যৰ বিৰোধিতা কৰা হয়; কাৰণ সেই উদ্দেশ্য অতি গূঢ়; সেই উদ্দেশ্য ফট্‌ফটীয়াকৈ বুজিন পৰা সাধ্য প্ৰত্যেক মানুহৰে নাই। এই কাৰণে বিচাৰ নকৰাকৈয়ে সমাজক মানি লব পৰা শক্তি আমাৰ থাকিব লাগিব।"

পৰেশ ভট্টই শান্তভাৱে গোৱাৰ সকলো কথা শেষলৈকে শুনিলে; গোৱা যেতিয়া বল, তেতিয়া আগ-গুৰি নেচাই অনৰ্গল বকি যোৱাৰ বাবে মনতে সি নিজেই যেন অলপ লাজ পালে। তেতিয়া পৰেশ ভট্টই ক'লে, "তোমাৰ আচল কথাটো মই মানো। এইটো গঁচা যে প্ৰত্যেক সমাজতে ঈশ্বৰৰ এটা অভিপ্ৰায় আছে আৰু সেই অভিপ্ৰায় যে সকলোৰে চকুত ফট্‌ফটীয়া হৈ ধৰা পৰিব, সিও নহয়। কিন্তু তাকে ফট্‌ফটীয়াকৈ দেখা

পাৰলৈ চেষ্টা কৰাটোৱেই মানুহৰ কাম, গছ-গছনিৰ দৰে চেতনা নোহোৱাকৈ নিয়ম পালন কৰাত তাৰ সাৰ্থকতা নেথাকে।"

গোৰাই ক'লে,—"মোৰ কথা হৈছে, আগেয়ে সমাজক চাবিও দিনকে পৰা পূৱা-পূৰি মানি চলিলেহে সমাজৰ আচল উদ্দেশ্যৰ বিষয়ে আমাৰ চেতনা শুদ্ধ হব পাৰে। সমাজৰ লগত বিৰোধ কৰিলে অকল বিৰোধ কৰাই; নহয়, সমাজক ভুল বুজাও হয়।"

পৰেশ ভট্টই ক'লে,—"বিৰোধ, বাধা-বিঘিনি এৰি সত্যৰ পৰীক্ষা হবই নোৱাৰে। পুৰণি কালতে এচাম মনীষীয়ে চিৰকালৰ নিমিত্তে সত্যৰ পৰীক্ষা কৰি শেষ কৰি থৈ গ'ল, এনে হ'ব নোৱাৰে। প্ৰত্যেক যুগতে মানুহে নানা বাধা বিঘিনিৰ ভিতৰেদি খুন্দা-খুন্দুলি খাই সত্যক নতুনকৈ আৱিষ্কাৰ কৰিব লাগিব। যি হওক, এইবোৰ কথা লৈ মই আৰু তৰ্ক কৰিব নোখোজোঁ, মই মানুহৰ ব্যক্তি-স্বাধীনতা মানো। মানুহৰ সেই ব্যক্তি-স্বাধীনতাৰদ্বাৰা আঘাত কৰিহে আমি বুজিব পাৰোঁ কোনটো চিৰ সত্য আৰু কোনটো ক্ষন্তেকীয়া কল্পনা মাথোন। সেইটো জনা আৰু জানিবৰ চেষ্টাৰ ওপৰতেই সমাজৰ হিত নিৰ্ভৰ কৰিছে।"

এই বুলি কৈয়েই ভট্ট ডাঙৰীয়া উঠিল; গোৰাও চকী এৰি থিয় দিলে। পৰেশ ভট্টই ক'লে,—"মই ভাবিছিলোঁ ব্ৰাহ্ম-সমাজৰ কাৰণে মই কিজানি বিয়াৰপৰা অলপ আঁতৰি থাকিব লাগিব, আৰু তুমি বিনয় বন্ধু যেতিয়া সকলো কাম-কাজ ভালকৈ চলাই দিবা। এনেকুৱা অৱস্থাত আপোন মানুহতকৈ বন্ধুৰ সুবিধা বেচি, কাৰণ বন্ধুৱে সমাজৰ চাবুক মাৰিব লগা নহয়। কিন্তু তুমিও যেতিয়া বিনয়ৰ লগত এৱা-এৰি হোৱাই কৰ্ত্তব্য বুলি ভাবিছা, তেন্তে দেখিছো সকলো ভাৰ মোৰ ওপৰতেই পৰিল। মই অকলেই এই কাম সমাধা কৰিব লাগিব।"

অকলে বোলোতে ভট্ট ডাঙৰীয়া যে কিমান অকলশৰীয়া গোৰাই সেইটো বুজা নাছিল। ৰবদাসুন্দৰী তেখেতৰ বিৰুদ্ধে থিয় দিছিল, ধৰৰ ছোৱালীহঁতৰ মনো গোৰা হৰিমোহিনীয়ে আপত্তি কৰিব বুলি ভট্টই ক্ষুণ্ণ বিতাকেই এই বিয়াৰ সম্পৰ্কে পৰামৰ্শ কৰিবলৈ মতা নাই। সিকালৰ ব্ৰাহ্ম-সমাজৰ সকলোৱেই তেখেতৰ বিৰুদ্ধে গুজবি-গুমৰি উঠিছিল আৰু বিনয়ৰ খুৱাকেও যি দুই এখন চিঠি দিছিল তাতো তেখেতক কপটী, কুচক্ৰী, লৰা-ফুচুলোৱা বুলি গালিহে পাৰিছিল।

ভট্ট ওলাই যোৱাৰ লগে লগেই অবিনাশ আৰু আন দুই এজন গোৰাৰ লগৰীয়া ভিতৰ সোমাই আহি ভট্ট ডাঙৰীয়াক লক্ষ্য কৰি ঠাট্টা বিদ্ৰূপ

আৰম্ভ কৰি দিলে। গোৰাই ক'লে,—"যি জন ভক্তিৰ পাত্ৰ, তেওঁক ভক্তি কৰিব পৰা ক্ষমতা নেথাকিলেও সেইজনক হঁহা আৰু ইতিকিং কৰাৰ দৰে ঠিক মনৰপৰা নিজক বক্ষা কৰাচোন।"

গোৰা আকৌ তাৰ দলৰ মানুহৰ মাজত পৰ্ব্বৰ অভ্যাস অনুযায়ী কামত লাগি যাবলগীয়া হ'ল। কিন্তু তিতা, সকলোবোৰেই যেন তিতা। এইবিলাক একো নহয়। এইবিলাকক একো কামেই বুজিব নোৱাৰি। ইয়াত কতো প্ৰাণৰ সঞ্চাৰ নাই। এনেকৈ কেৱল লিখি-পঢ়ি, দল গোটাই কোনো কামেই হোৱা নাই; বৰং বহুত "অকাম"হে সৃষ্টি কৰা হৈছে—এই কথাই আগেয়ে কোনো দিন আজিৰ দৰে গোৰাৰ মনত খুন্দিওৱা নাছিল। নতুনকৈ পোৱা শক্তিয়ে তাৰ জীৱনৰ ভাৰ-কেন্দ্ৰটো যেন বহলাই দিছে; এনে জীৱনে নিজকে সম্পূৰ্ণকৈ উটুৱাই দিবলৈ নিশ্চিত এটা পথ বিচাৰিছে—সেই দেখিয়েই তাৰ এইবিলাক একো ভাল লগা নাছিল।

ইফালে পৰাচিত-সভাৰ আয়োজন চলিব লাগিছে। এই আয়োজনত গোৰাই বিশেষ উৎসাহ অনুভৱ কৰিছে। এই পৰাচিত কেৱল ফাটেক ৰৰ অশুচিতাৰে পৰাচিত নহয়, এই পৰাচিতৰদ্বাৰা সকলো ফালৰপৰা সম্পূৰ্ণ নিকা হৈ আকৌ এবাৰ নতুন দেহেৰে সি নিজৰ কৰ্ম্ম-ক্ষেত্ৰত নতুন জনম লাভ কৰিবলৈ থিৰ কৰিছে। পৰাচিতৰ বিধান লোৱা হ'ল, দিন বাৰো ঠিক হৈছে পৰ আৰু পশ্চিম বঙ্গৰ নামজলা অধ্যাপক পণ্ডিত সকলৰলৈ নিমন্ত্ৰণ-পত্ৰ পঠোৱাৰ যা-যোগাৰ কৰা হৈছে—গোৰাৰ দলৰ যি সকল ধনী তেওঁলোকে ধনো সংগ্ৰহ কৰিছে—দলৰ সকলোৱেই অনুভৱ কৰিছে যে এইবাৰ দেশত এটা আচল কাম হব। অবিনাশে অইনে নজনাকৈ নিজ সম্প্ৰদায়ৰ সকলোৰে লগত পৰামৰ্শ কৰি সেইদিনা সভাতে সকলো পণ্ডিতৰ হতুৱাই গোৰাক ধান, দুবৰি, ফুল, চন্দন প্ৰভৃতি নানা বিধ উপচাৰেৰে সৈতে "হিন্দু ধৰ্ম্ম প্ৰদীপ" উপাধি দিয়াৰ বন্দৱস্ত কৰিছে। এই উপলক্ষে কেইটামান সংস্কৃত শ্লোক লিখি তলত সকলো পণ্ডিতৰে নাম চহী কৰাই সোণালী চিয়াঁহিৰে ছপাই চন্দন কাঠৰ বাকচ এটাত ভৰাই গোৰাক উপহাৰ দিব। লগতে মেক্সমলাৰদ্বাৰা প্ৰকাশিত একখণ্ড ঋগ্বেদ গ্ৰন্থও বহুমূলীয়া মৰক্কো ছালেৰে বন্ধাই সবাতোকৈ বয়সীয়া আৰু মাননীয় অধ্যাপকৰ হাতেদি গোৰাক আশীৰ্ব্বাদ স্বৰূপে দান কৰা হব। গোৰা যে বেদে বিধান দিয়া সনাতন ধৰ্ম্মৰ ৰক্ষাকৰ্ত্তা, এই কথাটোৱেই আজিৰ এই ধৰ্ম্মভ্ৰষ্টতাৰ দিনত খুব ভালকৈ ফুটি ওলাব বুলি অবিনাশে ভাবিছে।

সেইদিনাৰ কাৰ্য্যক্ৰম অতি হৃদয়গ্ৰাহী আৰু ফলপ্ৰদ কৰিবলৈ গোৰাই নিজনাকৈয়ে তাৰ দলৰ মানুহে নিতৌ এইদৰে পৰামৰ্শ কৰিবলৈ ধৰিলে।

হৰিমোহিনীয়ে তেখেতৰ দেওৰ কৈলাসৰপৰা এখন চিঠি পাইছে। তেওঁ লিখিছে,—"শ্ৰীচৰণৰ আশীৰ্ব্বাদত ইয়াত মঙ্গল, আপোনালোকৰ কুশল বাতৰি জনাই, আমাৰ চিন্তা দূৰ কৰিব।"

এই কথা নকলেও হব যে,—হৰিমোহিনীয়ে তেওঁলোকৰ ঘৰ এৰি অহাৰপৰা এই চিন্তা মূৰৰপৰা নমাৰ পৰা নাই, তথাপিও বিয়া কুশল-বাতৰিৰ অভাৱ আঁতৰাবলৈ আজিলৈকে কোনো প্ৰকাৰ যত্ন কৰা নাই। খুদি, পটল, ভজহৰি ইত্যাদি সকলোৰে বাতৰি শেষ কৰি শেহাতত কৈলাসে লিখিছে,—

'আপুনি যি ছোৱালীৰ কথা লিখিছে, তেওঁৰ বিষয়ে সকলো খবৰ ভালদৰে জনাব। আপুনি কৈছে,—তেওঁৰ বয়স বাৰ-তেৰ হব, কিন্তু ডাঙৰ-দীঘল ছোৱালী, দেখাত বেচি বয়স যেন লাগে—সেইটো অৱশ্যে একো কথা নহয়। তেওঁৰ যি সম্পত্তিৰ কথা লিখিছে, সেয়া তেওঁৰ জীয়ৰী স্বত্ব নে পূৰ্ণস্বত্ব—সেই বিষয়ে ভালকৈ খা-খবৰ লৈ লিখিলে বাইদেউৰ জনাই তেওঁলোকৰ মত লম। বোধকৰোঁ তেওঁলোক অমত হব নেলাগে। ছোৱালীৰ হিন্দু ধৰ্ম্মত নিষ্ঠা আছে বুলি শুনি নিশ্চিন্ত হলোঁ। কিন্তু ইমান দিন ব্ৰাহ্মৰ ঘৰত থাকি ডাঙৰ-দীঘল হোৱা কথাটো যাতে নোলায় তাৰ বাবে চেষ্টা কৰিব লাগিব—সেইদেখি এই কথা আৰু কাকো নজনাব। অহা পূৰ্ণিমাৰ চন্দ্ৰ গ্ৰহণত গঙ্গাস্নানৰ যোগ আছে; যদি সুবিধা হয়, সেই সময়তে গৈ ছোৱালী চাই আহিম গৈ।"

এতিয়ালৈকে কোনো প্ৰকাৰে কলিকতাতে দিন পাৰ হৈ গৈ আছিল, কিন্তু শহুৰৰ ঘৰলৈ উভতিবৰ আশাৰ গজালি ওলোৱাৰ লগে লগেই হৰিমোহিনীৰ মনে আৰু ধৈর্য্য ধৰিব নোৱাৰা হ'ল। নিৰ্ব্বাসনৰ প্ৰত্যেকটো দিনেই নেযায়-নুপুৰায় যেন লাগিল। তেওঁৰ এনে ব্যস্ততা হৈছিল যেন এতিয়াই সুচৰিতাক কৈ দিন বাৰ ঠিক কৰি কাম সমাধা কৰি পেলাব। কিন্তু লৰালৰি কৰিবৰ সাহ নহল। সুচৰিতাক বিনাদোষে চৰৰপৰা দেখিলে সিমানেই তেখেতে বুজিব ধৰিলে যে তাইক এতিয়াও লকৈ বুজিব পৰা নাই।

হৰিমোহিনীয়ে সুযোগ বিচাৰিবলৈ লাগিল আৰু সুচৰিতাৰ বিষয়ত াতকৈয়ো বেচিকৈ সতৰ্ক হবলৈ ধৰিলে। আগেয়ে পূজা-পাতলৈ

যিমান সময় লাগিছিল এতিয়া সেই সময় কমি আহিবৰ উপক্ৰম হ'ল—লৰণ তেখেতে সুচৰিতাক চকুৰ আঁৰ হবলৈ দিবই নোখোজে।

সুচৰিতাই দেখিলে গোৰাৰ অহা-যোৱা হঠাতে বন্ধ হৈ গ'ল। তাই বুজিলে যে হৰিমোহিনীয়ে তেওঁক কিবা কৈছে। তাই নিজক নিজে ক'লে,—"ভাল বাৰু, তেখেত নাহিলেই জানিবা, তেখেত মোৰ গুৰু, নাহেই গুৰু।"

সম্মুখত থকা গুৰুতকৈ নেদেখা গুৰুৰ বল বহুতো বেচি। কিয়নো নিজৰ মনে তেতিয়া নেদেখা গুৰুৰ অভাৱ নিজৰ অন্তৰৰপৰাই পূৰাই লয়। গোৰা বিদ্যমান থাকিলে সুচৰিতাই য'ত তৰ্ক কৰিলেহেঁতেন, সেই ক্ষেত্ৰত এতিয়া গোৰাৰ বচনা পঢ়ি তাৰ কথাবিলাক বিনা প্ৰতিবাদে গ্ৰহণ কৰা হ'ল। বুজিব নোৱাৰিলেই কয়, তেখেত থকা হ'লে নিশ্চয় বুজাই দিলেহেঁতেন।"

কিন্তু গোৰাৰ সেই তেজস্বী মূৰ্ত্তিটো দেখা আৰু তাৰ বজ্ৰপাতৰ দৰে গৰ্জ্জনৰ দৰে মাত শুনাৰ লোভ জানো সহজে সামৰিব পাৰি! তাইৰ মনৰ এই নিস্পৃহ প্ৰবল ইচ্ছাই তাইক খুলি খুলি খাবলৈ ধৰিলে আৰু ললিতা তাই লাহে লাহে শুকাই খীণাই আহিবলৈ ধৰিলে। প্ৰায়েই সুচৰিতাই বৰ বেজাবেৰে ভাবে—কিমান মানুহে অনায়াসে বাতিয়ে-দিনে গোৰাৰ দৰ্শন পাইছে, কিন্তু এই দৰ্শনৰ কি যে মূল্য, সেইটো সিহঁতে বুজি নপায়।

এদিন আবেলি ললিতা আহি সুচৰিতাৰ ডিঙিত সাৱটি ধৰি ক'লে,—"ইচি বাইদেউ!"

সুচৰিতাই ক'লে,—"কি হ'ল ভনীটি!"

ললিতাই ক'লে,—"সকলো ঠিক হৈ গৈছে।"

সুচৰিতাই সুধিলে,—"দিন কেতিয়াকৈ ঠিক হ'ল।

ললিতাই ক'লে,—"সোমবাৰে।"

সুচৰিতাই সুধিলে,—"ক'ত হব?"

ললিতাই মূৰ জোকাৰি উত্তৰ দিলে; "সেইবোৰ মই নেজানো। সেউতাইহে জানে।"

সুচৰিতাই বাহুৰে ললিতাৰ ককালত সাৱটি ধৰি ক'লে,—"ভাল লাগিছে, নহয় ভনীটি?"

ললিতাই ক'লে,—"কিয় ভাল নেলাগিব।"

সুচৰিতাই ক'লে,—"যি বিচাৰিছিলি সকলো পালি, এতিয়া কাৰো

ঘবলৈ আহিছিলে—নহয় বাইদেউ তুমি তেনে কবিলে নহব, আজি
বি কবলগীয়া আছে কমেই—তোমাবপবা কোনো দিনেই মই
লুকোৱা নাই, কিন্তু কিয় জানো, এটা কথা তোমাক কোনো
ব পবা নাই, সদায় সেই দেখি মই দুখ পাই আহিছোঁ। সেই
নোকোৱাকৈ আৰু তোমাবপবা বিদায় লৈ মই যাব নোৱাৰিম।
গৌৰমোহন আমাৰ ঘবলৈ আহে, তেতিয়া মোৰ বৰ খং উঠিছিল।
খং উঠিছিল। তুমি ভাবিছিলা, মই একো বুজি পোৱা নাই,
? মই দেখিছিলোঁ, তুমি তেওঁৰ ওচবত মোৰ নামো নোলোৱা, সেই-
মোৰ বৰ খং উঠিছিল। তুমি যে তেওঁক বেচিকৈ ভাল পাবা
মোৰ অসহ্য হৈ উঠিছিল—নহয় বাইদেউ মোক কবলৈ দিবই
—সেইবাবে যে মই কিমান দুখ পাইছিলোঁ, সেইটো তোমাক কি
। আজি তুমি সেই বিষয়ে একো নোকোৱা মই জানো, নকলাই বা—
বাৰু খং নাই মই যে কিমান ভাল পাম বাইদেউ, যদি তোমাক—"
সুচবিতাই লৰালবিকৈ ললিতাৰ মুখত হাতেৰে সোপা দি ক'লে,
তো, তোৰ ভবিত ধবিছোঁ ভনীটি, তই সেইবোৰ কথা মুখলৈকে নানিবি।
লোৰ শুনিলে মোৰ মবি যোৱা যেন লাগে।"
ললিতাই ক'লে,—"কিয় বাইদেউ, তেওঁ কি—"
সুচবিতাই অস্থিৰ হৈ ক'লে,—"নহয়, নহয়, নহয়। বলিয়াৰ দৰে
নবকিবি চোন। যি কথা মনতো ভবা নাই, সেই কথা মুখলৈ আনিব
পাম।"
সুচবিতা এইদৰে কোঁচ-মোচ খাই পবা দেখি ললিতাই বিৰক্ত হৈ
ক, "এইটো কিন্তু বাইদেউ তুমি বেচি বেচি কবিছা। মই খুব লক্ষ্য
কবিছোঁ আৰু তোমাক মই ডাঠি কব পাবোঁ।—"
সুচবিতাই নিজৰ গাৰপবা ললিতাৰ হাত একৰাই লৈ কোঠাৰপবা
ওলাই গ'ল। ললিতাই লবি গৈ সুচবিতাক ধবি আনি ক'লে,—
বাৰু, মই নকওঁ বাৰু।"
সুচবিতাই ক'লে,—"কোনো দিনেই নকবি।"
ললিতাই ক'লে,—"ইমান ডাঙৰ শপত মই খাব নোৱাৰোঁ, যদি
তিয়াবা সময় আহে তেতিয়া, তেতিয়া হলে কম, নহলে নকওঁ—তোমাক
দিলোঁ বাৰু।"
এই কেইদিন হৰিমোহিনীয়ে সুচবিতাক চকুৰে চকুৰে বাখিছিল।

লগত দন্-খবিয়াল কবিবলৈ একো নাই; সেই কাবণে মনে মনে ভয়
লাগে কিজানি আকৌ তোৰ আগ্রহ কমি যায়।"
ললিতাই হাঁহি হাঁহি ক'লে,—"কিয়, দন্ কবিবলৈ মানুহৰ কি আকাল
হব। এতিয়া বাহিৰত মানুহ বিচাবিব নেলাগিব আৰু।"
সুচবিতাই ললিতাৰ গালত আঙুলিবে খুচি দি ক'লে, "অ' এইটোহে।
এতিয়াবেপবা এইবোৰ মৎলব পকাইছ। ৰ মই বিনয়ক কম যে এতিয়াও
সময় আছে, সি যেন সাৱধান হয়।"
ললিতাই ক'লে,—"তোমাৰ সেই বেচেবাৰ আৰু সাৱধান হবৰ সময়
উকলি গ'ল বুজিছা, আৰু উদ্ধাৰ পাবৰ উপায় নাই। কুষ্ঠিত যি দুৰ্ঘটনা
লিখা আছিল, সি ফলিয়ালে, এতিয়া আৰু কপালেই ভুকুটৱা বা কান্দাই।"
সুচবিতাই গহীন হৈ ক'লে,—"মই যে কিমান আনন্দ পাইছোঁ,
ললিতা কি কম? বিনয়ৰ নিচিনা স্বামীৰ যেন তই যোগ্যা হব, এইটোকে
প্রার্থনা কবিছোঁ।"
ললিতাই ক'লে,—"ইহ্ কিয় বা হব। মোৰ যোগ্য জানো অহৈ
হব নেলাগে। এই বিষয়ে তেওঁৰ লগত এবাৰ কথা হবাচোন। তেওঁৰ
মতটো এবাৰ শুনি থবা, তেতিয়া হলে তোমাৰো মনত দুখ নাগিব বে
এনে আচবিত মানুহজনৰ আদৰ আনি ইমানদিনে একো কবাই নাছিলোঁ—
কিমান অজলা হৈ আছিলোঁ।"
সুচবিতাই ক'লে,—"যি হওক ইমান দিনৰ মূৰত তেও আচল মোৰ
বুজা এজনী ওলাল। যি মূল্য দিবা তাৰ বাবে দুখ কবিবলৈ নাই, এতিয়া
আৰু আমাৰ দৰে একাজীয়ে তোমাক মৰম কবাৰ দৰকাৰ নহব।"
ললিতাই ক'লে,—"নহব কিয় বা, খুব হব।" বুলি কৈ সুচবিতাৰ
গালত জোৰেৰে টিপা মাৰি দিলে আৰু সুচবিতাই "উঃ" বুলি উঠিল।
তোমাৰ মৰম মোক চিৰকাললৈকে লাগিব। সেইটো ফাঁকি দি
কাৰবাক দিলে নহব।"
সুচবিতাই ললিতাৰ গালতে গালখন থৈ ক'লে,—"কাকো নিদিওঁ
কাকো নিদিওঁ।"
ললিতাই ক'লে,—"কাকো? একেবাৰেই কাকো নিদিয়া?"
সুচবিতাই মাথো মূৰটো জোকাবিলে। ললিতাই তেতিয়া
আঁতৰ হৈ বহি ক'লে,—"চোৱা, সুচিবাইদেউ, তুমি তো বাইদেউ
তুমি আন কাৰবাক মৰম কবিলে মই কোনো দিনেই সহিব নোৱাবিছিলোঁ
ইমান দিন মই তোমাক কোৱা নাই, আজি কওঁ; যেতিয়া গৌৰমোহন

হবিমোহিনী তাইৰ ওচৰে ওচৰে থকা কথাটো সুচৰিতাই বুজিছিল, আৰু
হবিমোহিনীয়ে এইদৰে সন্দেহৰ চকুৰে চোৱাত তাইৰ মনটো অসমৰ
গধুৰ হৈ আছিল। এই অশান্তিৰ ফলত তাই ভিতৰি ভিতৰি চটফট
আছিল যদিও মুখেৰে কিন্তু একো কব নোৱাৰিছিল। আজি নিশা
যোৱাৰ পিচত দুখে-ভাগৰে সুচৰিতাই মেজৰ ওপৰত হাত দুখন থৈ হাতত
মাজতে মূৰটো সুমুৱাই কান্দিবলৈ ধৰিলে। লগুৱা লৰাটোৱে কোঠাৰ
চাকি দিবলৈ আহিছিল, তাক চাকি জলাবলৈ নিদিলে। তেতিয়া ঘড়ীত
মোহিনীৰ গোঁসাই ঘৰত সোমোৱাৰ সময় হৈছিল। তেখেতে ওপৰ
পৰা ললিতাক ওলাই যোৱা দেখি অসময়ত তললৈ আহি সুচৰিতাৰ কোঠাৰ
সোমাই মাতিলে, "বাধাৰাণী!"

সুচৰিতাই চকু দুটা মচি লৰালৰিকৈ থিয় হ'ল। হবিমোহিনীয়ে
সুধিলে, "কি হৈছে?" সুচৰিতাই কোনো উত্তৰ নিদিলে। হবিমোহিনী
নীয়ে টান মাতেৰে ক'লে,—"এইবোৰ নো কি হৈছে মই একো বুজিব
পৰা নাই।"

সুচৰিতাই ক'লে,—"মাহী, তুমি দিনে ৰাতিয়ে মোৰ ওপৰত
চকু ৰাখিছা কিয়?"

হবিমোহিনীয়ে ক'লে,—"কিয় ৰাখিছোঁ বুজিব নোৱাৰানে।
নাই, বোৱা নাই, এইবোৰ নো কিহৰ লক্ষণ। মই কেঁচুৰা নহওঁ
যে একো নুবুজিম।"

সুচৰিতাই ক'লে,—"মাহী, মই তোমাক কওঁ,—তুমি একো বুজা
তুমি এনে ভয়ঙ্কৰ ভুল বুজিছা যে পলকে পলকে মোৰ পক্ষে
হৈ উঠিছে।"

হবিমোহিনীয়ে ক'লে,—"ভাল কথা, যদি ভুল বুজিছোঁ তেন
ভালকৈ বুজাৱেই কচোন।"

সুচৰিতাই মন-ডাঠ কৰি সকলো লাজ-কাজ কাতি কৈ থৈ ক'লে
"বাকু তেনেহলে কওঁ। মই সুৰুৱপৰা এনে এটা বাক্য পাইছোঁ—
মোৰ কাৰণে একেবাৰেই নতুন; সেইটো সম্পূৰ্ণ আয়ত্ত কৰিবলৈ
শক্তিৰ দৰকাৰ। মই সেই শক্তিৰ অভাৱ অনুভৱ কৰিছোঁ—নিজৰ
যুঁজি ভাগৰি পৰিছোঁ। কিন্তু মাহী, তুমি আমাৰ সম্পৰ্কটো ভুল
চাইছা; তুমি তেওঁক অপমান কৰি খেদি দিলা—তুমি তেওঁক
ক লা সেইবোৰ সকলো ভুল, তুমি মোক যি দৰে ভাবিছা, যি
মিছা, তুমি অন্যায় কৰিছা। তেওঁৰ নিচিনা মানুহক সৰু

তোমাৰ নাই; কিন্তু মোৰ ওপৰত মিছাকৈয়ে ৰিয় অত্যাচাৰ
লা, মই তোমাৰ কি কৰিছোঁ।"

কওঁতে কওঁতে সুচৰিতাক শোকে খুন্দা মাৰি ধৰিলে, তাই অইন
কোঠালৈ উঠি গ'ল।

হবিমোহিনীয়ে তবধ্ মানিলে। তেওঁ মনে মনে ক'লে,—"অ'
এনে কথা মই একা সাত জনমতো শুনা নাই।"

সুচৰিতাক অলপ শাঁত পৰা যেন দেখি অলপ পিচত তাইক ভাত
লৈ মাতি নিলে। তাই খাবলৈ বহিলত ক'লে,—"চা বাধাৰাণী,
বয়স বিশেষ কম নহয়। হিন্দু ধৰ্ম্মই যি কয় সেয়া সৰু কালৰে
কবি আহিছোঁ আৰু বহুতো শুনিছোঁও। তই এইবিলাকৰ বিষয়ে
নেজান, সেই দেখিহে গৌৰমোহনে গুৰু হৈ তোক মাখোন ভুৰা
ছে। মই তাৰ ধৰ্ম্ম আলোচনা মাজে মাজে শুনিছোঁ—সেইবোৰত একো
কথা নাই, সেই শাস্ত্ৰ তাৰ নিজৰে তৈয়াৰি—সেইবোৰ মই
ৰি পাৰোঁ। মই আচল গুৰুৰ মন্ত্ৰ লৈছোঁ। মই কওঁ শুন বাধাৰাণী,
একো কৰিব নেলাগে। মোৰ যি জনা গুৰু তেখেতৰ কোনো ফাঁক-
ফি নাই, সি জনায়ে তোক মন্ত্ৰ দিব। তোৰ কোনো ভয় নাই, মই তোক
হিন্দু সমাজত সুমুৱাই দিম। ব্ৰাহ্মৰ ঘৰত থাকিলি থাকিলি, কোনে সেইবোৰ
ৰ লৰলৈ গৈছে। তোৰ বয়স অলপ বেচি সঁচা, কিন্তু এনেকুৱা ডাঙৰ
কালী বহুতো আছে। তোৰ কুষ্ঠি চাবলৈ নো কোন আহিব। আৰু
যেতিয়া আছে, একো বাধা-বিঘিনি নহয়,—সকলো চলি যাব।
ৰ্ত্তৰ লৰা কায়স্থ হৈ চলি গৈছে, মই নিজ চকুৰে দেখিছোঁ। মই
হিন্দু সমাজৰ এনে ভাল ব্ৰাহ্মণ ঘৰত চলাই দিম, কাৰ সাধ্য মাত
পাবিব—সিহঁতেই সমাজৰ মালিক। সেয়েহে কৈছোঁ, তই গুৰুৰ
কন্দা-কটা সাধ্য সাধনা কৰি মৰিব নেলাগে।"

হবিমোহিনীয়ে এইবোৰ কথা এইদৰে বহণ লগাই লগাই কৈ যাওঁতে
চৰিতাৰ ভোক লাহে লাহে মৰি আহিছিল, টেটুৱেদি ভাত নোসোমোৱাই
, বলেৰেহে গিলিছিল। কিন্তু তাই একো মাত-বোল নকৰি ৰৱ
ৰ কৰিয়েই ভাত খালে, কাৰণ তাই বুজিছিল যে খোৱা কম হলে আকৌ
আলোচনা হব সেইয়া তাইৰ পক্ষে সহ্য কৰা টান হব।

হবিমোহিনীয়ে সুচৰিতাৰপৰা কোনো সঁহাৰি নেপাই মনে মনে ক'লে,
, ইহঁতক সেৰাহে কৰোঁ। ইফালে হিন্দু হিন্দু কৰি কান্দি-কাতি
ৰিব। সিফালে ইমান ডাঙৰ এটা সুযোগ দেখুৱালো, তাৰেই কাণেই

নিদিলে। পৰাচিত হব নেলাগে, কোনো কৈফিয়ৎ দিব নেলাগে, মুক্তি
অলপ ধন ভাঙি অনায়াসে সমাজত পাব হৈ যাব লাগে—ইয়াতে
উছাহ নাই সিও আকৌ নিজকে হিন্দু বুলি যহাই।' গোৱা যে
কিমান ডাঙৰ ভুৱা, হৰিমোহিনীৰ সেইটো আৰু বুজিবলৈ বাকী নাহি
কিন্তু এনে এটা ভুৱাৰ উদ্দেশ্য নো কি হব পাৰে—সেইটোহে
দকৈ ভাবিবলৈ ধৰিলে। সকলো ভাবি-চিন্তি হৰিমোহিনীৰ এনে
হ'ল,—সুচৰিতাৰ ধন, লগতে তাইৰ ৰূপ যৌৱনেই সকলো
মূল। কোম্পানীৰ কাগজ-পত্ৰেৰে সৈতে এই ছোৱালীজনীক উদ্ধাৰ
বিমান সোনকালে শাহু-ৰূপ দুৰ্গত বন্দী কৰিব পাৰি, সিমানেই
কিন্তু তাইৰ মনটো আৰু অলপ কোমলাৰ নোৱাৰিলে নহব। মন
লাৰৰ কাৰণেই তেওঁ দিনে-নিশাই সুচৰিতাক তেওঁৰ শহুৰৰ ঘৰৰ
বুজুৱাত লাগি গ'ল। তেওঁৰ শহুৰৰ ঘৰৰ ক্ষমতা যে কিমান
সমাজত তেওঁলোকে কিনো নকৰিব পাৰে—ইত্যাদি নানা দৃষ্টান্ত দি
বৰ্ণনা কৰিবলৈ লাগি গ'ল। তেওঁলোকৰ লগত ফেৰ পাতি
মল-কোঁহ নোহোৱা মানুহেও নিকাৰ ভুগিছে আৰু তেওঁলোকৰ
কিমানে মুছলমানে বন্ধা কুকুৰা খায়ো হিন্দু সমাজৰ অতি কাঁইটীয়া
হাঁহিমুখে পাৰ হৈছে—সেইবোৰ মানুহৰ নাম আদি কৈ সেই
ঘটনা বিশ্বাসযোগ্য কৰি তুলিবলৈ চেষ্টা কৰিলে।

সুচৰিতাই যাতে তেওঁলোকৰ ঘৰলৈ অহা-যোৱা নকৰে, ৰৱদাসুন্দৰী
এই ইচ্ছা গোপন নাছিল, কাৰণ কথাই-কামে একে বুলি তেওঁৰ
অভিমান আছিল। অন্যৰ লগত সঙ্কোচ নেৰাখি টানকৈ ব্যৱহাৰ কৰোঁতে
তেওঁ তেওঁৰ এই গুণটিৰ কথা প্ৰায়েই শুনিছিল। সেইদেখি ৰৱদাসুন্দৰী
ঘৰত যে সুচৰিতাই কোনো প্ৰকাৰৰ আদৰ সম্ভাষণ আশা কৰিব নোৱাৰে
সেই কথা সহজে বুজিব পৰা ভাষাৰেই ৰৱদাসুন্দৰীৰ মুখৰপৰা
পৰিছিল। সুচৰিতাই এইটোও জানিছিল যে তাই তেওঁলোকৰ
অহা-যোৱা কৰিলে ভট্ট ডাঙৰীয়াই ঘৰত ৰৱকৈ অশান্তি ভোগ কৰিব
সেই কাৰণে নিতান্ত দৰ্কাৰ নহলে তাই সেই খন ঘৰলৈ নগৈছিল,
এই কাৰণেই পৰেশ ভট্টই নিজে নিতৌ এবাৰ বা দুবাৰ আহি
লগত দেখা কৰি গৈছিলহি।

নানা চিন্তা আৰু কামৰ লেঠাত পৰেশ ভট্ট কেইবাদিনো
ালৈ আহিব পৰা নাছিল। সেই কেইদিন সুচৰিতাই সদায় ৰৱ
ট্ট ডাঙৰীয়া আহিব বুলি আশা কৰি আছিল, অথচ তাই মনে

ক অনুভৱ কৰিছিল আৰু দুখো পাইছিল। ভট্ট ডাঙৰীয়াৰ তাইৰ
ৰ মঙ্গলৰ সম্বন্ধ যে কোনো কালেই নিছিঙে, তাই সেইটো ভালকৈ
ছিল, কিন্তু বাহিৰা দুই এডাল ডাঙৰ যোগ-সূত্ৰত যে ৰৱ টান পৰিছে,
দুখেও তাইক ৰৱ অশান্তি দিছিল। ইফালে হৰিমোহিনীয়ে তাইৰ
ন দিনে-ৰাতিয়ে অসহনীয় কৰি তুলিছিল। সেই দেখিয়েই ৰৱদা-
ৰৰে ৰেয়া পোৱা সত্ত্বেও আজি তাই ভট্ট ডাঙৰীয়াৰ ঘৰ ওলালহি।
নিৰ শেষৰ বেলিয়ে তেতিয়া ওচৰৰ পশ্চিম ফালৰ তিনি মহলা ঘৰৰ
লৈ নামি গৈ দীঘল ছাঁ পেলাইছিল আৰু সেই ছাঁতে ভট্ট ডাঙৰীয়াই
কলে ফুলনিত ইফাল সিফাল কৰি আছিল।

সুচৰিতাই তেখেতৰ লগত যোগ দিলেহি আৰু ক'লে,—"দেউতা,
লি কেনে আছে?" হঠাতে তেখেতৰ চিন্তাত বাধা পাই অলপ
ধিৰ হৈ থাকি পৰেশ ভট্টই বাধাবাণীৰ মুখলৈ চালে, আৰু ক'লে,—
লই আছোঁ। বাধা!"

সুচৰিতাই ভাবিছিল কিয় তাইক বিয়াত বুদ্ধি পৰামৰ্শ লবলৈ বা
ৰ-ভাগি দিবলৈ মতা নাই, তাকেই সুধিব। কিন্তু তাইৰ কিবা এটা
ৰাব-মোধোৰাত পৰিল; কাৰণ তাই নিজৰ ফালৰপৰাও কিবা এটা
পোৱাদি পাইছিল। আগেয়ে হোৱা হ'লে তাই মতালৈ বাটেই
লে হয়।

সুচৰিতাই মনতে যি ভাবিছিল ভট্ট ডাঙৰীয়াই ঠিক সেই কথাকে
লাই ক'লে,—"তোমাক এইবাৰ মাতিব পৰা নাই বাধা।"

সুচৰিতাই সুধিলে,—"কিয় দেউতা।"

সুচৰিতাৰ এই প্ৰশ্নৰ উত্তৰ নিদি ভট্ট ডাঙৰীয়াই সুচৰিতাৰ মুখলৈ
কেথলে চাই থাকিল। সুচৰিতাই মুখ তললৈ নমাই ক'লে,—"তুমি
লিছিলা, মোৰ মনত এটা পৰিৱৰ্ত্তনে দেখা দিছে।"

পৰেশ ভট্টই ক'লে,—"এৰা তাকে ভাবিছিলোঁ, মই কোনো ধৰণৰ
নুমোদন কৰি তোমাক কোনো অসুবিধাত পেলাৰ নোখোজোঁ।"

সুচৰিতাই ক'লে,—"দেউতা, মই তোমাক সকলো কথা বুলি ভাবিছিলোঁ,
কিন্তু তোমাক তো দেখা পাবলৈকে নোহোৱা হ'ল। সেই দেখি মই নিজেই
াহিছোঁ। মোৰ মনৰ ভাব যে ঠিক ভালকৈ তোমাক বুজাব পাৰিম,
তেনা আশা মোৰ নাই। মোৰ ভয় হয়—কিজানিবা আচল কথাটো তোমাক

বুজাবই নোৱাৰিম।"

পৰেশ ভট্টই ক'লে,—"মই জানো এইবিলাক কথা ফট্‌ফটীয়াকৈ বুজোৱা টান। তুমি হয়তো কিবা এটা বস্তু তোমাৰ মনৰ মাজত পাইছা, তাক অনুভৱো কৰিছা, কিন্তু তাৰ আকাৰ-প্ৰকাৰ তোমাৰ ওচৰত এতিয়াও অচিনাকি হৈয়ে আছে।"

সুচৰিতাৰ মনটো পাতল হ'ল,—তাই ক'লে,—"এৱা, ঠিক সেইটোৱেই কিন্তু মোৰ অনুভৱ ইমান প্ৰবল যে মই তোমাক কি কম। মই যেন এক নতুন জীৱন, এটা নতুন চেতনা পাইছোঁ। মই এই ফালৰপৰা এনেকৈ নিজক কেতিয়াও চোৱা নাছিলোঁ। ইমান দিনে আমাৰ দেশৰ অতীত আৰু ভৱিষ্যতৰ লগত মোৰ কোনো সম্বন্ধই নাছিল—কিন্তু এই ইমান ডাঙৰ সম্বন্ধটো যে কিমান ডাঙৰ সত্য, সেইটো আজি মোৰ অন্তৰত এনে আচৰিত ভাৱে বুজি লৈছোঁ যে তাক আৰু কোনো ৰকমেই পাহৰিব পৰা নাই। চোৱা দেউতা, মই তোমাক সঁচাকৈ কওঁ, মই যে হিন্দু, এই কথাটো আগেয়ে কোনোমতে মোৰ মুখৰপৰা ওলাব নুখুজিছিল। কিন্তু আজি মোৰ মনৰ চিঞৰি সঙ্কোচ নোহোৱাকৈ কৈছে—'মই হিন্দু।' ইয়াত মই ৰৱ আৰাম পাইছোঁ।"

পৰেশ ভট্টই ক'লে,—"কিন্তু কথাটোৰ সকলো আগ-পুৰি ভাবি-চিন্তি চাইছানে?"

সুচৰিতাই ক'লে,—"সকলো আতি-পুৰি মাৰি ভাবি চোৱা শেষ নোৰ নিজৰ আছে জানো? কিন্তু এই বিষয়ে বহুতো পঢ়িছোঁ আৰু নানা আলোচনাও কৰিছোঁ। এই কথাটো যেতিয়া মই ইমান ডাঙৰ কৰি চাবলৈ শিকা নাছিলোঁ, তেতিয়া হিন্দু বুলিয়েই যি বুজায়, তাৰ সকলো খুতি-নাটি কথাবিলাকহে ডাঙৰ কৰি দেখিছিলোঁ—সেই কাৰণেই ইয়াৰ সকলো কথালৈকে এটা ঘিণ ভাব আহিছিল।"

পৰেশ ভট্ট তাইৰ কথা শুনি আচৰিত হৈছিল। তেখেতে ভালদৰে বুজিব পাৰিলে সুচৰিতাৰ মনত এটা বোধ সঞ্চাৰ হৈছে, তাই কিবা এটি সত্য বস্তু পাইছে বুলি নিঃসন্দেহে অনুভৱ কৰিছে—তাই মাজোন আৰম্ভ পাহৰা কিবা এটা চকা-চমকা আৱেগত যে উটি গৈছে সেইটো নহয়।

সুচৰিতাই ক'লে,—"দেউতা মই যে আমাৰ দেশৰ আৰু জাতিৰপৰা ছিণ্ডি পৰা কোনোবা এজনী অতি সমান্য মানুহ, এনে কথা কিয় মই কিয় কৰ নোৱাৰিম যে—'মই হিন্দু।'

পৰেশ ভট্টই হাঁহি ক'লে,—"অৰ্থাৎ আই তুমি মোক সুধিছা,

কৰ কিয় হিন্দু বুলি নকওঁ। ভাবি চালে তাৰ যে কিবা ডাঙৰ কাৰণ আছে, এনে নহয়। এটা কাৰণ হ'ল হিন্দুসকলে মোক হিন্দু বুলি স্বীকাৰ নকৰে। আৰু এটা কাৰণ হ'ল—যি সকলৰ লগত মোৰ ধৰ্ম্মমত মিলে, তেওঁলোকে নিজকে হিন্দু বুলি চিনাকি নিদিয়ে।"

সুচৰিতাই মনে মনে ভাবিবলৈ ধৰিলে। পৰেশ ভট্টই ক'লে,—"সেই তো তোমাক কৈছোঁৱেই এইবিলাক কোনো গুৰুতৰ কাৰণ নহয়, কেৱল বাহ্যিক কাৰণ হে মাত্ৰ। এইবিলাক বাধা নেমানিলেও হয়। ইয়াৰ ভিতৰত এটা গভীৰ কাৰণ আছে। হিন্দু সমাজত সোমাবলৈ কোনো দুৱাৰ নাই—অন্ততঃ পদুলি মুখ এটা নাই—দুৱাৰ খিড়িকী হয়তো থাকিবও পাৰে। এই সমাজ সকলোবে কাৰণে নহয়। দৈৱক্ৰমে যি সকলে এই সমাজলৈ হে জন্ম লব—এই সমাজ একমাত্ৰ তেওঁলোকৰ কাৰণেহে।"

সুচৰিতাই ক'লে—"সকলো সমাজেই তেনেকুৱা।"

পৰেশ ভট্টই ক'লে,—"নহয়, কোনো ডাঙৰ সমাজেই তেনে নহয়। মুছলমান সমাজৰ সিংহদ্বাৰ সকলো মানুহৰ কাৰণে মুকলি; খৃষ্টান সমাজেও সকলোকে মাতিছে। যি বিলাক সমাজ খৃষ্টান সমাজৰ অঙ্গ সেইবিলাকৰো নিয়ম একে বিধি। মই যদি ইংৰাজ হবলৈ বিচাৰোঁ, সি একেবাৰেই অসম্ভৱ এনে নহয়—ইংলণ্ডত বাস কৰি মই তেওঁলোকৰ নিয়ম পালন কৰি চলিয়েই ইংৰাজ সমাজ ভুক্ত হব পাৰোঁ, এনে কি তাৰ কাৰণে মই খৃষ্টান হবৰো প্ৰয়োজন নাই। অভিমন্যুই বেহুৰ ভিতৰত সোমাৰ কৌশল জানিছিল, ওলাব নেজানিছিল—হিন্দু ঠিক তাৰ ওলোটা, তাৰ সমাজত সোমোৱা বাট একেবাৰে বন্ধ কিন্তু ওলোৱা বাট শত সহস্ৰ।"

সুচৰিতাই ক'লে,—"দেউতা, তথাপিও তো ইমান দিনে হিন্দু ধ্বংস হোৱা নাই—সি তো টিকি আছে।"

পৰেশ ভট্টই ক'লে,—"সমাজ ধ্বংস হোৱাটো বুজিবলৈ সময় লাগে। আগতে হিন্দু সমাজৰ দুৱাৰ খিড়িকী মুকলি আছিল। তেতিয়া অনাৰ্য্য জাতিবিলাকে হিন্দু সমাজত সোমাই গৌৰৱ বোধ কৰিছিল। ইফালে মুছলমানৰ আমোলতো হিন্দু ৰজা আৰু জমিদাৰৰ যথেষ্ট প্ৰতিপত্তি আছিল, সেই দেখি সমাজৰপৰা ওলাই যোৱাৰ বিৰুদ্ধে শাসন আৰু নানা ৰকমৰ বাধা-বিধিনি আছিল। এতিয়া ইংৰাজৰ অধিকাৰত সকলো আইনৰদ্বাৰা ৰক্ষা কৰা হৈছে। আগৰ দৰে কৃত্ৰিম ভাৱে সমাজৰ দুৱাৰ আগুৰি ৰাখিৰ উপায় এতিয়া সিমান নাই। সেই দেখিয়েই কিছুদিনৰপৰা দেখা গৈছে ভাৰতবৰ্ষত বিন্দু কমিছে, মুছলমান বাঢ়িছে, এনেকৈয়ে চলি থাকিলে

ক্রমে এই দেশ মুছলমানপ্রধান হব, তেতিয়া ইয়াক হিন্দুস্থান বোলাই অন্যায় হব।"

সুচবিতাই বেজাব মনেবে কলে,—"দেউতা, ইয়াক বাধা দিয়াই আমাব সকলোবে উচিত নহবনে? আমিও হিন্দুক পবিত্যাগ কবি তাব আৰু ক্ষয় বেচি নকবিম নে? তাক প্রাণপণ শক্তিবে আকোৱালি ধবি থাকিব এয়েইতো সময়।"

পবেশ ভট্টই মবমেবে সুচবিতাব পিঠিত হাত ফুবাই কলে,—"আমি ইচ্ছা কবিলেই কাবোবাক আকোৱালি ধবি জীয়াই বাখিব পাবোনে? বক্ষা পাবব কাবণে এটা প্রকৃতিব নিয়ম আছে। এই স্বাভাবিক নিয়মক যি এবি পেলায় সচবাচব তাকো সকলোৱে এবে। হিন্দু সমাজে মানুহক অপমান কবে, বর্জ্জন কবে; সেই কাবণেই আজিকালিব দিনত তাব পক্ষে আত্মবক্ষা কবা দিনো কঠিন হৈ পবিছে। কিয়নো এতিয়া সি আঁবত মনে মনে বহি থাকিব নোৱাবে—এতিয়া চাবিওফালব বাট মুকলি হৈ পবিছে, চাবিও ফালবপবা মানুহ তাব ওপবত উঠিছেহি—এতিয়া শাস্ত্র-সংহিতাবে বান্ধ বান্ধি ওখ গড় সাজি সকলোবেপবা আঁতব হৈ আহি কোনোবকমেই সি থাকিব নোৱাবে। হিন্দু সমাজে যদি এতিয়াও নিজেই সংগ্রহ কবিবব শক্তি জগাই নুতুলি খেহ-বোগকে পুহি বাখে, তেনেহলে বাহিবব মানুহব এই অবাধ সংশ্রব হিন্দু সমাজব কাবণে সাংঘাতিক কোব হৈ উঠিব।"

সুচবিতাই বেজাব মনেবে কলে,—"মই এইবোব একো নুবুজো, কিন্তু এয়ে যদি সঁচা হয়, ইয়াক আজি সকলোৱে এবিব খুজিছে, তেনেহলে এনে দিনত মইতো তাক এবি দিব নোৱাবোঁ। আমি তাব দুদ্ধিব সন্তান বুলিয়েই তাব মূবশিতানত আজি থিয় হৈ থাকিব লাগিব।"

পবেশ ভট্টই কলে,—"আই, তোমাব মনত ভাব উঠিছে মই তাব বিৰুদ্ধে কোনো কথা কব নোখোজোঁ। ঈশ্বব চিন্তা কবি, মন থিব কবি তোমাব অন্তবত যি সত্য আছে, যি মহৎ আদর্শ আছে—তাব লগত মিলাই সকলো কথা বিচাব কবি চাবাঁ। লাহে লাহে সকলো কথা তোমাব কাবণে ফট্‌ফটীয়া হৈ পবিব। যি সকলোতকৈ ডাঙব, তাক দহব ওচবত, কেন্দ্রব মানুহব ওচবতেই সৰু নকবিবাঁ—তেনে কবিলে তোমাবো মঙ্গল নহয়, দেশবো মঙ্গল নহয়। মই ইয়াকে ভাবিয়েই একান্তচিতে তেওঁব ওচবতে আত্ম সমর্পণ কবিবলৈ বিচাবোঁ; ইয়াকে কবিব পাবিলেই দেশব সকলো মানুহব ওচবতে সত্য বুলি সহজেই প্রমাণিত হম।"

এনে সময়তে এজন মানুহে পবেশ ভট্টক এখন চিঠি দিলেহি। পবেশ ভট্টই কলে,—"বিতচকুযোব নাই, পোহবো ৰুমি গ'ল—চিঠিখন পঢ়াচোন শুনো।"

সুচবিতাই চিঠি পঢ়ি তেওঁক শুনালে। ব্রাহ্ম সমাজব এক কমিটীবপবা চিঠিখন আহিছে, তলত বহুত ব্রাহ্মব নাম চহী কবা আছে। চিঠিব মুঠ কথা হল যে পবেশ ভট্টই অব্রাহ্মমতে তেওঁব জীয়েকব বিয়াত সম্মতি দিছে আৰু সেই বিয়াত নিজেও যোগ দিবলৈ আগবাঢ়িছে। এনে অবস্থাত ব্রাহ্ম-সমাজে কোনো ৰকমেই তেওঁক সভ্যসকলব ভিতৰব এজন বুলি মানি লব নোৱাবে। তেওঁব যদি নিজব হৈ কিবা কবলগীয়া আছে, তেনেহলে অহা দেওবাবব আগতে সেই বিষয়ে কমিটীব হাতত তেওঁব চিঠি পবিবহি লাগিব—আৰু সেইদিনাব আলোচনাব পিচত অধিকাংশব মতানুসাবেই চূড়ান্ত সিদ্ধান্ত লোৱা হব।

পবেশ ভট্টই চিঠিখন লৈ জেপত থলে। সুচবিতাই তাইব কোমল হাতখনেবে তেখেতব সোঁহাতখনত ধবি নিঃশব্দে তেখেতব লগত ফুবিবলৈ ধবিলে।

লাহে লাহে সন্ধিয়াব আন্ধাব ঘন হৈ আহিল। ফুলনিব দক্ষিণ ফালব গলিব কাষব চাকি জ্বলি উঠিল। সুচবিতাই লাহেকৈ কলে,—"দেউতা, তোমাব নাম লবব সময় হৈছে, মই আজি তোমাব লগতে নাম ধবিম।"

এইবুলি সুচবিতাই তেখেতব হাতত ধবি এফলীয়া নাম-ঘবটিব ভিতৰ সোমাল। তাত সদায় থকাদি আসন পতা আছিল আৰু এডাল মমবাতি জ্বলি আছিল। পবেশ ভট্টই আজি বহুপব মনে মনে উপাসনা কবিলে। অবশেষত এটি সৰু প্রার্থনা কবি উঠি আহিল।

বাহিব ওলায়ে দেখিলে গোঁসাই ঘবব দুৱাব-ডলিতে ললিতা আৰু বিনয় মনে মনে বহি আছে। তেখেতক দেখিয়েই দুয়ো সেৱা কবি ভবিব ধূলা মূবত ললে। তেখেতে সিহঁতব মূবত হাত থৈ মনে মনে আশীর্ব্বাদ কবিলে। সুচবিতাক কলে,—"আই, মই কাইলৈ তহঁতব ঘবলৈ যাম। আজি মোব কামখিনি শেষ কবোঁগৈ।" এই বুলি কৈ তেখেত নিজব কোঠাত সোমালগৈ।

তেতিয়া সুচবিতাব চকুলো বই পবিছিল। তাই নিমাত-নিস্তব্ধ হৈ বতিমাব দবে পীবালিতে থিয় হৈ থাকিল। ললিতা আৰু বিনয়েও বহুত পৰ একো কথা-বতবা নকলে।

সুচবিতাই যাবলৈ বুলি আগ বাঢ়োতেই বিনয়ে সম্মুখত থিয় দি

কোমল মাতেৰে কলে,—"বাইদেউ, তুমি আমাক আশীৰ্ব্বাদ নকৰা জানো?"

এই বুলি ললিতাক লৈ সুচৰিতাক সেৱা কৰিলে—সুচৰিতাই উচুপি উচুপি কি কলে একমাত্ৰ অন্তৰ্য্যামীয়েহে শুনা পালে।

পৰেশ ভট্টই তেখেতৰ কোঠালৈ আহি ব্ৰাহ্ম সমাজৰ কমিটীলৈ চিঠি লিখিলে—চিঠিত লিখা আছিল,—

"ললিতাৰ বিয়া ময়েই দিব লাগিব। তাৰ বাবে আপোনালোকে যদি মোক ত্যাগ কৰে তেনেহলে আপোনালোকৰ বিচাৰ অন্যায় নহব। এতিয়া ঈশ্বৰৰ ওচৰত মোৰ একোটি মাত্ৰ প্ৰাৰ্থনা হল, তেওঁ যেন মোক সকলো সমাজৰ আশ্ৰয়ৰ বাহিৰলৈ লৈ গৈ তেওঁৰ দুখনি চৰণতে ঠাই দিয়ে।"

৬৬

সুচৰিতাই ভট্ট ডাঙৰীয়াৰপৰা যি কেইটা কথা শুনিলে তাকে গোৰাক কৰলৈ উচ্ পিচাৰলৈ ধৰিলে। যি ভাৰতবৰ্ষৰ ফালে গোৰাই বহু দূৰলৈকে চকু পেলাইছে, আৰু যি ভাৰতবৰ্ষই তাৰ চিত্ত প্ৰবল প্ৰেমেৰে টানিব লাগিছে, ইমান দিনৰ পিচত সেই ভাৰতবৰ্ষ আজি কলিৰ হাতত পৰিছে আৰু সেই ভাৰতবৰ্ষৰ যে ক্ষয় আৰম্ভ হৈছে, গোৰাই জানো সেইবোৰ কথা চিন্তা কৰা নাই। আজি অত দিনে ভাৰতবৰ্ষই নিজকে জীয়াই ৰাখিব পাৰিবৰ একমাত্ৰ তাৰ আভ্যন্তৰিক ব্যৱস্থাৰ বলত—সেই দেখিয়েই ভাৰতবাসীয়ে আজিলৈকে সতৰ্ক হৈ চেষ্টা কৰিবলগীয়া হোৱা নাই। আৰু নিশ্চিন্ত হৈ জীয়াই থাকিবৰ সময় আছে জানো! আজি জানো আমাৰ দৰে পুৰণা ব্যৱস্থাকে সাৱটি লৈ ঘৰৰ ভিতৰত সোমাই থাকিব পাৰি!

সুচৰিতাই ভাবিবলৈ ধৰিলে,—'আজি মোৰ এটা কাম আছে—সেইটো কি বাৰু।' গোৰাৰ উচিত আছিল এই সময়ত তাইৰ ওচৰলৈ আহি তাইক আদেশ কৰা, এটা বাট দেখুৱাই দিয়া। সুচৰিতাই নিজকে নিজে কলে,—'মোক তেখেতে সকলো বন্ধন আৰু অজ্ঞতাৰপৰা আঁতৰাই আনিব উপযুক্ত ঠাইত থিয় কৰাৰ পৰা হলে তাৰ মূল্য জানো সকলো ক্ষুদ্ৰ ভাৱ নিন্দা অপবাদতকৈয়ো বেচি নহলহেঁতেন নে?' সুচৰিতাৰ মন গৌৰৱেৰে ভৰি পৰিল। তাই কলে,—'গোৰাই কেলেই তাইক পৰীক্ষা কৰি নেচালে, কেলেই তাইক অসাধ্য সাধন কৰিবলৈ নকলে—গোৰাৰ

সহকাৰীয়াসকলৰ ভিতৰত এনে কোন পুৰুষ আছে যি সুচৰিতাৰ দৰে নিজৰ বুলিবলৈ যি আছে সকলোকে ইমান সহজে উচৰ্গা কৰি দিব পাৰিব? এনে এটা আত্ম-ত্যাগৰ ইচ্ছা আৰু শক্তিৰ কোনো প্ৰয়োজনেই গোৰাই দেখিলেনে? ইয়াক লোক-অপবাদৰ চাবি বেৰেৰে আৱৰি থোৱা কৰ্ম্ম-জীৱনৰ মাজত পেলাই থৈ গলে দেশৰ একো ক্ষতি নহয় নে? তথাপি সুচৰিতাই এই অবজ্ঞা একেবাৰে আওহেলা কৰি আঁতৰতে ৰাখিলে। তাই কলে,—'মোক এনেকৈ এৰি যাব, এইটো কেতিয়াও হব নোৱাৰে। মোৰ চৰলৈ তেওঁ আহিবই লাগিব, মোক তেওঁ বিচাৰিবই লাগিব, সকলো কাজ-কাজ তেওঁ এৰিবই লাগিব—তেওঁ যিমান শক্তিমন্ত পুৰুষেই নহওক, মোক তেওঁৰ প্ৰয়োজন আছে—এই কথা নিজ মুখে তেওঁ এদিন মোক কৈছে—আজি এই অকণমান গঞ্জনাতে সেই কথা তেওঁ কেনেকৈ পাহৰিলে!'

সতীশ লৰি আহি সুচৰিতাৰ কোলাৰ কাষত থিয় দি কলে, "বাইদেউ!"

সুচৰিতাই তাৰ ডিঙিতে সাৱটি ধৰি কলে,—"কি অ' বজিয়াৰ।"

সতীশে কলে,—"সোমবাৰে ললিতা বাইদেউৰ বিয়া—এই কেইদিন মই বিনয় ককাইদেউৰ ঘৰতে থাকিম গৈ। তেখেতে মোক মাতিছে।"

সুচৰিতাই কলে,—"মাহীক কৈছ?"

সতীশে কলে,—"মাহীক কৈছিলো, তেখেতে খং কৰি কলে,—'মই এইবোৰ একো নেজানো, বায়েৰক ক গৈ যা, তাই যি ভাল দেখে তাকে কৰক।' বাইদেউ, তুমি হাক নিদিবা দেই। তাত মোৰ পঢ়া-শুনাৰ সকণো খতি নহয়, মই সদায় পঢ়িম, বিনয় ককাইদেৱে মোক শিকাই দিব।"

সতীশে লৰালৰিকৈ কলে,—"নহয় বাইদেউ, মই কাকো আমনি নকৰোঁ।"

সুচৰিতাই কলে,—"তোৰ কুকুৰ 'খুদেকো' তালৈ লৈ যাবি নে কি?"

সতীশে কলে,—"এৱা তাক লৈ যাব লাগিব, বিনয় ককাইদেৱে সকলোকে কৈ পঠাইছে। বঙা কাগজত ছপোৱা এখন বেলেগ নিমন্ত্ৰণ চিঠিও তাৰ নামত আহিছে—তাত লিখিছে সি 'সপৰিজনে' গৈ জলপান খাই আহিব লাগিব।"

সুচৰিতাই কলে,—"পৰিজন তো নো কোন?"

সতীশে লৰালৰিকৈ কলে,—"কিয় বিনয় ককাইদেৱে কৈছে মই। তেখেতে আমাৰ সেই অৰ্গেনটোও লৈ যাবলৈ কৈছে। বাইদেউ, সেইটো মোক দিবা, মই নেভাঙোঁ।"

সুচৰিতাই কলে,—"ভাঙিলেই মই ৰক্ষা পাওঁ। এতিয়াহে বুজিলো—

তেওঁৰ বিয়াত অৰ্গেন বজাবলৈকে তোৰ বন্ধুৱে তোক মাতিছে হবলা। ঢুলীয়া-খুলীয়াক একেবাৰেই ফাকি দিয়াৰ মতলব?"

সতীশে বৰ উত্তেজিত হৈ কলে,—"নহয়, কেতিয়াও নহয়। বিনয় ককাইদেৱে কৈছে মই দবাৰ সখি হব লাগিব। সখিয়েনো বাৰু কি কৰিব লাগে বাইদেউ?"

সুচৰিতাই কলে,—"গোটেই দিনটো লঘোণে থাকিব লাগে।"

সতীশে কথাটো অকণো বিশ্বাস নকৰিলে। সুচৰিতাই সতীশক কোলালৈ টানি আনি হেঁচা মাৰি ধৰি কলে,—"বাৰু ভাই বক্তিয়াব, তই ডাঙৰ হলে কি কৰিবি কচোন।"

ইয়াৰ উত্তৰ সতীশৰ মনত ঠিক হৈ আছিল। তাৰ ক্লাচৰ শিক্ষক তাৰ মনত অসীম ক্ষমতা থকা অসাধাৰণ পণ্ডিতালিৰ আদৰ্শ আছিল—সি আগৰেপৰা মনে মনে ঠিক কৰি থৈছিল যে সি ডাঙৰ হলে পণ্ডিত ডাঙৰীয়া হব।

সুচৰিতাই তাক কলে,—"বহুতো কাম কৰিবলগীয়া আছে ভাই। আমি দুই ভাই-ভনীয়ে মিলি কাম কৰিম দেই। কি কব সতীশ। আমাৰ দেশখনক যে প্ৰাণ দি হলেও ডাঙৰ কৰিব লাগিব। ডাঙৰনো কি কৰিম—আমাৰ দেশৰ নিচিনা ডাঙৰ কি আছে। আমাৰ প্ৰাণটোকে ডাঙৰ কৰি তুলিব লাগিব—জান? বুজিব পাৰিছনে?" বুজিব নোৱাৰিলেও সহজে স্বীকাৰ কৰাৰ পাত্ৰ সতীশ নহয়, সি জোৰেৰে কলে,—"এৱা।"

সুচৰিতাই কলে,—"আমাৰ যি দেশ, আমাৰ যি জাত সি কিমান ডাঙৰ জান? সেইটো মই তোক কেনেকৈ বুজাম। ই এক আশ্চৰ্য্য দেশ। এই দেশখনক পৃথিৱীৰ সকলোৰে মূৰৰ মুকুটৰ ওপৰত বহুৱাৰ কাৰণে কত হেজাৰ হেজাৰ বছৰ ধৰি বিধতাই আয়োজন কৰিছে, দেশ-বিদেশৰ কত মানুহে এই আয়োজনত যোগ দিছে, এই দেশত কত মহা-পুৰুষৰ জন্ম হৈছে, কিমান মহাযুদ্ধ হৈছে, ধৰ্ম্মৰ কিমান দিশৰপৰা চোৱা হৈছে আৰু জীৱনৰ সমস্যা কত ধৰণে এই দেশত মীমাংসা হৈছে—সেই খনেই হৈছে আমাৰ ভাৰতবৰ্ষ। ইয়াক বৰ মহৎ বুলি মানিবি ভাই, দুৰাতো কেতিয়াও আওহেলা নকৰিবি। তোক মই আজি যি কলো এদিন তুই সেইটো বুজিবই লাগিব—আজি তই একো বুজা নাই। এই কথাটো মনত ৰাখিব লাগিব যে অতি ডাঙৰ দেশ এখনত তোৰ জন্ম হৈছে, মনে অন্তৰেৰে এই ডাঙৰ দেশখনক তই ভক্তি কৰিবি আৰু জীৱনৰ সকলো দি এই দেশৰ সেৱা কৰিবি।"

সতীশে কিছুপৰ মনে মনে থাকি কলে,—"বাইদেউ, তুমি কৰিবা?"

সুচৰিতাই কলে,—"মই সেই একে কামকে কৰিম। তই মোক সহায় কৰিবি তো!"

সতীশে লগে লগে বুকু ফিন্দাই কলে,—"কৰিম তো।"

সুচৰিতাৰ বুকু ভৰি যিবিলাক কথা ওফন্দি পৰিছিল সেইবোৰ কবলৈ ৰত কোনো নাছিল। সেই দেখি নিজৰ এই সৰু ভায়েকটোক কাষত পাই তাইৰ সকলো আৱেগ উথলি উঠিল। তাই যি ভাষাত যিবোৰ কথা বলে সেয়া সৰু লবাৰ আগত কোৱা কথা নহয়। কিন্তু সুচৰিতাই সেইবুলি কোঁচ নেখালে। তাইৰ মনৰ এই উৎসাহপূৰ্ণ অৱস্থাত তাই এই জ্ঞান লাভ কৰিছিল যে যিটো নিজে বুজা যায় তাকে পূৰাপূৰিকৈ কলেহে লৰা-ছটা সকলোৱে নিজ নিজ শক্তি অনুসৰি একৰকম বুজিব পাৰে। সেইটোক অন্যৰ বুদ্ধিৰ উপযোগী কৰি ছেগা-চোৰোকাকৈ বুজাবলৈ গলেই সত্য আপোনা-আপুনি বিকৃত হৈ যায়।

সতীশৰ কল্পনা শক্তি তেজী হৈ উঠিল, সি কলে,—"ডাঙৰ হলে, মোৰ যেতিয়া দেখাৰ টকা হব তেতিয়া—"

সুচৰিতাই কলে,—"নহয়, নহয় নহয়, টকা-সিকাৰ কথা মুখলৈকে নানিবি, আমাৰ দুটাৰ ধনৰ দৰকাৰ নাই, বক্তিয়াৰ—আমি যি কাম কৰিম, তাত লাগে ভক্তি, তাত লাগে প্ৰাণ।"

এনেতে আনন্দময়ী কোঠাৰ ভিতৰলৈ সোমাই আহিল। সুচৰিতাৰ বুকুৰ তেজ আনন্দত নাচি উঠিল—তাই আনন্দময়ীক সেৱা কৰিলে। সতীশে ওতিয়াও ঠিক মতে সেৱা কৰিব নোৱাৰে। সি লাজ লাজ কৰি কোনো ৰকমে কামটো কৰিলে।

আনন্দময়ীয়ে সতীশক কোলালৈ টানি লৈ মূৰত চুমা খালে আৰু সুচৰিতাক কলে,—"তোমাৰ লগত কথা এটা পাতিবলৈ আহিলোঁ আই,—তোমাৰ বাহিৰে অইন কাকো যে চকুত পৰা নাই। বিনয়ে কৈছিল,—'দিয়া মোৰ ঘৰতে হব।' মই কলো,—'সেইটো কেতিয়াও হব নোৱাৰে, তই বৰ ডাঙৰ নবাবটো হলি নহয়, আমাৰ ছোৱালীয়ে যাচি গৈ তোৰ ঘৰত বিয়া সোমাবগৈ।' সেইটো নহব। মই এটা ঘৰ ঠিক কৰিছোঁ, সেইটো তোমালোকৰ ঘৰৰপৰা বেচি দূৰতো নহয়। মই এই মাত্ৰ ভাৰপৰা আহিলোঁ। ভট্ট ডাঙৰীয়াক কৈ তুমি মাস্তি কৰাবা।"

সুচৰিতাই কলে,—"দেউতা মাস্তি হব।"

আনন্দময়ীয়ে কলে,—"তাৰ পিচত তুমি আই তালৈ যাব লাগিব।

অহা সোমবাৰেই বিয়া। এই কেইদিন আমি তাতে থাকি সকলো ঠিক্-ঠাক কৰি লব লাগিব। সময় আৰু বেচি নাই। মই অকলে সকলো ঠিক-ঠাক কৰি লব পাৰোঁ, কিন্তু তুমি অলপ লাগি নিদিলে বিনয়ৰ বৰ দুখ পাব। সি ফুটাই তোমাক অনুৰোধ কৰিব পৰা নাই সঁচা, এনে কি মোৰ আগতো তোমাৰ নাম লোৱা নাই—তাৰপৰা বুজিছোঁ যে তাৰ মনত এটা দুখ আছে। তুমি কিন্তু আঁতৰি থাকিলে নচলিব আই,—ললিতায়ো বৰ বেজাৰ পাব।"

সুচৰিতাই আচৰিত হৈ কলে,—"আই, তুমি এই বিয়াত যোগ দিব পাৰিবা?"

আনন্দময়ীয়ে কলে,—"কিনো কোৱা সুচৰিতা, কি যোগ দিয়াৰ কথা কৈছা। মই কিবা বাহিৰা মানুহ নে যে কেৱল যোগ হে দিম। এইখন যে বিনয়ৰ বিয়া। ইয়াত তো সকলো কাম ময়েই কৰিব লাগিব। মই কিন্তু বিনয়ক কৈ থৈছো,—'এই বিয়াত মই তোৰ একো নহওঁ, মই কইনা ঘৰীয়াহে—মোৰ ঘৰলৈ সি ললিতাক বিয়া কৰিবলৈ আহিব।'"

মাক থাকোঁতেও এই বিয়াত ললিতাক তাইৰ মাকে এৰিছে—এই কথাতেই আনন্দময়ীৰ হিয়া কৰুণাৰে ভৰি পৰিছে। সেই কাৰণেই এই বিয়াত যাতে কোনো অনাদৰ অশ্ৰদ্ধাৰ চিন-চাৰ নেথাকে, তাৰ বাবে তেখেতে উঠি-পৰি লাগিছে। তেখেতে ললিতাৰ মাকৰ ঠাই লৈ নিজহাতে ললিতাক সজাই-পৰাই দিব—দৰাক আদৰিবৰ ব্যৱস্থা কৰিব—যদি নিমন্ত্ৰিতৰ ভিতৰত দুই-চাৰিজন কোনোবা আহে তেনেহলে তেওঁলোকক সোধ-পাছ কৰাত যাতে অলপো ঘাটি নহয় সেইটো চাব, আৰু নতুন ঘৰটো এনেকৈ ঠিক-ঠাক কৰিব যাতে ললিতাই নিজৰ থকা ঘৰ বুলি অনুভৱ কৰিব পাৰে—এয়েই তেখেতৰ সঙ্কল্প।

সুচৰিতাই কলে,—"এইবিলাক কৰোঁতে তোমাক লৈ কোনো গণ্ডগোল নহয় তো?"

ঘৰত মহিমে যে তোলপাৰ লগাইছে তাকে সুঁৱৰি আনন্দময়ীয়ে কলে,—"হব পাৰে, কিন্তু হলে কি হব। গণ্ডগোল অলপ হয়েই, মনে মনে থাকিলেও কিছুদিনৰ পিচত সকলো ঠিক হৈ যায়।"

সুচৰিতাই জানে এই বিয়াত গোৰাই যোগ দিয়া নাই। আনন্দময়ীক বাধা দিবলৈ কিবা চেষ্টা হৈছিল নে নাই সেইটো জানিবলৈ সুচৰিতাৰ মন উচ্‌পিচাই আছিল। কিন্তু কথাটো খোলা-খুলিভাৱে তাৰো নুসুধিলে, আৰু আনন্দময়ীয়েও গোৰাৰ নাম নকলে।

হৰিমোহিনীয়ে খবৰ পাইছিল। লাহে-ধীৰে হাতৰ কাম শেষ কৰি ভিতৰলৈ সোমাই আহি তেওঁ কলে,—"বাইদেউ, ভালে আছা নেপাওঁ, খবৰো নোলোৱা।"

আনন্দময়ীয়ে এই অভিযোগৰ কোনো উত্তৰ নিদি—"তোমাৰ ভাই বাহিৰত নিবলৈ আহিছোঁ" বুলি কৈ অহাৰ উদ্দেশ্য বুজাই কলে। হৰিমোহিনীয়ে মুখ আমোলাই অলপ পৰ মনে মনে থাকি কলে,—"এইখন তেতিয়া মই সোমাৰ নোৱাৰোঁ।"

আনন্দময়ীয়ে কলে,—"নাই ভনী, তুমি যোৱাৰ কথা মই কোৱা নাই। সুচৰিতাৰ কাৰণে তুমি চিন্তা কৰিব নেলাগে—মই তাইৰ লগে থাকিম।"

হৰিমোহিনীয়ে কলে, "তেনেহলে কওঁ শুনা। বাধাবাণীয়ে মানুহ আগত কয় তাই হিন্দু। এতিয়া তাইৰ মতি-গতিও হিন্দু ধৰ্ম্মৰ ফালে ঢাই পাইছে। তাই যদি হিন্দু সমাজত সোমাৰ খোজে। তেনেহলে তাই সাৱধান হব লাগিব। এনেয়েই কত কথা উঠিব, সেইবোৰ হয়তো কোনো ৰকমে ঠিক কৰি দিব পাৰিম। কিন্তু তাই এতিয়াৰেপৰা চাই-চিন্তি চলা উচিত মানুহে প্ৰথমেই সুধিব—ইমান বয়স হল তাইৰ বিয়া-বাকু কিয় হোৱা নাই—সেইটো একৰকম ঢাক-ঢুক দিয়া যাব পাৰে—ভাল দৰাও চেষ্টা কৰিলে যে পোৱা নেযাব সেইটো নহয়—কিন্তু তাই যদি আকৌ তাইৰ সেই আগৰ চাল-চলনবোৰত ধৰে, তেনেহলে মই কেইফালৰপৰা সামৰিম কোৱাচোন? তুমি হিন্দুৰ ঘৰৰ ছোৱালী, তুমি সকলো কথা বুজা, তুমিয়েই বা কোন মুখেৰে এনে কথা কোৱা? তোমাৰ নিজৰ ছোৱালী থকা হলে এই বিয়ালৈ পঠাব পাৰিলাহেঁতেন জানো? তুমি ভাবিবলৈ বাধ্য হলা হয় ছোৱালী বিয়া কেনেকৈ দিম?"

আনন্দময়ীয়ে আচৰিত হৈ সুচৰিতাৰ মুখলৈ চালে—তাইৰ মুখখন বঙা পৰি তেজ ফাটো ফাটো হৈছিল। আনন্দময়ীয়ে কলে,—"মই একো জোৰ কৰিবলৈ অহা নাই। সুচৰিতাই যদি আপত্তি কৰে তেনেহলে মই...।"

হৰিমোহিনীয়ে কৈ পেলালে, "মই তোমালোকৰ কথা-বতৰাবোৰ হলে একো ধৰিবই নোৱাৰোঁ। তোমাৰ পুতেকায়ে তো তাইক হিন্দু মতলৈ আনিছে—তুমি আকৌ একো নজনাটো বোলালে কেনেকৈ হব?"

যি হৰিমোহিনীয়ে পৰেশ ভট্টৰ ঘৰত সদায় ভয় ভয় কৰি অপৰাধীৰ দৰে দিন কটাইছিল, যি কাৰোবাক অকণমান তেওঁৰ ফলীয়া যেন দেখিলেই

অতি আগ্রহেৰে খামুচি ধৰিছিল, সেই হৰিমোহিনী আজি ক'ত। নিজৰ অধিকাৰ ৰক্ষা কৰিবৰ কাৰণে তেওঁ আজি বাঘিনী মূৰ্ত্তিৰে থিয় দিছে; সুচৰিতাক তেওঁৰপৰা ফুচুলাই নিবলৈ চাৰিওফালে বিৰুদ্ধ শক্তিয়ে চেষ্টা কৰিছে। এই সন্দেহে তেওঁক খুচি-কাটি মাৰিবলৈ ধৰিলে। কোন সপক্ষে, কোন বিপক্ষে—এইটো বুজিব নোৱাৰাতে তেওঁৰ মনত শান্তি নোহোৱা হ'ল। আগেয়ে গোটেই সংসাৰক শূন্য দেখি যিজনে দেৱতাৰ চৰণত আকুল চিতেৰে আশ্রয় লৈছিল সেই দেৱতাৰ পূজাতো আৰু তেওঁৰ মন স্থিৰ নোহোৱাত পৰিল। এদিন তেওঁ ঘোৰ সংসাৰী আছিল, নিদাৰুণ শোকত যেতিয়া সংসাৰলৈ বৈৰাগ্য জন্মিছিল তেতিয়া তেওঁ ভাবিব পৰা নাছিল যে আকৌ কেতিয়াবা তেওঁৰ টকা-পইচা, ঘৰ-দুৱাৰ, আত্মীয়-স্বজনলৈ আসক্তি উভতি আহিব। কিন্তু আজি হিয়াৰ ঘাঁ অলপ শুকাওঁতেই সংসাৰে আকৌ সমুখত থিয় দি তেওঁৰ মন আজুৰিবলৈ আৰম্ভ কৰিছে—আকৌ তেওঁৰ সকলো আশা-আকাংক্ষাই বহুদিনৰ পুৰণি স্পৃহা লৈ সাৰ পাইছে; যাক ত্যাগ কৰি আহিছিল তালৈ পুনৰায় উলটি যোৱাৰ বেগ এনে তেজী হৈ উঠিছে যে সংসাৰত তেওঁ সংসাৰী হৈ থাকোঁতেও তেওঁৰ মন ইমান চঞ্চল হৈ উঠা নাছিল। আজি কেইদিনমানৰ ভিতৰতে হৰিমোহিনীৰ চকুৰে-মুখে, ভাৰে-ভঙ্গীয়ে, কথাই-বতৰাই, এনে এটা অদ্ভুত পৰিবৰ্ত্তন চিন দেখি আনন্দময়ী একেবাৰেই আচৰিত হৈ গ'ল, আৰু সুচৰিতাৰ কাৰণে তেখেতৰ চেনেহ-কোমল মনটো বেজাৰেৰে ভৰি পৰিল। এনে এটা অঙ্কত ঢাক খাই থকা বুলি জনা হলে তেখেতে কেতিয়াও সুচৰিতাক মাতিবলৈ নাহিলহেঁতেন। এতিয়া কি কৰিলে নো সুচৰিতাৰ মনৰ দুখ পাতলিব, সিয়েই তেখেতৰ এটা সমস্যা হ'ল।

হৰিমোহিনীয়ে গোৰাক লক্ষ্য কৰি কথা কবলৈ আৰম্ভ কৰোঁতেই সুচৰিতাই মূৰ তল কৰি লাহেকৈ কোঠাটোৰপৰা ওলাই গ'লগৈ।

আনন্দময়ীয়ে কলে,—"তুমি ভয় কৰিব নেলাগে ভনী। মই আগেয়ে নেজানিলো নহয়। ৰাকু তাইক আৰু টনা-আজোৱা নকৰোঁ। তুমিও তাইক একো নকৰা। তাই আগেয়ে এক ধৰণে ডাঙৰ দীঘল হৈছে, এতিয়া বেচি হেঁচা দিলে তাইৰ সহ্য নহব।"

হৰিমোহিনীয়ে কলে,—"মোৰ ইমান বয়স হ'ল—সেয়া মই নুবুজো নে! চাওঁ তাই তোমাৰ মুখৰ আগতেই কওকচোন ৰাকু, কেতিয়াবা তাইক মই কিবা দুখ দিছোঁ বুলি। তাইৰ যি মন যায় তাকে কৰিছে, মই কেতিয়াও মাত এষাৰো মতা নাই; ভগৰানে তাইক জীয়াই ৰাখক, সেয়ে মোৰ কাৰণে

হ'ল—মোৰ যি কপাল, কেতিয়া কি হয় ভয়তে মোৰ টোপনি নাহে।"

আনন্দময়ী যাবলৈ উঠাত সুচৰিতা ওলাই আহি সেৱা কৰিলে। আনন্দময়ীয়ে চেনেহৰে তাইক চুই কলে,—"মই আহিম আই, তোক খবৰ দি যাম—কোনো বিধিনি নহয়, ঈশ্বৰৰ আশীৰ্ব্বাদত শুভকাম হলেই হৈ যাব।"

সুচৰিতাই একো নেমাতিলে।

পিচদিনা পুৱাই আনন্দময়ীয়ে লছমিয়াক লগত লৈ সেই ভাৰাঘৰৰ টিন গোটখোৱা ধূলি গুচুৰাবলৈ একেবাৰে বানপানীৰ কাৰবাৰ কৰোতেই সুচৰিতা উপস্থিত হলহি। আনন্দময়ীয়ে লৰালৰিকৈ বাঢ়নীডাল পেলাই তাইক বুকুলৈ টানি নি সাৰটি ধৰিলে।

তাৰ পিচত ধোৱা-মোচা, বস্তু-বাহানি ইফাল-সিফালে টনা-টনি কৰি সজোৱাৰ ধুম-ধাম লাগি গ'ল। পৰেশ ভট্টই খৰচৰ কাৰণে সুচৰিতাৰ ঠত লগা জোখাই টকা দি গৈছিল—সেই পুঁজিৰে দুয়ো মিলি বাৰে বাৰে কৰা আৰু সংশোধন কৰাত লাগি গ'ল।

অলপ পিচতে পৰেশ ভট্টই নিজে ললিতাক লগত লৈ উপস্থিত হলহি। ইঁতৰ ঘৰ ললিতাৰ নিমিত্তে দিনো অসহনীয় হৈ উঠিছিল। ঘৰৰ কেৰে ইক একো কৰলৈ সাহ নকৰিছিল, কিন্তু সিহঁতে তাইক মাত-বোল নকৰা পাটোৰেই তাইৰ মনত বিষম আঘাত দিছিল। অৱশেষত ৰৱদাসুন্দৰীক না দিবলৈ যেতিয়া তেওঁৰ বন্ধু-বান্ধৱ জোৱাই জোৱাই আহিবলৈ ধৰিলে তিয়া পৰেশ ভট্টই ললিতাক ঘৰৰপৰা আঁতৰাই নিয়াটোকে উত্তম বুলি চিতা কৰিলে। ললিতাই আহিবৰ সময়ত ৰৱদাসুন্দৰীক সেৱা কৰিবলৈ ৰাত তেওঁ মুখ ঘুৰাই বহি থাকিল, আৰু ললিতা গুচি অহাৰ পাচত ৰোনী টুকিবলৈ ধৰিলে। ললিতাৰ বিয়াৰ কথা লৈ লাৱণ্য আৰু ৰ মনত খু-দুৰনি লাগি আছিল—কিবা উপায়ে যদি পাৰিলেহেঁতেন। লেহলে বিয়া ঘৰলৈ লৰি যাবলৈ সিহঁতে নিমিষো পলম নকৰিলেহেঁতেন। ক্ত ব্যাঙ্ক ঘৰৰ কঠিন কৰ্ত্তব্য মনত পেলাই সিহঁত অতিপাত গহীন হৈ ই থাকিল। দুৱাৰমুখতে সুধীৰৰ লগত ললিতাৰ চকা-মকাকৈ দেখা ইছিল, কিন্তু তাৰ ঠিক পিচ ফালেই সিহঁতৰ সমাজৰ কেইজনমান মুৰ্ব্বিয়াল ৰুষ থকাৰ কাৰণে তাৰ লগত একো কথা পাতিব পৰা নহল। গাড়ীত ললিতাই দেখিলে বহা ঠাইৰ একোণে কাগজেৰে মেৰিওৱা কিবা ছা আছে। মেলি চালে, জাৰ্ম্মান ৰূপৰ এটা ফুলদানি—গাত ইংৰাজী

ভাষাত লিখা আছিল 'সুখী দম্পতীক ঈশ্বৰে আশীৰ্ব্বাদ কৰক' আৰু এটি
কার্ডত ইংৰাজীতে সুধীৰৰ নামৰ প্ৰথম আখৰটো লিখা আছিল। ললিতাই
আজি মন টান কৰি প্ৰতিজ্ঞা কৰিছিল তাই চকুৰ পানী নোটোকে। কিন্তু
পিতৃ-গৃহৰপৰা বিদায় মুহূৰ্ত্তত তাইৰ সৰু কালৰ বন্ধুৰ একোটি মাত্ৰ চেনেহৰ
উপহাৰ হাতত লওঁতে তাইৰ দুই চকুৰেদি হৰ্ হৰ্ কৈ পানী ৰবলৈ ধৰিলে।
ভট্ট ডাঙৰীয়াই চকু মুদি লৰচৰ নকৰাকৈ বহি থাকিল।

আনন্দময়ীয়ে—"আই, আই, আই" বুলি ললিতাৰ হাত দুখনত ধৰি
ভিতৰলৈ লৈ গ'ল, যেন সেই সময়ত তাইৰ কাৰণে তেখেতে বাটলৈ চাই
আছিল।

পৰেশ ভট্টই সুচৰিতাক মতাই অনাই কলে,—"ললিতাই আমাৰ ঘৰলৈ
পৰা একেবাৰেই বিদায় লৈ আহিছে।"

ভট্ট ডাঙৰীয়াৰ হাত কঁপি গ'ল।

সুচৰিতাই ভট্ট ডাঙৰীয়াৰ হাতত ধৰি কলে,—"ইয়াত তাইলৈ
চেনেহৰ কোনো অভাৰ নহব দেউতা!"

ভট্ট ডাঙৰীয়া যাবলৈ ওলাওঁতে আনন্দময়ীয়ে মুৰৰ ওৰণিখন টানি
তেখেতৰ আগলৈ আহি নমস্কাৰ কৰিলেহি। পৰেশ ভট্টই লৰাবলৈ
প্ৰতি নমস্কাৰ জনালে। আনন্দময়ীয়ে কলে,—"ললিতাৰ কাৰণে মুঠি
চিন্তা নকৰিব। আপুনি আজি যাব হাতত তাইক অপি দিলে তেখেতে
কেতিয়াও কোনো দুখ তাই নেপায় আৰু ভগৱন্তয়ো ইমান দিনৰ মুৰত
মোৰ এটা অভাৰ গুচুৰালে,—মোৰ ছোৱালী নাছিল, ছোৱালী পালোঁ। বিনিময়
কইনাই মোৰ ছোৱালীৰ অভাৰ গুচুৰাব—বহু দিনৰেপৰা আশা পালি আছিলোঁ
—হওক, ঈশ্বৰে মোৰ আশা পূৰালে, পলম কৰি পূৰালে যদিও এতিয়া
ছোৱালী দিলে, আৰু এনে আচৰিত ভাৱে দিলে যে মোৰ এনে ভাগ্যা
বুলি মই ভবাই নাছিলোঁ।"

ললিতাৰ বিয়াৰ কথা ওলোৱাৰপৰা পৰেশ ভট্টই মাজ সাগৰত—এখন
পোন প্ৰথম পাৰ দেখা পালে, আৰু সঁচাকৈয়ে সান্ত্বনা লাভ কৰিলে।

কাটেকৰপৰা ওলোৱা দিনাৰেপৰা গোৱাৰ ওচৰলৈ ইমান মানুহ আহি
ৰ ৰবিলে যে সিহঁতৰ শলাগনি আৰু আলাপ-আলোচনাৰ উশাহ-নিশাহ
ছোৱা হেজাৰ-বিজাৰ কথাৰ মাজত ঘৰত থকাই তাৰ পক্ষে টান হৈ
ল।

গোৱাই সেইদেখি আকৌ আগৰ দৰে গাঁও ফুৰিবলৈ আৰম্ভ কৰিলে।
পুৱাই অলপ খাই-বৈ ওলায় আৰু একেবাৰে ৰাতিহে উভতি আহে।
লৈ গৈ কলিকতাৰ ওচৰা-উচৰি যেই কোনো ষ্টেছনতে নামি গাঁৱৰ
ৰ। তাত তেলীয়া, কুমাৰ, কৈৱৰ্ত্ত ইত্যাদিৰ চুবুৰিত আলহী হয়গৈ।
কথা ৰবণীয়া গায়ে-গাঁৱিয়ে থুলন্তৰ বামুণজনে সিহঁতৰ ঘৰে ঘৰে এনেকৈ
কুৰিছে, সিহঁতৰ সুখ-দুখৰ খবৰ লৈছে, এইবিলাক সিহঁতে একো
নেপায়। অইন কি সিহঁতৰ মনত নানা ৰকমৰ সন্দেহো জন্মে।
গোৱাই সিহঁতৰ মনৰ সকলো সঙ্কোচ সন্দেহ দূৰ কৰিলে আৰু সিহতৰ
তে ঘূৰা-পকা কৰিবলৈ লাগিল। মাজে-সময়ে বেয়া মাত যে নেপায়
নহয়, তথাপিও সি উভতি নাহিল।

সিমানেই ইহঁতৰ ভিতৰত সোমায়, সিমানেই একেটা কথাই তাৰ মনত
সিমানৰলৈ ধৰে। সি দেখিলে এই গাঁওবিলাকৰ সামাজিক বান্ধোন শিক্ষিত
ই সমাজতকৈ বহুতো বেচি। প্ৰত্যেক মানুহৰ ঘৰতে খোৱা-বোৱা,
-বহা, কাম-কাজ সকলো কথাতে দিনে-বাতিয়ে সমাজৰ চোকা দৃষ্টি
ছে। প্ৰত্যেক মানুহৰ লোকাচাৰৰ প্ৰতি এটা অতি সহজ বিশ্বাস আছে,
টো কোনেও নুই কৰিব নোৱাৰে। কিন্তু সমাজৰ এই বান্ধোনে সিহঁতৰ
ক্ষেত্ৰত বা আচাৰ-ব্যৱহাৰত অকণো শক্তি যোগাব পৰা নাই। ইহঁতৰ
চিনা এনেকুৱা ভয়াতুৰ, অসহায়, নিজৰ ভাল-বেয়াৰ বিচাৰ কৰিব নজনা
ৰি জগতত আৰু কৰবাত আছে নে নাই সন্দেহ। একমাত্ৰ আচাৰ
লন কৰি চলাৰ বাহিৰে আৰু আন কোনো কথাই ইহঁতে অকণোকে
নি নেপায় আৰু নুবুজেও। দণ্ডবদ্ধাৰা, দলাদলিবদ্ধাৰা নিষেধ কৰাটোকেই
হিঁতে আটাইতকৈ ডাঙৰকৈ বুজিছে। কি কৰিব নেলাগে, এইটোৱেই
ন খোজে খোজে নানান শাসনবদ্ধাৰাই সিহঁতৰ প্ৰকৃতিক মুৰৰপৰা ভৰি-
লৈকে জালেৰে বান্ধি থৈছে—কিন্তু এই জাল হ'ল ধাৰ-ঋণৰ জাল, এই
ন্ধোন হল মহাজনৰ বান্ধোন, ৰজাৰ বান্ধোন নহয়।

একো ডাঙৰ একতা নাই যি সকলোকে বিপদে-সম্পদে ওচৰা-উচৰিত থিয় কৰাব পাৰে। গোৰাই এই কথা নুবুজাকৈ নেথাকিল যে লোকাচাৰ দাৰে ঘপিয়াই মানুহে মানুহৰ তেজ পি শুহি খাইছে। কতবাৰ সি দেখা পালে যে সমাজৰ কোনো কাম-কাজতেই কোনেও কাকো অকণো দয়া-মায়া নেদেখুৱায়। এজনৰ বাপেক বহুদিন বেমাৰত ভুগিছিল, বাপেকৰ চিকিৎসা-পথ্য ইত্যাদি যোগাব কৰোঁতে বেচেৰাৰ একেবাৰে লাওলোৱা অৱস্থা হল—কোনো ফালৰপৰা কাৰো সাহায্য নাই—কিন্তু ইফালে গাঁৱৰ মানুহে কয় তাৰ বাপেক কিবা নজনা পাপৰ ফলত চিৰৰুগীয়া হোৱাত সিহে এতিয়া পৰাচিত হব লাগিব। সেই দুৰ্ভগীয়াৰ লাওলোৱা অসাধন অৱস্থা কাৰো নজনা নহয়। কিন্তু ক্ষমা নাই। সকলো প্ৰকাৰ কাম-কাজতেই এনেকুৱা হয়। যেনেকৈ আচল ডকাইতিতকৈ পুলিচৰ তদন্তটোহে গাঁৱলীয়া ৰাইজৰ কাৰণে বেচি ভয়াবহ, তেনেকৈয়ে মাক-বাপেকৰ মৃত্যুতকৈয়ো মাক-বাপেকৰ শ্ৰদ্ধাহে সন্তানৰ কাৰণে বেচি দুৰ্ভাগ্যৰ কাৰণ হৈ পৰে। আয় কম, অৱস্থাই নুকুলায়—এইবোৰ কথা কোনেও নেমানে—যেনেকৈয়ে হওক সমাজৰ নিষ্ঠুৰ দাবী ষোল অনা পূৰণ কৰিব লাগিব। বিয়াৰ সময়ত কইনাৰ বাপেকৰ কান্ধৰ ওপৰত ব'ৰ নোৱাৰা বোজা জাপি দিবলৈ দৰা-ঘৰীয়াই নানা ধৰণৰ কূট বুদ্ধি উলিয়ায়; দুৰ্ভগীয়াৰ প্ৰতি লেশমাত্ৰ কৰুণা দেখুৱা নহয়। গোৰাই বুজিব পাৰিলে যে এই সমাজে দৰকাৰৰ বেলিকা সহায় নকৰে, বিপদত মুখৰ মাত এষাৰ নিদিয়ে, কেৱল শাসনবন্ধাৰাই মানুহক পৰাস্ত কৰি জীৱন পঙ্গু কৰি পেলায়।

শিক্ষিত সমাজৰ ভিতৰত গোৰাই এই কথাটো পাহৰি গৈছিল—কাৰণ সেই সমাজত সাধাৰণৰ মঙ্গলৰ কাৰণে এক হৈ থিয় হবলৈ বাহিৰবাৰ এটা শক্তিয়ে কাম কৰি আছিল। এই সমাজত একগোট হোৱাৰ কাৰণে নানা প্ৰকাৰ উদ্যোগ দেখা গৈছে। এই সকলোবোৰৰ একযোগ চেষ্টাৰেই আনৰ অনুকৰণ হৈ কিজানি আমাক নিস্ফলতাৰ ফালেহে লৈ যায়—এই শিক্ষিত সমাজত এইটোহে চিন্তাৰ কাৰণ।

কিন্তু গাঁৱলীয়া সমাজত, য'ত বাহিৰৰ শক্তিৰ আঘাতে তেনে একো কাম কৰা নাই, সেই সমাজৰ সোৰোপালিৰ ভিতৰত থকা দুৰ্ব্বলতাৰ মূৰ্ত্তিটো গোৰাই আজি দেখা পালে। যি ধৰ্ম্মই সেৱাৰ ৰূপ লৈ সকলোকে শক্তি যোগায়, জীৱন দিয়ে—গোৰাই কতো সেই ধৰ্ম্ম দেখা নেপালে। যি আচাৰে কেৱল তাক ধ্বংস কৰে, ভাগ কৰে, কষ্ট দিয়ে—যি বুদ্ধিয়ে ওচৰ চাপিব নিদিয়ে, যি আপোন ভাবটোকো দূৰতে বিদূৰ কৰে, বিচ্ছেদ

চলাৰে চলন-ফুৰণ, উঠা-বহা আদি সকলোতে কেৱল বাধা হে দিয়ে—
ৰ ভিতৰত এই নিৰ্ব্বোধ বাধ্য-বাধকতাৰ অনিষ্টকৰ কুফল দেখ্ দেখ্‌কৈ
ৰ চকুত ধৰা পৰিল। যি মানুহৰ স্বাস্থ্য, জ্ঞান, ধৰ্ম্মবুদ্ধি কাম-কাজ
লাকে নানা ফালৰপৰা নানা প্ৰকাৰে আক্ৰমণ কৰে—গোৰাই সেই-
ই দেখা পালে, আৰু তাৰ পাচতো নিজকে ভাব ৰাজ্যৰ ইন্দ্ৰজালত
ল নিয়াই বখা গোৰাৰ কাৰণে অসম্ভৱ হৈ উঠিল।

গোৰাই পোনেই দেখিলে যে গাঁৱৰ তল জাতৰ মানুহৰ ভিতৰত তিৰোতাৰ
া কম বুলিয়েই হওক বা অন্য কোনো কাৰণতেই হওক ভালেখিনি
ম দিলেহে বিয়া কৰাবলৈ ছোৱালী পোৱা যায়। ফলত বহুত পুৰুষেই
ীৱন আৰু বহুতে বয়স ভাটি দিয়ালৈকে আবিয়ৈ হৈয়ে থাকিব লগা
। ইফালে বিধবা-বিবাহো কট্‌কটীয়াকৈ নিষেধ। ইয়াৰপৰা ঘৰে
ৰ সমাজৰ অৱস্থা দূষিত হৈ উঠিছে আৰু এই অনিষ্ট, অসুবিধা সমাজৰ
তকেই অনুভৱ কৰিছে। এই অমঙ্গলীয়া ভাৱখন সদায় কান্ধত লৈ
ইই লাগিব, অথচ ইয়াৰ প্ৰতিকাৰ কৰিবৰ কোনো উপায়ো নাই।
গোৰাই শিক্ষিত সমাজত আচাৰৰ অকণো ইফাল-সিফাল হবলৈ দিব
োজে, সেই গোৰায়েই আজি গাঁৱৰ এই নিয়ম-কানুনত কোৰ বহুৱালে।
গাঁৱৰ পুৰোহিতসকলক বহু কষ্ট কৰি বশ মনালে যদিও গাঁৱৰ সমজুৱাক
ল কোনো বকমেই মান্তি কৰাব নোৱাৰিলে। গোৰাৰ ওপৰত সিহঁতৰ
হে উঠিল। সিহঁতে কলে,—'বাৰু, বামুণে যেতিয়া বিধবাক বিয়া
ই, আমিও তেতিয়াহে দিম।'

সিহঁতৰ খং উঠাৰ প্ৰধান কাৰণ হ'ল এই যে, সিহঁতে মনে মনে ভাবিলে
োৰাই সিহঁতক নীচ কুলীয়া মানুহ বুলি ঘিণ কৰিছে, আৰু সিহঁতৰ
টিনা মানুহবোৰ আৰু নীচ হৈ যোৱাটোৱেই যে উচিত, এই কথাকে
োৰাই সদৰী কৰিবলৈ আহিছে।

গাঁৱৰ ভিতৰত ঘূৰি-পকি এই কথা গোৰাৰ চকুত পৰিল যে মুছলমান-
কলৰ ভিতৰতে এনে এটা বস্তু আছে যাৰ সহায়ত সিহঁতক একগোট
ৰি থিয় কৰাব পাৰি।

গোৰাই লক্ষ্য কৰি দেখিলে যে গাঁৱত আপদে-বিপদে মুছলমানসকল
লেকৈ অতি আপোনভাৱে ইজনে-সিজনৰ ওচৰ চাপি এক হয়, হিন্দু
িলাকে তেনেকৈ নোৱাৰে। গোৰাই বাৰে বাৰে ভাবিবলৈ ধৰিলে,—কি
াৰণত নো এই দুখন ওচৰচুবুৰীয়া সমাজৰ ভিতৰত এনে ডাঙৰ প্ৰভেদ
ইবলৈ পালে। যি উত্তৰে তাৰ মনত ভুমুকি মাৰে, সেইটো কিন্তু মানি

লবলৈ তাৰ সত নেযায়। ধৰ্ম্মবন্ধাবা মুছলমান এক, আচাৰবন্ধাবা নহয়—এই কথা মানি লবলৈ যেন তাৰ অন্তৰ ভাঙি যায়। এফালে যেনেকৈ আচাৰৰ বান্ধোনে তেওঁলোকৰ সকলো কাম-কাজকে অনৰ্থক বান্ধি থোৱা নাই, সিফালে তেনেকৈ ধৰ্ম্মৰ বান্ধোনে তেওঁলোকক সম্পূৰ্ণ ঘনিষ্ঠ কৰিছে। তেওঁলোক সকলোৱে মিলি এনে এটা বস্তু গ্ৰহণ কৰিছে, যিটো কেৱল 'নহয় নহয়' যিটো 'হয়', যিটো ঋণৰ ভিত্তিত গঢ়ি উঠা নাই, যিটো ধনৰ ভিত্তিত গঢ়ি উঠিছে; যাৰ কাৰণে মানুহে এযাৰ মাততে, এক মুহূৰ্ত্তত একেলগে কান্ধত কান্ধ মিলাই থিয় দি অনায়াসে জীৱন বলি দিব পাৰে।

শিক্ষিত সমাজত গোৱাই যেতিয়া লিখে, তৰ্ক কৰে, বক্তৃতা দিয়ে, তেতিয়া সি অইনক বুজাবৰ কাৰণে, অইনক নিজৰ মতলৈ আনিব কাৰণে স্বভাৱতেই নিজৰ কথাবিলাক কল্পনাৰ সহায়েৰে মনোমোহা বোলেৰে বোলাই যিটো স্থূল তাক সূক্ষ্ম ব্যাখ্যাৰে ঢাকি, যিটো অনাৱশ্যক ভগ্নাৱশেষ মাথোন, তাকো ভাবৰ পোহৰেৰে মনমোহা ছবিৰ নিচিনা কৰি দেখুৱাইছে। দেশত এদল লোক দেশৰ প্ৰতি বিমুখ কাৰণেই আৰু দেশৰ সকলোতে তেওঁলোকে বেয়াটোহে দেখে বুলিয়েই গোৱাই স্বদেশৰ প্ৰতি প্ৰবল অনুৰাগেৰে অনুপ্ৰাণিত হৈ এই কাঠচিতীয়া মানুহবোৰৰ অপমানৰপৰা দেশখনক ঢাকি ৰাখিবলৈ দিনে ৰাতিয়ে যত্ন কৰিছে। গোৱাৰ এইটো এটা অত্যাশ্চৰ্য্য কথা একমাত্ৰ উকিলৰ দৰে প্ৰমাণ কৰাই নহয়—এইবোৰ সি মনে প্ৰাণে বিশ্বাসো কৰে। অতি অসম্ভৱ ঠাইতো তাৰ এই বিশ্বাসক সহজে দাঙি ধৰি থিয় দিছে। তাৰ কেৱল মাত্ৰ এটা কথা আছিল—নিজ দেশৰ প্ৰতি বাইজৰ শ্ৰদ্ধা পুনৰাই ঘূৰাই আনিবই—তাৰ পিচত হে অইন কাম।

কিন্তু গাঁৱত যেতিয়া সোমায়, তেতিয়া তাৰ আগত কোনো শুনোতা নেথাকে, প্ৰমাণ কৰিবলৈ একো কথাও নেথাকে, আৰু তেতিয়া অন্তৰ্যামী বিদ্বেষ খৰ্ব্ব কৰিবলৈকো তাৰ সকলো শক্তি জগাই তুলিবৰ কোনো আৱশ্যক নহয়। তেতিয়া আচল সত্যক কোনো আভৰণৰ মাজেদি চোৱাৰ দৰকাৰ নহয়। দেশৰ প্ৰতি প্ৰবল অনুৰাগেই তাৰ দৃষ্টি সত্যৰ প্ৰতি অতিমাত্ৰাই ঢাকা কৰি তোলে।

গাত এটা চীনা কোটচোলা পিন্ধি, কঁকালত চেলেং মেৰিয়াই কেম্বিচৰ হাতত লৈ স্বয়ং কৈলাস আহি হৰিমোহিনীক মেৰা কৰিলে। তেওঁৰ পঁয়ত্ৰিশৰ উচৰা-ওচৰি হব; চুটি চাপৰ, আঁটিল মানুহটো—ডাঢ়ি-গোঁফ নাই। মুঠেই আজি কেইদিনমান নখুৰোৱাত ডাঢ়ি-গোঁফবোৰ উলুবনৰ দৰে হৈছিল।

বহুত দিনৰ মূৰত শহুৰেকৰ ঘৰৰ মানুহ দেখি হৰিমোহিনীয়ে বৰ আনন্দেৰে কৈ উঠিল,—"আয়ৈ দেহী! দেওৰ বোপা দেখোন, বহাঁ, বহাঁ।" হৰিকে এখন কঠ পাৰি দিলে আৰু সুধিলে,—"মুখ হাত ধুবানে?"

কৈলাসে কলে,—"নাই, দৰকাৰ নাই। পাচে আপোনাৰ গা-মূৰ চলেই দেখিছোঁ।"

শৰীৰ ভালে থকাটো এটা অপবাদৰ কথা বুলি ভাবি হৰিমোহিনীয়ে—"গা-মূৰ নো ক'ত ভালে আছে", বুলি কৈ নানা প্ৰকাৰ ৰোগৰ এখন তালিকা দিলে, আৰু কলে,—"আপদীয়া দেহাটো পাৰ হলেই ৰক্ষা পৰোঁ, নহে নাহে নহয়।"

জীৱনৰ প্ৰতি এনে বিতৃষ্ণা দেখুৱাত কৈলাসে আপত্তি কৰিলে, আৰু কোনোয়েক নাই যদিও হৰিমোহিনীয়েই যে তেওঁলোকৰ এটা ডাঙৰ ভৰসা, সেৰে প্ৰমাণ স্বৰূপে কলে,—"এইয়া নোচোৱা কেলেই, তুমি আছা বুলিহে পলিকতাখনলৈ অহা হ'ল—থিয় দিবলৈ ঠাই অকণ পালোঁ তেও।"

আত্মীয়-স্বজন, গাঁৱৰ মানুহ-দুনুহ সকলোৰে খবৰা-খবৰ আগৰপৰা হৰিলৈকে বিবি কৈ কৈলাসে হঠাৎ চাৰিও পিনে চকু ফুৰাই চাই কলে,—"এই ঘৰটো বোধকৰোঁ তেওঁৰেই।"

হৰিমোহিনীয়ে কলে,—"এৱা।"

কৈলাসে কলে,—"একেবাৰেই দালান ঘৰ দেখিছোঁ।"

হৰিমোহিনীয়ে তেওঁৰ উৎসাহ বঢ়াই কলে,—"নহয় নো কি আকৌ! একেবাৰেই দালান।"

ঘৰটোৰ কাঠবোৰ খুব মজবুত শালৰ আৰু দুৱাৰ-খিড়িকীবোৰো যে আম কাঠৰ নহয় তাকো তেওঁ লক্ষ্য কৰিলে। ঘৰৰ বেৰবোৰ ডেৰখন ইটাৰ নে দুখন ইটাৰ গাঁঠনিৰ সিও তেওঁৰ চকুত নপৰাকৈ নেথাকিল। ওপৰ আৰু তল মহলা মিলি মুঠ কেইটা কোঠালী আছে তাকো সুধি-পুছি

ললে। মুঠৰ ওপৰত বস্তুটো তেওঁৰ মনত বেচ সন্তোষজনক যেনেই লাগিল। ঘৰ সাজোতে কিমান খৰচ পৰিল সেইটো অনুমান কৰা তেওঁৰ পক্ষে টান; কাৰণ এইবিলাক মাল-মছলাৰ ঠিক দাম দৰবোৰ তেওঁৰ জনা নাছিল—চিন্তা কৰি ভৰিৰ ওপৰত ভৰি থৈ জোকাৰি জোকাৰি মনে মনে ভাবিলে, "কম হলেও দহ পোন্ধৰ হেজাৰ টকা তো হবই।" মুখ ফুটাই অলপ কমাই কলে,—"কি কোৱা নবৌ, সাত-আঠ হেজাৰ টকা হব পাৰে।"

হৰিমোহিনীয়ে কৈলাসৰ গাঁৱলীয়া দৃঢ়তাত আচৰিত হৈ কলে,—"কি কোৱা বোপা, সাত-আঠ হেজাৰ টকাৰ কথা হে কৈছা, কুৰি হেজাৰ টকাৰ এক পইচাও কম নহব।"

কৈলাসে অতি মনোযোগেৰে চাৰিও ফালে য'ত যি বয়-বস্তু আছিল সেইবোৰ চাবলৈ ধৰিলে। এতিয়াই সন্মতি জনাই মূৰ লৰালেই যে শাল-কাঠৰ মাৰ'লি আৰু চেগুন কাঠৰ দুৱাৰ-খিড়িকীৰে সৈতে এই পকা অট্টালিকাৰ একেশ্বৰ প্ৰভু হব পাৰিব—এইটো ভাবি বৰ তৃপ্তি বোধ কৰিলে। সুধিলে,—"সকলো তো হ'ল, কিন্তু ছোৱালী?"

হৰিমোহিনীয়ে লৰালৰিকৈ কলে,—"হঠাতে পেহীয়েকৰ ঘৰৰপৰা নিমন্ত্ৰণ পাই তাইলৈকে গৈছে, দুই চাৰিদিন পলম হব পাৰে।"

কৈলাসে কলে,—"তেনেহলে চোৱাৰ কি হব! মোৰ যে সিফালে আকৌ মকৰ্দ্দমা এটা আছে, কাইলৈ যাবই লাগিব।"

হৰিমোহিনীয়ে কলে, "তোমাৰ মকৰ্দ্দমা এতিয়া থাওক। ইয়াৰ কাম শেষ নহলে যাব নোৱাৰা।"

কৈলাসে কিছুপৰ ভাবি, শেষত ঠিক কৰিলে, মকৰ্দ্দমা নহয় একতৰফা ডিগ্ৰী হৈ নষ্ট হৈ যাব। হওক, কিন্তু ইয়াত ক্ষতিপূৰণৰ যি আয়োজন হৈছে সেইটো আৰু এবাৰ চাৰিও ফালে ভালকৈ চকুফুৰাই চাই এটা ঠিক কৰি ললে। হঠাৎ চকুত পৰিল হৰিমোহিনীৰ গোঁসাইঘৰৰ চুকত ৰাখি থকা পানী ডোঙালৈ। এই গোঁসাই থোৱা কোঠালীৰপৰা পানী ওলোৱাৰ কোনো বন্দবস্ত নাছিল—অথচ হৰিমোহিনীয়ে নিতৌ পানী নালি এই কোঠাটোতে ধোৱা-পখলা কৰে। সেই কাৰণেই চুকটোত অলপ পানী সদায় বন্ধ হৈ থাকেই। কৈলাসে লৰালৰিকৈ কলে,—"নবৌ, এইটো তো ভাল হোৱা নাই।"

হৰিমোহিনীয়ে কলে,—"কিয়, কি হৈছে।"

কৈলাসে কলে,—"সেইয়া যে পানী বন্ধ হৈ আছে, সেইটো তো কোনো ৰকমে নচলিব।"

হৰিমোহিনীয়ে কলে,—"কি কৰিম বোপা।"

কৈলাসে কলে,—"নহয়, নহয়, সেইটো নহব—ঘৰৰ ছাতখন যে যাই নষ্ট হৈ যাব। মই কৈ থলো হলে নবৌ, এই কোঠাত হলে পানী চলা-চলি কৰা নচলিব।"

হৰিমোহিনী মনে মনে খাকিবলগীয়া হল। কৈলাসে তাৰ পিচত পানীৰ ৰূপৰ বিষয়ে কৌতূহল দেখুৱালে।

হৰিমোহিনীয়ে কলে,—"সেইয়া দেখিলেই গম পাবা। আজিলৈকে উজালোকৰ ঘৰলৈ এনে বোৱাৰী অহা নাই।"

কৈলাসে কলে,—"কোৱা কি, আমাৰ মাজু বৌ—"

হৰিমোহিনীয়ে কলে,—"কিহৰ লগত কি বিজোৱা? তোমাৰ মাজু বৌৰেৰা তাইৰ ওচৰত থিয় দিব পাৰিব হেঁ?"

মাজু বৌৰেকক তেওঁলোকৰ ঘৰৰ ৰূপহীৰ আদর্শ বুলি কোৱা কথাষাৰত হৰিমোহিনীয়ে ভাল নেপালে, "তোমালোকে যি কোৱা বোপা, মাজু বৌৰেকক নতুন বোৱাৰীহে মোৰ বহু বেচি পছন্দ হয়।"

মাজু বৌৰেকৰ লগত নবোৱাৰীৰ তুলনা কৰাত কৈলাসে বৰ ভাল নপালে। তেওঁ মনে মনে কোনোবা এক নোহোৱা-নোপোজা, মুক্তিৰ দৰিণ চকুৱা চকুৰ লগত বাঁহীৰ নিচিনা নাক লগাই মাটি চুচৰি থোৱা পুতলিৰে সৈতে নিজৰ কল্পনাক বলিয়া কৰি তুলিছিল।

হৰিমোহিনীৰ ইফালে কথা সম্পূর্ণ আশাজনক যেনেই লাগিল। কনা পকৰ বিৰিলাক গুৰুতৰ সামাজিক খুঁত আছে সেইবোৰো কোনো গাৰ ৰ নোৱাৰা বিধিনি যেন মনে নধৰিলে।

৬৯

গোৱা যে আজি-কালি সোনকালে ঘৰৰপৰা ওলাই যায়, বিনয়ে সেইটো জানিছিল। সেই কাৰণেই বিনয়ে সোমৰাৰে পুৱা এঘাৰে-পোহৰেই গোৱাৰ ঘৰ ওলালগৈ। পোনে পোনেই ওপৰলৈ উঠি গৈ শোৱনিকোঠা সোমালগৈ। তাত গোৱাক নেদেখি লগুৱা লৰাটোৰপৰা গম পালে যে গোঁসাই ঘৰত আছে। মনতে আচৰিত হৈ গোঁসাই ঘৰৰ দুৱাৰমুখত থিয় দি দেখিলে গোৱাই নাম লৱলৈ বহাদি বহি আছে; গাৱদৰ চুৰিয়া পিন্ধা; গাত এখন গাৱদৰ চেলেং, কিন্তু প্ৰকাণ্ড বগা দেহাটোৰ বেচি ভাগেই উদং। বিনয়ে গোৱাক নাম লোৱা দেখি আৰু আচৰিত হ'ল।

জোতাৰ শব্দ শুনি গোৱাই পিচলৈ চাই বিনয়ক দেখি থিয় হল আৰু লৰালৰিকৈ কলে,—"ভিতৰলৈ নাহিবাঁ।"

বিনয়ে কলে,—"ভয় নাই, মই নেযাওঁ। তোমাৰ ওচৰলৈ আহিছিলোঁ।"

গোৱাই বাহিৰলৈ আহি কাপোৰ সলাই বিনয়ক লৈ তিনি মহলালৈ লৈ গৈ বহুৱালে।

বিনয়ে কলে,—"গোৱা ভাই, আজি সোমবাৰ।"

গোৱাই কলে,—"নিশ্চয় সোমবাৰ—পঞ্জিকাৰ ভুল হলেও আজিৰ বাৰটো সম্বন্ধে তোমাৰ ভুল হ'ব নোৱাৰে। অন্ততঃ আজি মঙ্গলবাৰ যে নহয়, সেইটো ঠিক।"

বিনয়ে কলে,—"তুমি হয়তো নোযোৱা জানো, কিন্তু আজিৰ দিনটোত তোমাক এবাৰ নোকোৱাকৈ এই কামত আগ বাঢ়িব নোৱাৰিম। সেই দেখিয়েই দোক্‌মোকালিতে উঠি তোমাৰ ওচৰলৈ আহিছোঁ।"

গোৱাই একো নেমাতি থিৰ হৈ বহি থাকিল।

বিনয়ে কলে,—"তেনেহলে মোৰ বিয়া ঘৰলৈ তুমি যে এবাৰ যাব নোৱাৰিবা, সেইটো খাটাং নহয়?"

গোৱাই কলে,—"নাই বিনয়, মই যাব নোৱাৰিম।"

বিনয় মনে মনে থাকিল। গোৱাই অন্তৰৰ শোক লুকুৱাই হাঁহি হাঁহি কলে,—"মই নগলোঁৱেই বা তাত কিনো হ'ল?"

তোমাৰ তো জিত হলেই। তুমি তো আইক টানি নিলাই। ইমান চেষ্টা কৰিও কোনো ৰকমেই তো আইক ধৰি ৰাখিব নোৱাৰিলোঁ। শেহাস্তৰত মোৰ আইৰ কথালৈয়ো তোমাৰ ওচৰত হাৰ মানিবলগীয়া হল। বিনয় এটা এটাকৈ 'চৰ লাল হো যায়গা' নে কি! মোৰ মানচিত্ৰ কেৱল মই অকলে বমগৈ নে কি!"

বিনয়ে কলে,—"ভাই মোক দোষ নিদিবা কিন্তু। মই তেখেতক খুব জোৰ কৈয়েই কৈছিলোঁ। —'আই, মোৰ বিয়ালৈ তুমি কোনো পধ্যেই যাব নোৱাৰা।' আয়ে কলে,—'চা বিনু, তোৰ বিয়ালৈ যিবিলাক নেযায়, তেওঁলোকক নিমন্ত্রণ কৰিলেও নেযায়, যি যাব বাধা কৰিলেও যাব—সেয়েহে তোক কৈছোঁ, তই কাকো নিমন্ত্রণো নকৰিবি, বাধাও নকৰিবি— মনে মনে থাক।' গোৱা, তুমি কিবা মোৰ ওচৰত হাৰ মানিছানে? তোমাৰ মাৰাৰ ওচৰতহে হাৰিছা, হেজাৰ বাৰ হাৰিছা। তেনে এজনী ই আৰু আছে জানো!"

আনন্দময়ীক বাধা দিবলৈ গোৱাই যদিও পূৰা-পুৰি যত্ন কৰিছিল,

লাপি তেখেতে যে তাৰ কথা নুশুনি, তাৰ খং-বাগলৈ কাণ নকৰি, লালৈ গুচি গ'ল, এই কথাত গোৱাই অন্তৰত দুখ পোৱা নাছিল; নন্দহে পাইছিল। বিনয়ে গোৱাৰ মাকৰ বুকুৰো মৰমৰ যি ভা ইছিল, গোৱাৰ লগত বিনয়ৰ শত বিচ্ছেদ হলেও সেই মাতৃ-স্নেহৰ ৰপৰা বিনয়ক কোনেও যে বঞ্চিত কৰিব নোৱাৰিব, এইটো কথা সঠিক ানি গোৱাই মনত যেন তৃপ্তি আৰু আনন্দহে লাভ কৰিছিল। আন সক লৈবেপৰাই বিনয় আৰু গোৱা বহু আঁতৰা-আঁতৰি হৈ গ'লেও এই অ তৃ-স্নেহৰ এডাল সূতাই এই দুই চিৰবন্ধুক ইজন সিজনৰ লগত নিক পীয়াকৈ বান্ধি ৰাখিব।

বিনয়ে কলে,—"ভাই, তেনেহলে মই উঠিলোঁ। একান্তই যদি যা গোৱা নেযাবা, কিন্তু গোৱা, মনত হলে কোনো অসন্তোষ নেৰাখিবা ই মিলনে মোৰ জীৱনলৈ কিমান ডাঙৰ এটা সার্থকতা আনিলে এইটো দি তুমি মনত অনুভৱ কৰিব পাৰা, তেতিয়া হলে তুমি কেতিয়াও মোৰ ই বিৰাখনত তোমাৰ আন্তৰিক শুভ-ইচ্ছা নজনোৱাকৈ থাকিব নোৱাৰা। ই কথা মই তোমাক জোৰ দিয়েই কওঁ।"

ইয়াকে কৈ বিনয়ে বহা আসন এৰি থিয় দিলে। গোৱাই কলে,—"বিনয়, বহাঁ। তোমাৰ লগু সেই ৰাতিহে, এতিয়াই কিহৰ লৰালৰি?"

গোৱাৰ এই আশা কৰিব নোৱৰা অনুৰোধত বিনয় লৰালৰিকৈ বহিল। তাৰ পিচত বহু দিনৰ মূৰত আজি এই ৰাতিপুৱাতে পুৱণা দিনৰ ৰে দুয়ো অন্তৰঙ্গভাৱে মেল পাতিবলৈ লাগিল। বিনয়ৰ হৃদয় ৰীণত িডাল তাঁৰ পঞ্চম সুৰত বন্ধা আছিলে গোৱাই সেইডাল তাঁৰতে আঙুলি ুলালে। বিনয়ৰ কথা আৰু শেষ হ'ব নোখোজে। কিমান অতি সৰু সৰু ঘটনা যিবিলাক পোনপটীয়াকৈ কৰলৈ হলে অতি সাধাৰণ, এনেকি হাঁহি উঠা কথা যেনহে লাগিব, তাৰেই বুৰঞ্জী বিনয়ৰ মুখৰপৰা গীতৰ সুৰৰ দৰে ৰাৰে ৰাৰে নতুন নতুন মাধুৰ্য্যেৰে উথলি উঠিবলৈ ধৰিলে। বিনয়ৰ জীৱৰাজ্যত আজি-কালি যি এক আচৰিত লীলা-খেলা চলিছিল, তাৰেই সকলো। অপৰূপ বিচিত্ৰ ৰস বিনয়ে নিজৰ অতি নিপুণ ভাষাত, অতি সূক্ষ্ম অথচ গভীৰ ভাৱে হৃদয়ঙ্গম কৰি স্পর্শ দিবলৈ ধৰিলে। জীৱনৰ এইটো কি অপূৰ্ব্ব অভিজ্ঞতা! বিনয়ে যি আপুৰুগীয়া বস্তু হিয়া ভৰাই পাইছে, তাক হৰলা সকলোৱে পায়? ইয়াক গ্রহণ কৰিব পৰা শক্তি সকলোৰে আছে জানো? সাধাৰণতে সংসাৰত স্ত্রী-পুৰুষৰ যি মিলন দেখা যায়, বিনয়ে কলে, তাত এই আটাইতকৈ উচ্চ সুৰটো তো বজা নুশুনি। বিনয়ে

গোৱাক বাৰে বাৰে কৈছিল যে আন সকলোৰে লগত সিহঁতৰ তুলনা নকৰে যেন। বিনয়ৰ মনে কৈছিল, ঠিক এনে এটা কথা আগেয়ে কেতিয়াও ঘটিছিল নে নাই সন্দেহ। সচৰাচৰ এনেকুৱাই হব লাগিলে বসন্তৰ এছাটি বতাহতে গোটেই বন নতুন নতুন ফুল-পাতেৰে উজলি উঠাদি গোটেই সমাজখনেই প্ৰাণৰ হেন্দোলনিত চাৰিও ফালে চঞ্চল হৈ পৰিলেহেঁতেন। তেনেকুৱাই হোৱা হলে মানুহে এনেকৈ খাই-বই, শুই-বহি, তেল ঘঁহি চিক্‌চিকীয়া হৈ কাল নকটালেহেঁতেন। তেনে হোৱা হলে যাৰ অন্তৰত যিমান সৌন্দৰ্য্য, যিমান শক্তি আছে, স্বভাৱতে নানা বৰণ, নানা আকাৰ লৈ সেইবিলাক দিশে দিশে ফুটি উঠিলহেঁতেন। ইযে সোণৰ কাঠি-ইয়াৰ পৰশ উলাই কৰি অসাৰ হৈ কোন পৰি থাকিব পাৰে। ই সামান্য মানুহকো অসামান্য কৰি তোলে। সেই প্ৰবল অসামান্যতাৰ সোৱাদ মানুহে জীৱনত কেনেবাকৈ এবাৰ পালেই জীৱনৰ সত্যৰ পৰিচয় পায়।

বিনয়ে কলে,—"গোৱা, মই তোমাক ডাঠি কওঁ যে মানুহৰ গোটেই প্ৰকৃতিকে নিমিষতে সজাগ কৰি তুলিবৰ উপায় হৈছে এই ভালপোৱা যি কাৰণতেই হওক আমাৰ মাজত এই ভালপোৱাৰ উৎপত্তি দুৰ্ব্বল; সেই কাৰণেই আমি প্ৰত্যেকেই ইয়াক সম্পূৰ্ণকৈ উপলব্ধি কৰাৰপৰা বঞ্চিত হৈছোঁ। আমাৰ কি আছে সেইটো আমি নেজানো; যিটো গোপন হৈ আছে সেইটো দেখুৱাৰ পৰা নাই, যিটো সঞ্চিত হৈ আছে, সেইটো ব্যয় কৰাও আমাৰ অসাধ্য; সেই কাৰণেই চাৰিওপিনে এই বিঙা বিঙা ভাৱ, এনে নিৰানন্দ। সেই দেখিয়েই আমাৰ ভিতৰত কিবা মাহাত্ম্য আছে যদি তাক কেৱল তোমাৰ দৰে দুই-এজনেহে বুজে, সাধাৰণৰ মনত তাৰ একো চেতনাই নাই।"

মহিমে ডাঙৰকৈ হামি এটা মাৰি শোৱা পাটীৰপৰা উঠি যেতিয়া মুখ ধুবলৈ গ'ল, তেওঁৰ খোজৰ শব্দত বিনয়ৰ উৎসাহ হঠাৎ বন্ধ হ'ল, সি গোৱাৰপৰা বিদায় লৈ ওলাই গ'ল গৈ।

গোৱাই ছাতৰ ওপৰত থিয় দি পূব ফালৰ বঙা আকাশলৈ চাই এটা দীঘল হুমুনিয়াহ পেলালে। বহুত পৰ ছাততে ইফাল সিফাল কৰিলে; আজি তাৰ গাঁৱলৈ যোৱা নহল।

আজি-কালি কিছু দিনৰপৰা গোৱাই তাৰ অন্তৰত কিবা এটা আকাংক্ষা, কিবা এটা পূৰ্ণতাৰ অভাৱ অনুভৱ কৰিবলৈ ধৰিছে, কিন্তু সেই অভাৱ কোনোমতেই কামৰ মাজেদিয়েই হওক বা অন্য উপায়েৰেই হওক, পূৰণ কৰিবপৰা নাই। কেৱল সি অকলে নহয় তাৰ সকলো কামেই যেন

পৰলৈ হাত-বাউল দি কৈছে,—"অলপ পোহৰ লাগে, উজ্জ্বল পোহৰ লাগে—সুন্দৰ পোহৰ।" যেন অন্যান্য সকলো উপকৰণ গোটোৱা হৈ আছে, যেন হীৰা-মাণিক, সোণ-ৰূপ দুৰ্ম্মূল্য নহয়, যেন লোহাৰ বৰ্ম্মও দুৰ্ম্মূল্য নহয়, কিন্তু আশা আৰু সান্ত্বনাৰে জিলিকি উঠা স্নিগ্ধ-সুন্দৰ ৰোদেলিৰ বোলেৰে বোলোৱা পোহৰ ক'ত!

যি আছে তাক আৰু বঢ়োৱাৰ চেষ্টা কৰাৰ প্ৰয়োজন নাই হয়, কিন্তু তাক আৰু বেচি উজ্জ্বল কৰি লাৱণ্যময় কৰি ফুটাই তুলিবলৈ তো এতিয়াও বাকী আছে।

বিনয়ে কৈছিল, 'কোনো এক মাহেন্দ্ৰক্ষণত নৰ-নাৰীৰ ভালপোৱাক আশ্ৰয় কৰি এটা বৰ্ণাঢ্য নোৱাৰা অসামান্যতা চমককৈ জ্বলি উঠে।' এইবাৰ কিন্তু গোৱাই এই কথাটো আগৰ দৰে হাঁহি উৰুৱাই দিব নোৱাৰিলে। গোৱাই পেটে পেটে ভাবিবলৈ বাধ্য হ'ল—ই তো সামান্য মিলন নহয়, ইয়াৰ পৰিপূৰ্ণতাত, ইয়াৰ সংশ্ৰৱত সকলো বস্তুৰে মূল্য বাঢ়ি যায়। ই কল্পনাক দেহ দান কৰে, দেহক প্ৰাণেৰে ওপোচাই দিয়ে। ই প্ৰাণৰ ভিতৰত প্ৰাণক আৰু মনৰ ভিতৰত মনক অকল মাথোঁ দুগুণ হে কৰে, এনে নহয়; ই মানুহৰ মন-প্ৰাণক এটা নতুন বসেৰে তিয়াই পেলায়।

আজি বিনয়ৰ লগত সামাজিক বিচ্ছেদৰ দিনা বিনয়ৰ হিয়াই গোৱাৰ হিয়াত এটা লানি নিছিগা ঐক্যতান সঙ্গীত বজাই দি গ'ল। বিনয় গুচি গ'ল, বেলা বাঢ়ি আহিল, কিন্তু সঙ্গীত কোনোৰকমেই আৰু বন্ধ হব নোখোজে। সাগৰৰ ফালে বৈ যোৱা দুখন নদী একে ঠাইতে মিলিলে যেনে হয়, ঠিক তেনেকৈয়ে বিনয়ৰ ভালপোৱা গোৱাৰ ভালপোৱাৰ লগত মিলি ঢৌৰ ওপৰত ঢৌৰে থৌকি-বাথৌকি লগাবলৈ ধৰিলে। গোৱাই বিটোক কোনো প্ৰকাৰে বাধা দি, বেৰা দি, দুৰ্ব্বল কৰি, নিজৰ অগোচৰত বান্ধিবলৈ চেষ্টা কৰিছিল, সিয়েই দুই পাৰ বুৱাই নিজকে বেচি জাকতজিলিকা আৰু শক্তিশালী কৰি দেখা দিলে। তাক অবৈধ বুলি নিন্দা কৰে, তাক তুচ্ছ বুলি অৱজ্ঞা কৰে, এনে শক্তি আৰু গোৱাৰ আজি নাই।

গোটেই দিনটো এনেকৈয়ে গ'ল। অৱশেষত আবেলি যেতিয়া সন্ধিয়াত মিলি গ'ল, তেতিয়া গোৱাই কান্ধত চেলেং এখন পেলাই লৈ আলি-বাটলৈ ওলাল। গোৱাই মনতে কলে,—'যিটো মোৰ, তাক মই লমেই। নহলে পৃথিৰীত মই অসম্পূৰ্ণ হৈ থাকিম, মই ব্যৰ্থ হম।'

গোটেই পৃথিৰীৰ ভিতৰত সুচৰিতা যে আজি একমাত্ৰ তাৰ আহ্বানৰ কাৰণেই বাট চাই আছে—এই কথা গোৱাৰ মনত অকণো সন্দেহ নাছিল;

আজি এই গধূলি বেলাতেই সেই অপেক্ষাক সি পূৰ্ণ কৰিব।

লোকাৰণ্য কলিকতাৰ আলিবাটেদি গোৰাই বেগেৰে খোজ লয়; একোৱেই যেন কোনো ৰকমে তাক আকৰ্ষণ কৰিব নোৱাৰিলে। তাৰ মনে তাৰ শৰীৰক পিচ পেলাই সোঁ সোঁৱাই আগবাঢ়ি কৰবালৈ ওচি গ'ল।

সুচৰিতাৰ ঘৰ পোৱাৰ লগে লগেই গোৰা যেন হঠাতে চেতনা পাই থমকি ৰ'ল। ইমান দিন আহিছে কেতিয়াও দুৱাৰ বন্ধ দেখা নাই, আজি দেখিলে দুৱাৰ নুকলি নহয়। হেঁচা মাৰি চালে, ভিতৰৰপৰা বন্ধ। খিৰি দি অলপ চিন্তা কৰিলে; তাৰ পিচত দুৱাৰত দুৱাৰমান টুকুৰিয়াই দিলে।

লণ্ডৰা লৰাটো দুৱাৰ মেলি বাহিৰলৈ ওলাল। সি সন্ধিয়াৰ চকা-চমকা পোহৰত গোৰাক দেখিয়েই নোসোধাকৈয়ে কলে,—"বাইদেউ ঘৰত নাই।" "কলৈ গ'ল?" "তেখেতে ললিতা বাইদেউৰ বিয়াৰ যোগাৰ-যন্ত্ৰ কৰি অইন ঠাইত কামত লাগি আছেগৈ।"

মুহূৰ্ত্তৰ কাৰণে গোৰাই বিনয়ৰ বিয়া ঘৰলৈকে যাওঁ বুলি মনতে ঠিক কৰিলে। এনেতে ঘৰৰ ভিতৰৰপৰা এজন অচিনাকি মানুহ ওলাই আহি মাত দিলে, "কি ডাঙৰীয়া, কি লাগে?"

গোৰাই তেওঁৰ মুখৰপৰা ভৰিলৈকে চাই কলে—"নাই, একো নালাগে।"

কৈলাসে কলে,—"আহকচোন, অলপ বহিব, ধঁপাত এহোপাকে মাৰকহি।"

লগৰীয়াৰ অভাৱত কৈলাসৰ একেবাৰে ধাতু যাওঁ যাওঁ অৱস্থা হৈছিল। যেই কোনো এজন মানুহকে ঘৰৰ ভিতৰলৈ টানি নি দুষাৰ কথা পাতিলে পাৰিলে যেন বক্ষা পৰে। দিনৰ দিনটো হাতত হোঁকা লৈ পদুলি ৰখীয়া দি বাটৰ মানুহ চাই সময় কোনো ৰকমে পাৰ কৰে, কিন্তু সন্ধিয়া হলেই ঘৰৰ ভিতৰত অকলে অকলে প্ৰাণৰ ধৰফৰণি উঠে। হৰিমোহিনীৰ লগত যি কথা-বতৰা আছিল সেইবোৰ সকলো একেবাৰেই শেষ হল— হৰিমোহিনীৰ কথা চোৰোৱা শক্তিও অতি কম। সেইদেখি কৈলাস তলৰ মহলাৰ এটা সৰু কোঠালীত খাট এখনত হাতত হোঁকা লৈ বহি লণ্ডৰাটোকে মাতি আনি তাৰ লগতে কথা পাতি সময় কটাইছিল।

গোৰাই কলে,—"নহয় দিয়ক, মই এতিয়া বহিব নোৱাৰিম।"

কৈলাসে পুনৰ অনুৰোধ কৰিবলৈ মুখ মেলোতেই চকুৰ পচৰতে সৰু আলিটো পাৰ হৈ গোৰা গুচি গ'ল।

গোৰাৰ মনত এটা গভীৰ সংস্কাৰ আছিল যে তাৰ বেচি ভাগ ঘটনাই

হাতে হোৱা নাই, নাইবা তাৰ নিজৰ ইচ্ছাৰদ্বাৰাও হৈ উঠা নাই। সি যেন দেশৰ বিধতাৰ কিবা এটা অভিপ্ৰায় সিদ্ধি কৰিবলৈহে জন্ম লৈছে।

সেইদেখিয়েই গোৰাই জীৱনৰ অতি সৰু সৰু ঘটনাবিলাকৰো এটা বিশেষ অৰ্থ বিচাৰি উলিয়াবলৈ যত্ন কৰিছিল। আজি যেতিয়া মনৰ ইমান গভীৰ এটা আকাংক্ষাৰ সোঁতৰ মুখত আহি হঠাৎ সুচৰিতাৰ ঘৰৰ দুৱাৰ বন্ধ হৈ থকা পালে, আৰু দুৱাৰ মেলিলত শুনিলে সুচৰিতা নাই, তেতিয়া সি এইটো এটা কিবা অৰ্থপূৰ্ণ ঘটনা বুলিয়েই ধৰি ললে। যিজনে তাক লাই নিছে তেখেতেই আজি তাক এনেকৈ নিষেধ কৰিছে! এই জীৱনত তাৰ কাৰণে সুচৰিতাৰ দুৱাৰ বন্ধ, সুচৰিতা তাৰ কাৰণে নহয়! গোৰাৰ লিচিনা মানুহে নিজৰ প্ৰবৃত্তিৰ জৰীৰে বান্ধ খালে তো নচলিব, তাৰ নিজৰ দুখ-সুখ নাই! সি হ'ল ভাৰতবৰ্ষৰ বামুণ, ভাৰতৰ হৈ সি দেৱতাৰ পূজা কৰিব লাগিব, ভাৰতৰ কাৰণে তপস্যা কৰাই তাৰ কাম। আসক্তি বা অনুৰাগ তাৰ নহয়। গোৰাই ভাবিলে,—'বিধতাই আসক্তিৰ আচল ৰূপটো তাক কইকটীয়াকৈ দেখুৱাই দিলে, দেখুৱালে সেইটো শুভ্ৰ নহয়, শান্ত নহয়, তাৰ বৰণ ফটিকাৰ দৰে বঙা আৰু ফটিকাৰ দৰেই সি চোকা; সি বুদ্ধিক দিবে থাকিবলৈ নিদিয়ে; সি প্ৰত্যেকটো বস্তুকেই আন এটা ৰূপত দেখুৱায়— মই সন্ন্যাসী, মোৰ সাধনাৰ ভিতৰত তাৰ ঠাই নাই।'

৭০

বহুত দিনৰ দুখৰ পিচত এই কেইদিন আনন্দময়ীৰ ওচৰত সুচৰিতাই যি শান্তি পালে, তেনে শান্তি তাই কেতিয়াও পোৱা নাছিল। আনন্দময়ীয়ে ইমান সহজে তাইক নিজৰ ওচৰলৈ টানি আনিছিল,—তেখেতে যে কেতিয়াবা তাইৰ অচিনাকি আছিল, নাইবা পৰ আছিল, এনে কথা সুচৰিতাই ভাবিবই পোৱা নাছিল। তেখেতে যেন কিবা এক প্ৰকাৰে সুচৰিতাৰ গোটেই মনটো বুজি পাইছিল আৰু মুখেৰে একো নমতাকৈয়ে তেখেতে যেন সুচৰিতাক এটা গভীৰ সান্ত্বনা দিছিল। 'আই', শব্দটো সুচৰিতাই এইদৰে হিয়া উদুৰিয়াই আগেয়ে কেতিয়াও উচ্চাৰণ কৰা নাছিল। কোনো প্ৰয়োজন নথাকিলেও তাই আনন্দময়ীক আই বুলি মাতিবৰ কাৰণেই নানা চেলু উলিয়াই লৈ মাতিছিল। ললিতাৰ বিয়াৰ সকলো কাম যেতিয়া শেষ হল,

তেতিয়া দুখে-ভাগৰে পাটীত পৰি পৰি তাইৰ মনলৈ মাত্ৰ এই কথাটোৱেই বাৰে বাৰে ভুমুকিয়াইছিল যে এতিয়া আনন্দময়ীক এৰি তাইনো কেনেকৈ গুচি যাব! তাই অকলে অকলে মাতিবলৈ ধৰিলে,—'আই, আই, আই!' মাতোঁতে মাতোঁতে শোকত তাইৰ বুকু ওফন্দি উঠিল আৰু লোৰে চকু দুটি পৰিল। এনে সময়তে হঠাৎ দেখিলে আনন্দময়ী তাইৰ আঁঠুৰা দাঙি বিছনাত সোমাল। তাইৰ গাত হাত ফুৰাই কলে,—"মোক মাতিছিলি নে কি ?"

তেতিয়াহে সুচৰিতাৰ চেতনা হল যে তাই আই, আই, বুলি মাতিছিল। সুচৰিতাই একো উত্তৰ দিব নোৱাৰিলে, আনন্দময়ীৰ কোলাতে মুখ গুজি উচুপিবলৈ ধৰিলে। আনন্দময়ীয়ে একো নকৈ লাহে লাহে তাইৰ গাত হাত ফুৰাই দিবলৈ ধৰিলে। সেই ৰাতি তেখেত তাইৰ লগতে শুই থাকিল।

বিনয়ৰ বিয়া শেষ হোৱাৰ লগে লগেই আনন্দময়ীয়ে বিদায় লৈ ঘৰ নোৱাৰিলে। তেখেতে কলে,—"ইহঁত দুয়োটাই একোকে নেজানে। ইহঁতৰ সংসাৰখন অলপ ঠিক্-ঠাক কৰি নিদিয়াকৈ মইনো যাওঁ কেনেকৈ?"

সুচৰিতাই কলে,—"আই, তেনেহলে এই কেইদিন ময়ো তোমাৰ লগতে থাকোঁ।"

ললিতাই আগ্ৰহেৰে কলে,—"হয় আই, সুচি বাইদেউ আমাৰ লগতে কেইদিনমান থাকক।'

কথাটো শুনিয়েই সতীশ লৰি আহি সুচৰিতাৰ ডিঙিত ধৰি জপিয়াই জপিয়াই কলে,—"অ বাইদেউ, ময়ো তোমাৰ লগতে থাকিম।"

সুচৰিতাই কলে,—"তোৰ যে পঢ়া শুনা আছে, বক্তিয়াৰ।"

সতীশে কলে,—"বিনয় ককাইদেৰে মোক পঢ়ুৱাব।"

সুচৰিতাই কলে,—"চেটাৰ্জ্জীদেৰে এতিয়া আৰু তোৰ মাষ্টৰি কৰিব নোৱাৰে।"

বিনয়ে ওচৰৰ কোঠাটোৰপৰা কলে,—"খুব পাৰিম। এদিনতে লো কেনেকৈ অকামিলা হৈ পৰিলোঁ। মই বুজিব পৰা নাই। কত ৰাতি টোপনি খতি কৰি যিকণ লিখা-পঢ়া শিকিছিলোঁ। সকলো একে ৰাতিতে পাহৰি শেষ কৰিলোঁ, এনে তো মনে নধৰে।"

আনন্দময়ীয়ে সুচৰিতাক সুধিলে,—"তোমাৰ মাহীয়েৰা ৰাজী হবনে?"

সুচৰিতাই কলে,—"মই তেওঁলৈ এখন চিঠি লিখোঁ।"

আনন্দময়ীয়ে কলে,—"তই নেলেখিবি ময়ে লিখিম।"

আনন্দময়ীয়ে জানে যে সুচৰিতাই নিজে আগবাঢ়ি থাকিব খুজিলে

হৰিমোহিনীয়ে বোহ পাতিব। কিন্তু তেওঁ যদি লিখি পঠায়, তেনেহলে কৰিলেও তেওঁৰ ওপৰত হে কৰিব—আৰু তাত একো ক্ষতি নাই।

আনন্দময়ীয়ে চিঠিত জনালে যে ললিতাৰ নতুন সংসাৰখনৰ অলপ লিখিত লগাই দিবলৈ তেখেত কেইদিনমান বিনয়ৰ ঘৰতে থাকিব লাগিব। চিঠিতাও যদি এই কেইদিন তেওঁৰ লগতে থাকিবলৈ অনুমতি পাই, তেনেহলে তেওঁৰ বৰ সহায় হব।

আনন্দময়ীৰ চিঠি পাই হৰিমোহিনীৰ খং উঠাৰ উপৰিও মনত এটা টান সন্দেহ উপজিল। তেওঁ ভাবিলে পুতেকক তেওঁ ঘৰলৈ আহিবলৈ টান দিলে দেখিয়েই এইবাৰ সুচৰিতাক ফান্দত পেলাবলৈ মাকে জাল পাতিছে। তেওঁ ভালকৈ বুজি পালে যে এই কথাত মাক পুতেকৰ পূৰা যোগ আছে। আনন্দময়ীৰ কথা-বতৰা তেওঁ যে পোন-প্ৰথমেই ভাল পোৱা নাছিল—এই কথাও তেওঁৰ মনত পৰিল।

আৰু অলপো পলম নকৰাকৈ যিমান সোনকালে সম্ভৱ সুচৰিতাক তেওঁৰ বিখ্যাত ৰায় বংশৰ ভিতৰলৈ আনি নিৰাপদ কৰিব পাৰিলেই তেওঁ সুস্থিৰ হৈ পৰে। কৈলাসকে বা কিমান দিন এনেকৈ বহুৱাই ৰাখিব। সি দুসপ্তাহ দিনে-ৰাতিয়ে ধঁপাত হুপি হুপি ঘৰৰ বেৰ-চাল ক'লা কৰিবলগীয়া হৈছিল।

চিঠিখন পোৱাৰ পিচদিনা পুৱাতেই হৰিমোহিনীয়ে পাল্কীত উঠি সহেৰা লগত লৈ একেবাৰে স্বয়ং বিনয়ৰ ঘৰ ওলালহি। তেতিয়া তলৰ মহলাত সুচৰিতা, ললিতা আৰু আনন্দময়ী বন্ধা-বঢ়াৰ যোগাৰত লাগি আছিল। ওপৰ মহালত বানান কৰি কৰি ইংৰাজী শব্দ আৰু তাৰ বঙালী প্ৰতি শব্দ মুখস্থ কৰাৰ চেলু লৈ সতীশে ডিঙিৰ শব্দত গোটেই চুবুৰিটোকেই জনুজনাই দিছিল। ঘৰত তাৰ মাতৰ জোৰ বুজা নেযায়—কিন্তু ইয়াত তাৰ পঢ়া-শুনা অকণো আওহেলা কৰা নাই তাকে নিসন্দেহে প্ৰমাণ কৰিলৈ সি আজি টেটু ফালি চিঞৰিছে।

হৰিমোহিনীক আনন্দময়ীয়ে বৰ আদৰ-সাদৰ কৰি বহুৱালে। তেওঁ আদৰোৰ আদৰ-সাদৰলৈ মন কাণ নিদি একে কোবেই কলে,—"মই বাধা-বাধকীক নিলৈ আহিছোঁ।"

আনন্দময়ীয়ে কলে,—"বৰ ভাল কথা, লৈ যাবা, পিচে অলপ বহাঁ।"

হৰিমোহিনীয়ে কলে,—"নাই, মোৰ পূজা, নামলোৱা সকলো বাকী আছে, মোৰ সন্ধ্যা-পূজাভাগো হোৱা নাই, মই এতিয়া বহিব নোৱাৰোঁ।"

সুচবিতাই একো নেমাতি আলুৱ বাকলি গুচুৱাতে লাগি আছিল। হৰিমোহিনীয়ে তাইকে মাত দি কলে,—"শুনিছা, বহুতো বেলি হ'ল।"

ললিতা আৰু আনন্দময়ী মনে মনে বহি থাকিল। সুচবিতাই হাতৰ কাম পেলাই থৈ থিয় দিলে, আৰু কলে,—"মাহী, আহাঁ।"

হৰিমোহিনী পাল্‌কীৰ ফাললৈ যাবলৈ ওলাওঁতেই সুচবিতাই তেওঁৰ হাতত ধৰি কলে,—"আহাঁ, এবাৰ ভিতৰলৈ আহাচোন।"

কোঠাৰ ভিতৰলৈ নি সুচবিতাই টান মাতেৰে কলে,—"তুমি যেতিয়া মোক নিবলৈ আহিছা, ইমান মানুহৰ আগত তোমাক এনেয়ে ওভোতাই নপঠাওঁ, মই তোমাৰ লগতে যাম, কিন্তু আজি দুপৰীয়াই আকৌ ইয়ালৈ উভতি আহিম।"

হৰিমোহিনীয়ে বিৰক্ত হৈ কলে,—"ই আকৌ কেনে কথা! তাতকৈ নোকোৱা কেলেই যে সদায় ইয়াতে থাকিবা।"

সুচবিতাই কলে,—"চিৰকাল তো থাকিবলৈ নেপাওঁ। সেইদেখি কেইদিন তেখেতৰ ওচৰত থাকিব পাৰোঁ, সেই কেইদিন তেখেতক নেৰোঁ।"

কথা শুনি হৰিমোহিনীৰ গা জ্বলি গ'ল, কিন্তু ইয়াতে কিবা কোৱা উচিত হব যেন নেপালে।

সুচবিতাই হাঁহিমুখে আনন্দময়ীৰ ওচৰলৈ আহি কলে,—"আই, মই তেনেহলে এবাৰ ঘৰৰপৰা আহোঁগৈ।"

আনন্দময়ীয়ে একো নুসুধি কলে,—"যোৱা আই।"

সুচবিতাই ললিতাক ফুচ্‌ফুচাই কলে,—"আজি দুপৰীয়াকৈ মই আহিম।"

পাল্‌কীৰ ওচৰত থিয় হৈ সুচবিতাই কলে,—"সতীশ!"

হৰিমোহিনীয়ে কলে,—"সতীশ থাককচোন।"

সতীশ ঘৰলৈ গলে এটা বাধাহে হব পাৰে—এই বুলি ভাবি সতীশ আঁতৰত থকাটোহে এটা সুযোগ বুলি তেওঁ বিবেচনা কৰিলে।

দুৱোজনী পাল্‌কীত উঠাৰ পিচত হৰিমোহিনীয়ে কথাটো উলিওৱাৰ এটা চেষ্টা কৰি কলে,—"ললিতাৰ বিয়া হৈ গ'ল। ঘৰ ভাল হ'ল, অতত এজনী ছোৱালীৰ বিষয়ে ভট্ট ডাঙৰীয়া নিশ্চিন্ত হ'ল।"

ইয়াকে কৈ ঘৰত আৰিয়ৈ ছোৱালী থকা যে কিমান ডাঙৰ বোজা, অভিভাৱকসকলৰ নিমিত্তে যে কিমান দুশ্চিন্তাৰ কাৰণ, এইবোৰ সুচবিতাক বুজালে। "কিনো কম তোক, মোৰ আৰু অইন চিন্তা নাই। ভগৱানৰ নাম লওঁতেও সেই একেটা চিন্তায়েই মোক জুমুৰি দি ধৰে। সদায়ে কেনেবা

লাই সেৰাত মই আগৰ দৰে মন দিব নোৱাৰা হৈছোঁ। মই কওঁ, দীবল্লভ, সকলো কাঢ়ি কুঢ়ি নি শেষত এইটো আকৌ কি নতুন ফান্দত ক পেলালা।"

হৰিমোহিনীৰ এইটো যে অকল দুশ্চিন্তাৰ কাৰণহে হৈছে এনে নহয়, তেওঁৰ মুক্তিৰ বাটতো বিঘিনি হৈ থিয় দিছে। কিন্তু ইমান ডাঙৰ দৰ কথা শুনিও সুচবিতা দেখোন মনে মনে থাকিল! তাইৰ আচল ভাবটো নো কি হৰিমোহিনীয়ে একো ধৰিব নোৱাৰিলে। মনে একাঁকি কথা আছে, নিজৰ সুবিধাৰ কাৰণে এই ক্ষেত্ৰতো সেয়ে হৈছে হৰিমোহিনীয়ে ধৰি ললে। সুচবিতাৰ মন অলপ কুমলিছে বুলি ওঁৰ অনুমান হ'ল।

সুচবিতাৰ নিচিনা ছোৱালীৰ পক্ষে হিন্দু-সমাজত সোমাৰ পৰাৰ দৰে ইমান ডাঙৰ কাম এটাও হৰিমোহিনীয়ে যে উজু কৰি আনিছে—তাৰো আভাস দিলে। এনে এটা সুযোগ আহি আজি দুৱাৰডলি পাইছেহি যে ৰ কুলীন ব্ৰাহ্মণৰ ঘৰৰ নিমন্ত্ৰণতো একে শাৰীতে বহিলে কাৰো াৰ মাত মাতিৰৰ সাহ নহব।

পাতনি ইমান আগ বাঢ়োতেই পাল্‌কী আহি ঘৰৰ পদুলি পালেহি। ী দুৱাৰ মুখত নামি ওপৰ মহলালৈ যাওঁতেই দুৱাৰৰ কাষৰ কোঠাটোতে ন অচিনাকি মানুহে বেহেৱাৰ হতুৱাই খুব জোৰে জোৰে হাতৰ তলুৱাৰ ক কৰি তেল মালিচ কৰাই থকা দেখা পালে। তাইক দেখি কোনো োচ নকৰি মানুহজনে কৌতুহলেৰে তাইৰ ফালে ভালকৈ চালে। ওপৰলৈ গৈ হৰিমোহিনীয়ে দেওৰেক অহাৰ খবৰ সুচবিতাক জনালে। াৰ আগৰ পাতনিৰ লগত মিলাই লৈ সুচবিতাই এই ঘটনাৰ অৰ্থ তৎক্ষণাৎ ললে। হৰিমোহিনীয়ে তাইক বুজাবলৈ যত্ন কৰিলে,—'ঘৰলৈ আনহী াছে, আলহীক এনেকৈ এৰি থৈ আজি দুপৰীয়াতে গুচি যোৱা তাইৰ ণে ভদ্ৰ ব্যৱহাৰ নহব।'

সুচবিতাই জোৰেৰে ডিঙি জোকাৰি কলে,—"নহয় মাহী, মই যাবই াগিব।"

হৰিমোহিনীয়ে কলে,—"বাৰু ভাল কথা, আজি থাকি কাইলৈ যাবা।"

সুচবিতাই কলে,—"মই এতিয়াই গা ধুই উঠি দেউতাইঁতৰ ঘৰত ভাত খলৈ যাম আৰু তাৰপৰাই বাহিৰে বাহিৰে ললিতাৰ ঘৰলৈ যামগৈ।"

তেতিয়া হৰিমোহিনীয়ে খোলা-খুলিকৈয়ে কলে,—"তোমাক চাবলৈকে াহিছে যে।"

সুচৰিতাৰ মুখ ৰঙা পৰি গ'ল, কলে,—"মোক চাই কি লাভ।"

হৰিমোহিনীয়ে কলে,—"কথাটো শুনাচোন এবাৰ। আজি-কালি নোচোৱা-নিচিন্তাকৈ এইবোৰ কাম হবৰ উপায় আছে জানো ? সেইবোৰ আগৰ কালত নচলিছিল। তোমাৰ মহাদেৱেৰাই মোক শুভদৃষ্টিৰ আগতে দেখাই নাছিলে।"

এই বুলি কৈ এই স্পষ্ট ইঙ্গিতৰ উপৰিও আৰু কিছুমান কথা যোগ দিলে। বিয়াৰ আগতে ছোৱালী চাবৰ সময়ত তেওঁৰ বাপেকৰ ঘৰৰ সুবিখ্যাত ৰায় বংশৰ ঘৰৰপৰা অনাথবন্ধু নামৰ পুৰণা কৰ্ম্মচাৰী এজন আৰু ঠাকুৰদাসী নামৰ বুঢ়ী পৰিচাৰিকা এজনী দুটা পাণ্ডুৰি মৰা লাহিৰিয়ান দাৱোৱান লগত লৈ কেনেকৈ ছোৱালী চাবলৈ আহিছিল আৰু সেইদিনা তেওঁৰ অভিভাৱকসকলৰ মন কিমান উদ্‌বিগ্ন হৈ পৰিছিল আৰু ৰায় বংশৰ পালি-পহৰীয়াবোৰক খুৱাই-বুৱাই আদৰ-সাদৰ কৰি সন্তোষ কৰিবলৈ সেইদিনা তেওঁলোকৰ ঘৰত কিমান উলহ-মালহ লাগিছিল, সেইবোৰ বৰ্ণাই দীঘল হুমুনিয়াহ কাঢ়ি কলে,—"এতিয়া দিন-কাল সকলো বদলি গ'ল।"

হৰিমোহিনীয়ে কলে,—"উৎপাত কৰাৰ কোনো কথা নাই, কেৱল পাঁচ মিনিটৰ কাৰণে চাই যাব।"

সুচৰিতাই কলে,—"নেলাগে।"

এই 'নেলাগে'টো ইমান দৃঢ় আৰু স্পষ্ট যে হৰিমোহিনী অলপ ধমকিব লগীয়া হল। তেওঁ কলে,—"ভাল বাৰু, নেলাগে, চোৰাৰ বাৰু কোনো দৰকাৰ নাই। কিন্তু কৈলাস আজি কালিৰ লৰা, লিখা-পঢ়া শিকিছে, তোমালোকৰ দৰেই একোকে নেমানে। সি কৈছিল,—'ছোৱালী নিজে চকুৰে চাম।' আৰু তোমালোকেতো সকলোৱে আগত ওলোৱা-সোলোৱা কৰাই, সেইদেখি কৈছিলো, 'চাবা, সেইটোনো কি কথা, এদিন দেখুৱাই দিম। পিচে, তোমাৰ লাজ লাগে যদি নেচালেও হব।"

ইয়াকে কৈ কৈলাসৰ কিমান আচৰিত বিদ্যা-বুদ্ধি—সি তাৰ ঘৰৰ একে আঁচোৱতে সিহঁতৰ গাঁৱৰ পোষ্ট মাষ্টৰক কেনেকৈ জোলোকা জোলোকে পানী খুৱাইছিল, ওচৰৰ চাৰিও ফালৰ গাঁওবিলাকৰ মানুহে শামলা-মোকৰ্দ্দমা কৰিব লগা হলে কৈলাসৰ পৰামৰ্শ নোলোৱাকৈ কেনেকৈ সিহঁতৰ কামে এখোজো আগবাঢ়িবৰ উপায় নাই, এইবোৰ সকলো ভাঙি-পাতি কলে। ঘৈণীয়েক মৰাৰ পিছৰ স্বভাৱ-চৰিত্ৰৰ কথা বেচিকৈ কোৱা বাহুল্যহে মাত্ৰ। মিতিৰ-কুটুমবোৰে ধৈৰ্য্য সি তো কোনোমতেই বিয়া কৰাব নোখোজে ; মাৰি ধৰাতহে গুৰুজনৰ আদেশ পালন কৰিবলৈ মন মেলিছে।

মান প্ৰস্তাৱত সম্মতি কৰাবলৈকো হৰিমোহিনীয়ে জানো কম কষ্ট বিলগীয়া হৈছে। সি তো কাণসাৰ নকৰেই। সিহঁতৰ বংশ বৰ ৰৰ। সমাজত সিহঁতৰ যিমান ডাঙৰ মান।

এই মান খৰ্ব্ব কৰিবলৈ সুচৰিতা কোনোপধ্যেই মাস্তি নহল। একো-ই নহল। নিজৰ গৌৰৱ আৰু স্বাৰ্থৰ প্ৰতিও চকু ফুৰাই তাই নেচালে। লে কি হিন্দু সমাজত তাই ঠাই নেপাই যদিও তাইৰ যেন লেশমানো ই নাই—এনেখনহে দেখুৱালে। বহু চেষ্টাৰ পিচত হে কৈলাসৰ মত ৰা গৈছে আৰু এইটো যে সুচৰিতাৰ কাৰণে কম সন্মানৰ কথা নহয়-- ই কথাটোও গাৰীজনীৰ মূৰত কোনোমতেই সুমুৱাবপৰা নগল ; উলটি ই হে এইটো এটা অপমানৰ কথা বুলি ধৰি ললে। আজি-কালিৰ ৰালীবোৰৰ এনেবোৰ কথাত হৰিমোহিনী একেবাৰেই হতবুদ্ধি হৈ ৰিল।

তেতিয়া তেওঁ খঙতে বাৰে বাৰে গোৰাক ইঙ্গিত কৰি তাইক টেঙা লাবলৈ ধৰিলে। গোৰাই নিজক যিমানেই হিন্দু বুলি ওফাইদাং মাৰক মাৰক সমাজত তাৰ ঠাই কোনখিনিত! তাক কোনে মানে! সি যদি লাতত পৰি টকা থকা বামুণনী ছোৱালী বিয়া কৰায়, সি সমাজৰ শাসনৰ ঁা কিহৰ বলত মুক্তি পাব! তেতিয়া তো দহৰ মুখ মাৰিবলৈ সেই কাটাইসোপা টকাকে ঢালি দিব লাগিব। ইত্যাদি।

সুচৰিতাই কলে,—"মাহী, এইবিলাক কথা তুমি কিয় কৈছা। তুমি ানাই এইবিলাক কথাৰ গুৰিত একো নাই।"

হৰিমোহিনীয়ে তেতিয়া কলে তেওঁৰ যি বয়স হৈছে, সেই বয়সত কথাৰে তেওঁক ভুল বুজাব এনে সাধ্য কাৰো নাই। তেওঁ চকু-কাণ মেলি াছে। সকলো দেখে, শুনে, আৰু বুজেও, কেৱল নিৰোকা চানোন হৈ হিছে থাকে।

গোৰাই যে মাকৰ লগত লগ লাগি ফন্দি কৰি সুচৰিতাক বিয়া কৰিবলৈ ষ্টা কৰিছে, সেই বিয়াৰ উদ্দেশ্যও যে বৰ ভাল নহয়, আৰু ৰায় বংশৰ সহায় লৈ তেওঁ যদি সুচৰিতাক ৰক্ষা কৰিব নোৱাৰে তেনেহলে সময়ত যে লয়ে ঘটিবগৈ—সেই বিষয়ে যে কোনো সন্দেহৰ কাৰণ নাই—এই কথাও হৰিমোহিনীয়ে বহলাই ক'লে।

শান্ত স্বভাৱৰ মুখত মাত নোহোৱা সুচৰিতাৰ পক্ষেও এইবোৰ একেবাৰে অসহ্য হৈ উঠিল। কলে,—"তুমি যিসকলৰ কথা কৈছা মই সেইসকলক ভক্তি কৰোঁ। সেইসকলৰ লগত মোৰ যি সম্বন্ধ সেইটো তুমি কোনো

বকমেই পোনপটীয়াকৈ নুবুজা যেতিয়া মোৰ আৰু একো উপায় নাই—ই এতিয়াই ওলালোঁ ; তোমাৰ মন অলপ জুৰালেহে তোমাৰ লগত আহি থাকিব পাৰিম আৰু তেতিয়াহে মই উভতিম।”

হৰিমোহিনীয়ে কলে,—“গৌৰমোহনলৈ যদি তোমাৰ মন নাই, যদি তাৰ লগত তোমাৰ বিয়া নহয়েই, তেনেহলেনো এইটো লৰাই কি দোষ কৰিলে। তুমি তো আৰু আৰিয়ৈ হৈ নেথাকা।”

সুচৰিতাই কলে,—“কিয় নেথাকিম। বিয়া মই নোসোমাওঁ।”

হৰিমোহিনীয়ে চকু কেইটা ডাঙৰ কৈ মেলি কলে,—“বুঢ়া বয়সলৈকে এনেকৈয়ে—”

সুচৰিতাই কলে,—“এৱা, নমৰালৈকে।”

৭১

গোৰাই যিটো আঘাত পালে তাতে তাৰ মনৰ এটা সলনি হল। সুচৰিতাই যে গোৰাৰ মন টানিছে—তাৰ কাৰণ সি ভাবি চালে—সিহঁতৰ লগত তাৰ মিলা-প্ৰীতি হৈছে, নিজে গম নোপোৱাকৈয়ে সি সিহঁতৰ লগত সাঙোৰ খাই পৰিছে। য'ত নিষেধৰ সীমাৰেখা টনা আছিল, সেই সীমা ফুটনি মাৰি গোৰাই ডেই গৈছে। এইটো আমাৰ দেশৰ প্ৰথা নহয়। প্ৰত্যেকেই নিজৰ সীমা মানি নচলিলে, সি জানিয়েই হওক বা নজনাকৈয়ে হওক নিজৰেই যে কেৱল অনিষ্ট কৰে এনে নহয়, আনৰ উপকাৰ কৰাৰ আচল শক্তিও তাৰ নাইকিয়া হয়। অতি বেচি সনা-পোটোকাৰ ফালৰ হৃদয়ৰ নানা বকম বৃত্তিবিলাক বলী হৈ উঠি জ্ঞান, শক্তি, নিষ্ঠাক যোৰা কৰি পেলায়।

কেৱল ব্ৰাহ্ম ঘৰৰ ছোৱালীৰ লগত মিলিবলৈ গৈয়েই যে গোৰাই এই তত্ত্ব বাহিৰ কৰিলে এনে নহয়। গোৰাই সাধাৰণ মানুহৰ লগত মিলিবলৈ যাওঁতেও চাকনৈয়াত পৰি নিজকে নিজে হেৰুৱাৰৰ উপক্ৰম কৰিছিল। কিয়নো খোজে খোজে তাৰ দয়া উপজিছিল, আৰু এই দয়াৰ হেতুকৈ সি অনবৰত ভাবিছিল—এইটো বেয়া, এইটো অন্যায়, এইটো আঁতৰোৱা পেলাৰ লাগে। কিন্তু এই দয়ায়েই জানো ভাল-বেয়াৰ সুবিচাৰ কৰা ক্ষমতা কুণ্ঠিত কৰি নিদিয়ে? দয়াত মন যিমানেই গলি যায় নিৰ্ব্বিকাৰ ভাবে

তাক চাৰ পৰা শক্তিও আমাৰ সিমানেই টুটি যায়—ককণাৰ জুইৰ ধোঁৱাই একেবাৰেই কেঁহেৰাজ কৰণীয়া বস্তুবো বোল সলনি কৰি পেলায়।

গোৰাই ভাবিলে সেই দেখিয়েই যাৰ ওপৰত বাইজৰ হিত সাধনৰ ভাৰ তেওঁলোক নিলিপ্ত হৈ থকাৰ বিধি আমাৰ দেশত চলি আহিছে। প্ৰজাৰ লগত অতি ঘনিষ্ঠভাৱে মিলিলেহে ৰজাৰ প্ৰজা-পালন সম্ভৱ হয়, এই কথা সম্পূৰ্ণ অমূলক। প্ৰজাৰ বিষয়ে ৰজাৰ যি জ্ঞানৰ দৰকাৰ, ৰৰকৈ মিলিজুলি থাকিলে সেই জ্ঞান কলুষিত হে হয়। এই কাৰণেই প্ৰজাবিলাকে নিজেই সিহঁতৰ ৰজাক দূৰত্বৰ বেৰাৰে বেৰি থৈছে। ৰজা সিহঁতৰ লগৰীয়া হলৈ গলেই ৰজাৰ প্ৰয়োজন নোহোৱা হয়। ব্ৰাহ্মণেই বাইজৰ মঙ্গল সাধিব লাগিব—সেই দেখিয়েই বাইজৰ সংসৰ্গৰপৰা বামুণ আঁতৰত থাকে।

গোৰাই নিজে নিজেই ভাবিলে, ‘মই ভাৰতবৰ্ষৰ সেই ব্ৰাহ্মণ। দহৰ লগত সাঙোৰ খাই ব্যৱসায়ৰ বোকাত লেটি লৈ, ধনৰ লোভত লুভীয়া হৈ, বি বামুণে শূদ্ৰত্বৰ পঘাৰে নিজৰ ডিঙিত ফাঁচ লগাই মৰিছে, গোৰাই সিহঁতক স্বদেশৰ জীৱন্ত পদাৰ্থৰ ভিতৰৰ বুলি গণ্য নকৰিলে। সেইবোৰ বামুণক শূদ্ৰতকৈয়ো অধম বুলি বিবেচনা কৰিলে। কাৰণ শূদ্ৰই নিজৰ শূদ্ৰত্বৰ বলতেই জীয়াই আছে, কিন্তু ইহঁত ব্ৰাহ্মণত্বৰ অভাৱত মৃত আৰু সেইদেখি ইহঁত অপৰিত্ৰ। ভাৰতবৰ্ষই আজি ইহঁতৰ কাৰণেই দীনভাৱে অশৌচ পালিছে।’

গোৰাই নিজৰ অন্তৰত সেই ব্ৰাহ্মণৰ সঞ্জীৱনী মন্ত্ৰ সাধন কৰিব বুলি মনতে ঠিক কৰি ললে। মনতে কলে ‘মই পুৱাপুৰি শুচি হব লাগিব। মই আন সকলোৰে লগত একে ঠাইতে থিয় হৈ থকা নাই। বন্ধুত্ব মোৰ কাৰণে প্ৰয়োজনীয় বস্তু নহয়, নাৰীৰ সঙ্গ বিবিলাকৰ কাৰণে অতি সোৱাদ, মই সেই সামান্য শ্ৰেণীৰ মানুহ নহওঁ; আৰু দেশৰ ইতৰ লোকৰ লগত সমানে উঠা-বহা মোৰ কাৰণে একেবাৰেই বৰ্জ্জনীয়। পৃথিৱীয়ে সৌ দূৰ আকাশৰ ফালে চাই ৰৰষুণৰ কাৰণে বৈ আছে; ব্ৰাহ্মণৰ ফালেও ইহঁতে তেনেকৈয়ে চাই আছে—মই ওচৰ চাপি গলে ইহঁতক কোনে জীয়াই ৰাখিব।’

ইয়াৰ আগেয়ে দেৱ পূজাত গোৰাই কোনো দিনেই মন দিয়া নাই। সেতিয়াৰপৰা তাৰ হিয়া উগুল-থুগুল হৈ পৰিল, একোতেই নিজক বান্ধি ৰাখিব পৰা নাই, কাম-কাজ বিঙা বিঙা লাগিছে আৰু জীৱনটো যেন কান্দি-কাটি আধাডোখৰ হৈ পৰিছে, তেতিয়াৰেপৰা গোৰাই পূজাত মন বহুৱাবলৈ যত্ন কৰিছে। গোঁসাইৰ সমুখত থিৰেৰে বহি সেই মূৰ্ত্তিতে নিজৰ মন

একেবাৰেই নিৰিষ্ট কৰি দিবলৈ চেষ্টা কৰে; কিন্তু কোনো ৰকমেই নিজৰ ভক্তি জীৱন্ত কৰি তুলিব নোৱাৰে। দেৱতাক সি বুদ্ধিৰদ্বাৰা ব্যাখ্যা কৰে, দেৱতাক ৰূপক কৰি নোলোৱাকৈ কোনোমতেই গ্ৰহণ কৰিব নোৱাৰে। কিন্তু ৰূপকক হিয়াৰ ভক্তি দিব নোৱাৰি। আধ্যাত্মিক ব্যাখ্যাক পূজা কৰিব নোৱাৰি। তাতকৈ বৰং গোঁসাই ঘৰত বহি পূজাৰ চেষ্টা নকৰি ঘৰত বহি নিজৰ মনতে নাইবা কাৰোবাৰ লগত তৰ্ক জুৰি দি যেতিয়া তাৰ সোঁতত মন আৰু ভাষা উটুৱাই দিয়া হয় তেতিয়াহে তাৰ মনত এটা আনন্দ আৰু ভক্তি জ্ঞানৰ সঞ্চাৰ হয়। তথাপি গোৱাই নেৰিলে, নিতৌ নিয়মমতে সি পূজাত বহিবলৈ ধৰিলে—এইটো সি এটা নিয়ম বুলিয়েই ধৰি ললে। মনক সি এই বুলি বুজালে, ভাৰৰ সূত্ৰৰদ্বাৰা মানুহৰ মানুহৰ লগত মিলিৰ শক্তি নাইকিয়া হয়। তেতিয়া নিয়মৰ সূত্ৰয়েই এই মিলন ঘটায়। গাঁৱলৈ গলেই গাঁৱৰ নাম ঘৰত গোৱাই মনে মনে গভীৰ ধ্যান কৰি কয়, 'এয়েই মোৰ আচল ঠাই; এফালে দেৱতা, এফালে ভক্ত, মাজতে ব্ৰাহ্মণে সাঁকোৰ দৰে দুয়োৰো মাজত যোগৰক্ষা কৰি আছে।' ক্ৰমে গোৱাৰ ধাৰণা হ'ল—ব্ৰাহ্মণৰ কাৰণে ভক্তিৰ প্ৰয়োজন নাই। ভক্তি সাধাৰণ মানুহৰহে বস্তু। এই ভক্ত আৰু ভক্তিৰ মাজত যিখন সাঁকো আছে সি জ্ঞানৰ সাঁকো। এই সাঁকোৰে যেনেকৈ দুয়োপক্ষৰ মাজত যোগৰক্ষা কৰে তেনেকৈ দুয়োপক্ষৰ সীমাও ৰক্ষা কৰে। ভক্ত আৰু দেৱতাৰ মাজত বিশুদ্ধ জ্ঞানৰ ব্যৱধান নেথাকিলে সকলো বিকৃত হৈ যায়। সেই দেখিয়েই ভক্তিত বিহ্বল হোৱা-টোও ব্ৰাহ্মণৰ উচিত নহয়, বামুণে জ্ঞানৰ মুখচত বহি এই ভক্তিৰ ৰস সৰ্ব্বসাধাৰণৰ ভোগৰ অৰ্থে বিশুদ্ধ কৰি ৰাখিবৰ কাৰণে তপস্যা কৰি থাকিব। সংসাৰত বামুণে যেনেকৈ আৰাম ভোগ কৰিব নোৱাৰে দেৱতাৰ পূজাতো বামুণে তেনেকৈ ভক্তি ভোগ কৰিব নোৱাৰে। এয়েই ব্ৰাহ্মণৰ গৌৰৱ। ব্ৰাহ্মণৰ কাৰণে এই সংসাৰত নিয়ম, সংযম আৰু ধৰ্ম্ম সাধনাই ব্ৰাহ্মণৰ জ্ঞান।

গোৱাৰ অন্তৰখনেই গোৱাক হাৰ মনাইছিল; আৰু সেই অপৰাধতে গোৱাই আজি তাৰ অন্তৰক নিৰ্ব্বাসন দণ্ডৰ বিধান দিলে। কিন্তু নিৰ্ব্বাসনলৈ তাক লৈ যায় কোনে?—সেই সেনা ক'ত আছে?

গঙ্গাৰ পাৰৰ বাগিচাত পৰাচিত-সভাৰ আয়োজন হবলৈ ধৰিলে। অবিনাশৰ মনত দুখ যে কলিকতাৰ বাহিৰত হে এই সভা পতা হৈছে, সেয়াত মানুহৰ চকু সিমান নপৰিব। অবিনাশে জানে গোৱাৰ নিজৰ কাৰণে পৰাচিতৰ কোনো দৰকাৰ নাই, দৰকাৰ হ'ল বাইজৰ কাৰণে। 'মৰেল এফেক্ট' আৰু সেই কাৰণেই মানুহৰ হেঁচা-ঠেলাৰ মাজত হে এনে সকামৰ দৰকাৰ।

কিন্তু গোৱা ৰাজী নহল। সি যিমান ডাঙৰ হোম পাতি বেদমন্ত্ৰ পঢ়ি ধুমধামেৰে এই সবাহ কৰিবলৈ বিচাৰে কলিকতা চহৰত তেনে সকাম শোভা নেপায়। ইয়াৰ কাৰণে তপোবনৰ দৰকাৰ। স্বাধ্যায় মুখৰিত, হোমাগ্নিৰে উজ্জ্বল গঙ্গাৰ নিজান পাৰত, যি প্ৰাচীন ভাৰতবৰ্ষ জগতৰ গুৰু, তেওঁকেই গোৱাই আৰাহন জনাব আৰু গা-পা ধুই নিকা হৈ তেওঁৰ পাই নতুন জীৱনৰ দীক্ষা গ্ৰহণ কৰিব। গোৱা 'মৰেল এফেক্ট'ৰ কাৰণে ব্যস্ত নহয়।

অন্য উপায় নেপাই অবিনাশে তেতিয়া বাতৰি-কাকতৰ আশ্ৰয় ললে। গোৱাক নজনোৱাকৈয়ে এই পৰাচিতৰ সংবাদ সি বাতৰি-কাকতৰ যোগেদি ছপাই কৰি দিলে। সেয়ে নহয়, সম্পাদকীয় স্তম্ভত ডাঙৰ প্ৰবন্ধ লিখিলে; তাত এই কথাকে বিশেষকৈ জনালে যে গোৱাৰ দৰে তেজস্বী পবিত্ৰ ব্ৰাহ্মণক কোনো দোষেই ছুব নোৱাৰে; তথাপিও তেখেতে আজি পতিত ভাৰতবৰ্ষৰ সকলো পাপ নিজৰ কান্ধত তুলি লৈ দেশৰ হৈ পৰাচিত হবলৈ গুজাইছে। সি লিখিলে,—'আমাৰ দেশে আজি নিজৰ দোষণীয় কামৰ কাৰণেই বিদেশীৰ বন্দীশালত যেনেকৈ কষ্ট পাইছে, গোৱায়ো তেনেকৈয়ে নিজৰ জীৱনতে বন্দীশালৰ দুখ মানি লৈছে। যেনেকৈ দেশৰ দুখ তেখেতে নিজে বৈ লৈ ফুৰিছে, তেনেকৈয়ে দেশৰ অনাচাৰৰ পৰাচিতো তেখেতে নিজেই কৰিবলৈ তৈয়াৰ হৈছে, সেইদেখি দেশীয় ভাইসকল, ভাৰতৰ পঞ্চবিংশতি কোটি দুখীয়া সন্তান, তোমালোকে....ইত্যাদি ইত্যাদি।'

গোৱাই এই সকলোবোৰ পঢ়ি ৰৰ বিৰক্ত আৰু অস্থিৰ হৈ পৰিল। কিন্তু অবিনাশক বলে পৰাৰ উপায় নাই। গোৱাই তাক গালি পাৰিলেও গাত নেলাগে, ৰৰং সন্তোষহে পায়। 'মোৰ গুৰুৰে অতি ওখ ভাৰ ৰাজ্যত হে বিহাৰ কৰে, সংসাৰৰ কথা একোকে নুবুজে। তেখেতে বৈকুণ্ঠবাসী

নাৱদৰ দৱে ৰীণা বজাই বিষ্ণুক গলাই গঙ্গাৰ সৃষ্টি কৰিছে, কিন্তু সেই গঙ্গাক মৰ্ত্তলৈ বোৱাই আনি সগৰ সন্তানৰ ভস্মৰাশি জীয়াই তোলাৰ কাম পৃথিৱীৰ ভগীৰথৰ হে—সেইটো স্বৰ্গৰ মানুহৰ কাম নহয়। এই দুয়োটা কাম সম্পূৰ্ণ বেলেগ।' এতেকে অবিনাশৰ উৎপাতত গোৱা যেতিয়া তিঙিৰি-তুলা হৈ উঠে তেতিয়া অবিনাশে মনে মনে হাঁহে আৰু গোৱাৰ তাৰ ভক্তি বাঢ়িহে যায়। সি মনে মনে কয়—'আমাৰ গুৰুৰ চেহেৰাও যেনে শিৱৰ দৱে তেনেকৈ মনটোও তেওঁৰ ভোলানাথৰ। একোকে নুবুজে কোনো সাংসাৰিক বুদ্ধিয়েই নাই, কথাই কথাই খং, আকৌ খং পৰিবলৈকো সময় নেলাগে।'

অবিনাশৰ চেষ্টাতে গোৱাৰ পৰাচিতৰ কথা লৈ চাৰিওফালে এটা ডাঙৰ হুলস্থূল লাগি গল। গোৱাৰ ঘৰলৈ আহি গোৱাক দেখা কৰিবলৈ তাৰ লগত কথা-বতৰা হবলৈ মানুহৰ হেঁচা-ঠেলা আৰু বাঢ়ি গ'ল। নিতৌ চাৰিওফালৰপৰা ইমান চিঠি আহিবলৈ ধৰিলে যে সি চিঠি পঢ়িবলৈকে একেবাৰে বাদ দিবলগীয়া হ'ল। গোৱাৰ মনত এনে ধাৰণা হ'ল যেন এই দেশজুৰি হোৱা আলোচনাৰ ফলত তাৰ পৰাচিতৰ সাত্ত্বিকতা কমি গ'ল; ই এটা ৰাজসিক কথাহে হৈ পৰিল। ই কালৰেই দোষ। কৃষ্ণ দয়ালে আজি-কালি বাতৰি-কাকত নোছোৱে, কিন্তু ইমুখ-সিমুখ কৰি কথা গৈ তেওঁৰ সাধনশ্ৰামতো সোমালগৈ। তেওঁৰ উপযুক্ত পুতেক গোৱাই মহাসমাৰোহেৰে পৰাচিত হবলৈ ওলাইছে আৰু তেওঁ যে পিতাকৰ পৰিত্ৰ খোজকে অনুসৰণ কৰি একালত তেওঁৰ নিচিনাই এজন সিদ্ধ পুৰুষ হৈ উঠিব এই সংবাদ আৰু এই আশা কৃষ্ণদয়ালৰ প্ৰসাদ খাই জীয়াই থকাসকলে তেওঁৰ ওচৰত গৌৰৱেৰে ব্যক্ত কৰিলে।

গোৱাৰ কোঠালৈ কৃষ্ণদয়াল যে কিমান দিন সোমোৱা নাই, তাৰ হিচাপ নাই। পাটৰ কাপোৰ সলাই কপাহী কাপোৰ পিন্ধি আজি একে কোবেই গোৱাৰ কোঠাত সোমালগৈ। গোৱাক তাত নেপালে।

লণ্ডৰাটোক সুধিলে,—লণ্ডৰাই জনালে গোঁসাইঘৰত আছে।

"আও! গোঁসাই ঘৰত তাৰ কি দৰ্কাৰ।"

"তেখেতে পূজা কৰে।"

কৃষ্ণদয়ালে খৰখেদাকৈ গোঁসাই ঘৰলৈ গৈ দেখে গোৱা পূজাত বহিছে। কৃষ্ণদয়ালে বাহিৰৰপৰা মাত দিলে,—"গোৱা!"

বাপেক অহা দেখি গোৱা আচৰিত হৈ থিয় দিলে। কৃষ্ণদয়ালে তেওঁৰ সাধনাশ্ৰমত বিশেষভাৱে তেওঁৰ ইষ্টদেৱতাৰ প্ৰতিষ্ঠা কৰিছে।

লোকৰ পৰিবাৰ বৈষ্ণৱ যদিও তেওঁ শক্তি-মন্ত্ৰ লৈছে, সেই দেখি গৃহ-দেৱতা সগত পোনপটীয়া যোগাযোগ তেওঁৰ ভালেমান দিনৰেপৰা নাছিল।

তেওঁ গোৱাক কলে,—"আহ, আহ বাহিৰলৈ আহ।"

গোৱা বাহিৰলৈ আহিল। কৃষ্ণদয়ালে কলে,—"এইবোৰ কি কথা! ইয়াত তোৰ কি কাম।"

গোৱাই একো উত্তৰ নিদিলে। কৃষ্ণদয়ালে কলে,—"দেউ আহে, তেওঁ সদায় পূজা কৰে, সেয়েই সকলোৰে পূজা। তই ইয়াৰ মাজত সোমাইছ কিয়?"

গোৱাই কলে,—"তাত একো দোষ নাই।"

কৃষ্ণদয়ালে কলে,—"দোষ নাই? কি কৰ—বাকুকৈয়ে দোষ আছে। তাৰ যিটোত অধিকাৰ নাই, তাৰ সেই কামলৈ যোৱাৰ দৰকাৰ কি। এইটো এটা অপৰাধ হৈছে। কেৱল তোৰেই নহয়, গোটেই ঘৰখনৰে।"

গোৱাই কলে,—"যদি অন্তৰৰ ভক্তিৰ ফালৰপৰা চায়, দেখিব দেৱতাৰ সম্মুখত বহিবৰ অধিকাৰ অতি কম লোকৰ হে আছে। কিন্তু আপুনি কৰ খোজে নে যে আমাৰ ইয়াৰ পূজা কৰিবলৈ ৰামহৰি দেউৰ যি অধিকাৰ আছে সেই অধিকাৰ মোৰ নাই?"

কৃষ্ণদয়ালে গোৱাক কি উত্তৰ দিব হঠাতে ভাবিয়েই নেপালে। অলপ পৰ মনে মনে থাকি কলে,—"চা, পূজা কৰাই ৰামহৰিৰ জাতৰ ব্যৱসায়। ব্যৱসায়ত যি অপৰাধ হয় দেৱতাই সেইটো নধৰে। তেনে ঠাইত ত্ৰুটি পৰিবলৈ হলে ব্যৱসায়কে বন্ধ কৰিব লাগিব, তেতিয়া হলে সমাজৰ কাজ-কৰ্ম্ম নচলা হব। কিন্তু তোৰ তো তেনে অধিকাৰ নাই। তোৰ এই ঘৰত সোমোৱা কি দৰকাৰ?"

গোৱাৰ নিচিনা আচাৰ মানি চলা বামুণৰো গোঁসাই ঘৰত সোমালে অপৰাধ হয়, এই কথা কৃষ্ণদয়ালৰ দৰে মানুহৰ মুখত বিশেষ একো সঙ্গত যেন নেলাগিল। এতেকে কথাটো গোৱাই সহ্য কৰি থাকিল, একো নেমাতিলে।

কৃষ্ণদয়ালে কৈ গ'ল,—"আৰু এটা কথা শুনিছোঁ গোৱা। তই হেনো পৰাচিত হবলৈ পণ্ডিতসকলক মাতিছ?"

গোৱাই কলে,—"হয়।"

কৃষ্ণদয়ালে খঙতে টিক্‌চি বিক্‌চি উঠি কলে,—"মই জীয়াই থাকোঁতে এইটো কেতিয়াও হবলৈ নিদিওঁ।"

গোৱাৰ মন বিদ্ৰোহী হৈ উঠিব খুজিলে, সি কলে,—"কিয়?"

কৃষ্ণদয়ালে কলে,—"কিহৱ কিয়? মই তোক আগেয়েও এদিন কৈছোঁ নহয়, পৱাচিত হৱ নেলাগে।"

গোৱাই কলে,—"কৈছিল হয়, কিন্তু কাৱণটো কি নকলে।"

কৃষ্ণদয়ালে কলে,—"কাৱণ দেখুৱাবৰ কোনো দৰকাৰ নেদেখোঁ। আমি তোৰ গুৰুজন, মাননীয় মানুহ; এইবিলাক শাস্ত্রীয় কাম-কাজ আমাৰ অনুমতি নোলোৱাকৈ কৰাৰ বিধি নাই। এনে কৰিলে পিতৃ পুৰুষৰ শ্রাদ্ধ কৰিব লাগে বুলি জাননে নেজান?"

গোৱাই আচৰিত হৈ কলে,—"ইয়াত বাধা কি?"

কৃষ্ণদয়ালে খঙেৰে কলে,—"সম্পূর্ণ বাধা আছে, মই এইটো হ'লৈ দিব নোৱাৰোঁ।"

গোৱাই বেজাৰ পাই কলে,—"চাওক, এইটো মোৰ নিজৰ কাম। মই নিজে নিকা হৈ লবলৈ এই আয়োজন কৰিছোঁ—এই কথালৈ মিহাতে আলোচনা কৰি আপুনি কিয় দুখ পাইছে।"

কৃষ্ণদয়ালে কলে,—"চা গোৱা, তই সকলো কথাতে তর্ক কৰিবলৈ নাহিবি। এইবোৰ তর্কৰ কথা নহয়। এনে বহুত কথা আছে যিবোৰ তোৰ বুজিবৰ সাধ্যই নাই। মই তোক আকৌ কৈ গলোঁ—তই ভাবিছ, তই হিন্দু ধর্ম্মত সোমাই পৰিছ, সেইটো তোৰ সম্পূর্ণ ভুল। সেইটো তোৰ সাধ্যই নাই। তোৰ প্রত্যেক টোপা তেজেই মুৰৰপৰা ভৰিলৈকে তাৰ প্রতিকূল। হিন্দু হঠাৎ হবৰ উপায় নাই, ইচ্ছা কৰিলেও উপায় নাই। জন্ম জন্মান্তৰৰ সুকর্ম্ম লাগে।"

গোৱাৰ মুখখন ৰঙা পৰি গ'ল। সি কলে, "জন্মান্তৰৰ কথা নেজানো, কিন্তু আপোনালোকৰ বংশৰ তেজত যি অধিকাৰ বৈ আহিছে মই জানো তাৰো দাবী কৰিব নোৱাৰোঁ?"

কৃষ্ণদয়ালে কলে,—"আকৌ তর্ক। মোৰ মুখে মুখে কথা কবলৈ তোৰ লাজ নেলাগেনে?—ইফালে যহাই ফুৰ হিন্দু হিন্দু—কিন্তু বিলাতী স্বভাৱ যাব কলৈ? মই যি কওঁ তাকে শুন। এইবিলাক বন্ধ কৰি দে।"

গোৱাই মূৰ তলকৈ মনে মনে থাকিল। অলপ পিচত কলে,—"যদি পৱাচিত নহওঁ, তেনেহলে শশীমুখীৰ বিয়াত ৰাইজৰ লগত খাব নোৱাৰিম।"

কৃষ্ণদয়ালে উৎসাহ দি কলে,—"ভালেই হব, তাত আপত্তি কি! তোৰ কাৰণে বেলেগ আসন ঠিক কৰি দিব।"

গোৱাই কলে,—"সমাজত তেনেহলে মই অকলশৰীয়া হৈ থাকিব লাগিব।"

কৃষ্ণদয়ালে কলে,—"সেইটো তো ভাল কথাই।"

তেওঁৰ কথাত গোৱাক আচৰিত হোৱা দেখি কলে,—"এইয়া নেচাৰ কলেই, মই কাৰো লগতে নেখাওঁ, নিমন্ত্রণত গলেও নেখাওঁ। সমাজৰ লগত সম্পর্কই বা মোৰ কি আছে? তই যেনে সাত্ত্বিক ভাৱেৰে চলিব খোজ তোৰ তো এই পন্থা লোৱাই সকলোতকৈ ভাল। মই দেখিছোঁ এনে কৰাহে তোৰ মঙ্গল।"

দুপৰীয়া অবিনাশক মতাই আনি কৃষ্ণদয়ালে কলে,—"তহঁত সকলোৱে মিলি গোৱাক নচুৱাইছ হবলা?"

অবিনাশে কলে,—"কয় কি? আপোনাৰ গোৱাইহে আমাৰ সকলোকে নচুৱায়। সি নিজে নেনাচে।"

কৃষ্ণদয়ালে কলে,—"কিন্তু বোপাই, মই তহঁতক কৈ থলোঁ তহঁতৰ এই পৱাচিত-তৱাচিতবোৰ হব নোৱাৰে। সেইটোত মোৰ একেবাৰে মত নাই। এতিয়াই সকলো বন্ধ কৰ।"

অবিনাশে ভাবিলে বুঢ়াৰ আকৌ ই কি জেদ। বুৱঞ্জীত মহৎ লোকৰ বাপেকবোৰে পুতেকৰ মহতালি বুজিবলৈ অপৰাগ হোৱাৰ দৃষ্টান্ত বহুতো আছে—কৃষ্ণদয়ালো সেই বিধৰে বাপেক। কিছুমান বজৰুৱা সন্ন্যাসীৰ লগত বাতিয়ে-দিনে নেথাকি নিজৰ পুতেকৰপৰাই কৃষ্ণদয়ালে দীক্ষা লোৱা হলে তেখেতৰ বেচি উপকাৰ হল হয়।

অবিনাশ টেঙৰ মানুহ; য'ত বাক-বিতণ্ডা কৰি লাভ নাই, 'মৰেল এফেক্ট'বো সম্ভাৱনা কম, তাত মিছাকৈ কথা খৰচ কৰা মানুহ সি নহয়। সি কলে,—"ভাল কথা, আপুনি যদি মত নিদিয়ে, নহব। কিন্তু উদ্যোগ আয়োজন সম্পূর্ণ হলেই, নিমন্ত্রণী পত্রও গ'ল, সময়ো কম, তেনেহলে এটা কাম কৰা যাওক—গোৱা থাওক, সেইদিনা আনিয়েই পৱাচিত হ'ব দেশৰ মানুহৰ পাপো তো কম নহয়।" অবিনাশৰ আশ্বাসত কৃষ্ণদয়াল নিশ্চিন্ত হ'ল।

কৃষ্ণদয়ালৰ কোনো কথাতেই কেতিয়াও গোৱাই বিশেষ শ্রদ্ধা নেদেখুৱাই-ছিল। আজিও সি বাপেকৰ আদেশ পালন কৰিম বুলি মনতে মানি লোৱা নাছিল। সাংসাৰিক জীৱনতকৈয়ো ডাঙৰ যিটো জীৱন তাত গোৱাই আই-বোপাইৰ কথা মানি চলিবলৈ বাধ্য বুলি বিবেচনা নকৰিছিল। কিন্তু তথাপিও আজি গোটেই দিনটো তাৰ মনত এটা অশান্তি থাকি গ'ল।

কৃষ্ণদয়ালৰ কথাবিলাকৰ মাজত কিবা এটা যেন সত্য লুকাই আছিল—তাৰ অন্তৰতো তেনে কিবা এটা চকা-মকা ভাৱে ভুমুকিয়াইছিল। কিবা এটা আকাৱহীন বেয়া সপোনে যেন তাক পীড়িবলৈ ধৰিলে—কোনো পধ্যেই যেন সেই দুশ্চিন্তা সি দূৰ কৰিব নোৱাৰিলে। তাৰ এনেহে লাগিছিল যেন সকলোৱে চাৰিও ফালৰপৰা তাক ঠেলি-হেঁচি আঁতৰাই দিব খুজিছে। সি যে অকলশৰীয়া, এই কথাটোৱেই যেন এটা বৃহৎ কলেবৰ লৈ তাক দেখা দিছেহি।

সন্মুখত তাৰ বহল কৰ্ম্মথলী, কৰ্ত্তব্যও বৰ ডাঙৰ—কিন্তু তাৰ কাষত থিয় দি কোনো নাই।

৭৩

কাইলৈ পৰাচিত-সভা বহিব। আজি ৰাতিৰেপৰা ৰভা-তলীত গৈ গোৱা থাকিবগৈ—এয়ে ঠিক হৈ আছে। সি যাত্ৰা কৰিবলৈ সাজু হওঁতেই হৰিমোহিনী আহি ওলালহি। তেওঁক দেখি গোৱাৰ মনটো কেনেবা কেনেবা লাগিল। গোৱাই কলে,—"আপুনি আহিছে, পিচে মই এতিয়াই যাব লাগিব—আয়ো এই কেইদিন ঘৰত নাই। যদি আইৰ লগত কিবা কথা থাকে—"

হৰিমোহিনীয়ে কলে,—"নাই বোপা, মই তোমাৰ ওচৰলৈহে আহিছোঁ। তুমি অকণ বহিবই লাগিব। বেচি সময় নকৰোঁ।"

গোৱা বহিল। হৰিমোহিনীয়ে সুচৰিতাৰ কথা উলিয়ালে। কলে, গোৱাৰ শিকনি-বুজনিত তাইৰ বৰ উপকাৰ হৈছে। এনে কি আজি-কালি যেয়ে সেয়ে ছোৱা পানীও নেখায়, আৰু সকলো ফালৰেপৰা তাইৰ মতি-গতি ভাললৈ আহিছে। "বোপা, তাইৰ কাৰণে মোৰ বৰ চিন্তা হৈছিল। তাইক সজ বাটলৈ আনি তুমি মোৰ যি উপকাৰ কৰিছা—সেইবোৰ এনে মুখেৰে কৈ অন্ত কৰিব নোৱাৰোঁ। ভগৱানে তোমাক ৰাজৰাজেশ্বৰ কৰক। তোমাৰ নিজ জাত-কুলৰ যোগ্য এজনী ভাল ছোৱালী ভাল মানুহৰ ঘৰৰপৰা বিয়া কৰাই আনা, তোমাৰ ঘৰ উজ্জ্বল হওক, ধনে পুত্ৰই লক্ষ্মী লাভ কৰক।"

তাৰ পিচত কথা উলিয়ালে, সুচৰিতাৰ বয়স বাঢ়ি গৈছে, বিয়াৰ আৰু এক মুহূর্ত্তও পলম কৰা উচিত নহয়। হিন্দুৰ ঘৰত থকা ছোৱালী

যান দিনে লৰাই-ছোৱালীয়ে কোলা ভৰি থাকিল হয়। বিয়া দিয়াত লম হোৱাটো যে এটা অবিধিৰ কাম হৈছে সেই বিষয়ে গোৱা নিশ্চয় ইটঁৰ লগত একমত হব। হৰিমোহিনীয়ে আজি বহু কাল সুচৰিতাৰ লা সম্বন্ধে নানা দুশ্চিন্তা ভোগ কৰাৰ পাচত অৱশেষত বহু সাধ্য-সাধনা, নুনয়-বিনয় কৰি কোনোমতে তেওঁৰ নিজৰ দেওৰেক কৈলাসক ৰাজী ৰাই কলিকতালৈ অনাইছে। যিবিলাক ডাঙৰ বাধা-বিঘিনিৰ আশঙ্কা ৰিছিল, ঈশ্বৰৰ কৃপাত যি হওক সেইবোৰ এতিয়া আঁতৰ হৈছে। একে ৰে সকলো ঠিক হৈ গৈছে, দৰা ঘৰৰপৰা এক পইচাও যৌতুক নলয়, চৰিতাৰ আগৰ কথালৈয়ো কোনো আপত্তি নেদেখুৱায়—হৰি মাহিনীয়ে বুদ্ধি কৰি এই সকলোবোৰ সমাধান কৰিছে—এনে অৱস্থাত, মানুহে লেও বৰ আচৰিত হব যে এতিয়া সুচৰিতাইহে ঘোৰ আপত্তি তুলিছে। ইৰ মনৰ ভাবনো কি তেওঁ নেজানে; কোনোবাই কিবা বুদ্ধিকে দিছে ি কৰবাত তাইৰ মনেই বহিছে, সেইবোৰ ভগৱানেহে জানে!—"কিন্তু পা, মই তোমাক খুলি কওঁ, সেই ছোৱালী তোমাৰ লায়েকৰ নহয়। ৰে-তুঞো তাইৰ বিয়া হৈ গলে, তাইৰ কথা কোনেও গম নেপাব, আৰু কৰকম চলি যাব। কিন্তু তোমালোক থাকা চহৰত, তাইক যদি বিয়া োৱা তেনেহলে চহৰৰ মানুহৰ আগত মুখকে দেখুৱাব নোৱাৰিবা।"

গোৱাই খঙেৰে কলে,—"আপুনি এইবোৰ কি কথা কৈছে? কোনে াপোনাক কলে মই তেওঁক বিয়া কৰিবলৈ তেওঁৰ লগত এটা বন্দবস্ত ৰিবলৈ গৈছিলোঁ?"

হৰিমোহিনীয়ে কলে,—"মই কেনেকৈ জানিম, বোপা। বাতৰি কাকতত সকলো ওলাই গৈছে, তাকে শুনি মই লাজতে মৰিছোঁ।"

গোৱাই বুজিলে হাৰান নাইবা তেওঁৰ দলৰে আন কোনোবাই এই কথা লৈ কাকতত আলোচনা কৰিছে। গোৱাই মুঠি মাৰি জোৰেৰে কলে,—"মিছা কথা।"

হৰিমোহিনীয়ে তাৰ তর্জ্জন-গর্জ্জনত উচপ খাই উঠি কলে,—"ময়ো ও সেই বুলিয়েই জানো। এতিয়া তুমি মোৰ অনুৰোধ এটা ৰাখিবই াগিব। এবাৰ তুমি ৰাধাৰাণীৰ ওচৰলৈ বলা।"

গোৱাই কলে,—"কেলেই?"

হৰিমোহিনীয়ে কলে,—"তুমি এবাৰ তাইক বুজাই কবা।"

এই উপলক্ষ লৈয়েই সুচৰিতাৰ ওচৰলৈ যাবলৈ গোৱাৰ মন ৰৰকৈ ফুৰ্ফটাবলৈ ধৰিলে। তাৰ হিয়াই কলে,—'আজি এবাৰ শেষ দেখা কৰি

আহিবি বল। কাইলৈ তোৰ পৰাচিত—তাৰ পিচত তই তপস্বী। আজি মুঠেই ৰাতিৰ সময়কণ আছে—তাকো অতি অলপ সময়ৰ কাৰণে। ইয়াত কোনো দোষে নোছোৱৰে। যদি দোষো হয় কাইলৈ সকলো ছাই হৈ যাব।'

গোৱা অলপ পৰ মনে মনে থাকি সুধিলে,—"তেওঁক নো কি বুজাব লাগে?"

বিশেষ একো নহয়—হিন্দুৰ আদৰ্শ অনুসৰি সুচৰিতাৰ নিচিনা বয়সী ছোৱালীয়ে অতি সোনকালে বিয়া সোমোৱা কৰ্ত্তব্য আৰু হিন্দু সমাজত কৈলাসৰ নিচিনা ভাল লৰা পোৱা সুচৰিতাৰ অৱস্থাৰ ছোৱালীৰ পক্ষে অতি ডাঙৰ সৌভাগ্য।

গোৱাৰ বুকুত শেলে হনাদি হানিবলৈ ধৰিলে। সুচৰিতাৰ ধৰ দুৱাৰমুখত দেখা মানুহটোলৈ মনত পৰি তাৰ গা পুৰিবলৈ ধৰিলে। সুচৰিতাক সি লাভ কৰিব, এনে কথা কল্পনা কৰাও গোৱাৰ কাৰণে অসহ্য। তাৰ মনে বজ্ৰনাদে কৈ উঠিল,—"নহয়, ই কেতিয়াও হব নোৱাৰে।"

অইন কাৰোবাৰ লগত সুচৰিতাৰ মিলন হোৱা অসম্ভৱ। বুদ্ধি আৰু অনুভূতিৰ গভীৰতাৰে পূৰ হৈ থকা সুচৰিতাৰ নিস্তব্ধ হিয়াখনি পৃথিৱীত গোৱাৰ বাহিৰে অন্য কোনো মানুহৰ ওচৰত এনেকৈ প্ৰকাশ হোৱা নাই আৰু কেতিয়াও অইন কাৰো ওচৰত এনেকৈ প্ৰকাশ হবও নোৱাৰে। সি যে কি আচৰিত! সি কেনে অপৰূপ! ৰহস্য নিকেতনৰ অতি ভিতৰৰ কোঠালীত সেয়া যে কি অনিৰ্ব্বচনীয় সত্তাক দেখা গৈছে। মানুহক এনেকৈ কেইবাৰ দেখা পোৱা যায়। কপালৰ গুণত যিজন মানুহে এনে গভীৰ সত্যক দেখিছে নিজৰ গোটেই প্ৰকৃতিৰে তাক অনুভৱ কৰিছে সিয়েই হে সুচৰিতাক পাইছে। অইন কোনোৱেই আৰু কেতিয়াও তাইক পাব নোৱাৰে।

হৰিমোহিনীয়ে কলে,—"ৰাধাৰাণী বাৰু সদায় আৰিয়ৈ হৈয়েই থাকিবনে? এনে জানো হোৱা উচিত!"

সিওঁটো হয়। কাইলৈ যে গোৱাই পৰাচিত হব খুজিছে। তাৰ পিচত তো সি সম্পূৰ্ণ শুচি হৈ ব্ৰাহ্মণ হব। তেনেহলে জানো সুচৰিতা চিৰদিন আৰিয়ৈ হৈয়েই ৰব? তাইৰ ওপৰত চিৰ জীৱনৰ কাৰণে এই বোজা জাপি দিবলৈ কাৰ অধিকাৰ আছে। তিৰোতাৰ কাৰণে ইমানতকৈ আৰু ডাঙৰ বোজা কি হব পাৰে!

হৰিমোহিনীয়ে কত কি বকি গ'ল—গোৱাৰ কাণত সেইবোৰ একো

নাসোমাল। গোৱাই চিন্তা কৰিলে, 'দেউতাই যে মোক পৰাচিত হবলৈ মানকৈ বাধা কৰিছিল, তেখেতৰ সেই বাধাৰ জানো কোনো মূল্য নাই? ই মোৰ যি জীৱন কল্পনা কৰিছোঁ সেইটো কিজানি মোৰ কল্পনাহে, সেইটো কিজানি মোৰ কাৰণে স্বাভাৱিক নহয়েই। সেই কৃত্ৰিম ভাৰ ভাঙি লবলৈ গৈ মই কিজানি কোঙা হৈ পৰিম। চিৰকাল এই ভাৰৰ ইচাত মই জীৱনৰ একো কামকে সুকলমে সম্পন্ন কৰিব নোৱাৰিম। পাইয়া দেখিছো—আকাংক্ষা মোৰ বুকু ভৰি আছে। এই শিল নমাই দিম ক'ত! দেউতাই কেনেবাকৈ জানিছে যে মই অন্তৰত ব্ৰাহ্মণ নহওঁ, মই তপস্বী নহওঁ। সেই দেখিয়েই তেখেতে ইমান জোৰ দি মোক নিষেধ কৰিছিল।'

গোৱাই মনতে ঠিক কৰিলে,—'যাওঁ এবাৰ তেখেতৰ ওচৰলৈ। আজি এই সন্ধ্যা কালতে তেখেতক টানি ধৰিম, তেখেতেনো মোৰ অন্তৰত কি দেখা পাইছে। পৰাচিতৰ বাটো মোলৈ বন্ধ, এনে কথা তেখেতে কিয় কলে? যদি তেখেতে মোক বুজাই দিব পাৰে, তেনেহলে সেইফালৰপৰা তেও বেহাই পাম—বেহাই!'

হৰিমোহিনীক গোৱাই কলে—"আপুনি অলপ ৰৱচোন, মই এতিয়াই আহিম।"

লৰালৰিকৈ গোৱাই বাপেকৰ কোঠাৰ ফালে গ'ল। তাৰ মনে ধৰিলে কৃষ্ণদয়ালে তাক এতিয়াই নিষ্কৃতি দিব পাৰে—এনে কিবা এটা কথা তেখেতে জানে।

সাধনাশ্ৰমৰ দুৱাৰ জপোৱা। দুৱাৰখন ঠেলি চালে, মেল নেখালে, কোনেও সহাৰিও নিদিলে। ভিতৰৰপৰা ধূপ-ধূনাৰ গোন্ধ আহিছিল। কৃষ্ণদয়ালে আজি গোটেই ঘৰ-দুৱাৰ মাৰি সন্ন্যাসীক লৈ অত্যন্ত গূঢ় আৰু অতি টান যোগ এটাৰ প্ৰণালী অভ্যাস কৰি আছিল, আজি গোটেই নিশা সেই ফালে কাৰো যোৱাৰ অধিকাৰ নাই।

গোৱাই ভাবিলে, 'নহয়, পৱাচিত কাইলৈ নহয়। আজিয়েই মোৰ পৱাচিত আৰম্ভ হৈছে। কালিতকৈয়ো আজিয়েই বেচি ডাঙৰ জুই জ্বলিছে। মোৰ নতুন জীৱনৰ আৰম্ভণিতে খুব এটা ডাঙৰ আহুতি মই দিব লাগিব বুলিয়েই বিধতাই মোৰ মনত ইমান প্ৰৱল বাসনা এটা জগাই তুলিছে। নহলে এনে অদ্ভুত ঘটনা ঘটিল কিয়? মই আছিলোঁ ক'ত! ইহঁতৰ লগত লগ লাগিবৰ কোনো লৌকিক সম্ভাৱনাই নাছিল। তাৰ উপৰি এনে বিৰুদ্ধ ভাবৰ মিলনো পৃথিৱীত সচৰাচৰ নঘটে। আকৌ সেই মিলনতে মোৰ নিচিনা উদাসীন মানুহৰ হিয়াতো ইমান ডাঙৰ দুৰ্জ্জয় বাসনা এটাই ঠাই পাব, সেই কথা কোনেও ভাবিবই নোৱাৰে। ঠিক আজিয়েই এই বাসনাৰ মোৰ প্ৰয়োজন হৈছিল। আজিলৈকে মই দেশক যি দি আহিছোঁ, সেইয়া সহজে দি আহিছোঁ, আজিলৈকে এনে কোনো দান কৰিবলগীয়া হোৱা নাই যাৰ বাবে মই দুখ পাবলগীয়া হৈছে। মই ভাবিয়েই পোৱা নাছিলোঁ মানুহে দেশৰ নিমিত্তে অকণমান ত্যাগ কৰিব লাগিলেই কৃপণতা দেখুৱায় কিয়? কিন্তু ডাঙৰ যজ্ঞই এনে সহজ দান নিবিচাৰে। কাইলৈ পুৱাতে মানুহৰ সমাজত মোৰ লৌকিক পৱাচিত হব। ঠিক তাৰ আগ ৰাতিতে বিধতাই আহি মোৰ দুৱাৰত খুন্দিয়াইছেহি। অন্তৰত মোৰ অতি অন্তৰতম পৱাচিত নহলে, কাইলৈ মই কেনেকৈ শুচি হব পাৰিম। যি দান মোৰ কাৰণে দিয়া সকলোতকৈ টান, সেই দান দেৱতাক আজি সম্পূৰ্ণ উচৰ্গা কৰি দিহে মই পূৰাপূৰিকৈ পৱিত্ৰতাৰে নিঃস্ব হব পাৰিম—আৰু তেতিয়াহে মই আচল ব্ৰাহ্মণ হম।'

গোৱা উভতি আহিলতে হৰিমোহিনীয়ে কলে,—"বোপা এৱাৰ তুমি মোৰ লগত বলা। তুমি গলেই তোমাৰ মুখৰ এষাৰ কথাতে সকলো হব।"

গোৱাই কলে,—"মই কিয় যাম? তেওঁৰ লগত মোৰ কি সম্পৰ্ক আছে। একোৱেই নাই।"

হৰিমোহিনীয়ে কলে,—"তাই যে তোমাক দেৱতাৰ দৰে ভক্তি কৰে,—তোমাক গুৰু বুলি মানে।"

গোৱাৰ হিয়াত বিজুলী বেগেৰে যেন কোনোবাই খোচা মাৰি দিলে।

গোৱাই কলে, "মই যোৱাৰ কোনো প্ৰয়োজন দেখা নাই। তেওঁৰ লগত মোৰ দেখা হোৱাৰ আৰু কোনো সম্ভাৱনা নাই।"

হৰিমোহিনীয়ে বৰ ভাল পালে, কলে,—"সেইটো তো বৰ ভাল কথা। এই গাভৰু ছোৱালীবোৰৰ লগত বৰকৈ হলি-গলি কৰা ভালো নহয়। কিন্তু, বোপা, মোৰ আজিৰ এই কামটো কৰি নিদিলে তোমাক ক'বিছোঁ। ইয়াৰ পিচত আকৌ কেতিয়াবা যদি তোমাক মাতোঁ তুমি যদি মন যায় কৰা।"

গোৱাই বাৰে বাৰে মূৰ জোকাবিলে। আৰু নাই, একোৱেই নাই। কথা শেষ হৈ গ'ল। দেৱতাক নিবেদন কৰা তাৰ হৈ গ'ল। সি শুচিয়া শুচি হ'ল, তাক আৰু কোনোৱেই চেকা লগাব নোৱাৰে। সি অশুচি কৰিবলৈ নেযায়।

হৰিমোহিনীয়ে গোৱাৰ মনৰ ভাব বুজিলে। তাক লৰচৰ কৰা যেতিয়া কোনোপধ্যেই সম্ভৱ নহয় বুলি জানিলে, তেতিয়া কলে,—"যদি একান্তই তুমি নোৱাৰা, তেনেহলে বোপা, এটা কাম কৰা। তাইলৈ এখন চিঠিকে লিখি দিয়াঁ।"

গোৱাই মূৰ জোকাবিলে। সেইটো হব নোৱাৰে। চিঠি-পত্ৰও নহয়।

হৰিমোহিনীয়ে কলে,—"বাৰু, তুমি মোকেই দু-আষাৰ লিখি দিয়াঁ। তুমি সকলো শাস্ত্ৰই তো জানা, মই তোমাৰপৰা বিধান লবলৈ আহিছোঁ।"

গোৱাই সুধিলে,—"কিহৰ বিধান?"

হৰিমোহিনীয়ে কলে,—"হিন্দুৰ ছোৱালীয়ে উপযুক্ত বয়সত বিয়া খোৱাই হিন্দু-ধৰ্ম্ম পালন কৰাটো সকলোতকৈ ডাঙৰ ধৰ্ম্ম হয়নে নহয়?"

গোৱাই কিছু সময় টলকা মাৰি থাকি কলে,—"চাওক, এইবোৰ কথাত মোক নেসাঙুৰিব। বিধান দিয়া পণ্ডিত মই নহয়।"

হৰিমোহিনীয়ে তেতিয়া খঙেৰে কলে,—"তোমাৰ অন্তৰৰ আচল কথাটো কি সেইটোকে খুলি নোকোৱা কেলেই। গুৰিতে গাঁঠি লগালা হৈ আছে, এতিয়া মোকলাবৰ সময়ত কোৱা—মোক নেসাঙুৰিব। ইয়াৰ ভিতৰিয়েই, গাঁঠিটো কি? আচল কথা হল তোমাৰ ইচ্ছা নাই যে তাইৰ মন পৰিষ্কাৰ হৈ যাওক।"

আন সময় হোৱা হলে গোৱা জুইৰ দৰে জ্বলি উঠিলহেঁতেন। এনেকুৱা কঠোৰ অপবাদো সহিব নোৱাৰিলে হয়। কিন্তু আজি তাৰ পৱাচিত আৰম্ভ হৈছে; সি খং নকৰিলে। সি মনতে বিচাৰ কৰি চালে যে হৰিমোহিনীয়ে গাঁঠিটো কথাই কৈছে। সুচৰিতাৰ লগত তাৰ ডাঙৰ গাঁঠিটো নিষ্ঠুৰভাৱে

ছিঙি পেলাবলৈ ওলাইছে, কিন্তু সৰু সূতা এডাল নিজে নেদেখাৰ ভাও ধৰি ছলেৰে ৰাখিব বিচাৰিছে। সুচৰিতাৰ লগত সম্বন্ধ এতিয়াও সি পুৰা-পুৰিকৈ ছিঙি পেলাব পৰা নাই। কিন্তু কৃপণালি এৰিব লাগিব। এহাতে দান কৰি আন হাতেৰে কাঢ়ি নিলে নচলিব।

সি তেতিয়াই কাগজ উলিয়াই জোৰেৰে বৰ বৰ আখৰেৰে লিখিলে,—"বিয়াই তিৰোতাৰ জীৱনৰ সাধনাৰ বাট, গৃহস্থ ধৰ্ম্মই তেওঁৰ প্ৰধান ধৰ্ম্ম। এই বিয়া ইচ্ছা পূৰাবলৈ নহয়, মঙ্গল সাধিবৰ কাৰণেহে। সংসাৰ সুখেৰেই হওক বা দুখেৰেই হওক, একমনে সেই সংসাৰক ৰৰণ কৰি সতী সাধ্বী পৰিত্ৰ হৈ ধৰ্ম্মক ঘৰত মূৰ্ত্তিমান কৰি ৰখাই তিৰোতাৰ ব্ৰত।"

হৰিমোহিনীয়ে কলে—"তাতে আমাৰ কৈলাসৰ কথাও অকণমান লিখি দিয়া হলে ভাল হলহেঁতেন বোপা।"

গোৰাই কলে,—"নাই, মই তেওঁক চিনি নেপাওঁ। তেওঁৰ কথা লিখিব নোৱাৰোঁ।"

হৰিমোহিনীয়ে কাগজখন যতনেৰে ভাঁজ কৰি কাপোৰৰ আগত বান্ধি ঘৰলৈ উভতি আহিল। সুচৰিতা তেতিয়াও আনন্দময়ীৰ লগত ললিতাৰ তাতে আছিল। তাত কথা-বতৰা পতাৰ সুবিধাও নহব, তাৰ উপৰি ললিতা আৰু আনন্দময়ীৰ ওলোটা কথাবোৰ শুনি তাইৰ মনত দোধোৰ-মোধোৰ লগাৰ আশঙ্কা আছে। সেই কাৰণে হৰিমোহিনীয়ে সুচৰিতালৈ কৈ পঠিয়ালে, পিচদিনা দুপৰীয়া তাই যেন আহি তেওঁৰ লগতে ভাত খাই যায়হি। বিশেষ দৰকাৰী কথা আছে, আবেলি আকৌ উভতি যাব পাৰিব।

পিচদিনা দুপৰীয়া সুচৰিতাই মন ডাঠ কৰি আহিল। তাই জানিছিল, মাহীয়েকে তাইক এই বিয়াৰ কথাকে আকৌ অইন ফালৰপৰা ধৰ, তাৰো আজি টান উত্তৰ দি কথাটো ইমানতে অন্ত পেলাব, ইয়াকে মনতে ঠিক কৰি আহিল।

সুচৰিতাৰ খোৱা-বোৱা হ'লত হৰিমোহিনীয়ে কলে,—"কালি সন্ধিয়া মই তোৰ ওচৰলৈ গৈছিলোঁ।"

সুচৰিতাৰ অন্তৰখন জিকাৰ খাই উঠিল। মাহীয়ে তাইৰ কথা কৈ তেওঁক কিজানি আকৌ অপমান কৰি আহিল।

হৰিমোহিনীয়ে কলে,—"সেইবোৰ ভয় নকৰিবা। মই তেওঁৰ লগত কাজিয়া কৰিবলৈ যোৱা নাছিলোঁ। অকলে আছিলোঁ, ভাবিলো যাওঁ তেওঁৰ ওচৰলৈকে, দুটামান সজ কথা শিকি আহোঁগৈ। কথাই কথাত তোৰ কথা ওলাল। দেখিলো তেওঁৰো একে মত। ছোৱালী মানুহ

চিদিন আবিয়ৈ থকাটো তেওঁ ভাল বুলি নকয়। তেওঁ কয় শাস্ত্ৰমতে ইটো অধৰ্ম্ম। চাহাব-চুহাবৰ ঘৰতহে সেইবোৰ চলে, হিন্দুৰ ঘৰত ইবোৰ অচল। মই তেওঁক আমাৰ কৈলাসৰ কথাও খুলি কলোঁ। দেখিলো নুহজন জ্ঞানী দেই।"

লাজ আৰু দুখত সুচৰিতাৰ অন্তৰ মৰি গ'ল। হৰিমোহিনীয়ে কলে,—তুমি দেখোন তেওঁক গুৰু বুলি মানা। তেওঁৰ বাক্য তো তুমি পালন ৰিব লাগিব।"

সুচৰিতা মনে মনে থাকিল। হৰিমোহিনীয়ে কলে,—"মই তেওঁক লো, 'বোপা, তুমি নিজে আহি এবাৰ তাইক বুজাই যোৱাহি, তাই মাৰ কথা নুশুনে।' তেওঁ কলে,—'নাই, তেওঁৰ লগত মই দেখা কৰা উচিত নহব। সেইটো আমাৰ হিন্দু সমাজত কেনেবা কেনেবা দেখাব।' তিয়া মই কলোঁ,—'তেনেহলেনো কি উপায় হব?' তেতিয়া তেওঁ ইখন মোক নিজ হাতে লিখি দিলে। এইয়া চা!"

ইয়াকে কৈ হৰিমোহিনীয়ে লাহে লাহে আঁচলৰ আগৰপৰা কাগজখন লিয়াই ভাঁজ খুলি সুচৰিতাৰ আগত মেলি ধৰিলে।

সুচৰিতাই পঢ়িলে। তাইৰ যেন উশাহ বন্ধ হৈ আহিল। তাই ঠৰ পুতলাৰ দৰে জঠৰ হৈ বহি থাকিল।

লিখাখনত এনেকুৱা একো নাছিল যিটো নতুন বা অসঙ্গত। কথা-নিৰ লগত সুচৰিতাৰ মতৰ অমিল এনেয়ো নাই। কিন্তু হৰিমোহিনীৰ তত এই লিখাখনি পঠিয়াই দিয়াৰ যি বিশেষ অৰ্থ সেইটোৱেইহে চৰিতাক মৰ্ম্মান্তিক দুখ দিলে। গোৰাৰপৰা এই হুকুম আজি কিয় াহিল? অৱশ্যে সুচৰিতাৰ কাৰণেও সময় আহিব,—তায়ো এদিন বিয়া ামান লাগিব, সেই বুলিয়েই গোৰাৰ ইমান লৰালৰি কৰিবৰ নো কি াৰণটো হল। তাইৰ সম্পৰ্কে গোৰাৰ কাম একেবাৰেই সকলো শেষ ল নে কি? তাই গোৰাৰ কৰ্ত্তব্যত কিবা বিঘিনি ঘটাইছে নে কি? াই তাইক দান কৰিবলৈ আৰু তাইৰপৰা কিবা পাবলৈ আৰু একো ই নে কি? তাই কিন্তু তেনেকৈ ভবা নাই, তাই হলে এতিয়াও বাটলৈ ই বৈ আছে। সুচৰিতাই নিজৰ অন্তৰৰ এই অসহনীয় দুখৰ বিৰুদ্ধে জ দিবৰ কাৰণে প্ৰাণপণে চেষ্টা কৰিবলৈ ধৰিলে, কিন্তু তাই মনৰ ভিতৰত তো অকণো শান্তি বিচাৰি নেপালে।

হৰিমোহিনীয়ে সুচৰিতাক ভাবিবলৈ বহুপৰ সময় দিলে। তেওঁ তেওঁৰ অভ্যাস অনুযায়ী অলপ শুলেও। শুই উঠি সুচৰিতাৰ খোটালিত

সোমাই দেখিলে তাই যেনেকৈ বহি আছিল তেতিয়াও ঠিক তেনেকৈয়ে টলকা মাৰি বহি আছে।

তেওঁ কলে, "বাধু, ইমান ভাবিছা কেলেই কোৱাচোন। ইয়াত নো ভাবিবৰ ইমান কি আছে। কিয়, গৌৰমোহনে অন্যায় কিবা লিখিছে জানো?"

সুচৰিতাই গহীন ভাৱে কলে,—"নাই, তেখেতে ঠিকেই লিখিছে।"

হৰিমোহিনীয়ে বৰ আগ্ৰহেৰে কৈ উঠিল,—"তেনেহলে বাছা, পলম কৰি কি লাভ?"

সুচৰিতাই কলে,—"নাই, পলম কৰিব নোখোজোঁ। মই এবাৰ দেউতাৰ ওচৰৰ পৰা আহোঁগৈ।"

হৰিমোহিনীয়ে কলে,—"চোৱা, বাধু, তোমাৰ হিন্দু সমাজত বিয়া হওক এনে ইচ্ছা দেউতাবাই নকৰিব। কিন্তু তোমাৰ যিজনা গুৰু তেওঁ—"

সুচৰিতাই অধৈর্য্য হৈ কলে,—"মাহী, কিয় তুমি বাৰে বাৰে একেটা কথাতে লাগি থাকা। বিয়াৰ সম্পৰ্কে মই দেউতাৰ লগত একো কথা নহওঁ। মই তেওঁৰ ওচৰলৈ এনেয়ে এবাৰ যাওঁ।'

পৰেশ ভট্টৰ ওচৰতে সুচৰিতাৰ একমাত্ৰ সান্ত্বনাৰ ঠাই আছিল। পৰেশ ভট্টৰ ঘৰলৈ আহি দেখিলে তেখেতে কাঠৰ পেৰাত কাপোৰ-কানি সুমুৱাত ব্যস্ত হৈ আছে। সুচৰিতাই সুধিলে,—"দেউতা, এইয়া কি কৰিছা?"

পৰেশ ভট্টই হাঁহি এটা মাৰি কলে,—"আই মই চিমলা পাহাৰত ফুৰিবলৈ ওলাইছোঁ, কাইলৈ পুৱাৰ বেলতে বাওণা হম।"

ভট্ট ডাঙৰীয়াৰ হাঁহিটোৰ ভিতৰত যে ডাঙৰ এটা বিপ্লৱৰ বুৰুজী লুকাই আছিল, সেইটো সুচৰিতাই নুবুজাকৈ নেথাকিল। ঘৰত তেওঁৰ ঘৈণীয়েক, জীয়েক আৰু বাহিৰত তেওঁৰ বন্ধু-বান্ধৱ সকলোৱে মিলি তেওঁৰ জীৱন মহাভাৰ কৰি তুলিছিল। কিছুদিনৰ কাৰণে হলেও যদি তেওঁ আঁতৰি নেযায় তেনেহলে তেওঁক কেন্দ্ৰ কৰি সদায় কথা পাক খাই থাকিব। কাইলৈ তেওঁ ইমান দূৰলৈ যাবলৈ ওলাইছে, অথচ তেওঁৰ নিজৰ মানুহে কোনেও তেওঁৰ কাপোৰ-কানি ঠিক কৰি দিবলৈ নাহিল; তেওঁ নিজেই এই কাম কৰিবলগীয়া হৈছে, এই দৃশ্য দেখি সুচৰিতাৰ মনত বৰ আঘাত লাগিল। ভট্ট ডাঙৰীয়াক আঁতৰ হবলৈ কৈ তাই প্ৰথমতে পেৰাটো অলবাই ললে। তাৰ পিচত আখেৰেখে কাপোৰ-কানিবোৰ ভাঁজ কৰি লিপুটি হাতেৰে পেৰাত আকৌ ভৰাবলৈ ধৰিলে। আৰু তেওঁৰ সদায় পাঁচ

বিলাক পেৰাৰ ভিতৰত এনেকৈ সজাই দিলে যাতে লৰচৰ কৰিলেও সেই বিলাক একো নষ্ট নহয়। এইদৰে পেৰা সজাই থাকোঁতে সুচৰিতাই লাহেকৈ সুধিলে,—"দেউতা, তুমি অকলেই যাবা নে কি?"

তাই যে বৰ বেজাৰেৰে এই প্ৰশ্ন কৰিছে সেইটো পৰেশ ভট্টই গম পালে, আৰু কলে,—"মই একো কষ্ট নেপাওঁ, বাধে।"

সুচৰিতাই কলে,—"নহয় দেউতা, ময়ো তোমাৰ লগত যাম।"

পৰেশ ভট্টই সুচৰিতাৰ মুখৰ ফালে চাই ৰ'ল। সুচৰিতাই কলে,—"দেউতা, মই তোমাক অকণো আমনি নিদিওঁ।"

পৰেশ ভট্টই কলে,—"তেনে কথা কেলেই কৈছ আই! তই নো মোক কেতিয়া আমনি দিছ।"

সুচৰিতাই কলে,—"তোমাৰ ওচৰত থাকিব নোৱাৰিলে মোৰ ভাল নহব, দেউতা! মই বহু কথা বুজিব পৰা নাই। তুমি বুজাই নকলে মই পাৰেই নেপাম। দেউতা, তুমি যে মোক মোৰ বুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰিবলৈ কোৱা, মোৰ তেনে বুদ্ধি নাই, মনতো বল পোৱা নাই। তুমি মোক তোমাৰ লগত লৈ বলা দেউতা।"

এই বুলি কৈ পৰেশ ভট্টৰ ফালে পিঠি দি মৰটো বেচিকৈ গুজি তাই পেৰাত কাপোৰ ভৰোৱাত ব্যস্ত হৈ পৰিল। তাইৰ চকুপৰা টোপা-টোপে চকুপানী পৰিবলৈ ধৰিলে।

৭৫

গোৱাই কাগজখন লিখি যেতিয়া হৰিমোহিনীৰ হাতত দিলে তেতিয়া গোৱাৰ এনেহে লাগিছিল যেন সি সুচৰিতাৰ সম্বন্ধে এখন ত্যাগপত্ৰহে লিখি দিলে। কিন্তু দলীল লিখি দিয়াৰ লগে লগেই কামৰ ওৰ নপৰে। তাৰ অন্তৰেও সেই দলীল একেবাৰেই অগ্ৰাহ্য কৰিলে। সেই দলীলত গোৱাৰ ইচ্ছা শক্তিয়ে বলেৰে নাম চহি দিছিল সঁচা, কিন্তু তাত তাৰ হিয়াৰ চহি নাছিল—সেইদেখি তাৰ হিয়া অবাধ্য হৈয়েই থাকিল। এই অবাধ্যতা ইমান প্ৰবল আছিল যে সি সেই ৰাতিয়েই গোৱাক সুচৰিতাৰ ঘৰমুখে খায় লৰকৰাইছিলেই। কিন্তু ঠিক সেই মুহূৰ্ত্ততে গীৰ্জ্জাৰ ঘড়ীত দহোটা বাজিল আৰু তেতিয়াহে গোৱাৰ চেতনা হল যে এতিয়া মানুহৰ ঘৰলৈ গৈ

দেখা কৰা সময় নহয়। তাৰ পিচত সেই ৰাতি গীৰ্জ্জাৰ ঘড়ীৰ প্ৰত্যেকটো কোৱেই গোৱাই শুনি আছিল। কাৰণ ৰালি বোলা ঠাইখনৰ ৰাগিচালৈ সেইদিনা ৰাতি আৰু গোৱাৰ যোৱা হৈ নুঠিল। পিচদিনা পুৱাতে যাব বুলি ৰাতৰি পঠালে।

দোকমোকালিতে ৰাগিচালৈ গ'ল। কিন্তু যিমান পৱিত্ৰ আৰু দৃঢ় মনেৰে পৰাচিত হব বুলি স্থিৰ কৰিছিল এতিয়া জানো তাৰ মনৰ অৱস্থা তেনেকুৱা।

অধ্যাপক পণ্ডিত বহুতো আহিছিল। আৰু বহুতৰ অহাৰ কথাও আছিল। গোৱাই খা-খবৰ কৰি মাত-বোল লগাই সকলোকে সম্ভাষণ জনালে। তেওঁলোকে গোৱাৰ সনাতন ধৰ্ম্মৰ প্ৰতি অচলা নিষ্ঠাৰ কথা উনুকিয়াই বাৰে বাৰে প্ৰশংসা কৰিলে।

লাহে লাহে ৰাগিচাত হাই-উকমি বাঢ়ি আহিল। গোৱাই চাৰিওফালে তত্ত্বাৱধান কৰি ঘূৰি ফুৰিবলৈ ধৰিলে। কিন্তু সকলো কোহাল আৰু কামৰ মাজতো গোৱাৰ হিয়াৰ একেবাৰেই তলিত একেটা কথাই ৰাজি আছিল। কোনোবাই যেন তাক কৈ আছিল,—'অন্যায় কৰিছা, অন্যায় কৰিছা।' কিন্তু অন্যায়টো নো ক'ত সেইটো খৰচি মাৰি চিন্তা কৰিবৰ সময় তেতিয়া নাছিল। তথাপি সি কোনো ৰকমেই তাৰ গভীৰ হৃদয়ৰ দুখ সোপা দি থব নোৱাৰিলে। পৰাচিত অনুষ্ঠানৰ ইমান ডাঙৰ আয়োজনৰ মাজতো তাৰ অন্তৰতে ৰাস কৰা কোনো ঘৰ-বিভীষণে তাৰ বিৰুদ্ধে আজি সাক্ষী দিছিল, কৈছিল, 'অন্যায় থাকি গ'ল।' এই অন্যায়, নিয়মৰ ত্ৰুটিৰ নহয়, মন্ত্ৰৰ ভুলৰ নহয়, কোনো শাস্ত্ৰৰ বিৰোধিতাৰ নহয়, এই অন্যায় প্ৰকৃতিৰ ভিতৰত ঘটিছে, এই কাৰণেই গোৱাৰ সমস্ত অন্তঃকৰণেই এই অনুষ্ঠানৰ উদ্যোগপৰ্ব্ব মুখ ঘূৰাই ৰহি আছিল।

সময় ওচৰ চাপি আহিল, ৰাহিৰত ৰাঁহৰ ৰেৰা দি ৰভা তৰি সভাস্থলি সজা হৈছে। গোৱাই গঙ্গাত গা ধুই তিয়নি সলাইছে, এনেতে মানুহৰ মাজত এটা উচ্‌পিচ্‌নি দেখা পালে। এটা উদ্বেগ যেন চাৰিওফালে ৰিয়ণি পৰিছে। অৱশেষত অৰিনাশে মুখ ক'লা কৰি কলে,—"আপোনাৰ ঘৰৰ পৰা খবৰ আহিছে। কৃষ্ণদয়ালদেৱৰ মুখেৰে তেজ গৈছে। তেখেতে এতিয়াই আপোনাক নিবলৈ গাড়ীত মানুহ পঠিয়াইছে।"

গোৱা লৰালৰিকৈ গুচি গ'ল। অৰিনাশো তাৰ লগত যাবলৈ ওলাল। কিন্তু গোৱাই কলে,—"নেলাগে, ৰাইজক অভ্যৰ্থনা কৰিবলৈ তুমি থাকা— তুমি গলে নচলিব।"

গোৱাই কৃষ্ণদয়ালৰ খোটালীত সোমাই দেখিলে, তেওঁ পাতীত শুই আছে; আনন্দময়ীয়ে ভৰি-পথানত বহি লাহে লাহে তেওঁৰ ভৰিত হাত বুলাই দি আছে। গোৱাই উদ্‌বিগ্ন হৈ দুয়োৰো মুখলৈ চালে। কৃষ্ণদয়ালে ইঙ্গিত দি ওচৰৰ চকীত তাক বহিবলৈ কলে। গোৱা বহিল।

গোৱাই মাকক সুধিলে, "এতিয়া কেনে আছে?"

আনন্দময়ীয়ে কলে,—"এতিয়া অলপ বাকু। চাহাব-ডাক্তৰ মাতিবলৈ পেছে।"

কোঠাৰ ভিতৰত শশীমুখী আৰু এজন চাকৰ আছিল। কৃষ্ণদয়ালে মাত জোকাৰি সিহঁতক বাহিৰলৈ যাবলৈ কলে।

যেতিয়া দেখিলে সকলো আঁতৰ হল; তেতিয়া মাত-বোল নকৰাকৈ কৃষ্ণদয়ালে আনন্দময়ীৰ মুখলৈ চালে আৰু গোৱাক সেহাই সেহাই কলে,— "মোৰ সময় ওচৰ চাপি আহিছে। ইমান দিন তোৰ পৰা যি কথা লুকুৱাই ৰাখিছিলোঁ তাকে তোক কৈ নগলে মোৰ মুক্তি নহব।"

গোৱাৰ মুখ ক'লা পৰি গ'ল। সি থিৰেৰে বহি থাকিল। তাৰ পৰা কোনেও একো নেমাতিলে।

কৃষ্ণদয়ালে কলে,—"তেতিয়া মই একো নেমানিছিলোঁ। সেই দেখিয়েই ইমান ডাঙৰ ভুল কৰিলোঁ, তাৰ পিচত আৰু শুধৰাবৰ কোনো উপায় নাছিল।"

ইয়াকে কৈ তেওঁ আকৌ টলকা মাৰিলে। গোৱায়ো একো প্ৰশ্ন নকৰি থিৰ হৈ বহি থাকিল।

কৃষ্ণদয়ালে কলে,—"ভাবিছিলোঁ,—কোনো দিনেই তোক কোৱাৰ আৱশ্যক নহব, যেনেকৈ চলিছে ঠিক তেনেকৈয়ে চলি যাব। কিন্তু এতিয়া দেখিছোঁ, তাৰ উপায় নাই। মোৰ মৃত্যুৰ পিচত তই মোৰ শ্ৰাদ্ধ কৰিবি কেনেকৈ?"

এনে বিপদৰ সম্ভাৱনাত কৃষ্ণদয়াল যেন শিয়ঁৰি উঠিল। আচল কথাটো জানিবলৈ গোৱা একেবাৰে উত্তাৱল হৈ পৰিল। সি আনন্দময়ীৰ ফালে চাই কলে,—"তুমি কোৱাচোন কথাটো কি? শ্ৰাদ্ধ কৰিবৰ অধিকাৰ মোৰ নাই?"

আনন্দময়ীয়ে অতপৰে তললৈ মুৰ কৰি মাতবোল নকৰাকৈ ৰহি আছিল; গোৱাৰ প্ৰশ্ন শুনি তাৰ মুখলৈ চাই কলে,—"নাই বোপাই, নাই।"

গোৱাই উচপ্‌ খাই উঠি থিয় দি কলে,—"মই তেখেতৰ পুত্ৰ নহওঁ?"

আনন্দময়ীয়ে কলে,—"নহৰ।"

COLLEGE LIBRARY Estd-1971

আগেয়েগিবিৰে জুই ওলোৱাদি গোৱাৰ মুখৰপৰা ওলাল,—"আই, তুমি মোৰ আই নোহোৱা ?"

আনন্দময়ীৰ বুকু ফাটি গ'ল। তেখেতে কান্দো কান্দোকৈ শুকান মাতেৰে কলে,—"বোপাই, গোৱা, তই যে মোৰ পুত্ৰহীনাৰ পুত্ৰ, তই যে মোৰ পেটৰ পোৱালিতকৈয়ো বহুতো ডাঙৰ, বোপাই !"

গোৱাই তেতিয়া কৃষ্ণদয়ালৰ মুখলৈ চাই কলে,—তেনেহলে তোমালোকে মোক ক'ত পালা ?"

কৃষ্ণদয়ালে কলে,—"তেতিয়া মিউটিনি। আমি এটোৱাত। তোৰ মাৰে চিপাহীৰ ভয়ত পলাই আহি আমাৰ ঘৰত আশ্ৰয় ললেহি। তোৰ দেউতাৰ আগদিনাই যুদ্ধত মৰিল। তেওঁৰ নাম আছিল—"

গোৱাই গৰ্জ্জি উঠি কলে,—"দৰকাৰ নাই তেওঁৰ নামৰ। মই নাম জানিব খোজা নাই।"

কৃষ্ণদয়ালে গোৱাৰ এই উত্তেজনাত আচৰিত হৈ মনে মনে থাকিল। কিছুপৰৰ পিচত কলে,—"তেওঁ আইৰিছমেন আছিল। সেই ৰাতিয়েই তোক জন্ম দি তোৰ মাৰ মৰিল। তাৰ পিচত তই আমাৰ ঘৰতে ডাঙৰ-দীঘল হৈছ।"

এক মুহূৰ্ত্ততে গোৱাৰ মনত গোটেই জীৱনটো কিবা অতিশয় অদ্ভুত এটা সপোনৰ নিচিনা হৈ গ'ল। সৰুৰেপৰা এতিয়ালৈকে তাৰ জীৱনৰ যি ভেটি গঢ়ি উঠিছিল সি যেন মুহূৰ্ত্ততে খহি পৰি নাইকিয়া হ'ল। সি যে কি, সি ক'ত আছে, একোৱেই যেন বুজিব পৰা নাই। তাৰ অতীত বুলি যেন একো পদাৰ্থই নাই। আৰু তাৰ সমুখৰ ইমান দিনৰ নৌৰ একান্ত লক্ষ্যৰ সুনিৰ্দ্দিষ্ট ভৰিষ্যতো একেবাৰেই লোপ পাই গ'ল। সি যেন মাত্ৰ এক মুহূৰ্ত্তৰ কাৰণে পদুম পাতৰ ওপৰত নিয়ৰৰ টোপাল হৈ ওপঙি আছে। তাৰ আই নাই, বোপাই নাই, দেশ নাই, জাতি নাই, নাম নাই, গোত্ৰ নাই, দেৱতা নাই। তাৰ সকলো কথাই একমাত্ৰ 'নাই'। সি কি ধৰিব, কি কৰিব, আকৌ কৰপৰা আৰম্ভ কৰিব, কোনফালে লক্ষ্য থিৰ কৰিব, আকৌ দিনে দিনে ক্ৰমে ক্ৰমে কামৰ যোগানবোৰ কৰপৰা কেনেকৈ গোটাই লব! এই দিক্-বিদিক চিনি নোপোৱা অদ্ভুত শূন্যৰ মাজত গোৱা নিৰ্ব্বাক হৈ বহি ৰ'ল। তাৰ মুখ দেখি কোনেও আৰু দুনাই কথা কবলৈ সাহ নেপালে।

এনেতে পৰিয়ালৰ বঙালী চিকিৎসকৰ লগত চাহাব ডাক্তৰ আহি পালেহি। ডাক্তৰে যেনেকৈ ৰুগীৰ ফালে চালে তেনেকৈয়ে গোৱাৰ ফালেও চালে

নোৱাবিলে। ভাবিলে, এই মানুহটো কোন ? তেতিয়াও গোৱাৰ কপালত গঙ্গাৰ মাটিৰ ফোঁট আছিল। আৰু সেই গা ধুই উঠি পিন্ধা গৰদৰ চুৰিয়া-খনেই তেতিয়াও সি পিন্ধি আছিল। গাত চোলা নাই, লগুণৰ কাষেদি তাৰ প্ৰকাণ্ড দেহাটো দেখা গৈছিল।

আগেয়ে হোৱা হলে ইংৰাজ ডাক্তৰক দেখা মাত্ৰেই গোৱাৰ খং উঠিল হয়। কিন্তু আজি যেতিয়া ইংৰাজ ডাক্তৰে ৰুগীক পৰীক্ষা কৰি আছিল, তেতিয়া গোৱাই তেওঁলৈ আগ্ৰহৰ চকুৰে চাইছিল। নিজৰ মনতে সি বাৰে বাৰে প্ৰশ্ন কৰিছিল, 'এই মানুহজনেই এতিয়া তেন্তে সকলোতকৈ মোৰ বেচি আপোন !'

ডাক্তৰে পৰীক্ষা কৰি উঠাৰ পাচত সুধি-পুচি কলে,—"কতা, বিশেষ নেয়া লক্ষণ তো একো দেখা নাই। নাড়ীও ভয় লগা নহয় আৰু শৰীৰৰ যন্ত্ৰবিলাকৰো কোনো বিকৃতি ঘটা নাই। যিবোৰ উপসৰ্গ দেখা গৈছে সাৰধানে থাকিলেই সেইবোৰ নোহোৱা হব।"

ডাক্তৰ বিদায় লৈ যোৱাৰ পিচত গোৱা চকীৰপৰা উঠিব খুজিলে। ডাক্তৰ আহোঁতে আনন্দময়ী কাষৰ কোঠাটোলৈ গুচি গৈছিল। তেখেতে বেগাই সোমাই আহি গোৱাৰ হাতত ধৰি কলে,—"বোপাই গোৱা, মোৰ ওপৰত খং নকৰিবি—কৰ যদি মই আৰু নাবাছোঁ।"

গোৱাই কলে,—"তুমি ইমান দিনে মোক নকৈছিলা কেলেই ? কোৱা হলে তো তোমাৰ একো হানি নহলহেঁতেন।"

আনন্দময়ীয়ে নিজৰ মূৰতে সকলো দোষ জাপি লৈ কলে,—"বোপাই, তোক জানোচা হেৰুৱাওঁ ; এই ভয়তে ইমান পাপ কৰিছোঁ। শেষত যদি সেয়ে হয় আৰু তই যদি মোক এৰিয়েই যাৱ, তেনেহলেও মই কাকো দোষ দিব নোৱাৰো। কিন্তু তাকে কৰিলে তই মোক মাৰিবি বোপাই।"

গোৱাই মাত্ৰ কলে,—"আই।"

গোৱাৰ মুখত সেই সম্বোধন শুনি ইমান পৰৰ মূৰত আনন্দময়ীৰ হেঁচা মাৰি থোৱা চকুলো হো-হোৱাই বাগৰি আহিল।

গোৱাই কলে,—"আই মই এবাৰ ভট ডাঙৰীয়াৰ ঘৰলৈ যাওঁ।"

আনন্দময়ীৰ বুকুৰ ভাৰ পাতলিল। তেখেতে কলে—"যা বোপাই !"

তেওঁ এতিয়াই মৰাৰ আশঙ্কা নাই অথচ গোৱাই কথাটো জানিলেও—এনে হোৱাত কৃষ্ণদয়াল ৰৰ বিচলিত হৈ পৰিল। কলে,—"চা গোৱা, কথাটো কাৰো আগত উলিয়াবৰ প্ৰয়োজন নেদেখোঁ। তই মাত্ৰ বুজি-বাজি

গা বচাই চলিলেই যেনেকৈ চলি আছে সকলো ঠিক তেনেকৈয়ে চলি থাকিব কোনেও গম নেপায়।"

একো উত্তৰ নিদি গোৱা ওলাই গ'ল। কৃষ্ণদয়ালৰ লগত যে তাৰ কোনো সম্বন্ধ নাই—ইয়াকে ভাবি, তাৰ যেন ভাল লাগিল।

আগতে কোনো খবৰ নিদিয়াকৈ মহিমৰ অফিচলৈ নোযোৱাকৈ থকাৰ উপায় নাছিল। তেওঁ ডাক্তৰ আৰু অন্যান্য বন্দবস্ত কৰি দি এবাৰ দেখা দি চাহাবক কৈ ছুটী লবলৈ গৈছিল। গোৱা ঘৰৰপৰা ঠিক ওলাওঁতেই মহিম আহি পালেহি আৰু কলে—"গোৱা যাৰ কলৈ?"

গোৱাই কলে,—"খবৰ ভাল ডাক্তৰ আহিছিল। একো ভয় নাই বুলি ক'লে।"

মহিমৰ বৰ পাতল লাগি গ'ল; সি কলে,—"বছালি! পৰহিলৈ এটা দিন আছে—শশীমুখীৰ বিয়াখন সেই দিনাই পাতিম। গোৱা, তই কিন্তু অলপ লাগি-ভাগি দিব লাগিব। আৰু চা, বিনয়ক কিন্তু আগেয়ে সাৱধান কৰি দিবি—সি যেন সেইদিনা নোলায়হি। অবিনাশ অতিপাত হিন্দু—সি বিশেষকৈ কৈ দিছে তেনেকুৱা মানুহ যেন বিয়ালৈ নাহে। আৰু এটা কথা তোক কৈ থওঁ ভাই, সেইদিনা আমাৰ অফিচৰ বৰ চাহাব কেইজনক নিমন্ত্রণ কৰি আনিম, তই আকৌ সিহঁতক খেদামাৰি মাৰিবলৈ নেযাব যেন। একো নেলাগে, মুঠেই ডিঙিটো বেকাকৈ 'গুড্ ইভিনিং চাৰ' বুলিলে হিন্দু শাস্ত্রখন অশুদ্ধ হৈ নপৰে—আৰু যদি পৰেই পণ্ডিত সকলৰপৰা বিধান লবি। বুজিছ ভাই, সিহঁত হ'ল বজাৰ জাত, সিহঁতৰ ওচৰত তোৰ ভেমটো অকমান কমালে একো অপমান নহয়।"

মহিমৰ কথাৰ কোনো উত্তৰ নিদি গোৱা ওলাই গ'ল।

৭৬

চকুলো ঢাকিবৰ কাৰণে পেৰাটোৰ ভিতৰলৈ মুৰটো গুজি দি সুচৰিতা কাপোৰ ভৰোৱাত ব্যস্ত থাকোঁতেই খবৰ আহিল গৌৰমোহন আহিছে। সুচৰিতাই লৰালৰিকৈ চকু মচি হাতৰ কাম পেলাই থিয় দিলে। আৰু তেনেতে গোৱা ভিতৰলৈ সোমাই আহিল।

গোৱাৰ কপালত ফোট তেতিয়াও আছিলেই। সেইটো সি পাহৰিয়েই

গৈছিল। গাতো সেই পাটৰ কাপোৰেই আছিল। এনেকুৱা বেছবাচৰ কোনেও কাৰো ঘৰলৈ দেখা কৰিবলৈ নাহে। সেই যে দিনা দেখা হৈছিল, সেই দিনাৰ কথা সুচৰিতাৰ মনত পৰিল। সুচৰিতা জানিছিল, গোৱাই সেইদিনা বিশেষভাৱেই যুঁজৰ সাজ পিন্ধি আহিছিল আজিও জানো এইয়া সেই যুঁজৰেই সাজ!

গোৱা আহিয়েই মাটিত মুৰ লগাই ভট্ট ডাঙৰীয়াক সেৱা কৰিলে আৰু তেখেতৰ ভৰিৰ ধূলা ললে। পৰেশ ভট্টই লৰালৰিকৈ গোৱাক তুলি ধৰি কলে,—"আহা, আহা বোপা বহাঁ।"

গোৱাই কলে,—"ডাঙৰীয়া, মোৰ একো বন্ধন নাই।"

পৰেশ ভট্টই আচৰিত হৈ ক'লে,—"কিহৰ বন্ধন?"

গোৱাই কলে,—"মই হিন্দু নহওঁ।"

পৰেশ ভট্টই কলে,—"হিন্দু নোহোৱা?"

গোৱাই কলে,—"নহয়, মই হিন্দু নহয়। মই আজি জানিব পাৰিছোঁ মই মিউটিনিৰ সময়ৰ বুটলি পোৱা লৰা, মোৰ বোপাই আইৰিছমেন। ভাৰতবৰ্ষৰ উত্তৰৰপৰা দক্ষিণলৈ সকলো গোঁসাই থানৰ দুৱাৰেই আজি মোৰ কাৰণে বন্ধ হৈ গ'ল, আজি গোটেই দেশতে কোনো শাৰীৰ কোনো ঠাইতেই মোৰ আহাৰৰ আসন নাই।"

পৰেশ ভট্ট আৰু সুচৰিতা তভক লাগি বহি থাকিল। পৰেশ ভট্টই তাকনো কি ক'ব ভাবিয়েই নেপালে।

গোৱাই ক'লে,—"আজি মই মুকলিমুৰীয়া ডাঙৰীয়া! মই যে পতিত হম, ভ্রষ্ট হম, সেই ভয় মোৰ আৰু নাই—মই আৰু পদে পদে ভলৈ চাই অশুচি হোৱাৰ ভয়ত সাৱধানে খোজ দিব লেলাগে।"

ওচৰিতাই গোৱাৰ উজ্জ্বল মুখৰ ফালে চকুৰ পতা নেপোলোৱাকৈ চাই ৰ'ল।

গোৱাই ক'লে, "ডাঙৰীয়া, ইমানদিন ভাৰতবৰ্ষক লাভ কৰিবৰ কাৰণে কিমান সাধনা কৰিছোঁ—এঠাইত নহয় এঠাইত বাধা পাইছোঁ—সেই বাধাবিলাকক শ্রদ্ধাৰে চকুৰে চাবলৈ মই গোটেই জীৱন দিনে-বাতিয়ে চেষ্টা কৰি আহিছোঁ—এই শ্রদ্ধাৰ ভেটিটোকে নিকৃপকপীয়া কৰাৰ চেষ্টাত থাকোঁতেই মই অইন একো কাম কৰিব পৰা নাই—সেইটোৱেই মোৰ একমাত্র সাধনা আছিল। সেই দেখিয়েই বাস্তৱ ভাৰতবৰ্ষৰ পিনে সত্যৰ চকুৰে চাই তেওঁৰ সেৱা কৰিবলৈ গৈ মই বাৰে বাৰে ভয়তে উভতি

JYOTHI COLLEGE LIBRARY Estd-1971

আহিছোঁ—মই এখন নিৰ্কণ্টক নিৰ্ব্বিকাৰ কল্পনাৰ ভাৰতবৰ্ষ গঢ়ি তুলি সেই অভেদ্য দুৰ্গৰ ভিতৰত মোৰ ভক্তিক নিৰাপদে ৰক্ষা কৰিবলৈকে ইমান দিনে চাৰিও দিশৰ লগত কি যুঁজেইনো নকৰিলোঁ। আজি এক মুহূৰ্ত্ততে মোৰ সেই কল্পনাৰ দুৰ্গ সপোন হে উৰি গ'ল। মই আজি সম্পূৰ্ণ মুক্ত হৈ এটা বৃহৎ সত্যৰ মাজত থিয় দিছোঁহি। গোটেই ভাৰতবৰ্ষৰ ভাল-বেয়া, সুখ-দুখ, জ্ঞান-অজ্ঞান, একেবাৰেই মোৰ বুকুৰ কাষ আহি পাইছেহি—আজি মই সঁচাই সেৱাৰ অধিকাৰী হৈছো—আচল কৰ্ম্মক্ষেত্ৰ মোৰ সমুখত আহি পৰিছে—সেইয়া মোৰ মনৰ ভিতৰৰ ক্ষেত্ৰ নহয়—সি হৈছে বাহিৰৰ এই পচিশ কোটি মানুহৰ আচল কল্যাণ-ক্ষেত্ৰ।"

গোৰাৰ এই নতুনকৈ পোৱা অনুভূতিৰ কোৰাল উৎসাহৰ বেগে ডাঙৰীয়াকো যেন জোকাৰিবলৈ ধৰিলে; তেখেত আৰু বহি থাকিব নোৱাৰিলে, চকী এৰি থিয় দি উঠিল।

গোৰাই ক'লে,—"মোৰ কথা আপুনি ভালকৈ বুজিব পাৰিছেনে? মই দিনে-ৰাতিয়ে যিটো হ'বলৈ বিচাৰিছিলোঁ, কিন্তু হ'ব নোৱাৰিছিলোঁ, আজি মই সেইটোৱেই হৈছোঁ। আজিহে মই আচল ভাৰতীয়। মোৰ ভিতৰত হিন্দু-মুছলমান-খৃষ্টান কোনো সমাজৰে কোনো বিৰোধ নাই। আজি ভাৰতবৰ্ষৰ সকলো মানুহৰ জাতেই মোৰ জাত, সকলোৰ অন্নই মোৰ অন্ন। চাওক, মই বঙ্গদেশৰ বহু ঠাই ভ্ৰমণ কৰিছোঁ, অতি নীচ কুলীয়া মানুহৰ গাঁৱতো আলহী হৈছো—মই কেৱল নগৰৰ সভাতেহে বক্তৃতা দিছোঁ বুলি নেভাবিব—কিন্তু কোনো ৰকমেই সকলো মানুহৰ কাষত গৈ বহিব পৰা নাছিলোঁ—ইমান দিনে মই মোৰ নিজৰ লগতেই কিবা এটা অদৃশ্য ব্যৱধান লৈ ঘূৰি ফুৰিছিলোঁ—কোনোপধ্যেই সেই ব্যৱধান পাৰ হ'ব পৰা নাছিলো। সেই কাৰণেই মোৰ মনৰ ভিতৰত এটা ডাঙৰ শূন্যতা ৰৈ গৈছিল। এই শূন্যতাটোকেই মই নানা উপায়েৰে সদায় অস্বীকাৰ কৰিবলৈকে যত্ন কৰিছোঁ—এই শূন্যতাৰ ওপৰতে নানা প্ৰকাৰৰ কাৰুকাৰ্য্য খটাই তাক আটক-ধুনীয়া কৰিবলৈ চেষ্টা কৰিছোঁ। কিয়নো ভাৰতবৰ্ষক মই মোৰ প্ৰাণতকৈয়ো ভাল পাওঁ—মই তেওঁক তেওঁৰ যি অংশটোত দেখা পাইছিলোঁ, সেই অংশৰ ক'তো অকণো কিবা অভিযোগ কৰিবলগীয়া থাকিব পাৰে সেইটো মই একেবাৰে সহ্য কৰিব নোৱাৰি-ছিলোঁ। আজি সেই সকলো কাৰুকাৰ্য্য খটোৱাৰ মিছা চেষ্টাৰপৰা এৰা পৰি মই ৰক্ষা পাইছোঁ, ডাঙৰীয়া।"

পৰেশ ভট্টই ক'লে,—"সত্যক [illegible] পাওঁহক তেতিয়া সি

সকলো অভাৱ অপূৰ্ণতাৰে সেতেই আমাৰ আত্মাক [illegible] মিছা উপকৰণেৰে সজাই-পৰাই তোলা ইচ্ছাই নহয়।"

গোৰাই ক'লে,—"চাওঁক ডাঙৰীয়া, কালি ৰাতি মই বিধতাৰ ওচৰত প্ৰাৰ্থনা কৰিছিলোঁ যেন আজি ৰাতিপুৱাই নতুন জীৱন লাভ কৰোঁ। কালিৰেপৰা ইমানদিনে যিবিলাক মিছা, যিবিলাক অশুচিতাই মোক ঘেৰি থৈছিল, সেইবোৰ সকলো ক্ষয় হৈ গৈ আজি যেন মই নব জন্ম লাভ কৰিছোঁ। মই কল্পনাৰ যিটো বস্তুৰ কাৰণে প্ৰাৰ্থনা কৰিছিলোঁ, পুৱে ঠিক সেই প্ৰাৰ্থনালৈ কাণ নিদিলে—তেও তেওঁৰ নিজৰ সত্য হস্তে মোক কোৱেই মোৰ হাতত তুলি দি মোক চুমুক লগাই দিছে! তেতিয়া এনেকৈ মোৰ অশুচিতা একেবাৰেই মুচি পেলাব, সেইটো মই সপোনতো ভবা নাছিলোঁ। আজি মই ইমান শুচি হৈ পৰিছোঁ যে চণ্ডালৰ ছোঁৱতো মোৰ চুৰা হোৱাৰ ভয় নেথাকিল। ডাঙৰীয়া মই যেন সম্পূৰ্ণ কুকলি মনেৰে একেবাৰে ভাৰতবৰ্ষৰ কোলাত এই পুৰাতে জন্ম লৈছোঁ—আইৰ কোলা কাক বোলে ইমান দিনৰ মূৰত আজিহে যেন মই পুৰা-পুৰিকৈ উপলব্ধি কৰিব পাৰিছোঁ।"

পৰেশ ভট্টই ক'লে,—"গৌৰ, তোমাৰ আইৰ কোলাৰ যি অধিকাৰ পাইছা সেই অধিকাৰৰ মাজলৈ আমাকো তুমি আগবঢ়াই লৈ বলা।"

গোৰাই ক'লে,—"আজি মুক্তি লাভ কৰি পোন প্ৰথমেই আপোনাৰ ওচৰলৈ কিয় আহিছোঁ জানেনে?"

পৰেশ ভট্টই ক'লে,—"কিয়?"

গৌৰাই ক'লে,—"আপোনাৰ ওচৰতে এই মুক্তিৰ মন্ত্ৰ আছে—আৰু সেই দেখিয়েই আজি আপুনি কোনো সমাজতেই ঠাই পোৱা নাই। মোক আপোনাৰ শিষ্য কৰক। আজি আপুনি মোক সেই গোঁসাইৰেই মন্ত্ৰ দিয়ক, যি গোঁসাই হিন্দু-মুছলমান-খৃষ্টান-ব্ৰাহ্ম সকলোৰেই—যি জনা গোঁসাইৰ দুৱাৰ কোনো জাতিৰ কাৰণেই, কোনো মানুহৰ কাৰণেই, কোনো দিনাই জগোৱা নেথাকে—যিজনা কেৱল হিন্দুৰ গোঁসাই নহয়—যিজনা সমস্ত ভাৰতবৰ্ষৰ গোঁসাই।"

পৰেশ ভট্টৰ মুখৰ ওপৰেদি এটা গভীৰ মাধুৰ্য্যৰ স্নিগ্ধ ছাঁয়াই যেন হাত বুলাই গ'ল। তেখেতে চকু তললৈ নমাই নিমাতে থিয় দি ৰল।

ইমান পৰৰ পিচত গোৰাই সুচৰিতাৰ ফালে মুখ ঘৰালে। তাই চকীত নিটাল মাৰি বহি আছিল।

গোৰাই হাঁহি ক'লে,—"সুচৰিতা, মই তোমাৰ গুৰু নহওঁ। মই

তোমাক এই বুলি মিনতি কবিছোঁ, মোক হাততঁ ধবি তোমাব সৌ ওচবলৈ লৈ বলা।"

এইবুলি গোৱাই তাব সোঁহাতখন সুচবিতাব ফালে আগবাই গ'ল। সুচবিতাই চকীবপবা থিয় দি উঠি নিজব হাত গোৱাব হাতত থলে। তেতিয়া সুচবিতাক লগত লৈ গোৱাই পথ ভটক সেৱা কবিলে।

A·3
166

পবিশিষ্ট

গধূলিব পিচত ঘবলৈ উলটি আহি গোৱাই দেখিলে—আনন্দময়ী তেখেতব কোঠালীব দুৱাৰডলিত আমন-জিমনকৈ বহি আছে।

আহিয়েই গোৱাই তেখেতব ভবি দুখন টানি লৈ ভবিতে মুব থ আনন্দময়ীয়ে দুই হাতেবে গোৱাব মুবটো দাঙি ধবি চুমা খালে।

গোৱাই ক'লে,—"আই, তুমিয়েই মোব আই। যি আইক বি ফুবিছিলো তেওঁ আহি মোব বব ঘবব মজিয়াতে বহি আছিল। তে জাত নাই, বিচাব নাই, ঘিণ নাই—তুমি মাথো কল্যাণব প্রতিমা। য়েই মোব ভাবতবর্ষ।

আই, এইবাব তোমাব লছমিয়াক মাতা। মোক অলপ পানী দিবলৈ তাইক কোৱা।"

তেতিয়া আনন্দময়ীয়ে গোৱাব কাণত মুখখন লগাই কান্দো কা হৈ ক'লে,—"গোৱা, এইবাব এবাব বিনয়ক মাতি পঠাওঁ দেই।"